

মাটিৰ মানুহ

ৰহেশ্বৰ সোনোৱাল

অভিনন্দন গ্ৰন্থ



১৯৬৩ চনত কলিকতা বিমান বন্দৰত থকা ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহন (Civil Aviation Deptt) বিভাগৰ কাৰ্যালয়ত Aero-drome operator Grade I ৰ পৰীক্ষা দিলোঁ। এমাহৰ পিছত Operator Training ল'বলৈ এলাহাবাদলৈ মাতিলে। আৰ্থিক অনাটন, ঘৰৰ ডাঙৰ ল'ৰা হিচাপে আই-পিতাইক এৰি দূৰণিত চাকৰি কৰা আৰু স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধা-ভক্তি, মৰম-স্নেহ আৰু মোৰ ওপৰত ৰখা আস্থা-এই সকলোবোৰ নেওচি সুদূৰ এলাহাবাদত প্ৰশিক্ষণ লৈ যাবলৈ ইচ্ছা নহ'ল। মই এলাহাবাদত প্ৰশিক্ষণলৈ যোগ নিদিয়া দেখি তিনিমাহ পিছত কলিকতা বিমান বন্দৰত প্ৰশিক্ষণত যোগ দিবলৈ পুনৰ চিঠি আহিল।

বহু চিন্তাৰ দোমোজাত পৰি কলিকতালৈ যোৰাটো বাদ দি জংঘলেই মঙ্গল বুলি ভাবি নামদাং বিলৰ মাছ, ঢেঁকীয়া, ঔটেঙা, কচুশাকৰ জুতি ল'বলৈ তিনঠেঙ্গীয়াতে শিপাগুঁজি ৰ'লো। সৌভাগ্য নে দুৰ্ভাগ্য বিধাতাই জানিব, আমি মাত্ৰ পৰিস্থিতিৰ দাস।

— ৰহেশ্বৰ সোনোৱাল

মাটিৰ মানুহ
ৰহেশ্বৰ সোনোৱাল
অভিনন্দন গ্ৰন্থ

সম্পাদক
মহানন্দ সোনোৱাল

সহযোগী সম্পাদক
পংকজ কুমাৰ দাস

প্ৰকাশক
সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল
অভিনন্দন অনুষ্ঠান উদ্‌যাপন সমিতি, তিনঠেঙীয়া, ডিব্ৰুগড়, অসম

MATIR MANUH ROHESWAR SONOWAL: *A Collection of Essays Written In Felicitation of Life and Works of Shri Roheswar Sonowal and Published by Samaj Hitoishi Roheswar Sonowal Abhinandan Anusthan Ujjapan Samity, Tinthengia, Dibrugarh, Assam*

1st Edition: August, 2025

সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল অভিনন্দন অনুষ্ঠান উদ্‌যাপন সমিতি

সভাপতি	ঃ	শ্ৰী লীলা হাজৰিকা
সম্পাদক	ঃ	শ্ৰী মহানন্দ সোনোৱাল
সহযোগী সম্পাদক	ঃ	শ্ৰী পংকজ কুমাৰ দাস
কাৰ্যকৰী সদস্য	ঃ	শ্ৰী প্ৰিয়ৰাম বড়া, শ্ৰীপ্ৰশান্ত বড়া শ্ৰী ফুলেশ্বৰ সোনোৱাল, শ্ৰীবীৰেন দত্ত শ্ৰী অঞ্জুমণি দত্ত, শ্ৰীযতীন বড়া শ্ৰী চিত্ৰলেখা সোনোৱাল (তৰালি)
উপদেষ্টা	ঃ	শ্ৰী ভদ্ৰকান্ত সোনোৱাল শ্ৰী শৈলেন হাজৰিকা
ব্যৱস্থাপক মণ্ডলী	ঃ	শ্ৰী হেমন্ত সোনোৱাল (পাপু) শ্ৰী ধৃতিমান সোনোৱাল (ধন)।
প্ৰকাশক	ঃ	সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱাল অভিনন্দন অনুষ্ঠান উদ্‌যাপন সমিতি, তিনঠেঙীয়া, ডিব্ৰুগড়
প্ৰথম সংস্কৰণ	ঃ	আগষ্ট, ২০২৫
ডিটিপি	ঃ	অয়ন প্ৰকাশন, গুৱাহাটী
আৰ্হি পাঠ	ঃ	চন্দন কলিতা
প্ৰচ্ছদ সজ্জা	ঃ	মনজিৎ ৰাজখোৱা
স্কেচ্ছ অংকন	ঃ	ৰাৰ্জষি চাহা, হৰেশ্বৰ শইকীয়া
অনুবাদ	ঃ	অংকুৰ দত্ত
মুদ্ৰণ	ঃ	ভৰানী অফছেট এণ্ড ইমেজিং ছিষ্টেম প্ৰাইভেট লিমিটেড, গুৱাহাটী-৭৮১০০৭



স্কেচ অংকন- ৰাজর্ষি চাহা।

গুৱাহাটী বিশ্ববিদ্যালয়

অধ্যাপক ননী গোপাল মহন্ত
উপাচাৰ্য

শুভেচ্ছা বাণী

ডিব্ৰুগড় জিলাৰ খোৱাং অঞ্চলৰ তিনঠেঙীয়া নিবাসী বিশিষ্ট শিক্ষক, অক্লান্ত সমাজ সেৱক, সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ বাটকটীয়া শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৱলৈ সম্বৰ্ধনা জনাই অঞ্চলটোৰ ৰাইজে এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিব বুলি জানিবলৈ পাই বিমল আনন্দ অনুভৱ কৰিছো। তেখেতৰ বৰ পুত্ৰ দেৱ কুমাৰ সোনোৱালৰ সৈতে থকা মোৰ ঘনিষ্ঠ সম্পৰ্কৰ সুত্ৰে শ্ৰীযুত সোনোৱালদেৱক মই অতি ওচৰৰ পৰা পাইছো। ৮০ৰ উৰ্দ্ধ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল আজিও দূৰন্ত তৰুণৰ দৰে সামাজিকভাৱে সক্ৰিয়। ভিতৰুৱা অঞ্চলবোৰত শিক্ষাৰ পোহৰ বিলাবলৈ তেখেতে নিজৰ ব্যক্তিগত সুখ, সমৃদ্ধি, স্বাচ্ছন্দ্ৰ সকলো ত্যাগ কৰি বহু কেইখন শিক্ষানুষ্ঠান প্ৰতিষ্ঠাত গুৰিয়ালৰ ভূমিকা লৈছিল। অঞ্চলটোৰ দুখীয়া ৰাইজৰ আৰ্থিক উন্নতিৰ বাবে কৃষি পাম নিগম প্ৰতিষ্ঠা, ৰাজহুৱা বজাৰ আৰু বহুতো অনুষ্ঠান নিৰ্মাণ আদিৰে অনগ্ৰসৰ অঞ্চলটোৰ প্ৰগতিৰ পথ প্ৰশস্ত কৰিছিল। ভোগবাদ, ব্যক্তিবাদে সামাজিক মূল্যবোধ অবনমিত কৰাৰ সময়ত শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ এখন আলোকিত সমাজ নিৰ্মাণৰ ইতিহাসত এটি উজ্জ্বল নক্ষত্ৰ হৈ সদায় জিলিকি থাকিব।

তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো। আশা কৰোঁ, তেখেতৰ দৰে ব্যতিক্ৰমী ব্যক্তিত্বৰ জীৱনগাঁথা, সাধনা আৰু আদৰ্শই আগন্তুক প্ৰজন্মৰ মাজত প্ৰজ্ঞাৰ পোহৰ বিলাব।

(অধ্যাপক ননী গোপাল মহন্ত)

Address : Guwahati-781014 Assam:India | Email: vc@gauhati.ac.in | Web : www.gauhati.ac.in

OFFICE OF THE
All Assam Tribal Sangaha
Regd. No. RS/KAM(M)263/Z/585 of 2021-22
H.o. Tribal Rest House, Solapar, Paltanbazar, Guwahati-781008

Sukumar Basumatary
President I/C
Ph.: 86380-41198

Aditya Khakhlari
Secretary General
Ph.: 94350-63098

Ref No. .... Date: ....

শুভেচ্ছা বাৰ্তা

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৱৰ প্ৰতি অভিনন্দন জনাই স্থানীয় ৰাইজে এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিব বুলি জানিব পাৰি অতি আনন্দিত হৈছোঁ। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ সদৌ অসম ট্ৰাইবেল সংঘৰ এগৰাকী অগ্ৰণী পথ প্ৰদৰ্শক। তেখেতে তিনঠেঙ্গীয়া, লেঙেৰী, খোৱাং অঞ্চলৰ সমাজৰ উন্নয়ন, বিশেষকৈ শৈক্ষিক দিশত অনবদ্য অবদান ৰাখিছে। বয়সে তেখেতক গৰকিব পৰা নাই। আজিও তেখেত এগৰাকী তৰুণৰ দৰে দুৰন্ত গতিৰে সমাজ সেৱাত নিয়োজিত হৈ আহিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ তেখেত আছিল সভাপতি আৰু তেখেতৰ সভাপতিত্বতে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ চুক্তি স্বাক্ষৰ হৈছিল।

তেখেতৰ সু-স্বাস্থ্য আৰু শতায়ু কামনা কৰিলো।

আদিত্য খাখলাৰী
সাধাৰণ সম্পাদক
সদৌ অসম ট্ৰাইবেল সংঘ

সোনোৱাল কছাৰী সাহিত্য সভা

ALL ASSAM SONOWAL KACHARI STUDENTS UNION

স্থাপিত ঃ ১৩-০৫-২০১৭, মুখ্য কাৰ্যালয় ঃ কছাৰীবাৰী ডিব্ৰুগড়

Regd No - RS/DIB/255/F/59/2017-18

Head Office - Kacharibari, Dibrugarh

Mohan Sonowal
President
9435004324

Mridul Sonowal
Chief Secretary
9101115766 (M)

Ref. No.......................... Date.....................

শুভেচ্ছা বাৰ্তা

ডিব্ৰুগড় জিলাৰ তিনিঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰাৰ উপৰি সোনোৱাল কছাৰী স্বায়ত্ত শাসন প্ৰাপ্তি দাবী সমিতিৰ সভাপতি, জনপ্ৰিয় খেতিয়ক মান্যবৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ জীৱনীমূলক অভিনন্দন গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ লোৱা মহান পদক্ষেপক সোনোৱাল কছাৰী সাহিত্য সভাই আদৰণি জনোৱাৰ লগতে গ্ৰন্থৰ প্ৰকাশৰ লগত জড়িত সমূহ সম্পাদনা সমিতিৰ সন্মানীয় সদস্যবৃন্দক অভিনন্দন জ্ঞাপন কৰিছো। সদৌ শেষত বিশিষ্ট ব্যক্তি গৰাকীৰ সুস্বাস্থ্য কামনা কৰিছো আৰু সমাজ জীৱনলৈ অভূতপূৰ্ব অৱদান আগবঢ়াবলৈ ভগৱানে শক্তি প্ৰদান কৰক- তাৰে কামনা কৰিলো।

(মৃদুল সোনোৱাল)
মুখ্য সম্পাদক
সোনোৱাল কছাৰী সাহিত্য সভা

কাৰ্যালয়
সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা
OFFICE OF THE
ALL ASSAM SONOWAL KACHARI STUDENTS' UNION

মুখ্য কাৰ্যালয়ঃ সোনোৱাল ভৱন
কছাৰীবাৰী, মানকটা, ডিব্ৰুগড় -৭৮৬০০৩

ESTD. : 1968
REGD NO. 1276 - 1982/83

HEAD OFFICE : SONOWAL BHAWAN
KACHARIBARI, MANCOTTA
DIBRUGARH - 786003

President
Debananda Chelleng
Cell : 7002503773

E-mail : aasksu68@gmail.com

General Secretary
Parikhit Sonowal
Cell : 6003062708

প্ৰসঙ্গ নং ঃ

দিনাংক ঃ ....

শুভেচ্ছা বাৰ্তা

ডিব্ৰুগড় জিলাৰ এক ভিতৰুৱা অঞ্চল নখাট-নগাঁৱত জন্ম লাভ কৰা, বোকা-পানী গচকি -খচকি প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি উচ্চ শিক্ষাৰে শিক্ষিত হৈ তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকতাৰ এক দীঘলীয়া যাত্ৰা। শিক্ষাবৃত্তিৰ দৰে এক মহান কৰ্মত নিয়োজিত হৈ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে পোহৰৰ বাট দেখুৱাই আপুনি দি গ'ল বহুতৰে জীৱনৰ আদিপাঠ। শিক্ষকতাৰ উপৰি ৰাজনীতিৰ পথাৰত ভৰি দিয়াৰ লগতে সোনোৱাল কছাৰী জনজাতীয় সমাজখনৰ লগত জড়িত হোৱাৰ লগতে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰি যি জাতীয় কৰ্তব্য পালন কৰিলে জনগোষ্ঠীটোৰ উত্তৰণত ই এক মাইলৰ খুঁটি।

আপোনাৰ জীৱন কীৰ্তি চৰ্চাৰে এখন অভিনন্দন গ্ৰন্থ প্ৰকাশৰ দিহা কৰাত আমি সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাই সুখী অনুভৱ কৰিছো আৰু এই পৱিত্ৰ ক্ষণত আমাৰ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰিলো।

(দেবানন্দ চেলেং)
সভাপতি
সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা

আমাৰ একাষাৰ

অবিভক্ত লক্ষীমপুৰ জিলাৰ ডিব্ৰুগড় মহকুমাৰ পূব প্ৰান্তত অৱস্থিত লেঙেৰী মৌজাৰ ১০৭ নং এফ এছ গ্ৰাণ্টৰ নখাট-নগাঁৱত এক দুখীয়া কৃষক পৰিয়ালত ১৯৪০ চনৰ ১ জুলাই তাৰিখে এটি সন্তানে জন্ম লাভ কৰিছিল। মাতৃ আছিল স্বৰ্গীয় জাধৈ সোনোৱাল আৰু পিতৃ আছিল স্বৰ্গীয় মুকুট (মুকুন্দ)সোনোৱাল। সেই সুযোগ্য সন্তানটিয়ে হৈছে আজিৰ সোনোৱাল কছাৰী জনগোষ্ঠীৰ বিবেক, বৃহত্তৰ তিনঠেঙ্গীয়া-লেঙেৰী অঞ্চলৰ শৈক্ষিক বিকাশৰ পথ প্ৰদৰ্শক, ৰাস্তা-ঘাট , চিকিৎসা সেৱা, দুখীয়া কৃষকৰ ভূমিৰ অধিকাৰ আৰু কৃষি উন্নয়নৰ বাবে নিজকে উৎসৰ্গ কৰা গহীন স্বভাৱসুলভ ব্যক্তিত্বৰ অধিকাৰী, জ্ঞান পিপাসু, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। ১৯৯৮ চনত তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা ৰহেশ্বৰ সোনোৱাল সঁচাকৈ এগৰাকী মাটিৰ মানুহ। সাধাৰণ মানুহৰ দুখ-সুখৰ সৈতে জীৱনজোৰা সান্নিধ্যৰে চহকী তেওঁ। ৰহেশ্বৰ সোনোৱালদেৱে আৰ্থিক সংকটৰ মাজেৰে ১৯৬৫ চনত ডিব্ৰুগড় চহৰৰ হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে আৰু নিয়োগ বিনিময় কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ বিষয়াৰ চাকৰি ত্যাগ কৰি আহি বৃহত্তৰ তিনঠেঙ্গীয়া-লেঙেৰী অঞ্চলত শিক্ষানুষ্ঠান গঢ়ি তোলা, দুখীয়া কৃষকৰ বাবে কৃষি পাম নিগম স্থাপন কৰা, কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰ নিৰ্মাণ আদিত আত্মনিয়োগ কৰাৰ উপৰি পিছপৰা সোনোৱাল কছাৰী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আন্দোলনৰ এজন অক্লান্ত ৰণুৱা হিচাপে সেনাপতিৰ দায়িত্ব বহন কৰিছিল আৰু এই আন্দোলনৰ জৰিয়তে সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বায়ত্ত শাসনৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। এখন সুন্দৰ সমাজ নিৰ্মাণৰ সপোন তেওঁ সদায়ে বহন কৰি আহিছে। অসমৰ বাবে বৰণীয়া

জাতি-জনগোষ্ঠী-সম্প্ৰদায়ৰ মাজৰ ঐক্য-সম্প্ৰীতি বৰ্তি থকাটো তেওঁ কামনা কৰে। নিজৰ জাতীয় পৰিচয়, অধিকাৰ সম্পৰ্কে সচেতন ৰহেশ্বৰ সোনোৱালদেৱ সকলো সংকীৰ্ণতাৰ উৰ্দ্ধত। সামাজিক অন্যায়, অবিচাৰ, অনীতিৰ প্ৰতি তেওঁ সদায়ে সৰৱ হৈ আহিছে। বৰ্তমান সময়ৰ কুটিল, অশিষ্ট ৰাজনৈতিক পৰিমণ্ডলৰ পৰা বহু যোজন দূৰৈত তেখেতৰ অৱস্থান। এজন সক্ৰিয় ৰাজনৈতিক কৰ্মী হিচাপে তেখেতে ৰাজনীতিক পেছা হিচাপে নহয়, সমাজ সেৱা হিচাপে গ্ৰহণ কৰিছিল। ডেকা বয়সৰ পৰাই ৰাজনৈতিক পথাৰখনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা ৰহেশ্বৰ সোনোৱালদেৱে সমাজলৈ ৰাজনৈতিকভাৱেও অনবদ্য অৱদান আগবঢ়াইছে।

মানুহৰ প্ৰতি সদা শ্ৰদ্ধাশীল ৰহেশ্বৰ সোনোৱালদেৱ একাধাৰে পশু-পক্ষীৰ প্ৰতিও অতি মৰমিয়াল। তেখেতৰ ব্যক্তিত্বৰ এই দিশটোৱে বহল অন্তৰৰ পৰিচয় দাঙি ধৰে।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ কেৱল তিনঠেঙীয়া-লেঙেৰী অঞ্চলৰে নহয়, সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ ৰাইজ, বিশেষকৈ সোনোৱাল কছাৰী জনগোষ্ঠীৰ মাজত এটি পৰিচিত নাম, এক জনপ্ৰিয় ব্যক্তিত্ব। আপামৰ জনগণ, জাতিৰ প্ৰতি সদায়ে এক উৎসৰ্গ মনোভাব পোষণ কৰি অহা ৰহেশ্বৰ সোনোৱালদেৱে সদায়ে এক সহজ- সৰল জীৱন শৈলী যাপন কৰি আহিছে। তেওঁৰ বয়স ৮০ৰ উৰ্দ্ধত যদিও আজিও এক সতেজ কৰ্মোদ্যমৰ অধিকাৰী। বিভিন্ন সামাজিক অনুষ্ঠানত বৰ্তমানেও সক্ৰিয় হৈ আছে। নামদাং অৰণ্যৰে আবৃত পিছপৰা বৃহত্তৰ অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়ন আৰু সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বাধিকাৰ অৰ্জনৰ ইতিহাসত শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল এটি উজ্জ্বল নক্ষত্ৰ হৈ সদায় জিলিকি থাকিব। আমি আশা কৰো নতুন প্ৰজন্মৰ বাবে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে বহন কৰা আদৰ্শ প্ৰেৰণাৰ অফুৰন্ত উৎস হৈ থাকক।

এনে এগৰাকী অনন্য ব্যক্তিত্বৰ অধিকাৰী সমাজ হিতৈষী ব্যক্তিক জীৱিত কালতে সামাজিক স্বীকৃতি প্ৰদান কৰাটো এখন সমাজৰ ঐতিহাসিক দায়িত্ব। এই দায়িত্বৰ প্ৰতি শিৰনত কৰি আমি বৃহত্তৰ তিনঠেঙীয়া-লেঙেৰী অঞ্চলৰ ৰাইজে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ জীৱন পৰিক্ৰমাৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক অৱদানক সামাজিক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে ***'মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱাল'*** শীৰ্ষক অভিনন্দন গ্ৰন্থ খনি সম্পাদনা কৰি প্ৰকাশ কৰিছো।

এই সুযোগতে গ্ৰন্থখনি প্ৰকাশৰ বাবে লেখা দি সহায় কৰা বিশিষ্ট লেখকসকল, আৰ্হি পাঠৰ দায়িত্ব বহন কৰা চন্দন কলিতা, ড° প্ৰণীতা শৰ্মা বৰদলৈ, বেটুপাতৰ শিল্পী মনজিৎ ৰাজখোৱা, স্কেচ অংকনৰ শিল্পী ৰাৰ্জষি চাহা, হৰেশ্বৰ শইকীয়া, অনুবাদক অংকুৰ দত্ত, ভৰানী অফছেট এণ্ড ইমেজিং ছিষ্টেম প্ৰাইভেট লিমিটেডৰ কৰ্মীবৃন্দসহ বিভিন্ন কাৰিকৰী দিশত সহায় আগবঢ়োৱা সকলোলৈকে কৃতজ্ঞতা জনাইছো। আমাৰ এই প্ৰচেষ্টাত ৰৈ যোৱা ত্ৰুটিৰ বাবে আমি ক্ষমা প্ৰাৰ্থী।

সম্পাদনা সমিতিৰ হৈ—

মহানন্দ সোনোৱাল
সম্পাদক

পংকজ কুমাৰ দাস
সহযোগী সম্পাদক

সূচীপত্ৰ

❐ পৰম শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰৰ সামাজিক কৰ্মৰ ওপৰত কিছু আলোকপাত ।। ১৯
✍ লীলা হাজৰিকা

❐ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ঃ এক পোহৰ বিলোৱা ব্যক্তিত্ব ।। ২৪
✍ ড° চন্দন কুমাৰ শৰ্মা

❐ সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ২৭
✍ গুণেশ্বৰ সোনোৱাল

❐ মোৰ দেউতাৰ দাৰ্শনিক দৃষ্টিভংগী ঃ কিছু আভাস ।। ২৯
✍ দেৱ কুমাৰ সোনোৱাল (দুদুল)

❐ ৰহেশ্বৰ সোনোৱাল ঃ সান্নিধ্যৰ আনন্দ আৰু গৌৰৱ ।। ৩৫
✍ লোকনাথ গোস্বামী

❐ পেহাদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সান্নিধ্যৰ একলম ।। ৩৭
✍ মুনীন বড়া

❐ বন্ধুবৰ ৰহেশ্বৰ সোনোৱালৰ সান্নিধ্য ।। ৪০
✍ ডিম্বেশ্বৰ চেতিয়া

❐ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৱলৈ অভিনন্দন ।। ৪২
✍ মণিৰাম সোনোৱাল

❐ এগৰাকী সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱালৰ বিষয়ে যৎ কিঞ্চিৎ ।। ৪৮
✍ মোহন সোনোৱাল

❐ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যৰ একলম ।। ৫৪
✍ জীৱন খনিকৰ

❒ আমাৰ পৰিয়ালৰ ওখ মানুহজন ঃ ৰহেশ্বৰ সোনোৱাল বৰদেউতা ।। ৫৮
✍ ড° বিনোদ চন্দ্ৰ বড়া

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ অভিনন্দন ।। ৬২
✍ মহেন্দ্ৰ তামুলী

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালক মই কিদৰে জানো ।। ৬৫
✍ ড° লব ৰাম সোনোৱাল

❒ বৰ্ণাঢ্য ব্যক্তিত্বৰে সমুজ্জ্বল সুজন ।। ৬৮
✍ অনুপ ফুকন

❒ চিৰ শ্ৰদ্ধেয় শিক্ষাবিদ, সমাজ সেৱক শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন ।। ৭০
✍ বিপুল গগৈ

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যত ।। ৭৫
✍ মিলন সোনোৱাল

❒ এপাহি সুগন্ধি পুষ্প ।। ৮১
✍ ভদ্ৰকান্ত সোনোৱাল

❒ গুৰু দক্ষিণা ।। ৮৫
✍ বীৰেন দত্ত

❒ পৰম শ্ৰদ্ধেয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ প্ৰতি দুআষাৰ ।। ৮৮
✍ ৰূপেশ্বৰ গগৈ

১৮) সঠিক সময়ৰ সঠিক চিন্তক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ ।। ৯১
✍ ভক্তি প্ৰসাদ সোনোৱাল

❒ শ্ৰদ্ধাৰ সোনোৱাল ছাৰ ।। ৯৪
✍ মহানন্দ সোনোৱাল

❒ সমাজৰ পথ প্ৰদৰ্শক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ অভিনন্দন ।। ৯৭
✍ ফুলেশ্বৰ সোনোৱাল

❒ বিৰল ব্যক্তিত্বৰ অধিকাৰী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ১০১
✍ প্ৰণৱজ্যোতি দৈমাৰী

❒ মোৰ দৃষ্টিত শ্ৰদ্ধাৰ শ্ৰীৰহেশ্বৰ সোনোৱাল ককাইদেউ ।। ১০৫
✍ শিৱ নাথ সোনোৱাল
❒ ওম শ্ৰীশ্ৰী গোবিন্দ জয়তিঃ ।। ১১০
✍ ডিম্বেশ্বৰ সোনোৱাল
❒ মোৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলোৱা নমস্য শিক্ষাগুৰুজন ।। ১১৩
✍ ভূপাল সোনোৱাল
❒ সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন ।। ১১৬
✍ সোমেশ্বৰ দত্ত
❒ সোনোৱাল ছাৰৰ সান্নিধ্যত ।। ১১৯
✍ ৰবীন বড়া
❒ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে সান্নিধ্যৰ একলম ।। ১২২
✍ হৰেশ্বৰ বৰা
❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যত ।। ১২৬
✍ প্ৰশান্ত বৰা
❒ সান্ধ্য লগনত স্বপ্নদ্ৰষ্টালৈ অভিনন্দন ।। ১৩১
✍ দিগন্ত হাজৰিকা
❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ১৩৫
✍ আদিত্য কুমাৰ সোনোৱাল
❒ শ্ৰীযুত ৰহেশ্বৰ ছাৰলৈ অভিনন্দন ।। ১৩৮
✍ জ্যোতি প্ৰসাদ সোনোৱাল
❒ ছাৰৰ সান্নিধ্য আৰু ব্যক্তিগত কিছু অনুভৱ ।। ১৪০
✍ নীল সোনোৱাল
❒ ছাৰৰ সান্নিধ্যত একলম ।। ১৪৪
✍ ভুৱনেশ্বৰ সোনোৱাল
❒ ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যৰ শিক্ষা আৰু সামাজিক কামৰ সম্পৰ্কত একলম ।। ১৪৯
✍ ৰহেশ্বৰ সোনোৱাল

❒ ৰহেশ্বৰ ককাইদেউ সোনোৱাল জনগোষ্ঠীৰ পথ প্ৰদৰ্শক ।। ১৫২
✍ উৎপল দাস

❒ মোৰ স্মৃতিৰ পাপৰিত সোনোৱাল ছাৰ ।। ১৫৬
✍ ধনীৰাম শইকীয়া

❒ দীৰ্ঘদিনৰ এছোৱা সময়ৰ সান্নিধ্যত ৰহেশ্বৰ সোনোৱাল ছাৰ ।। ১৫৯
✍ প্ৰমোদ শইকীয়া

❒ অভিনন্দন ঃ শ্ৰদ্ধাস্পদ ৰহেশ্বৰ সোনোৱাল সমীপেষু ।। ১৬৩
✍ গকুল চন্দ্ৰ খাউণ্ড

❒ মোৰ উপলব্ধিত ৰহেশ্বৰ সোনোৱাল ছাৰ ।। ১৬৮
✍ ৰশ্মিৰেখা সোনোৱাল

❒ শিক্ষাগুৰুৰ সান্নিধ্যৰ এটি সুখানুভৱ ।। ১৭০
✍ ৰুবুল দত্ত

❒ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰলৈ একলম ।। ১৭৬
✍ মিৰেণ দত্ত

❒ প্ৰণাম সোনোৱাল ছাৰ ।। ১৭৮
✍ ৰঞ্জন সোনোৱাল

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ১৮০
✍ ডম্বৰুধৰ সোনোৱাল

❒ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ সমীপেষু ।। ১৮৩
✍ চেনিৰাম সোনোৱাল

❒ স্মৃতিৰ একলম মোৰ শিক্ষাগুৰু ৰহেশ্বৰ সোনোৱাল ছাৰলৈ ।। ১৮৬
✍ অঞ্জুমণি দত্ত

❒ বৃহঙ্গম দৃষ্টিৰে ৰহেশ্বৰ সোনোৱাল ।। ১৮৯
✍ পাৰুল সোনোৱাল

❒ সোনোৱাল ছাৰলৈ একলম ।। ১৯১
✍ হাস্না সোনোৱাল

❒ শৈশৱৰ কিছু উপলব্ধি ।। ১৯৪
✍ তৰুলতা হাজৰিকা

❑ তাৰৈলৈ অভিনন্দন আৰু তেখেতৰ পৰিয়ালৰ সৈতে থকা মধুৰ স্মৃতিবোৰ ।। ১৯৬
✍ সান্ত্বনা শইকীয়া

❑ Dear Papa ।। ২০০
✍ Shreyashree Sonowal (Sumi)

❑ শহুৰ দেউতা সমীপেষু ।। ২০১
✍ চিত্ৰলেখা সোনোৱাল (তৰালি)

❑ শ্ৰীযুত ৰহেশ্বৰ সোণোৱাল ছাৰৰ আদৰ্শ নতুন প্ৰজন্মই গ্ৰহণ কৰক ।। ২০৪
✍ **বিদিশা সোনোৱাল**

❑ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ নতুন প্ৰজন্মৰ আদৰ্শ ।। ২০৬
✍ চয়নিকা কোঁৱৰ

❑ ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ২০৭
✍ গগন বড়া

❑ পাপাৰ সান্নিধ্য ।। ২০৯
✍ পংকজ কুমাৰ দাস

❑ ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন ।। ২১৪
✍ ৰঞ্জুমণি বড়া সোনোৱাল

❑ পেহাদেউলৈ অভিনন্দন ।। ২১৬
✍ ৰিজুমণি বড়া

❑ পূজনীয় দাং কাইলৈ (ডাঙৰ ককাইলৈ) ।। ২১৮
✍ হৰিপ্ৰিয়া সোনোৱাল

❑ পেহা ।। ২২৩
✍ নাৰুমণি বড়া (পাৰু)

❑ অনুভৱৰ দলিচাত স্নেহবন্ধন ।। ২২৬
✍ দেৱযানী সোনোৱাল (দেবি)

❑ MY GRANDFATHER ।। ২২৮
✍ Abhinav Kashyap (Ayon)

❒ মোৰ চেনেহৰ ককালৈ একলম ।। ২৩০
✍ অন্তৰা ৰাগিনী (পাহি)

❒ মৰমৰ ককালৈ অভিনন্দন ।। ২৩২
✍ হৈম্যৱতী সোনোৱাল (দিশা)

❒ মোৰ সাহস আৰু প্ৰেৰণাৰ মানুহজন ।। ২৩৪
✍ গীতাঞ্জলি সোনোৱাল (মাজনী)

❒ মানুহজনক মই যেনেকৈ পাইছো ।। ২৪৩
✍ গুনদা সোনোৱাল

❒ আত্মকথা
সোণালী সোঁৰৰণীৰ দলিচা ঃ উভতি চাওঁ ।। ২৪৬

❒ সম্বৰ্ধনা পত্ৰৰ একাংশ ... ।। ২৮৫

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ পৰিয়াল ।। ২৮৮

❒ নখাট-নগাঁও কছাৰী পৰিয়ালৰ অনুক্ৰমণিকা ।। ২৯০

কবিতা

❒ গুৰু বন্দনা
✍ সতীশ চুতীয়া ।। ২৯৫

❒ আজি দেউতাৰ দিৱস (সমীপেষু শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল) ।। ২৯৯
✍ ৰীতা কোঁৱৰ

❒ কৰ্মবীৰ, প্ৰণাম তোমাক (সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল সমীপেষু) ।। ৩০১
✍ ৰীতা বৰদলৈ

❒ অৱসৰী কৃৰ্তী শিক্ষক, সমাজ হিতৈষী পৰম শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ কৰকমলত ।। ৩০৩
✍ ড° প্ৰণীতা শৰ্মা বৰদলৈ

❒ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

❒ Summary: A Man of Conviction, Culture, and Community - A Legacy Etched in Earth and Ink
✍ জেচিফ আহমেদ

❒❒❒

পৰম শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰৰ সামাজিক কৰ্মৰ ওপৰত কিছু আলোকপাত

✍ লীলা হাজৰিকা

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত অসমৰ পৰিৱেশত সণ্চালনিকৈ দেখা দিয়া নানান ধৰণৰ সংঘাতময় ঘটনা প্ৰৱাহে যোৱা কুৰি শতিকাৰ পিছৰ দশক কেইটাত অধিক জটিল ৰূপ ধাৰণ কৰিছিল বুলি ভবা হয়। অসমৰ মানুহৰ জাতীয় জীৱনত নানান সামাজিক বিপৰ্যয় নামি আহিছিল। সেই সময়ৰ অসমত বসবাস কৰা আদিম আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ প্ৰত্যেকৰে নিজাকৈ ছাত্ৰ সংগঠন, সাহিত্য সংগঠন, সামাজিক সংগঠন, ৰাজনৈতিক সংগঠন আদি গঠন কৰি তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যসমূহক প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যসূচী গ্ৰহণ কৰি সেইবোৰক ৰূপায়ণ কৰিবলৈ ঐক্যবদ্ধ প্ৰচেষ্টাৰে আগুৱাই গৈছিল। তাৰে ফলত অসমৰ আদিম তথা খিলঞ্জীয়া সোনোৱাল কছাৰীসকলেও নিজাকৈ ছাত্ৰ সন্থা, কল্যাণ সংঘ, জাতীয় পৰিষদ, নাৰী সন্থা আদি গঠন কৰি জাতিটোক সৰ্বতোপ্ৰকাৰে আগুৱাই নিবলৈ মাউখে উটিলে। লগতে ৰাজনৈতিকভাৱেও তেওঁলোকৰ বৈশিষ্ট্যসমূহ (ধৰ্ম, ভাষা, সৃষ্টিতত্ব, অলৌকিক পৰম্পৰা, লোকসংস্কৃতিক, পুৰণি ঐতিহ্য, সাজপাৰ, খাদ্যাভ্যাস, ভৌগোলিক অৱস্থান, ক্ৰীড়া আদি) সজীৱ কৰি ৰাখি এক শক্তিশালী প্ৰতিষ্ঠিত জাতি হিচাপে আৰু

আপোনভাৱে পৰিচালনা কৰিব পৰাকৈ স্বায়ত্ত শাসনৰ চিন্তা কৰিবলৈ ধৰিলে। তেতিয়াৰ দিনত কিছু সংখ্যক লোকৰ মনোভাব বেলেগ আছিল। স্বায়ত্ত শাসনে অসমৰ ঐক্য বিনষ্ট কৰিব, বিভিন্ন জনজাতি- সম্প্ৰদায়ৰ সম্প্ৰীতিত ব্যাঘাত জন্মিব, কিন্তু প্ৰকৃততে পৰিস্থিতিটো ওলোটা হ'ল। স্বৰাজোত্তৰ কালত অসমক জৰ্জৰিত কৰি অহা গোষ্ঠীগত সংঘাতৰ দূৰীকৰণ আৰু সমস্যা সমাধানৰ একমাত্ৰ চাবিকাঠী হৈছে জনজাতিসকলক স্বায়ত্ত শাসন প্ৰদান কৰি তেওঁলোকৰ মাজত ঐক্যৰ সেতু গঢ়াত অধিক গুৰুত্ব দিয়া।

সেয়েহে সোনোৱাল কছাৰী জনগোষ্ঠীয়ে তেওঁলোকৰ ১৯৬৮ চনত গঠন হোৱা সদৌ অসম ছাত্ৰ সন্থা, ১৯৯৪ চনত গঠন হোৱা সোনোৱাল কছাৰী জাতীয় পৰিষদ আৰু তেতিয়াৰ দিনত স্থায়ীভাৱে গঠন হোৱা সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি- এই তিনিটা খুঁটিৰ সমূহ বিষয়ববীয়াৰ সহযোগত সোনোৱাল কছাৰীসকলক স্বায়ত্ত শাসন প্ৰদান কৰি সৰ্বতো দিশত আত্মপ্ৰকাশ আৰু আত্মনিয়ন্ত্ৰণৰ আকাংক্ষাক বাস্তৱায়িত কৰিব পৰাকৈ গভীৰ আশা-প্ৰত্যাশাৰে তেতিয়াৰ মুখ্যমন্ত্ৰী আৰু চৰকাৰক দাবী জনায়।

জনগোষ্ঠীটোৰ প্ৰতি আনুগত্য প্ৰকাশেৰে ঐকান্তিক প্ৰচেষ্টাৰে প্ৰায় এযুগ (বাৰ বছৰ) ধৰি সংগ্ৰাম কৰি অৱশেষত ২০০৫ চনৰ ৪ মাৰ্চত স্বায়ত্ত শাসন প্ৰদানৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি চৰকাৰ আৰু স্বায়ত্ত শাসন দাবী সমিতি দুয়ো পক্ষৰ মাজত চুক্তি স্বাক্ষৰ হয়। ফলস্বৰূপে সেই বছৰে ছেপ্টেম্বৰ মাহত সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হয়।

উল্লিখিত সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ মুখ্য ভূমিকা গ্ৰহণ কৰা সেই ব্যক্তি গৰাকীয়ে এয়া আমাৰ শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। যি জনে স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি হিচাপে স্বায়ত্ত শাসন আন্দোলনৰ গুৰি ধৰিছিল আৰু আৰু সফলভাৱে শেষ কৰিছিল।

বৰ্তমান অসমৰ নখন জিলাৰ অন্তৰ্গত প্ৰায় সাতশখন গাঁৱৰ সোনোৱাল কছাৰী সম্প্ৰদায়ৰ লোকে চৰকাৰী বিত্তীয় পৰিচালনাৰ সহায়ত স্বায়ত্ত শাসিত পৰিষদৰ দ্বাৰা ভোগ কৰি আছে।

তিনঠেঙীয়া অঞ্চলত সোনোৱাল ছাৰৰ অৱদান-তিনঠেঙীয়া হাইস্কুলত

শিক্ষকতা কৰি থকা সময়ত এখেতে জাতীয় কংগ্ৰেছৰ সদস্য হৈ এসময়ত ডিব্ৰুগড় জিলা কংগ্ৰেছ সমিতিৰ সম্পাদক আৰু পিছলৈ ডিব্ৰুগড় জিলা পৰিষদৰ সদস্য হৈছিল। মনত পৰে সেই সময়ত তিনঠেঙীয়া অঞ্চলৰ মিচিং গাঁৰৰ স্বৰ্গীয় অটি টায়ে, নখাটৰ স্বৰ্গীয় ডিম্বেশ্বৰ গাঁওবুঢ়া, বালিজানৰ স্বৰ্গীয় সত্যনাথ বড়া, নগাঁৰৰ বন্ধু কমলা বৰুৱা আদি গুৱাহাটী আদিলৈ অহা-যোৱা কৰি নলনী চমুৱা মধ্য ইংৰাজী বিদ্যালয়, পূবেৰুণ কৃষি পাম নিগম মধ্য ইংৰাজী বিদ্যালয়, বুঢ়ীখোৱাং মধ্য ইংৰাজী বিদ্যালয় আৰু তিনঠেঙীয়া বৃন্দাবন প্ৰাথমিক বালিকা বিদ্যালয় প্ৰতিষ্ঠাত অগ্ৰণী ভূমিকা পালন কৰে। মুঠৰ ওপৰত এখেতৰ একান্ত প্ৰচেষ্টাতে উল্লিখিত বিদ্যালয় কেইখন প্ৰাদেশিকীকৰণ কৰা হ'ল। আটাইতকৈ ডাঙৰ কথাটো হ'ল তিনঠেঙীয়া হাইস্কুলৰ ওচৰে-পাঁজৰে এই বিদ্যালয় কেইখন প্ৰতিষ্ঠা কৰি দিয়াৰ বাবে তিনঠেঙীয়া হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে আৰু লগতে প্ৰতিযোগিতামূলক পৰিৱেশ গঢ় লৈ উঠাত শিক্ষা, খেলা-ধূলা আদিৰ মানো উন্নত হৈছে।

ছাৰৰ সহযোগতে পূবেৰুণ কৃষি পাম নিগমত এখন হাট- বজাৰ প্ৰতিষ্ঠা হ'ল। যি খন বজাৰ বৰ্তমান প্ৰায় পোন্ধৰ বিশখন গাঁৰৰ বেহা- বেপাৰৰ কেন্দ্ৰ। সোনোৱাল কছাৰীসকলৰ ৰজা মানিকফাই শদিয়াৰ সাতখেল, চৈধ্য বংশৰে গঠিত হালালী ৰাজ্যত শাসন কৰাৰে পৰা পৰমেশ্বৰৰ অংশ শিৱ পাৰ্বতীৰে সৈতে মাধপুৰুষ আৰু হৰেশ্বৰী নাম লৈ সোনোৱাল সকলক ধৰ্মৰ জ্ঞান, পূজা-পাৰ্বণ, কৃষি, গীত-মাত আদিৰ জ্ঞান দিয়াৰ দিনৰে পৰা সোনোৱাল কছাৰীৰ ঐশ্বৰিক গুণ সম্পন্ন সিদ্ধ পুৰুষ গজাইৰ নেতৃত্বতে পূজা-পাতল, কৃষি, গীত-মাত, ৰং-ৰহইচ সকলোবোৰ কৰি গ'ল।

কিন্তু ১৬০৩ খ্ৰীষ্টাব্দত তেতিয়াৰ আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ ৰোষত পৰি যোৰহাট মাজুলীস্থিত আউনীআটী সত্ৰৰ দ্বিতীয় গৰাকী সত্ৰাধিকাৰে লুইতেদি নাৱেৰে আহি কছাৰীসকলৰ সেই ঠাইতে বাহৰ পাতি ছল-চাতুৰিৰে পিছলৈ এওঁলোকক সত্ৰত শৰণ- ভজন দি মানুহখিনিক দুভাগ কৰি পেলালে। বেহাৰী আৰু হিন্দুৰীয়া 'এই বেহাৰীসকলো পূৰ্বৰ নিয়মেৰে পূজা -পাতল কৰি জাতিটোৰ বৈশিষ্ট্য জীয়াই ৰাখিলে। সত্ৰত শৰণ ভজন লোৱা লোক সৰহ হোৱাত পূৰ্বৰ পূজা-পাতল বৰ্তমান হেৰাই যোৱাৰ উপক্ৰম হ'ল।

কিন্তু দেখা গ'ল বৰ্তমান ছাত্ৰ সন্থা, জাতীয় পৰিষদ, কল্যাণ সংঘ, স্বায়ত্ত শাসিত পৰিষদ আদি গঠন কৰি নিজৰ বৈশিষ্ট্যসমূহৰ সৰ্বাংগীণ বিকাশ ঘটোৱাৰ মানসেৰে জাতীয় চেতনাত উদ্ধুদ্ধ হৈ লুপ্তপ্ৰায় পূজা-পাতলবোৰৰ মূল পূজা 'বাইথ' পূজা' কেন্দ্ৰীয়ভাৱে, আঞ্চলিকভাৱে উদ্‌যাপন কৰিবলৈ উঠি-পৰি লাগিল।

এই পূজা ভাগি বৰ্তমান ডিব্ৰুগড় জিলাতো নিৰ্দিষ্ট দিনত আয়োজন কৰা হয়। প্ৰায় দুহেজাৰ খ্ৰীষ্টাব্দৰ আৰম্ভণিৰ পৰাই ডিব্ৰুগড় জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলতো 'পশ্চিম ডিব্ৰুগড় খ্ৰীং খ্ৰীং বাইথ' পূজা' নামেৰে সমিতি গঠন কৰি আঞ্চলিক ভিত্তিত ঠায়ে ঠায়ে পূজাৰ আয়োজন কৰি আহিছে। বাহুল্য নকৰো যে পশ্চিম ডিব্ৰুগড় অঞ্চলত বাইথ' পূজা আয়োজনৰ অন্তৰালত প্ৰথম উদ্যোক্তা হিচাপে আমাৰ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ।

সমান্তৰালভাৱে ছাৰে জিলা পৰিষদত কাৰ্যনিৰ্বাহ কৰি থকা সময়ত বহুতো লোকক বিভিন্ন দিশত সহায় কৰিছিল।

ব্যক্তিগতভাৱে মই ছাৰৰ পৰা সহায় লৈ তিনঠেঙীয়া হাইস্কুলৰ প্ৰতিষ্ঠাপক স্বৰ্গীয় ৰজনী হাজৰিকাদেৰে মই মেট্ৰিক পাছ কৰি বিজ্ঞান শাখাত প্ৰি ইউনিভাৰ্ছিটী পাছ কৰাৰ পাছতে হাইস্কুলত শিক্ষকতা কৰিবলৈ নিযুক্তি দিলে। অথচ এখন হাইস্কুলত পাঠদান কৰাৰ শিক্ষাগত অৰ্হতা মোৰ নাছিল। সেই সময়ত ছাৰে তিনঠেঙীয়া মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰি থাকি পৰিষদীয় ইলেকচনত প্ৰাৰ্থী হৈ এবছৰ ছুটী লোৱাত তেখেতৰ খালী পদলৈ মোক বদলি কৰি দিয়ে।

হাইস্কুলত শিক্ষকতা কৰি থকা অৱস্থাত চ'ত মহীয়া অনুষ্ঠিত হোৱা মেনেজিং কমিটীৰ এখন বিশেষ বৈঠকত বক্তব্য ৰাখি থাকোতেই মোৰ পিতৃয়ে ছাৰৰ গাতে ঢলি পৰি মৃত্যুবৰণ কৰে। মৃত পিতৃক ছাৰে মোৰ ঘৰলৈ আনি সৎকাৰ কৰাৰ আগতে সাঙীত লৈ গাঁওখনৰ মূল আলিয়েদি সামাজিকভাৱে শোভাযাত্ৰা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। এয়া ছাৰে আমাৰ বাবে দি যোৱা নিদৰ্শন আৰু মহানুভৱতা।

তিনিখুঁটি হ'লে চৰু সিজে বুলি কয়। তিনঠেঙীয়া হাইস্কুলৰ পূব দিশত

প্ৰধান শিক্ষক স্বৰ্গীয় সৰ্বেশ্বৰ সোনোৱাল ছাৰৰ বৰ্ডিং, দক্ষিণ দিশত সোনোৱাল ছাৰৰ ঘৰ। বায়ু কোণত আমাৰ ঘৰ। আমাৰ তিনিও ঘৰৰ ল'ৰা-ছোৱালীসকলে শৈশৱ আৰু কৈশোৰ কালত একেলগে খেলা-ধূলা কৰা, পৰস্পৰ অহা- যোৱা কৰা সেই স্মৃতিবোৰ সম্পূৰ্ণ পাহৰিব পৰা নাই।

বস্তু আৰু ভোগ লাগিবই, কিন্তু বস্তুৰ পৰিমাণৰ ওপৰতহে ভোগ নিৰ্ভৰ কৰে, ভোগক নিয়ন্ত্ৰণ কৰিব লাগিব।

এখেতলোক চিন্তাশীল, শ্ৰদ্ধাশীল, নিষ্ঠাত আস্থাশীল ব্যক্তিসকলে আমাৰ জীৱনত আৱশ্যকীয় বহুতো বস্তু দি গৈছে। কিন্তু তেখেত সকলে ভোগ কৰিছে নে? ভোগ কৰিবলৈ দিয়া হৈছে নে? আমি আশীৰ্বাদৰ গৰাকী নহওঁ, ছাৰক আশীৰ্বাদ আগবঢ়াব নোৱাৰোঁ। কিন্তু অদৃশ্য পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা ছাৰৰ আয়ুসত বিঘিনি শূন্য কৰি সপৰিয়ালে সুখেৰে ৰাখক।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক
তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ঃ এক পোহৰ বিলোৱা ব্যক্তিত্ব

ড° চন্দন কুমাৰ শৰ্মা

আমাৰ সমাজখনত সৰ্বদা নিজ স্বাৰ্থ পূৰণতে ব্যস্ত থকা লোকৰ সংখ্যাই সৰহ। সমাজৰ কথা ভাবিবলৈ তেওঁলোকৰ আহৰি নাই। আৰু সমাজৰ কাৰণে সৰু কিবা এটা কৰিলেও তাক এনেদৰে প্ৰচাৰ কৰি ফুৰে যে জনা-বুজা লোকৰ বাবে সি অস্বস্তিৰ কাৰণ হৈ পৰে। ইয়াৰ বিপৰীতে সংখ্যাত কম হ'লেও আমাৰ মাজত এনে লোকো আছে যি নিজৰ স্বাৰ্থ ত্যাগ কৰি সমাজৰ বৃহত্তৰ কল্যাণ সাধনকে জীৱনৰ ব্ৰত হিচাপে আঁকোৱালি লোৱা দেখা যায়। ব্যক্তিগত সুখ-স্বাচ্ছন্দ্ৰৰ প্ৰতি বিশেষ দৃষ্টি নৰখা, প্ৰচাৰ বিমুখ এনে লোকৰ সংখ্যা এসময়ত আমাৰ সমাজত কিছু আছিল যদিও আজিৰ বস্তুবাদী সমাজত তেনেলোকৰ সংখ্যা একেবাৰে কমি আহিছে।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ তেনে এগৰাকী প্ৰচাৰ বিমুখ সমাজৰ প্ৰতি উৎসৰ্গীকৃত ব্যক্তি। চৰকাৰী বিষয়াৰ চাকৰি তেওঁ লাভ কৰিছিল যদিও শিক্ষকতাকে জীৱনৰ পণ কৰি লোৱা সোনোৱালদেৱৰ বাবে শিক্ষকতা কেৱল এক বৃত্তি নাছিল, ই আছিল একোটা পিছপৰা অঞ্চলত পোহৰ বিলোৱাৰ, সমাজ এখনৰ ভৱিষ্যত গঢ়াৰ উত্তম মাধ্যম। ১৯৯৮ চনত তিনঠেঙীয়া কাৰিকৰী উচ্চ

মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা সোনোৱালদেৱ কেৱল বৃহত্তৰ খোৱাঙ-টিংখং অঞ্চলৰেই সৰ্বজনশ্ৰদ্ধেয় ব্যক্তি নহয়, গোটেই ডিব্ৰুগড় জিলাৰে এগৰাকী জনাজাত ব্যক্তি।

শ্ৰীযুত সোনোৱালদেৱে এগৰাকী শিক্ষক হিচাপে সমাজ নিৰ্মাণৰ দায়িত্ব পালন কৰাই নহয়, সমগ্ৰ ডিব্ৰুগড় জিলা, বিশেষকৈ তিনঠেঙ্গীয়া অঞ্চলৰ সোনোৱাল-কছাৰীসকলৰ সাংস্কৃতিক তথা ধৰ্মীয় উত্তৰণৰ ক্ষেত্ৰতো এক নেতৃস্থানীয় ভূমিকা পালন কৰি আহিছে। বিশেষকৈ সোনোৱাল-কছাৰীসকলৰ ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা অগ্ৰগণ্য। ৰাজনৈতিকভাৱে তেওঁ পূৰ্বৰে পৰা সক্ৰিয় আছিল যদিও চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছতে তেওঁ অনগ্ৰসৰ আৰু উচিত ৰাজনৈতিক প্ৰতিনিধিত্বৰ পৰা বঞ্চিত জনগোষ্ঠীটোৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত নিজকে নিয়োগ কৰে। এই উদ্দেশ্যে ১৯৯৮ চনত গঠিত হোৱা "সোনোৱাল কছাৰী স্বায়ত্ব শাসন দাবী সমিতি"ৰ তেওঁ প্ৰথম গৰাকী সভাপতি হয়। তেতিয়াৰে পৰা ২০০৫ চনলৈকে এই সম্পৰ্কে অসম চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত উপনীত হোৱালৈকে তেওঁ স্বায়ত্ত শাসনৰ দাবীত হোৱা সংগ্ৰামখনৰ নেতৃত্ব বহন কৰিছিল। সেই চনতে অন্তৰ্বৰ্তীকালীন সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদখন গঠন হয়। এই পৰিষদখন সুকলমে গঠন কৰাতো তেওঁ এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এইদৰে নিশ্চিতভাৱে সোনোৱালদেৱে এক অতি প্ৰয়োজনীয় জাতীয় দায়িত্ব পালন কৰিলে। কিন্তু এগৰাকী নি:স্বাৰ্থ, সমাজৰ হকে উৎসৰ্গীকৃত ব্যক্তিৰ নিদৰ্শন ৰাখি নিজে এই পৰিষদৰ কোনো বিষয়বাব ল'বলৈ অস্বীকাৰ কৰিলে। আজিৰ যুগত ই এক বিৰল কথা বুলিয়ে ক'ব লাগিব।

মোৰ বন্ধু তথা ভাতৃপ্ৰতিম দেৱ সোনোৱাল তেখেতৰ বৰপুত্ৰ হোৱাৰ সূত্ৰে সোনোৱালদেৱক কেবাবাৰো ওচৰৰ পৰা পাইছো। ডিগবৈৰ বিবেকানন্দ বিদ্যালয়ত দেৱ অধ্যয়ন কৰা কালতে তেখেতক প্ৰথম দেখা পাইছিলো। তেতিয়াই তেখেতৰ ব্যক্তিত্বৰ সাঁচ মনত ৰৈ গৈছিল। আজি কিছু বছৰ পূৰ্বে তিনঠেঙ্গীয়াৰ ঘৰতো থাকি আহিছো। অৱশ্যে ওচৰৰ পৰা পাইছো বুলি কোৱাতকৈ দেখিছো বুলি কোৱাহে অধিক যুগুত হ'ব। কাৰণ তেখেতৰ গহীন-গম্ভীৰ ব্যক্তিত্ব আৰু ব্যস্ততাৰ বাবে তেখেতৰ সৈতে দীঘলীয়া বাৰ্তা বিনিময় কৰাৰ সুযোগ আজিলৈকে হোৱা নাই।

ক্ষমতাশালী মহলৰ পিছত ব্যস্ত আজিৰ সমাজত প্ৰকৃত আৰু ত্যাগী সমাজ সেৱকক মানুহে পাহৰি পেলোৱাৰ উদাহৰণেই অধিক। তেনে এক দু:সময়ত ৰহেশ্বৰ সোনোৱালদেৱৰ দৰে সমাজৰ এগৰাকী পুৰোধা ব্যক্তিৰ প্ৰতি তেওঁৰ গুণমুগ্ধসকলে এইদৰে অভিনন্দন গ্ৰন্থ প্ৰকাশৰ মাজেৰে শ্ৰদ্ধা জনোৱাৰ প্ৰয়াস অতি আদৰণীয়। ই যোগ্যজনক প্ৰাপ্য সন্মান জনোৱাৰ লগতে সোনোৱালদেৱৰ জীৱন আৰু কৰ্মৰ আলোচনাৰ মাধ্যমেৰে সোনোৱাল কছাৰীসকলৰ সমাজ, সংস্কৃতি আৰু আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামখনৰ অভিজ্ঞতাবোৰ লিখিত ৰূপত সংৰক্ষণৰ দায়িত্বও পালন কৰিব পাৰিব বুলি আশা কৰিব। সোনোৱাল দেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন কামনা কৰিলো।

লেখক ঃ বিশিষ্ট লেখক তথা ডীন, মানৱিকী আৰু
সমাজ বিজ্ঞান স্কুল, তেজপুৰ বিশ্ববিদ্যালয়।

❑❑❑

সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

✍ গুণেশ্বৰ সোনোৱাল

কৃতী শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ সোনোৱাল কছাৰী সাহিত্য সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। দুৰদৰ্শী গুণৰ অধিকাৰী শ্ৰীসোনোৱালদেৱক অসমৰ সোনোৱাল কছাৰী জনগোষ্ঠীৰ সকলো লোকে ভালদৰে চিনি পায়। ৫০-৬০ৰ দশকতে তিনঠেঙ্গীয়াৰ দৰে অজান্তিমুলুকত বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ যি সৎ-প্ৰচেষ্টা আৰু সুদূৰপ্ৰসাৰী মানসিকতা, এই চেতনাপ্ৰৱণতাই প্ৰমাণ কৰে যে সোনোৱালদেৱ প্ৰকৃতাৰ্থতেই এগৰাকী আধুনিক চিন্তাৰে দীক্ষিত সমাজ-সচেতন লোক।

চৌদিশে অৰণ্যই আগুৰি থকা পাতল জনবসতিপূৰ্ণ অঞ্চলতো যে এখন বিদ্যালয় হ'ব পাৰে, এই কথা আন বহুতেই হয়তো কল্পনাই কৰিব নোৱাৰিলেহেঁতেন। কিন্তু সোনোৱাল ডাঙৰীয়াই অদম্য সাহস আৰু দূৰদৰ্শিতাৰে এনে সুমিত ফল ৰাইজে ভোগ কৰিব পৰা কৰি দিলে। আজিৰ নতুন প্ৰজন্মই তেখেতক অন্তৰ উজাৰি প্ৰণাম জনাইছে।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে মোৰ কায়িক সান্নিধ্য হোৱা নাই

যদিও তেখেতৰ ৰাজহুৱা কাম-কাজ আৰু সামাজিক, সাংগঠনিক দিশৰ কথা শুনিছোঁ আৰু দেখি আহিছোঁ। সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ দাবী সমিতিৰ এখেত সভাপতি আছিল। এই পদবীটোৰ গুৰুত্ব অপৰিসীম। ২০০৫ চনৰ পৰাই সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদখনৰ কাম-কাজ চলি আহিছে।

শিক্ষানুৰাগী, সমাজহিতৈষী শ্ৰীযুত সোনোৱালদেৱে ‘তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়’ত আজীৱন শিক্ষকতা কৰি তাৰ পৰাই অৱসৰ গ্ৰহণ কৰিলে। বৰ্তমান তেখেত চাৰিকুৰিৰো উৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিক।

সোনোৱাল কছাৰী সাহিত্য সভাৰ ফালৰ পৰা এই গৰাকী স্বনামধন্য শিক্ষাবিদৰ সু-স্বাস্থ্য আৰু সুদীৰ্ঘ আয়ুস কামনা কৰিলোঁ।

লেখক ঃ সোন্যোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি।

❑❑❑

মোৰ দেউতাৰ দাৰ্শনিক দৃষ্টিভংগী ঃ কিছু আভাস

✍ দেৱ কুমাৰ সোনোৱাল (দুদুল)

"Enternal happiness and misery are a child's dream. The upanishads point out that the goal of man is neither misery nor happiness, but we have to be master of that out of which these are manufactured. We must be masters of the situation at its very root as it were." **–Swami Vivekananda.**

আমাৰ শৈশৱ সামাজিক-ৰাজনৈতিক ঘটনাৱলী আৰু গ্ৰন্থ আদিৰ আলোচনা কৰা এটা পৰিবেশত অতিবাহিত কৰাৰ সৌভাগ্য হৈছিল। তিনঠেঙীয়াৰ দৰে ভিতৰুৱা গাঁৱৰ আমাৰ ঘৰখনলৈ সচেতন, শিক্ষিত আৰু বিভিন্ন কামত নিয়োজিত লোকৰ আহ-যাহৰ কোনো অভাৱ নাছিল। তেওঁলোক কৃষি বিভাগৰ বিষয়া, সম্প্ৰসাৰণ বিষয়া, বন বিষয়া, ৰেচম কৃষি বিভাগৰ লোক, পঞ্চায়ত আৰু স্বাস্থ্য বিভাগৰ কৰ্মী, ভাৰতীয় জৰীপ বিভাগৰ ক্ষেত্ৰ বিষয়া, ঠিকাদাৰ আদিৰ দৰে বৈচিত্ৰপূৰ্ণ লোকৰ প্ৰায়ে আহ-যাহ হৈছিল।

আমাৰ গাঁৱলৈ অহা মানুহবোৰে তেওঁলোকৰ কাম-কাজৰ বাবে কোনো ব্যক্তিৰ সৈতে যোগাযোগ কৰিব লগা হৈছিল। তেনে লোকৰ ভিতৰত সমগ্ৰ অঞ্চলটোৰ ভিতৰতে সচেতন আৰু আগৰণুৱা হিচাপে তেতিয়াৰে পৰা পৰিচিত আমাৰ দেউতাক যোগাযোগ কৰি সেই ব্যক্তিসকলে প্ৰয়োজনীয় দিহা-পৰামৰ্শ লৈছিল। সামাজিকভাৱে দায়বদ্ধ ব্যক্তিৰ এটা বিশেষত্ব হ'ল তেওঁৰ চাৰিওফালে বসবাস কৰা মানুহবোৰৰ বাবে চিন্তা আৰু কাম কৰে। সেই সময়ছোৱাত (৭০ আৰু ৮০ দশকত) গ্ৰাম্য অঞ্চলৰ মানুহবোৰ প্ৰধানকৈ বুঢ়ীদিহিং নদীয়ে সৃষ্টি

কৰা প্ৰলয়ংকাৰী বানৰ ফলত ধান খেতি আদি ধ্বংস হোৱাৰ বাবে দৰিদ্ৰতাত ভুগিছিল। বুঢ়ীদিহিং ব্ৰহ্মপুত্ৰৰ অন্যতম প্ৰধান উপনৈ। মোৰ স্পষ্টকৈ মনত আছে যে এবাৰ বানপানীয়ে নদীৰ দুয়ো পাৰৰ গাঁৱৰ বাসিন্দা সকলক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছিল (১৯৮০ চনৰ বানপানী) আৰু বানপানীৰ ভয়াবহতাৰ সময়ছোৱাত মোৰ দেউতাই ঘৰৰ পৰা আঁতৰি থাকি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু সাহায্যৰ বাবে নিৰসলভাৱে কাম কৰিছিল। তেওঁ গ্ৰাম সেৱক আৰু আন সকলৰ সৈতে অঞ্চলটোত সেৱা আগবঢ়াইছিল আৰু যিমান পাৰে ক্ষতিগ্ৰস্ত গাঁওবাসীক সহায় কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। জিলা প্ৰশাসনে বিতৰণ কৰা আৰু স্থানীয় লোকে আগবঢ়োৱা চাউল, দাইল আৰু অন্যান্য খাদ্য সামগ্ৰী বিতৰণ কৰিছিল। বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু সাহায্যৰ বাবে পৰিবহণ হিচাপে সৰু নাও আৰু চাইকেল আদি ব্যৱহাৰ কৰিছিল। কিন্তু ৮০ দশকৰ আৰম্ভণিৰ সেই দুৰ্যোগপূৰ্ণ দিনবোৰত বুঢ়ীদিহিং নদীৰ পাৰৰ অঞ্চলবোৰ বছৰটোত সাত/আঠবাৰকৈ ক্ষতিগ্ৰস্ত হৈছিল। ভাঙি যোৱা বান্ধটো মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাটো সম্ভৱ হোৱা নাছিল। এনে এক সংকটপূৰ্ণ সময়ত সেই দুখীয়া আৰু অসহায় লোকসকলৰ বাবে কাম কৰিবলৈ এখন বহল হৃদয় আৰু গভীৰ দায়বদ্ধতা অনুভৱৰ প্ৰয়োজন। বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগবোৰে প্ৰধানকৈ প্ৰান্তীয় অঞ্চলত বাস কৰা লোকসকলক আক্ৰান্ত কৰে। জীৱন আৰু জীৱনধাৰণৰ বাবে অহৰহ সংগ্ৰাম কৰিবলৈ বাধ্য হোৱা এই সকল লোকলৈ সহায়ৰ হাত আগবঢ়োৱাটো সমাজৰ প্ৰতি এক গভীৰ দায়বদ্ধতাৰ পৰিচায়ক। এজন ব্যক্তি দায়বদ্ধতাৰে মহীয়ান তেতিয়াহে হ'ব পাৰে যেতিয়া সেই ব্যক্তি গৰাকী আনৰ সেৱাৰ প্ৰতি উৎসৰ্গিত এক ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে। য'ত আত্মস্বাৰ্থৰ কোনো ঠাই নাথাকে। এনে সেৱাৰ বাবে কেৱল সাহসৰে প্ৰয়োজন নহয়, নিঃস্বাৰ্থ সেৱাৰ পথ বাচি লোৱাৰ সাহসৰো প্ৰয়োজন হয়। যিটো সমাজত কমেইহে দেখা যায়। সদায়েই সমাজৰ বাবে কাম কৰা এগৰাকী সামাজিকভাৱে প্ৰাসংগিক ব্যক্তি হিচাপে জীয়াই থকাটোৱেই মোৰ দেউতাৰ আদৰ্শ। এনে এগৰাকী ব্যক্তিৰ বাবে সন্তুষ্টি আৰু আত্ম-পূৰ্ণতা তেতিয়াহে আহে যেতিয়া তেওঁ সমাজৰ আন্ধাৰবোৰ আলোকিত কৰি তোলাত সফল হয়। অন্যথা, এগৰাকী ব্যক্তি সামাজিক দায়বদ্ধতাৰ পৰা বঞ্চিত হ'ব আৰু আন যিকোনো সাধাৰণ ব্যক্তিৰ দৰে কেৱল এক গতানুগতিক জীৱন-যাপনহে কৰিব পাৰিব। এনে ব্যক্তিৰ কোনো আদৰ্শ নাথাকে আৰু আনৰ প্ৰতি সেৱাৰ মনোভাবো নাথাকে।

দৰ্শনত, সাধাৰণতে যাক 'পৰহিতৈষিতা' (Altruism) বা 'আনৰ বাবে জীয়াই থকা'ৰ দৰ্শন বুলি জনা যায়। ইয়াত এনে কাৰ্য-কলাপসমূহ অন্তৰ্ভুক্ত কৰা হয় যি সমূহে আনক উপকৃত কৰে, আনকি নিজৰ ক্ষতি স্বীকাৰ কৰি হ'লেও। এনে এক সেৱা এগৰাকী ব্যক্তিৰ বাবে নৈতিক বাধ্যবাধকতা হিচাপে স্বীকৃত। পৰহিতৈষিতাৰ ভিতৰত এনে কাৰ্যকলাপ জড়িত হৈ থাকে যিয়ে পোনপটীয়াকৈ আন এজন ব্যক্তিক উপকৃত কৰে। পৰোক্ষভাৱে এক বহল প্ৰভাৱৰ জৰিয়তে তেওঁলোকক উপকৃত কৰে। ই হৈছে নিঃস্বাৰ্থতা, আনৰ প্ৰয়োজনীয়তাক আগত স্থান দিয়া। দেউতা কেৱল মানুহৰ প্ৰতিয়ে নহয়, জীৱ-জন্তুৰ প্ৰতিও সংবেদনশীল আৰু ভৱিষ্যত প্ৰজন্মক জীৱনৰ সঠিক দৃষ্টিভংগীৰে সমৃদ্ধ হোৱাটো বিচাৰে।

কেবাখনো জিলাৰ ভূমিহীন লোক সকলৰ চিনাক্তকৰণ আৰু ভূমি আৱণ্টনৰ বাবে এগৰাকী দায়িত্বশীল ব্যক্তি হিচাপে দেউতাই সদায় প্ৰকৃত দৰিদ্ৰ লোক আৰু তেওঁলোকৰ পৰিয়ালক তেওঁৰ দ্বাৰা নামভুক্ত কৰা আৰু নতুনকৈ স্থাপন কৰা বসতি অঞ্চল "পূবেৰুণ কৃষি পাম নিগম"ত ভূমি লাভ কৰাত অগ্ৰাধিকাৰ দিছিল। জিলা কৃষি বিভাগৰ বিষয়া শ্ৰীজীৱন লাহনে মোৰ দেউতাৰ সামথ্য আৰু কৰ্মৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আৰু আস্থা ৰাখিছিল। মোৰ দেউতাৰ দায়বদ্ধতা, সততা আৰু নিষ্ঠা সদায় স্পষ্ট আৰু বিশ্বাসযোগ্য আছিল আৰু প্ৰকৃত দৰিদ্ৰ লোকসকলৰ প্ৰতি ন্যায় প্ৰদান কৰিছিল আৰু এই প্ৰক্ৰিয়াত নিজকে ন্যায্যতা প্ৰদান কৰিছিল। তেওঁৰ সমাজ সেৱাত ন্যায় আৰু সমতাৰ বিশ্বাসৰ প্ৰতি দায়বদ্ধতা প্ৰতিফলিত হৈছিল। পিছলৈ, তেওঁ যেতিয়া জিলা, মহকুমা জনজাতীয় কল্যাণ পৰিষদৰ সদস্য, জনজাতীয় উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছিল, তেতিয়া তেওঁ সাহায্যৰ অনুমোদনৰ বাবে অতি দুখীয়া লোকসকলৰ পৰিস্থিতি বিবেচনা কৰা যেন লাগিছিল আৰু অনুমোদনো কৰিছিল। এনে পদক্ষেপত ন্যায় আৰু সমতাৰ নীতি বা ধাৰণাসমূহৰ ওপৰত গভীৰ বিশ্বাস অবিহনে ন্যায্যতা প্ৰদান কৰাটো কেতিয়াও সম্ভৱ নহয়।

অৱশ্যে, আমি আমাৰ শৈশৱৰ পৰাই সমতা বা সৰল ভাষাত সমাজৰ সকলো শ্ৰেণীৰ সৈতে সমান ব্যৱহাৰৰ সাৰ্বজনীন গুণবোৰ শিকিছো। এতিয়ালৈকে মোৰ দেউতাৰ মুখত এনেকুৱা এটা শব্দ উচ্চাৰণ হোৱা শুনা নাই যিয়ে নেকি এজন ব্যক্তিৰ জাতি, ধৰ্ম বা আৰ্থিক অৱস্থা, জীৱন ধাৰণৰ স্তৰলৈ বৈষম্যমূলক ব্যৱহাৰ প্ৰতিফলিত কৰে। তেওঁ মানুহৰ সমতাৰ প্ৰতি প্ৰকৃত বিশ্বাসী

আছিল। কেৱল এবাৰ, মোৰ দেউতাই মোক এজন ব্যক্তিক পুনৰ লগ নকৰিবলৈ কৈছিল, কিয়নো তেওঁৰ মতে সেই ব্যক্তিজনৰ ল'ৰা বা যুৱকৰ প্ৰয়োজনীয়খিনিৰ প্ৰতি সহানুভূতিশীল হোৱা বা গুৰুত্ব দিয়াৰ ক্ষমতা নাথাকিব পাৰে। ইয়াক বাদ দি তেওঁৰ বাবে সকলো সমান। পুৰুষ-মহিলা, ধনী-দুখীয়া, গাঁৱলীয়া-চহৰীয়া নিৰ্বিশেষে সকলোৰে প্ৰতি তেওঁৰ একেই আচৰণ, একেই মনোভাৱ। তেওঁৰ ব্যৱহাৰ, মনোভাৱ আৰু শিক্ষাদান হৈছে সকলোৰে প্ৰতি মমতা, সহানুভূতি আৰু সন্মানজনক, লাগিলে তেওঁৰ যি অৱস্থাৰে নহওক কিয়।

ৰাইজৰ দীৰ্ঘম্যাদী লাভালাভৰ বাবে প্ৰতিষ্ঠান গঢ়ি তোলাৰ মাজেৰে তেওঁৰ জীৱনৰ মহৎ প্ৰতিশ্ৰুতিসমূহৰ প্ৰতিফলিন হৈছে। ইয়াৰ উল্লেখযোগ্য ভিতৰুৱা ঠাইবোৰত কেইবাখনো বিদ্যালয় খোলাৰ মাজেৰে এই দিশটো সহজেই চিহ্নিত কৰিব পাৰি। যিবোৰ ঠাইত বিদ্যালয় বা শিক্ষাই কেতিয়াও সেই বাসিন্দাসকলক বা তেওঁলোকৰ সন্তানৰ জীৱনক স্পৰ্শ কৰা নাছিল। মোৰ প্ৰথম বিদ্যালয়, বৃন্দাবন বালিকা বিদ্যালয় নামৰ বিদ্যালয় তিনঠেঙ্গীয়াত স্থাপন কৰা হৈছিল য'ত কোনো প্ৰাথমিক বিদ্যালয়ে নাছিল। চুবুৰীয়া গাঁওসমূহত ইতিমধ্যে এল. পি. (নিম্ন প্ৰাথমিক) বা এম ভি স্কুল আছিল। কিন্তু মোৰ যিমান দূৰ মনত আছে, এজন খুৰা, চন্দ্ৰেশ্বৰ ছাৰ (স্বৰ্গীয় চন্দ্ৰেশ্বৰ কছাৰী) যি জনে নিয়মীয়াভাৱে অৱতীৰ্ণ হৈ মেট্ৰিক পৰীক্ষাত (বৰ্তমান এইচএছ এল চি বা দশম শ্ৰেণী) উত্তীৰ্ণ হোৱা নাছিল আৰু কোনো নিয়মীয়া চাকৰি বা কামত নিয়োজিত নাছিল, মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ নোহোৱাকৈ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ নিয়মীয়া শিক্ষক হ'ব পৰা নাছিল। তথাপিও, মোৰ দেউতাই তেওঁক তিনঠেঙ্গীয়াত এখন প্ৰাথমিক বিদ্যালয় খুলিবলৈ পৰামৰ্শ আগবঢ়াইছিল। মোৰ বিদ্যালয়ৰ প্ৰথম দিনটো এতিয়াও স্পষ্টভাৱে মনত আছে কিয়নো ১৯৭৫ চনৰ ১ বা ২ জানুৱাৰীত মোৰ বয়সৰ চাৰি-পাঁচগৰাকী শিশুৱে আমাৰ ঘৰৰ সন্মুখৰ চোতালত বহিছিল আৰু এনেদৰে বিদ্যালয়খন মুকলি কৰা হৈছিল, যি খনক পিছলৈ বৃন্দাবন বালিকা বিদ্যালয় নামেৰে নামকৰণ কৰা হৈছিল। পিছত বিদ্যালয়খনক অব্যৱহৃত হৈ পৰি থকা পঞ্চায়ত কাৰ্যালয়ৰ এটা কোঠা দখল কৰি তালৈ স্থানান্তৰিত কৰা হৈছিল আৰু আমি বিদ্যালয় (চতুৰ্থ শ্ৰেণী)ত উত্তীৰ্ণ নোহোৱালৈকে উক্ত চৌহদতে বিদ্যালয়খন চলি আছিল। কিন্তু বিদ্যালয়খনত লাহে লাহে নামভৰ্তি কৰিবলৈ লোৱা ছাত্ৰ-ছাত্ৰীসকলক বহিবলৈ ডেস্ক-বেঞ্চ আৰু শিক্ষকৰ বাবে ব্লেক-ব'ৰ্ড, আলমিৰা আৰু

টেবুল কিনিবলৈ এটাও টকা নাছিল। পিছত বিদ্যালয়ৰ মৌলিক প্ৰয়োজনীয়তা পূৰণৰ কৰিবলৈ ওচৰৰ কিছু সংখ্যক মহিলা আৰু পুৰুষ পুঁজি সংগ্ৰহত নামি পৰিছিল। কুঞ্জপেহী, বীণা বাই আদিৰ দৰে কিছুমান মহিলাই বিদ্যালয়ৰ বাবে পুঁজি সংগ্ৰহ কৰাৰ উদ্দেশ্যে আয়োজিত বিহু হুঁচৰিত অংশগ্ৰহণ কৰিছিল। জাক জমকতাৰে উন্মোচন কৰি, আটক ধুনীয়াকৈ নিৰ্মাণ কৰা বহু অনুষ্ঠান-প্ৰতিষ্ঠান সময়ৰ সোঁতত বিলীন হৈ যায়। কিন্তু সাধাৰণ জনতাই পুঁজি সংগ্ৰহ কৰি, শ্ৰম দান, ত্যাগ আৰু বিশ্বাসৰে স্থাপন কৰা অনুষ্ঠানসমূহৰ প্ৰাসংগিকতা, উদ্দেশ্য অটুট ৰাখি আজিও জিলিকি আছে।

একেদৰে, মোৰ দেউতাই ভিতৰুৱা অঞ্চলৰ থকা বিদ্যালয়সমূহ, যেনে, পুবেৰুন কৃষি পাম এম.ই. স্কুল, নখাট নগাঁও হাইস্কুল আদি বিদ্যালয়সমূহ পোনপটীয়াকৈ আৰু আন কিছুমান বিদ্যালয় পৰোক্ষভাৱে প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ভিতৰুৱা অঞ্চলৰ শিশুসকলৰ কল্যাণ আৰু জ্ঞানৰ পোহৰ বিলোৱাৰ লক্ষ্যই এই প্ৰতিষ্ঠানসমূহ স্থাপনৰ মূল কাৰণ আছিল, এতিয়া এই বিদ্যালয়সমূহে সমগ্ৰ জিলাখনতে নাম কৰা বিদ্যালয় হিচাপে পৰিচয় অৰ্জন কৰিছে। মোৰ দেউতাই স্বেচ্ছাই শিক্ষকতা কৰিবলৈ আগবাঢ়ি অহা তিনঠেঙ্গীয়া ঔদ্যোগিক এইছ .ই. স্কুলখনত জীৱনৰ আটাইতকৈ সোণালী সময়ৰ ২০ বছৰতকৈও অধিক কাল বিনা বেতনে শিক্ষকতা কৰিছিল আৰু ১৯৮৪ চনতহে বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা হৈছিল। এক অৰ্থৎ ক'বলৈ গ'লে এই সত্যকে বুজাই যে, "An indivisual's achievement is not measured or self-fulilment is not complementes, by wealth of status, but by depth of one's convictions and the courage to live by them".

দেউতাৰ সমসাময়িক কেইজনমান বন্ধুয়ে মোক লগ পালে প্ৰায়ে কৈছিল যে, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত পঢ়ি থাকোতে, তেখেতে ডিব্ৰুগড় জিলা নিয়োগ বিনিময় কেন্দ্ৰত চাকৰিও কৰি আছিল আৰু তেওঁলোকক ৰেলৰে, এয়াৰপৰ্ট অথৰিটী অব ইণ্ডিয়া, একাউণ্ট জেনাৰেল কাৰ্যালয় আদিৰ দৰে চৰকাৰী প্ৰতিষ্ঠানত চাকৰিত যোগদান কৰিবলৈ 'বাধ্য' নকৰিলেহেঁতেন, তেন্তে আজি তেওঁলোকৰ যি জীৱন যাপন কৰিছে, সেইটো সম্ভৱ হৈ নুঠিলহেঁতেন। এই একেই উদ্যমেৰে দেউতাই নিবনুৱা যুৱক-যুৱতী সকলক শিক্ষা বিভাগ, ৰেলৰে লগতে আন বহুতো চৰকাৰী প্ৰতিষ্ঠানত, কৰ্মসংস্থাপন পোৱাত সহায় কৰিছিল।

এই উদ্দেশ্যত তেওঁৰ লগত বহু যুৱক-যুৱতীয়ে প্ৰথমে শ্বিলং আৰু পাছত গুৱাহাটীলৈ গৈছিল আৰু সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ সৈতে তেওঁলোকক পৰিচয় কৰাই দিছিল।

জীৱনৰ প্ৰতিকূলতা, সংকট আৰু অসংখ্য ব্যক্তিগত-আৰ্থিক সমস্যাই তেওঁক জীৱন পথত বাধাৰ সৃষ্টি কৰিব পৰা নাছিল, বৰঞ্চ তেওঁ সেইবোৰক নিজৰ আন্তৰিক নিপুণতাৰ শিলাস্তম্ভ হিচাপে গঢ়ি তুলিলে। তেওঁ সদায় মমতা আৰু উদৰতাৰে সকলো মানুহৰ প্ৰতি ন্যায়, নায্যতা আৰু সাৰ্বজনীন সমতাৰ দৰ্শনেৰে নিজকে ধাৱমান কৰিছিল। দেউতাই নিজৰ ব্যক্তিগত সুখ-দুখ পৰিত্ৰাণ কৰি অনুষ্ঠানসমূহত অৱদান আগবঢ়াই সামাজিক প্ৰাসংগিকতা বজাই ৰাখি গভীৰ প্ৰতিশ্ৰুতি আৰু নিষ্ঠাৰে নিজকে সমৰ্পিত কৰাৰ পথ বাচি ল'লে।

এজন ব্যক্তিৰ সফলতা বা আত্ম-সম্পূৰ্ণতা, সম্পদ বা উচ্চ পদবীৰ মৰ্যাদাৰে নহয়, বৰঞ্চ সেইটো নিৰ্দ্ধাৰিত হয় ব্যক্তিজনৰ দৃঢ় বিশ্বাস আৰু সেই বিশ্বাস আৰু সাহসেৰে কৰা জীৱন-যাপন শৈলীৰ পৰা।

লেখক ঃ বৰপুত্ৰ তথা মুখ্য আয়ুক্ত, আয়কৰ বিভাগ, ভাৰত চৰকাৰ।

❑❑❑

ৰহেশ্বৰ সোনোৱাল ঃ সান্নিধ্যৰ আনন্দ আৰু গৌৰৱ

✍ লোকনাথ গোস্বামী

২০২৩ চনৰ এপ্রিল মাহত সোনোৱাল কছাৰী ছাত্র সন্থাৰ বাৰ্ষিক অধিবেশনখন ডিব্ৰুগড়ৰ তেনেই এক ভিতৰুৱা অঞ্চল তিনঠেঙ্গীয়াত অনুষ্ঠিত হৈছিল। সেই অনুষ্ঠানলৈ আমন্ত্রিত হৈ জীয়ৰীসহ স-স্ত্রীক আমি গুৱাহাটীৰ পৰা তিনঠেঙ্গীয়ালৈ বুলি ৰাওনা হৈছিলো। তিনঠেঙ্গীয়া প্রধানতঃ সোনোৱাল কছাৰী জনজাতীয় ৰাইজৰ অধ্যুষিত এক বৃহৎ এলেকা। অৱশ্যে অন্যান্য জনগোষ্ঠীয় ৰাইজো অঞ্চলটোত আছে বুলি জানিব পাৰিলো। তিনঠেঙ্গীয়ালৈ বুলি ওলাওঁতেই আমি মনতে ঠিৰাং কৰি গৈছিলো যে সেই অঞ্চলটোৰ এগৰাকী বিশেষভাৱে পৰিচিত ব্যক্তি ৰহেশ্বৰ সোনোৱালৰ বাসগৃহত যেনে তেনে ভূমুকি এটা মাৰিম। ডিব্ৰুগড়ৰ জকাই অঞ্চলৰে এজন সৰবৰহী ব্যক্তি, ভাতৃপ্রতীম ৰাজু ভড়ালীক কথাটো কওঁতে, ভড়ালীয়ে ডিব্ৰুগড় টাউনৰ পৰা আমাক তেখেতসকলৰ ঘৰলৈ বাট দেখুৱাই লৈ গ'ল। অৱশ্যে তালৈ যাত্রা কৰাৰ আগেয়ে ৰহেশ্বৰ সোনোৱালৰ গুৱাহাটীত থকা জীয়ৰী গীতাঞ্জলিৰ সৈতে যোগাযোগ কৰি ঘৰৰ বিতং ঠিকনা লৈ থৈছিলো।

ৰহেশ্বৰ সোনোৱাল বৰ্তমান তিনঠেঙ্গীয়া নিবাসী যদিও তেখেতৰ জন্ম হৈছিল ডিব্ৰুগড় জিলাৰ এটা অতি পিছপৰা অঞ্চল নামদাং বনাঞ্চলে আগুৰি ৰখা সোনোৱাল কছাৰী জনগোষ্ঠীৰ অধ্যুষিত অঞ্চল নখাট-নগাঁও নামে ভিতৰুৱা ঠাইত। ছাত্ৰাৱস্থাৰ পৰাই মেধাবী এই গৰাকী ব্যক্তিয়ে দৰ্শন বিষয় লৈ বি এ মহলা উত্তীৰ্ণ হৈ নিয়োগ বিনিময় কেন্দ্রত এক বিষয়া পদত নিয়োজিত হৈছিল। কিন্তু চৰকাৰী চাকৰিত মন নবহাত গাঁৱৰ ল'ৰা গাঁৱলৈ আহি তিনঠেঙ্গীয়াত হাইস্কুল এখন স্থাপন কৰাত আগভাগ লয় আৰু তাতে ৰাইজৰ দান-বৰঙণিৰ

পৰা পোৱা সামান্য দৰ্মহাৰে শিক্ষকতাৰ চাকৰি আৰম্ভ কৰে। ১৯৬১ চনতে প্ৰতিষ্ঠা লাভ কৰা এই তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলতে শিক্ষকতাৰ জীৱন আৰম্ভ কৰি ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰে। ৰহেশ্বৰ সোনোৱালৰ সেই অঞ্চলটোত এক অনবদ্য বৰঙণি আছে বুলি আজিও সকলোৰে একমুখে স্বীকাৰ কৰে। তেখেত নখাট-নগাঁও, তিনঠেঙ্গীয়া, লেঙেৰী আদি আধুনিক শিক্ষাৰ পোহৰ নপৰা ঠাইবিলাকত সদায় শিক্ষানুষ্ঠান গঢ়ি তোলাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তিনঠেঙ্গীয়া অঞ্চলত পূবেৰুণ কৃষি পাম নিগম প্ৰতিষ্ঠা কৰি বহু ভূমিহীন লোকক সংস্থাপিত কৰাত আগভাগ লৈছিল। অঞ্চলটোত এখন ভাল বজাৰ নথকাত নিজে বস্তাত বহি বস্তু বিক্ৰী কৰি বজাৰ এখন গঢ়ি তুলিছিল, যিখন এতিয়া এখন বিশাল বজাৰত পৰিণত হ'বলৈ পালে। শ্ৰীযুত সোনোৱাল ২০০৫ চনত স্বাক্ষৰিত সোনোৱাল কছাৰী স্বায়ত্ত পৰিষদৰ অন্যতম চুক্তি স্বাক্ষৰকাৰী আছিল যদিও কোনো ধৰণৰ বিষয়বাব লোৱাত মুঠেও আগ্ৰহী নাছিল তেখেত। ২০০২ চনত জিলা পৰিষদৰ খোৱাং সমষ্টিৰ পৰা বৃহৎ সংখ্যক ভোটত জয়ী হৈ সমষ্টিটোৰ ভালেমান উন্নয়নমূলক কাম কৰে। সামাজিক কামত সদায় এক নিকা ভাৱমূৰ্তি তেখেতে বৰ্তাই ৰাখিবলৈ সক্ষম হৈ আহিছে।

আমি তেখেতৰ ঘৰলৈ যোৱাৰ দিনা তেখেতৰ সহধৰ্মিণীকো লগ পালো। আমাক তেনেকৈ হঠাতে গৈ ওলোৱা দেখি কিছু অপ্ৰস্তুত নোহোৱা নহয়। কিন্তু সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ অধিবেশনলৈ আমি যে যাম, সেইটো দিনৰ ভাগত সভালৈ গৈ আয়োজক সকলৰ পৰা জানিব পাৰিছিল। তেখেতৰ ঘৰৰ চৌহদটো প্ৰকাণ্ড। অৱসৰৰ পাছত সাধাৰণভাৱেই জীৱন নিৰ্বাহ কৰি আছে। ৰাতি হাবিতলীয়া লুংলুঙীয়া পথছোৱাৰে যাওঁতে গাড়ীৰ লাইটৰ পোহৰত দেখিছিলো চাৰিওফালে বৃহৎ বনাঞ্চল, জাৰণি। সেই বনাঞ্চলতে ৰাজ্য চৰকাৰে নতুন কৈ এখন চিৰিয়াখানা পতাৰ পৰিকল্পনা কৰা বুলি শুনিলোঁ।

আহিবৰ সময়ত তেখেতসকলে পত্নী, জীয়ৰীৰ লগতে আমাকো মূৰে-গায়ে হাত বুলাই মৰম আৰু আৰ্শীবাদ দিলে। আমিও তেখেতসকল দুয়োৰে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। এনেকুৱা প্ৰাকৃতিক পৰিবেশ আৰু লগতে এনেকুৱা সৰল, নিকা মনৰ মানুহ জীৱনত লগ পোৱাটোও এক সৌভাগ্যৰ কথা বুলি ভাবোঁ। এনেকুৱা লোক সমাজৰ বাবে সদায়েই উৎসাহ আৰু উদ্দীপনাৰ অমল উৎস হৈ থাকিব।

লেখক ঃ বিশিষ্ট গণশিল্পী তথা লেখক, গুৱাহাটী।

❑❑❑

পেহাদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সান্নিধ্যৰ একলম

✍ মুনীন বড়া

ৰহেশ্বৰ সোনোৱাল, যি এক কিংবদন্তি। অসীম দিগন্তৰ পুৱতি নিশাৰ এক উজ্জ্বল ভোটা তৰা। যাৰ নামেই পৰিচয়। এলেকাৰ জ্যেষ্ঠৰ পৰা কনিষ্ঠজনলৈকে এনে এজন লোক নাই যিয়ে নেকি তেওঁক চিনি নাপায় বা তেখেতৰ নাম শুনা নাই। তেখেতৰ আদৰ্শ চৰিত্ৰই সকলোকে প্ৰভাৱিত কৰে। যিমান দিন তেখেতৰ সংস্পৰ্শত আহো সদায় উপলব্ধি কৰোঁ যে তেখেতে Do more talk less এই উক্তি হৃদয়ত লৈ জীৱনটো অতিবাহিত কৰি গৈ আছে। তেখেতৰ এই চৰিত্ৰই আজিৰ যুগৰ নৱ প্ৰজন্মকো নিশ্চয় অনুপ্ৰাণিত কৰিব।

তিনঠেঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মানীয় সহঃ শিক্ষকৰ পদ অলংকৃত কৰি থকাৰ সময়ত তেখেতৰ নাম শুনিছিলোঁ। দূৰৰ পৰাই দেখিছিলোঁ। গুৰু গম্ভীৰ মানুহজনৰ কাষ চাপিবলৈ বা দুষাৰমান কথা পাতিবলৈ সাহস গোটাব পৰা নাছিলোঁ। তেতিয়ালৈকে তেখেতৰ লগত আজিৰ দৰে আত্মীয়তা গঢ় লৈ উঠা নাছিল। দীঘলীয়া জীৱনত মানুহৰ বিভিন্ন কৰ্মৰাজিৰে বিভিন্ন উৎসৰ পৰা আহৰণ কৰা নামী-দামী বঁটাসমূহ আনক দেখুৱাবলৈ ঘৰৰ আলমাৰিত বা শ্বকেছত সজাই থ'ব পৰা যায়। কিন্তু নিজ কৰ্ম আৰু চৰিত্ৰৰে এনে কিছু বঁটা জীৱনত পোৱা যায় যাক হৃদয়ৰ অন্তঃকোণত সংস্থাপিত কৰি ৰখা হয়। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ আদৰ্শগত কৰ্মৰাজি আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰে আহৰণ কৰা বঁটাসমূহ তেখেতক জনা প্ৰত্যেকজন ব্যক্তিয়ে নিজ নিজ হৃদয়ত সংস্থাপিত কৰি ৰাখিব।

অৱশ্যে ওপৰলৈ উধাব নোৱৰা মানুহে তলৰ মানুহকো শান্তিত থাকিবলৈ

নিদিয়া ধৰণৰ এচাম মুষ্টিমেয়ই অলাগতিয়াল কথাৰে তেখেতক সমালোচনা কৰা শুনা যায়। গোলাপৰ কলি এটিক অন্য নামেৰেও যদি মতা হয় তাৰ সুগন্ধ কিন্তু গোলাপৰেই ওলাব। একেখন গংগাৰেই যেনেকৈ স্বৰ্গৰ নাম অলকানন্দা মৰ্ত্যৰ নাম জাহ্নৱী আৰু পাতালত ভোগৱতী হৈছে। মহৎ কাম কৰিবলৈ কোনো শক্তি নালাগে, লাগে মাথোঁ অধ্যৱসায় আৰু একাগ্ৰতা। ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়াও আমাৰ অঞ্চলৰ এজন অন্যতম মহৎ ব্যক্তি। তেখেতক মই পেহাদেউ বুলিয়েই সম্বোধন কৰোঁ। তেখেতৰ লগত আটাইতকৈ অন্তৰংগতা বাঢ়িল ২০০২ চনৰ পৰা। তেতিয়া তেখেত আছিল ডিব্ৰুগড় জিলা পৰিষদৰ খোৱাং সমষ্টিৰ সদস্য আৰু মই আছিলো পিঠাগুটি সমষ্টিৰ সদস্য। সেই সূত্ৰে তেখেতক সঘন লগ পোৱা হ'লো। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলা পৰিষদত মুঠ ২৩ জন সদস্য আছিল। তেখেতে ৫ বছৰীয়া কাৰ্যকালত নিজ সমষ্টিৰ কৰণীয়খিনি নিষ্ঠাৰে কৰি গৈছিল। সমষ্টি এলেকাৰ কোনেও আঙুলি টোঁৱাই কথা ক'ব পৰা নাছিল। এজন ৰাইজৰ প্ৰতিনিধি হিচাপে সকলো দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰি গৈছিল। তেখেতৰ লগত ক'ৰবালৈ খোজত খোজ মিলাই গ'লে নিজে গৌৰৱবোধ কৰিছিলোঁ। ওখ-পাখ সুঠাম দেহৰ গৰাকী গুৰু-গম্ভীৰ খোজেৰে তেখেত যায় আগে আগে, আমি যাওঁ পিছে পিছে। সেই কথা মনত পৰিলে আজিও পুলকিত হৈ পৰোঁ। মুঠৰ ওপৰত তেখেত সমাজক নেতৃত্ব দিব পৰাকৈ এজন শাৰীৰিক আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ গৰাকী। আমি সকলোৰে আশা কৰিছিলোঁ তেখেত নিশ্চয় এদিন ৰাজনৈতিক ক্ষেত্ৰখনত আমাৰ বিধান সভা সমষ্টিক নেতৃত্ব দিব। নিশ্চয় এদিন বিধায়কৰ ৰূপত দেখা পাম। কিন্তু তেখেতে নিজে এই বিষয়ত উদাসীন। প্ৰয়াস কৰা হ'লে নিশ্চয় অসম্ভৱো নাছিল। কিয়নো তেখেত অঞ্চলৰ এজন পথিকৃত নিষ্ঠাৱান ব্যক্তি।

মোৰ অনুমানত তেখেত নিশ্চয় বৰ্তমান বয়সৰ হিচাপে ৮০-ৰ ডেওনা অতিক্ৰম কৰিছে। তেখেতক চিৰ তৰুণ বুলিয়েই অভিহিত কৰিব পাৰি। কাৰণ তেখেতক বয়সেও হাৰ মনাব পৰা নাই। বৰ্তমানেও বিভিন্ন সামাজিক কামৰ লগত জড়িত থকাৰ উপৰি কঠোৰ শাৰীৰিক শ্ৰম কৰিব পৰাকৈ সুস্বাস্থ্যৰ গৰাকী।

তেখেত তিনিটি পুত্ৰ সন্তান আৰু এটি কন্যা সন্তানৰ পিতৃ। মাতৃ হিচাপে পেহীদেৰেও নিজ সন্তানসকলৰ আদৰ্শৱান ব্যক্তি হিচাপে গঢ় দিয়াত কোনো দিনে ত্ৰুটি কৰা নাই। আটাই কেইজনে আজিৰ তাৰিখত একোজন আত্মপ্ৰতিষ্ঠিত

আদৰ্শৱান ব্যক্তি হিচাপে গঢ় লৈ উঠিল। ঈশ্বৰৰ ইচ্ছাক কোনেও নেওচিব নোৱাৰে। মাজু পুত্ৰই আজি কেইবছৰমানৰ আগতেই শিক্ষকতা বৃত্তিত নিয়োজিত হৈ থকা অৱস্থাতে অতি কম বয়সতে অচিন ৰোগত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰিবলগীয়া হয়।

সময়
সূৰুযৰ চকৰীত পৰি
সময় গৈছে উৰি
সময় নহয় কাৰোৰে আপোন,
সময় থাকোতে সখী
খুটি নাটি পৰি হৰি
পূৰ কৰা জীৱনৰ সপোন
সখী ঐ
জানানে আকাশৰ যে নিজা ৰং নাই
সূৰুযৰ নীলা লৈ নিজকে সজায়।
জপাত সাঁচি থোৱা
নানা ৰঙী আশাবোৰ
কল্পনাই ভেটিলে ভেটা
কল্পনাৰ অগাদেৱাত
ৰঙীণ আশাৰ টোপোলাবোৰ
নহ'লেই খোলা আশাৰ জপা।

পেহাদেউৰ শ্ৰীচৰণত এই কেইশাৰীমান বাক্য অৰ্পণ কৰিলো। ত্ৰুটি - বিচ্যুতি হ'লে ক্ষমা কৰিব।

সদৌ শেষত পেহাদেউৰ সু-স্বাস্থ্যৰ গৰাকী হৈ শত বৰ্ষ অতিক্ৰমী সমাজৰ এজন পথিকৃত ব্যক্তি ৰূপে আমাৰ মাজতে থাকক, তাৰবাবে পৰম পিতা পৰমেশ্বৰৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনালোঁ।

লেখক ঃ প্ৰাক্তন সদস্য, ডিব্ৰুগড় জিলা পৰিষদ।

❑❑❑

বন্ধুবৰ ৰহেশ্বৰ সোনোৱালৰ সান্নিধ্য

✍ **ডিম্বেশ্বৰ চেতিয়া**

সোনোৱালৰ এজন পুত্ৰ আৰু একমাত্ৰ জোঁৱাই আৰু লগত তিনিজন মান তিনঠেঙ্গীয়া যুৱক আহি জনালে যে বন্ধুবৰ ৰহেশ্বৰ সোনোৱালৰ ওপৰত এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ পাব। মই আনন্দ অনুভৱ কৰিলোঁ। তেওঁলোকে মোক সোনোৱালৰ সৈতে মোৰ সান্নিধ্যক লৈ এটি লেখা দিবলৈ অনুৰোধ কৰিলে।

সোনোৱালক মই তিনঠেঙ্গীয়া স্কুলৰ শিক্ষক হিচাপে জানিছিলো। সেই স্কুলত মোৰ ভাই প্ৰয়াত প্ৰশান্ত চেতিয়াই শিক্ষকতা কৰাৰ কাৰণে আৰু খোৱাং পৃথুবৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে সেই স্কুল আৰু সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু বহুতৰ লগত পাৰস্পৰিক সম্বন্ধ স্থাপিত হয়। এম ই খাপৰ প্ৰধান শিক্ষকে হাইস্কুলৰো প্ৰধান শিক্ষক হয়। জনামতে হাইস্কুলৰ প্ৰতিষ্ঠাপক হিচাপে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালে তাত যোগদান কৰিছিল আৰু জনামতে তাৰ পৰাই অৱসৰ কৰিছিল। সেয়েহে সোনোৱালক শিক্ষক হিচাপে জানো।

তেখেতৰ স্থানীয় বন্ধু শ্ৰীবিনন্দ গগৈয়ে আমাক কোৱামতে সোনোৱালে তেখেতক লগত লৈ তিনঠেঙ্গীয়া হাইস্কুল পাতিছিল। শ্ৰীবিনন্দ গগৈ প্ৰয়াত ঘনকান্ত গগৈৰ পুত্ৰ আৰু ভাৰতীয় বৈদেশিক সেৱাত চাকৰি কৰি অৱসৰ লৈ

এতিয়া গুৱাহাটীত বসবাস কৰে আৰু গুৱাহাটী হাইক'ৰ্টত ওকালতি কৰে। সোনোৱালক আমি আগতেই কৈছো যে তেওঁক শিক্ষক হিচাপেহে জানো আৰু আমাৰ লেখাত শিক্ষক হিচাপেহে তেখেতক চিনাকি দিবলৈ প্ৰয়াস কৰিম। অৱশ্যে তেখেত ৰাজনীতি কৰা মানুহ হিচাপে ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য বুলি জানো। এসময়ত তেখেতে যথেষ্ট নিৰ্যাতন ভুগিব লগা হৈছিল। এতিয়া তেখেত সেই পাৰ্টীত আছে নে নাই সঠিককৈ ক'ব নোৱাৰিম কিয়নো আমি চাকৰি শেষ হোৱাৰ পাছত তিনঠেঙ্গীয়াৰ লগত সম্বন্ধ প্ৰায় নাইকিয়া হৈছে।

সোনোৱালৰ ব্যক্তিগত জীৱন ধাৰাৰ বিষয়ে বিশেষ ব্যাখ্যা নিদি ক'ব পাৰি যে তেখেতৰ সাংসাৰিক জীৱন বৰ গজগজীয়া। বৰপুত্ৰই ভাৰতীয় লোক সেৱা আয়োগৰ বৃত্তিত নিয়োজিত আয়কৰ বিভাগৰ আয়ুক্ত। একমাত্ৰ ছোৱালী-জোঁৱাই গুৱাহাটীত থাকে। এজন পুত্ৰই শিক্ষকতা কৰি থকাৰ অৱস্থাতে অকাল বিয়োগ হয়। তিনঠেঙ্গীয়াত নিগাজিকৈ ঘৰ দুৱাৰ বান্ধি বসবাস কৰি আছে। আনহাতে তেখেতৰ প্ৰতিপত্তি তথা প্ৰভাৱ অঞ্চলটোৰ সকলো ক্ষেত্ৰতে বিদ্যমান। আমি আশা কৰো তেখেতে শতায়ু গৰকিব পাৰে। অভিনন্দন গ্ৰন্থৰ জৰিয়তেই বন্ধুবৰ ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন জনাইছো আৰু সুস্বাস্থ্য কামনা কৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত অধ্যক্ষ
পৃথুবৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, খোৱাং।

❒❒❒

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৰলৈ অভিনন্দন

✍ মণিৰাম সোনোৱাল

পিতৃ ঃ ঁমুকুট সোণোৱাল
মাতৃ ঃ ঁ জাধৈ সোণোৱাল
জন্ম ঃ ১৯৪০ খৃষ্টাব্দ

শিক্ষা ঃ প্ৰাথমিক শিক্ষা নগাঁও প্ৰাইমাৰী স্কুল। তেতিয়া বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক শিক্ষক গাঁৱৰে ঁৰম পণ্ডিত (ঁৰন্তীৰাম সোনোৱাল)। হাইস্কুল শিক্ষা লেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়। হাইস্কুলৰ চূড়ান্ত পৰীক্ষা খোৱাং উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে।

কৰ্মজীৱন ঃ তিনঠেঙীয়া কাৰিকৰী বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি পাছলৈ সেই তিনঠেঙীয়াতে মাধ্যমিক বিদ্যালয় উন্নীতকৰণ কৰা হয়। পূৰ্বৰ চাকৰিটো তিনঠেঙীয়াৰ শিক্ষিত যুৱক লীলা হাজৰিকালৈ এৰি দিয়ে। কৰ্ম জীৱনৰ লগে লগে সাংসাৰিক জীৱনো আৰম্ভ হয় আৰু তেওঁৰ যুগ্ম জীৱনলৈ চাৰিটাকৈ সন্তান আহে।

ডাঙৰ সন্তান জীয়ৰী গীতাঞ্জলি স্নাতকোত্তৰ ডিগ্ৰী লৈ সাংসাৰিক জীৱনৰ পাতনি মেলে।

এজন ল'ৰা আই আৰ এছ বিষয়া।

এজন তিনঠেঙীয়া স্কুলৰ শিক্ষক আছিল। তেওঁৰ অকাল বিয়োগ ঘটে।

এজন ব্যৱসায়ী।

ৰহেশ্বৰ সোনোৱাল ছাৰে নখাট অঞ্চলত এটা বৰ নামঘৰ হোৱাৰ কথা পোষকতা কৰিছিল, সেই সূত্ৰে অঞ্চলৰ ৰাইজে তেখেতৰ কথাত শিৰনত কৰি নখাটৰ মাজ মজিয়াত এটা বৰ নামঘৰ তিনি বিঘা ভূমিত প্ৰতিষ্ঠা কৰাৰ দিহা কৰে। এয়াও ৰহেশ্বৰ সোনোৱালদেৱৰ মহান অৱদান।

চাকৰিৰ সমান্তৰালকৈ ধৰ্মতো আত্মনিয়োগ কৰিছিল। সোনোৱাল কছাৰীসকলৰ অন্যতম পূজা বাইথ' পূজা তিনঠেঙ্গীয়া অঞ্চলবাসীৰ সহযোগত তিনঠেঙ্গীয়াত প্ৰথমবাৰলৈ জাক জমকতাৰে এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰে আৰু সেয়াই তিনঠেঙ্গীয়া অঞ্চলত বাইথ' পূজাৰ আৰম্ভণি আৰু সেইদৰে প্ৰতি বছৰে ভিন ভিন গাঁৱত বাইথ' পূজা অনুষ্ঠিত কৰি পাছলৈ বাইথ' পূজাখনি সম্প্ৰসাৰণ কৰি পশ্চিম ডিব্ৰুগড় খ্ৰীং খ্ৰীং বাইথ' পূজা নামকৰণ কৰি বৰ্তমানলৈ অঞ্চলৰ ৰাইজে চলাই আছে। অৱশ্যে পাছলৈ তেওঁ কৰ্ম জীৱনৰ বিভিন্ন কাৰ্যৰ বাবে গুৰুত্বপূৰ্ণ ভাৰৰ পৰা অব্যাহতি লয়।

টেপৰগুৰিত প্ৰতিষ্ঠিত সোনোৱাল সকলৰ বাইথ' পূজাৰ সমান্তৰালকৈ ক্ষেত্ৰ পূজাৰ লগতো ওতঃপ্ৰোত হিচাপে জড়িত আছিল। দুয়োটা পূজাৰ বিশেষত্ব এয়ে যে বাইথ' পূজা চাৰিদিনীয়াকৈ আৰু ক্ষেত্ৰ পূজা দুদিনীয়াকৈ পতা হয়। মন কৰিবলগীয়া এই যে ক্ষেত্ৰ শালত আচাৰ খুটা পোতা হয় বাইথ' শালত নহয়। বাইথ' শালত হায়দাং গীত গায়, ক্ষেত্ৰ শালত নেগায়। জন্মস্থান নগাঁৱৰ যি কোনো অনুষ্ঠান- প্ৰতিষ্ঠানত তেখেতৰ সহযোগ পূৰ্ণভাৱে আছিল। নগাঁও গায়নজোৱালৈ তেখেতে সময়ে সময়ে তাল, মৃদং দান দি চাহিদা পূৰণ কৰিছিল। বিপদসংকুল কালত তেওঁ সদায়ে নগাওঁবাসীৰ লগত আছিল।

সাংস্কৃতিক জীৱন ঃ সাংস্কৃতিক জীৱনতো তেওঁৰ অৱদান লেখত ল'বলগীয়া। সোনোৱাল কছাৰী কলা-সাংস্কৃতিক বিকাশ কেন্দ্ৰলৈ তেওঁৰ অৱদান উল্লেখনীয়- যলৈকে সাংস্কৃতিক দল যায় তাতে তেওঁ ঠেঁটুৰৈ জাৰতো ডাঠ কুঁৰলী ফালি বিভিন্ন ধৰণৰ সহযোগ আগবঢ়ায়।

এবাৰ ব'হাগ বিহুত তিনঠেঙ্গীয়াত অৱস্থিত তেখেতৰ বাসগৃহত কলা কেন্দ্ৰৰ ডেকাহঁতে তেওঁক সন্মান জনাবলৈ তেখেতৰ চোতালত ভৰ দুপৰীয়া উপস্থিত হয়। তেখেতৰ সহধৰ্মিণীয়ে হুঁচৰি দলটোক সন্মান, মৰম-চেনেহ দি এই ভৰ দুপৰীয়া হুঁচৰি গাবলৈ নিদি অলপ আৰাম ল'বলৈ ক'লে। আমি সকলোৱে সেই আপাহতে তেওঁলোকৰ পিছফালে থকা পকা ৰিং ৱালৰ নাদটোৰ শীতল পানীৰে গা- হাত ধুই শাঁত পেলাই হুঁচৰি আৰম্ভ কৰিলো। 'অ' গিৰিহঁত

ভাল- গিৰিহঁত ওলাই আহিল।' ভিতৰৰ পৰা এখন দীঘল বেঞ্চ আনি চোতালতে পাৰি লৈ বহি হুঁচৰি গীত শ্ৰৱণ কৰি সোৱাদ লোৱা আৰম্ভ কৰিলে। আমি উৎসাহিত হৈ কছাৰী হুঁচৰি গীতসমূহ গাই গ'লো। এটা গীত সামৰণি মাৰোহে আৰু এটা গীত জুৰিবলৈ কয়। শেষান্তৰত মই ক'লো হুঁচৰি গীতৰ প্ৰথম কলিটো শুনাব নে, পাছৰ খিনি মই গাম। তেওঁ ক'লে গাই যোৱা সোনোৱাল হুঁচৰি গীত। সোনোৱাল হুঁচৰি গীত দুঘণ্টা ধৰি গালো। পাছলৈ আমাৰ দুজনৰ মাজত ধেমেলীয়া কাজিয়া আৰম্ভ। আমাৰ ডেকাহঁতৰ হাঁহি উকি। সেই সময়তে গৃহিণী ভিতৰৰ পৰা ওলাই আহিল, মই ক'লো উঠক আৰু নাচক। তেওঁৰ গা উঠিল আৰু ক'লে ঢোল এটা দিয়া। ঢোল লৈ বজাবলৈ আৰম্ভ কৰিলে আৰু ডেকাহঁতে বাইদেউক ঘেৰি নাচিবলৈ খাটনি ধৰিলে। বাইদেউ এৰি দিয়া বিধৰ নহয়। গিৰীয়েকৰ কান্ধত ঢোল আৰু ঘৈনীয়েক পখিলা উৰাদি উৰিবলৈ ধৰিলে। ল'ৰাহঁতৰ ৰঙত ৰং চৰিল।

সেই সময়তে এটা অঘটন ঘটিল। ক'ৰ পৰা জানো কান্ধত এটা মোনা লৈ জীয়েকজনী আহি ওলাল, মোনাখন ঘৰৰ মুখৰ কোঠাটোৰ বিচনালৈ দলিয়াই দি ঢোলৰ চাপৰে চাপৰে আঠু ভাঙি, কঁকাল ভাঙি, বুকু ভাঙি নাচিবলৈ ধৰিলে, বিহুৱে পূৰ্ণতা পালে। শেষান্তৰত ঢোলৰ চাপৰত লেহেমতা, শিথিলতা আহিল। মাক -জীয়েকহঁতৰো নাচৰ বুলনিত সুদ্ৰিমত্তাই দেখা দিলে। মই আৰু গীতৰ ঘাই হিচাপে মধ্যস্থতা কৰি হুঁচৰি সামৰিলোঁ। সেইদিনা ঘৰৰ গৃহস্থই বিহুৱা দলক সকলো প্ৰকাৰে আপ্যায়িত কৰি বছৰটোলৈ বিহু বিদায় দি সকলোকে কৃতাৰ্থ কৰিলে। এবাৰৰ কথা- বকুল বনৰ ন্যাস তথা অসম সাহিত্য সভা, যোৰহাট জিলাই ২০১২ খৃষ্টাব্দত বকুল বনৰ বঁটা প্ৰদান কৰিছিল। বকুল বনৰ বঁটা প্ৰাপক, জীৱনজোৰা সাধনা বঁটা প্ৰাপক, শিল্পী পেঞ্চনাৰ আৰু অনেক। সেই কথা শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে গম পাই গাঁৱলৈ আহি ঢুলীয়া, গায়কিয়াল, মহিলা সকলোকে একত্ৰ কৰি গাঁওখনৰ এমূৰৰ পৰা সিমূৰলৈ সমদল উলিয়াই গাঁওখনৰ হৈ সন্মান যাচিছিল। আনক সন্মান দিলে নিজেও সন্মান পায়, এই বাক্য ফাকিৰ অৰ্থ তেওঁ ভালদৰে বুজি পায়। সেয়েহে তেওঁ সন্মান, মৰম, চেনেহ, প্ৰেম-প্ৰীতি অটুট ৰাখি কাৰ্যত আগবাঢ়িছিল। তেওঁৰ এটা অভিলাষ আছে- সেয়া হৈছে গুৱাহাটীত সোনোৱাল কছাৰী সংস্কৃতি প্ৰদৰ্শন কৰা। ময়ো সেইটোকে চিন্তা কৰি আছোঁ। দিন দেহা ভালে থাকিলে নিশ্চয় সেইটো সাধন কৰিব পাৰিম। আৰু বহুত থাকিল।

সাংস্কৃতিক দিশত তেখেতৰ অবদান কৈ শেষ কৰিব নোৱাৰি। সোনোৱাল সকলৰ হুঁচৰিৰ লগতে বিহুতো তেওঁৰ ব্যক্তিত্ব লেখত ল'বলগীয়া। শকত, ডাঙৰ, ওখ-পাখ, মাতো গলগলীয়া, সমাজৰ কোনো কাৰ্যতে পিছপৰা বিধৰ নহয়। সেই সূত্ৰে গাঁৱৰ, অঞ্চলৰ যিকোনো অনুষ্ঠানতে তেওঁৰ উপস্থিতি লেখত ল'বলগীয়া। গাঁৱৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠানত উপস্থিত হৈ বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়াই নিয়াৰিকৈ কাৰ্যসমূহ আগবঢ়াই সমাধান কৰিছিল। গাঁৱৰ লখিমীতোলা সবাহত প্ৰতি বাৰতে দান-বৰঙণিৰে সৈতে সহযোগ কৰিছিল। এবাৰৰ কথা, নগাঁৱৰ ৰাইজে আলোচনা কৰি লখিমী সবাহৰ আয়োজন কৰিছে। সকলোৱে মিলি আলোচনাত সিদ্ধান্ত ল'লে যে এইবাৰ লখিমী তোলা সবাহ দুদিনীয়া কাৰ্যক্ৰমণিকাৰে পাতিব।

এনেধৰণে কাৰ্যসূচী প্ৰস্তুত কৰা হ'ল।

লখিমী তোলা সবাহৰ কেইবা দিনৰ আগৰ পৰা কাৰ্যসূচী অনুসৰি নিৰ্দিষ্ট কাৰ্যভাৰ গ্ৰহণ কৰি নিজৰ নিজৰ কামত অগ্ৰসৰ হ'ল।

আগদিনা মানে লখিমী তোলাৰ প্ৰথম দিনাখনৰ প্ৰথম কাৰ্য নিৰ্দিষ্টজনৰ দ্বাৰা শুকুলা দোলা সজা, শুকুলা সাঁকো নিৰ্মাণৰ কাৰণে উঘাৰ খুঁটা উঠোৱা, শুকুলা আলি নিৰ্মাণৰ কাৰণে পিঠা খুন্দা ইত্যাদি কাৰ্যৰ ব্যস্ততা। খুঁটা উঠোৱা আৰু প্ৰতি ঘৰৰ পদূলি মুখত তোৰণ সজা, লখিমী তুলিবলগীয়া পানী যুঁৰলি টিপ সজা আদি কামৰ তদাৰক স্বয়ং তেওঁ কৰিছিল। পাছ দিনা লখিমী তুলিবলৈ যোৱা গায়ন জোৰাত তেওঁ নিজে তদাৰক কৰিছিল আৰু মৃদং বজাইছিল। পিছদিনা কাহিলি পুৱা সকলোৰে লগত লখিমী ঘৰলৈ নিয়া পৰ্বত অংশ লৈ নিজৰ চালিত লখিমী লৈ নগাঁও নামঘৰৰ পৰা পাঁচ কিলোমিটাৰ দূৰত্বৰ তিনঠেঙ্গীয়ালৈ উঘা সূতা টানি কছাৰীসকলৰ সংস্কৃতি ৰক্ষাত অহোপুৰুষাৰ্থ কৰিছিল। সেইদৰে ঢোলত কছাৰী ছেও বজাই নাচনীক তাঘুৰ ঘূৰাই নাচিবলৈ বাধ্য কৰায়। এবাৰ নগাঁৱৰ গায়ন খোলা বাদ্যযন্ত্ৰৰ অভাৱত মৃতপ্ৰায় অৱস্থা হৈছিল, তেওঁ নিজে গাঁঠিৰ ধন খৰচ কৰি এটা মৃদংগ ৰাইজক যোগান ধৰিলে, আনহাতে আন এটা অভাৱে দেখা দিয়াত এযোৰ দুসেৰ ওজনৰ তাল ৰাইজক যোগান ধৰি তেওঁ এই চৰা লেখকক সুধিছিল, "মণিৰাম এই তাল বাদ্যৰ নাম কি?" মই উত্তৰত কৈছিলোঁ "এই বাদ্যৰ নাম ঘন বাদ্য।" আকৌ তেওঁ সুধিলে, "এই সেৰীয়া তালৰ নাম কি?" মই ক'লো, "এই তালৰ নাম ভোৰতাল।"

আকৌ প্ৰশ্ন আহিল কেনেকৈ ভোৰ তাল হ'ল। উত্তৰ- "শ্ৰীমন্ত শংকৰদেৱৰ সাত শিষ্যৰ ভিতৰত এজন ভুটীয়া আছিল আৰু শংকৰদেৱৰ ওপৰত আস্থা ৰাখি ভুটীয়া জনে শংকৰদেৱক গুৰু দক্ষিণা হিচাপে দিছিল, যি জোৰা তালে মুখ বাগৰি পাছলৈ ভোৰতাল হ'লগৈ।"

মৃদংগৰ কথা আহিল- মৃদংগ আচলতে দেবাদি দেৱ মহাদেৱৰ সৃষ্ট। মহাদেৱে প্ৰথমে মৃদংগ সৃষ্টি কৰি তেওঁৰ প্ৰিয় শিষ্যদ্বয় নন্দী আৰু ভৃংগীক দিছিল আৰু নন্দী, ভৃংগীয়ে তেওঁলোকৰ প্ৰিয় শিষ্য কছাৰীসকলক আগম নীতিৰে মন্ত্ৰপূত কৰি তেওঁলোকৰ প্ৰিয় শিষ্য কছাৰীসকলক দান হিচাপে দিছিল। কিন্তু কছাৰী সকল কছাৰী হিচাপে পৰিচিত নাছিল। সেই যুগৰ পৰা বৰ্তমানলৈ কছাৰীসকলৰ মাজত চলি আছে। কিন্তু নাম, গায়নৰ ৰাগ মালিতা, নাম মালিতা অসমত ভাগৱতী ধৰ্ম প্ৰচাৰ কৰা শ্ৰীমন্ত শংকৰদেৱৰ সম পৰ্যায়ৰ। ৰাম সৰস্বতী আছিল, সেই ৰাম সৰস্বতী দেৱে গায়নৰ ৰাগ, মালিতা, ধোৰা, গীত মাত সৃষ্টি কৰি গায়ন বায়নত সংযোগ কৰিছিল আৰু নাম সমূহ য'ত যেনে ধৰণে গাব লাগে তেনে ধৰণে সৃষ্টি হৈছিল, নাম সমূহ- জয়শ্ৰী, ললিত, কামুদ, ঢোপালী, ধনশ্ৰী ইত্যাদি।

কছাৰীসকলৰ অন্যতম পূজা বাইথ' পূজা পোন প্ৰথমবাৰ সুদূৰ ডাঙৰীৰ পৰা আনি তিনঠেঙ্গীয়া হেন হাবিতলীয়া ঠাইত পাতি অঞ্চলৰ ৰাইজক বাইথ'ৰ জ্ঞান দিছিল। বাইথ' অৰ্থ বহুজনে বহু ধৰণে ক'ব বিচাৰে। কিন্তু আমি পোৱা তথ্যমতে কছাৰী ৰজা মহামাণিক্যফাৰ নাতি মাণিকে লগত কিছুমান কছাৰীক লৈ ডিমাপুৰ, মাইবঙৰ পাহাৰৰ পৰা নামি আহিছিল। তাৰ লগত অহা কিছুমানে গোলাঘাটৰ কাছমাৰীত খুঁটি পুতিলে। সেই সকলে পাছলৈ ঠেঙ্গাল হিচাপে পৰিচিত হ'ল আৰু কিছু সংখ্যক লোক নগাঁৰৰ ফালে খুঁটি পুতিলে। তেওঁলোক তিৱা (লালুং) নামে পৰিচিত হ'ল। বাকী থকা সকলক লৈ নেতা মাণিকে বৰনদী (ব্ৰহ্মপুত্ৰ) পাৰ হৈ উত্তৰ দিশলৈ আহি লালী নৈৰ পাৰত এখন সৰু হালালী নামে তাতে কিছু বছৰ কটোৱাৰ পাছত লালী আৰু চিয়াং নৈৰ বানত বিধ্বস্ত হৈ নেতা মাণিক আৰু লগত প্ৰায় এহেজাৰ কছাৰী লৈ পূব দিশলৈ গৈ এখন ঠাই পালে। ঠাইখনৰ নাম কছাৰী নামেৰে নামকৰণ কৰি নাম ৰাখিলে হালালী। হালালী শব্দটো ডিমাচাসকলৰ। ডিমাচা অৰ্থ ডাঙৰ নদীৰ সন্তান (ডিমা-ফিচা)। নেতা মাণিক এহেজাৰ কছাৰীৰ ওপৰত ৰজা হ'ল, এয়া

আনুমানিক ৮৩০ খৃষ্টাব্দৰ ঘটনা। ৰজা মাণিকৰ সাত ভায়েকৰ ভিতৰত বাইথ' নামে এজন আছিল, আৰু বাইথ' আছিল ভগৱানৰ প্ৰতি অটল বিশ্বাসী আৰু ধৰ্মপৰায়ণ। সেই বাইথ'ৰে সাধাৰণ শিৱ পূজাৰীকে নিজত্ব নিয়ম নীতিৰে বছৰৰ মূৰকত মহাৰাত্ৰিৰ পাছত দ্বিতীয় দেওবাৰে দেও নমোৱা (দেৱতাৰ আহবান) প্ৰথাৰে চাৰিদিনীয়াকৈ পতা আৰম্ভ কৰিলে আৰু সেই তেতিয়াৰ পৰা পাছৰ পৰ্যায়ত হায়দাং গীতৰো প্ৰচলন হ'ল। হা মাটি, দাং-সৃষ্টি। দে-গীত। বিশ্বৰ সৃষ্টিমূলক গীত। বাইথ' পূজাৰীৰ পৰাই তেওঁৰ সচটোৰ নামো বাইথৰী সচ হ'ল। বাইথ পূজাটি আকৌ ছয় দশকৰ আগলৈ কেৱল তেওঁলোকৰ মাজতে আবদ্ধ আছিল। পাছলৈ গোটেই কছাৰীসকলৰ মাজতে সাৰ্বজনীন হৈ পৰিল। বাইথ'ৰে শদিয়াত বাইথ' পূজা আৰম্ভ কৰিছিল আৰু আমাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে সোনোৱাল কছাৰী জনগোষ্ঠীটোৰ ভক্তিভাৱৰ জাগৰণ তুলিবৰ বাবে আমাৰ তিনঠেঙীয়াত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰি সমাজখনক একতাৰ ভাব জগাই তুলিছিল। শ্ৰীযুত সোনোৱালদেৱে সমগ্ৰ অসমতে সোনোৱাল সকলৰ সাংস্কৃতিক পৰিচয় দাঙি ধৰিবৰ বাবে আৰু এটা আঁচনি লৈছিল। তাৰ বাবে গোটেই গুৱাহাটীতে টকা লৈ ভৰিৰ বুলনি দি বিশেষ বিশেষ ঘৰত হুঁচৰি গোৱাৰ পৰিকল্পনা কৰা হৈছিল। ময়ো তেখেতৰ পৰিকল্পনাত সহযোগ কৰিছিলো।

সামৰণিলৈ আহিছোঁ।

তেখেতৰ কৰ্মৰাজিৰ বিষয়ে লিখি ওৰ পেলাব নোৱাৰি। গতিকে ওৰ পেলাই শ্ৰীভগৱন্তৰ ওচৰত প্ৰাৰ্থনা যে তেখেতৰ কৰ্ম জীৱনৰ ধাৰা নিৰৱধি বৈ থাকক এই সোনোৱাল কছাৰীসকলৰ মাজত।

জয়তু সোনোৱাল কছাৰী
জয়তু ৰহেশ্বৰ সোনোৱাল।

লেখক ঃ বকুল বনৰ বঁটা প্ৰাপক।

❐❐❐

সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱালৰ বিষয়ে যৎ কিঞ্চিৎ

✍ মোহন সোনোৱাল

প্রস্তাৱনা ঃ

জীৱন কালত মানুহে আত্মপ্রতিষ্ঠা লাভ কৰিবলৈ হ'লে অধ্যৱসায়ৰ অতি প্রয়োজন। যিকোনো ক্ষেত্রত প্রত্যাহবান জনাবলৈ অধ্যৱসায়ে মানুহক সাহস যোগায়। এষাৰ আপ্ত বাক্য- “কাৰ্যৰ সাধন কিম্বা শৰীৰ পতন।”

এই কথাষাৰ এগৰাকী উদ্যোগী ব্যক্তিৰ জীৱন পৰিক্রমাত প্রতিফলিত হোৱা দেখা যায়। মানুহ গৰাকী হ'ল আত্মবিশ্বাসী কৰ্ম উদ্যমী ডিব্রুগড় জিলাৰ টিংখং বিধান সভা সমষ্টিৰ খোৱাং অঞ্চলৰ অতি স্পৰ্শকাতৰ তিনঠেঙ্গীয়া গাঁৱৰ নিবাসী সমাজ হিতৈষী, তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত কৃতী শিক্ষক, ডিব্রুগড় জিলা পৰিষদৰ প্রাক্তন সদস্য, পূৰ্বৰুণ কৃষি পাম নিগমৰ অন্যতম প্রতিষ্ঠাপক, ডিব্রুগড় জিলা কংগ্রেছৰ প্রাক্তন সম্পাদক, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত দাবী সমিতিৰ প্রাক্তন সভাপতি, নখাট বৰ নামঘৰ নিৰ্মাণৰ প্রতিষ্ঠাপক শ্রীৰহেশ্বৰ সোনোৱালদেৱ। মানুহজন সুন্দৰ শৰীৰ গঠনৰ, ওখ-পাখ, সকলোকে আকৰ্ষণ কৰিব পৰা মিঠাবৰণীয়া, অতি অমায়িক, বিনয়ী আৰু ভদ্র আচৰণৰ। তেখেতৰ পৰিধানত মাৰ্জিত চাৰ্ট আৰু লংপেণ্ট, খোজ কাটলত গহীন-গম্ভীৰ, নিটোল মুখমণ্ডল আৰু আধা পকা চুলিৰে সভা ঘৰত থাকিলে সকলোকে আকৰ্ষণ কৰিব পৰা এগৰাকী অতি সভা শুৱনি ব্যক্তি।

শ্রীৰহেশ্বৰ সোনোৱালদেৱক মই প্রথম লগ পাইছিলোঁ তিনঠেঙ্গীয়াৰ

তেখেতৰ নিজা বাসভৱনত। এবাৰ এটা সাধাৰণ নিৰ্বাচনত মই প্ৰিজাইডিং অফিচাৰ হিচাপে আমাৰ পুলিং দলৰ অন্যান্য বিষয়াসকলৰ সৈতে তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ভোট ল'বলৈ গৈছিলোঁ। তেতিয়াই, ভোটগ্ৰহণৰ দিনা তেখেতৰ সৈতে মোৰ চিনাকি হৈছিল আৰু আমি দুজনমানে তেখেতৰ ঘৰতে দুপৰীয়াৰ আহাৰ সাঁজ গ্ৰহণ কৰিছিলোঁ। তেখেতৰ আতিথ্যত আমি আনন্দিত হৈছিলোঁ। তাৰ পিছত দুখন মান সভাত তেখেতৰ সৈতে দেখা-সাক্ষাৎ হৈছিল। মানুহজনক লগ পায়ে মই অনুভৱ কৰিছিলোঁ যে তেখেত এগৰাকী অতি গুণী, জ্ঞানী, অতিথিপৰায়ণ, মানুহক ভালপোৱা, সমাজক ভালপোৱা, বিশাল অন্তৰৰ ব্যক্তি। তদুপৰি তেখেতৰ কথা-বতৰা, ব্যৱহাৰ-পাতি আৰু ভাবৰ আদান- প্ৰদানে মোক বাৰুকৈয়ে মোহিত কৰিছিল।

জন্ম আৰু পৰিয়াল পৰিচয় ঃ

ডিব্ৰুগড় জিলাৰ টিংখং বিধান সভা সমষ্টিৰ লেঙেৰী অঞ্চলৰ নখাট নগাঁও ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগৰ পঞ্চাশ দশকৰ এখন অতি স্পৰ্শকাতৰ অনুন্নত গাঁও। সকলো দিশতে পিছপৰা। যাতায়াত আৰু যোগাযোগ ব্যৱস্থা তেনেই চালুকীয়া। বৰ্তমান স্বাধীনতাৰ প্ৰায় ৭৭ টা বছৰত কিন্তু টিংখং সমষ্টিৰ অঞ্চলসমূহত যাতায়াত ব্যৱস্থা উন্নত হৈছে। গাঁৱে- ভূঞে থকা পথসমূহ পকীকৰণ হৈছে। গাঁৱৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে। সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদিৰ দিশতো যথেষ্ট পৰিমাণে অগ্ৰগতি লাভ কৰিছে। তেনে এখন অতি পিছপৰা অতি স্পৰ্শকাতৰ গাঁৱত স্বাধীনতাৰ পূৰ্ববৰ্তী কালৰ পঞ্চাশ দশকত ইংৰাজী ১৯৪০ বৰ্ষত ন-খাট নগাঁৱত প্ৰয়াত মুকুট (মুকুন্দ) সোনোৱালৰ ঔৰসত আৰু মাতৃ প্ৰয়াত জাধৈ সোনোৱালৰ গৰ্ভত এটি ফুলকুমলীয়া শিশুৰ জন্ম হৈছিল আৰু এই শিশুটোৱে হ'ল বৰ্তমান তিনঠেঙীয়া অঞ্চলৰ বটবৃক্ষ শ্ৰীৰহেশ্বৰ সোনোৱালদেৱ।

শ্ৰীৰহেশ্বৰ সোনোৱালদেৱৰ পৰিয়াল-পৰিচয় ঃ

শ্ৰীমতী গুণদা সোনোৱালৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈ যুগ্ম জীৱনৰ শুভাৰম্ভ হয়। তেখেতৰ বৈবাহিক জীৱন পুত্ৰ- কন্যা, জী-জোঁৱাইৰে ভৰা এখন অতি সুখৰ সংসাৰ। চাৰি গৰাকী পুত্ৰ-কন্যাৰ একমাত্ৰ কন্যা শ্ৰীমতী গীতাঞ্জলি

সোনোৱাল স্নাতকোত্তৰ ডিগ্ৰীধাৰী। গুৱাহাটী নিৱাসী লেখক, সমাজ কৰ্মী পংকজ কুমাৰ দাস তেওঁৰ স্বামী। গীতাঞ্জলি সোনোৱাল এগৰাকী উদীয়মান কবি আৰু কেইবাখনো কাব্যগ্ৰন্থৰ প্ৰণেতা। তেওঁ বৰ্তমান সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ গুৱাহাটী শাখাৰ সভানেত্ৰী। সোনোৱালদেৱৰ তিনি গৰাকী পুত্ৰ সন্তান। প্ৰথম পুত্ৰ শ্ৰীদেৱ কুমাৰ সোনোৱাল ভাৰতীয় প্ৰশাসনীয় সেৱাৰ ৰাজহ বিভাগৰ এগৰাকী উচ্চ পদস্থ বিষয়া। বৰ্তমান তেখেত কলকাতাত আয়কৰ বিভাগৰ আয়ুক্ত হিচাপে কৰ্মৰত। দ্বিতীয় পুত্ৰ প্ৰয়াত মানবেন্দ্ৰ সোনোৱাল। তেওঁ তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী সহকাৰী শিক্ষক আছিল। কিন্তু কিছু বছৰৰ আগে আকস্মিকভাৱে তেওঁ পৰলোকগামী হৈছে। কনিষ্ঠ পুত্ৰ শ্ৰীহেমন্ত সোনোৱাল স্নাতক- গুৱাহাটী নিৱাসী আৰু বৰ্তমান এগৰাকী সফল ব্যৱসায়ী।

শিক্ষা জীৱনৰ ৰ'দ কাঁচলিত ঃ

শ্ৰীৰহেশ্বৰ সোনোৱালদেৱৰ শিক্ষা জীৱনৰ আদিপাঠ আৰম্ভ হয় ন-খাট নগাঁও প্ৰাথমিক বিদ্যালয়ত। সৰুৰে পৰা তেখেত এগৰাকী মেধাৱী ছাত্ৰ আছিল। নখাট নগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সামৰণি মাৰি তেখেতে লেঙেৰী উচ্চ ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰি মাধ্যমিক শিক্ষা গ্ৰহণ কৰে। লেঙেৰী উচ্চ ইংৰাজী বিদ্যালয়ত তেখেতে নৱম শ্ৰেণীলৈকে অধ্যয়ন কৰি পাছত বিদ্যালয় সলনি কৰি খোৱাং উচ্চ ইংৰাজী বিদ্যালয়ত দশম শ্ৰেণীত নাম ভৰ্তি কৰে। ইংৰাজী ১৯৫৮ চনত খোৱাং উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা তেখেতে দ্বিতীয় বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে তেখেতে ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ কলেজত নামভৰ্তি কৰে। এগৰাকী নিম্ন কৃষক পৰিয়ালৰ সন্তান হিচাপে ডিব্ৰুগড়ত থাকি উচ্চ শিক্ষা গ্ৰহণ কৰাত আৰ্থিক দীনতাই তেখেতক বাধাৰ সৃষ্টি কৰিছিল। কিন্তু তেখেতৰ একাগ্ৰতা আৰু প্ৰবল ইচ্ছা শক্তিয়ে সন্মুখত প্ৰাচীৰ স্বৰূপে আহি পৰা আৰ্থিক দীনতাক প্ৰত্যাহবান জনাই কলেজৰ নিশাৰ শাখাত অধ্যয়ন কৰি দিনৰ ভাগত ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰত এটি নিম্ন বৰ্গৰ চাকৰি যোগাৰ কৰি কঠোৰ সংগ্ৰামৰ মাজেদি ইংৰাজী ১৯৬৪ চনত স্নাতক ডিগ্ৰী লাভ কৰে।

কৰ্মজীৱন ঃ

(১) প্ৰথমতে ডিব্ৰুগড়ত উচ্চ শিক্ষা গ্ৰহণ কৰা সময়ছোৱাত তেখেতে ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰত নিম্নবৰ্গৰ সহায়কৰ এটি পদত নিযুক্তি লাভ কৰি চাকৰিৰ বেতনৰে থকা মেলা আৰু পঢ়া-শুনাৰ খৰচপাতি যোগাৰ কৰি ল'ব লগা হৈছিল। ডিব্ৰুগড়ৰ নিয়োগ বিনিময় কেন্দ্ৰত ৩ বছৰ কাল চাকৰি কৰাৰ পিছত তেখেতে সেই পদ ইস্তফা দি ঘৰলৈ ঘূৰি আহে।

(২) সত্তৰ দশকত তিনঠেঙ্গীয়াবাসী ৰাইজৰ সাহস, নিষ্ঠা, দূৰদৰ্শিতা আৰু শিক্ষানুৰাগী মানসিকতাৰ প্ৰচেষ্টাত তিনঠেঙ্গীয়াত 'তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়' নামৰ এখন শিক্ষানুষ্ঠান জন্ম হৈছিল। শুভানুধ্যায়ী গুৰি ধৰোতা সকলৰ ভিতৰত শ্ৰীৰহেশ্বৰ সোনোৱালদেৱো সেই অঞ্চলৰ অন্যতম এগৰাকী শুভাকাংক্ষী ব্যক্তি আছিল। এই বিদ্যালয়খনতে সোনোৱালদেৱে এগৰাকী সহকাৰী শিক্ষক আৰু প্ৰতিষ্ঠাপক সম্পাদক হিচাপে শিক্ষকতাৰ জীৱন আৰম্ভ কৰে। বিদ্যালয়খনে ইংৰাজী ১৯৮৪ চনত চৰকাৰী প্ৰাদেশিকীকৰণ বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে। সোনোৱালদেৱে সুদীৰ্ঘকাল এই বিদ্যালয়তে এগৰাকী সহকাৰী শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি ইংৰাজী ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰে।

সামাজিক কৰ্মৰ খতিয়ান ঃ

এগৰাকী সমাজ হিতৈষী ব্যক্তি হিচাপে তেখেতৰ জীৱন কালত সমাজৰ বিভিন্ন গঠনমূলক কামত সেৱা আগৱঢ়াই আহিছে তাৰে এটি চমু বিৱৰণ থোৱতে আগবঢ়ালোঁ।

(১) তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ চৰকাৰৰ দিনত পৰমানন্দ গগৈদেৱ ৰাজহ মন্ত্ৰী থকাৰ সময়ত তিনঠেঙ্গীয়া অঞ্চলৰ নামদাং ফৰেষ্ট ৰিজাৰ্ভৰ ২০০১ বিঘা মাটিত 'পূবেৰুণ কৃষি পাম নিগম' খোলা হৈছিল। চৰকাৰে এই কৃষি পামখনৰ বাবে ৰবি আৰু খাৰিফ শস্যৰ খেতিৰ অনুমোদন জনাইছিল। সোনোৱাল এই কৃষি পাম নিগমৰ অন্যতম এগৰাকী প্ৰতিষ্ঠাপক সদস্য আছিল।

তদুপৰি উল্লিখিত অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ তেখেত প্ৰতিষ্ঠাপক, সভাপতি আৰু সদস্য আছিল।

(২) সভাপতি, ডিব্ৰুগড় মহকুমা জনজাতি উন্নয়ন পৰিষদ।

(৩) সদস্য, ডিব্ৰুগড় জিলা আই টি ডি পি।

(৪) ডিব্ৰুগড় জিলা লেণ্ড এডভাইছৰী কমিটীৰ সদস্য।

(৫) সদস্য, ডিব্ৰুগড় জিলা নিয়োগ বিনিময় কেন্দ্ৰ সমিতি।

(৬) সম্পাদক, অবিভক্ত লক্ষীমপুৰ জিলা ট্ৰাইবেল সংঘ।

(৭) সম্পাদক, ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘ।

(৮) সভাপতি, সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি।

(৯) নখাট বৰ নামঘৰ নিৰ্মাণৰ প্ৰতিষ্ঠাপক।

(১০) নিগম মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি।

(১১) প্ৰাক্তন সভাপতি, নখাট উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি।

(১২) প্ৰাক্তন সভাপতি, বনফুল প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতি।

(১৩) প্ৰাক্তন সভাপতি, মেছলৌ হাইস্কুল পৰিচালনা সমিতি।

(১৪) প্ৰতিষ্ঠাপক, বৃন্দাবন প্ৰাথমিক বিদ্যালয়।

(১৫) প্ৰতিষ্ঠাপক, পশ্চিম ডিব্ৰুগড় বাইথ' পূজা সমিতি।

(১৬) সদস্য, টেপৰগুৰি ক্ষেত্ৰীয় শালৰ পুনৰুদ্ধাৰ সমিতি, সহযোগী সদস্যসকল আছিল প্ৰয়াত যোগেন সোনোৱাল, প্ৰয়াত বিহুৰাম সোনোৱাল আৰু প্ৰয়াত বিনাৰাম পূজাৰী।

ৰাজনীতিত এভুমুকি ঃ

(১) ইংৰাজী ১৯৭৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ (আই) ডিব্ৰুগড় জিলা সমিতিৰ প্ৰতিষ্ঠাৰ সদস্যসকল প্ৰয়াত জয়চন্দ্ৰ নাগবংশী, প্ৰয়াত প্ৰভাত চন্দ্ৰ গগৈ, জাৰ্নেল সিং, প্ৰয়াত অজিত চলিহাৰ লগতে শ্ৰীৰহেশ্বৰ সোনোৱালদেৱো অন্যতম এগৰাকী সদস্য আছিল।

(২) ইংৰাজী ২০০২ চনত জিলা পৰিষদৰ সদস্য আছিল।

(৩) ইংৰাজী ১৯৮৪ চনত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

ৰমণীয় আৰু বৰণীয় ঃ

তেখেতৰ সমাজ জীৱনৰ ৰমণীয় আৰু বৰণীয় ব্যক্তিত্বই সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। এজন দক্ষ শিক্ষক হিচাপে, সমাজ হিতৈষী ব্যক্তি

হিচাপে তেখেতে কৰি যোৱা কৰ্মৰাজি, জীৱনশৈলী আৰু মানৱীয় মূল্যবোধ সকলোখিনি গুণ তেখেতৰ জীৱনত সমাহাৰ ঘটিছিল। মুঠতে যি সংকল্পত অচল-অটল, কাৰ্য সম্পাদন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ তেনে ব্যক্তিৰ জীৱনলৈ ব্যৰ্থতা, অকৃতকাৰ্যতা আহিবই নোৱাৰে। সোনোৱালদেৱ আজি তাৰেই জ্বলন্ত উদাহৰণ।

সামৰণি ঃ

তিনঠেঙীয়া অঞ্চলৰ সুধী সমাজে এনে এগৰাকী কৰ্মপ্ৰাণ উদ্যোগী পুৰুষ, কৃতী শিক্ষক তথা সমাজ হিতৈষী ব্যক্তিক জীৱিত কালতে সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱালদেৱৰ অভিনন্দন গ্ৰন্থ উদ্‌যাপন সমিতিয়ে অভিনন্দন গ্ৰন্থৰে সন্মান যাচিবলৈ লোৱাটো অতি সুন্দৰ পদক্ষেপ। মই অভিনন্দন গ্ৰন্থৰ উদ্যোক্তা সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই ব্যক্তিগতভাৱেও ৰহেশ্বৰ সোনোৱালদেৱলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। শেষত তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ প্ৰাক্তন সভাপতি, সোনোৱাল কছাৰী সাহিত্য সভা।

❑❑❑

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যৰ একলম

✍ **জীৱন খনিকৰ**

১৯৭৪ চনৰ অক্টোবৰ মাহত তিনঠেঙ্গীয়া কাৰিকৰী হাইস্কুলত বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰাৰ দিনা সমূহ শিক্ষক বৃন্দৰ ভিতৰত আটাইতকৈ সবল-সুঠাম, ওখ-পাখ দেহৰ এজন শিক্ষকৰ ওপৰত মোৰ দৃষ্টি নিবন্ধ হৈছিল আৰু সেইজনেই আছিল শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ। তেখেত কেৱল মোৰ বাবেই নহয়, সেই অঞ্চলৰ সকলোৰে পৰিচিত, শ্ৰদ্ধাৰ ব্যক্তি। শিক্ষক হিচাপে অংশগ্ৰহণ কৰাৰ পিছত মই তেখেতৰ সহকৰ্মী হৈ পৰিলোঁ। মই তেতিয়া বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ঘৰত থাকো। বিয়া-বাৰু কৰোৱা নাই। বয়সতো বহুত সৰু। ৰহেশ্বৰ সোনোৱাল ছাৰৰ ঘৰ হাইস্কুলৰ ওচৰতে। স্কুল ছুটীৰ পিছত মই তেখেতৰ লগতে তেখেতৰ ঘৰ পাওঁগে। খোৱা-বোৱাও তাতে হয়। লাহে লাহে মই তেখেতৰ পৰিয়ালৰ সৈতে ঘনিষ্ঠ হৈ পৰো আৰু এক কথাত ক'বলৈ গ'লে মই তেখেতৰ পৰিয়ালৰ এজন হৈ পৰিলোঁ আৰু তেখেতে মোক সেই ধৰণেই মৰম-চেনেহ কৰিছিল। ছাৰে মোক মৰমতে 'পোৱালি' বুলি মাতে। তেখেতৰ পৰিবাৰ শ্ৰীগুণদা সোনোৱাল বৰ সাহসী মহিলা। ওচৰৰে বনাঞ্চলৰ নাহৰফুটুকী বাঘ গোহালিৰ গৰু খাবলৈ আহে। তেতিয়া বাইদেউৱে হাতত দা এখন লৈ বাঘ খেদিবলৈ যায় আৰু খেদি থৈও আহে।

নগাঁও-নখাটত জন্ম গ্ৰহণ কৰা শ্ৰীৰহেশ্বৰ সোনোৱাল ছাৰৰ পিতৃৰ নাম হৈছে স্বৰ্গীয় মুকুট সোনোৱাল আৰু মাতৃ স্বৰ্গীয় জাধৈ সোনোৱাল। এটা অতি দুখীয়া পৰিয়ালৰ সন্তান ৰহেশ্বৰ সোনোৱাল ছাৰে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হৈছিল।

নিজা গাঁও নগাঁৰতেই প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰম্ভ কৰি ওচৰৰে লেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়)ত নৱম শ্ৰেণীলৈকে পঢ়ি খোৱাং উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান খোৱাং উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে।

তেখেতে কলেজত ডিগ্ৰী লৈ প্ৰথমে নিয়োগ বিনিময় কেন্দ্ৰত কিছুদিন চাকৰি কৰাৰ পাছত স্বাধীনমনা ছাৰে সেই কাম ইস্তফা দি নিজ অঞ্চলৰ তিনঠেঙীয়া এম ই স্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। তেতিয়া এইখন চৰকাৰী স্কুল নাছিল। দৰমহা- পাতিতো কথাই নাই। নিয়োগ বিনিময় কেন্দ্ৰৰ চৰকাৰী দৰমহাপ্ৰাপ্ত ভাল চাকৰি এৰি আহি এখন দৰমহা পাতি নথকা স্কুলত শিক্ষকতা আৰম্ভ কৰা শ্ৰীৰহেশ্বৰ সোনোৱাল ছাৰ প্ৰকৃততে এজন সামাজিক দায়বদ্ধসম্পন্ন ব্যক্তি। মাত্ৰ তিনি বছৰৰ মান এম ই স্কুলত শিক্ষকতা কৰাৰ পিছত তেখেতে সেই অঞ্চলত আন কিছু বিশিষ্ট ব্যক্তিৰ লগ লাগি এখন হাইস্কুল স্থাপন কৰাৰ পৰিকল্পনা কৰে। সেয়ে তেখেতে এম ই স্কুলৰ চাকৰি বাদ দি হাইস্কুল প্ৰতিষ্ঠা কৰাৰ কামত দেহে -কেহে নামি পৰে, যাৰ ফলত তিনঠেঙীয়া কাৰিকৰী হাইস্কুল গঢ় লৈ উঠে। শিক্ষক হিচাপে আপ্ৰাণ চেষ্টা কৰি অৱসৰৰ কিছু বছৰ আগেয়ে তেখেতে হাইস্কুলখন চৰকাৰীকৰণ কৰিবলৈ সমৰ্থ হয়।

ছাৰৰ আন এটা দিশ আছিল তেখেতে ফুটবল খেল বৰ ভাল পায়। কেৱল ভাল পায়েই নহয়, ভাল খেলুৱৈও আছিল। আমি দুয়োজন মিলি স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খেলা-ধূলাৰ ব্যৱস্থা কৰোঁ। ফুটবল এটা কিনি অনা হ'ল। আমি শিক্ষক সকলেও স্কুলৰ খেলপথাৰত প্ৰায়ে ফুটবল খেলো। ছাৰে নিজৰ মাতৃ স্বৰ্গীয় জাধৈ সোনোৱালৰ স্মৃতিত এখন ফুটবল প্ৰতিযোগিতাৰো আয়োজন কৰি আহিছিল।

এক কথাত ক'বলৈ গ'লে মই ছাৰৰ ছাঁটোৰ দৰে আছিলো। কেতিয়াবা ডিব্ৰুগড় বা আন ক'ৰবাত গ'লে তেখেতে তেখেতৰ ক্লাছৰ দায়িত্ব মোকে দি থৈ যায়। তেখেত ইংৰাজীৰ শিক্ষক আছিল যদিও গণিতো পঢ়ুৱাইছিল।

শ্ৰীৰহেশ্বৰ সোনোৱাল ছাৰৰ কৰ্মজীৱন শিক্ষকতাৰ মাজতে আৱদ্ধ নহয়। ৰাজনৈতিকভাৱে অতি সচেতন ছাৰ পিছপৰা সমাজখনক সকলো দিশতে উন্নতিৰ

জখলাৰে আগুৱাই নিয়াৰ চেষ্টাত ব্ৰতী হয়। সেই সময়তে ইমান পিছপৰা এটা অঞ্চলত থাকি দেশৰ বিভিন্ন বা-বাতৰি সম্পৰ্কে সদায়ে অৱগত থকা ছাৰে 'দ্য আছাম ট্ৰিবিউন' কাকতখন নিয়মিতভাৱে পঢ়িছিল। ইংৰাজী ভাষাতো মেধাসম্পন্ন শ্ৰীৰহেশ্বৰ ছাৰে অঞ্চলটোৰ অভাৱ-অভিযোগ, সমস্যাৰাজি সমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেখেতৰ প্ৰচেষ্টাতেই অঞ্চলটোত কেইবাখনো অনুষ্ঠান-প্ৰতিষ্ঠানে গা কৰি উঠিছিল। ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সম্পাদকৰ পদত থাকি নিজে বিধায়ক পদৰ প্ৰাৰ্থিত্ব লাভ কৰিও গ্ৰহণ নকৰিলে আৰু নিঃস্বাৰ্থভাৱে কেৱল ৰাইজৰ কাম কৰিছিল আৰু আজিও সেই আদৰ্শ, সেই দৰ্শন আগত ৰাখিয়ে আগবাঢ়ি গৈ আছে। তেখেতৰ প্ৰচেষ্টাতেই পূৰেৰুণ কৃষি পাম নিগম প্ৰতিষ্ঠা হয়, য'ত বহুতো দুখীয়া নিছলা ভূমিহীন পৰিয়ালে জীৱন নিৰ্বাহৰ বাট বিচাৰি পায়, মাটি-বাৰী লৈ পৰিয়ালক পোহপাল দিবলৈ সমৰ্থ হয়। নিগমখন প্ৰতিষ্ঠাৰ বাবে যেতিয়া সেই অঞ্চলৰ মেল- মিটিং হয় তেখেতে মোকো লগত লৈ যায়। সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি হিচাপে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালে কাৰ্যনিৰ্বাহ কৰা সময়তে স্বায়ত্ত শাসিত পৰিষদ গঠনৰ চুক্তি স্বাক্ষৰ হয়। কিন্তু তেতিয়াও তেখেতে স্বায়ত্ত শাসিত পৰিষদৰ ক্ষমতাৰ কোনো পদ গ্ৰহণ নকৰিলে। আজিৰ সমাজত ক্ষমতাৰ প্ৰতি লালায়িত নোহোৱা শ্ৰীৰহেশ্বৰ সোনোৱাল ছাৰৰ দৰে ব্যক্তি সঁচাই দুৰ্লভ।

আনহাতে ছাৰৰ যুগ্ম জীৱনো সঁচাকৈয়ে আদৰ্শনীয়। চাৰিজন পুত্ৰ-কন্যাসহ অতি সুখী পৰিয়াল। সন্তানক শিক্ষা দীক্ষাৰে ডাঙৰ কৰা তথা ছাৰৰ ৰাজহুৱা-সামাজিক কাম-কাজৰ অগ্ৰগতিৰ নেপথ্যৰ মূল ব্যক্তি গৰাকীয়ে হৈছে ছাৰৰ পৰিবাৰ, মোৰ বাইদেউ, শ্ৰীগুণদা সোনোৱাল। ছাৰ অনবৰতে সামাজিক কাম-কাজতে ব্যস্ত থাকে। এইক্ষেত্ৰত বাইদেৱে সন্তান কেইজনৰ দায়িত্ব মূৰ পাতি লয়। বাইদেউৱে মূৰ পাতি লোৱা দায়িত্বৰ ফলতে চাৰিওটা সন্তানে সুখ্যাতিৰে শিক্ষা অৰ্জন কৰিলে।

ছাৰৰ ডাঙৰ জী শ্ৰীমতী গীতাঞ্জলি সোনোৱাল (ঘৰত আমি মাজনী বুলি মাতো) স্নাতকোত্তৰ ডিগ্ৰীৰে শিক্ষিতা। তেওঁ একাধাৰে এগৰাকী কবি। আন কেইবাখনো কবিতা সংকলনৰ লগতে 'ৰ'দৰ কবিতা' নামৰ এখন সুন্দৰ কবিতা পুথি প্ৰকাশ কৰি উলিয়াইছে। বিবাহসূত্ৰে এতিয়া গুৱাহাটীৰ বাসিন্দা।

দ্বিতীয় পুত্ৰ শ্ৰীদেৱ কুমাৰ সোনোৱালে (ঘৰত দুদুল বুলি মাতে) দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী। সৰ্বভাৰতীয় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ভাৰত চৰকাৰৰ আয়কৰ বিভাগত বৰ্তমান 'মুখ্য আয়ুক্ত' হিচাপে গুৱাহাটীত কৰ্মৰত হৈ আছে। তেনেদৰে তৃতীয় গৰাকী মানবেন্দ্ৰ সোনোৱালে গুৱাহাটী কমাৰ্চ কলেজত পঢ়িছিল, কিন্তু ডিগ্ৰী সমাপ্ত নকৰিলে। এওঁ কৰ্মসূত্ৰে স্থানীয় তিনঠেঙীয়া কাৰিকৰী হাইস্কুলৰ কাৰিকৰী বিভাগৰ শিক্ষক হিচাপে কাম কৰি আছিল যদিও নিষ্ঠুৰ নিয়তিৰ বলি হৈ আজিৰ পৰা কিছু বছৰ আগেয়ে ইহলীলা সম্বৰণ কৰে।

একেবাৰে সৰু পুত্ৰ গৰাকী হৈছে হেমন্ত সোনোৱাল (পাপু)। তেওঁ স্নাতক ডিগ্ৰীধাৰী। বৰ্তমান তেওঁ গুৱাহাটীত ব্যৱসায় কৰি আছে।

যি কি নহওক, মই তিনঠেঙীয়াত তিনি বছৰ চাকৰি কৰাৰ পাছত নামৰূপলৈ আহো আৰু পেট্ৰ'কেমিকেলত যোগদান কৰোঁ। তেতিয়াও এবাৰ ছাৰ আহি ওলাইছিলহি। ছাৰে মোক লগত লৈ তেওঁলোকৰ সোনোৱালৰ 'সঁচ' বিচাৰি গ'ল আৰু গৈ গৈ নামৰূপৰ পাহাৰৰ কাষৰ এঘৰ মানুহৰ ঘৰ ওলালোগৈ। মানুহজন ঘৰতে আছিল। দুয়োজন বহু সময় বহি আছে। কাৰো মুখত মাতবোল নাই। মই ভাবিলো কথাটো কি? পিছত ছাৰে তেখেতক সুধিলে তেখেত কোন 'সঁচ'ৰ হয়। সুধি যেতিয়া গম পালে যে ছাৰ আৰু তেখেত একে সঁচৰ তেতিয়া তেওঁলোকৰ মাজত কথাৰ কোব ৰখাব নোৱাৰা হ'ল। লাহে লাহে সাজ পানীৰ যোগাৰ হ'ল। মোৰ আকৌ এইবোৰ নচলে। গতিকে মই লাহেকৈ তাৰ পৰা আঁতৰি দিলো আৰু ক'লো আপোনালোকে কথা পাতক, মই পিছত আহি আছো। মই এই কথা এই কাৰণে উল্লেখ কৰিলো যে সোনোৱাল কছাৰী সম্প্ৰদায়ৰ মানুহ ক'ত ক'ত আছে, নাম কি সকলোবোৰ ছাৰৰ নখ দৰ্পণত আছে। ছাৰৰ সৈতে মোৰ এই সান্নিধ্য মই কাহানিও পাহৰিব নোৱাৰোঁ। বিশেষকৈ ছাৰৰ জ্ঞান পিপাসু মনটো আৰু সমাজৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, নিষ্ঠা, দায়বদ্ধতা, সততা। ছাৰে দাঙি ধৰা আদৰ্শ সমাজৰ ন-প্ৰজন্মই আঁকোৱালি লোৱা উচিত আৰু ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত বিষয়া, অসম পেট্ৰ'কেমিকেল লিমিটেড, নামৰূপ।

❑❑❑

আমাৰ পৰিয়ালৰ ওখ মানুহজনঃ ৰহেশ্বৰ সোনোৱাল বৰদেউতা

✍ ড° বিনোদ চন্দ্ৰ বড়া

বয়স, বাসস্থানৰ দূৰত্ব আৰু সামাজিক প্ৰতিষ্ঠা এই কেউটা দিশতে আমাৰ পাৰস্পৰিক ব্যৱধান যথেষ্ট থকাৰ বাবে বৰদেউতা শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সান্নিধ্য আমাৰ বাবে তেনেই সুলভ নাছিল। কিন্তু ল'ৰালিৰে পৰাই আমাৰ সঁচ বা পৰিয়ালটোৰ বিশিষ্ট ব্যক্তিসকলৰ কথা আলোচিত হ'লে বৰদেউতা ৰহেশ্বৰ সোনোৱালদেৱৰ প্ৰসংগটো প্ৰথমেই আহিছিল আৰু স্বাভাৱিকতেই আমিবোৰ বিস্ময় বিমুগ্ধ হৈ তেখেতৰ আদৰ্শনীয় ব্যক্তিত্বৰ আভাস ল'বলৈ হাবিয়াস কৰিছিলোঁ। তাৰ পাছত যেতিয়া বিভিন্ন উৎসৱ অনুষ্ঠান, সভা-সমিতিত তেখেতক লগ পাইছিলোঁ, তেখেতৰ কায়িক আৰু ব্যক্তিত্বৰ উচ্চতাত আমি নিজকে অতি খৰ্বকায় বুলি অনুভৱ কৰিছিলোঁ আৰু স্বভাৱজাত হীনমন্যতা আৰু সংকোচৰ বাবে কিছু দূৰতে অৱস্থান কৰাটো সুবিধাজনক বুলি ভাবিছিলোঁ। এতিয়া জীৱন পৰিক্ৰমাত আমাৰো নিজাববীয়া বৃত্তিগত, ব্যক্তিগত বা সামাজিক পৰিচয় একোটা গঢ় লৈ উঠিল যদিও ৰহেশ্বৰ সোনোৱাল বৰদেউতা বা তেনে গুৰুস্থানীয় ব্যক্তিৰ সন্মুখত আমাৰ অন্তৰ্মুখী সংকোচবোধ একেই থাকিল। শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল বৰদেউতাৰ পৰিচয়, কৰ্ম আৰু ব্যক্তিত্বৰ বিষয়ে এটা স্পষ্ট ধাৰণা গঢ় লৈ উঠিছিল যোৱাটো শতিকাৰ নব্বৈ দশকৰ আৰম্ভণিতে খোৱাঙত কলেজীয়া শিক্ষা ল'বলৈ অহাৰ পাছতহে। সেই সময়ত যাতায়াতৰ বিশেষ সুচল ব্যৱস্থা নথকা সত্বেও বৃহত্তৰ খোৱাং অঞ্চলত সজীৱ শৈক্ষিক, বৌদ্ধিক, ক্ৰীড়া আৰু সাংস্কৃতিক বাতাৱৰণ প্ৰৱাহিত হৈ আছিল আৰু সেই সূত্ৰেই আমিও

তিনঠেঙ্গীয়া, বলাই, শেনচোৱাপুখুৰী, লেঙেৰী আদিত বিভিন্ন প্ৰতিযোগিতা বা অনুষ্ঠানত ভাগ লৈ ফুৰিছিলোঁ। তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ো সেই সময়ত বৌদ্ধিক অনুশীলনৰ এক সক্ৰিয় কেন্দ্ৰস্থল আছিল আৰু এই স্থানত সেই কামবোৰৰ নেতৃত্ব লৈছিল ৰহেশ্বৰ সোনোৱালদেৱৰ দৰে ভালেকেইগৰাকী ভৱিষ্যদ্ৰষ্টা শিক্ষক আৰু সমাজকৰ্মীয়ে। শ্ৰদ্ধেয় লীলা হাজৰিকা, মহেন্দ্ৰ তামুলী, প্ৰয়াত প্ৰশান্ত চেতিয়া আদিৰ সক্ৰিয়তাত তিনঠেঙ্গীয়াতে আমি জীৱনৰ বহু আদি পাঠ শিকাৰ সুযোগ পাইছিলোঁ। ৰহেশ্বৰ সোনোৱাল বৰদেউতাৰ এই শিক্ষা আৰু বৌদ্ধিক পৰিমণ্ডল কেৱল নিজে শিক্ষকতা কৰা বিদ্যালয়খনতে সীমাৱদ্ধ নেথাকি বনফুল উচ্চ মাধ্যমিক বিদ্যালয়, তিনঠেঙ্গীয়া, নখাট উচ্চ মাধ্যমিক বিদ্যালয়, মেচলৌ উচ্চ মাধ্যমিক বিদ্যালয়, নিগম মধ্য ইংৰাজী বিদ্যালয়, বৃন্দাবন প্ৰাথমিক বিদ্যালয় আদি শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ বাবেও অগ্ৰণী ভূমিকা গ্ৰহণ কৰি বৃহত্তৰ খোৱাং, লেঙেৰী-তিনঠেঙ্গীয়া অঞ্চলটোৰ বাবে ঐতিহাসিক দায়িত্ব পালন কৰি গৈছে। পৰৱৰ্তী সময়ত যেতিয়া মইনা পাৰিজাতৰ লগত জড়িত হৈ পৰিছিলোঁ, তেতিয়াও তিনঠেঙ্গীয়া অঞ্চলটোত এই আন্দোলনটো শক্তিশালী কৰি তোলাত বৰদেউতাৰ গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰিছিলোঁ। শ্ৰদ্ধাৰ গকুল চন্দ্ৰ খাউণ্ড, প্ৰয়াত লীলা চুতীয়া ছাৰ আদি গুৰুজনৰ দিক দৰ্শনেৰে আমি শক্তিশালী ৰূপত পশ্চিম ডিব্ৰুগড়ৰ মইনা পাৰিজাতৰ আন্দোলনটোক এই ছন্দোময় গতিশীলতা প্ৰদান কৰিব পাৰিছিলোঁ, সেই সময়ছোৱাতো ৰহেশ্বৰ সোনোৱাল বৰদেউতাৰ ঘৰখন তিনঠেঙ্গীয়াত অনুষ্ঠিত প্ৰতিটো অনুষ্ঠানৰ কেন্দ্ৰবিন্দু আছিল।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ আন এটা দিশে আমাক ল'ৰালিৰে পৰা প্ৰভাৱিত কৰিছিল। সেয়া আছিল- তেখেতৰ দূৰলৈ চাব পৰা সক্ষমতা আৰু ডাঙৰকৈ ভাবিব পৰা মানসিকতা। আমি কলেজত পঢ়ি থাকোতেই শুনিছিলোঁ, তেখেতৰ বৰপুত্ৰ দেৱ ককাইদেৱে সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত বহিবৰ বাবে প্ৰণালীবদ্ধভাৱে প্ৰস্তুতি চলাই আছে আৰু ইতিমধ্যে প্ৰাৰম্ভিক বাছনি পৰীক্ষাত উত্তীৰ্ণও হৈছে। দৰাচলতে দেৱ ককাইদেউ পৰৱৰ্তী সময়ত ভাৰতীয় ৰাজহ সেৱাৰ উচ্চ পদস্থ বিষয়া হিচাপে চাকৰিত মকৰল হোৱা কথাটো আমাৰ বাবে যেন এটা পূৰ্ব নিৰ্ধাৰিত কথাই আছিল, বৰদেউতাৰ নিকট সান্নিধ্যলৈ অহাৰ পাছত সেই ধাৰণা আমাৰ মনত শক্তিশালী ৰূপত থিতাপি লৈছিল। মোৰ সীমিত

পৰিসৰৰ চিনাকি মানুহবোৰৰ মাজত তেতিয়ালৈকে আমাৰ মাজৰ পৰাও যে কোনোবা এজনে এই পৰীক্ষাবোৰত বহি উত্তীৰ্ণ হ'ব পাৰে, সেই বিশ্বাস অহা নাছিল বা আজিও নাই যেন লাগে। তাৰ পৰিৱৰ্তে এই সমগ্ৰ মানসিকতাগত সীমাৱদ্ধতা অতিক্ৰম কৰি দেৱ ককাইদেউক সুস্পষ্ট লক্ষ্যৰে প্ৰস্তুত কৰি তোলাৰ ক্ষেত্ৰত বৰদেউতাৰ ব্যক্তিত্ব আৰু প্ৰেৰণাৰ অৱদান নিশ্চয় বহুখিনি আছে।

বৰদেউতাৰ জীয়াৰী গীতাঞ্জলি বাইদেৱে আমাক কবিতা লিখিবলৈ শিকাইছিল। শিকাইছিল এই অৰ্থত যে আমি 'চেঁচুকৰ ডেমডেউকা' হৈ থকাবোৰৰ লেখাবোৰো যে কবিতা, প্ৰবন্ধ আদি হ'ব পাৰে, বিভিন্ন প্ৰসংগত বাইদেৱে আমাক কৈছিল আৰু সিবিলাক প্ৰকাশ কৰিবলৈ উদগনি যোগাইছিল। নৱৈ দশকৰ আদিছোৱা সময়ত বাইদেউ সম্ভৱতঃ 'খোৱাং কবি চক্ৰ' নামৰ সাহিত্য-সংস্কৃতি চৰ্চা কৰা গোটটোৰ সক্ৰিয় সদস্য আছিল আৰু সেই সূত্ৰেই নবীন লেখকসকলৰ প্ৰতি বাইদেউৰ একান্ত আন্তৰিক দায়বদ্ধতা আমি অনুভৱ কৰিছিলোঁ। পিতৃৰ আদৰ্শৰে বাইদেউ সাম্প্ৰতিক কালৰ নাৰী আন্দোলনৰ এগৰাকী অগ্ৰণী ব্যক্তিস্বৰূপে পৰিচিত।

অসমৰ এক প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠীস্বৰূপে সোনোৱাল কছাৰীসকলৰ সামাজিক-ৰাজনৈতিক আত্ম-নিয়ন্ত্ৰণৰ বাবে জনজাগৰণৰ নেতৃস্থানীয় ব্যক্তিৰ ৰূপত বৰদেউতা ৰহেশ্বৰ সোনোৱালৰ ভূমিকাৰ বিষয়ে পৰৱৰ্তী সময়ত জানিব পাৰিছিলোঁ। ডিব্ৰুগড় মহকুমা জনজাতি উন্নয়ন পৰিষদৰ সভাপতি, অবিভক্ত লক্ষীমপুৰ জিলা ট্ৰাইবেল সংঘৰ সম্পাদক, ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে পাছলৈ সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতিৰ দৰে অতি গুৰুত্বপূৰ্ণ জাতীয় দায়িত্ব পালন কৰিছিল। কৃষ্টি-সংস্কৃতিৰ দিশত বৰদেউতাই পশ্চিম ডিব্ৰুগড় জিলা বাইথ' পূজা সমিতি, টেপৰগুৰি ক্ষত্ৰিয়শাল সমিতি, নখাট বৰনামঘৰ নিৰ্মাণ আদিৰ লগতো আগৰণুৱা হৈ জড়িত আছিল বুলি আমি গম পাওঁ।

শিৰোনামত ৰহেশ্বৰ সোনোৱাল বৰদেউতাক আমাৰ পৰিয়ালৰ আটাইতকৈ ওখ মানুহজন বুলি সম্বোধন কৰিছোঁ। এয়া কেৱল তেখেতৰ দীৰ্ঘদেহী, ঋজু, সুঠাম বাহ্যিক শাৰীৰিক অৱয়ৱৰ বাবেই নহয়। প্ৰাক-স্বাধীন নখাট গাঁৱৰ আধুনিক বাট-পথে ঢুকি নোপোৱা পৰিৱেশৰ পৰা ৰহেশ্বৰ

সোনোৱালদেৰে অসমৰ চহৰ, মহানগৰমুখী দৃষ্টিভংগীৰে অজস্ৰ প্ৰত্যাহ্বানৰ মাজেৰে দীঘল দীঘল বেঙা মেলি সফলতাবোৰ আঁজুৰি আনিবলৈ আজীৱন প্ৰযত্ন কৰিলে। ব্যক্তিগত, বৃত্তিগত আৰু সামাজিক কেউটা জীৱনৰে মাজত এক দৃষ্টান্তমূলক ভাৰসাম্য ৰাখি পৰিয়ালৰ প্ৰতিজন লোককে সুপ্ৰতিষ্ঠিত কৰালে, নিজৰ বিদ্যালয়খনক ৰাজ্যখনৰে এখন উল্লেখনীয় শিক্ষানুষ্ঠানৰূপে গঢ়ি তুলিবলৈ সক্ষম হ'ল আৰু একেদৰে সামাজিক জীৱনৰ সৰ্বস্তৰতে নিজৰ নেতৃত্বসুলভ ব্যক্তিত্বৰে এটা এটাকৈ অনেক অনুষ্ঠান গঢ় দিয়াৰ সন্তুষ্টিৰে নিজ জীৱনৰ মহত্ত্ব প্ৰতিষ্ঠা কৰিলে। সেয়ে কৰ্ম, চিন্তা, দৃষ্টিভংগী, ব্যক্তিত্ব, প্ৰাপ্তি আৰু কৃতিত্ব এই সকলোবোৰ দিশৰ পৰাই তেখেতক মই এগৰাকী ওখ ব্যক্তি বুলি অভিহিত কৰি সুখী হৈছোঁ। তাতে এই ওখ ব্যক্তিগৰাকী যদি আমাৰ নিজৰ 'পৰিয়াল'ৰে হয়, আটাইতকৈ ওখ বুলি মই নিঃসংকোচে ক'ব বিচাৰিছো আৰু এই মহান ব্যক্তিত্বৰ সান্নিধ্যৰে জীৱনৰ অনুপ্ৰেৰণা লভিবলৈ প্ৰযত্ন কৰিছোঁ।

পুনশ্চ ঃ ৰহেশ্বৰ বৰদেউতাই আমাক এটা গুৰুত্বপূৰ্ণ কাম কৰি দিব লগা অৱশ্যেই আছে। সোনোৱাল কছাৰীসকলৰ মাজৰ আমাৰ 'কছুৰি' পৰিয়ালটোৰ কুটুমসকলক একেলগ কৰি আমাৰ নতুন প্ৰজন্মৰ পাৰস্পৰিক স্বজাতি-পৰিচয়ৰ ভেটিটো আমি বৰদেউতাৰ নেতৃত্বতে গঢ়িম বুলি আশাৰে অপেক্ষা কৰি আছোঁ। ৰহেশ্বৰ সোনোৱাল বৰদেউতাৰ কৰ্মঠ সুস্বাস্থ্যৰ বাবে আমাৰ প্ৰাৰ্থনা সদায়ে থাকিব।

লেখক ঃ পঞ্জীয়ক, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী।

❏❏❏

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ অভিনন্দন

✍ **মহেন্দ্ৰ তামুলী**

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ বিষয়ে লিখিবলৈ বহুতো আছে। হাতত কলম লৈ কিন্তু ভাবিব লগা হৈছো, ক'ৰ পৰা আৰম্ভ কৰিম। ৰাতি যেতিয়া টোপনি নাহে তেতিয়া পাৰ হৈ যোৱা দিনবোৰৰ কাৰ্যক্ৰমণিকাৰ লগত সহকৰ্মী আৰু সহপাঠী সকলৰ স্মৃতিয়ে প্ৰায়ে মানস পটলৈ আহি থাকে। সোনোৱাল ছাৰৰ বিষয়ে প্ৰথমতে এটা কথাই মনত পৰিছে মই যেতিয়া মেট্ৰিক পৰীক্ষাৰ বাবে টেষ্ট পৰীক্ষাৰ পাছত টেঙাখাতৰ পৰা আহি কোঁচ গাঁৱত পঢ়া-শুনা কৰিবলৈ বুলি আহি আছিলোঁহি। মই বিশেষকৈ অংক বিষয়ত বৰ বেয়া আছিলোঁ। মানে অংকত গাধা আছিলোঁ। ইয়াৰো বহু কাৰণ আছে। ঘৰত থকা ককাইদেউৱে এদিন গধূলি ছাৰক ক'লে, ই এইবাৰ মেট্ৰিক দিব অংক বিষয়ত একেবাৰে বেয়া। ছাৰে পাৰিলে আপুনি এইফালে ঘৰলৈ যাওঁতে দুই-এটা শিকাই দিবচোন। সেই সময়ত ছাৰে তিনঠেঙীয়া এম ই স্কুলত কাম কৰিছিল। ছাৰে তিনঠেঙীয়াৰ পৰা নিজা ঘৰ নগাঁৱলৈ যাওঁতে প্ৰায়েই আমাৰ ঘৰত সোমায়। ছাৰে লগে লগে মোক এটা অংক কৰিবলৈ দিলে। দুৰ্ভাগ্য সেইটো মই নাজানিলো। ছাৰে লাহেকৈ মোৰ ভনীজনীক মাতিছে ঐ ভাগ্য এইফালে আহ। এই অংকটো কৰি দেচোন। ভনীজনীৰ নাম ভাগ্য আছিল। তাই অষ্টম শ্ৰেণীত পঢ়িছে। তাই অংকটো কৰি দিলে। তেতিয়া ছাৰে ক'লে 'এইকে সুধি ল'বা।'

উক্ত কথাষাৰ এতিয়াও মনলৈ কেতিয়াবা কেতিয়াবা আহি থাকে। অৱশ্যে সেইবাৰ মই অংকত কাণে কাণ মাৰি মেট্ৰিক পাছ কৰিলোঁ। পাছত ডিব্ৰু কলেজৰ পৰা বি এ টোও পাছ কৰি ছাৰৰ লগত কাম কৰিবলৈ লোৱাটো মোৰ বাবে অতি

সৌভাগ্য বুলিয়ে ভাবিলো। ছাৰ বিদ্যালয়ত থাকিলে মই সদায় তেখেতক সমীহ কৰি চলিছিলোঁ। এটা সময়ত তেখেত ৰাজনীতিত জড়িত হ'ল। আমাৰ বিদ্যালয়ৰ শিক্ষক সকলৰ খুব ভাল বুজাপৰা আছিল। কোনোবা এজন নাথাকিলে শ্ৰেণীবোৰ সকলোৰে সহযোগত ভাল ধৰণে চলিছিল। মই জনাত সোনোৱাল ছাৰে সামাজিক কাম কৰি ভাল পায়। সেই সময়ত ছাৰে বিচাৰিলে ছাৰে চৰকাৰৰ পৰা ভাল চাকৰি পালেহেঁতেন। কিন্তু ছাৰে যেন সমাজৰ বাবে নিজকে উৎসৰ্গ কৰিলে।

এটা সময়ত ছাৰৰ ঘৰলৈ বিভিন্ন ঠাইৰ পৰা ৰাজনৈতিক, সামাজিক, অঞ্চলৰ উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰায়েই মানুহ গোট খাইছিল। ক'বলৈ গ'লে ছাৰৰ ঘৰখন ৰাজহুৱা ঘৰ আছিল। অঞ্চলৰ প্ৰায়বোৰ উন্নয়নমূলক কাম-কাজৰ সিদ্ধান্ত যেন সেই আলোচনাবোৰতে হৈছিল। কাৰণ ছাৰৰ পৰামৰ্শ সকলোৰে বিচাৰি আহে। আমিও সময় পালে তেনে আলোচনাবোৰত মাজে-সময়ে সহযোগ কৰিছিলোঁ। মুঠতে প্ৰধান শিক্ষক সৰ্বেশ্বৰ সোনোৱাল, ৰহেশ্বৰ সোনোৱাল ছাৰ আৰু আমাৰ বিদ্যালয়ৰ সকলোৰে আদৰৰ প্ৰয়াত প্ৰদীপ শইকীয়া ছাৰহঁতৰ লগত কাম কৰোতে আমি বিভিন্ন ক্ষেত্ৰত নিৰাপদ অনুভৱ কৰিছিলোঁ।

ছাৰৰ এজনী ছোৱালী আৰু তিনিজন ল'ৰা। ডাঙৰ ল'ৰা শ্ৰীদেৱ কুমাৰ সোনোৱাল ইউ পি এছ চি পাছ কৰি বৰ্তমান গুৱাহাটীত আয়কৰ বিভাগৰ মুখ্য আয়ুক্ত হিচাপে কৰ্মৰত হৈ আছে। দেৱ কুমাৰ সোনোৱালক লৈ আমি তিনঠেঙ্গীয়াবাসীৰ লগতে শিক্ষক হিচাপে তেওঁক পঢ়াবলৈ পোৱা বাবে সদায় গৌৰৱ অনুভৱ কৰো। ভগৱানে তেওঁক কুশলে ৰাখক। তেওঁ তিনঠেঙ্গীয়াৰ সুসন্তান। ছোৱালী শ্ৰীমতী গীতাঞ্জলি সোনোৱাল এগৰাকী সমাজ সেৱিকা তথা ব্যৱসায়ী। তেওঁ কবিতাকে ধৰি বিভিন্ন লেখা-মেলাও কৰে। পুত্ৰ হেমন্ত ব্যৱসায়ী সূত্ৰে গুৱাহাটীত থাকে। সকলোৰে কুশল কামনা কৰিছোঁ। আমাৰ তিনঠেঙ্গীয়াবাসীৰ বাবে দুৰ্ভাগ্য যে ছাৰৰ মাজু পুত্ৰ মানৱেন্দ্ৰ সোনোৱালে তিনঠেঙ্গীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে কাম কৰি থকা অৱস্থাতে অকাল মৃত্যুক সাবটি ল'ব লগা হয়। ছাৰ আৰু বাইদেউৰ জীৱনৰ বাটত এক অসহনীয়া বেদনা- যি বেদনাই মোকো আহত কৰে।

ছাৰৰ পত্নী আমাৰ সন্মানীয় বাইদেউ এগৰাকী সাদৰী মহিলা। আলহী-অতিথিক আপ্যায়ন কৰি ভাল পোৱা বাইদেৱে বয়স হ'লেও ঘৰত কেতিয়াবা বোৱাৰীয়েক নাথাকিলেও চাহ-জলপান নোখোৱাকৈ কাকো নপঠায়। বাইদেউক প্ৰভুৱে ভালে ৰাখক।

শেষত ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❏❏❏

মৰাণ প্ৰেছ ক্লাবৰ অধিৱেশনত অতিথি।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালক মই কিদৰে জানো

✍ ড° লব ৰাম সোনোৱাল

কামৰ ভিতৰত এনে বহু কাম আছে, যিবিলাক কোনোপধ্যেই সহজ নহয়। তাৰে ভিতৰত কোনো এগৰাকী ব্যক্তিৰ বিষয়ে লিখা। তাতে যদি সেই ব্যক্তিজন বিশাল ব্যক্তিত্বৰ অধিকাৰী হয়। কিন্তু তথাপি এই সৰু মগজুৰে এজন ব্যক্তিৰ বিষয়ে আমি অলপ লিখিবলৈ প্ৰয়াস কৰিছোঁ। সেইজন হৈছে আমাৰ সকলোৰে চিনাকি তথা শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়া। সামাজিক-ৰাজনৈতিকভাৱে তেখেত আমাৰ মাজত বিশেষভাৱে সকলোৰে চিনাকি।

মনত পৰে যেতিয়া আমি সৰু হৈ আছিলোঁ, তেতিয়া আমাৰ ঘৰলৈ আহে। এজন ওখ-পাখ, পৰিপাটি সাজপাৰ, মাত-কথাত মাৰ্জিত, গুৰু-গম্ভীৰ। ওচৰে-পাঁজৰে অহা-যোৱা কৰোতে কেতিয়াবা আমাক মাত দিয়ে, আমি কথা পাতো। আমি সৰু আছিলো তাতে তেখেতৰ ব্যক্তিত্বৰ আগত আমাৰ ফালৰ পৰা কোনোধৰণৰ কথা নোলাইছিল। তেখেতে যি সোধে তাকেহে উত্তৰ দি গৈছিলোঁ।

তেখেত আমাৰ একেটা পৰিয়ালৰ (গোত্ৰ)ৰ লোক। সেই সূত্ৰে আমাৰ দেউতাক দদাইদেউ বুলি সম্বোধন কৰিছিল আৰু আমি তেখেতক ককাইদেউ বুলি কওঁ। একে পৰিয়ালৰ লোক হ'লেও আমি কিন্তু বহু পাছতহে সান্নিধ্যলৈ আহিছিলোঁ।

আমি জানিব পাৰিছিলোঁ যে তেখেত তিনঠেঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে আৰু সেই বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক। সেই সূত্ৰে তেখেতক সকলোৰে সন্মান কৰে। বিভিন্ন সামাজিক কাম-কাজত তেখেত জড়িত

আৰু সভা-সমিতিবিলাকত তেখেতৰ অংশগ্ৰহণৰ কথা আমি জানিছিলোঁ। তেখেতৰ ব্যক্তিত্বই সকলোকে আকৰ্ষণ কৰে আৰু সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেখেতক ভয়ৰ লগতে ভক্তিও কৰিছিল। আমাৰ লগত কলেজত পঢ়া কেইবাজনো ছাত্ৰই তেখেতৰ শিক্ষাদান কৰা শৈলী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কৰা কঢ়া শাসনৰ কথা তেতিয়া আমাৰ আগত ব্যক্ত কৰিছিল। তেতিয়া আমি কৈছিলো,- "তেখেত আমাৰ ঘৰৰহে মানুহ।" তেতিয়া আমি গৌৰৱবোধ কৰিছিলো। এনেদৰে তেখেতে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক শাসন আৰু শিক্ষা দিছিল।

আমি কলেজীয়া দিনবোৰত বিশেষ সামাজিক কাম-কাজত কেঁকুৰিৰ আমাৰ ঘৰখনলৈ আহিছিল। তেতিয়া লাহে লাহে আমি তেখেতৰ লগত কথা-বতৰাত অংশগ্ৰহণ কৰিব পৰা হ'লো। ভোগালী পথাৰলৈ বিয়া দিয়া বাইদেউৰ ঘৰলৈ মাজে-সময়ে যাওঁতে তেখেতৰ বাসগৃহলৈ যাওঁ আৰু আমাক বৌ গৰাকীয়ে যথেষ্ট আদৰ-সাদৰ কৰিছিল। তেনেদৰে তেখেতৰ ঘৰৰ পৰিৱেশৰ কথা জানিব পাৰিছিলোঁ। এনেদৰে বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ কৰি কলেজৰ চাকৰিৰ বাবে উত্তৰ পাৰলৈ আহোঁ। বহু বছৰ তেখেতক লগ পোৱা নাছিলোঁ। হঠাতে ২০১৫ চনত আমাৰ নতুনকৈ সাজি থকা ঘৰটোৰ চোতালতে বোলে এখন ঘৰুৱা সভা পাতিব বিচাৰিছে, মযো সন্মত হ'লো। কথামতে কাম। তেখেতৰ পৰিচালনাতেই দক্ষিণ পাৰৰ আমাৰ ক'শ্ৰী পৰিয়ালৰ এখন সভা অনুষ্ঠিত হৈছিল। সেই সভাখন সফল সামৰণি হৈছিল তেখেতৰ বাবেই।

আমাৰ জ্ঞাত যে তেখেত কলেজত পঢ়া দিনৰে পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য আছিল। পৰৱৰ্তী সময়ত তেখেতৰ কৰ্মনিষ্ঠা আৰু নেতৃত্ব দিব পৰা গুণৰ বাবেই উচ্চ পদবীত আসন লাভ কৰিছিল। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে বহুল ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে শিক্ষাদান আৰু নানা সামাজিক কাম-কাজবোৰ সমান্তৰালভাৱে চলাই গৈছিল। ১৯৭৯ চনত অসমত বিদেশী বহিষ্কাৰ আন্দোলন "সদৌ অসম ছাত্ৰ সন্থা"ৰ নেতৃত্বত আৰম্ভ হ'ল। সেই সময়ত ৰাজ্য তথা কেন্দ্ৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ চৰকাৰ আছিল। আন্দোলনটোৱে সৰ্বসাধাৰণ লোকৰ মাজত যথেষ্ট প্ৰভাৱ পেলাইছিল। কি ছাত্ৰ-ছাত্ৰী, কি বৃদ্ধ-বৃদ্ধা সকলো জাতিৰ, সকলো শ্ৰেণীৰ আৰু জাতি-জনগোষ্ঠী ধৰ্মীয় লোকেই জড়িত হৈছিল। সেই সময়ত চৰকাৰৰ পক্ষে থকা, আন্দোলনৰ সমৰ্থন নকৰা সকলো লোকক হাৰাশাস্তি তথা অত্যাচাৰ আৰু বৰ্জন কৰিছিল।

সেই সময়ছোৱাত শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়াও বহুতো ভাবুকি তথা অত্যাচাৰ আৰু হাৰাশাস্তিৰ সন্মুখীন হৈছিল। সকলোবোৰ কথা আমি বৰ্ণনা কৰা অনুচিত হ'ব।

ইমানবোৰ ঘটনাৰ পাছতো কিন্তু তেখেতে দল ত্যাগ নকৰিলে বা ভয়-ভাবুকি কেৰেপ নকৰি দলতে থাকিল। তেখেতৰ নিজৰ আদৰ্শৰ পৰা বিচলিত নহ'ল। এনেদৰে তেখেতৰ আপোচবিহীন আদৰ্শ, দলৰ প্ৰতি দায়বদ্ধতা, সাহসী লোক বুলি ক'ব পাৰি। তাৰ পাছতো কিন্তু সমাজে তেখেতক আপোন কৰি লৈছিল। আগৰ দৰেই তেখেতে শিক্ষকতা, সামাজিক দায়বদ্ধতাৰ প্ৰতি মনোনিবেশ নকৰাকৈ নাথাকিল।

বিভিন্ন সামাজিক দায়বদ্ধতাৰ মাজতে তেখেতে ১৯৯৮ চনত শিক্ষকতা জীৱনৰ পৰা মেলানি মাগিলে। এনেদৰে এদিন তেখেতে ডিব্ৰুগড় জিলা পৰিষদৰ নিৰ্বাচনত জয়ী হৈ নিষ্ঠাৰে পুনৰ সামাজিক কাম-কাজত জড়িত হৈ পৰিল। আনহাতে ১৯৯৪ চনতে অসমৰ সোনোৱাল কছাৰী সকলৰ স্বনিয়ন্ত্ৰণ বিচাৰি চৰকাৰৰ ঘৰত আবেদন কৰা হ'ল। বিভিন্ন কাৰ্যসূচী লৈ বিভিন্ন সময়ত আন্দোলন, আলোচনা, বন্ধ, বৈঠক আদি কাৰ্যসূচী লোৱা হয়। তাৰ পৰৱৰ্তী সময়ত স্বায়ত্ত শাসন দাবী সমিতি গঠন কৰি চৰকাৰক প্ৰেৰণ কৰা দাবী চনদত তেখেতে চহী কৰিছিল। পৰৱৰ্তী সময়ত স্বায়ত্ত শাসন সোনোৱাল কছাৰী সকলক প্ৰদান কৰা হয়। সেই সময়ত তেখেতৰ নামো চিন্তা-চৰ্চা কৰা হৈছিল- "মুখ্য কাৰ্যবাহী" সদস্য হিচাপে, কিন্তু "এজন ব্যক্তি এটা বিষয়বাব" দলৰ এই নীতিয়ে সেই কাৰ্য সিমানতে অন্ত পেলালে।

পৰিশেষত আমি ক'ব বিচাৰো যে আপুনি এজন আপোচবিহীন, নিৰ্ভীক আৰু সাহসী ব্যক্তি। শিক্ষকতাৰে জীৱন আৰম্ভ কৰা সময়ৰ এনে বহু ছাত্ৰ-ছাত্ৰী আছে যি সকলক আপুনি জ্ঞান দি দেশৰ সুনাগৰিক গঢ়িলে যাৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়াত সহায়ক হৈছে। অনেক ভয়লগা আৰু বেদনাৰে পাৰ কৰা জীৱনটোৰে কেতিয়াও হাৰ মনা নাই। আপুনি নিশ্চয়কৈ এগৰাকী নিজ ব্যক্তিত্বৰে আদৰ্শনীয় ব্যক্তি। আপোনাৰ জীৱন শৈলী, কৰ্মনিষ্ঠা, সাহস সমাজৰ বাবে আদৰ্শনীয় হৈ থাকক। পৰম ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ আপুনি সু-স্বাস্থ্যৰ গৰাকী হৈ দীৰ্ঘায়ু হওক।

লেখক ঃ উপাধ্যক্ষ, নৰ্থ বেংক মহাবিদ্যালয়, লক্ষীমপুৰ।

❑❑❑

বৰ্ণাঢ্য ব্যক্তিত্বৰে সমুজ্জ্বল সুজন

✍ অনুপ ফুকন

শিক্ষক, সমাজ সেৱক আৰু ৰাজনৈতিক ব্যক্তি হিচাপে সুপৰিচিত ৰহেশ্বৰ সোনোৱালদেৱ এজন সৰ্বজন শ্ৰদ্ধেয় ব্যক্তি। তেখেতৰ অভিনন্দন গ্ৰন্থ উলিয়াবলৈ লোৱা সিদ্ধান্ত অতি প্ৰশংসনীয়। যি সকলে এই প্ৰচেষ্টা হাতত ল'লে মই সেই সকলৰ শলাগ ল'লো।

সোনোৱাল কছাৰীসকল অসমৰ প্ৰাচীন অধিবাসীসকলৰ অন্যতম জনগোষ্ঠী। এই জনগোষ্ঠীৰ সমাজ-সংস্কৃতি অতি চহকী আৰু ঐতিহ্যমণ্ডিত। অসচেতনতা তথা অৱহেলাৰ গৰাহত ব্যক্তি বিশেষে এই জনগোষ্ঠীৰ বহু লোক সমাজৰ উচ্চ শিখৰলৈ হয়তো যাব পাৰিছিল, কিন্তু সামগ্ৰিকভাৱে বহুততকৈ অনেক পিছ পৰি ৰৈছিল।

এই অনগ্ৰসৰতা দূৰ কৰিবলৈ এই জনগোষ্ঠীৰ বহু বিদ্বান ব্যক্তি যত্নপৰ হৈছিল আৰু এতিয়াও হৈ আছে। সেই বিদ্বান ব্যক্তিসকলৰে এজন অগ্ৰণী লোক নখাট-নগাঁৱৰ পৰা আহি তিনঠেঙীয়া চৰাইহাবিত স্থায়ীভাৱে শিক্ষকতা কৰি ঘৰ-দুৱাৰ সংসাৰ কৰা 'কছ্ৰি' পৰিয়ালৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ। বৰ্তমান অৱসৰপ্ৰাপ্ত।

বৃত্তিগতভাৱে সোনোৱালদেৱ আছিল ডিব্ৰুগড় জিলাৰ লেঙেৰী মৌজাৰ তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক। সুবিধা পায়ো তেখেতে নিয়োগ বিনিময় কেন্দ্ৰৰ চৰকাৰী চাকৰি ত্যাগ কৰি শিক্ষকতা বৃত্তিহে গ্ৰহণ কৰিলে।

ৰহেশ্বৰ সোনোৱালদেৱৰ বৰ্ণিল কৰ্মৰাজিৰ বিষয়ে জানি আপ্লুত হৈ যাব

লাগে। কুৰিখনৰো অধিক বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ অগ্ৰণী ব্যক্তি হিচাপে সুপৰিচিত ৰহেশ্বৰ সোনোৱাল। 'পূবেৰুণ কৃষি পাম নিগম' নামৰ কৃষিভিত্তিক প্ৰতিষ্ঠানৰো তেখেত প্ৰতিষ্ঠাপক স্বৰূপ।

ৰহেশ্বৰ সোনোৱালদেৱৰ জীৱনৰ উল্লেখযোগ্য কৃতিত্ব হ'ল 'সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ'ৰ তেখেত আছিল মূল কৰ্ণধাৰ দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি। বৰ্তমান এই পৰিষদৰ নেতৃত্বত সমাজখনৰ উন্নতিৰ বাবে বিভিন্ন দিশত কাম কৰি থকা হৈছে। বিধায়ক হৈ থকা কালত সোনোৱাল কছাৰী জনগোষ্ঠী আৰু ইয়াৰ বহু নেতাৰ সৈতে আত্মীয়তা থকাৰ বাবেই বাজেটত পৰিষদৰ পুজি আবণ্টনত বৈষম্য দূৰ কৰিবলৈ দাবীত উত্থাপন কৰিছিলোঁ। কিন্তু ইয়াক প্ৰকৃতাৰ্থত কাৰ্যক্ষম কৰি তোলাত এই পৰিষদখন কিমান কাৰ্যক্ষম হৈছে সেয়া বিচাৰ্যৰ বিষয়। ইয়াক প্ৰকৃতাৰ্থত কাৰ্যক্ষম কৰি তোলাটো সময়ৰ প্ৰত্যাহ্বান।

ব্যক্তিগতভাৱেও ৰহেশ্বৰ সোনোৱালদেৱ সুগৃহিণী বাইদেউৰ সৈতে এজন সুগৃহস্থ, এজন সুখেতিয়ক। সমাজ সেৱক সোনোৱালদেৱ আছিল প্ৰচাৰবিমুখ। তেখেতসকলৰ সন্তানো বিভিন্ন দিশত কৃতিত্বৰ অধিকাৰী। জ্যেষ্ঠ পুত্ৰ দেৱ কুমাৰ সোনোৱাল 'ভাৰতীয় প্ৰশাসনিক সেৱা'ত উত্তীৰ্ণ হৈ আয়কৰ বিভাগৰ আয়ুক্ত। কনিষ্ঠ পুত্ৰ গুৱাহাটীৰ ভাল ব্যৱসায়ী। কন্যা গীতাঞ্জলি সোনোৱাল এগৰাকী প্ৰগতিশীল কবি আৰু সমাজ কৰ্মী।

ৰাজনৈতিকভাৱে তেখেত নিষ্ঠাৱান কংগ্ৰেছ কৰ্মী। কুটিল ৰাজনৈতিক মেৰপেঁচৰ মাজতো তেখেত খোৱাং জিলা পৰিষদৰ এবাৰ সদস্য নিৰ্বাচিত হৈছিল। ৰাজনৈতিক মতাদৰ্শৰ ফালৰ পৰা মই তেখেতৰ বিৰোধী আছিলোঁ। কিন্তু মোৰ প্ৰতি তেখেতৰ ভ্ৰাতৃৱৎ / পুত্ৰৱৎ স্নেহ আছিল যেন অনুভৱ হয়।

ৰহেশ্বৰ সোনোৱালদেৱৰ প্ৰতি মোৰ শ্ৰদ্ধা আছিল, আছে আৰু সদায় থাকিব।

তেখেতৰ দৰে ব্যক্তি আমাৰ মাজত বিৰল। তেখেত সুস্থভাৱে থাকক। এশ বছৰ কমেও জীয়াই থাকক আৰু সমাজলৈ অৱদান আগবঢ়াই যাওক।

লেখক ঃ প্ৰাক্তন বিধায়ক, টিংখং সমষ্টি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক, টিংখং মহাবিদ্যালয়।

❑❑❑

চিৰ শ্ৰদ্ধেয় শিক্ষাবিদ, সমাজ সেৱক শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন

বিপুল গগৈ

সম্প্ৰীতিৰ যুগমীয়া বাণী বহনকাৰী, বহ্নিমান বুঢ়ীদিহিঙৰ বক্ষস্থলৰ নয়নাভিৰাম সৌন্দৰ্যৰ সুবিশাল বাকৰিত, ডিব্ৰুগড় জিলাৰ বিস্তীৰ্ণ অঞ্চলত অৱস্থিত নখাট-নগাঁৱত জন্ম গ্ৰহণ কৰা বৰ্তমান তিনঠেঙীয়া গাঁও নিৱাসী, বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজৰ আদৰ্শৱান ব্যক্তি, গুণৱান শিক্ষিত সম্ভ্ৰান্ত ব্যক্তিসত্তা, বিদ্যায়তনিক দিশত অঞ্চলটোক আগবঢ়াই নিবলৈ জাতীয় দায়বদ্ধতাৰে বিভিন্ন বিদ্যালয়, সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠাপক, টিংখং বিধান সভা সমষ্টিৰ খোৱাং জিলা পৰিষদৰ প্ৰাক্তন সদস্য, অঞ্চলটোৰ সমাজ জীৱনৰ সৈতে নিবিড়ভাৱে জড়িত হৈ ৰূপান্তৰ আৰু উত্তৰণমুখী দূৰদৰ্শী চিন্তাধাৰা আৰু কৰ্মৰে মাতৃভূমিৰ বুকু উজলাই ৰাখিবলৈ আন্তৰিকতাৰে অহোপুৰুষাৰ্থ কৰা সমাজ হিতৈষী শ্ৰদ্ধেয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়াৰ অভিনন্দন গ্ৰন্থখনলৈ দুআষাৰ লিখিবলৈ লোৱাৰ প্ৰাক্ ক্ষণত তেখেতক যাচিছোঁ শ্ৰদ্ধা, ভক্তি আৰু প্ৰভুৰ শ্ৰীচৰণত সেৱা জনাই প্ৰাৰ্থনা কৰিছোঁ যাতে ঈশ্বৰে তেখেতক কুশলে ৰাখে আৰু দীৰ্ঘ জীৱন প্ৰদান কৰে। এগৰাকী নমস্য শিক্ষাবিদ, সমাজ হিতৈষী, সকলোৰে শ্ৰদ্ধা আৰু আদৰৰ ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়াই জীৱন কালত সমাজৰ কল্যাণৰ হকে বিশেষকৈ শৈক্ষিক ক্ষেত্ৰখনৰ উত্তৰণৰ হকে নিঃস্বাৰ্থভাৱে সততা আৰু আন্তৰিকতাৰে অমূল্য সেৱা আগবঢ়াইছিল। তদুপৰি অঞ্চলটোৰ বিভিন্ন সামাজিক শৈক্ষিক অনুষ্ঠান, প্ৰতিষ্ঠান, ক্ৰীড়া, সংস্কৃতিৰ বিকাশ কৰাৰ বাবে তেখেতে অতুলনীয় সেৱা আগবঢ়াই আহিছে। আজীৱন দেশৰ ভৱিষ্যৎ

সম্পদ গঢ় দি, জাতিৰ চৌদিশে নৱ দিগন্তৰ সূচনা কৰিব পৰাকৈ সেৱা আৰু অৱদান আগবঢ়াব পৰা প্ৰজন্ম গঢ় দি আদৰ্শ, সততা আৰু বদান্যতাৰ সোণসেৰীয়া পদাংক সূচনা কৰি শ্ৰদ্ধাৰ সোনোৱাল ডাঙৰীয়াৰ অনন্য কৰ্মৰাজিক ভৱিষ্যতৰ প্ৰজন্মই সদায়ে কৃতজ্ঞতা আৰু ভক্তিৰে স্মৰণ কৰিব। এগৰাকী সৰবৰহী, সমাজপ্ৰিয়, জনহিতৈষী, সকলোৰে আদৰৰ ব্যক্তি তেখেত। তেখেতৰ ঘৰলৈ গ'লে বৰ আদৰেৰে আমাক আশিস চেনেহ যাচে, সুপৰামৰ্শ আগবঢ়ায়, সমাজখনলৈ আন্তৰিকতাৰে সেৱা আগবঢ়াবলৈ প্ৰেৰণা দিয়ে।

বৃটিছৰ বিৰুদ্ধে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা ভাৰত ত্যাগ আন্দোলনে আকাশ কঁপাই তোলাৰ কালত জন্ম হৈছিল আই অসমীৰ পৱিত্ৰ উদৰত। সুধাকণ্ঠ ভাৰত ৰত্ন ভূপেন হাজৰিকাৰ গীতত গুঞ্জৰিত -ভাৰতৰে পূব দিশৰ সূৰ্য উঠা দেশৰ পাটকাইৰ সেওতাইদি উদিত অৰুণৰ সপ্তবৰ্ণ ৰঞ্জিত আলোকেৰে শৈশৱ উদ্ভাসিত কৰি, উত্তৰণৰ স্বৰ্ণিল সোপান বগাই সপোনৰ লক্ষ্যত অৱতীৰ্ণ হ'বলৈ আকাংক্ষাৰ কাৰেঙৰ এসাগৰ সোণহালধীয়া সপোনৰ অঞ্জলিৰে কৰণি ভৰাই ছাত্ৰ জীৱনৰ সেন্দূৰীয়া বাটেদি আগবাঢ়িছিল। এগৰাকী সফল ব্যক্তি আৰু সমাজৰ আদৰ্শৱান ব্যক্তিলৈ নিজকে পৰ্যৱসিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আদৰ্শৰ পদাংক ৰচনা কৰিবলৈ সক্ষম হোৱা ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়া আমাৰ সকলোৰে বাবে এগৰাকী শ্ৰদ্ধাশীল ব্যক্তি, গুণসিন্ধু শিক্ষক। জীৱনৰ অন্বেষণত সেন্দূৰীয়া বাটেদি আগবাঢ়োতে আমাৰ স্বনামধন্য শিক্ষাগুৰু সকলে প্ৰজ্ঞা, অনুপ্ৰেৰণা, সাহস যোগায়, বটবৃক্ষৰ দৰে থিয় হৈ নিজৰ লগতে সমাজ তথা জাতিৰ হকে বৰঙণি যোগাবলৈ বাট দেখুৱায়। তেওঁলোক আমাৰ সকলোৰে বাবে প্ৰাতঃস্মৰণীয়, চিৰনমস্য।

তেখেতৰ উদ্যোগত ১৯৬১ চনত প্ৰতিষ্ঠা হোৱা তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলত শিক্ষকতা কৰিছিল আৰু ১৯৯৮ চনত এই স্কুলৰ পৰাই অৱসৰ লয়। প্ৰতিষ্ঠা কালৰ তেখেত আছিল স্কুলখনৰ পৰিচালনা সমিতিৰ সম্পাদক। তেখেতে তিনঠেঙীয়া অঞ্চলত পূবেৰুণ কৃষি পাম নিগম স্থাপন কৰি বহু ভূমিহীন মানুহক সংস্থাপিত কৰিছিল। ইয়ালৈ অসমৰ ৰাজনৈতিক পৰিমণ্ডলৰ এক উজ্জ্বল জ্যোতিষ্ক, জাতিৰ হৃদয়ৰ মধ্যমণি, শ্ৰদ্ধাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া আহি পৰিদৰ্শন কৰিছিল। এই অঞ্চলত এখন সাপ্তাহিক বজাৰো স্থাপন কৰিছিল।

নিগমৰ উঠি অহা ল'ৰা-ছোৱালীবোৰৰ পঢ়া-শুনাৰ বাবে এল পি, এম ই স্কুল স্থাপন কৰে।

আজীৱন শিক্ষকতাৰ দৰে মহান সেৱাত ব্ৰতী হৈ দেশ-জাতিৰ ভৱিষ্যৎ প্ৰজন্মক মানৱ সম্পদ হিচাপে গঢ়ি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰশাসনিক দিশত সু-নেতৃত্ব দিব পৰা, অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰি তুলিব পৰা আৰু জাতিটোৰ সৰ্বদিশত নৱ দিগন্ত সূচনা কৰিব পৰা যোগ্য ব্যক্তিসত্তা জন্ম দি অসম মাতৃক উপহাৰ দি আহিছে শ্ৰদ্ধেয় ৰহেশ্বৰ সোনোৱালদেৱৰ দৰে গুণসিন্ধু মহান শিক্ষকসকলে। অমূল্য ত্যাগ, সেৱা, আদৰ্শৰ অমল উৎস তেখেত আমাৰ বাবে। প্ৰজ্ঞাৰ দীঘ-বাণিৰে পৰিব্যাপ্ত জ্ঞানোদীপ্ত জীৱনৰ প্ৰৌজ্জ্বল চানেকী বহনকাৰী চিৰ শ্ৰদ্ধেয় শিক্ষক সকল অসমৰ শিক্ষা জগতৰ মানচিত্ৰত বিদ্যা শিক্ষাৰ যাউতিযুগীয়া আলোক স্তম্ভ হৈ জিলিকি থাকক যুগ যুগান্তৰলৈ। তেওঁলোকৰ অমৰ সৃষ্টি বিভিন্ন সামাজিক অনুষ্ঠান, শিক্ষানুষ্ঠানসমূহ অসমৰ জাতীয় জীৱনৰ সুনীল আকাশত স্বমহিমাৰে মহিমামণ্ডিত হৈ প্ৰভাতী অৰুণৰ সপ্তবৰ্ণৰঞ্জিত বৰ্ণালীৰ দৰে প্ৰতিভা প্ৰেৰণাৰ এচমকা উজ্জ্বল আভা হৈ জিলিকি উঠিছে। স্নেহপৰায়ণ, আদৰ্শৱান, মানুহ গঢ়াৰ মহানুভৱতাৰে সোনোৱাল ডাঙৰীয়া আৰু শ্ৰদ্ধাৰ আন আন শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞান আহৰণৰ উদগ্ৰীৱতাৰে উদ্বেলিত কৰি শিক্ষানুষ্ঠান, সমাজখন অত্যুজ্জ্বল কৰি ৰাখিছে। শিক্ষক সকলে আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত সদায় পিতৃ-সন্তানৰ সম্বন্ধৰ ডোলেৰে বান্ধ খুৱাই ছাত্ৰ-ছাত্ৰীসকলৰ লগত একাত্ম হ'ব পাৰে। ছাত্ৰ-ছাত্ৰী সকলৰ অন্তৰাত্মাৰ সৈতে নিবিড়ভাৱে জড়িত হ'ব পাৰিছিল। তেওঁলোক ছাত্ৰ সমাজৰ বাবে জীৱন দৰ্শন। বিদ্যায়তনিক নীলিম আকাশৰ তাৰকাপুঞ্জ সদৃশ শিক্ষাগুৰু সকলৰ আশাশুধীয়া প্ৰযত্নৰ বাবেই দেশ আৰু জাতিলৈ আশা- আকাংক্ষাৰে ভৰা নৱ প্ৰভাতৰ উন্মীলন ঘটে। শিক্ষকতাৰ দৰে মহান আৰু পৱিত্ৰ বৃত্তিক জীৱনৰ ব্ৰত হিচাপে লৈ প্ৰজ্ঞাৰ জ্যোতিৰে প্ৰজন্ম প্ৰজন্মক মানুহ গঢ়ি এই মহান বৃত্তিৰ মৰ্যাদা অটুট ৰাখি আহিছে। ঐশ্বৰ্যশীল মন আৰু হৃদয়ৰ গৰাকী, অসমী মনোবল থকা আলোক সন্ধানী ব্যক্তি, অনুপ্ৰেৰণাৰ অভিভাৱক, সততা আৰু আদৰ্শৰ প্ৰতীক।

শিক্ষকতা জীৱনৰ পৰিসমাপ্তিৰ পিছতো সমাজৰ কল্যাণৰ হকে কাম

কৰিছিল তেখেতে। কংগ্ৰেছ দলত যোগদান কৰিছিল আৰু অৱসৰ জীৱনত সমাজ সেৱাৰ কামত ব্ৰতী হৈ আছে। কংগ্ৰেছ দলৰ ভেটি শক্তিশালী কৰিবলৈ তৃণমূল পৰ্যায়ত নিষ্ঠা আৰু একাগ্ৰতাৰে সকলোৰে লগত মিলি, হাতত হাত ধৰি উমৈহতীয়া প্ৰয়াস কৰিছিল। ভিতৰুৱা অঞ্চলটোৰ শিক্ষিত, দক্ষতা সম্পন্ন যুৱক-যুৱতী সকলৰ কৰ্মসংস্থাপনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তাহানি দিনতেই আমাৰ এই ভিতৰুৱা অঞ্চলটোৰ পৰা বাটকুৰি বাই তেতিয়াৰ ৰাজধানী শ্বিলং লৈ গৈ চৰকাৰক হেঁচা দি বহু শিক্ষিত যুৱক-যুৱতীক সংস্থাপন দিছিল, ভৱিষ্যৎ উজ্জ্বল কৰি তুলিছিল আৰু উঠি অহা প্ৰজন্মৰ আদৰ্শ আৰু অনুপ্ৰেৰণাৰ অমল উৎস হৈছিল আৰু হৈ থাকিব।

তেখেত সোনোৱাল কছাৰী স্বায়ত্ত শাসিত দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল আৰু তেখেতৰ সভাপতিত্বৰ কাৰ্যকালতে ২০০৫ চনত সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ চুক্তি হয়। তেখেত অন্যতম চুক্তি স্বাক্ষৰকাৰী হোৱা সত্বেও কিন্তু পৰিষদৰ ক্ষমতাৰ কোনো পদ নল'লে। সোনোৱাল কছাৰী জনগোষ্ঠীটোক সকলো দিশত আগুৱাই নিয়াটো তেখেতৰ সপোন। ২০০২ চনত ডিব্ৰুগড় জিলা পৰিষদৰ খোৱাং সমষ্টিৰ পৰা বিপুল ভোটত জয়ী হয় আৰু সমষ্টিটোৰ ভালেমান উন্নয়ন সাধন কৰে। এজন নিকা জনপ্ৰতিনিধি হিচাপে তেখেতৰ পৰিচয় আছে। কিন্তু চৰকাৰী আঁচনিৰ সীমাবদ্ধতা, পুঁজিৰ নাটনি আদিৰ বাবে বহু দুখীয়া লোকক সহায় কৰিব নোৱৰাৰ বাবে তেখেতৰ মনত আক্ষেপ থাকি গ'ল।

দুৰ্নীতি, প্ৰতাৰণা, বিভাজনমুখী ধৰ্মীয় উন্মাদনা, সাম্প্ৰদায়িক হিংসা, ঘৃণাৰ যি বাতাৱৰণ সম্প্ৰতি গঢ়ি উঠিছে তাক লৈ তেখেত ক্ষুভিত আৰু ভাতৃত্ববোধ, সম্প্ৰীতিৰে পূৰ্ণ এখন সুন্দৰ সমাজৰ সপোন বুকুত লৈ এতিয়াও আশাৰে জীৱনৰ সেন্দূৰীয়া দীৰ্ঘ পৰিক্ৰমাৰ বাটেৰে আগবাঢ়ি আছে। তেখেতে আক্ষেপ কৰে আজিৰ সমাজত নিঃস্বাৰ্থ জনসেৱা মনোভাব লোপ পাই আহিছে। তথাপি সমাজত ভাল মানুহ আছে বুলি প্ৰকাশ কৰে জনগণৰ আগত।

তেখেতৰ পৰিয়ালৰ সকলোৱে সমাজত একো একোখন সন্মানজনক আসনত অধিষ্ঠিত হৈ জীৱন যাপন কৰিছে, পিতৃৰ আদৰ্শ গ্ৰহণ কৰি সমাজ, অঞ্চলৰ বাবে বৰঙণি আগবঢ়াই আহিছে। সুশিক্ষিত আৰু ভাৰত চৰকাৰৰ অতি

সন্মানীয় উচ্চ পদস্থ বিষয়া দেৱ (দেৱ কুমাৰ সোনোৱাল) বৰ্তমান কলিকতাত কৰ্মৰত। সুশিক্ষিত পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আৰু নাতি নাতিনীৰে ভৰপূৰ সমাজত জিলিকি থকা এটা সম্ভ্ৰান্ত সংস্কৃতিৱান পৰিয়াল। দেৱ কুমাৰ সোনোৱালৰ লগত থকা বন্ধুত্বৰ একাত্মীয়তাৰ সোণোৱালী আঁহেৰে আমি বান্ধ খাই আছোঁ পৰিয়ালটোৰ লগত।

কালৰ আকুল আহ্বানত একোজন বৰেণ্য শিক্ষক, সমাজ সেৱক, জাতিৰ সুপুত্ৰৰ জন্ম হয়, কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু সাধনাৰ উৰ্বৰতাত প্ৰস্ফুটিত হৈ জীৱন জাতিস্কাৰ হয়, স্বৰ্ণিল হয় তেওঁলোকৰ বৰ্ণিল জীৱন পৰিক্ৰমা। সমাজৰ কাৰণে আগবঢ়াই যোৱা ত্যাগ, সেৱা, অনবদ্য অৱদানখিনি জিলিকি থাকক। আদৰ্শৰ অমল উৎস হওক অনাগত দিনৰ প্ৰতিটো প্ৰজন্মৰ বাবে। তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ।

লেখক ঃ সম্পাদক, অসম প্ৰদেশ কংগ্ৰেছ কমিটী।

❒❒❒

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যত

✍ **মিলন সোনোৱাল**

১৯৯৪ চনৰ জুন মাহৰ ১১ তাৰিখে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছিল অসমৰ সোনোৱাল কছাৰীসকলৰ প্ৰথমখনি জাতীয় অভিৱৰ্তন। অভিৱৰ্তনে অসমৰ সোনোৱাল কছাৰী সকলৰ স্বায়ত্ত শাসনৰ দাবীত পোনপ্ৰথমবাৰৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি অসম চৰকাৰলৈ প্ৰেৰণ কৰে। উক্ত বৰ্ষৰে মাৰ্চ মাহত ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত অনুষ্ঠিত হোৱা সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ ৰূপালী জয়ন্তী অধিৱেশনত সন্থাৰ ১৯ দফীয়া দাবী চনদত সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান এক প্ৰধান দাবী হিচাপে অন্তৰ্ভুক্ত হয়। সোনোৱাল কছাৰী জাতীয় অভিৱৰ্তনে সভাপতি হিচাপে ধেমাজিৰ কেশৰ সোনোৱালদেৱক আৰু সচিব প্ৰধান হিচাপে তিনিচুকীয়াৰ ডাঙৰীৰ মেগেলা গাঁৱৰ লভিত কুমাৰ শইকীয়াদেৱক আনহাতে সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ ৰূপালী জয়ন্তী অধিৱেশনে সভাপতি হিচাপে মিলন সোনোৱালক আৰু সাধাৰণ সম্পাদক হিচাপে দীপক শইকীয়াদেৱক দায়িত্ব অৰ্পণ কৰি স্বায়ত্ত শাসনৰ দাবীক অধিক ত্বৰান্বিত কৰিবলৈ প্ৰস্তুতি হাতত লয়। ১৯৯৫ চনত ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ বৃহত্তৰ মিচিং অঞ্চলসমূহ লৈ মিচিং স্বায়ত্ত শাসিত পৰিষদ গঠন হোৱাৰ ফলত সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ আন্দোলনৰ ঘাইকৈ ধেমাজি আৰু লক্ষীমপুৰ জিলাত সোনোৱাল অধ্যুষিত অঞ্চলত জনমত গঠন

কৰিবলৈ সক্ষম হৈছিল। কিন্তু ডিব্ৰুগড় আৰু তিনিচুকীয়া অঞ্চলৰ সোনোৱাল কছাৰী ৰাইজৰ মনত স্বায়ত্ত শাসন সম্পৰ্কত এক ভ্ৰান্ত ধাৰণা গঢ়ি উঠিছিল। সকলোৱে ভাবিছিল স্বায়ত্ত শাসনে অসমখনক দ্বিখণ্ডিত কৰি পেলাব। আনকি ১৯৯৫ চনৰ অসম বিধানসভাত তেতিয়াৰ এজিপি দলৰ বিধায়ক স্বৰ্গীয় দিলীপ শইকীয়া সোনোৱাল ডাঙৰীয়াৰ এক প্ৰশ্ন আছিল যে সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান কৰা হ'ব নেকি? তেতিয়া অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় হিতেশ্বৰ শইকীয়াদেৱে উল্লেখ কৰিছিল, "সোনোৱাল কছাৰী সকল ইতিমধ্যে অসমীয়া জাতিৰ লগত সম্পূৰ্ণভাৱে মিলি পৰিছে, তেওঁলোকক সুকীয়াকৈ স্বায়ত্ত শাসন দিয়াৰ প্ৰয়োজন নাই।" হিতেশ্বৰ শইকীয়াদেৱৰ এই ঘোষণাই সোনোৱাল কছাৰী সকলৰ স্বায়ত্ত শাসনৰ আন্দোলনটোক বহু পৰিমাণে স্তিমিত কৰি পেলাইছিল।

১৯৯৮ চনত সোনোৱাল কছাৰীসকলৰ স্বায়ত্ত শাসনৰ দাবীক অধিক শক্তিশালী কৰিবলৈ তিনিচুকীয়া চহৰৰ হিন্দী ছোৱালী হাইস্কুলত ৩ আৰু ৪ জানুৱাৰী তাৰিখে সোনোৱাল কছাৰীসকলৰ দ্বিতীয়খন জাতীয় অভিৱৰ্তন অনুষ্ঠিত কৰা হয়। অভিৱৰ্তনে সকলো দিশ সামৰি ডিব্ৰুগড় জিলাৰ তিনঠেঙ্গীয়া হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰহেশ্বৰ সোনোৱালদেৱক সভাপতি আৰু মিলন সোনোৱালক সাধাৰণ সম্পাদক হিচাপে লৈ "সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি" নামেৰে এক নতুন সংগঠন গঠন কৰে। উল্লেখযোগ্য সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি, সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা আৰু সদৌ সোনোৱাল কছাৰী জাতীয় পৰিষদে ১৯৯৯ চনৰ ৭ আগষ্ট তাৰিখে অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু তেওঁৰ মন্ত্ৰীসভাৰ সৈতে গুৱাহাটীৰ জনতা ভৱনত সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সম্পৰ্কত আলোচনাত মিলিত হয়। অসম চৰকাৰে সোনোৱাল কছাৰীসকলক স্বায়ত্ত শাসন প্ৰদান কৰিবলৈ যাৱতীয় ব্যৱস্থা লোৱা হ'ব বুলি আশ্বাস প্ৰদান কৰাৰ পিছতো সেই সময়ত লোকসভা নিৰ্বাচনৰ ধামখুমীয়াত চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে।

ইতিমধ্যে ২০০২ চনত অসমত মুখ্যমন্ত্ৰী স্বৰ্গীয় তৰুণ গগৈদেৱৰ নেতৃত্বত নতুন চৰকাৰ গঠন হয়। ২০০৩ চনৰ ২৯ মাৰ্চ তাৰিখে নৱগঠিত সোনোৱাল কছাৰী যুৱ পৰিষদৰ সৈতে ৰহেশ্বৰ সোনোৱালদেৱৰ নেতৃত্বত সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় তৰুণ গগৈ আৰু ভৈয়াম

জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী ভৰত নৰহদেৱক স্বায়ত্ত শাসনৰ দাবীত স্মাৰক পত্ৰ প্ৰদান কৰে। উক্ত সময়ছোৱাত স্বায়ত্ত শাসন দাবী সমিতিৰ সাধাৰণ সম্পাদক হিচাপে নাহৰকটীয়াৰ উৎপল দাসদেৱে আৰু সোনোৱাল কছাৰী যুৱ পৰিষদৰ সভাপতি হিচাপে মিলন সোনোৱালদেৱে দায়িত্ব গ্ৰহণ কৰে। ২২ জুলাই ২০০৩ চনত অসম চৰকাৰৰ লগত পুনৰ সোনোৱাল কছাৰী জাতীয় সংগঠন স্বায়ত্ত শাসন দাবী সমিতি আৰু সোনোৱাল কছাৰী যুৱ পৰিষদে যৌথ সভাত মিলিত হয়, নেতৃত্ব প্ৰদান কৰে ৰহেশ্বৰ সোনোৱাল আৰু মিলন সোনোৱালদেৱে। সভাত স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে ড্ৰাফট মডেলিটী আৰু প্ৰায় ৬০০ খন সোনোৱাল কছাৰী অধ্যুষিত গাঁৱৰ তালিকা দাখিল কৰা হয়। অসম চৰকাৰে বিষয়টোৰ পৰ্যালোচনা কৰিবলৈ ভৈয়াম জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণী বিভাগলৈ প্ৰেৰণ কৰে।

যোৱা ১৯৯৮ চনৰ পৰা ডিব্ৰুগড় জিলাৰ তিনঠেঙীয়া হাইস্কুলত শিক্ষকতা কৰি অৱসৰ লোৱা শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ স্বায়ত্ত শাসন আন্দোলনৰ সন্মুখ সমৰত থাকি আন্দোলনটোক নেতৃত্ব দিয়াৰ বাবে আন্দোলনটোৱে যথেষ্ট প্ৰাণ পাই উঠিছিল। তেখেত আমাৰ সকলোৰে প্ৰিয়পাত্ৰ আৰু শ্ৰদ্ধাৰ ব্যক্তি। এইখিনিতে আমি আৰু এগৰাকী ব্যক্তিৰ নাম ল'ব লাগিব। ডাঃ জিতেন এহমাল বড়া। তেখেত ডিব্ৰুগড় জিলাৰ ই এছ আই হাস্পতালৰ মুৰবী চিকিৎসক আছিল আৰু তেখেতৰ কাৰ্যালয়টো আছিল ডিব্ৰুগড় চহৰৰ লাচিত নগৰ অঞ্চলত। প্ৰকৃতাৰ্থত তেখেতৰ কাৰ্যালয়টো আমাৰ স্বায়ত্ত শাসন আন্দোলনৰ যেন ঘাটী হৈ পৰিছিল। গাঁৱৰ তালিকা প্ৰস্তুতকৰণ, জিলাসমূহৰ জনসংখ্যাৰ জৰীপ, ড্ৰাফট মডেলিটী আদি সকলো তেওঁৰ কাৰ্যালয়তে কৰা হৈছিল। ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়াই এই কাৰিকৰী কামবোৰৰ প্ৰত্যেকটোতেই উপস্থিত আছিল আৰু তেখেতৰ ডাঙৰ বৰঙণি আছিল আমাৰ আজিও মনত পৰে তেখেতৰ ৰঙা টাটা ছুম' গাড়ীখন। যিহেতু সেই সময়ত আমাৰ খুব কেইগৰাকীমান ব্যক্তিৰ হাততহে নিজা বাহন আছিল আৰু তেখেতৰ ছুম'খনৰ জৰিয়তেই আমি গাঁৱে গাঁৱে সাংগঠনিক কাৰ্যসূচীসমূহ চলাই নিব পাৰিছিলোঁ। ইতিমধ্যে সোনোৱাল কছাৰী জাতীয় সংগঠনসমূহৰ মাজত বিভিন্ন মতাদৰ্শগত কাৰণত বিভাজনৰ সৃষ্টি হৈছিল আৰু বয়োজ্যেষ্ঠ ব্যক্তি হিচাপে ৰহেশ্বৰ সোনোৱালদেৱে গোটেই আন্দোলনটো

পৰিচালনা কৰিবলৈ দায়িত্ব লবলগীয়া হৈছিল। কাৰ্যতঃ সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি আৰু সোনোৱাল কছাৰী যুৱ পৰিষদে সোনোৱাল কছাৰীসকলৰ বাবে স্বায়ত্ত শাসন প্ৰাপ্তিত এক ঐতিহাসিক ভূমিকা পালন কৰিলে। দাবী সমিতি আৰু যুৱ পৰিষদৰ উদ্যোগতে তিনিচুকীয়া জিলাৰ ডাঙৰী অঞ্চলত এক সাংস্কৃতিক আন্দোলনো গঢ়ি তোলা হৈছিল। তিৰা সাংস্কৃতিক সমাজৰ সেই সময়ৰ সভাপতি স্বৰ্গীয় বগাধৰ সেনাপতিৰ উদ্যোগত ডাঙৰী অঞ্চলৰ গাঁৱে গাঁৱে স্বায়ত্ত শাসনৰ সপক্ষত জনমত গঠন কৰা হৈছিল। উদ্ভাৱিত হৈছিল সোনোৱাল কছাৰীসকলৰ নতুন যুৱ শক্তি। ৰহেশ্বৰ সোনোৱালদেৱৰ দিহা পৰামৰ্শ আৰু উৎসাহে স্বায়ত্ত শাসন আন্দোলনটোক নতুন প্ৰাণ শক্তি দিছিল। উক্ত সময়ছোৱাত সোনোৱাল কছাৰী যুৱ পৰিষদৰ এটা বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে তেখেতে যুৱ পৰিষদৰ সকলোকে বাৰে বাৰে হেঁচা প্ৰয়োগ কৰিছিল যে প্ৰথমটো প্ৰতিষ্ঠা দিৱসত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰাৰ প্ৰয়োজনীয়তা। মুখ্যমন্ত্ৰী তৰুণ গগৈ আমাৰ সকলোৰে নিমন্ত্ৰণ ৰক্ষা কৰি ২০০৪ চনৰ ১১ নৱেম্বৰ তাৰিখে চৌকিডিঙি খেলপথাৰত সোনোৱাল কছাৰী যুৱ পৰিষদৰ প্ৰতিষ্ঠা দিৱসৰ বিশাল সমাৱেশত ঘোষণা কৰিছিল সোনোৱাল কছাৰীসকলৰ স্বায়ত্ত শাসন দাবীৰ যুক্তিযুক্ততা আৰু চৰকাৰৰ সদিচ্ছা।

২০০৫ চনৰ ২৮ জানুৱাৰী তাৰিখে সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ বাবে গঠন কৰা কেবিনেট ছাব কমিটীয়ে সোনোৱাল কছাৰী জাতীয় সংগঠনসমূহক আলোচনাৰ বাবে গুৱাহাটীলৈ নিমন্ত্ৰণ জনায়। আলোচনা অনুষ্ঠিত হৈছিল জনতা ভৱনৰ সভা কক্ষত। কেবিনেট ছাব কমিটীৰ সভাপতি অসম চৰকাৰৰ মন্ত্ৰী স্বৰ্গীয় ভূমিধৰ বৰ্মনৰ অধ্যক্ষতাত অনুষ্ঠিত সভাই অসমৰ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে সৰ্বমুঠ ৪৫১ খন গাঁৱৰ তালিকা প্ৰস্তুত কৰে। কেবিনেট ছাব কমিটীৰ সভাত অসম চৰকাৰৰ হৈ ভৈয়াম জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী শ্ৰীযুত ভৰত নৰহ আৰু বিভাগৰ আযুক্ত সচিবদেৱে অংশগ্ৰহণ কৰে। আনহাতে পোনপ্ৰথমবাৰৰ বাবে সকলো বিভাজন পৰিহাৰ কৰি সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি, সোনোৱাল কছাৰী যুৱ পৰিষদ, সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা আৰু সোনোৱাল কছাৰী জাতীয় পৰিষদে সভাত উপস্থিত থাকে।

৪ মাৰ্চ ২০০৫ তাৰিখে অসমৰ সোনোৱাল কছাৰীসকলৰ ৰাজনৈতিক ইতিহাসত সবাতোকৈ উল্লেখনীয় দিন। কিয়নো উক্ত দিনা গুৱাহাটীৰ অসম বিধান সভা কক্ষত অসম চৰকাৰৰ হৈ অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱ, অসম চৰকাৰৰ মন্ত্ৰী ভৰত নৰহ আৰু হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্য সচিব আৰু সোনোৱাল কছাৰী জাতীয় সংগঠনৰ হৈ ৰহেশ্বৰ সোনোৱাল আৰু উৎপল দাস (সভাপতি / সম্পাদক), সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি, নবীন সোনোৱাল আৰু টংকেশ্বৰ সোনোৱাল, সভাপতি /সম্পাদক, সদৌ সোনোৱাল কছাৰী জাতীয় পৰিষদ, মিলন সোনোৱাল আৰু বসন্ত সোনোৱাল, সভাপতি /সম্পাদক, সোনোৱাল কছাৰী যুৱ পৰিষদ আৰু সুনীল শইকীয়া আৰু দীপুৰঞ্জন মাক্ৰাৰী, সভাপতি /সম্পাদক, সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা আদি সকলোৱে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠন কৰিবলৈ ঐতিহাসিক বুজাবুজি চুক্তি (MOU)ত স্বাক্ষৰ কৰে। উক্ত সময়ছোৱাত অসম বিধান সভাত বাজেট অধিৰেশন অনুষ্ঠিত হৈ আছিল আৰু চুক্তি হোৱাৰ লগে লগে বিধান সভাৰ কক্ষতেই এক উদুলি- মুদুলি পৰিৱেশৰ সৃষ্টি হয় আৰু সেই সময়ত উপস্থিত থকা অন্যান্য বিধায়কসকল আৰু বিধান সভাৰ কৰ্মচাৰীসকলেও উষ্ণ আদৰণি জনায়।

১১ মে', ২০০৫ তাৰিখে অসম চৰকাৰে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ গেজেট নটিফিকেচন ঘোষণা কৰে। ওপৰত উল্লেখ কৰা ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, লক্ষীমপুৰ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ মুঠ ৪৫১ খন গাঁও আৰু ২৬ টা সমষ্টিৰ অসম চৰকাৰে পৰিষদৰ অধিসূচনা জাৰি কৰে।

পৰৱৰ্তী সময়ত ১৯ ছেপ্টেম্বৰ, ২০০৫ তাৰিখে অসম চৰকাৰে সোনোৱাল কছাৰী জাতীয় পৰিষদৰ সভাপতি স্বৰ্গীয় নবীন সোনোৱালক অধ্যক্ষ আৰু সোনোৱাল কছাৰী যুৱ পৰিষদৰ সভাপতি মিলন সোনোৱালক মুখ্য কাৰ্যবাহী সদস্য হিচাপে লৈ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ ৩০ জনীয়া অন্তৰ্বৰ্তীকালীন পৰিষদখন গঠন কৰিবলৈ অধিসূচনা প্ৰকাশ কৰে। অন্তৰ্বৰ্তীকালীন পৰিষদখনে ২০০৫ চনৰ ২২ মে' তাৰিখে শপত গ্ৰহণ কৰে।

উল্লেখযোগ্য যে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বুজাবুজি চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী

ৰহেশ্বৰ সোনোৱালদেৱে অন্তৰ্বৰ্তীকালীন পৰিষদৰ কোনো এটা পদতেই দায়িত্ব গ্ৰহণ নকৰি জাতিৰ প্ৰতি দায়বদ্ধতাৰ অতুলনীয় নিদৰ্শন দাঙি ধৰে। আন্দোলনটোৰ আৰম্ভণিৰ পৰা শেষলৈকে নেতৃত্ব প্ৰদান কৰি তেখেতে জনগোষ্ঠীটোৰ প্ৰতি অপৰিসীম অৱদান আগবঢ়াইছে। আনকি অন্তৰ্বৰ্তীকালীন পৰিষদ গঠন কৰাৰ সময়ত আৰু বিশেষকৈ শপত গ্ৰহণৰ ক্ষেত্ৰত হোৱা জটিলতাখিনি নাইকিয়া কৰিবলৈও তেখেতে চেষ্টা চলাইছিল। অৱশ্যে ২০০২ চনত তেওঁ অসমৰ পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হৈ খোৱাং জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হয়। জিলা পৰিষদৰ সদস্য হৈ থাকিলেও তেওঁ অন্তৰ্বৰ্তীকালীন স্বায়ত্ত শাসিত পৰিষদৰ প্ৰতিটো কাৰ্যসূচীত সহযোগিতা আগবঢ়াই জনগোষ্ঠীটোৰ প্ৰতি অকৃত্ৰিম মৰম প্ৰকাশ কৰি আহিছিল। তেখেতৰ প্ৰতি সমগ্ৰ জনগোষ্ঠীৰ হৈ আমাৰ অপৰিসীম শ্ৰদ্ধা আৰু মৰম যাচিলো। তেখেত সুস্বাস্থ্যৰ গৰাকী হৈ থাকক।

লেখক ঃ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ তথা সভাপতি, সদৌ অসম ট্ৰাইবেল সংঘ।

❒❒❒

এপাহি সুগন্ধি পুষ্প

✍ **ভদ্ৰকান্ত সোনোৱাল**

সমগ্ৰ তিনঠেঙীয়া অঞ্চললৈ বৈ অহা নতুন বতাহ জাকৰ মুকলি মনেৰে উশাহ ল'ব পৰাকৈ যি সকল ব্যক্তিয়ে এক পৰিবেশ গঢ় দিবলৈ প্ৰয়াস কৰিছিল সেই সকলৰ অন্যতম আছিল শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰহেশ্বৰ সোনোৱাল। বিগত শতিকাৰ ষাঠি, সত্তৰ দশকত তিনঠেঙীয়া অঞ্চলটো বিভিন্ন সমস্যাৰে জৰ্জৰিত আছিল। বছৰি হোৱা বানে ৰাইজক কোঙা কৰি পেলাইছিল। জীয়াই থকাৰ তাড়নাত কঠোৰ জীৱন সংগ্ৰামত একাকাৰ হৈ পৰিছিল। শিক্ষা, সংস্কৃতি আদি জীৱনৰ উপকৰণ বোৰ চিন্তা- চৰ্চা কৰিবলৈ আহৰি নেপাইছিল। ফলত অন্যান্য দাঁতি কাষৰীয়া অঞ্চলবোৰৰ তুলনাত বহু পিছপৰি ৰৈছিল। ১৯৬০ চনত অঞ্চলটোৰ কিছুমান সমাজ সচেতন ব্যক্তিৰ প্ৰচেষ্টাত ১৯৬১ চনৰ ২ জানুৱাৰী তাৰিখে তিনঠেঙীয়াত উচ্চ মাধ্যমিক শিক্ষাৰ প্ৰসাৰৰ কাৰণে তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে য'ত অঞ্চলটোৰ দুৰ্দশাগ্ৰস্ত পৰিয়ালবোৰৰ উত্তৰ পুৰুষে অধ্যয়ন কৰিবলৈ সুবিধা লাভ কৰিছিল। এই বিদ্যালয়ত সেই সন্ধিক্ষণত সহ-শিক্ষক হিচাপে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে নিজকে আত্মনিয়োগ কৰিছিলহি। শিক্ষাৰ পোহৰ পাই জীৱন আৰু সমাজৰ কথা নতুন ধৰণে চিন্তা কৰি এই সহ-শিক্ষক গৰাকীয়ে সমাজৰ অজ্ঞানতা আৰু কুসংস্কাৰৰ প্ৰাচীৰ খহাই আলোকিত কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাইছিল। দুৰ্দশাগ্ৰস্ত মানুহখিনিক মুক্তিৰ সংবাদ নিৰলসভাৱে দি গৈছিল। কিন্তু ৰক্ষণশীল সমাজত ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ আৰু বিকাশ লাভৰ সম্ভাৱনীয়তা জটিল যদিও শেষত সকলোৰে বুজি পোৱা হ'ল। ছাৰৰ কৰ্তব্যনিষ্ঠা আৰু সৎ মনোভাবক কঠোৰতা বুলি জ্ঞান কৰা সকলেও অনুভৱ কৰিবলৈ ধৰিলে তেখেত যে এজন ৰাইজৰ প্ৰকৃত সেৱক।

শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ প্ৰকৃততে এগৰাকী শিক্ষাগুৰু হিচাপে চিৰপৰিচিত ব্যক্তি যদিও তেখেতৰ অন্তঃকোণত এজন সমাজ সেৱক, ৰাজনীতিবিদ আৰু এজন বিপ্লৱীৰ সত্তাৰ ব্যক্তি ৰূপত প্ৰতিফলিত হোৱা সকলোৱে দেখিছোঁ। শিক্ষকতাৰ প্ৰাৰম্ভিক অৱস্থাৰ গভীৰ সমস্যাৰ মাজেদি দিনবোৰ অতিবাহিত কৰিছিল, যদিও নিজৰ দুৰ্দশাগ্ৰস্ততাৰ কথা আনক কেতিয়াও প্ৰকাশ নকৰিছিল। বৰঞ্চ পৃথিৱীৰ আটাইতকৈ সুখী ব্যক্তিৰ দৰে স্ফূৰ্তিত আছিল।

প্ৰায় ছয় ফুট উচ্চতাৰ সুঠাম দেহৰ বলশালী ব্যক্তিজনৰ মনৰ মাজত আছিল অতি প্ৰখৰ বুদ্ধিসম্পন্ন। ইংৰাজী, গণিত, বিজ্ঞান আদি সকলো বিষয়ৰে শিক্ষা দিয়াত অতি দক্ষ আছিল। অবৈতনিকভাৱে শিক্ষকতাৰে জীৱন আৰম্ভ কৰিবলগীয়া হোৱাত গৃহস্থালি ধৰ্ম পৰিচালনা কৰাত যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছিল। এই প্ৰতিকূল পৰিস্থিতিৰ পৰা পৰিত্ৰাণৰ পথো উদ্ভাৱন কৰি জীৱন সংসাৰ হেলাৰঙে পাৰ কৰিছিল। প্ৰতিকূল সময় পাৰ কৰাবলৈ সোনোৱাল ছাৰে অতি সুনিপুণভাৱে কৃষি কৰ্ম, পশুপালন আদি কৰ্মত আত্মনিয়োগ হোৱা দেখিছিলোঁ আৰু তেখেতক এজন আদৰ্শ কৃষক আৰু পশুপালক হিচাপে সকলোৱে বিবেচনা কৰিছিল। সেইবাবে ক'ব লাগিব যে ছাৰে প্ৰতিকূলতাৰ বিপক্ষে অসাধাৰণ জীৱন সংগ্ৰামক নিচা হিচাপে গ্ৰহণ কৰি উত্তৰণৰ পথ সুগম কৰি ল'ব জানিছিল। মানুহে অহৰহ প্ৰতিকূলতাৰ বিপক্ষে যে জীৱন সংগ্ৰাম কৰি যাব লাগে তাৰে ছবি সোনোৱাল ছাৰৰ মাজেদি প্ৰকাশিত হোৱা পৰিলক্ষিত হৈছে।

এই অবিৰাম জীৱন সংগ্ৰামৰ মাজতো সোনোৱাল ছাৰে চৌপাশৰ সমাজৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। জীৱনৰ মধ্য বয়সত কেইবাখনো বিদ্যালয় প্ৰতিষ্ঠা কৰি চৰকাৰীকৰণ কৰিছিল। তেখেতৰ প্ৰচেষ্টাতে তিনঠেঙীয়া বৃন্দাবন প্ৰাথমিক বিদ্যালয়, পূবেৰুণ কৃষিপাম নিগম মধ্য ইংৰাজী বিদ্যালয়, নখাট উচ্চ মাধ্যমিক বিদ্যালয় আৰু মেচলৌ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।

ছাৰৰ এনেবোৰ সৎ কৰ্মই অঞ্চলটোৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু দায়বদ্ধতাৰ কথাকে সূচায়।

সমাজৰ অৱহেলিত জনৰ দুখত দুখী আৰু সুখত সুখী হোৱা ব্যক্তিত্বৰ গৰাকী আছিল সোনোৱাল ছাৰ। দৰিদ্ৰ ভূমিহীন পৰিয়ালৰ ভৱিষ্যৎ নিৰাপত্তাৰ বাবে বহু ভূমিহীন পৰিয়ালক চৰকাৰী ভূমি আবণ্টন দি দৰিদ্ৰক সঁচা ভালপোৱা

পৰম্পৰাৰ ধ্বজাবাহক হিচাপে আগবাঢ়ি গৈছিল। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ভূমি আবণ্টন পোৱা পূবেৰুণ কৃষি পাম নিগম, পানী নিগম আৰু নদী কিনাৰৰ নিগমৰ প্ৰতিটো পৰিয়ালেই সোনোৱাল ছাৰৰ উপকাৰৰ কথা এতিয়াও স্বীকাৰ কৰে।

একেটা অঞ্চল বা জাতিয়ে উন্নতিৰ জখলাত মসৃণভাৱে শীৰ্ষলৈ বগাব পাৰে যেতিয়া সমাজখনত আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ হয়। সেই উদ্দেশ্য আগত ৰাখি ছাৰে নখাট গাঁৱত "নখাট সত্ৰ" নামেৰে আধ্যাত্মিক জ্ঞান- চৰ্চা কেন্দ্ৰ ৰাইজৰ সহযোগত স্থাপন কৰি পূৰ্ণাংগ ৰূপ দিয়ে। বৰ্তমান এই কেন্দ্ৰত নিতৌ অগণন ভক্তৰ সমাৱেশ ঘটে আৰু লোকবিশ্বাস অনুসৰি অনুষ্ঠান ভাগ অতি পৱিত্ৰ অনুষ্ঠানলৈ উত্তৰণ ঘটিছে।

সোনোৱাল ছাৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ এগৰাকী আজীৱন সদস্য। তেখেতৰ সমগ্ৰ সত্তা ভাৰতীয় বোলেৰে বোলোৱা। সমগ্ৰ ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ লগত সোনোৱাল জনগোষ্ঠীৰ তুলনাত্মক পৰ্যালোচনাত ছাৰৰ উপলব্ধি হৈছিল যে সোনোৱাল জনগোষ্ঠী বৰ্তমানেও ভাৰতবৰ্ষৰ অন্যান্য জনগোষ্ঠীতকৈ সকলো দিশতে বহু পিছপৰা। জনগোষ্ঠীটোক স্ব-শাসন ব্যৱস্থাৰেহে উন্নয়নৰ দিশে ধাৱমান কৰাটো সম্ভৱ। সেইবাবে জনগোষ্ঠীটোৱে স্ব-শাসন লাভ কৰিবৰ নিমিত্তে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিবলগীয়া হৈছিল। ছাৰৰ নেতৃত্বতেই সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি গঠন কৰা হৈছিল আৰু প্ৰতিষ্ঠাপক সভাপতি শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ আছিল।

শেষ মুহূৰ্তলৈকে এই দাবী সমিতিৰ সভাপতি হিচাপে থাকি সোনোৱাল জনগোষ্ঠীয়ে স্ব-শাসন ব্যৱস্থাৰ অনুমোদন চৰকাৰৰ পৰা লাভ কৰিবলৈ সক্ষম হৈছিল।

সোনোৱাল ছাৰে জীৱনটো বিভাজিত ৰূপত প্ৰত্যক্ষ নকৰি সুপৰিকল্পিত ৰূপত প্ৰত্যক্ষ কৰিছিল। তেখেতে বিশ্বাস কৰিছিল যে সুপৰিকল্পিতভাৱে আগবঢ়াই নিলে মানৱ জীৱন সুখৰ হয়। এই পৰিকল্পনাৰ ফলত এদিন এগৰাকী কন্যা সন্তান আৰু তিনি গৰাকী পুত্ৰ সন্তানৰ পিতৃ হৈছিল। আটাইবোৰ সন্তানেই শিক্ষা- দীক্ষা গ্ৰহণ কৰি স্ব-নিৰ্ভৰশীল সন্তান হিচাপে সময়ত পৰিগণিত হৈছিল।

তেখেতৰ সুযোগ্য কন্যা সন্তান শ্ৰীমতী গীতাঞ্জলি সোনোৱাল বৰ্তমান যুগৰ বহু চৰ্চিত কবি, গল্পকাৰ, সমাজ সেৱিকা হোৱাৰ লগতে মহানগৰ গুৱাহাটীৰ এগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ী।

বৰ পুত্ৰ শ্ৰীযুত দেৱ কুমাৰ সোনোৱালে নিজৰ প্ৰতিভাৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ আয়কৰ বিভাগৰ প্ৰধান আয়ুক্ত। ইমান এটা উচ্চ পদাধিকাৰী ব্যক্তি হ'লেও তেখেতে ল'ৰালিতে পঢ়ি- শুনি ডাঙৰ দীঘল হোৱা পঢ়াশালিখন পাহৰি যোৱা নাই। যেতিয়াই ঘৰলৈ আহে তেতিয়াই বিদ্যালয়ৰ খবৰ লয়। ২০১৯-২০২০ বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ অতি উন্নত মানৰ জেৰক্স মেচিন এটা আৰু এযোৰ সুন্দৰ অতিথি বহিব পৰা ছোফা প্ৰদান কৰি অনুষ্ঠানটোক যথেষ্ট সকাহ প্ৰদান কৰে। প্ৰকৃততে সোনোৱাল ছাৰৰ বৰপুত্ৰ দেৱ সোনোৱাল ককাইদেউ অতি সুন্দৰ মনৰ ব্যক্তি। সুন্দৰ মনৰ গৰাকীয়েহে সুন্দৰ চিন্তাৰ অধিকাৰী হয়।

ছাৰৰ তৃতীয় সন্তান মানবেন্দ্ৰ সোনোৱাল এজন শিক্ষক আছিল। অতি দুখৰ বিষয় তেখেত আজি আমাৰ মাজত নাই। সৰু পুত্ৰ হেমন্ত সোনোৱাল বৰ্তমান গুৱাহাটী মহানগৰৰ বাসিন্দা। প্ৰতিষ্ঠিত ব্যৱসায়ী হোৱাৰ লগতে এজন মানৱ দৰদী ব্যক্তি। আটাইকেইজন সন্তানক সুন্দৰভাৱে গঢ়ি তোলাত সোনোৱাল ছাৰৰ লগতে ছাৰৰ বাইদেউৰ শ্ৰম আৰু ত্যাগ নিবিড়ভাৱে জড়িত হৈ আছে। আদৰ্শ সন্তান আদৰ্শ পিতৃ -মাতৃৰ বৈশিষ্ট্য। সঁচাকৈ সকলোৰে বাবে অনুকৰণীয় হৈ ছাৰ আৰু বাইদেউ সদায় আমাৰ অন্তৰত জিলিকি থাকিব।

জীৱনৰ মূল্যৱান মুহূৰ্তবোৰ এখন অ-প্ৰাদেশীকৃত বিদ্যালয়ত অবৈতনিক ভাৱে পাৰ কৰাৰ সময়তে অৱসৰৰ কেইবছৰ মান আগতে বিদ্যালয়খন চৰকাৰীকৰণ হয়- সেয়া আছিল ১৯৮৬ চন। অবিৰামভাৱে সমাজ আৰু ছাত্ৰ-ছাত্ৰীক সেৱাৰ কাৰ্যত ব্ৰতী হৈ থকা ছাৰৰ ঘৰখনলৈ কিছু সকাহ আহিছিল। লাহে লাহে আটাইকেইজন সন্তানেও উচ্চ শিক্ষাৰে শিক্ষিত হৈ সংস্থাপন লাভ কৰাত ঘৰৰ আৰ্থিক দীনতা আঁতৰি আৰ্থিক সচ্ছলতাই বিৰাজ কৰিবলৈ ল'লে। জীৱনক পৰিকল্পিতভাৱে আগুৱাই নিয়াৰ ফল সুন্দৰভাৱে ছাৰে লাভ কৰিলে। জীৱন যুঁজত অতি দক্ষতাৰে যুঁজ দি বিজয় মাল্য পিন্ধি সগৌৰৱে চাৰি কুৰি বছৰ গৰকিলে। এতিয়াও সময়ৰ চাপে ছাৰক হেঁচিব পৰা নাই, ছাৰ চিৰসেউজীয়া ৰূপতে অক্লান্ত আৰু অক্ষত যোদ্ধাৰ দৰে বিৰাজমান হৈ আছে।

হে শিক্ষাগুৰু, আপুনি সদায় চিৰসেউজীয়া হৈ থাকক। আপোনাৰ চৰণত এপাহি সুগন্ধি পুষ্পহুলৰে আশীৰ্বাদ বিচাৰিছোঁ।

লেখক ঃ প্ৰধান শিক্ষক, তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক হাইস্কুল।

❒❒❒

গুৰু দক্ষিণা

✍ বীৰেন দত্ত

গুৰু। অন্যতম শ্ৰেষ্ঠ শব্দ। পিতৃ-মাতৃৰ পাছতেই সঘন তথা ওৰেটো জীৱন চৰ্চিত হৈ থকা এটা গৰ্বিত শব্দ। জন্ম দাতা পিতৃ-মাতৃৰ পিছতেই যিজনে আমাক জ্ঞানৰ পোহৰেৰে আলোকিত কৰি জীৱনৰ সঠিক পথ দেখুৱাই দিয়ে তেৱেঁই গুৰু। গুৰু অবিহনে শিক্ষা আধৰুৱা। অনেক গুৰুৱে জ্ঞানৰ পোহৰ দি নিজে জ্বলি জ্বলি শেষ হৈ গৈছে বা গ'ল। মোৰ এই লেখাৰ প্ৰাৰম্ভতে সকলো শ্ৰদ্ধাৰ গুৰুলৈ পুনৰ এবাৰ জনালোঁ চৰণ সেৱা। গুৰু কেৱল শ্ৰদ্ধাৰ পাত্ৰই নহয়। ধৰি ল'লো এশ বছৰীয়া আমাৰ জীৱন কালত আমি ইমান খিনি পুণ্য কৰিবই নোৱাৰোঁ যাৰ বলত আমি গুৰু ধাৰ শুজিব পাৰিম। গতিকে আমি সদায় গুৰুৰ ওচৰত ঋণী হৈয়েই থাকি ইহ সংসাৰৰ পৰা মেলানি মাগিব লাগিব। সেয়েহে আমি যদি জীৱিত কালত গুৰুৰ কিবা প্ৰকাৰে উপকাৰ সাধন হোৱা কৰ্ম কৰিবলৈ সুবিধা পাওঁ তেনে কামৰ পৰা কেতিয়াও পিছ হুঁহকিব নালাগে। গুৰুৰ ঋণ শুজিবৰ বাবে নহয় পুণ্য অৰ্জন কৰিবৰ বাবেই।

মোৰ জীৱনৰ বহু গুৰুৰ ভিতৰত তেনে এজন স্মৰণীয় গুৰু হ'ল তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ। তেখেতৰ শিষ্য আৰু সদাশয় ৰাইজে তেখেতৰ জীৱন পৰিক্ৰমা লৈ এখনি অভিনন্দন গ্ৰন্থ লিখি উলিয়াবলৈ মনস্থ কৰিলে। আমিও তেখেতক লৈ তেখেতৰ বিশাল ব্যক্তিত্বৰ বিষয়ে দুই এষাৰ কথা লিপিবদ্ধ কৰিবলৈ বিচাৰিলোঁ।

শিক্ষক হিচাপে সোনোৱাল ছাৰ ঃ তিনঠেঙীয়া কাৰিকৰী মধ্য ইংৰাজী বিদ্যালয়ত যেতিয়াই নামভৰ্তি কৰিছিলোঁ তেতিয়াই গুৰু গম্ভীৰ খোজেৰে উচ্চ

মাধ্যমিক বিদ্যালয়ত ছাৰৰ উপস্থিতি লক্ষ্য কৰি গৈছিলো। প্ৰথম দৃষ্টিতে ছাৰলৈ ভয় আৰু শংকা আছিল। পিছলৈ যেতিয়া তিনঠেঙ্গীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীত নাম ভৰ্তি কৰিলোঁ তেতিয়াহে ছাৰক মই ওচৰৰ পৰা পাবলৈ সক্ষম হ'লো। ছাৰৰ এজন সুযোগ্য সন্তান শ্ৰীদেৱ কুমাৰ সোনোৱাল (দুদুল) মোৰ সহপাঠী আছিল যি জন আজি আই আৰ এছ (ইণ্ডিয়ান ৰেভিনিউ ছাৰ্ভিচ)ত কৰ্মৰত। নৱম শ্ৰেণীৰ পৰা ছাৰক মই নিয়মীয়াকৈ শ্ৰেণী কোঠাত পাবলৈ সক্ষম হ'লো। ছাৰে আমাক শ্ৰেণীত ইংৰাজী বিষয়ৰ পাঠদান দিছিল। কেতিয়াবা অৱশ্যে গণিত বিষয়টো চাইছিল। কিন্তু ছাৰ ইংৰাজীৰ শিক্ষক বুলিয়েই সৰ্বজনবিদিত। ছাৰে ইংৰাজী বিষয়টো ইমান আন্তৰিকতাৰে আমাক পঢ়াইছিল যে সেই কথাটো প্ৰথমে অনুধাৱন কৰিবলৈ নোৱাৰিছিলোঁ। পিছলৈ ছাৰৰ শিক্ষাদানৰ কৌশল সমূহ ধৰিব পৰাত মোৰ বোধ উদয় হ'ল। কিন্তু মই অল্পমতিয়ে ছাৰৰ আটাইবোৰ কথা আয়ত্ত কৰিব নোৱাৰি আজিও ইংৰাজী বিষয়ত দুৰ্বল অনুভৱ কৰোঁ।

পিতৃ তুল্য ব্যক্তি হিচাপে মোৰ সোনোৱাল ছাৰ ঃ অভিভাৱক হিচাপে সোনোৱাল ছাৰ মোৰ এজন পথ প্ৰদৰ্শক আছিল। তেখেতৰ সুযোগ্য সন্তান দেৱ কুমাৰ সোনোৱাল মোৰ সহপাঠী হোৱাৰ সুবাদত তেখেতক মই আনতকৈ ওচৰৰ পৰা পাইছিলোঁ। ঘৰুৱা পৰিৱেশত তেখেতৰ পৰা গহীন-গম্ভীৰ স্বৰ আৰু বহু কথাই শুনিছিলোঁ। তেতিয়া কথাবোৰ অনুধাৱন কৰিব নোৱাৰি আজিও অনুশোচনাত ভুগো।

সহকৰ্মী হিচাপে মোৰ সোনোৱাল ছাৰ ঃ মোৰেই সৌভাগ্য যে শিক্ষা সাং কৰি মই নিজেই অধ্যয়ন কৰা বিদ্যালয়খনতেই শিক্ষকতাৰ দৰে এটি মহান কৰ্মত নিজকে নিয়োজিত হোৱাৰ সুবিধা হ'ল। আকৌ পৰম সৌভাগ্য যে মোৰেই শিক্ষা গুৰু সকলৰ লগত একে লগে বিদ্যালয়ত সহকৰ্মী হৈ পৰিলোঁ। তেতিয়াই মোৰ সৰহ সংখ্যক শিক্ষা গুৰুৰ লগতে সোনোৱাল ছাৰকো নিচেই কাষৰ পৰা অন্য এটি দৃষ্টিৰে পাবলৈ ধৰিলোঁ। প্ৰথম অৱস্থাত যথেষ্ট দ্বিধাগ্ৰস্ত হৈ পৰিছিলোঁ। পিছলৈ শিক্ষা গুৰু সকলৰ সান্নিধ্যত লাহে লাহে সহজ হ'বলৈ ধৰিলোঁ। তেতিয়া মোক সোনোৱাল ছাৰৰ সাম্য, সৌম্য গহীন গম্ভীৰ স্থিতপ্ৰজ্ঞ গুণবোৰে বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। এইখিনিতে ছাৰৰ এটা কথা মনত পৰিছে, মই যেতিয়া বিদ্যালয়ত সোমাওঁ তেতিয়া প্লেন-ননপ্লেন ব্যৱস্থা এটা জোৰকৈ চলি আছিল। আমি সকলোৰে দুখ, মাহে পৰ্যাপ্ত মাহেকীয়া বেতন পোৱা নগৈছিল। সকলোৰে

মুখত কম- বেছি পৰিমাণে আৰ্থিক সমস্যাত উচপিচ, শংকা ইত্যাদি কিন্তু সোনোৱাল ছাৰৰ মুখত, ভাবত তাৰ লেখমানো ক্লেশ দেখা নগৈছিল। এবাৰ মাত্ৰ ধেমেলীয়া সুৰত কৈছিল, "যেনেদৰে স্কুলত সোমাইছিলো তেনেদৰে ওলাই যাম আৰু "। বোধ হয় বিদ্যালয় চৰকাৰীকৰণ হোৱাৰ আগতে মোৰ শিক্ষা গুৰু সকলেও ছয়মাহৰ মূৰত কিবা জলপানি পাইছিল সেয়েহে ছাৰে তেনে দৰে ব্যক্ত কৰিছিল। এই সৰু কথাবোৰে ছাৰ যে এজন স্থিতপ্ৰজ্ঞ ব্যক্তি তাক ফুটাই তোলে। তাৰ উপৰি অনেক সমস্যা ছাৰৰ জীৱনলৈ আহিছিল তাৰে কিছুমান আমি ওচৰৰ পৰা দেখিছিলোঁ। এই সকলোবোৰ তেওঁ ধীৰ, স্থিৰ আৰু ধৈৰ্য সহকাৰে সমাধান কৰা অনেক সময়ত প্ৰত্যক্ষ কৰিছিলোঁ।

ৰাজহুৱা আৰু ৰাজনৈতিক জীৱনত ছাৰ ঃ মোৰ ৰিণিকি ৰিণিকি মনত পৰে বাল্য অৱস্থাত মোৰেই এজন মোমাইদেউ শ্ৰীযুত আনন্দ দত্তৰ গৃহলৈ ছাৰে সঘন অহা- যোৱা কৰা দেখিছিলোঁ। তেতিয়া বুজিব পৰা নাছিলোঁ এই জনেই মোৰ শ্ৰদ্ধাৰ ছাৰ ৰহেশ্বৰ সোনোৱাল। ওখ-পাখ হটঙা মানুহ এজনে কেতিয়াবা মোৰ মামাৰ লগত কথা পতাত ব্যস্ত হৈ থাকে। কিবা বানপানীৰ সময়ত সাহায্যৰ কথা, ৰাস্তা- ঘাটৰ কথা, শৈক্ষিক বাতাৱৰণৰ কথা, ৰাজনৈতিক কথা ইত্যাদি। পিছত এইবোৰ মামাৰ মুখেৰে শুনিছিলোঁ। পিছত জীৱনত ছাৰে ৰাজনৈতিকভাৱে সক্ৰিয় হৈ পৰিছিল যিবোৰ আমি স্বচক্ষুৰে দেখিছিলোঁ। এইদৰে ছাৰে দীঘলীয়া জীৱন পৰিক্ৰমাত অনেক কৰ্ম সম্পাদন কৰি গৈছে। সকলোবোৰ তথ্য মই জনাটো সম্ভৱ নহয়। যিখিনি সঁচা কথা মই বাস্তৱত পালোঁ তাকেই গুৰু দক্ষিণা হিচাপে ছাৰলৈ এই পৱিত্ৰ ক্ষণত লিখিলো। ভুল হ'লে সৰ্বজনে ক্ষমিব বুলি আশা থাকিল। ছাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু হৈ আমাৰ মাজত থাকক তাৰেই কামনা কৰি শ্ৰীহৰিৰ চৰণত প্ৰাৰ্থনা নিবেদিছোঁ।

লেখক ঃ শিক্ষক, তিনঠেঙ্গীয়া কাৰিকৰী ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।

❏❏❏

পৰম শ্ৰদ্ধেয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ প্ৰতি দুআষাৰ

ৰূপেশ্বৰ গগৈ

মহাপুৰুষ মাধৱদেৱে নামঘোষাৰ প্ৰশংসাত কৈছে
"সেহি ধন্য লোক শুচিমন্ত সৰ্বগুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত
যজ্ঞে তপে আতি সি সি জন শুদ্ধমতি।
সি সি জন মহা দাতা জ্ঞানী সি সি সত্যবাদী মহামানী
পুৰুষোত্তমত আছয় যাৰ ভকতি।"

এগৰাকী ধন্যলোক হ'বলৈ হ'লে গুণী, বিদ্যাৱন্ত শুদ্ধমতৰ অধিকাৰী, দানী, জ্ঞানী, সত্যবাদী, মহাজ্ঞানী হোৱাৰ লগতে পুৰুষোত্তমত ভকতি অৰ্থাৎ ভগৱন্তৰ প্ৰতি ভক্তি থাকিব লাগিব। ভগৱন্তৰ প্ৰতি ভক্তি থাকিলেহে উল্লিখিত গুণসমূহৰ মনুষ্যৰ গাত প্ৰতিধ্বনিত হ'ব।

এতিয়া আহো উল্লিখিত গুণসমূহ আয়ত্তকাৰী এগৰাকী আদৰ্শ শিক্ষক হিচাপে নিজকে প্ৰতিষ্ঠা কৰি শিক্ষকৰ গুণাৱলী বৰ্তাই ৰাখি শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ বিষয়ে আলোকপাত কৰিব বিচাৰিছোঁ। মোৰ পৰম বন্ধু শ্ৰীযুত মহানন্দ সোনোৱালদেৱে ছাৰৰ কৰ্মৰাজিৰ বিষয়ে এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱা হৈছে বুলি মোক জনায় আৰু মোৰ পৰা এটি লেখা বিচাৰিলে। চমুকৈ হ'লেও দুআষাৰ লিখিম বুলি সন্মতি প্ৰকাশ কৰিলোঁ।

এতিয়া আহো সেই অতীতৰ কিছু কথালৈ। ১৯৭২ চনত জৰিগুৰি

মজলীয়া বিদ্যালয়ৰ পৰা ৬ষ্ঠ শ্ৰেণীত উত্তীৰ্ণ হৈ ৭ম শ্ৰেণীত নাম লগাওঁ। আগতে সিমান ভালকৈ মানুহক চিনা জনা বিষয়টো আজিৰ দৰে সহজ নাছিল। নামভৰ্তি কৰি জানিব পাৰিলোঁ গহীন- গম্ভীৰ ওখ-ডাঙৰ প্ৰধান শিক্ষক প্ৰয়াত সৰ্বেশ্বৰ সোনোৱাল আৰু আনজন একে স্বাস্থ্যৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। এজন ছাত্ৰ হিচাপে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে ছাত্ৰজনৰ শিক্ষকৰ প্ৰতি শ্ৰদ্ধা- ভক্তি থাকিব লাগিব। তেহে শিক্ষা গ্ৰহণ কৰিব পাৰিব। মোৰেই নহয় আমি সেই সময়ত অধ্যয়নৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰদ্ধা- ভক্তি থকাৰ লগতে শ্ৰীৰহেশ্বৰ সোনোৱাল ছাৰলৈ ভয়ত ভগৰন্ত পলোৱাৰ দৰে হৈছিল। সেই ভয় আৰু শ্ৰদ্ধাৰ বাবে তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিকত পঢ়া ছাত্ৰই উচ্চ শিক্ষা গ্ৰহণ কৰি চাকৰি, ব্যৱসায় আদি কৰি বহু দিশত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তেখেতে ইংৰাজী, গণিত, সংস্কৃত পাঠদান কৰিছিল যি কেইটা বিষয় টান বিষয় বুলি ধৰা যায়। বিশেষকৈ সংস্কৃত বিষয়ৰ কথা উল্লেখ কৰিব পাৰি। সংস্কৃত ভাষাটো গহীন- গম্ভীৰ ভাষা, তাতে পঢ়োৱা শিক্ষকজনো যদি গহীন গম্ভীৰ হয় তেতিয়া পঢ়িবলৈ কিমান ভাল লাগিব নিশ্চয় অনুমান কৰিব পাৰি। এষাৰ কথা আছে "ভয়ত ভগৰন্ত পলায় কিললৈ বাসুদেৱ দৰাই" তেখেতে আমাক কিল দিছিল সেই কিলৰ ভয়ত পঢ়াত অৱহেলা নকৰিছিলোঁ আৰু আজি সেই মৰমতে মৰা কিল কেইটা আমাৰ বাবে মহান আশীৰ্বাদ হ'লহি। সেই সময়ত কিন্তু আমি ছাত্ৰ-ছাত্ৰী বিলাকে বুজি নাপাইছিলোঁ। শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ লগতে সেই সময়ৰ সকলো শিক্ষাগুৰুলৈ ইয়াৰ যোগেদি সহস্ৰবাৰ প্ৰণাম জনালোঁ। আপোনাৰ আৰু আপোনাসৱৰ শিক্ষাদানৰ বাবে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনত হাঁহি বিৰিঙাবলৈ সক্ষম হ'লহক।

সোনোৱাল ছাৰৰ সামাজিক জীৱনৰ কথা নকৈ নোৱাৰিলো। প্ৰকৃত চন তাৰিখ মনত নাই আনুমানিক ১৯৭২/৭৩ চন মানত তিনঠেঙীয়া নিচিনা ৰাস্তা- পদূলি উন্নত নোহোৱা সময়ত তিনঠেঙীয়ালৈ মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহৰ দৰে ব্যক্তিক আনিবলৈ তেখেতৰ প্ৰচেষ্টাত সক্ষম হৈছিল। তেখেতৰ প্ৰচেষ্টাতে পূবেৰুণ কৃষি পাম নিগম প্ৰতিষ্ঠা কৰি বহুলোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিছিল। শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো খোৱাং জিলা পৰিষদৰ সদস্য পদত নিৰ্বাচিত হৈ নিখুঁতভাৱে সামাজিক কাম-কাজ খিনি কৰি গৈছিল। বৰ্তমানেও কৰি আছে সেই সকলো উল্লেখ কৰাটো সম্ভৱ নহয়। যি কি নহওক,

এগৰাকী সমাজসেৱক হিচাপে তেখেতৰ সুনাম আজিও আছে আৰু আগলৈও থাকিব।

ছাৰে বিদ্যালয়ত শিক্ষাদান কৰাৰ লগতে নিজৰ সন্তানৰ এগৰাকী আদৰ্শ অভিভাৱক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। যিহেতু আটাইকেইজন সন্তানকে সু-সংস্থাপিত কৰাৰ লগতে অতি উল্লেখনীয়ভাৱে এজন সন্তানক এই অঞ্চলৰ পৰা আয়কৰ বিভাগৰ আয়ুক্ত পৰ্যায়ৰ বিষয়া হিচাপে গঢ় দিব পাৰিছে। সেই দিশৰ পৰাও ছাৰক এজন আদৰ্শ শিক্ষক অভিভাৱক হিচাপে সশ্ৰদ্ধ প্ৰণাম জনাইছোঁহক।

সদৌ শেষত আগতে উল্লেখ কৰিছো এজন ছাত্ৰ হিচাপে শিক্ষক এগৰাকীৰ কাম-কাজ, শিক্ষা দীক্ষা বিষয়ে লিখাটো সহজ নহয়। তথাপি নিলিখিলে নজনালে আনে কেনেকৈ জানিব তেখেতৰ অসীম ত্যাগৰ কথা। এই কেইটা কথা লোভ সামৰিব নোৱাৰি লেখাৰ বাবে ক'ৰবাত ভুল হ'লে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰে ক্ষমা কৰিব বুলি কৰযোৰে ক্ষমা কৰিবলৈ নিবেদন কৰিলোঁ।

সদৌ শেষত প্ৰভু ভগৱন্তৰ ওচৰত আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি মহাপুৰুষ মাধৱদেৱৰ এষাৰি ঘোষাৰে সামৰণি মাৰিলো।

"যিটো মহামতি গুৰুজনে হৰি ভক্তি পন্থ উপদেশে
দিয়া দুঃখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ সুজিবান্ধ প্ৰতি জ্ঞান নিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে।"

লেখক ঃ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক
বনফুল উচ্চ মাধ্যমিক বিদ্যালয়।

❐❐❐

সঠিক সময়ৰ সঠিক চিন্তক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ

✍ ভক্তি প্ৰসাদ সোনোৱাল

কৃষ্টি-সংস্কৃতিৰ উদ্ধাৰৰ চিন্তা ঃ

ৰহেশ্বৰ সোনোৱাল ছাৰ কেৱল বিদ্যালয়ত শিক্ষকতা কৰিয়েই দিন অতিবাহিত কৰা নাছিল। তেখেত আছিল কৃষ্টি-সংস্কৃতিৰ ভালপোৱা এজন সমাজ কৰ্মী। তেখেতে শিক্ষকতা কৰি থকা সময়ছোৱাতে তেখেতে লক্ষ্য কৰিছিল যে সোনোৱাল কছাৰী প্ৰায় সকলো গাঁৱৰ পৰা সোনোৱাল কছাৰী কৃষ্টি-সংস্কৃতিৰ এপদ এপদকৈ হেৰাই যোৱাৰ উপক্ৰম হৈছে। তেখেতে সোনোৱাল কছাৰীৰ এই সম্পদসমূহ কেনেকৈ ৰক্ষণাবেক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰ কৰিব পাৰি ইয়াৰ উপায় বিচাৰি বিভিন্ন জনৰ লগত মত-বিনিময় কৰা পৰিলক্ষিত হৈছে। এনে এক সময়তে লগ পাইছিলো শ্ৰীযুত ৰহেশ্বৰ সোণোৱাল ছাৰক। তেতিয়া মই চহৰীকটা আঞ্চলিক সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ সম্পাদকৰ দায়িত্বত। ছাৰৰ লগত এই বিষয়টো গভীৰভাৱে চিন্তা কৰি তিনঠেঙ্গীয়া বৃন্দাবন প্ৰাথমিক বিদ্যালয়ত ছাৰক সংগ দিছিলো। বহু আলোচনাৰ পাছত চহৰীকটা-তিনঠেঙ্গীয়া লগ হৈ বাইথ' পূজা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই বাইথ' পূজাত ছাৰে অকলে সিংহভাগ কামৰ দায়িত্ব বহন কৰি কাৰ্যসূচী সফল কৰাত আগুৱাই লৈ গৈছিল। তেখেতে প্ৰতিখন গাঁৱৰ পৰা হুঁচৰি দল সমূহ আমন্ত্ৰণ কৰি বাইথ' পূজাত পৰিৱেশন কৰা ঃ লেছেৰী নাচ আনি অনুষ্ঠানটো মনোমোহা কৰি তোলা। ইয়াৰ যোগেদি হেৰাই যাব ধৰা কৃষ্টি দলসমূহ পুনৰ জীৱিত কৰি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। ছাৰৰ এই পৰিকল্পনাৰে প্ৰতিখন

গাঁৱত ভ্ৰাম্যমাণ হিচাপে বাইথ’ পূজা অনুষ্ঠিত কৰি সোনোৱাল কছাৰীসকলৰ আৰাধ্য দেৱতা খ্ৰীং খ্ৰীং বাইথ’ আৰু ইয়াৰ লগত জড়িত আছে সোনোৱাল কছাৰীসকলৰ বিহু নমোৱা অনুষ্ঠানৰো। এইদৰে দুটা বছৰ মান বাইথ’ পূজা উদ্‌যাপন কৰাৰ পাছত বহু দৃষ্টিভংগীৰে পশ্চিম ডিব্ৰুগড় খ্ৰীং খ্ৰীং বাইথ’ নামকৰণ কৰা হ’ল। বহু বছৰ ভ্ৰাম্যমাণ হিচাপে বাইথ’ উদ্‌যাপন কৰাৰ পাছত খোৱাং আঠাবাৰীত স্থায়ী হিচাপে বাইথ’ মন্দিৰ নিৰ্মাণ কৰি তাতে বৰ্তমান পূজা- অৰ্চনা কৰি থকা হৈছে। ছাৰে সঠিক সময়ত সঠিক চিন্তাৰে জাতিটোক আগবঢ়াই নিয়াৰ কাৰণে উঠি অহা প্ৰজন্মৰে বা শিল্পীসকলে এখন মঞ্চ পাবলৈ সক্ষম হ’ল।

সমন্বয়ৰ সংস্কৃতি হিচাপে চিন্তা ঃ

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰে মিলন ভূমি। ইয়াৰ কৃষ্টি-সংস্কৃতিৰো বাৰেৰহণীয়া। বাৰেৰহণীয়া সংস্কৃতিক কেনেকৈ জীপাল কৰি ৰাখিব পাৰি তাৰো মাজে- সময়ে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠাৰ যোগেদি কাৰ্যসূচী গ্ৰহণ কৰিছিল। নিজৰ কৃষ্টিক ভাল পাই আনৰ সংস্কৃতিক উদ্ধাৰ কৰি আন জনগোষ্ঠীৰ লোক নৃত্য দল আমন্ত্ৰণ জনাই বাৰেৰহণীয়া সংস্কৃতিৰে প্ৰতিটো জনগোষ্ঠীৰ জনসাধাৰণৰ মাজত সমন্বয় ভাব গঢ়িবৰ বাবে চেষ্টা কৰা পৰিলক্ষিত হৈছিল। বিভিন্ন জনগোষ্ঠীৰ মাজত ছাৰৰ এক সুকীয়া পৰিচয় আছে।

সোনোৱাল কছাৰী স্বায়ত্ত শাসিত দাবী সমিতি ঃ

সোনোৱাল কছাৰী সকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশত উন্নয়ন সম্ভৱ মাথোঁ স্বায়ত্ত শাসনৰ যোগেদি। অসমত বসবাস কৰা অন্য জনগোষ্ঠীয় স্বায়ত্ত শাসন লাভ কৰাৰ যোগেদি নিজ নিজ জাতিটো আগবঢ়াই নিয়া সম্ভৱ হৈছে। গতিকে সোনোৱাল কছাৰী সকলৰ জাতীয় সংগঠনসমূহ ১৯৯৪ চনৰ পৰা স্বায়ত্ত শাসন প্ৰাপ্তিত কৰি অহা সংগ্ৰামখনত সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি ১৯৯৭ চনত গঠন কৰি সংগ্ৰাম খনত জঁপিয়াই পৰে। নতুন চিন্তা, নতুন ৰণকৌশল প্ৰস্তুত কৰি অসম চৰকাৰৰ ওচৰত অতি শীঘ্ৰে স্বায়ত্ত শাসন প্ৰদান কৰিবৰ কাৰণে দাবী উত্থাপন কৰে। এই সংগ্ৰাম তৃণমূল স্তৰলৈ লৈ যাবৰ সম্ভৱ হোৱাৰ আঁৰৰ ব্যক্তিজন আছিল শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ। স্বায়ত্ত শাসন দাবী সমিতিৰ মূল সেনাপতিৰ দায়িত্ব পালন

কৰা যেন অনুমান হয়। সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সদৌ সোনোৱাল কছাৰী জাতীয় পৰিষদ, সোনোৱাল কছাৰী জাতীয় পৰিষদ আৰু স্বায়ত্ত শাসন দাবী সমিতিৰ যৌথ সংগ্ৰামৰ ফলত ২০০৫ চনৰ ৪ মাৰ্চ তাৰিখে অসম চৰকাৰে সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান কৰে। অন্ত পৰিল সংগ্ৰাম। এই ঐতিহাসিক চুক্তিত অন্যতম স্বাক্ষৰকাৰী সংগঠন সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ।

ক্ষত্ৰিয় পূজাৰ পৰিচালনা সমিতিক উৎসাহ ঃ

সোনোৱাল কছাৰী সকলৰ জনজাতি বৈশিষ্ট্য বৰ্তাই ৰখাৰ অন্যতম এখনি শাল ক্ষত্ৰিয় শাল। এটা সময় এই শালখনি প্ৰায় মৃত অৱস্থাত আছিল। চহৰীকটা অঞ্চলৰ কেইজনমান ব্যক্তিৰ প্ৰচেষ্টাত পুনৰ প্ৰাণ পাবলৈ ধৰা সময়ত তেখেতো আহি এই সমিতিৰ কৰ্মকৰ্তাসকলক আৰ্থিক-শাৰীৰিক আৰু মানসিকভাৱে উদগনি দিছিল। তেখেতৰ প্ৰেৰণাৰ ফলত পূজাৰী আৰু সমিতিৰ কৰ্মকৰ্তা সকল সঁচাকৈ উৎসাহিত হৈছিল।

চহৰীকটা আঞ্চলিক সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ কৰ্ম আঁচনিতো তেখেতে এজন জাতীয় কৃষ্টি সাধক হিচাপে প্ৰায়ে পৰামৰ্শ আগবঢ়াই ছাত্ৰ শক্তিক উৎসাহিত কৰিছিল।

তেখেতৰ অতীতক মনত পেলাই বৰ্তমানক সুন্দৰ ৰূপত গঢ়ি ভৱিষ্যতৰ নতুন পৰিকল্পনাৰে জীৱনটি গঢ় দিবৰ বাবে ভগৱানে শক্তি দিয়ক তাৰে কামনা কৰিছো।

লেখক ঃ মুখ্য সচিব, সোনোৱাল কছাৰী সাংস্কৃতিক সমাজ।

❏❏❏

শ্ৰদ্ধাৰ সোনোৱাল ছাৰ

✍ মহানন্দ সোনোৱাল

মনলৈ বহু কথাই আহে। মনলৈ অহা কথাবোৰ বেছি ভাগেই অতীতৰ হয় বুলি কোৱা শুনিছো। আমাৰ অতীতৰ সোণালী শৈশৱবোৰ পাৰ কৰি থকাৰ সময়ৰ কিছু কথা সুঁৱৰিব বিচাৰিছোঁ। যি বোৰ কথা পাহৰণিৰ গৰ্ভত কাহানিও প্ৰৱেশ কৰিব নোৱাৰে। আশাবাদী মানৱ জীৱন। এখন সমাজ পাতি বাস কৰা মনুষ্য জীৱনৰ জীয়াই থকা কালত মানুহে বা ঈশ্বৰে বান্ধি দিয়া ৰীতি-নীতি বোৰ মানি চলিব লাগে। জীৱৰ উত্তম মানৱী জীৱন। উত্তম মানৱী জীৱনটোক গঢ় দিবলৈ হ'লে জ্ঞান, বিজ্ঞানৰ অধিকাৰী হ'বই লাগিব। শিক্ষাই হৈছে মানুহৰ শ্ৰেষ্ঠ জীৱৰ পৰিচালিকা শক্তি। শিক্ষাৰ অবিহনে মানৱী জীৱন বৃথা বুলি অনাদি কালৰ পৰাই মানুহে জানি আহিছে। আনুষ্ঠানিক শিক্ষা এটা পৰিপাটি, অতি শৃংখলাবদ্ধ, নিয়মানুৱৰ্তিতামূলক বিষয়। আদিতে গুৰু গৃহত থাকি বিভিন্ন বিষয়ৰ শিক্ষা বিদ্যালৈ একো একোজন মহাপুৰুষে সময়ৰ বালিত পদচিহ্ন এৰি যাবলৈ সমৰ্থ হৈছে। এই বিংশ, এক বিংশ শতিকাত শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিন্দু মাত্ৰও শাম কটা নাই আৰু শাম কাটিব নোৱাৰে।

পৃথিৱীৰ অগণন মানুহৰ মাজত এজন বা এটা ধূলি কণা সদৃশৰূপে স্থিতি ল'বলৈ আমাৰ জন্ম হৈছিল। শিক্ষাৰ প্ৰয়োজনীয়তাবোধ কৰিয়েই বিদ্যালয়লৈ গৈছিলো। প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় পাৰ হৈ আহি উচ্চ শিক্ষাৰ বাবে আমাৰ স্থানীয় তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ যাওঁ। আজি মাত্ৰ কেইশাৰীমান লিখিবলৈ বিচৰা এজন বিষয় শিক্ষক সেই বিদ্যালয়খনতেই পাঠদান কৰিছিল। কেইশাৰীমান বুলি এই বাবেই কৈছো যিজন ছাৰৰ বিষয়ে

আমি লিখিবলৈ লৈছো তেখেত এজন সফল মানৱ। দেৱ সদৃশ গুণ থকা এজন মানৱৰ বিষয়ে বহু কথা লিখিব লাগিব কিন্তু আমাৰ বাবে সেয়া অসম্ভৱ কথা কাৰণ ছাৰৰ যি মহৎ ব্যক্তিত্ব, যিমান সৰহ গুণৰ অধিকাৰী সিমান খিনি লিখিবলৈ আমাৰ বাবে এক অসাধ্যৰ কাম। যি কি নহওক, অষ্টম শ্ৰেণীত নাম লগোৱাৰ পাছত ছাৰৰ সান্নিধ্যলৈ আহোঁ। সংস্কৃতত বিদগ্ধ পণ্ডিত, ইংৰাজী বিষয়ত অতি বেছি দখল থকা শিক্ষক, অংক, ভূগোল আদি বিষয়সমূহৰ সমস্ত প্ৰশ্নৰ উত্তৰ ভাণ্ডাৰ স্বৰূপ ছাৰক একেবাৰেই প্ৰথমৰ পৰাই জানিছিলো এজন আদৰ্শ শিক্ষক হিচাপে।

আমি মধ্যমীয়া বিধৰহে ছাত্ৰ আছিলোঁ। পৰিপক্কতা লভিবৰ জোখাৰে চিন্তা কৰা শক্তিকণ ক'ৰবাত পাহৰণিত এৰি থৈ আহিছিলো বুলি ভাব এটা হে আছিল। সেইজন ছাৰক লগ পাই মোৰ এনে এটা ভাব হৈছিল যেন ছাৰৰ পৰাই আদি পাঠবোৰ লৈ অন্ততঃ জীৱনটোত আগুৱাই যাবলৈ অলপ শক্তি পাম। এই ছাৰজনেই আছিল বৰ্তমানৰ তিনঠেঙ্গীয়াৰ নিবাসী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাৰ ছাৰ। আমি শিকিছিলোঁ। ছাৰে আমাক ইংৰাজী, অংক, ভূগোল সকলো পঢ়ুৱাইছিল। আমাৰ বাবে সাঁথৰ যেন লগা টান সমস্যা বা প্ৰশ্নসমূহ ছাৰৰ অক্লান্ত, অশেষ প্ৰচেষ্টাত বুজিব পাৰিছিলোঁ। পৃথিৱীখনত নিজৰ স্থিতিৰ অনুভৱ কৰা শক্তিকণ ছাৰৰ বাবেই পাইছিলো। সেই ধূলিকণা সদৃশ স্থিতিও আমাৰ বাবে পৰম সৌভাগ্য। ছাৰৰ যত্নত আমাৰ লগ সমনীয়াবোৰেও মানৱী জীৱন সাফল্য কৰিলে বুলি এতিয়া অনুভৱ হৈছে।

শিক্ষক হিচাপে ছাৰক পাইছিলো যদিও এজন দেশপ্ৰেমী নাগৰিক, ৰাইজৰ শুভ চিন্তক, সু-ৰাজনীতিবিদ, এজন সু-শিক্ষক, সু-খেতিয়ক আৰু উৎকৃষ্ট প্ৰৱন্ধ লেখক হিচাপে ছাৰ সুবিদিত। ৰাইজৰ মঙ্গলৰ বাবে বিদ্যালয় প্ৰতিষ্ঠা কৰা, জাতিৰ স্বাৰ্থৰ হকে অক্লান্ত সংগ্ৰাম কৰি অৱশেষত জয়ী হোৱা, ভূমিহীন খেতিয়কক চৰকাৰৰ হতুৱাই ভূমি আৱণ্টন দিওৱা সোনোৱাল ছাৰ সকলোৰে বাবেই দেৱ সদৃশ।

সুযোগ্য সন্তানৰ পিতৃ, মঙ্গলময়ী মাতৃ সদৃশ ছাৰৰ পৰিবাৰে এখন সুখৰ সংসাৰ। সেই সুখৰ সংসাৰখন আৰু যুগ যুগ ধৰি এনে আনন্দৰ মাজতেই সকলো কুশলে থাকক বুলি সঁচা অন্তৰৰ পৰাই মনলৈ ভাব এটা আহিছে। সেই ভাব যেন

দিঠকৰ ৰূপ লৈ ২০২৫ চনৰ নতুন প্ৰজন্মৰ সন্তানসকলেও যেন ছাৰৰ সান্নিধ্য পাওক বুলি কামনা কৰিলো।

(ছাৰৰ বিষয়ে বহুত লিখিম বুলি ভবা কথাষাৰ বাস্তৱত নহ'লগৈ। ছাৰৰ পদকমলত এই দুশাৰীমান বাক্যকে আগবঢ়ালো। ছাৰ নমস্কাৰ।)

লেখক ঃ সাংস্কৃতিক সম্পাদক, সোনোৱাল কছাৰী সাহিত্য সভা।

❐❐❐



শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে শিক্ষকতা কৰা তিনঠেঙ্গীয়া কাৰিকৰী মধ্য ইংৰাজী বিদ্যালয়খন।

সমাজৰ পথ প্ৰদৰ্শক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ অভিনন্দন

ফুলেশ্বৰ সোণোৱাল

সোনোৱাল কছাৰী সম্প্ৰদায়ৰ আগশাৰীৰ ব্যক্তিসকলৰ এখন তালিকা যদি প্ৰস্তুত কৰোঁ তেন্তে সেই তালিকাত শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ নাম অন্যতম হিচাপে লিপিবদ্ধ হ'ব। ৰহেশ্বৰ সোনোৱাল নামটো পিছলৈ সোনোৱাল ছাৰ নামেৰেই পৰিচিত হৈ পৰিল আৰু এই নামেৰেই তেখেত সাধাৰণ ৰাইজৰ মাজতেই নহয়, বিদ্বৎ সমাজতো পৰিচিত হৈ পৰিল। তিনঠেঙীয়া অঞ্চলৰ এই গৰাকী সকলোৰে শ্ৰদ্ধাৰ আৰু সন্মানৰ ব্যক্তিৰ বিশাল কৰ্মৰাজিৰ প্ৰতি দৃষ্টি ৰাখি এই অঞ্চলৰ বিদ্বৎ সমাজৰ গুণমুগ্ধ কেই গৰাকী মান বিশিষ্ট ব্যক্তিয়ে আলোচনা কৰি জীৱিত অৱস্থাতে তেখেতক অভিনন্দন তথা কৃতজ্ঞতাৰ চিন স্বৰূপে এটি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিবলৈ মনস্থ কৰিছে। এই অনুষ্ঠানৰ প্ৰধান কাৰ্যসূচী হিচাপে তেখেতৰ জীৱনজোৰা বিশাল কৰ্মৰাজিৰ এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত লৈছে। সেই উদ্দেশ্য আগত ৰাখি এখন আয়োজক সমিতি গঠন কৰা হৈছে। এই সুযোগতে আয়োজক সমিতিক এই মহান কাৰ্য হাতত লোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সোনোৱাল ছাৰৰ জীৱনৰ বিশাল কৰ্মৰাজিৰ লিখিত তথা পূৰ্ণাংগ ৰূপত প্ৰকাশ কৰা আমাৰ বাবে সম্ভৱ নহয়। মনত অহা তেখেতক কৰ্মৰাজিৰ কিয়দংশ লিখিবলৈহে প্ৰয়াস কৰিছোঁ।

তেখেত মোৰ আদৰ্শ শিক্ষাগুৰু আৰু অভিভাৱক। লগতে আমি একেবাৰে নিকটতম চুবুৰীয়া। সেই সূত্ৰে এই অভাজনে তেখেতৰ মহান কৰ্মসমূহ

সদায় চকুৰ আগত দেখা পাই আহিছো। বৃত্তিত তেওঁ এজন আদৰ্শ শিক্ষক লগতে বহুতো দিশত তেখেত সদায় আগৰণুৱা ব্যক্তি। সমাজ সেৱাৰ ক্ষেত্ৰত তেখেত এগৰাকী সফল ব্যক্তি আৰু ৰাজনৈতিক দিশত জড়িত থকা এজন সফল ব্যক্তি।

তেখেতৰ মহান কৰ্মৰাজিৰ বিষয়ে লিখিবলৈ লওঁতে প্ৰথমে তেখেতে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠানসমূহৰ কথা মনত পৰে। তেখেতে ভালে কেইখন হাইস্কুল, মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয় গঢ়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। সেইবোৰৰ ভিতৰত আছে—

(১) নখাট উচ্চ মাধ্যমিক বিদ্যালয়, নখাট লেঙেৰী মৌজা।
(২) পূৱেৰুণ কৃষিপাম নিগম মধ্য ইংৰাজী বিদ্যালয়, চমুৱা।
(৩) নখনি চমুৱা মধ্য ইংৰাজী বিদ্যালয়, চমুৱা।
(৪) বুঢ়ী খোৱাং মধ্য ইংৰাজী বিদ্যালয়। বুঢ়ী খোৱাং গাঁও।
(৫) বনফুল উচ্চ মাধ্যমিক বিদ্যালয়, জৰিগুৰি।
(৬) বৃন্দাবন প্ৰাথমিক বিদ্যালয়, তিনঠেঙ্গীয়া।
(৭) পূবেৰুণ কৃষি পাম নিগম প্ৰাথমিক বিদ্যালয়।
(৮) পূবেৰুণ কৃষি পাম নদী কিনাৰ প্ৰাথমিক বিদ্যালয়।

তদুপৰি আৰু অনেক বিদ্যালয় গঢ়াত তেখেতৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে।

পূৱেৰুণ কৃষি পাম নিগম প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতৰ অৰিহণা উল্লেখযোগ্য। সত্তৰ দশকত অসমৰ বিভিন্ন অঞ্চলৰ বানবিধ্বস্ত আৰু অনেক দৰিদ্ৰ ব্যক্তি তথা পৰিয়াল ইয়াত সংস্থাপিত হয়। সেই সময়ৰ মৰাণ বিধান সভা সমষ্টিৰ বিধায়ক স্বৰ্গীয় তৰুণ চুতীয়া আৰু তেখেতে এই বিশাল প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰে। ইয়াৰ পৰা অনেক দৰিদ্ৰ পৰিয়াল উপকৃত হয়।

তিনঠেঙ্গীয়া প্ৰাথমিক চিকিৎসালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতৰ অৱদান সৰ্বজনবিদিত। তদুপৰি লেঙেৰী অঞ্চলৰ বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেখেত জড়িত হৈ আছে।

তেখেতৰ জীৱনৰ অন্যতম কৃতিত্ব হ'ল সোনোৱাল কছাৰী স্বায়ত্ত শাসন

আন্দোলনৰ অন্যতম পুৰোধা ব্যক্তি। সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি। এই আন্দোলনৰ পৰিণতিতে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠন হয়। যদিও তেখেত পৰিষদৰ ক্ষমতাৰ কোনো বিষয়বাবৰ প্ৰতি লালায়িত নহ'ল। তেখেত এই পৰিষদ গঠনৰ বাবে ৰাজধানী দিছপুৰকে আদি কৰি সোনোৱাল কছাৰী সম্প্ৰদায়ৰ প্ৰায় সকলোবোৰ গাঁৱলৈ গৈ ৰাইজক সচেতন কৰাৰ কামত ব্ৰতী হৈছিল। অসম চৰকাৰৰ সৈতে সোনোৱাল কছাৰী স্বায়ত্ত শাসন সন্দৰ্ভত হোৱা চুক্তিৰ স্বাক্ষৰকাৰীসকলৰ ভিতৰত তেখেত অন্যতম।

ইয়াৰ উপৰি সোনোৱাল কছাৰী সম্প্ৰদায়ৰ আৰাধ্য দেৱতা খ্ৰীং খ্ৰীং বাইথ' পূজা সম্পৰ্কে সোনোৱাল ৰাইজক সজাগ কৰা, এই অঞ্চলৰ প্ৰতিখন গাঁৱে গাঁৱে বাইথ' পূজা অনুষ্ঠিত কৰাত তেখেতে আপ্ৰাণ চেষ্টা কৰা দেখি আহিছোঁ।

শিক্ষাদানৰ ক্ষেত্ৰত এজন সফল তথা আদৰ্শ শিক্ষক বুলি তেখেতৰ সুনাম আছে। শ্ৰেণীত পাঠদান কৰোতে তেখেতে বহুতো অভিনৱ পন্থা অৱলম্বন কৰিছিল। বিশেষকৈ হ'ম ৱৰ্ক দিয়াৰ ক্ষেত্ৰত তেখেতে বেছি গুৰুত্ব দিছিল। হ'ম ৱৰ্ক নকৰিলে ছাত্ৰ-ছাত্ৰীসকলক শাস্তি দিছিল। তেখেতৰ হাতৰ আখৰ অতি সুন্দৰ আৰু হাতৰ আখৰ ভাল কৰিবলৈ ছাত্ৰ ছাত্ৰীসকলক ঘৰত পাঠ্যপুথিৰ পাঠ লিখি আনিবলৈ নিৰ্দেশ দিছিল, লিখি নানিলে তেখেতে বৰ খং কৰিছিল আৰু শাস্তি প্ৰদান কৰিছিল।

অভিভাৱক হিচাপে তেখেত এজন সফল অভিভাৱক। তেখেতৰ বৰপুত্ৰ শ্ৰীযুত দেৱ কুমাৰ সোনোৱাল ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ বৰ্তমান আয়কৰ বিভাগৰ উচ্চ পদস্থ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

কিতাপ পঢ়াৰ ক্ষেত্ৰত তেখেতৰ হেঁপাহ দেখিবলৈ পাইছো। দৈনিক পৰিশ্ৰমৰ অন্ততো তেখেতে সদায় বহুতো গ্ৰন্থ পঢ়া নিজে দেখি আহিছো। গ্ৰন্থ সংগ্ৰহতো তেখেত মনোযোগী। তেখেতৰ আলমাৰীত বহুতো মূল্যৱান গ্ৰন্থৰ সংগ্ৰহেৰে ভৰি আছে।

বৰ্তমান তেওঁ ভালে কেইখন বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ সফলভাৱে কৰি আহিছে।

প্ৰত্যেক অনুষ্ঠানতে তেখেতে প্ৰদান কৰা অলিখিত ভাষণ বিলাকত সমাজৰ প্ৰতি নিভাঁজ দায়বদ্ধতা প্ৰকাশ পাই আহিছে। সেই ভাষণসমূহত দেশ আৰু জাতিৰ প্ৰতি থকা দায়বদ্ধতা, প্ৰেমৰ প্ৰতিধ্বনি সদায় আমি শুনি আহিছোঁ।

সকলো জাতি-জনগোষ্ঠীৰ মাজত সমগ্ৰ অসমতে তেখেতৰ সমাদৰ দেখিবলৈ পোৱা যায়। নাই কোনো অহংকাৰ, মান অভিমান, নাই কোনো মনৰ সংকীৰ্ণতা, নাই কাৰো প্ৰতি অহেতুক ঘৃণা বিদ্বেষ। সৰল, উদাৰ অথচ নিৰ্ভীক সাহসী মনৰ অধিকাৰী মোৰ পৰম শ্ৰদ্ধাৰ সোনোৱাল ছাৰ। এই গৰাকী গুণী ব্যক্তিৰ গুণ গৰিমা তথা কৰ্মৰাজি কৈ অন্ত পেলাব নোৱাৰি।

তেখেত আমাৰ আটাইৰে বাবে অনাগত দিনবোৰত আদৰ্শ আৰু প্ৰেৰণা হৈ থাকক। উত্তৰ পুৰুষে তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এখন সুন্দৰ, সফল সমাজ নিৰ্মাণৰ পথত অগ্ৰসৰ হওক। ইয়াকে কামনা কৰিলো।

সোনোৱাল ছাৰলৈ অভিনন্দন জনাইছোঁ আৰু তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ সমাজ সেৱক, ৰৌমাৰী।

❐❐❐

বিৰল ব্যক্তিত্বৰ অধিকাৰী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

প্ৰণৱজ্যোতি দৈমাৰী

মাননীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ এগৰাকী সমাজ কৰ্মী, সমাজ সেৱক, সমাজ সুসংগঠক, অনুষ্ঠান প্ৰিয়, সমাজ সচেতন ব্যক্তি, উদ্যমী শিক্ষক হিচাপে আৰু মানৱ দৰদী লোক হিচাপে গোটেই নখাট অঞ্চলজুৰি সুপৰিচিত।

ইয়াৰ উপৰি সমগ্ৰ লেঙেৰী মৌজাৰ, টিংখং সমষ্টিৰ অধিক সংখ্যক লোকৰ লগত সামাজিকভাৱে তেখেতৰ ভাল পৰিচয় আছে।

খুব সম্ভৱ তেখেতৰ জন্ম হৈছিল ১৯৪০ চনত নখাট নগাঁৱত, সেই সময়ত সকলো দিশতে এই অঞ্চলটো পিছপৰা আছিল। তেখেতৰ পিতৃৰ নাম আছিল স্বৰ্গীয় মুকুট সোণোৱাল আৰু মাতৃৰ নাম আছিল ঁজাধৈ।

তেখেত আছিল সৰ্বদিশতে অভাৱগ্ৰস্ত এটি খেতিয়কৰ পৰিয়ালৰ সন্তান। সোনোৱাল কছাৰীৰ মতে কছৰি পৰিয়ালৰ লোক। গাঁৱৰে প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন শেষ কৰি উচ্চ শিক্ষা লাভৰ বাবে লেঙেৰী হাইস্কুলৰ চতুৰ্থ শ্ৰেণীত নামভৰ্তি কৰে। তেতিয়াৰ দিনত যান বাহনৰ কথাই নাছিল। বাট-পথ আছিল লুংলুঙীয়া, ঠায়ে ঠায়ে বোকাপানীৰে ভৰা, ঠায়ে ঠায়ে হিংসুক জীৱই ভৰা হাবি- জংঘলে আৱৰা বিপদ সংকুল। সেয়েহে বহুতো কষ্ট আৰু নানা সমস্যাৰ মাজেদি গৰকি তেওঁলোকে শিক্ষা লাভ কৰিবলগীয়া হৈছিল।

খোৱাং হাইস্কুলৰ পৰাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত কলা বিভাগত নাম ভৰ্তি কৰি কলেজীয়া শিক্ষা জীৱন আৰম্ভ

কৰে। সৰুৰে পৰাই তেওঁ প্ৰতিটো বিষয়তে সজাগ, সচেতন, হিচাপী, সাৱধানী, সময়ৰ সদ্ব্যৱহাৰ কৰি চলা বাবে প্ৰতি বছৰে প্ৰতিটো পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ যথা সময়ত স-সন্মানে বি এ ডিগ্ৰী লাভ কৰে।

বি এ পাছ কৰি ঘৰলৈ আহি আৰু অলপ পঢ়িবলৈ ইচ্ছা আছিল যদিও ঘৰৰ আৰ্থিক অৱস্থাই উৎসাহ প্ৰদান নকৰিলে। অৱশ্যে শিক্ষিত যুৱক-যুৱতীৰ নাম পঞ্জীয়ন বিভাগত পঞ্জীয়কৰ পদত নিযুক্তি লাভ কৰিও কিয় স্থায়ী পদ গ্ৰহণ নকৰিলে সেয়া তেওঁৰ বাহিৰে আন কোনেও নেজানিব।

সেই সময়তে তিনঠেঙীয়া এম ই স্কুলৰ প্ৰধান শিক্ষক স্বৰ্গীয় ৰজনী হাজৰিকাদেৱে তিনঠেঙীয়া বেচৰকাৰী হাইস্কুল প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰিছিল। অনুষ্ঠান গঢ়া আৰু সমাজ সেৱাৰ মানসিকতা থকাৰ বাবে তেওঁ অৰ্থাৎ মাননীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে সেই বেচৰকাৰী বিদ্যালয়তে শিক্ষক হিচাপে নিযুক্তি লৈ ৰাইজৰ সহযোগত বিদ্যালয়খন চৰকাৰীকৰণত আত্ম নিয়োগ কৰিলে। লগতে তেওঁ বিদ্যালয়ৰ কাষতে বৰ্ডিং ঘৰ সাজি তিনঠেঙীয়াৰ স্থায়ী বাসিন্দা হৈ পৰিল। তেখেতে এইদৰে সমাজ সেৱা আৰু অঞ্চলটোৰ ৰাইজৰ লগ লাগি বিভিন্ন ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি তোলাৰ কামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। ৰাইজৰ সহযোগ আৰু তেখেতৰ নেৰানেপেৰা চেষ্টাত তিনঠেঙীয়া হাইস্কুল চৰকাৰীকৰণ হ'ল। তিনঠেঙীয়াৰ আশে- পাশে থকা নানা ধৰণৰ অনুষ্ঠান- প্ৰতিষ্ঠান, উদ্যোগ আদি ৰাইজৰ সহযোগত তেওঁৰ উদ্যোগতেই চৰকাৰীকৰণ হোৱা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। যেনে- পূবেৰুণ কৃষি পাম নিগম আদি।

সেই সময়ৰ শাসক দলৰ এজন উচ্চ শিক্ষিত সক্ৰিয় কৰ্মী হিচাপে সন্মানিত হৈ সত্তৰ দশকৰ পাছৰ মাননীয় প্ৰাক্তন বিধায়ক স্বৰ্গীয় তৰুণ চুতীয়া দেৱৰ সোঁ হাত-বাওঁ হাত হৈ বহুতো কাম কৰি লয়। তিনঠেঙীয়াৰ ওচৰতে মৰিয়া আলিৰ গাতে উত্তৰ দিশে ভূমিহীন ৰাইজৰ বাবে পূবেৰুণ কৃষি পাম নিগম প্ৰতিষ্ঠা কৰি জিলাখনৰ বহুতো ভূমিহীন খেতিয়কক স্থায়ীভাৱে আঠ দহ বিঘাকৈ কৃষি ভূমিত সংস্থাপন কৰি দিয়ে। কৃষি শস্য মজুতকৰণৰ বাবে চৰকাৰী গুদাম ঘৰ সাজি দিয়ে। সেই কৃষি পাম নিগমত এখন এল পি আৰু এখন এম ই বিদ্যালয়ো স্থাপন কৰা হয়। বৰ্তমান মৃতপ্ৰায় যদিও এখন পশু

চিকিৎসালয় প্ৰতিষ্ঠা হয় তিনঠেঙ্গীয়াত। নখাট পশু চিকিৎসালয়ৰ স্থাপনৰ ব্যৱস্থা, নখাট ডাকঘৰ, পানীযোগান আঁচনি আদি আঁচনিসমূহ তেওঁ চেষ্টাতে হোৱা বুলি ক'ব পাৰি। আনহাতে নখাট হাইস্কুল আৰু নলনী চমুৱা এম ই স্কুল প্ৰতিষ্ঠাত তেখেতৰ ভূমিকা সবাতোকৈ অধিক।

তদুপৰি নখাট গাঁৱৰ বৰ নামঘৰ বা ৰাজহুৱা নামঘৰ তেওঁৰেই মানস পুত্ৰ। এই প্ৰসংগ এটা কথা উল্লেখ কৰিবই লাগিব। কথাতো এনেধৰণৰ- এবাৰ এখন খেলত দুখন গাঁৱৰ দুটা যুৱক দলৰ মাজত হঠাৎ বিবাদ হয়। দুই খন গাঁৱৰ অভিভাৱক সকলে যুৱক দল দুটাক মিটমাট কৰি খেলখন খেলিবলৈ কয়। কিন্তু দল দুটাৰ কোনো এটা দলেই আন খন গাঁৱৰ নামঘৰলৈ গৈ মিটমাট কৰাত মানি নলয়। দুই-তিনিজন সমাজ সচেতন, সমাজ হিতৈষী লোকে ভৱিষ্যতৰ কথা চিন্তা কৰি দিনে নিশাই চিন্তা কৰোতে কৰোতে এদিন হঠাৎ বিজ্ঞানী আৰ্কিমিডিছৰ দৰেই মাননীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ মানস পটত এখন ছবি উদ্ভাসিত হয়। ছবিখন হ'ল আমাক এটা বৰ নামঘৰ বা ৰাজহুৱা নামঘৰ লাগে। পাছদিনাৰ পৰাই নামঘৰ প্ৰতিষ্ঠাৰ বাবে সাত আঠখন গাঁৱৰ ৰাইজৰ লগত আলোচনা কৰি প্ৰয়োজনীয় সকলোধৰণৰ চেষ্টাৰ অন্তত বৰ নামঘৰৰ জন্ম হয়।

বৰ্তমান তিনঠেঙ্গীয়া নিৱাসী মাননীয় সোনোৱাল ছাৰ সকলো দিশতে সকলোৰে বাবে এজন উচ্চ স্তৰৰ সন্মানিত ব্যক্তিত্বসম্পন্ন লোক। এজন গাঁৱলীয়া দুখীয়া খেতিয়কৰ সন্তান শ্ৰীৰহেশ্বৰ সোনোৱাল আজি মহাকাব্য ৰামায়ণৰ কুবেৰ সদৃশ। তেওঁ এজন তিনঠেঙ্গীয়া হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক। তিনি গৰাকী পুত্ৰৰ মাজৰজন সেই স্কুলৰে শিক্ষক আছিল। অতি বেদনাদায়ক কথা যে তেওঁৰ অকাল মৃত্যু হৈছে। সৰুজন পুত্ৰ গুৱাহাটীত ঘৰ-বাৰী কৰি এজন ব্যৱসায়ী, তেওঁৰ কন্যা এগৰাকী লেখিকা আৰু ব্যৱসায়ী, ডাঙৰ জন পুত্ৰ আৰ আই এছ পাছ কৰি এজন উচ্চ পদস্থ চৰকাৰী বিষয়া।

তেখেতৰ দৰে এজন শুদ্ধ সমাজ সেৱক, সমাজ কৰ্মী মানুহক ব্যক্তিগতভাৱে শ্ৰদ্ধা ভক্তি দেখুওৱাৰ উপৰি সামাজিকভাৱে স্মৰণ কৰি গুণানুকীৰ্তন কৰাটো আমাৰ কৰ্তব্য। আমাৰ এই কামে আমাক ভৱিষ্যৎ প্ৰজন্মক তেখেতৰ আদৰ্শৰ প্ৰতি আকৰ্ষণ আৰু অনুপ্ৰেৰণা যোগাব বুলি আমি বিশ্বাস কৰো।

অসমীয়া ভাষাৰ ব্যাকৰণৰ অধিক সংখ্যক বিশেষণ শব্দই যেন তেওঁৰ দেহত নিবিড়ভাৱে জড়িত হৈ আছে যেন লাগে।

মানুহ জন এনে এক ব্যক্তিত্বৰ অধিকাৰী যে দেখিলেই মানুহজনৰ প্ৰতি শ্ৰদ্ধা ভক্তি ওপজে। মিঠা বৰণীয়া, সুস্থ সবল, পাহুৱাল প্ৰায় পাঁচ ফুট আঠ ইঞ্চি উচ্চতাৰ সুঠাম দেহৰ পুৰুষ সুলভ চেহেৰা। খং, ৰাগহীন সৰল মুখৰ গাম্ভীৰ্যপূৰ্ণ চেহেৰা তেখেতৰ।

তেখেতৰ লগতে তেখেতৰ পৰিয়ালবৰ্গৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, নখাট এম ভি স্কুল।

❐❐❐

পৰিবাৰ সহ পুৰণি নিজ বাসভৱনৰ সন্মুখত।

মোৰ দৃষ্টিত শ্ৰদ্ধাৰ শ্ৰীৰহেশ্বৰ সোনোৱাল ককাইদেউ

✍ শিৱ নাথ সোনোৱাল

পৰিচয় ঃ ডিব্ৰুগড় জিলাৰ ঔফুলীয়া গাঁৱত কেন্দ্ৰীয়ভাৱে বাইথ' পূজা উদ্‌যাপনৰ বেলিকা বাইথ' পূজাৰ বিষয়ে আলোচনা চক্ৰত আলোচক হিচাপে মই অংশগ্ৰহণ কৰিবলৈ যাওঁতে আলোচনা চক্ৰখনৰ তেখেত সঞ্চালক আছিল আৰু সেই সূত্ৰেই তেখেতৰ লগত প্ৰথম চিনাকি। পৰৱৰ্তী সময়ত সোনোৱাল কছাৰী ছাত্ৰ সন্থা, নাৰী সন্থা, জাতীয় পৰিষদ আৰু কল্যাণ সংঘই আয়োজন কৰা বিভিন্ন সভা-সমিতিত লগ পাই তেনেই ঘৰুৱা হৈ পৰাৰ বাবেই মই তেখেতক ককাইদেউ বুলিয়েই সম্বোধন কৰি ভাল পালো। ঘৰৰ আপোনজন হিচাপে তেখেতৰ ঘৰলৈ গ'লে মোক ভাত-পানী খুৱাইহে পঠাইছিল। মই তেখেতৰ ঘৰলৈ প্ৰথম যাওঁতে গাঁওখনৰ নাম কেনেকৈ তিনঠেঙীয়া হ'ল বুলি মই জানিব বিচৰাত তেখেত ভাতৰ টেবুলতেই দুয়োজনে ভাত খাই থাকোতে এনেদৰে কৈছিল- 'ইয়াৰ উত্তৰ দিশত এখন বিল আছিল। বিলখন বেছি ডাঙৰ নহয়, সৰু বিল আছিল। বিলখনৰ দক্ষিণ পাৰত তিনিফেৰেঙীয়া এজোপা জৰী গছ আছিল। এই তিনিফেৰেঙীয়া গছ জোপাৰ অনুসৰি বিলখনৰ নাম তিনঠেঙীয়া বিল হ'ল আৰু অঞ্চলটোৰ নামো তিনঠেঙীয়া ৰখা হ'ল' বুলি কোৱাত অঞ্চলটোৰ বিষয়ে জানিব পাৰি বৰ আনন্দ পালোঁ।

তেখেত আছিল এজন নিৰ্ভীক, কৰ্তব্যপৰায়ণ, নিষ্ঠাবান আৰু সমাজহিতৈষী। তিনঠেঙীয়াৰ দৰে অতি ভিতৰুৱা আৰু পিছপৰা গ্ৰামাঞ্চলত শিক্ষাৰ পোহৰৰ বাট দেখুৱাবলৈ বহু গুণী-জ্ঞানী, দূৰদৰ্শী আৰু উচ্চাকাংক্ষী এচাম শুভাকাংক্ষী ব্যক্তিৰ বহুত কষ্ট আৰু চেষ্টাৰ বিনিময়ত তথা ৰাইজৰ দান-

বৰঙণিয়ে ১৯৫৬ চনৰ ১ নবেম্বৰত তিনঠেঙ্গীয়া মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ পিছত ১৯৫৭ চনৰ ১ জানুৱাৰীত তিনঠেঙ্গীয়া আদৰ্শ কাৰিকৰী বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। ১৯৬১ চনত তিনঠেঙ্গীয়া ৰাইজে মিলি তিনঠেঙ্গীয়াত এখনি কাৰিকৰী মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰিলে আৰু শ্ৰীৰহেশ্বৰ ককাইদেৰে সেইখন মধ্য ইংৰাজী বিদ্যালয়তেই সহ-শিক্ষক হিচাপে কৰ্ম জীৱনৰ পাতনি মেলে।

মানুহক শিক্ষিত কৰাৰ উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখিয়েই তিনঠেঙ্গীয়াত এখন উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয় ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠিলে যদিও শিক্ষানুষ্ঠান দুখনে চৰকাৰী সাহায্য নোপোৱালৈকে শিক্ষানুষ্ঠানৰ শিক্ষক সকলে অৰ্থৰ যোগাৰৰ বাবে হুঁচৰি আৰু বিহু গাই টকা সংগ্ৰহ কৰিবলগীয়া হৈছিল। ইয়াৰ উপৰি ঘৰে ঘৰে গৈ বাঁহ, খেৰ সংগ্ৰহ কৰিবলগীয়া হৈছিল। তিনি চাৰি পিৰিয়ড ক্লাছ কৰি বাকী সময়ত হাবি কটা, হাঁকৈ বিলৰ পৰা কাঠ অনা, ধান কটাৰ সময়ত হাজিৰা কৰি ধান কাটি অৰ্থ সংগ্ৰহ কৰিবলগীয়া হৈছিল আৰু এই ধনেৰে শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা যোগান ধৰা হৈছিল।

১৯৬১ চনত স্থাপন হোৱা মাধ্যমিক বিদ্যালয়খন সম্পূৰ্ণ ২৩ টা বছৰ অতিক্ৰম কৰাৰ পাছত ১৯৮৪ চনত চৰকাৰে প্ৰাদেশীকৰণ কৰে। শ্ৰীৰহেশ্বৰ সোনোৱাল ককাইদেৰে ১৯৬১ চনত সম্পূৰ্ণ বে-চৰকাৰী মাধ্যমিক বিদ্যালয়ত সহ-শিক্ষকতা কৰি ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰে। ইয়াৰ মাজত তেখেতে শিক্ষকতা কৰা স্কুলখন ১৯৮৪ চনত প্ৰাদেশীকৰণ হোৱাত ২৯ বছৰ চাকৰি জীৱনত মাথোন ৬ বছৰহে চৰকাৰী বেতন ভোগ কৰিবলৈ সুবিধা পালে। বাকী বেচৰকাৰী সময়ছোৱাত ৰাইজৰ দান-বৰঙণিৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হৈছিল যদিও তেখেত থমকি ৰৈ যাবলগীয়া নহৈছিল। তেখেতৰ উল্লেখনীয় কৰ্মৰাজি।

(১) ৰাইজৰ সহযোগত বেচৰকাৰী হাইস্কুল প্ৰতিষ্ঠা হৈছিল যদিও চৰকাৰে তেখেতক এম ই স্কুলতহে চৰকাৰীভাৱে নিযুক্তি দিয়ে।

(২) তেখেতে স্কুলৰ পৰা এবছৰ ছুটী লৈ জিলা মহকুমা পৰিষদৰ নিৰ্বাচন খেলিছিল। কিন্তু বিজয়ী হ'ব নোৱাৰিছিল।

(৩) এবছৰৰ পাছত তেখেতে আকৌ হাইস্কুলত যোগদান কৰি শিক্ষকতা কৰিলে আৰু সেই সময়তো তেওঁ অসম প্ৰদেশ কংগ্ৰেছত সক্ৰিয় কৰ্মী হিচাপে

যোগদান কৰিছিল। তেতিয়াও তেওঁ ডিব্ৰুগড় জিলা কংগ্ৰেছ কমিটীৰ সম্পাদক পদত অধিষ্ঠিত হৈছিল।

(৪) তেখেত জিলা পৰিষদৰ সদস্যও আছিল।

তেখেতে শিক্ষকতা আৰু সামাজিক কাম দুয়োটা দিশতেই সমান্তৰালভাৱে আগবঢ়াই লৈ গৈছিল। আৰু তেখেতৰ উদ্যোগত নিম্নলিখিত শিক্ষানুষ্ঠানসমূহ গঢ় লৈ উঠিল।

ক) নলনী চমুৱা মধ্য ইংৰাজী বিদ্যালয়।

খ) পূবেৰুণ কৃষিপাম মধ্য ইংৰাজী বিদ্যালয়।

গ) তিনঠেঙীয়া প্ৰাথমিক বালিকা বিদ্যালয় আৰু

ঘ) বুঢ়ীখোৱাং মধ্য ইংৰাজী বিদ্যালয়।

ইয়াৰ উপৰি কংগ্ৰেছ পাৰ্টীৰ সদস্য হৈ থাকোতে তিনঠেঙীয়াৰ বহুতো ভূমিহীন পৰিয়ালক নিগমত মাটি বন্দৱস্তি দিয়াত সহায় কৰাৰ উপৰি ব্যক্তিগতভাৱেও বহুতক সহায় কৰিছিল। তেখেতে শিক্ষকতা চাকৰিৰ পৰা ১৯৯০ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষক হিচাপে তেখেতে শিক্ষা দান কৰি অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ আলোকেৰে আলোকিত কৰাৰ উপৰি অৱসৰপ্ৰাপ্ত হোৱাৰ পাছতো বিদ্যালয়খনলৈ অতুলনীয় বৰঙণি আগবঢ়াই আহিছে। অৱসৰ গ্ৰহণৰ পিছত তেখেতে নিম্নলিখিত বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

(১) অৱসৰ গ্ৰহণৰ পাছত তেখেতে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি আছিল।

(২) কেন্দ্ৰীয় বাইথ' মন্দিৰ স্থাপনৰ পৰা অৰ্থাৎ মূল বাইথ' মন্দিৰৰ পৰা আঞ্চলিক ভিত্তিত পশ্চিম ডিব্ৰুগড়ত বাইথ' পূজা অনুষ্ঠিত কৰিবলৈ উলিয়াই অনা প্ৰথমজন ব্যক্তি তেৰেঁই আছিল।

(৩) চাকৰিৰ পৰা অৱসৰৰ পাছত তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ পঞ্চাশটা বৰ্ষ অতিক্ৰম কৰাত ইংৰাজী ২০১১ চনৰ ১৪, ১৫ আৰু ১৬ ডিচেম্বৰত সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি আছিল। সোণালী জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি মাৰাথন দৌৰ প্ৰতিযোগিতা, ভলীবল প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, জ্যোতি সংগীত, ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল।

সোনোৱাল কছাৰী সমাজৰ তেখেত এজন বুদ্ধিজীৱী, চিন্তাশীল ব্যক্তি আৰু বিশিষ্ট নাগৰিক হিচাপে এখন উচ্চ আসন থকাৰ বাবেই সোনোৱাল কছাৰী সকলৰ বিভিন্ন সংগঠনৰ গুৰুত্বপূৰ্ণ আলোচনা সভাত তেখেতৰ আসন সুকীয়া। এনে গুৰুত্বপূৰ্ণ আলোচনাত তেখেতৰ ভূমিকাৰ কিয়দংশ তলত উল্লেখ কৰা হ'ল।

সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সদৌ অসম সোনোৱাল কছাৰী নাৰী সন্থা, সোনোৱাল কছাৰী জাতীয় পৰিষদ, সোনোৱাল কছাৰী সাহিত্য সভা আৰু সদৌ অসম সোনোৱাল কছাৰী কল্যাণ সংঘৰ আহবান ক্ৰমে ১৪ ছেপ্টেম্বৰ ২০১৯ তাৰিখে ডিব্ৰুগড় জিলা গ্ৰামোন্নয়ন বিভাগৰ সভা কক্ষত অনুষ্ঠিত হোৱা নাগৰিক সভাত অসম চুক্তিৰ ৬ নং দফা সম্পৰ্কীয় উচ্চ পৰ্যায়ৰ সমিতিয়ে জাৰি কৰা ৰাজহুৱা শুনানিৰ প্ৰতি সন্মান জনাই সমূহ সোনোৱাল সমাজৰ হৈ সোনোৱালৰ অন্যান্য বুদ্ধিজীৱীসকলৰ লগত তলৰ বিষয়সমূহৰ ওপৰত তেখেতে সহমত প্ৰকাশ কৰে।

(১) ১৯৮৫ চনৰ অসম চুক্তি ৬ নং দফাৰ সন্দৰ্ভত খিলঞ্জীয়া শব্দটোৱে অসমত বসবাস কৰা মানুহ বিলাকক তিনিটা শ্ৰেণীত বিভক্ত কৰিছে। যেনে অসমৰ খিলঞ্জীয়া জনজাতি, খিলঞ্জীয়া অসমীয়া আৰু অন্যান্য খিলঞ্জীয়া মানুহ। খিলঞ্জীয়া শব্দটো নিৰূপণৰ সময় ১৮২৬ চনকেই ভিত্তি বৰ্ষ হিচাপে নিৰূপণ কৰিছে। ইয়াণ্ডাবু সন্ধি আৰু জেনেভা চুক্তিকে ধৰি ভিত্তি বৰ্ষ হিচাপে ১৮২৬ চনটোকেই ৰূপ দিয়াত সোনোৱাল কছাৰী সকলক অসমৰ খিলঞ্জীয়া জনজাতি বুলি উল্লেখ কৰাত তেখেতে কয় সোনোৱাল কছাৰী সকল থলগিৰিৰ প্ৰথম আদিবাসী আৰু প্ৰথম ভূমিপুত্ৰ বুলি গণ্য কৰিব লাগে, কাৰণ সোনোৱাল কছাৰীসকল যীশুখ্ৰীষ্ট জন্মৰ বহু শতিকাৰ আগতেই অসমত প্ৰৱেশ কৰিছিল।

(২) বন বিভাগৰ ভূমিৰ ওপৰত ঃ অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য প্ৰথাগত বনাঞ্চলৰ অধিবাসী (বন অধিকাৰ স্বীকৃত) আইন ২০০৬ ৰ জৰিয়তে বনাঞ্চলত বসবাস কৰা বিশেষকৈ ১৯৫০ চনৰ বৰ ভূমিকম্প আৰু ১৯৫১ চনৰ প্ৰলয়ংকৰী বানপানীত সৰ্বস্বান্ত হোৱা সোনোৱাল কছাৰীসকলৰ লগতে বন ভূমিত যি সকলে পোন্ধৰ বছৰতকৈ অধিক সময় ভোগ দখল কৰি আছে তেওঁলোকক অতি শীঘ্ৰেই ম্যাদী পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বন গাঁও সমূহৰ দৰে Free Simple Grant সমূহৰো ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা

কৰিব লাগে বুলি কয়। লগতে সোনোৱাল কছাৰী সকলৰ যি সকলে পোন্ধৰ বছৰতকৈ অধিক কাল একচনীয়া অথবা তজুবাহী মাটি ভোগ দখল কৰি আছে তেওঁলোকৰ সেই মাটি অতি শীঘ্ৰেই জৰীপৰ দ্বাৰা তথ্য উদ্‌ঘাটন কৰি ভোগ দখলদাৰীৰ নামত ম্যাদি পট্টা প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়াই চৰকাৰলৈ প্ৰেৰণ কৰিবলৈ মত প্ৰকাশ কৰে।

(৩) সোনোৱাল কছাৰী অধ্যুষিত অঞ্চলসমূহত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উদ্যোগ, প্ৰকল্প আৰু প্ৰতিষ্ঠান নিৰ্মাণ কৰি নিৰীহ, সহজ-সৰল সোনোৱাল কছাৰী সকলক নিম্নমানৰ মাটিৰ মূল্য দি বলপূৰ্বকভাৱেৰে তেওঁলোকক উচ্ছেদ কৰি চৰকাৰী উদ্যোগ, প্ৰকল্প আৰু প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। যেনে তিনিচুকীয়া জিলাৰ চাবুৱাত চৰকাৰে সামৰিক ছাউনীৰ ঘাটি পাতি শতাধিক সোনোৱাল পৰিয়ালক ন্যূনতম মাটিৰ মূল্য দি বলপূৰ্বকভাৱে উচ্ছেদ কৰি ভূমিহীন কৰাৰ লগতে সংস্থাপনহীন কৰিলে। একেদৰে ডিব্ৰুগড় জিলাৰ সোনোৱাল অধ্যুষিত অঞ্চল বৰবৰুৱাৰ দুলীয়া লেপেটকটাত থকা শতাধিক পৰিয়ালক ন্যূনতম মাটিৰ মূল্য দি বলপূৰ্বকভাৱে উচ্ছেদ কৰি বি চি পি এল উদ্যোগ স্থাপন কৰিলে। উচ্ছেদিত সকলক মাটিৰ সলনি মাটিটো নিদিলেই ক্ষতিপূৰণ হিচাপে উদ্যোগটোত নিযুক্তিৰো সুবিধা নিদিলে। এইদৰে ডিব্ৰুগড় জিলাৰ নিজ মানকটা গাঁৱৰ নতুন ডিব্ৰুগড় ৰেল ষ্টেচন স্থাপন কৰিবলৈ বহুতো পৰিয়ালক ভূমিহীন কৰাৰ লগতে উক্ত ষ্টেচনতেই সংস্থাপনহীনো কৰিলে। এই বিষয়বোৰ তেখেতে দাঙি ধৰিছিল। জাতীয় চেতনাৰ ওপৰত তেখেতৰ সিদিনাৰ ভাষণ অতি তত্ত্বগধুৰ আছিল আৰু ভৱিষ্যতে ভূমি উচ্ছেদকৰণ প্ৰক্ৰিয়াত সচেতন হ'বলৈ আহবান জনায়।

লেখক ঃ প্ৰাক্তন মুখ্য সম্পাদক, সোনোৱাল কছাৰী সাহিত্য সভা।

❒❒❒

ওম শ্ৰীশ্ৰী গোবিন্দ জয়তিঃ

✍ ডিম্বেশ্বৰ সোনোৱাল

এগৰাকী স্বনাম ধন্য ব্যক্তি সন্মানীয় ৰহেশ্বৰ সোনোৱালদেৱ যি গৰাকী ব্যক্তিৰ কথা আজি আমি লেখাৰে প্ৰকাশ কৰিব বিচাৰিছোঁ। আমাৰ সামান্য মগজুৰে তেখেতৰ গুণানুকীৰ্তনত ত্ৰুটী বিচ্যুতি হ'লে ক্ষমা মাৰ্জনা কৰিব।

দেখাত সুন্দৰ, সুঠাম, খোজত গাম্ভীৰ্য ওখ- পাখই এগৰাকী বিশিষ্ট গুণসম্পন্ন ব্যক্তি আমাৰ ৰহেশ্বৰ সোনোৱালদেৱ। জনজাতীয় ব্যক্তি হিচাপে পাহুৱাল বাহুৱান, ভৰি ভোলোকা গছৰ দৰে সবল, বলিষ্ঠ আৰু সুঠাম চেহেৰা সম্পন্ন এগৰাকী সোনোৱাল জনজাতি কছাৰী সম্প্ৰদায়ৰ ব্যক্তি। খোজত গম্ভীৰ, বচনত ধীৰ, ধৈৰ্য সম্পন্ন, সাহসী এগৰাকী মুখিয়াল ব্যক্তি। অভাজন মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পিছতেই প্ৰায় ১৯৭৫ চনত তেখেতৰ সান্নিধ্যলৈ আহিলো। এক অজান পাশত সোনোৱাল ছাৰৰ লগত আত্মীয়তাত বান্ধোন খাই পৰিছিলোঁ। বাঘ-সিংহ দেখিলে যেনেকৈ শিয়াল-শহাই ভয়ত বিতত হয় তেনেকৈ বহুলোকে সোনোৱাল ছাৰৰ সন্মুখত উপস্থিত হ'লে ঠেঁটুৱা ধৰাদি ধৰা যায়। কিন্তু সোনোৱাল ছাৰ প্ৰকৃততে তেনে ব্যক্তি নহয়। বহুল বুকুখনত তেখেতৰ সমাজৰ প্ৰতি, এগৰাকী ব্যক্তিৰ প্ৰতি অতি চেনেহ শ্ৰদ্ধা আছিল। প্ৰতিজন ব্যক্তিৰ প্ৰতি সমদৃষ্টি, সমতা প্ৰদৰ্শন কৰিছিল তেখেতে।

কথিত আছে যে-

সাপৰ সমান খং কাৰো নাই ।

উপজিয়েই মানুহ ডাঙৰ- দীঘল হয়। ডাঙৰ- দীঘল হৈয়ে মানুহে জীৱনৰ বাটত খোজত খোজ মিলাই যাবলৈ শিকে। সোনোৱাল ছাৰে নিজৰ ভৰিৰ

ওপৰত নিজে থিয় হৈ জীৱনৰ সেন্দূৰীয়া বাটত আগবাঢ়ি গৈ এক আদৰ্শনীয় পথ বাছি ল'লে। সেয়া হ'ল শিক্ষকতা। ব্যক্তিৰ ব্যক্তিত্বই নিজৰ পৰিচয়। জানিব পৰা মতে ছাৰৰ কাৰ্যকালত সুদূৰ জৰিগুৰি, মাজবাম, গড়পথাৰ, ভোগালী পথাৰ, বালিজান, চৰাইহাবি ১ নং, চৰাই হাবি ২ নং ৰৌমাৰী তিনঠেঙীয়া, পানধোৱা আদি গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে সোনোৱাল ছাৰৰ বিদ্যালয়তেই অধ্যয়ন কৰিছিল। আজিও তেখেতৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বহুত। অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈ চৰকাৰী চাকৰিত মকৰল হৈ আছে। শিক্ষকতা কৰি তেখেতে নিজৰ জীৱনত কি পালে কি নাপালে সেয়া আমাৰ প্ৰকাশ কৰিবলৈ অধিকাৰ নাই। কিন্তু নিজৰ ছাত্ৰ-ছাত্ৰীক যি যি শিক্ষা প্ৰদান কৰিলে সেয়া আজিও স্মৃতিৰ পটত স্পষ্ট হৈ জিলিকি আছে।

শিক্ষা দানৰ ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আজিও তেখেতৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ আছে। শাসনত গম্ভীৰ, মৰমিয়াল, হাস্যৰসিক, পিতৃস্নেহ অভিভাৱক হিচাপে শাসনৰ গণ্ডীত ৰাখি যি মহান আদৰ্শ দিলে সেয়া এক মহান আদৰ্শ।

ভগৱন্তৰ অৱদান স্বৰূপে তেখেত তিনি পুত্ৰকে মুখ্য কৰি এগৰাকী সুযোগ্য কন্যা সন্তানেৰে সাংসাৰিকভাৱে সুখী পৰিয়ালৰ গৰাকী। কেউজনে নিজ নিজ ভাগ্যৰ বলত কৰ্মসংস্থাপন লৈ নিজৰ সুখৰ সংসাৰত পৰিব্যস্ত হৈ সাংসাৰিক গতিত ধাৱমান হৈ আছে। সুযোগ্য সন্তান হিচাপে নিজৰ জীৱন সংস্থাপিত কৰি গৈছে।

সামাজিক আৰু ৰাজনৈতিক জীৱনৰ পৰিক্ৰমাত শিক্ষা, স্বাস্থ্য, কলা-কৃষ্টি আদি অনুষ্ঠান-প্ৰতিষ্ঠানত তেখেতৰ অৱদান বিশেষভাৱে উল্লেখনীয়। নিবনুৱাক সংস্থাপন, ভূমিহীনক ভূমিদান, গৃহহীনক গৃহদান আদি দিশসমূহ বিশেষভাৱে উল্লেখনীয়।

পিতৃ -মাতৃৰ এক সুযোগ্য সন্তান স্বৰূপে নিজৰ পৰিয়াল বৰ্গক এক উচ্চ শীৰ্ষত সংস্থাপিত কৰি ধন্য জীৱন লাভ কৰি সমাজৰ এক বিৰল ব্যক্তি হিচাপে পৰিচিত হৈ জাতিৰ মানদণ্ড এক উচ্চ স্থানত সংস্থাপিত কৰাৰ বাবে আমি সকলোৱে তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

সৃষ্টিৰ ত্ৰাণকৰ্তা- স্থিতি আৰু লয় কৰ্তাজনৰ লগত সম্বন্ধ বান্ধোনত আৱদ্ধ হৈ যি আদৰ্শৰে আলোকিত হ'ল এয়া এক জাতিৰ তথা দেশৰ গৌৰৱ।

এনে এক বিৰল ব্যক্তিৰ ব্যক্তিত্ব লেখাৰে প্ৰকাশ কৰিবলৈ পোৱাত আমি নথৈ আনন্দিত। পুনশ্চ প্ৰাৰ্থনা জনালোঁ- কিবা ভুল ত্ৰুটী ৰৈ গ'লে পুনৰ ক্ষমা-মাৰ্জনা কৰিব।

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, গড়পথাৰ প্ৰাথমিক বিদ্যালয়।

❒❒❒

আউনী আটীয় সত্ৰ দৰ্শন।

মোৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলোৱা নমস্য শিক্ষাগুৰুজন

✍ **ভূপাল সোনোৱাল**

মোৰ মনৰ ভিতৰত নজহা-নপমাকৈ থকা শিক্ষকৰ সংখ্যা তাকৰ নহয়। জীৱন যাত্ৰাৰ প্ৰতিটো খোজতে শিক্ষাগুৰু সকলৰ সান্নিধ্যই মোক উজ্জীৱিত কৰি ৰাখিছে। বহু শিক্ষকৰ দিহা-পৰামৰ্শই মোক উপকৃত কৰি আহিছে। শিক্ষকৰ শিক্ষা, আমাক মানুহ কৰি তুলিবলৈ দেখুওৱা ভয়, ধমকি আদিবোৰ যেন মোৰ জীৱনৰ সাৰ স্বৰূপ আছিল। শিক্ষাগুৰুৰ কোমল আৰু কঠোৰ শাসনে মোৰ জীৱন পুষ্ট কৰিছিল।

গ্ৰীক দাৰ্শনিক, আদৰ্শ শিক্ষক ছক্ৰেটিছৰ এষাৰ কথাই মোৰ জীৱনত প্ৰভাৱ পেলাইছিল। "তুমি কেৱল নিজে সৎ হ'লে নহ'ব, তুমি হ'ব লাগিব আনৰো সততাৰ প্ৰেৰণা।" এই বাণী মোৰ নমস্য শিক্ষাগুৰু ৰহেশ্বৰ সোনোৱালদেৱৰ পৰা শুনিছিলো। তেখেতৰ এনে প্ৰেৰণামূলক কথাই মোক মানসিকভাৱে কৰি তুলিছিল শক্তিশালী। তেখেতৰ উৎসাহমূলক কথাই নিজকে আত্মবিশ্লেষণ কৰিবলৈ শক্তি প্ৰদান কৰিছিল।

ঋষিতুল্য গুৰুজনৰ কথাই-কামে মোক অভিভূত কৰি তুলিছিল। মোৰ চিন্তা-চেতনাক সমৃদ্ধ কৰি তুলিছিল। ছাৰৰ তীক্ষ্ণ দৃষ্টি, গহীন-গম্ভীৰ চলন, বাক স্পষ্টতাই আমাক মুগ্ধ কৰিছিল। তেওঁ জ্ঞানেৰে গঢ়ি পিটি আমাক ভাল মানুহ কৰি বিচাৰিছিল। প্ৰকৃত শিক্ষক হিচাপে কষ্ট আৰু ত্যাগক আমি সদায়েই সন্মান কৰোঁ। তেওঁ আমাক কৰ্তব্যপৰায়ণ আৰু সুশৃংখল হ'বলৈ সকীয়াই দিছিল। তেখেতৰ মাত-কথা, চাল-চলন আৰু অধ্যয়নে আমাক আকৃষ্ট কৰিছিল। তেওঁক আমি সততে অনুকৰণ কৰিছিলোঁ। তেওঁৰ আদৰ্শই আমাক জীৱন সংগ্ৰামত

আগবাঢ়ি যোৱাত বৰঙণি যোগাইছিল। এনে এজন আদৰ্শ শিক্ষক মোৰ জীৱনত লগ পোৱাটো মোৰ দৰে অনেক ছাত্ৰ-ছাত্ৰীৰ সৌভাগ্য। তেওঁ মোৰ জীৱনৰ এনে এগৰাকী শিক্ষক যি মোৰ লগতে আন বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন সম্পৰ্কে থকা ধাৰণাই সলনি কৰি পেলাইছিল। তেওঁ আমাক ইংৰাজী আৰু গণিত পঢ়ুৱাইছিল। দুয়োটা বিষয়তে তেওঁ আছিল জ্ঞানৰ বিশাল ভঁৰাল।

অংক বিষয়ত মই আছিলোঁ বৰ দুৰ্বল। গণিতৰ বিষয়-বস্তুবোৰ ভালদৰে বুজা নাছিলোঁ। অংক বুলিলেই ভয় লাগে। তাতে ছাৰৰ এছাৰিৰ কোব। ছাৰৰ এই ক্লাছটো নাযায়-নুপুৱায় লাগে। অংকৰ ধুঁৱলী-কুঁৱলী ধাৰণা আৰু ছাৰৰ হেঁচাই মোক ভালদৰে শিকিবলৈ বাধ্য কৰাইছিল। একোজন সৎ ব্যক্তি গঢ়াৰ যি মানসিকতা এই ক্লাছটোৰ জৰিয়তে মই বুজি পাইছিলো। তেওঁৰ প্ৰতি শ্ৰদ্ধা আৰু সেৱাৰ মনোভাব কমাৰ পৰিবৰ্তে বৃদ্ধিহে পাইছিল। শিক্ষাদানৰ বেলিকা তেওঁ আমাক প্ৰণোদিত (motivate) কৰিছিল। এয়া আছিল তেওঁৰ শিক্ষাদানৰ অনন্য গুণ।

আমি কিয় পঢ়িব লাগে? আমি কিয় জানিব লাগে? এইবোৰ উত্তৰ আমি ছাৰৰ পৰাই পাইছিলোঁ। এনে এজন মহান গুৰুৰ সান্নিধ্য পোৱাৰ বাবেই হয়তো আজি দুবেলা-দুমুঠি খাই জীৱনটো উদ্‌যাপন কৰিব পাৰিছোঁ।

"Good teacher knows how to bring out the best in student" কথাষাৰ ছাৰৰ ক্ষেত্ৰতে প্ৰযোজ্য। তেওঁ ছাত্ৰ-ছাত্ৰীক জীৱনৰ পথ দেখুৱাব জানিছিল, দেখুৱাই দিছিল ভৱিষ্যতৰ ঠিকনা। সেই বাবেই তেওঁ এজন প্ৰকৃত আদৰ্শ শিক্ষক।

তেওঁ কেৱল শিক্ষকেই নাছিল। আছিল এজন সঁচা খেতিয়ক, জীৱ-জন্তু পালক আৰু বৃক্ষৰোপক। সকলো খেতি নিজ হাতে কৰি উৎপাদন বঢ়াইছিল। উন্নত পদ্ধতিৰে খেতি কৰি এজন আদৰ্শৱান কৃষক হিচাপে পৰিচয় দিছিল।

তেওঁ জীৱ-জন্তুপ্ৰেমী আছিল। গৰু, ম'হ, ছাগলী, হাঁহ, কুকুৰা পুহিছিল। জীৱ-জন্তুৰ প্ৰতি থকা মৰম-চেনেহে তেওঁক অন্য এক পৰিচয় দাঙি ধৰিছিল। তেওঁ আছিল বৃক্ষপ্ৰেমী। বহু আগতেই গম পাইছিল গছেই মানুহক সুৰক্ষা দিয়ে। গছেই উশাহ দিয়ে। গছেই জলবায়ু নিয়ন্ত্ৰণ কৰে। সেয়েহে তেওঁ গছপুলি ৰুই বনানীকৰণত গুৰুত্ব দিছিল। গছ কটাত বাধা দিছিল। কিন্তু তেওঁৰ আদৰ্শ গ্ৰহণ

নকৰা বাবেই এতিয়া উৎকট গৰম, বৰষুণ কম হোৱা আদি গোলকীয় সমস্যাই দেখা দিছে।

তেওঁ আছিল অঞ্চলটোৰ এজন সঁচা ৰাজনীতিবিদ। তেওঁৰ কৰ্ম আৰু চিন্তাই তাৰ প্ৰমাণ দিয়ে। মিথ্যাৰ আশ্ৰয় নোলোৱা, মিছা প্ৰতিশ্ৰুতি নিদিয়া এজন আদৰ্শ ৰাজনীতিবিদ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে। তেওঁ লেঙেৰী অঞ্চলৰ গৌৰৱ।

নিজৰ জাতি, ভাষা-সংস্কৃতিৰ উন্নয়নৰ হকে, সমাজ জীৱনৰ বাবে নিজকে উছৰ্গা কৰি আহিছে। সোনোৱাল কছাৰী সকলৰ সামাজিক, আৰ্থিক, সাংস্কৃতিক, শৈক্ষিক আদি দিশত উন্নয়নৰ হকে নিজকে আত্মনিয়োগ কৰি আহিছে। ডিব্ৰুগড় জিলাত সোনোৱাল কছাৰী সকলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰি তুলিছে। নিজৰ জাতিক ভালপোৱা, দেশক ভালপোৱা এই জন মহান ব্যক্তিৰ জীৱন যাত্ৰা সঁচাকৈয়ে বৰ্ণময়।

ছাৰৰ উমাল সান্নিধ্য সদায় মনত থাকিব। তেখেতৰ জীৱন কালতে অভিনন্দন গ্ৰন্থেৰে সন্মান জনাব বিচাৰটো প্ৰশংসনীয় পদক্ষেপ। তেখেতৰ বিষয়ে যৎকিঞ্চিৎ লিখিলোঁ। ভুল-ভ্ৰান্তি হ'ব পাৰে। এয়া স্বাভাৱিক।

বয়সে হাৰ মনাব নোৱাৰা ছাৰলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। ছাৰৰ স্বাস্থ্য সুন্দৰ হৈ থাকক। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। তেওঁৰ মনৰ হেঁপাহ আৰু সপোনবোৰ পূৰ হওক। তেখেতৰ জীৱন যাত্ৰালৈ অলেখ শুভেচ্ছা জনালোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন

সোমেশ্বৰ দত্ত

সিদিনা অলপতে ৰহেশ্বৰ সোনোৱালদেৱৰ কৰ্মজীৱনৰ প্ৰতি অভিনন্দন জনাই তিনঠেঙ্গীয়া অঞ্চলৰ ৰাইজে এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ মনস্থ কৰিছে বুলি জানিব পাৰি অতিশয় আনন্দিত হ'লো। এনে এখন অভিনন্দন গ্ৰন্থই তেখেতৰ লগতে অঞ্চলটোৰ স্মৃতি সংৰক্ষণ কৰি ভৱিষ্যতে এখন বুৰঞ্জীত পৰিণত হ'ব বুলি মই আশাবাদী।

বন্ধু, শান্তিৰ আৰু সুধাৰ মাধুৰ্য বিকশিত কৰাৰ উদ্দেশ্যেই সীমাহীন মহাসাগৰত মন মেলি দিছোঁ। অবিদিত তাৎপৰ্যৰ গৰ্ভত ফুলি থকা প্ৰাণ সঞ্জীৱনী আৱিষ্কাৰৰ হেতু অনাবিল হৃদয়তাৰ বুকুত বুৰ মাৰিছোঁ, ম্লানতাৰ কাৰেং ৰচিবলৈ নহয়, বন্ধু শান্তিৰ নৈ চাক গঢ়িবলৈহে, পিছে অল্পজানৰ অভাৱত এভাৰেষ্ট শৃংগত বিজয় কৰিবলৈ যোৱাতো বাস্তৱিকতে নিষ্ফল। কামনা আৰু কল্পনাৰ অতীতৰ কাৰেং ৰচিবলৈ যোৱাটো মিছা প্ৰয়াস মাত্ৰ।

অলৌকিক জীৱনৰ লৌকিকতাৰ সন্ধানত ব্ৰতী হ'বলৈ, শোক লগা পাৰিপাৰ্শ্বিকতাই বাধ্য কৰালেও মানৱতাৰ মান কেতিয়াও প্ৰকৃততে তেনে নহয়। কায়িক কষ্টৰে ভৰা অঁকোৰা-পকোৰা বাট, মহ, ডাঁহ, জোক, চেৰেপা আদিৰে ভৰা।

মানুহৰ জীৱন ঠিক তেনেকুৱাই ঘাত-প্ৰতিঘাতৰ মাজেদিয়ে জীৱন। বন্ধু, জীৱনত তিনিটা কাল পাৰ কৰিলো ঘাত প্ৰতিঘাতৰ মাজেদিয়েই। শিশু কাল, যৌৱনকাল, বৃদ্ধ কাল, অন্তিম কালৰ কথা কোনোৱে ক'ব নোৱাৰে।

মই ১৯৩২ চনত জন্মগ্ৰহণ কৰো। ১৯৫০ চনৰ বৰভুঁইকঁপৰ সময়ত আমাৰ

ঘৰ টিংখঙৰ ধমন কেন্দুকুৰিত আছিল। মই তেতিয়া দশম শ্ৰেণীৰ ছাত্ৰ। ভুঁইকঁপৰ ফলত আমাৰ গোটেই অঞ্চলটোৰ মাটি বহি হৈ সাগৰত পৰিণত হ'ল। গছ-গছনিত উঠি আমি কোনোমতে জীৱনটো বচালো। আমাৰ প্ৰায় এশঘৰ মানুহ এঘৰীত পৰিণত হ'লোঁ। অৱশ্যে কমিউনিষ্ট পাৰ্টীৰ মানুহখিনিয়ে ৰাইজক সাহস দি একগোট কৰি ৰাখিলে। তেতিয়া অসমৰ ৰাজধানী শ্বিলঙত। আমি সকলোৱে ৰাজধানী শ্বিলঙৰ চৰকাৰৰ ঘৰত লাগি মেলি ডিগবৈৰ লক্ষীপথাৰত আমাৰ পুনৰসংস্থাপনৰ ব্যৱস্থা কৰিলো। কিন্তু তাতো আমাৰ সমস্যাই লগ এৰা নিদিলে। একেখিনি মাটিত মাকুম-ডিগবৈৰ বন বিষয়া নেওগ বোলা এজনে ডিব্ৰুগড়ৰ ৰহমহীয়া মৌজাৰ এশ ঘৰ পৰিয়ালক আনি আমাক বহিবলৈ দিয়া মাটিতে মাটি আবণ্টন দিলে। লাগিল সংঘাত। আমাক উচ্ছেদ কৰিবলৈ দুটা হাতী লৈ আনিলে আৰু আমাৰ জুপুৰি ঘৰবোৰ এফালৰ পৰা ভাঙিবলৈ ধৰিলে। আমিও বৈ নাথাকিলো। বন বিষয়া নেওগক লাঠী, শিলগুটিৰে আক্ৰমণ কৰি বহু দূৰ চোঁচৰাই নিছিলো। আমি তেতিয়া ডেকা আছিলো। এনে অন্যায় সহ্য কৰাটো আমাৰ বাবে সম্ভৱ নাছিল। বয়সস্থ মানুহবোৰে বাধা দিয়াতহে কোনো মতে নেওগ বোলাজন বাচিলে। যি কি নহওক ১৯৫৩ চনত আমাৰ অঞ্চল তথা আন কিছুমান ঠাইৰ বিভিন্ন জাতি-জনজাতি, সম্প্ৰদায়ৰ পৰিয়ালবোৰ লগ হৈ তাৰ পৰা আহি নামদাং ফৰেষ্টত ঘৰ পাতিলোহি। কিন্তু চৰকাৰী নিয়ম অনুসৰি আমাক যদিও ৩৫ বিঘাকৈ মাটি দিব লাগে, কিন্তু আমি ১৫ বিঘাহে পালোঁ। অৱশ্যে উপায়ো নাছিল। ইয়াতো বন বিষয়াই গাইপতি ২০০ টকাকৈ উপঢৌকন বিচাৰিলে। পিছত চৰকাৰৰ ঘৰত অভিযোগ দিয়াত সকলোৰে চাকৰি গ'ল। কিছুমানক বদলি কৰিলে। এইখনেই এতিয়া বৰ্তমানৰ কোঁচ গাঁও। তাৰ পিছত এই অঞ্চলৰে উদ্যমী যুৱক ৰহেশ্বৰ সোনোৱালক লগ পাওঁ। তেতিয়া ৰহেশ্বৰ সোনোৱালে পঢ়ি আছে। মোতকৈ বয়সত সৰু। বাট-পথ নথকা, হাবি-জংঘলেৰে আৱৰি থকা অঞ্চলটোৰ উন্নতিৰ কথা-বতৰাই আমাৰ দুয়োজনক ওচৰ চপাই আনে। নিজৰ পৰিয়ালৰ চিন্তা-ভাৱনা আমি কৰাই নাছিলো। অনবৰতে সমাজখনৰ উন্নতিৰ কথাই চিন্তা কৰো। আৰ চি পি আইৰ নেতা স্বৰ্গীয় ৰজনী হাজৰিকাই আগভাগ লৈ তিনঠেঙীয়া মজলীয়া বিদ্যালয় স্থাপন কৰিলে। কিন্তু কমিউনিষ্ট মানুহে স্থাপন কৰা বুলি বিদ্যালয়খনৰ প্ৰতি চৰকাৰে অৱহেলাৰ চকুৰে চাইছিল। এইখন বিদ্যালয়তে আহি ৰহেশ্বৰ সোনোৱালে শিক্ষকতা আৰম্ভ কৰিলে। দৰমহা বুলিবলৈ একো

নাই বুলিব পাৰি। তথাপি নিজৰ ত্যাগ স্বীকাৰ কৰি ৰহেশ্বৰ সোনোৱালে শিক্ষকতা কৰিছিল। তেখেতৰ চেষ্টাতে বহু বছৰ পিছত বিদ্যালয়খন চৰকাৰীকৰণ হয় আৰু হাইস্কুল পৰ্যায়লৈ উন্নীত হয়। তেখেতে অঞ্চলটোৰ ভালে কেইখন বিদ্যালয় স্থাপন কৰিলে। ময়ো এজন সৈনিক হিচাপে সদায়ে তেওঁৰ লগত থাকো। ৰহেশ্বৰ সোনোৱালৰ লগত স্কুলৰ কামত আমি বহু ঠাইত গৈছো। মই স্কুলৰ পৰিচালনা সমিতিৰ সদস্য আছিলো। কেতিয়াবা স্কুলৰ ল'ৰা-ছোৱালীবোৰক পিকনিকৰ বাবে বেলেগ বেলেগ ঠাইলৈ গৈছিল-মই অভিভাৱক হৈ লগত গৈছিলো। আমাৰ দিনত এজন শিক্ষকেই সকলো বিষয় পঢ়ুৱাব লগা হৈছিল। এতিয়া অৱশ্যে প্ৰত্যেক বিষয়ৰ শিক্ষক বেলেগ বেলেগ থাকে।

ৰহেশ্বৰ সোনোৱাল ভাল ফুটবল খেলুৱৈ আছিল। ময়ো তেখেতৰ লগত খেলতো অংশগ্ৰহণ কৰিছিলো। ইয়াৰ পিছত আমি কংগ্ৰেছ দলৰ সদস্য হিচাপে ৰাজনৈতিক পথাৰখনত নামি পৰো। দলৰ কামত আমি দুয়ো বহু জিলালৈ গৈছো, ডিব্ৰুগড় (অবিভক্ত) জিলাৰতো কথাই নাই। সেই সময়ত আৰ চি পি আই (বিপ্লৱী কমিউনিষ্ট পাৰ্টী) আমাৰ অঞ্চলত সক্ৰিয় আছিল। আমাৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বী কমিউনিষ্ট সকল আছিল। কমিউনিষ্ট সকলেও সমাজৰ হিতৰ বাবে কাম কৰিছিল। যি কি নহওক, ৰহেশ্বৰ সোনোৱাল মোৰ লগত ছাঁৰ দৰে আছিল।

তিনঠেঙীয়া, নখাট নগাঁও, ভোগালী পথাৰ আদি বিশাল অঞ্চলটোৰ ৰাস্তা ঘাট, চিকিৎসা কেন্দ্ৰ, বিদ্যালয় আদি সকলো ক্ষেত্ৰতে উন্নতি সাধন কৰাৰ ক্ষেত্ৰত যি সকলে অগ্ৰণী ভূমিকা লৈছিল সেই সকলৰ ভিতৰত ৰহেশ্বৰ সোনোৱালৰ নামটো সদায়ে জিলিকি থাকিব। মোৰ বয়স বৰ্তমান ৯৩ বছৰ। মই এজন জ্যেষ্ঠ হিচাপে তেওঁৰ আদৰ্শৰ সদায় শলাগ লওঁ আৰু তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ সমাজ সেৱক, কোঁচ গাঁও।

❐❐❐

সোনোৱাল ছাৰৰ সান্নিধ্যত

ৰবীন বড়া

মানুহৰ কৰ্মই ধৰ্ম। নিজ কৰ্মৰ যোগেদিহে এজন ব্যক্তিয়ে নিজৰ পৰিচয় দিবলৈ সক্ষম হয়। নিজৰ কৰ্মৰ যোগেদি নিজকে চিনাকি দিবলৈ সক্ষম হোৱা এজন নমস্য ব্যক্তি হ'ল আমাৰ শিক্ষাগুৰু তথা তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ। জিলাখনৰ এজন সুপৰিচিত ব্যক্তি। শৈক্ষিক, সামাজিক আৰু ৰাজনৈতিক আদি সকলোতে তেখেতৰ অৱদান অতুলনীয়। ওখ-পাখ, শকত আৰু নিৰ্ভীক মানুহজনক মই প্ৰথমে ক'ত লগ পাইছিলোঁ মোৰ সবিশেষ মনত নাই। যদিও যেতিয়া মই হাইস্কুলত পঢ়িবলৈ গৈছিলোঁ তেতিয়াৰ পৰা তেখেতক মই ওচৰৰ পৰা লগ পাবলৈ সক্ষম হৈছিলোঁ। তেখেতে আমাক অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ ইংৰাজী পঢ়াইছিল। অতি সুন্দৰভাৱে তেখেতে পাঠদান কৰা কথা মোৰ এতিয়াও মনত আছে। ইংৰাজী ব্যাকৰণৰ প্ৰতিটো কথাই পুংখানুপুংখভাৱে তেখেতে বুজাই দিবলৈ সক্ষম হৈছিল। যাৰ ফলস্বৰূপে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী বিষয়ত অধিক নম্বৰ পাবলৈ সক্ষম হৈছিল।

এদিনাখনৰ কথা। তেখেতে পাঠদান কৰাৰ সময়তে ধাৰাসাৰ বৰষুণ দিলে। জৰাজীৰ্ণ বিদ্যালয়ৰ খেৰী চালৰ বিন্ধাইদি টোপ টোপকৈ পানী পৰিবলৈ ধৰাত আমাৰ এজন সহপাঠীয়ে ছাৰক ক'লে, "ছাৰ পানী পৰিছে।" কথাষাৰ শুনি ছাৰে আমাক কৈছিল "পানী নপৰি কি গাখীৰ পৰিব নেকি?" তেখেতৰ কথাষাৰ শুনি আমি হাঁহিছিলো যদিও অলপ ভয়ো লাগিছিল, জানোচা কিবা

কৰেই বা আচলতে পাছত বুজি উঠিছিলো যে বিদ্যালয়খনৰ জৰাজীৰ্ণ ৰূপ দেখি ছাৰেও মনতে বৰ দুখ পাইছিল আৰু সেইবাবেই হয়তো কথাষাৰ আমাক দুখেৰে ক'বলগীয়া হৈছিল।

তেখেতৰ শিক্ষাদানৰ কথা কওঁতে আৰু এটা কথা উল্লেখ নকৰিলে হয়তো তেখেতৰ বিষয়ে কোৱাটো সম্পূৰ্ণ হৈ নুঠিব। তেখেতে সদায় শিক্ষাদান কাৰ্যত এছাৰি প্ৰয়োগ কৰিছিল। কোনো ছাত্ৰ-ছাত্ৰীয়ে তেখেতে সোধা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে শাস্তি বিহিছিল। অৱশ্যে তেখেতে এই কাম ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণৰ বাবেহে যে কৰিছিল ই ধ্ৰুৱসত্য।

তেখেতে অকল শৈক্ষিক দিশতে আগবাঢ়ি গৈছিল এনে নহয়। শৈক্ষিক দিশৰ লগতে ৰাজনৈতিক দিশতো তেখেতে সফল খোজ দিছিল। এবাৰ তেওঁ জিলা পৰিষদৰ সদস্য হোৱাও আমি দেখিবলৈ পাইছো আৰু ইয়াৰ যোগেদি তেখেতে বিভিন্ন উন্নয়নমূলক কাম কৰা দেখা গৈছিল। তদুপৰি বিভিন্ন জনে দিহা-পৰামৰ্শ তথা বিভিন্ন কাম-কাজ কৰিবলৈ তেখেতৰ ওচৰ চপা আমি দেখিবলৈ পাওঁ। ইয়াৰ উপৰি তেখেতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সভা-সমিতিত ভাগ লোৱা পৰিলক্ষিত হয়।

ধৰ্মীয় কাম-কাজৰ ক্ষেত্ৰতো তেখেতৰ অৱদান আছে যিটোক আমি কেতিয়াও উপেক্ষা কৰিব নোৱাৰো। ৰৌমাৰী গাঁৱৰ কাষতে থকা আই মাৰ থানৰ গৃহটি নিৰ্মাণত তেখেতে আগভাগ লৈছিল। ভোগালী পথাৰ গাঁও আৰু ৰৌমাৰী গাঁৱৰ বাসিন্দা সকলৰ পৰা বৰঙণি সংগ্ৰহ কৰি উক্ত গৃহটি নিৰ্মাণত তেখেতৰ যথেষ্ট অৱদান আছে। যিটোক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

তেখেতৰ বিষয়ে আলোচনা কৰোঁতে তেখেতৰ পৰিয়ালৰ বিষয়েও নিশ্চয় দুটামান কথা কোৱাটো উচিত হ'ব। তেখেতক আমি এজন সফল পিতৃ বুলিয়েই ক'ব পাৰো। কাৰণ তেখেতৰ বৰ পুত্ৰক প্ৰশাসনিক বিষয়া ৰূপে গঢ়ি তোলাত পিতৃ মাতৃৰ যথেষ্ট দায়িত্ব থাকে। যিটো দায়িত্ব তেখেতে সুকলমে পালন কৰিছিল বুলি মই ভাবোঁ।

শেষত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো আজিৰ তাৰিখলৈকে তেখেতে সুস্থ শৰীৰে ঘৰুৱা কাম-কাজ কৰি জীৱনৰ কণ্টকময় পথত আগুৱাই

যোৰা আমি দেখিবলৈ পাওঁ। মই যেতিয়া স্কুললৈ যাওঁ তেতিয়া তেখেতক ঘৰৰ সন্মুখৰ বাৰীখনত কাম কৰি থকা দেখা পাওঁ আৰু ইয়ে তেখেতক সুস্থভাৱে ৰখাত সহায় কৰিছে। সদৌ শেষত তেখেতৰ সুস্বাস্থ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

লেখক ঃ শিক্ষক, তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

পৰিবাৰ সহ ভগ্নী, মাজু পুত্ৰ, মাজু বোৱাৰী আৰু আত্মীয়ৰ সৈতে।

শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে সান্নিধ্যৰ একলম

হৰেশ্বৰ বৰা

অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ সঁচা অৰ্থত এগৰাকী সমাজ হিতৈষী ব্যক্তি। তেখেতৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যই মোক বাৰুকৈয়ে আকৰ্ষিত কৰি আহিছে। বৃহত্তৰ নামদাং-তিনিঠেঙ্গীয়া অঞ্চলৰ প্ৰতিটো আৰ্থ-সামাজিক-শৈক্ষিক উন্নয়নত এই গৰাকী ব্যক্তিৰ অভূতপূৰ্ব অৱদান আছে। সেয়া ১৯৭৩ চনৰ কথা। তেখেত তেতিয়া কংগ্ৰেছ দলৰ সক্ৰিয় কৰ্মী। ভূমিহীন মানুহৰ মৰ্মবেদনা তেখেতে উপলব্ধি কৰিলে। চৰকাৰী মাটি ভাঙি তেখেতে ভূমিহীন পৰিয়ালসমূহক সংস্থাপিত কৰাৰ চিন্তা কৰিলে। ভবা মতে কাম। গঢ়ি তুলিলে পূবেৰুণ কৃষি পাম নিগম। আজি এই অঞ্চলটো নিগম নামেৰে জনাজাত। এই নিগমত ৮০/৯০ঘৰ মান ভূমিহীন পৰিয়ালক সংস্থাপিত কৰিলে। প্ৰতিটো পৰিয়ালক ভেটি মাটি এবিঘা আৰু শালি খেতিৰ বাবে ৮ বিঘাকৈ মাটি বিতৰণ কৰা হ'ল। কৃষি পাম খনৰ অংশীদাৰিত্বৰ ধন আছিল মাত্ৰ ১১ টকা। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ পূবেৰুণ কৃষি পাম নিগমৰ চেয়াৰমেন আছিল। আনহাতে প্ৰথম অৱস্থাত ৩৫ বিঘা মাটিত সমবায় ভিত্তিত খেতি কৰা হৈছিল। খেতিয়কসকলক চৰকাৰৰ ঘৰৰ পৰা আনি ঘেহু, আলু, সৰিয়হ, শালি ধানৰ কঠীয়া আদি বীজ, ট্ৰেক্টৰ, সাৰ আদি যোগান ধৰা হৈছিল। শ্ৰীৰহেশ্বৰ সোনোৱালদেৱৰ এই মহৎ কাৰ্যৰ বাবে ভূমিহীন পৰিয়ালসমূহে জীৱন নিৰ্বাহ কৰাৰ বাট বিচাৰি পাইছিল।

পূবেৰুণ কৃষি পাম নিগমৰ সন্দৰ্ভতে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে মোৰ প্ৰথম চিনাকি হয়। সেই সময়ত কৃষি পাম নিগমখনৰ বাবে ট্ৰেক্টৰ

চালকৰ এটা পদ ওলাইছিল। সেই সময়ত অসমত প্ৰথমবাৰৰ বাবে অসম গণ পৰিষদৰ চৰকাৰ গঠন হৈছিল আৰু নিগমৰ চেয়াৰমেনজনো গণ পৰিষদ দলৰ লোক। যি কি নহওক শ্ৰীৰহেশ্বৰ সোনোৱালদেৱে মোক পদটোৰ বাবে সাক্ষাৎকাৰ দিবলৈ ক'লে। মই সাক্ষাৎকাৰ দিলো আৰু উত্তীৰ্ণও হ'লো। কিন্তু ৰাজনৈতিক মেৰপেঁচৰ বাবে চাকৰিটো মোক নিদি বেলেগ এগৰাকীক পদটোত মকৰল কৰিলে। শ্ৰীৰহেশ্বৰ সোনোৱালদেৱে অন্তৰত বৰ আঘাত পালে আৰু এই অন্যায়ৰ বাবে তেখেতৰ খঙো উঠিছিল। তেখেতে গুৱাহাটীত আহি চৰকাৰৰ ঘৰত এই অন্যায় কাৰ্যৰ প্ৰতিবাদ কৰিছিল। তাৰ বাবে তিনিদিন ধৰি গুৱাহাটীৰ হোটেলত বাহৰ পাতি লৈছিল। কিন্তু কাম নিদিলে।

পূবেৰুণ কৃষি পাম নিগম স্থাপন কৰাৰ পিছৰ আন এটা কথা উল্লেখ কৰিব বিচাৰিছো। শ্ৰীৰহেশ্বৰ সোনোৱালদেৱে লক্ষ্য কৰিলে যে নিগম তথা কাষৰীয়া অঞ্চলৰ কৃষকসকলে খেতি কৰি উৎপাদন কৰা শস্য বিক্ৰী কৰিবলৈ কোনো ঠাই নাই। ওচৰত বজাৰো নাই। এই চিন্তা কৰিয়ে তেখেতে নিগমত এখন বজাৰ স্থাপন কৰিলে। সেয়া ১৯৮২ চন মানৰ কথা। এদিন শুকুৰবাৰৰ কথা। তেখেতে নিজেই আঠ কিলো মান বেঙেনা লৈ নিগমৰ আলিৰ কাষত বস্তা এখন পাৰি বহিলে আৰু হালমাৰীৰ পৰা দুজন নাপিত আনি বজাৰত বহুৱালে। এনেকৈ কেইদিনমান যোৱাৰ পিছত লাহে লাহে বজাৰখনত বিক্ৰী কৰিবলৈ অহা আৰু কিনিবলৈ অহা মানুহৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। সেইখন বজাৰেই আজি প্ৰতি শুকুৰবাৰে পুৱা নিগমত বহি আহিছে আৰু আজি এই বজাৰত পুৱাৰ পৰা লোকে লোকাৰণ্য হৈ পৰে। মাছ, মাংসৰ পৰা শাক পাচলিলৈকে নাপায় কি এই বজাৰত।

তেনেদৰে নিগমত বাস কৰা পৰিয়ালৰ সন্তানসকলৰ শিক্ষা গ্ৰহণৰ বাবে কোনো বিদ্যালয় নথকাত তেখেতেই প্ৰথম এখন এল পি আৰু এখন এম ই স্কুল স্থাপন কৰে। এই স্কুল দুখন গুৱাহাটীলৈ তাঁতবাটি কৰি কৰি বহু চেষ্টা কৰি তেখেতে চৰকাৰীকৰণো কৰিলে। কেৱল এয়ে নহয় তিনঠেঙীয়াকে ধৰি বিভিন্ন ঠাইত বিদ্যালয় স্থাপন কৰাত তেখেতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰাটো সৰ্বজনবিদিত।

এনেকৈ বহু বছৰ পাৰ হ'ল। শ্ৰীৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে মোৰ তেনেকৈ সম্পৰ্ক নোহোৱা নিচিনাই হৈছিল। হঠাৎ এদিন তেখেতে মোক মাতি পঠালে। মই গ'লো। তেখেতে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ

আন্দোলন তথা সামাজিক কাম-কাজৰ বাবে ঘূৰা মেলা কৰিবৰ বাবে এখন চকলেট ৰঙৰ ছেকেণ্ডহেণ্ড টাটা ছুম' কিনিছিল। তেখেত সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সভাপতি আছিল। ছুম'খন চলাবলৈ এজন চালক লাগে। মোক ক'লে তুমি ছুম'খন চলাব লাগিব, পাৰিবা নে। মই একে আষাৰে সন্মতি দিলো। সেইদিনাৰ পৰা মই পৰিয়ালটোৰ সৈতে এজন হৈ পৰিলো। মই তেখেতক তেখেতৰ ল'ৰা-ছোৱালীয়ে সম্বোধন কৰাৰ দৰে 'পাপা' বুলিয়ে সম্বোধন কৰি আহিছো আজিলৈকে। স্বায়ত্ত শাসন আন্দোলনৰ কামত ছুম'খনলৈ আমি শদিয়া, ধেমাজি, ডিব্ৰুগড় আদি কিমান ঠাইলৈ গৈছো তাৰ হিচাপ নাই। স্বায়ত্ত শাসন আন্দোলনৰ সংগঠনৰ কামত 'পাপা'ৰ টাটা ছুম'খন ক'বলৈ একমাত্ৰ বাহন আছিল। গাড়ীত তেল ভৰোৱা, ৰাস্তাত ভাত খোৱাকে ধৰি আন্দোলনৰ কামত তেখেতে নিজৰ কিমান ধন খৰচ কৰিছিল তাৰ হিচাপ নাই। গুৱাহাটীত স্বায়ত্ত শাসন আন্দোলনৰ কাম-কাজত আহিলে নিজৰ জী-জোঁৱাইৰ ঘৰতে দুবাৰ মান মিটিং কৰা দেখিছো। চুক্তি স্বাক্ষৰৰ দিনাও তেনে এখন সভা তাতেই কৰিছিল। অৱশেষত তৰুণ গগৈ চৰকাৰৰ দিনত সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে চুক্তি স্বাক্ষৰ হয়। শ্ৰীৰহেশ্বৰ সোনাৱাল চুক্তি স্বাক্ষৰকাৰীসকলৰ এজন প্ৰধান ব্যক্তি। এইক্ষেত্ৰত উল্লেখ কৰিব লাগিব যে মুখ্যমন্ত্ৰী তৰুণ গগৈক সোনোৱাল সাজপাৰ আৰু মূৰত পাগুৰি উপহাৰ দিবলৈ যি ধনৰ প্ৰয়োজন হৈছিল সেই ধন শ্ৰীৰহেশ্বৰ সোনোৱালদেৱেই বহন কৰিছিল। কিন্তু স্বায়ত্ত শাসিত পৰিষদ গঠনৰ পিছত বহু লোকে পৰিষদৰ চি ই এম, ই এম, চেয়াৰমেন পদ ল'লে। কিন্তু শ্ৰীৰহেশ্বৰ সোনোৱালদেৱে এই পদসমূহ নিবিচাৰিলে। সোনোৱাল জাতিটোৰ বাবে তেখেতে নিজৰ কৰণীয় খিনি কৰিলে আৰু ক্ষমতাৰ প্ৰতি লালায়িত নহ'ল। অৱশ্যে তেখেতৰ আজি পৰ্যন্ত এইক্ষেত্ৰত কোনো আক্ষেপ নাই। এনে ব্যক্তি সমাজত আজিকালি বৰ বিৰল। যি কি নহওক, এই কাম-কাজৰ জৰিয়তে মই পাপাৰ ছাঁটোৰ দৰে হৈ পৰিছো আৰু ঘনিষ্ঠ হৈ পৰিলোঁ। এক কথাত ক'বলৈ গ'লে তেখেতে মোক পৰিয়ালৰ এজন হিচাপেই সদায় মৰম কৰি আহিছে। নিজৰ ঘৰৰ বাবে মাছ, মাংস, শাক-পাচলি আদি বজাৰ কৰিলে এভাগ মোৰ বাবেও কিনি লয়। এনে এগৰাকী মৰমিয়াল, মানৰ দৰদী ব্যক্তি আজিৰ সমাজত সঁচাকৈয়ে বিৰল।

২০০১ চনত তেখেত কংগ্ৰেছ দলৰ পৰা ডিব্ৰুগড় জিলা পৰিষদৰ সদস্য

হিচাপে নিৰ্বাচনত বিপুল ভোটত বিজয়ী হয়। জিলা পৰিষদৰ সদস্য হিচাপে তেখেতে অঞ্চলটোৰ ৰাস্তা-ঘাটকে ধৰি বিভিন্ন উন্নয়নমূলক কাম কৰে। নিৰ্বাচনত জয়ী হোৱাৰ পিছত বহু ব্যক্তিৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন হোৱা আমি প্ৰায়ে শুনি আহিছোঁ। এইক্ষেত্ৰত শ্ৰীৰহেশ্বৰ সোনোৱাল এগৰাকী ব্যতিক্ৰম ব্যক্তি। আজিলৈকে কোনেও এইক্ষেত্ৰত এটা শব্দও প্ৰকাশ কৰিব পৰা নাই। দৰকাৰ হ'লে ৰাজহুৱা কাম-কাজত নিজৰ পকেটৰ ধনহে খৰচ কৰা মই দেখিছো।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ সৈতে মোৰ ঘনিষ্ঠ সম্পৰ্ক আজিও ব্যাহত হোৱা নাই। মোৰ এই লেখাত এটা কথা উল্লেখ নকৰিলে মহা ভুল কৰা হ'ব। শ্ৰীৰহেশ্বৰ সোনোৱাৰদেৱ এগৰাকী জ্ঞান পিপাসু ব্যক্তি। দৰকাৰী গ্ৰন্থ পালে পঢ়ি শেষ নকৰালৈকে তেখেত ক্ষান্ত নহয়। ওখ পাখ, গহীন গম্ভীৰ চেহেৰাৰ এই মানুহজন এখন সমাজত আসন লৈ থাকিলে সমাজখনে কিবা এটা আকৰ্ষণীয় হৈ পৰে। এয়া মোৰ অনুভৱ। সামাজিক জীৱনত সদায়ে ধীৰ স্থিৰ হৈ থকা মানুহজনৰ কোনো দিন উগ্ৰ হোৱা দেখা নাই। এই দিশটো তেখেতৰ ব্যক্তিত্বৰ অন্যতম দিশ। এক কথাত ক'বলৈ তেখেতে ডেকা বয়সৰ পৰাই ৰাজনৈতিক-সামাজিক কাম কাজ কৰিয়ে জীৱনটো আগুৱাই নি আহিছে।

শেষত মোৰ পিতৃতুল্য শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ আৰু তেখেতৰ সৈতে মোৰ ঘনিষ্ঠতা যাতে অটুট থাকে তাৰ আশা ব্যক্ত কৰিলোঁ।

লেখক ঃ সমাজ সেৱক, পূবেৰুণ কৃষি পাম নিগম।

❐❐❐

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যত

✍ প্ৰশান্ত বৰা

মানুহৰ গতিশীল জীৱনটো এক বিশাল পাহাৰ সদৃশ। পাহাৰ যেন যেনেকৈ ওখ-চাপৰ, নদ-নদী সুন্দৰ বিৰিখে ভৰা আমাৰ গতিময় জীৱনটোও একেধৰণৰ।

সেয়েহে কোনো ব্যক্তিৰ জীৱন বৃত্তান্ত লিখিবলৈ গ'লে সম্পূৰ্ণ জীৱনৰ গোটেইবোৰ লিখাটো বহু জটিল হৈ পৰে। আজি মই যি জন ব্যক্তিৰ সৈতে মোৰ সান্নিধ্যৰ বিষয়ে লিখিবলৈ ওলাইছো সেই মহান ব্যক্তিজনৰ কৃতিত্বৰ কিছু দিশহে আলোকপাত কৰিবলৈ লৈছোঁহক। অজানিতে কিছু বঢ়া-টুটা হ'লে ক্ষমা মাৰ্জনা বিচাৰিলোঁ।

তিনঠেঙ্গীয়া বুলি ক'লে বৃহত্তৰ তিনঠেঙ্গীয়া অঞ্চলৰ আশে-পাশে থকা গাঁওসমূহৰ সমষ্টিৰ নাম। প্ৰকৃত তিনঠেঙ্গীয়া ৰূপে কেইটামান পৰিয়ালৰ বসতি স্থান মাত্ৰ। কেইটামান চৰকাৰী অনুষ্ঠান, জন বসতি নগণ্য। তিনঠেঙ্গীয়াৰ সামাজিক অনুষ্ঠানবোৰ প্ৰতিষ্ঠা কৰা, তিনঠেঙ্গীয়া অঞ্চলৰ বহু মহান ব্যক্তিৰ উল্লেখনীয় অৱদান আছে- তিনঠেঙ্গীয়াত স্থাপিত হোৱা তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বহু দূৰ দূৰণিৰ পৰা শিক্ষকতা কৰিবলৈ অহা শিক্ষকসকলৰ ভিতৰত আছিল অন্যতম শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ। সোনোৱাল ছাৰে অস্থায়ীভাৱে তিনঠেঙ্গীয়াতে বৰ্ডিং সাজি শিক্ষকতা জীৱনৰ পাতনি মেলিছিল, অৱশেষত স্থায়ীভাৱে নিগাজিকৈ ঘৰ সাজি তিনঠেঙ্গীয়াৰ

বাসিন্দা হয়। তাৰ পিছৰ পৰাই ছাৰ তিনঠেঙ্গীয়াৰ এজন অভিভাৱক ব্যক্তি ৰূপে পৰিগণিত হয়।

ছাৰক মই মোৰ শিক্ষাগুৰু হিচাপে পোৱাৰ উপৰি বেছি ভাগ সময় ঘৰুৱাভাৱে পাইছো। মই তিনঠেঙ্গীয়াতে থাকি স্কুল যোৱাৰ লগতে পঢ়া-শুনা কৰিবলৈ সুবিধা পাইছিলো। ময়ো তিনঠেঙ্গীয়াৰ বাসিন্দা হৈ পৰিলো কাৰণ মোৰ ভিনদেউ শ্ৰীঅচ্যুত হাজৰিকা তিনঠেঙ্গীয়া তিনি আলিত থকা দোকানখনৰ পৰা। মই দোকানতে থকাৰ বাবে তিনঠেঙ্গীয়াতে থকা পৰিয়াল কেইটাৰ লগত একবাৰে ঘৰুৱা হৈ পৰিলো।

ছাৰৰ ডাঙৰ ছোৱালী শ্ৰীমতী গীতাঞ্জলি সোনোৱাল মোৰ ক্লাছ ফ্ৰেণ্ড। ডাঙৰ ল'ৰা দেৱ কুমাৰ সোনোৱাল (দুদুল), প্ৰয়াত মানবেন্দ্ৰ সোনোৱাল (সোণ), শ্ৰীহেমন্ত সোনোৱাল (পাপু) ইহঁতৰ লগতে খেলা-ধূলা কৰি ৰং ৰহইচৰ মাজেৰে শৈশৱ, কৈশোৰ কাল অতিবাহিত কৰিলোঁ।

আমি বোৰে বছৰৰ বিশেষ উৎসৱবোৰ- বিহু, পূজা বিশেষকৈ সৰস্বতী পূজা, মাঘ বিহু আদিত বহুত স্ফূৰ্তি কৰো। এবাৰ মাঘৰ বিহুত নিশা পৰম্পৰা ৰক্ষাৰ স্বাৰ্থত চোৰ কৰা কাৰ্য্য কৰিবলৈ প্লেনিং কৰি থাকোতে কোনোবাজনে বুদ্ধি পাঙিলে নিজৰ নিজৰ ঘৰতে চোৰ কৰা, সেইবাৰ ছাৰহঁতৰ ঘৰৰ গৰালৰ পৰা হাঁহ, কুকুৰা কেইটাকে লৈ আহিল, তাৰ পাছত ৰাতিপুৱা যিখন অথন্তৰ হ'ল তাক বুজাই ক'ব নোৱাৰি।

স্কুলত ছাৰক সকলোৱে ভয় কৰিছিল- ছাৰৰ বোলে ৰেকৰ্ড আছে ল'ৰাবোৰক পিটা, সেইহে ভয় খাই থাকে। ছাৰে স্কুললৈ চিধা চিধি ঘৰৰ পৰা আহে, ছাৰৰ ঘৰটো স্কুলৰ পৰা কাষতে থকা বাবে Teacher Common room ৰূমত নবহে। দূৰৰ পৰাই ছাৰক এখোজ দুখোজ কৰি আহি থকা দেখা পায়েই ল'ৰাহঁত সাৱধান হৈ যায়। আজি বা কাৰ পাল পৰে ঠিক নাই?

এদিন ক্লাছত ঘটা এটা কাহিনী নক'লে এই পাতনি আধৰুৱা হৈ ৰ'ব। ছাৰে আমাক ক্লাছত ইংৰাজী ৰেপিডৰীডাৰ পঢ়াইছিল 'Round the world in Eighty days'। কিতাপখনৰ মূল চৰিত্ৰ ফিলিয়াচ ফগ নামৰ ব্যক্তিজনৰ ৮০ দিনৰ পৃথিৱী যাত্ৰাৰ আধাৰত। আমাৰ ক্লাছৰ লগৰবোৰে ছাৰক ফিলিয়াচ ফগ বুলিয়েই নাম দিছিল। ছাৰ যেতিয়া ক্লাছলৈ আহি থাকে ল'ৰাবোৰে দেখি কয়-

ফিলিয়াচ ফগ আহিল ফিলিয়াচ ফগ আহিল বুলি কৈ একেবাৰে নিজৰ নিজৰ বেঞ্চত একান্ত বাধ্য ছাত্ৰৰ দৰে বহি পৰে।

এদিনাখনৰ কথা, ছাৰে আমাৰ ক্লাছত শ্ৰুতলিপি দিছিল ৰিপিডৰীডাৰ কিতাপখনৰ বিশেষ অংশ। বহীবোৰ ছাৰে ক্লাছত চাই শেষ কৰিব নোৱাৰি ঘৰলৈ লৈ গ'ল।

পিছদিনা বহীবোৰ ঘূৰাই দিব ল'লে, একাদিক্ৰমে নাম মাতি বহীবোৰ দি গ'ল- শেষত জোৰকৈ চিঞৰি ক'লে, জয় আই অসম কোন? মই হতভম্ব, ভয় লাজ আৰু যে কি সকলো লৰাই নিজৰ নিজৰ বহী খন পালে মোৰখনহে পোৱা নাই, মোৰ বুজিবলৈ বাকী নাথাকিল, সেইখন যে মোৰ বহীখনেই য'ত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছিল 'জয় আই অসম' বুলি। সেয়া অসম আন্দোলনৰ সময় ১৯৮২/৮৩ৰ কথা। সেই সময়ত অসমৰ প্ৰতিজন জাতীয়তাবাদী চিন্তাধাৰা থকা ব্যক্তিৰ অন্তৰতেই 'জয় আই অসম'ৰ আচোৰ পৰিছিল। ময়ো তাৰ ব্যতিক্ৰম নাছিলোঁ। সেই দিনা মই ছাৰৰ পৰা পাব লগা উচিত শাস্তি পাইছিলোঁ। এই শাস্তিক মই আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছিলোঁ। ছাৰক মই কোনো দিন বেয়া বুলি ভবা নাছিলোঁ- ছাৰৰ আদৰ্শবোৰ ল'বলৈ সদায় চেষ্টা কৰো। ছাৰক যথেষ্ট সন্মান কৰো আৰু সন্মান কৰি যাম।

বাস্তৱিকতে সেই সময়ত ছাৰহঁতৰ ঘৰলৈ গ'লে অন্য কিছু বাতাৱৰণে মনত ক্ৰিয়া কৰে। য'ত আমাৰ ঘৰৰ পৰিৱেশতকৈ পৃথক। সাধাৰণ ঘৰ তথাপি ঘৰটোৰ ড্ৰয়িং ৰুমৰ ওৱালত নাইবা বিশেষ বিশেষ স্থানত আঁৰি থোৱা থাকে মহামানৰ মহাত্মা গান্ধী, বীৰ-বীৰঙ্গনাৰ ফটো লগতে মহান মহান ব্যক্তিৰ ফটো ফ্ৰেম, ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ ফটো, বিশেষকৈ প্ৰয়াত ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীৰ লগত মৰা গ্ৰুপ ফটোবোৰ দেখিলে ছাৰ যে এজন ব্যতিক্ৰমী ব্যক্তি তাক বুজিব পাৰিছিলোঁ।

ৰাজনৈতিক আৰু সামাজিকভাৱে সোনোৱাল ছাৰ আমাৰ তিনঠেঙ্গীয়া অঞ্চলৰ লগতে সমগ্ৰ লেঙেৰী অঞ্চলৰে এজন প্ৰভাৱ থকা ব্যক্তি, সোনোৱাল ছাৰ বুলি ক'লে চিনি নোপোৱা মানুহ নাই। তেখেতৰ ঘৰলৈ এটা সময়ত অসমৰ বিভিন্ন ঠাইৰ লগতে টিংখং, লেঙেৰী আদিৰ বহু ৰাজনৈতিক ব্যক্তিৰ আহ যাহ চলিছিল, আমাৰো সৌভাগ্য ঘটিছিল সেই বিশেষ ব্যক্তিসকলৰ লগত সান্নিধ্য পোৱাৰ।

ৰাজনীতিৰ অ, আ, ক, খ নজনা বয়স তথাপি কিছু উপলব্ধি কৰিব পৰা হৈছিলো। সেই বিশেষ ব্যক্তি সকলৰ কথা-বতৰা আলোচনাবোৰৰ পৰা ধৰিব পাৰিছিলোঁ ৰাজনীতিৰ আলোচনা চলিছিল। তেতিয়া আমাৰ সেইবোৰৰ ওপৰত কোনো ভ্ৰুক্ষেপ নাছিল।

যেতিয়া বুজিব পৰা হ'লো তেতিয়া সেই ছাৰহঁতৰ ঘৰত হোৱা আলোচনাবোৰ ভাহি আহিল, ছাৰ সেই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ এজন ডাঙৰ নেতা। কেতিয়াবা কেতিয়াবা ৰাজনীতিৰ ব্যক্তিয়ে ঘৰখন ভৰি থাকে। ছাৰে এবাৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ হৈ খোৱাং জিলা পৰিষদ সমষ্টিৰ পৰা জিলা পৰিষদৰ সদস্য হিচাপে বিপুল ভোটত জয় লাভ কৰি সামাজিকভাৱে আৰু এখোজ আগুৱাই ৰাইজৰ মাজত কাম কৰিবলৈ সুযোগ লাভ কৰিছিল।

ইয়াৰ উপৰি ডিব্ৰুগড় জিলা জনজাতি কল্যাণ বোৰ্ডৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈ সেই সময়ত এজন বহু ক্ষমতাবান ব্যক্তি হৈ পৰিছিল আৰু অনুসূচিত জনজাতিসকলৰ ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ সম্পাদকৰ দায়িত্ব ছাৰৰ ওপৰত ন্যস্ত কৰিছিল।

আমাৰ দিনত প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনুসূচিত জনজাতি প্ৰমাণ পত্ৰ ছাৰৰ পৰাই গ্ৰহণ কৰিছিল। মই আজিও সেই প্ৰমাণ পত্ৰ লৈয়েই কাম চলাই আছো।

ৰাজনৈতিকভাৱে ছাৰৰ লগত মোৰ অকণো মিল নাছিল। ছাৰে বিশ্বাস কৰিছিল ৰাষ্ট্ৰীয়তাবাদী ৰাজনীতি, ভাৰতীয় জাতীয় কংগ্ৰেছ (আই)। মই বিশ্বাস কৰিছিলো আঞ্চলিকতাবাদী ৰাজনীতি। মই অসমৰ ৰাজনীতিত নতুনকৈ জন্ম লোৱা আঞ্চলিক দল অসম গণ পৰিষদৰ সৈতে জড়িত। ৰাজনৈতিকভাৱে ছাৰৰ লগত সম্পূৰ্ণ বিপৰীত দিশত অৱস্থান কৰিছিলো যেন কুমেৰু আৰু সুমেৰু।

তথাপি সামাজিকভাৱে ছাৰৰ লগত, ছাৰৰ পৰামৰ্শ মতে বহু সামাজিক কাম একেলগে কৰি আহিছোঁ। তিনঠেঙ্গীয়াৰ সামাজিক, শৈক্ষিক ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ, তিনঠেঙ্গীয়া অঞ্চলৰ উন্নয়ন আদিৰ ওপৰত কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। অসমৰ জাতীয় উৎসৱ বিহু ছাৰৰ একান্ত প্ৰচেষ্টাত আৰু তিনঠেঙ্গীয়া নৱোদয় সংঘৰ সৌজন্যত প্ৰথম বাৰ্ষিক বহাগী সন্মিলন

অনুষ্ঠিত কৰি অসমৰ বিভিন্ন ঠাইৰ বিশিষ্ট ব্যক্তি, শিল্পী, কবি, সাহিত্যিক আমন্ত্ৰণ কৰি তিনিঠেঙ্গীয়াত প্ৰথম বাৰৰ বাবে এক ব্যতিক্ৰমী বিহু সন্মিলন অনুষ্ঠিত কৰা হ'ল। আমাৰ তিনিঠেঙ্গীয়া অঞ্চলৰ যিকোনো সভা-সমিতি, অনুষ্ঠান অনুষ্ঠিত কৰিলে ছাৰক বিশেষ স্থানত ৰাখিহে সকলোৱে আগবাঢ়ে। ছাৰ নহ'লে যেন কিবা শূন্যতাই বিৰাজ কৰে।

সোনোৱাল ছাৰৰ জীৱন বৃত্তান্ত লেখিবলৈ মোৰ এই সামান্য জ্ঞানেৰে সকলো বিৱৰণ দাঙি ধৰাৰ মোৰ সাধ্য নাই। তেখেতৰ জীৱনত সমাজৰ হকে বহু কৰিলে, সমাজৰ হিতৰ বাবে বহু অনুষ্ঠান গঢ় দিলে। ছাৰৰ কৰণীয়বোৰ মানস পটত সদায় জিলিকি থাকিব। ছাৰ স্মৰণীয় হৈ থাকিব।

ছাৰক এতিয়াও বাৰ্দ্ধক্যই চেৰ পেলাব পৰা নাই, এতিয়াও ছাৰে অলপ সময়ৰ কাৰণে হ'লেও নিমন্ত্ৰণ ৰক্ষা কৰি বিভিন্ন অনুষ্ঠানে অনুষ্ঠিত কৰা সভা-সমিতিত উপস্থিত থাকে। তেখেতক ভগৱানে আৰু শক্তি দিয়ক তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলো। তেখেত আমাৰ সদায় প্ৰেৰণাৰ প্ৰতীক হৈ থাকক। তেখেতৰ পৰা সদায় আশীৰ্বাদ বিচাৰিম।

লেখক ঃ প্ৰাক্তন সভাপতি, তিনিঠেঙ্গীয়া গাঁও পঞ্চায়ত, সদস্য,
খোৱাং জিলা পৰিষদ।

❏❏❏

সান্ধ্য লগনত স্বপ্নদ্ৰষ্টালৈ অভিনন্দন

✍ দিগন্ত হাজৰিকা

জীৱ শ্ৰেষ্ঠ মানৱে জীৱনৰ বিভিন্ন সময়ত দেখা সপোনৰ ফলতেই এক প্ৰকাৰ এজন মানুহৰ বাস্তৱ কৰ্মজীৱন প্ৰতিষ্ঠা হয়। এই পৃথিৱীত প্ৰতিজন মানুহে সপোন দেখে। ল'ৰালি কালৰে পৰা মানুহে সপোন দেখিবলৈ আৰম্ভ কৰে। ল'ৰালিতে কিছুমানে গৰু চৰাওঁতে, গছৰ ওপৰত বা ভঁৰালত বহি থাকোঁতে, শুই থাকোঁতে, প্ৰাতঃকৰ্ম কৰোতে, পানীৰ যুঁৰলিত ভৰি নচুৱাই পানী খেলি থকাৰ সময়কে আদি কৰি বিভিন্ন সময়ত মানুহে সপোন দেখে। কাৰোবাৰ সপোন হয়তো কম, কাৰোবাৰ হয়তো বেছি। পৃথিৱী বিখ্যাত টমাছ আলভা এডিছন, ৰবাৰ্ট লুই ষ্টিভেনছন, ছাৰ ৱাল্টাৰ স্কট, ফুটবলাৰ পেলে, নিউটন, আইনষ্টাইনে জীৱন কোনো এক ক্ষণত অন্য মানুহৰ দৰেই সপোন দেখিছিল। ব্যক্তি বা জাতি হিচাপেই হওক সকলোৱে জীৱনত কিবা নহয় কিবা এটা হোৱাৰ সপোন দেখে। নৌ বাহিনী বা সৈন্য বাহিনীত কৰ্মৰত জোৱান এজনেও সপোন দেখে। উদাহৰণ স্বৰূপে নৌ বাহিনী বা সৈন্য বাহিনীত কৰ্মৰত একেবাৰে তলৰ শাৰীৰ ৰণুৱাজনে এঢাপ আগুৱাই নিম্নপদস্থ ৰুণুৱা হ'ব বিচাৰে, নিম্নপদস্থজনেও কৰ্পৰেল হ'বলৈ ইচ্ছা কৰে, আকৌ কৰ্পৰেলজনেও কেপ্টেইন হ'বলৈ ইচ্ছা বিচাৰে আৰু কেপ্টেইনজনেও মেজৰ বা কৰ্ণেল হোৱাৰ সপোন দেখে।

‘তুঃ ইচ্ছতি শতী সহস্ৰম
সহস্ৰী লক্ষিমীহতে।
লক্ষাধিপো ততো ৰাজ্যম
ৰাজ্যস্থ স্বৰ্গমীহতে।।

অৰ্থাৎ এশ টকা থকাজনে হাজাৰ টকা আশা কৰে, হাজাৰ টকীয়াজনে লাখ টকা বিচাৰে, লাখ টকীয়াই ৰাজ্য বিচাৰে, ৰাজ্যৰ গৰাকীয়ে স্বৰ্গ বিচাৰে। ইপিনে কৰ্ণেল হোৱাটো একো ডাঙৰ কথা নহয়। তেওঁৰ বাবে পদবীটো মূল কথা নহয়, সেৱাটোহে প্ৰধান। নিজৰ পদবীটো ৰাইজৰ সেৱা কৰাৰ আহিলা হিচাপে গণ্য কৰাটোহে মূল কথা। প্ৰতিজন মহৎ লোকক সংসাৰে সোধে-আপুনি লেখৰ লোক হয় নে? আনহাতে মহৎ লোকসকলে এই প্ৰশ্নৰ উত্তৰ কি বুলি দিয়ে। মহৎ লোকে ওলোটাই কয়- তেওঁ যদি সঁচাকৈয়ে মহৎ হয়, সদায়েই লেখৰ হোৱাটো বাঞ্ছনীয় নে? এয়াই এজন মহৎ লোকৰ মহত্ব। মানুহে সদায় ভালৰ পৰা সৰ্বতো ভাললৈ গতি কৰে। প্ৰকৃততে মানুহৰ এই স্বভাৱ নিসন্দেহে কল্পনা কৰাৰ ক্ষমতা আৰু সপোন দেখাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল। সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিলে বুজা যায় মানুহ এজনৰ কল্পনা শক্তি যিমানেই বৃদ্ধি হয়, সিমানেই কৰ্মস্পৃহাও বৃদ্ধি পায়। কল্পনা শক্তি অবিহনে মানুহে প্ৰগতিৰ কথা ভবাটোও অলীকতা মাথোন। মানুহ মাত্ৰে উচ্চাভিলাষ থাকে, যিটো প্ৰশংসনীয় কথা। উচ্চাভিলাষে মানুহৰ ইচ্ছাশক্তি আৰু কৰ্মস্পৃহা বৃদ্ধি কৰে আৰু তেনে কৰ্মোদ্যম এজন ব্যক্তিৰ পৰা সমাজে বিশেষ অৱদান লাভ কৰিবলৈ সক্ষম হয়। গতিকে এজন মানুহৰ নিজৰ সপোন, কল্পনাশক্তিৰ দ্বাৰা থোপ খোৱা উচ্চাভিলাষ-কৰ্মস্পৃহাৰ যোগেদি সমাজ এখনে যেতিয়া উদ্যমিতা লাভ কৰে, তেতিয়া নিশ্চিতৰূপত সমাজখন শক্তিশালী আৰু সমৃদ্ধিশালী হৈ পৰে।

আমাৰ এই লেখাটিত এজন বৰেণ্য ব্যক্তিৰ জীৱনালেখ্য লিখিবলৈ যত্ন কৰা হৈছে। গতিকে তেখেতৰ বিষয়ে আলোকপাত কৰাৰ প্ৰাসঙ্গিকতাতেই মানৱ জীৱনৰ সামগ্ৰিক দৰ্শনৰ ওপৰত কিছু কথা উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে। পাঠকে যেন ইয়াক সহজভাৱে গ্ৰহণ কৰে।

জীৱ বিজ্ঞানে কয়, মানুহৰ জীৱনটো এটা কবিতাৰ দৰে। কবিতাৰ দৰেই জীৱনৰ ছন্দ আছে। আছে তাল, মান, লয়, উত্থান-পতন। অনুজ শৈশৱতে ইয়াৰ আৰম্ভ হয়,তাৰ পিছত আহে বিৰক্তিকৰ বয়সন্ধি। তাৰ পিছত পূৰ্ণযৌৱন। এই সমস্ত পৰিক্ৰমাত নতুন আৱেগ-অনুভূতি, যৌৱন কালৰ নানান ভুল-ত্ৰুটী, আদৰ্শ, অভিলাষ আৰু ৰঙীণ ৰঙীণ সপোনবোৰ জড়িত হৈ থাকে। পূৰ্ণযৌৱনৰ কালছোৱা কৰ্মব্যস্ততা, শিক্ষা আহৰণ, জ্ঞান অন্বেষণৰ অপৰিসীম প্ৰচেষ্টাৰ কাল। মাজ বয়সত কৰ্মব্যস্ততা অলপ পাতলে, মনৰ উৎকণ্ঠা-উদ্বিগ্নতা আদি শাম কাটে। সহনশীল

হ'বলৈ ধৰে। জীৱনৰ উদাৰ দৃষ্টিভংগীয়ে ঠাই লয় জীৱনৰ এই পৰিক্ৰমাত। তাৰ পিছত বৃদ্ধাৱস্থা। ই শান্তি, নিৰাপত্তা, অৱসৰ আৰু সন্তুষ্টিৰ কাল। জীৱনৰ এই কালক্ৰমণিকাবোৰ প্ৰত্যেক ব্যক্তিৰে একে। মাত্ৰ ইয়াৰ লগত সঙ্গত কৰা সাংগীতিক লয় আৰু মূৰ্চ্ছনাবোৰ ব্যক্তি, বিশেষে পাৰ্থক্য হয়। ইয়াতেই আছে জীৱনৰ বৈচিত্ৰ্য, বৰ্ণাঢ্য, ৰামধেনুৰ দৰে সাতোৰঙী দৃশ্যপট। এনেবোৰ মায়াৱী উপাদানতে গঢ় লৈ উঠে এক অবিস্মৰণীয়, কালোত্তীৰ্ণ আৰু বৰেণ্য মানৱ সত্তা।

ডিব্ৰুগড় জিলাৰ তিনঠেঙীয়া অঞ্চলৰ সু-সন্তান ৰহেশ্বৰ সোনোৱালদেৱেও সপোন দেখিছিল, ল'ৰালিতে। তিনঠেঙীয়া-চহৰীকটা অঞ্চলৰ নখাট-নগাঁৱৰ গ্ৰাম্য পৰিয়ালত ৰ'দ-বৰষুণ, বোকা-পানী খচকি বয়সৰ বুনিয়াদ স্বৰূপ বাল্যকাল পাৰ কৰা ৰহেশ্বৰ সোনোৱালদেৱেও এক সুন্দৰ ভৱিষ্যৎ গঢ়াৰ সপোন ৰচিছিল। ষাঠি-সত্তৰ দশকৰ তিনঠেঙীয়া অঞ্চলৰ প্ৰতিচ্ছবিখন আমাৰ মনলৈ আনিলেই সেই সময়ৰ উঠন যুৱকসকলৰ সপোনবোৰৰ বিষয়ে ধাৰণা কৰিব পাৰি। সেই সময়ৰ বা তাৰ আগে-পিছে যিসকল স্বনামধন্য যুৱকে সমাজত নিজকে উপযুক্ত ৰূপত গঢ় দিবলৈ সপোন ৰচিছিল সেই সকলৰ ভিতৰত আগশাৰীত আছিল ৰহেশ্বৰ সোনোৱালদেৱ। পিতৃ-মাতৃৰ পৰিয়াল চলোৱাৰ সংগ্ৰামক সাক্ষী কৰি একাঁঠু বোকাৰ ৰাস্তাত স্কুললৈ অহা-যোৱা কৰা, একেবাৰে সীমিত সুবিধাৰ মাজত অধ্যয়ন কৰা আদি এশ-এবুৰি সমস্যাৰ সন্মুখীন হোৱা সত্বেও জীৱনৰ গতিপথত কোনো দিন হাৰ মনা নাছিল। আধুনিক তিনঠেঙীয়াৰ অন্যতম খনিকৰ ৰহেশ্বৰ সোনোৱালদেৱে। নিৰৱচ্ছিন্ন অধ্যৱসায়, দায়িত্ব-কৰ্তব্যৰ যোগেদি নিজকে সমাজৰ উচ্চখাপত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল সোনোৱালদেৱ। কৈশোৰৰ ৰঙীণ আৰু দৃঢ় সপোনবোৰৰ জোৰতেই সোনোৱালদেৱ আজি সমগ্ৰ অঞ্চলটোৰ লগতে অসমৰ এজন বৰেণ্য ব্যতিক্ৰমী ব্যক্তিত্ব হিচাপে স্বকীয় ৰূপত জিলিকি উঠিবলৈ সক্ষম হৈছে। বিশেষকৈ তিনঠেঙীয়া অঞ্চলৰ উপৰি ইয়াৰ দাঁতিকাষৰীয়া ঠাইত কুৰিখনৰো অধিক বিদ্যালয় প্ৰতিষ্ঠা কৰি অঞ্চলটোৰ শিক্ষাৰ দুৱাৰ মুকলি কৰিছিল। তেওঁ সোনোৱাল কছাৰী সমাজৰ আগৰণুৱা নেতা আছিল। স্বায়ত্তশাসন প্ৰাপ্তিৰ আন্দোলনত তেওঁ সোনোৱাল সমাজক সমুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল। সোনোৱাল সমাজৰ প্ৰতিটো সমস্যাৰ সৈতে পৰিচিত আছিল তেওঁ। আজিও নতুন প্ৰজন্মই সোনোৱালদেৱৰ পৰা প্ৰতিটো বিষয়তে পৰামৰ্শ বিচাৰে। ৰহেশ্বৰ সোনোৱাল সমাজৰ অভিন্ন অংগ। এগৰাকী সু-ৰাজনীতিবিদ হিচাপে

প্ৰতিষ্ঠা লাভ কৰিছে তেওঁ। বহুতে তেওঁক সংস্কৃত পণ্ডিত বুলিও আখ্যা দিয়ে। নিগমত পূবেৰুণ কৃষি পামৰ প্ৰতিষ্ঠাতা ৰহেশ্বৰ সোনোৱালে অঞ্চলটোৰ প্ৰতিটো সামাজিক কামত প্ৰত্যক্ষ বা পৰোক্ষভাৱে যুক্ত হৈ থাকে। ইয়াতেই তেখেতৰ সামাজিক দায়বদ্ধতা প্ৰকট হৈ পৰে। এজন সফল ব্যক্তি হোৱাৰ বাবেই আজি তেখেতৰ পুত্ৰ-কন্যাও প্ৰতিষ্ঠিত। তিনঠেঙ্গীয়াৰ সামাজিক জীৱনলৈ আশাতীত সাফল্য কঢ়িয়াই আনিবলৈ সক্ষম হৈছে তেওঁ। যি সাফল্যৰ কিৰণে সমাজৰ আন আন লোকৰ উপৰি নতুন প্ৰজন্মকো উদ্ভাসিত কৰি তুলিবলৈ সক্ষম হৈছে। এখন সমাজত যিমানেই সফল ব্যক্তিৰ সমাহাৰ ঘটিব সিমানেই সমাজখনৰো উন্নতি হ'ব। সমাজক দৰকাৰ আছে এনে প্ৰতিভাবান সফল ব্যক্তিৰ। আজি তেওঁৰ কৰ্মৰাজিক সন্মান জনাই সুধী সমাজে তেখেতক অভিনন্দন জনোৱাৰ প্ৰয়াস কৰিছে। মই ব্যক্তিগতভাৱে বৰ সুখ অনুভৱ কৰিছো, অভিনন্দন জনোৱাৰ এনে মহান কৰ্মৰ বাবে। মৃত্যুৰ পিছত স্মৃতিচাৰণ কৰি যিমান সন্মান প্ৰদৰ্শন কৰা নহওক কিয় জীৱিত অৱস্থাতে যদি এজন সফল মানুহক শ্ৰদ্ধা-সন্মান জনোৱা হয় তেতিয়া হ'লে সেই ব্যক্তিজনে 'সৰগ ঢুকি পায়'। বৃদ্ধাৱস্থাত ইয়াতকৈ হয়তো সুখ-আনন্দৰ কথা একোৱেই হ'ব নোৱাৰে। পংক-পলাশ ৰহেশ্বৰ সোনোৱালদেৱৰ পৰা আমাৰ নতুন প্ৰজন্মই যথেষ্ট শিকিবলগীয়া আছে। শেষত ক'ব খোজো, যিসকলৰ সকলো কামতে মহৎ উদ্যম আৰু অসীম ধৈৰ্য আছে আৰু নিৰহংকাৰ তথা অনাশক্তিৰে সৰ্বপ্ৰাণীৰ মংগলৰ অৰ্থে কৰ্মত প্ৰবৃত্ত হয় তেওঁলোক লোকপ্ৰিয় হোৱাৰ লগতে সত্ত্ব গুণৰ অধিকাৰী হয়। ৰহেশ্বৰ সোনোৱালদেৱ তেনে এজন লোকেই। সোনোৱালদেৱৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক অন্যতম সম্পাদক, সোনোৱাল কছাৰী সাহিত্য সভা।

❑❑❑

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

✍ আদিত্য কুমাৰ সোনোৱাল

ডিব্ৰুগড় জিলাৰ নখাট-নগাঁৰৰ এজন খেতিয়কৰ ঘৰত ১৯৪০ খৃষ্টাব্দত শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে জন্মগ্ৰহণ কৰিছিল বুলি জনা যায়। তেখেতৰ দেউতাকৰ নাম আছিল স্বৰ্গীয় মুকুট সোনোৱাল আৰু মাকৰ নাম স্বৰ্গীয় জাধৈ সোনোৱাল। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে নখাট-নগাঁও প্ৰাথমিক বিদ্যালয়ত প্ৰথম শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়তে গাঁৱৰ আলি-পদূলিবোৰ বোকা পানী, ধূলি-বালিৰে আৱৰি আছিল। তেনেকুৱা পৰিৱেশত ভিতৰুৱা গাঁও এখনৰ পৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষা সাং কৰি তেখেতৰ ঘৰৰ পৰা পাঁচ কিলোমিটাৰ মান দূৰত্বৰ লেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে নাম ভৰ্তি কৰিছিল। কিন্তু কিছুমান অসুবিধাত পৰি লেঙেৰী হাইস্কুলৰ পৰা গৈ খোৱাং হাইস্কুলত পঢ়িবলৈ লয় আৰু সেই স্কুলৰ পৰাই মেট্ৰিক পাছ কৰে। ইয়াৰ পাছত শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ পৰা দৰ্শন বিষয়লৈ স্নাতক ডিগ্ৰী লয়।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে প্ৰথমতে নিয়োগ বিনিময় কেন্দ্ৰত চাকৰি কৰিছিল। কিন্তু সেই চাকৰি স্বইচ্ছাৰে এৰি তেখেতে তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰ দৰে এটা মহান বৃত্তিত যোগদান কৰে। এইখন বিদ্যালয় তেতিয়া চৰকাৰীকৰণ হোৱা নাছিল। তেখেতৰ উদ্যোগতে ৰাইজে মিলি বিদ্যালয়খন স্থাপন কৰিছিল। শেষত এইখন বিদ্যালয়ৰ পৰাই তেখেতে অৱসৰ লয়। তেখেতে চাকৰিৰ কালছোৱাত আৰু অৱসৰৰ পাছতো বিশেষকৈ সোনোৱাল কছাৰী জনগোষ্ঠীটোৰ হকে বহুতো ৰাজহুৱা কাম কৰি সমাজ সেৱা

কৰে আৰু এতিয়াও কৰি আছে। তেখেতৰ ৰাজহুৱা কামৰ খতিয়ান কেইটিমান মোৰ দৃষ্টিত সংক্ষেপে তলত উল্লেখ কৰিলোঁ।

পূবেৰুণ কৃষি পাম ঃ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে এই কৃষি পামখন প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰৰ সৈতে বহুতো আলাপ-আলোচনা কৰিবলগীয়া হৈছিল। কৃষি পামখনৰ ঠাইত আগতে নামদাং নামে ফৰেষ্ট ৰিৰ্জাভ আছিল। ২ নং চৰাইহাবি গাঁৱৰ ওচৰত কৃষি পাম খন আছিল। ডিব্ৰুগড়ৰ ফালৰ পৰা গ'লে মৰিয়া আলিৰ বাঁওফালৰ কাষতে এই কৃষি পামখন আছিল আৰু 'পূবেৰুণ কৃষি পাম নিগম' নামে জনাজাত আছিল। সেয়ে এই ঠাইডোখৰক মানুহে নিগম বুলি কৈছিল। পূবেৰুণ কৃষি পামখন শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ উদ্যোগতে গঢ়ি উঠিল বুলি ক'ব পাৰি। ওচৰৰ গাঁৱৰ দুখীয়া মাটি নাইকিয়া মানুহক চৰকাৰীভাৱে প্ৰতিজনকে দহ বিঘাকৈ মাটি আবণ্টন দিয়াৰ ব্যৱস্থা কৰি তেখেতে চৰকাৰৰ সৈতে নেৰানেপেৰা আলোচনা দ্বাৰা 'পূবেৰুণ কৃষি পাম নিগম'খন প্ৰতিষ্ঠা কৰিলে বুলি কোৱাৰ স্থল আছে। সেয়ে এতিয়া নিগমৰ মানুহে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰে। কৃষি পাম খনৰ কাযেৰে যোৱা মৰিয়া আলিটো এতিয়া ফ'ৰলেনযুক্ত পকী আলি হ'ল। পাঁচটা আলি সংযোগ হোৱাৰ বাবে এতিয়া নিগম পাঁচ আলি নামে ঠাই ডোখৰ জনাজাত হৈ পৰিছে। এই ঠাইত এতিয়া ভালেমান ঘৰ-দুৱাৰ, দোকান-পোহাৰ আদি হ'ল। এই নিগম পাঁচ আলি এতিয়া ক্ৰমান্বয়ে নগৰ হোৱাৰ দিশে আগবাঢ়িছে বুলি ক'ব পাৰি।

সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱে ৰাইজৰ সহযোগত গাঁও-ভূঞে সভা-সমিতি পাতি অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। পাছলৈ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠন হ'ল। গতিকে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ ক্ষেত্ৰত তেখেতৰ বলিষ্ঠ ভূমিকা আছে কিয়নো স্বায়ত্ত শাসিত দাবী সমিতিৰ তেখেতে আছিল সভাপতি। তিনঠেঙীয়া আৰু নখাট অঞ্চলত প্ৰাথমিক বিদ্যালয়, এম ই স্কুল, হাইস্কুল আদি কৰি কুৰিখনৰো অধিক বিদ্যালয় প্ৰতিষ্ঠা কৰাত কাণ্ডাৰী স্বৰূপে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ নাম জনাজাত। তেখেত এজন বিচক্ষণ ৰাজনীতিবিদো বুলি ক'লে বঢ়াই কোৱা নহ'ব। কংগ্ৰেছ চৰকাৰৰ শাসন কালত তেখেতে কংগ্ৰেছ

দলৰ সমৰ্থনত তিনঠেঙ্গীয়া আৰু নখাট অঞ্চলৰ ৰাইজৰ অভাৱ-অভিযোগ আদি চৰকাৰৰ যোগেদি সমাধান কৰাত যথেষ্ট অৱদান থকাৰ কথা সকলোৰে জ্ঞাত। তেখেত জিলা পৰিষদৰ প্ৰাক্তন সদস্য। সংক্ষেপে ক'বলৈ গ'লে তেখেতে সমাজৰ উন্নতিৰ হকে জীৱনৰ বহু সময় উছৰ্গা কৰিলে আৰু এতিয়াও কৰি আছে। এজন প্ৰধান সমাজ সেৱক লোক বুলি জনাজাত।

তেখেত এজন সুখেতিয়ক বুলিও সকলোৰে জানে। ধান খেতিৰ বাদেও তেখেতে চাহ খেতিও কৰিছে। তেখেতৰ সাংসাৰিক জীৱনো আদৰ্শনীয়। তেখেতৰ বৰপুত্ৰ শ্ৰীদেৱ কুমাৰ সোনোৱাল ভাৰতীয় প্ৰশাসনিক সেৱাৰ এজন উচ্চপদস্থ বিষয়া। জ্যেষ্ঠ কন্যা শ্ৰীগীতাঞ্জলি সোনোৱাল এগৰাকী কবি। সৰু পুত্ৰ ব্যৱসায়সূত্ৰে গুৱাহাটীৰ বাসিন্দা। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ বয়স বৰ্তমান আশীৰ উৰ্দ্ধত আৰু সুস্বাস্থ্যৰ গৰাকী। এজন সুদৰ্শন ব্যক্তি, ধীৰ স্থিৰ, দেখিলেই শ্ৰদ্ধাৰ ভাব অনুভৱ কৰো। তেখেতে যাতে এনেদৰে সমাজ সেৱাত সদায় ব্ৰতী থাকিব পাৰে তাৰ বাবে প্ৰভু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছো। তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলো। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন জনাইছো।

লেখক ঃ অৱসৰপ্ৰাপ্ত অভিযন্তা, ডিব্ৰুগড়।

❏❏❏

শ্ৰীযুত ৰহেশ্বৰ ছাৰলৈ অভিনন্দন

✍ জ্যোতি প্ৰসাদ সোনোৱাল

সোনোৱাল কছাৰীৰ এজন মহান ব্যক্তি আৰু সাহিত্যিকে কৈছে যে বাস্তৱ জীৱনত অৱসৰ বুলি সময় এটা আছেনে বাৰু? সেই মহান ব্যক্তি জনৰ উক্ত বাক্যটোৰে আলম লৈ বৰ্তমান জীৱিত অৱসৰপ্ৰাপ্ত শিক্ষক মাননীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰক অভিনন্দন জনোৱাৰ উদ্দেশ্যে গ্ৰন্থ এখন প্ৰকাশ কৰাৰ মানসেৰে বিভিন্ন অঞ্চলৰ জনসাধাৰণে প্ৰয়াস কৰিছে বুলি জানিব পাৰি সুখী হৈছোঁ। ছাৰক লগ পোৱাৰ দিনবোৰকে সাৱোগত কৰি কিছু কথা লিখিছোঁ। এটা কথা সত্য গুণীৰ গুণ গুণীৰ আগত বখানিব নেপায় বুলি বিজ্ঞজনে কয়। সেয়েহে লিখিবলৈ সাহস কৰা নাই যদিও সাহস কৰিছোঁ। ভুল ত্ৰুটী হ'লে ছাৰে ক্ষমা কৰে যেন। ছাৰ জন্ম হওঁতে আমি জন্মই হোৱা নাই। তেখেতৰ ভাই তিনিজন। তাৰ ভিতৰত ছাৰে জ্যেষ্ঠ। ছাৰৰ বাই-ভনী পাঁচ গৰাকী। ছাৰে প্ৰথমতে লেঙেৰী হাইস্কুলত পঢ়িছিল পিছত খোৱাং হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত মেট্ৰিক পাছ কৰে। চনটো আছিল ১৯৫৮ চন। আই এ পাছ এতিয়া হায়াৰ ছেকেণ্ডাৰী পাছ কৰিছিল ১৯৬০ চনত। স্নাতক ১৯৬২ চনত উত্তীৰ্ণ হয়। ইয়াৰ পিছত একে বছৰৰে ১৮ আগষ্টত তিনঠেঙ্গীয়াত নিগাজিকৈ থাকিবলৈ লয়। তিনঠেঙ্গীয়া হাইস্কুলত শিক্ষকতা কৰি সেই স্কুলৰ পৰাই তেখেতে অৱসৰ লয়।

বৰ্তমান ছাৰ তিনঠেঙ্গীয়াৰ স্থায়ী বাসিন্দা। নখাট-তিনঠেঙ্গীয়া অঞ্চলৰ এনে এটা অনুষ্ঠান নাই যিটো প্ৰতিষ্ঠাৰ সৈতে ছাৰ জড়িত নহয়। ছাৰ আমাৰ নখাট হাইস্কুলত ১৯৯৩ চনৰ পৰা ১৯৯৫ চনলৈকে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব লৈ বিদ্যালয়খন আগুৱাই নিয়াত যথেষ্ট কষ্ট কৰিছিল আৰু

পূবেৰুণ কৃষি পাম নিগমখনকো প্ৰতিষ্ঠা কৰাত তেখেতেই গুৰি ধৰিছিল। ছাৰলৈ অভিনন্দন জনাইছোঁ। ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নখাট উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

তিনঠেঙীয়াৰ শ্ৰী শ্ৰী আইমাতৃ থান দৰ্শন।

ছাৰৰ সান্নিধ্য আৰু ব্যক্তিগত কিছু অনুভৱ

✍ নীল সোনোৱাল

শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰক লগ পাইছিলোঁ ১৯৬৫ চনত। তেতিয়া মই তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ৭ম শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। সেই সময়ত হাইস্কুলত ৭ ম শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈকে আছিল। আজিকালি অৱশ্যে ৮ম শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈকেহে আছে। আগতে ছাৰক লগ পোৱা বা দেখা নাছিলো। ছাৰে আমাক ইংৰাজী পঢ়াইছিল। ইংৰাজীৰ পঢ়োৱা পাঠবোৰ গৃহকামত গোটেই পাঠটো একেদিনাই তিনিবাৰকৈ নিজৰ বহীত লিখি আনিব দিছিল। ছাৰলৈ খুব ভয় লাগিছিল লিখি নিনিলে কিজানি শাস্তি দিয়েই সেই ভয়তে বহীত লিখি নি পিছদিনা ক্লাছত ছাৰক দেখুৱাইছিলোঁ। ছাৰেও চাই দিছিল ভুলবোৰ কাটি শুধৰাই দিছিল। ইয়াৰ পৰা মোৰ অনুভৱ হয় পঢ়াৰ উপৰি পাঠটো লিখিলে মনত থাকে আৰু আখৰ পাতিবোৰো সুন্দৰ হয়। যিহেতু- “সুন্দৰ হাতৰ আখৰ শিক্ষাৰ এটা প্ৰধান অঙ্গ।” সেই কথা মই বয়স বাঢ়ি যোৱাৰ পিছতহে বুজি পাইছিলো। তেতিয়া কিন্তু পাঠটো লিখি নিবলৈ আমনি পাইছিলো। ক্লাছ নাইনত আমাক অংক আৰু জ্যামিতি শিকাইছিল। অংকৰ শুদ্ধ পদ্ধতি আৰু জ্যামিতিৰ সঠিক জোখ-মাপ ল’বলৈ শিকাইছিল। ছাৰে অংক, সংস্কৃত, বিজ্ঞান, ভূগোল আদি সকলো বিষয়কে আমাক পঢ়াইছিল। যিহেতু বিষয় শিক্ষক কেতিয়াবা শ্ৰেণীত উপস্থিত থাকিব নোৱাৰিছিল বা ছুটীত আছিল। সকলো বিষয়ৰ প্ৰতি ছাৰৰ সম্যক জ্ঞান আছিল।

ছাৰে তিনঠেঙীয়াৰ পৰা নিজৰ জন্মস্থান নখাট-নগাঁৱলৈ গ'লে আমাৰ গাঁও খন পাৰ হৈ যাব লাগে। এদিনৰ কথা মই বৌদেউৰ লগত পথাৰত ভুঁই ৰুই আছিলোঁ। আমাৰ গাঁৱৰ ৰূপিত মাটিবোৰ বাম আছিল সেই বাবে হোলং মাৰি কঠীয়া ৰুই আছিলোঁ। ছাৰে সেইফালেদি পাৰ হৈ যাওঁতে মোক দেখি ওচৰ চাপি গ'ল আৰু ক'লে “বাম মাটিবোৰ ৰুবলৈ বৰ কষ্ট হৈছে ন”, “তুমি ঘৰুৱা কাম খুব কৰা ন”। তেতিয়া মই কৈছিলো- ছাৰ কৰিতো খাবই লাগিব, আমাৰ ঘৰত তিৰোতা মানুহ অকল বৌ জনীহে আৰু নাই গতিকে অলপ সহায় কৰি দিছো। ছাৰে কৈছিল- “ভালেই হৈছে কামৰ প্ৰতি মনোযোগ দিব লাগে। পুৰুষ, মহিলা বুলি কামৰ ভাগ ভাগ নাই। সকলো কাম পাৰিলে কৰিব লাগে। কিন্তু তুমি পঢ়াৰ প্ৰতিও ধাউতি ৰাখিবা।” ছাৰৰ এই কথাষাৰে জীৱনত বহু প্ৰেৰণা দিলে। তেতিয়াৰ পৰাই আজিলৈকে সকলোবোৰ কাম পৰাপক্ষত কৰিবলৈ ল'লো। কঠীয়া তোলা, ভুঁই ৰোৱা, ধানবনা (ঢেঁকীত ধান বনা), ঠাইমচা, কাঁহী বাটি ধোৱা, কাপোৰ কানি ধোৱা কিছুলোকে মহিলাৰ কাম বুলি গাঁও অঞ্চলত বিশেষকৈ কৰা দেখা নেযায়। কামৰ যে পুৰুষ, মহিলা পাৰ্থক্য নাই এই শিক্ষাটো ছাৰৰ পৰাই পালো বুলি মোৰ অনুভৱ হয়।

অভাৱ-অনাটনে মানুহক জুৰুলা কৰি উন্নতিৰ পথত আগবাঢ়িবলৈ বাধাৰ প্ৰাচীৰ হয়। ঘৰ-সংসাৰ চলোৱা, ল'ৰা-ছোৱালী পঢ়াৰ ক্ষেত্ৰত বিশেষকৈ বহু টকাৰ প্ৰয়োজন হয়। সেই প্ৰয়োজন খিনি পূৰাবলৈ কি কৰিব লাগিব, কেনেকৈ কৰিব লাগিব, সৎ-উপায়েৰে কেনেকৈ টকা-পইচা উপাৰ্জন কৰিব পাৰি এই শিক্ষাবোৰো ছাৰৰ কৰ্মৰাজিৰ পৰাই পাইছো বুলি মোৰ অনুভৱ হয়। যিহেতু শিক্ষকতা কৰিও নাতিদূৰত থকা পূবেৰুণ কৃষি পাম নিগমৰ কাষত থকা দ খেতি পথাৰত মেটেকা-দল গুচাই শালি খেতি কৰি ধান উৎপাদন কৰিছিল। নিজৰ প্ৰয়োজন নহ'লেও ৰাইজক খেতিৰ প্ৰতি প্ৰেৰণা যোগাইছিল। কৰ্মই যে মানুহৰ ধৰ্ম এই অনুভৱ মনলৈ আহিছিল। ঘৰত ৰাছিয়ান গাহৰি পুহিছিল, গৰু-গাই, ছাগলী, কণী পৰা বয়লাৰ কুকুৰা, পাতি হাঁহ আদিৰে ছাৰৰ চোতাল ভৰি থকা নিজ চকুৰে দেখা পাইছিলো। ব্যৱসায় ভিত্তিত পোহপাল কৰি উপাৰ্জনৰ পথ উলিয়াই পুত্ৰ সন্তান আৰু কন্যা সন্তানক পঢ়াৰ খৰচ দি গোটেই কেইজনকে উচ্চ শিক্ষিত আৰু প্ৰকৃত মানুহ কৰি গঢ়ি তুলিলে। ছাৰে এই জীৱ-জন্তু, পশু-পক্ষীবোৰ বিক্ৰী কৰি কিছু হ'লেও আৰ্থিক দিশত সহায় পাইছিল বুলি মোৰ অনুভৱ হয়।

যিহেতু ছাৰে শিক্ষকতা কৰা বিদ্যালয়খন বেচৰকাৰী আছিল আৰু দৰমহা-পাতিও কমকৈ পাইছিল। কেই-বছৰ মানহে চৰকাৰী দৰমহা পাই অৱসৰ গ্ৰহণ কৰে। নিজৰ প্ৰয়োজন নহ'লেও সমাজক এটা আদৰ্শ দাঙি ধৰিছিল বুলি মই অনুভৱ কৰোঁ।

আনহাতে ছাৰে সামাজিক দায়বদ্ধতাক সদায় উচ্চ স্থান দিছিল। নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ছাৰে দহা, বিয়া, সকাম আদিত খন্তেক হ'লেও উপস্থিত থাকি গৃহস্থৰ মনৰ আশা পূৰণ কৰিছিল। প্ৰায়ভাগ সভা-সমিতিত তেখেতে নিৰ্দিষ্ট বক্তা নতুবা সভাপতিৰ আসন অলংকৃত কৰিছিল আৰু আজিও কৰি আছে। ছাৰক এতিয়াও ভয়, ভক্তি আৰু শ্ৰদ্ধা কৰোঁ। সেই গৰাকী ছাৰৰ অভিনন্দন গ্ৰন্থত মোৰ কিছু অনুভৱৰ কথা লিখিলো। প্ৰয়োজনতকৈ অধিক বা ভুল হ'লে ক্ষমা কৰিব বুলি সেৱা জনালোঁ।

মোৰ দৃষ্টিত ধূন-পেঁচ নকৰা ছাৰ মোৰ বাবে সদায় অনুকৰণীয় হৈ থাকিব।

"মাটিৰ দেহা ইটো মাটিত মিলিব
ধূন-পেঁচ মিছা কিয় কৰিছে লাগিব।" —এই কবিতাটো পঢ়ি ছাৰে হৃদয়ঙ্গম কৰি জীৱনত প্ৰয়োগ কৰিছে বুলি মই ভাবোঁ। ছাৰে ঘৰলৈ গ'লে বা কেতিয়াবা ওচৰৰ গাঁৱলৈ গ'লে খোজকাঢ়িয়েই আগেয়ে গৈছিল। এতিয়া কিন্তু স্কুটী, গাড়ীত ফুৰিবলৈ যায়। মই কিন্তু তাহানিৰ খোজকাঢ়ি যোৱাৰ দিনৰ কথাহে লিখিব ওলাইছো। ক'ৰবালৈ গ'লে কিবা এটা ভাবি-চিন্তি গৈ থকা যেন মোৰ অনুভৱ হয়। তেতিয়া মই ভাবো ছাৰে কলেজীয়া জীৱনত "দৰ্শন শাস্ত্ৰ" (Philosophy) পঢ়িছিল নেকি? এই দৰ্শনৰ জৰিয়তে ছাৰে গতানুগতিক জীৱনৰ দৰ্শনৰ সূত্ৰ উলিয়াই ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰি উন্নতিৰ জখলাত নিজৰ ঘৰখনৰ লগতে সমাজখনৰ উন্নতি সাধন কৰিছে। সেয়েহে ছাৰৰ প্ৰেৰণাত, ছাৰৰ সহযোগত বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। আজিও সেইবোৰ জল-জল, পট-পটকৈ জিলিকি আছে। ছাৰে সমাজ, পৰিবেশ, ধৰ্মীয়, সাংস্কৃতিক, ৰাজনীতি, সমাজনীতি, শিক্ষা, যাতায়াত, কৃষি, সম্প্ৰীতি আদি সকলো দিশতে অগ্ৰণীয় ভূমিকা পালন কৰা মোৰ দৃষ্টিত পৰিলক্ষিত হয়। ব্যক্তিগত গপ-ভেম, খং-ৰাগ, অহংকাৰ, ধূন-পেঁচ দেখিবলৈ নেপাওঁ। প্ৰয়োজনতকৈ অধিক কথা কোৱা দেখা নাই।

“সহজানন্দ হৰি স্বৰূপানন্দ
হৃদয়ানন্দ হৰি পৰমানন্দ।” (নামঘোষা)

সহজ আনন্দ বা ক্ষণিক আনন্দই কিছু সময়ৰ বাবেহে আনন্দ দিয়ে। হৃদয়ৰ আনন্দই প্ৰকৃত আনন্দ বা পৰমানন্দ। মোৰ দৃষ্টিত ছাৰে পৰম আনন্দৰ মাজেৰে জীয়াই আছে। পৰিপূৰক এখন ঘৰৰ পৰিপূৰক মৰ্যাদা। যোগ্য-ভোগ্য বসুন্ধৰা। যোগ্যজনৰহে এই পৃথিৱীখন। যোগ্য হ'বলৈ কষ্টতো কৰিবই লগিব। শেষত ছাৰৰ ভৱিষ্যৎ জীৱন সুখৰ হওক, শান্তিৰ হওক, কৰ্মস্পৃহা অটুট থাকক এই কামনাৰে মোৰ অনুভৱখিনি লিখিত ৰূপ দিলো। অজানিত ভুলবোৰ ক্ষমা কৰি দিব। আপুনি মোৰ বাবে সদায় অনুকৰণীয় আৰু প্ৰেৰণাৰ অমল উৎস হৈ থাকিব। আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ভোগালী পথাৰ প্ৰাথমিক বিদ্যালয়।

❑❑❑

বন্ধু-বান্ধৱৰ লগত।

ছাৰৰ সান্নিধ্যত একলম

ভুৱনেশ্বৰ সোনোৱাল

কোনো এজন ব্যক্তিৰ বৰ্তমানত তেখেতৰ বিষয়ে লিখিবলৈ যোৱা কামটো সিমান সহজ নহয়। তাতে আকৌ সেই ব্যক্তিজন যদি সমাজৰ পুৰোধা ব্যক্তি হয় তেতিয়াহ'লে তেখেতৰ বিষয়ে লিখিবলৈ যোৱাটো ধৃষ্টতা মাথোঁ। আমাৰ সন্মানীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ সোনোৱাল কছাৰী জাতিটোৰ বিষয়ে চিন্তা কৰা ব্যক্তি সকলৰ মাজৰ এজন ব্যক্তি বুলি আমি ন-দি ক'ব পাৰোঁ। তেখেতে সাহিত্য চৰ্চা নকৰিব পাৰে, তেখেত নিজেই এখন ডাঙৰ কিতাপৰ দৰে। তেখেত গহীন-গম্ভীৰ, সুস্বাস্থ্যৱান, থুলন্তৰ এজন সুপুৰুষ। গতিকে তেখেতৰ বিষয়ে লিখাতো এটা কঠিন কাম। যি কি নহওক, মোৰ সাধাৰণ জ্ঞানেৰে তেখেতৰ কৰ্মময় জীৱনটো অকনমান ফঁহিয়াই চাবলৈ চেষ্টা কৰিম।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ নখাট-নগাঁৱত ১৯৪০ চনত জন্ম গ্ৰহণ কৰিছিল। তেখেত ঘৰখনৰ ডাঙৰ সন্তান। ভায়েক-ভনীয়েকৰ সৈতে তেখেত সকলৰ ঘৰখন আনন্দময় আৰু পূৰঠ আছিল। নগাঁৱতে তেখেত ডাঙৰ-দীঘল হৈছিল। স্কুলীয়া শিক্ষাও গাঁৱতে আৰম্ভ কৰিছিল। বৰ কষ্টেৰে তেখেতে শিক্ষা গ্ৰহণ কৰিছিল। তেতিয়াৰ দিনত মাক-দেউতাকহঁতে ধান বিক্ৰী কৰি নিজৰ সন্তান সকলক স্কুল-কলেজত পঢ়ুৱাইছিল। ধানৰ দামো বেছি নাছিল। এমোন ধানত ১০-১১ টকা মানহে পাইছিল। আমিও এমোন ধানৰ মূল্য ১৫-১৬ টকালৈকে জানিছিলো। গাঁৱৰ ল'ৰা-ছোৱালীবোৰে বোকা পানী খচি পথাৰত হাল-কোৰ বাই খেতি কৰি স্কুল-কলেজ পঢ়িছিল। অৱশ্যে গাঁৱৰ সৰহভাগ ল'ৰা-ছোৱালী বিদ্যালয়লৈ যোৱা নাছিল। প্ৰতিখন গাঁৱত ২-৩ জন মান ল'ৰা-ছোৱালীয়ে স্কুল-কলেজ পঢ়িবলৈ পাৰিছিল। গতিকে ছাৰো ইয়াৰ ব্যতিক্ৰম নহয়। তেখেতে

অশেষ কষ্ট স্বীকাৰ কৰি শিক্ষা গ্ৰহণ কৰিছিল। আজি ছাৰ আমাৰ সমাজৰ এজন লব্ধ প্ৰতিষ্ঠিত ব্যক্তি।

ছাৰৰ সোণালী জীৱনটো কেইবাটাও ধাৰাত বিশ্লেষণ কৰিব পাৰি। ধাৰা কেইটা হৈছে- এজন সফল অভিভাৱক। এজন কৃতী শিক্ষক, এজন সচেতন সমাজ সেৱক আৰু এজন সহজ-সৰল ৰাজনীতিজ্ঞ।

প্ৰথমে ছাৰ এজন সফল অভিভাৱক। তেখেতৰ সন্তান চাৰিজন। এগৰাকী কন্যা, তিনিজন ল'ৰা। এই চাৰিও সন্তানক ছাৰে সু-শিক্ষাৰে শিক্ষিত কৰালে। চাৰিজনৰ ভিতৰত দুজন স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু এজন স্নাতক। চাৰি সন্তানক শিক্ষা গ্ৰহণ কৰাওঁতে ছাৰে শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিকভাৱে যথেষ্ট কষ্ট কৰিব লগা হৈছিল। ডাঙৰ ল'ৰা 'দেৱ'ক দিল্লী বিশ্ববিদ্যালয়ত পঢ়ুৱাইছিল। গতিকে বহুত টকা-পইচা প্ৰয়োজন হৈছিল। ছাৰে আৰ্থিক নাটনিক প্ৰত্যাহবান হিচাপে লৈছিল আৰু সন্তান কেইটাৰ শিক্ষা গ্ৰহণত কোনো কৃপণালি নকৰিছিল। এতিয়া তেখেতৰ আটাইকেইটা সন্তান সুপ্ৰতিষ্ঠিত দেশৰ নাগৰিক। ডাঙৰ ল'ৰা 'দেৱ' ভাৰতীয় লোকসেৱা আয়োগৰ 'আই আৰ এছ'ৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমান ভাৰত চৰকাৰৰ কৰ বিভাগৰ মুখ্য আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। জানিব পৰামতে তেখেতৰ ছোৱালী গীতাঞ্জলিয়ে এম এ পাছ কৰি বৰ্তমান ব্যৱসায় বাণিজ্যৰ সৈতে জড়িত হৈ আছে আৰু অসমৰ এগৰাকী প্ৰগতিশীল কবি বুলি ক'ব পাৰি। ডিব্ৰুগড় জিলাৰ ট্ৰাইবেল সংঘৰ অধিৱেশনৰ স্মৃতিগ্ৰন্থত "আক্ৰান্ত সময়" নামৰ তাই লিখা কবিতাটো পঢ়ি বৰ্তমান পৃথিৱীখনে দুৰাৰোগ্য বেমাৰত ভুগি থকা কথাটো উপলব্ধি কৰিব পাৰি। ভৱিষ্যতে অসমীয়া সাহিত্যৰ মনোৰম সৃষ্টিত তাই নিজকে আত্মনিয়োগ কৰিব বুলি আমাৰ আশা। তেখেতৰ মাজুপুত্ৰ মানবেন্দ্ৰই তিনিঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। অতি দুখৰ বিষয় তেওঁ আজি আমাৰ মাজত নাই। আমি জনামতে সৰু পুত্ৰ হেমন্ত এজন সুপ্ৰতিষ্ঠিত ব্যৱসায়ী।

ছাৰৰ সহধৰ্মিণী বাইদেউ এগৰাকী সহজ-সৰল মৰমিয়াল আৰু বৰ সাদৰী তিৰোতা। বাইদেউ বহু ভাল গুণৰ অধিকাৰী হোৱাৰ বাবে বহু কষ্ট স্বীকাৰ কৰি সন্তান কেইটাক ডাঙৰ-দীঘল কৰি মানুহ কৰিলে। বাইদেউ প্ৰকৃততে ছাৰৰ ভাল সাৰথি। বাইদেউৰে ছাৰক এৰি নিদিয়ে। ছাৰে ক'ৰবালৈ গ'লে বাইদেউকো লগত লৈ যোৱা আমি প্ৰত্যক্ষ কৰিছিলো। এয়া বৰ্তমানেও দেখি আহিছোঁ। এইটো

হৈছে এগৰাকী পতিপ্ৰাণা নাৰীৰ নিদৰ্শন। এইবোৰ কাৰণতে ছাৰক এজন সফল অভিভাৱক হিচাপে আমি গণ্য কৰিব পাৰোঁ।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল উচ্চ মাধ্যমিক বিদ্যালয়ৰ এজন নীতি-নিয়ম মানি চলা নামজ্বলা শিক্ষক আছিল। শিক্ষক হিচাপে তেখেতৰ সুনাম আমাৰ অঞ্চলত বিৰাজমান। মই তেখেতৰ ছাত্ৰ নাছিলোঁ যদিও ছাৰৰ শিক্ষকতাৰ বিষয়ে তেখেতে পঢ়োৱা ছাত্ৰসকলৰ পৰা জানিছিলো। তেখেতসকলে কোৱামতে ছাৰে বৰ ভালদৰে আৰু হেঁপাহেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰিছিল। ছাত্ৰ-ছাত্ৰী সকল নৈতিক শিক্ষাৰে শিক্ষিত হোৱাটো কামনা কৰিছিল। পঢ়া-শুনাত অৱহেলা কৰা আৰু দুষ্ট প্ৰকৃতিৰ ছাত্ৰ-ছাত্ৰীসকলক তেখেতে বেয়া পাইছিল। কেতিয়াবা বিদ্যালয়ৰ নিয়ম ভংগ কৰা ছাত্ৰ-ছাত্ৰীসকলক তেখেতে শাৰীৰিক শাস্তিও দিছিল। শিক্ষক হিচাপে তেখেতে নিজৰ পাণ্ডিত্য দেখুৱাব পাৰিছিল। বিদগ্ধ পণ্ডিত সকলে কোৱামতে এজন শিক্ষকৰ হেনো সাতটা গুণ থাকিব লাগে। আমাৰ শ্ৰদ্ধাৰ ৰহেশ্বৰ ছাৰ এই আটাইকেইটা গুণৰ অধিকাৰী বুলি আমি নিশ্চয় ক'ব পাৰোঁ।

এজন সমাজ সেৱক হিচাপে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰে আমাৰ সমাজখনলৈ বহুখিনি বৰঙণি আগৰঢ়াইছে। তেখেতে সমগ্ৰ টিংখং-লেঙেৰী অঞ্চলটো উন্নয়ন তথা সঠিক দিশত আগবঢ়াই নিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছে আৰু নিজকে আত্মনিয়োগ কৰি আছে। সমাজৰ বিভিন্ন জনৰ লগত আলোচনা কৰি কিছুমান জনহিতকৰ কাম কৰি আহিছে। তেখেতৰ কেইটামান কামত সহযোগ কৰিবলৈ আমিও সুবিধা পাইছিলোঁ।

প্ৰথমে টেপৰগুৰি ক্ষত্ৰীয় শালৰ পূজা ভাগ অধিক মনোগ্ৰাহী কৰি তুলিবলৈ, ইয়াৰ মহত্ত্ব আৰু তাৎপৰ্য জনসাধাৰণক বুজাবৰ বাবে ছাৰহঁতে অসীম চেষ্টা কৰিছিল। আমি ডেকাচামে তেখেতসকলৰ লগত সহযোগ কৰিছিলোঁ। কাৰণ এটা সময়ত টেপৰগুৰি ক্ষত্ৰীয় শালখন নিষ্ক্ৰিয় হৈ পৰিছিল। শালখন পুনৰ উজ্জীৱিত কৰিবলৈ ছাৰহঁতে আগভাগ লৈছিল। ক্ষত্ৰীয় শালখনৰ উন্নয়নৰ কাৰণে ছাৰসকলৰ তত্ত্বাৱধানত এখন লটাৰী খেলো খেলোৱা হৈছিল। সমূহ ৰাইজৰ প্ৰচেষ্টাত শালখন পুনৰ সুন্দৰ ৰূপ পাবলৈ সক্ষম হ'ল। বৰ্তমান টেপৰগুৰি ক্ষত্ৰীয় শালখন অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে জনাজাত হৈ উঠিল।

১৯৯৩ চনত ৰহেশ্বৰ ছাৰ আৰু আমি কেইজনমান ব্যক্তিয়ে আলোচনা কৰি নখাটত "বাইথ' পূজা ভাগ" পাতিবলৈ সিদ্ধান্ত কৰিছিলো। কিন্তু গাঁৱৰ

কিছুমান মানুহ “বাইথ’ পূজা” সম্পৰ্কে ভালদৰে বুজি নোপোৱাৰ দোষত বাইথ’ পূজা ভাগ পাতোতে অলপ খেলি মেলিৰ সন্মুখীন হ’ব লগা হৈছিল। শেষত যেনিবা মানুহবোৰে বুজি পাই আটাইবোৰে আহি সহযোগ কৰিছিল।

বাইথ’ পূজাৰ লগত সংগতি ৰাখি এখন মুকলি সভাও অনুষ্ঠিত হয়। সভাত কেইটামান নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোচনা কৰা হয়। “সোনোৱাল কছাৰী স্বায়ত্ত শাসন”ৰ বিষয়টোও তাতে আলোচনা হৈছিল। আমি কেইজনমান যুৱকে বিষয়টো ‘বাইথ’ পূজা’ৰ লগত সংগতি নথকা বুলি ভাবি ছাৰক বিষয়টোৰ সম্পৰ্কে অৱগত কৰিছিলো। তেতিয়া ছাৰে কৈছিল, “বিষয়টো আলোচনা কৰাত কি আপত্তি আছে?” পাছত বুজিছিলো- ছাৰে “সোনোৱাল কছাৰী স্বায়ত্ত শাসন” দাবী সমিতিৰ সভাপতি।

এতিয়া ক’বলৈ গ’লে, “সোনোৱাল কছাৰী স্বায়ত্ত শাসন’ৰ প্ৰথম দাবীদাৰ আছিল আমাৰ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ। বাইথ’ পূজা শেষ হোৱাৰ পাছত আমি আটাইবোৰে গৈ নগাঁৱত ছাৰৰ সৈতে ৰাতি বিহু মাৰিছিলোঁ। সেই দিনটো আজিও মনত পৰে।

১৯৯৪-৯৫ বৰ্ষৰ দুবছৰ কাল শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ” নখাট মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল। তেখেত সভাপতি হৈ থাকোতে বিদ্যালয়ৰ শ্ৰেণী কোঠাবোৰ পকীকৰণ কৰিবলৈ হাতত লৈছিল। কোঠাবোৰ পকীকৰণ কৰিবৰ বাবে তেখেতে নিজে চৰকাৰৰ পৰা অনুদান বিচাৰি আনিছিল। সভাপতি হৈ থাকোতে বিদ্যালয়খনৰ আৰ্থিক দিশটো টনকিয়াল কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। শিক্ষক সকলৰ পাৰিতোষিকৰ ওপৰতো গুৰুত্ব দিছিল। বিদ্যালয়খন চৰকাৰীকৰণ কৰিবৰ নিমিত্তে উচ্চতম কৰ্তৃপক্ষৰ লগত সঘনাই যোগা যোগ ৰাখিছিল। মুঠৰ ওপৰত “নখাট উচ্চ মাধ্যমিক বিদ্যালয়”খন সৰ্বাঙ্গীণ উন্নয়নৰ বাবে তেখেতে মনে-প্ৰাণে সহযোগ আগবঢ়াইছিল। বিদ্যালয়খনৰ প্ৰতি তেখেতৰ মৰম আছিল অসীম। আজিও শিক্ষানুষ্ঠানটোৰ প্ৰতি তেখেতৰ সেই মৰম অটুট আছে বুলি নিশ্চয় ক’ব পাৰো।

প্ৰায় ৭০ দশকত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত গাঁওসমূহত বসবাস কৰা কিছুমান মানুহৰ অৰ্থনৈতিক অৱস্থা ভাল নাছিল। গাঁওবোৰত খাবলৈ নোহোৱা মানুহৰ সংখ্যাও বেছি আছিল। কিছুমান মানুহৰ খেতি মাটিও নাছিল। গাঁৱৰ মানুহক এই অৱস্থাৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ছাৰহঁতে উপায় বিচাৰিছিল। এই উপায়ৰ সমাধান স্বৰূপে নখাট গাঁৱৰ তেতিয়াৰ গাঁওবুঢ়া স্বৰ্গীয় ডিম্বেশ্বৰ

সোনোৱাল, ৰহেশ্বৰ ছাৰ প্ৰমুখ্য কৰি লেঙেৰী, নখাট, নগাঁও, তিনঠেঙীয়া, কলৌলোৱা, বুঢ়ীখোৱাং আদি অঞ্চলৰ গণ্যমান্য ব্যক্তি বিশেষৰ তত্বাৱধানত চৰকাৰলৈও যোগাযোগ কৰি সেইবোৰ অঞ্চলৰ দুখীয়া -নিছলা মানুহবোৰক 'নামদাং বনাঞ্চল'ত খেতি মাটি, ভেটি মাটি দি সংস্থাপন দিছিল। সংস্থাপন দিয়া ঠাইখিনিৰ নাম দিছিল "পূবেৰুণ কৃষি পাম নিগম"। "পূবেৰুণ কৃষি পাম নিগম" স্থাপন কৰোতে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰে অতুলনীয় ভূমিকা পালন কৰিছিল। আজি তাৰিখত কৃষি পাম নিগম সকলো ফালৰ পৰা চকুত লগা উন্নয়নৰ দিশে ধাৱমান হৈছে। এয়া আমাৰ অঞ্চলটোৰ এখন ভাল লগা ছবি। পূবেৰুণ কৃষি পাম নিগম নিৰ্মাণ কৰা অঞ্চলৰ বৰেণ্য ব্যক্তিসকলক কৃষি পাম নিগমত বসবাস কৰা লোক সকলে নিশ্চয় সদায় সুঁৱৰিব।

ৰাজনীতিৰ পথাৰখনত সোনোৱাল ছাৰ কিমান দক্ষ ৰাজনীতিবিদ সেই বিষয়ত কোৱাটো টান। কিন্তু তেখেত কংগ্ৰেছ দলৰ এজন সক্ৰিয় সদস্য আছিল। সেই বিষয়ে আমাৰ জ্ঞাত। অসমত কংগ্ৰেছ শাসন চলি থকা সময়ত চৰকাৰৰ পৰা আমাৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান বিলাকলৈ অনুদান আনিছিল। সেই সময়ত ডিব্ৰুগড় জিলাৰ বহু যুৱক-যুৱতীক শিক্ষকৰ চাকৰি দিয়াৰ লগতে অঞ্চলৰ বহু লোকক কৰ্মসংস্থাপন দিবলৈ সক্ষম হৈছিল।

প্ৰকৃতাৰ্থত শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ মানুহক ভালপোৱা এজন সফল ব্যক্তি। তেখেতে সদায় আৰ্তজনৰ কাষত থিয় দি আহিছে আৰু ভৱিষ্যতেও দিব।

সমগ্ৰ লেঙেৰী, নখাট, কলৌলোৱা, খোৱাং, চহৰীকটা আদি অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠী সকলে আয়োজন কৰা সভা-সমিতি আৰু সাংস্কৃতিক অনুষ্ঠানসমূহত তেখেত প্ৰায় উপস্থিত থাকে। বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ ছাৰে সমাজলৈ প্ৰভূত বৰঙণি আগবঢ়াই আহিছে। আচলতে ছাৰ নিঃস্বাৰ্থভাৱে মানুহক ভালপোৱা এজন প্ৰকৃত মানুহ। সমাজক বুজি পোৱা মানুহে তেখেতক সদায় মনত ৰাখিব।

এনে এজন সমাজ সচেতন জ্ঞানৱান ব্যক্তিৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি। শেষত ছাৰৰ সুস্থ শৰীৰে দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, চহৰীকটা উচ্চ মাধ্যমিক বিদ্যালয়।

❒❒❒

ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্যৰ শিক্ষা আৰু সামাজিক কামৰ সম্পৰ্কত একলম

✍ **ৰহেশ্বৰ সোনোৱাল**

আজিৰ পৰা প্ৰায় বাষষ্ঠি বছৰ আগৰ ১৯৬২ চনৰ কথা। আমাৰ শিক্ষা গুৰু শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰক লগ পাওঁ। মই সেই সময়ত তিনঠেঙীয়া এম ই স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। ছাৰে কিন্তু আমাক ক্লাছ লোৱা নাছিল। তেখেতে হাইস্কুলতহে ক্লাছ লৈছিল। তেখেতৰ ঘৰ আছিল নখাট নগাঁও নামৰ গাঁওখনত। প্ৰায় ঘৰৰ পৰা নহ'লেও ওচৰতে থকা ভোগালী পথাৰ গাঁৰত থকা তেখেতৰ পৰিয়ালৰ সম্বন্ধীয় ঘৰৰ পৰা স্কুললৈ অহা-যোৱা কৰিছিল। সেই সময়ত শিক্ষক আৰু ছাত্ৰ থাকিবৰ বাবে বৰ্ডিং ঘৰ সাজি দিছিল। সোনোৱাল ছাৰে স্কুলৰ ওচৰতে এটা বৰ্ডিং ঘৰ সাজি লৈ কেইজনমান ছাত্ৰৰে সৈতে থাকি লৈছিল। সেই সময়ত বহু দূৰ দূৰণিৰ গাঁৰৰ পৰা ছাত্ৰ আহি তিনঠেঙীয়া স্কুলত পঢ়িছিল। যাতায়াতৰ অসুবিধা হেতু চহৰীকটা, শলগুৰি, টেপৰগুৰি, নখাট নগাঁও, নামদাং আদি গাঁৰৰ পৰা পঢ়িবলৈ অহা ছাত্ৰসকলে স্কুলৰ মাটিতে নিজে নিজে বৰ্ডিং সাজি লৈছিল।

মই ছাৰে ঘৰ লোৱাৰ পৰাই তালৈ যাওঁ। তাতে আকৌ ছাৰে বিয়া পাতি ঘৰ ধৰিলে। আমাক ছাৰে ৭ম শ্ৰেণীৰ পৰাহে ক্লাছ লৈছিল। ছাৰৰ ক্লাছ থাকিলে আমাৰ ভয় লাগিছিল। কাৰণ তেখেত শকত আৰত, ওখ-পাখ আছিল। সেই সময়ত শিক্ষকসকলে হাতত এডাল বেত লৈহে ক্লাছলৈ গৈছিল। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীয়ে পাঠ নোৱাৰিলে বেত দিয়া, ছাৰৰ পিৰিয়ডত আমাৰ প্ৰথম বেঞ্চৰ কেইজনে প্ৰায় ঠিকেই থাকো। ছাৰে পিছৰ বেঞ্চৰ পৰা ধৰিলে আমি কেইজন সাৰি যাওঁ। ছাৰে মোক মৰম কৰিছিল বুলি ক'ব লাগিব। পাছত মৰমৰ তথ্য দিম।

ছাৰে শিক্ষকতা কৰাৰ লগতে ৰাজনীতিও কৰিছিল। তেখেতে ১৯৭৩ চনতে স্থানীয় বিধায়ক স্বৰ্গীয় তৰুণ চন্দ্ৰ চুতীয়াদেৱৰ লগ লাগি তিনঠেঙ্গীয়ালৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহদেৱক মাতি আনি এখন বিৰাট ৰাজহুৱা সভা পাতিছিল। উক্ত সভাতে মুখ্যমন্ত্ৰী মহোদয়ে নামদাং সংৰক্ষিত বনৰ একাংশ ডি-ৰিৰ্জাভ কৰি কৃষি পাম নিগম স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছিল। উক্ত ঘোষণাৰ পাছত বন মন্ত্ৰী স্বৰ্গীয় পৰমানন্দ গগৈদেৱে তিনঠেঙ্গীয়াৰ ৰাজহুৱা সভালৈ আহি কৃষি পামখনৰ নাম 'পূবেৰুণ কৃষি পাম নিগম' নামকৰণ কৰি উদ্বোধন কৰে। কৃষি পামখনত ডিব্ৰুগড় জিলাৰ সাতটা বিধান সভা সমষ্টিৰ ভূমিহীন কৃষক পৰিয়ালক বসতি স্থাপনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। নিগমখনৰ পৰিচালনাৰ বাবে এজন কৃষি বিষয়াক নিয়োগ কৰি এখন পৰিচালনা সমিতি গঠন কৰি দিছিল। উক্ত পৰিচালনা সমিতিৰ সভাপতি হিচাপে ক্ৰমান্বয়ে স্বৰ্গীয় ডিম্বেশ্বৰ সোনোৱাল, স্বৰ্গীয় কিৰণ দেউৰী আৰু আমাৰ ছাৰ শ্ৰীৰহেশ্বৰ সোনোৱালদেৱে কেইবা বছৰো কাৰ্যনিবাহ কৰাৰ পিছত ১৯৯৫ চনত এই অভাজনকো নিগমখনৰ সভাপতি হিচাপে নিয়োগ কৰিছিল।

এনেদৰে ছাৰৰ লগত বহুদিন কাম কৰাৰ পাছত মেট্ৰিক পৰীক্ষা দি ব্যৱসায় কৰিবলৈ হাতী লৈ বাহিৰলৈ যাওঁ। এবছৰ বাহিৰত থাকি ঘৰলৈ ঘূৰি আহি ঘৰৰ ওচৰতে থকা কৃষি পাম স্থাপনৰ বাবে গছ-গছনি কটা ঠাইত হাতীৰে কাম কৰোঁ। ১৯৭২ চনত পুনৰ ঘৰৰ পৰা ওলাই গৈ ১৫ /২০ বছৰ বাহিৰত থাকি ঘৰলৈ আহো আৰু ছাৰৰ লগত থাকি কংগ্ৰেছ দলৰ হৈ কাম কাজ কৰিবলৈ ল'লো। সেই সময়ত অসমত অসম গণ পৰিষদৰ চৰকাৰ চলি আছিল।

১৯৯৩ চনত বিধান সভা নিৰ্বাচন হয়। উক্ত নিৰ্বাচনত ৰাইজে পুনৰ কংগ্ৰেছক আঁকোৱালি লোৱাত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত কংগ্ৰেছ চৰকাৰে পঞ্চায়ত নিৰ্বাচন পাতিবলৈ সিদ্ধান্ত লোৱাত ছাৰে পঞ্চায়ত নিৰ্বাচনৰ বাবে সাজু হ'বলৈ ধৰে। নিৰ্বাচনৰ বাবে কংগ্ৰেছ কৰ্মীসকলে সমষ্টিটোৰ চাৰিওফালে প্ৰচাৰত নামিল। ছাৰে অভাজনক আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে দলীয় প্ৰাৰ্থী হ'বলৈ জোৰ দি ধৰে। সেই মতে কংগ্ৰেছ কৰ্মীসকলে প্ৰচাৰ অভিযানত নামি দলৰ ৮ জনক ৱাৰ্ড মেম্বাৰ আৰু সভাপতি সহ আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীক জয়ী কৰাই আনিবলৈ সক্ষম হয়। আমাৰ দলে উক্ত নিৰ্বাচনত অসম গণ পৰিষদ দলক সম্পূৰ্ণ পৰাস্ত কৰি পঞ্চায়ত দখল কৰিবলৈ সক্ষম হয়।

পঞ্চায়ত গঠনৰ পিছত আমাৰ দলে পঞ্চায়ত এলেকাধীন গাঁৱত জৰাজীৰ্ণ আলি, গোবাট আদি মেৰামতি আৰু ঠাই বিশেষে নতুনকৈ নিৰ্মাণ কৰি যাতায়াতৰ ক্ষেত্ৰত সুচল কৰিবলৈ লোৱা হয়। ইয়াৰ ফলত ৰাইজে যথেষ্ট সকাহ পাইছিল। এনেবোৰ কামত ছাৰে আমাৰ লগত থাকি দিহা- পৰামৰ্শ দি আহিছিল।

আজি পৰ্যন্ত আমি উলিয়াই দিয়া আলি- পদূলি, গোবাট আদি সম্পূৰ্ণ হৈ উঠা নাই। এতিয়াৰ দৰে পঞ্চায়তলৈ লাখ লাখ টকা আমাৰ দিনত অহা নাছিল, মাত্ৰ শ হাজাৰ টকাৰে ৰাইজৰ সহযোগত কামবোৰ কৰা হৈছিল। পুঁজিৰ নাটনি হ'লেও ৰাইজৰ সহযোগত কামবোৰ কৰি ভালেই লাগিছিল।

ছাৰৰ এনেবোৰ কামে আমাৰ অঞ্চলৰ ৰাইজক উপকৃত কৰিছিল, সেয়ে প্ৰায়বোৰৰ মূলতে ছাৰক এবাৰ হ'লেও টিংখং সমষ্টিৰ পৰা বিধান সভালৈ পঠিয়াব লাগে বুলি সকলোৰে কৈছিল। কিন্তু তেখেতে এইক্ষেত্ৰত উঠি-পৰি নলগাত আমাৰ দলৰ বহুতে ছাৰক বেয়াও পাইছিল, লগতে দুখো কৰিছিল। যিহেতু উক্ত সময়ত আমাৰ সমষ্টিত এনে এজন উপযুক্ত লোক (খাচ সমনীয়া হিচাপে) আন কোনো নাছিল। তেখেতে ইয়াৰ বাবে উদ্যোগ নোলোৱাত আমিয়েই এজন আদিবাসী লোকক বিধায়কৰ পদত অধিষ্ঠিত কৰাব লগা হ'ল। সেয়েহে ছাৰৰ প্ৰতি আমাৰ বহুতৰে আক্ষেপ থাকি গ'ল।

সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ দাবী সমিতিৰ সভাপতি হিচাপে স্বায়ত্ত শাসনৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হৈ সোনোৱাল কছাৰী স্বায়ত্ত শাসন প্ৰতিষ্ঠা কৰাত তেখেতে যি ভূমিকা গ্ৰহণ কৰিলে তাৰ বাবে তেখেত সদায় স্মৰণীয় হৈ ৰ'ব। তেখেতৰ আদৰ্শ লৈয়ে আমিও তেখেতৰ লগত সামাজিক কাম-কাজত জড়িত হৈ যথাসাধ্য সমাজৰ বাবে চিন্তা কৰি আছো।

শেষত ছাৰৰ দীৰ্ঘায়ু কামনা কৰি তেখেতলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই লেখা সামৰিলোঁ।

লেখক ঃ সমাজ সেৱক, ২ নং চৰাইহাবি গাঁও।

❏❏❏

ৰহেশ্বৰ ককাইদেউ সোনোৱাল জনগোষ্ঠীৰ পথ প্ৰদৰ্শক

উৎপল দাস

৪ জানুৱাৰী ১৯৯৮ আজিৰ পৰা প্ৰায় ২৬ বছৰ আগৰ সেই দিনটোত তিনিচুকীয়াত “সোনোৱাল কছাৰী স্বায়ত্ত শাসন” দাবীৰ সন্দৰ্ভত সোনোৱাল কছাৰী জাতীয় অভিৱৰ্তনত লগ পোৱা ব্যক্তিজনে আছিল শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। সেই দিনাই ৰাতি প্ৰায় ১.৫০ বজাত “সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি” গঠন হয় ।অভিৱৰ্তনৰ সৰ্বসন্মতিক্ৰমে সেই মানুহজন ৰহেশ্বৰ সোনোৱালদেৱক দাবী সমিতিৰ সভাপতি হিচাপে মনোনীত কৰে। এই অভাজনকো দাবী সমিতিৰ কাৰ্য্যনিবাহক সদস্য হিচাপে মনোনীত কৰে আৰু তাৰ পিছৰ পৰাই তেখেতৰ সৈতে আত্মিক সম্পৰ্ক গঢ়ি উঠে। এই প্ৰক্ৰিয়াত মই দাবী সমিতিৰ সাংগঠনিক সম্পাদক দায়িত্ব পোৱাৰ পাছত সংগঠনৰ বিভিন্ন সভা-সমিতি সমূহত সমিতিৰ সভাপতি ৰহেশ্বৰ সোনোৱালৰ লগত ঘনিষ্ঠতা বৃদ্ধি পায়। সেই সময়ত যোগাযোগৰ বাবে আজিৰ দৰে চেলফোন নাছিল বাবে তিনঠেঙ্গীয়াৰ পৰা অহা বাছ খনত বিভিন্ন সভা-সমিতিৰ খবৰ দিয়া হয়। ৰহেশ্বৰ ককাইদেউ বৰ সৰল মনৰ ব্যক্তি, কেতিয়াও কোনো কামৰ বাবে মই না কৰা শুনা নাছিলো। সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সাংগঠনিক কামৰ বাবে মই ডিব্ৰুগড়ৰ মাৰোৱাৰীপট্টিৰ পৰা তিনঠেঙ্গীয়ালৈ যোৱা একমাত্ৰ বাছখনত উঠি তিনঠেঙ্গীয়ালৈ যাওঁ। ককাইদেউৰ ঘৰ পোৱাৰ লগে লগে বৌৱে চাহ দিয়ে আৰু চাহ খাই আমি দুয়ো সংগঠনিক কাৰ্য্যসূচীৰ বিষয়ে আলোচনা কৰো। পুৱাই শুই উঠি গা পা ধোৱাৰ পাছত বৌৱে পাকঘৰত ভাত দিয়ে। ভাত খাই দুয়ো

দুখন বাইচাইকেলত দুটা মোনা, এটাত দুয়োৰে বাবে দুখন এৰী চাদৰ আৰু অন্য এটা মোনাত সংগঠনৰ কাগজ, কলম- বহী আদি লৈ বিভিন্ন গাঁও যেনে - বালিজান, ভোগালী পথাৰ, কলৌলোৰা, চৰাইহাবি, ন-খাট , চহৰীকটা, শলগুৰি, বুঢ়ীখোৱাং, খোৱাং এই গাঁও সমূহত স্বায়ত্ত শাসন দাবীৰ সন্দৰ্ভত বিভিন্ন জনৰ লগত আলোচনা কৰি আহ্বায়ক সমিতি গঠন কৰি পৰৱৰ্তী সময়ত ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। ঠাণ্ডা দিন দুয়ো ঘৰ সোমাওঁতে ৰাতি ৯/১০ টা বাজে আৰু বৌৱে আমাৰ বাবে ৰৈ থাকে। বৌৱে পুনৰ জুইশালত জুই ধৰি শাক-ভাত গৰম কৰি বহিবলৈ পীৰা পাৰি ভাত বাঢ়ে। ইয়াৰ আগতে দিনটো ঘূৰি ঘূৰি ভাগৰে জুগৰে অহাৰ বাবে ভাগৰ পলাবৰ বাবে বৌৱে অকণ অকণ ৰহ উলিয়াই দিয়ে। বৌ, মই আৰু ককাইদেউ, তিনিওৱে জুই ফুৰাই ফুৰাই কিছু কথা-বতৰা পতা হয়। ভাত পানী খাই শুই থাকো। পুনৰ পাছ দিনা গতানুগতিক ঠিক আগৰ দৰেই অন্য এক যাত্ৰা বেলেগ আন এক অঞ্চললৈ। মই তিনি চাৰি দিন তিনিঠেঙ্গীয়াৰ ককাইদেউৰ ঘৰত থাকি সাংগঠনিক কাম -কাজ সামৰি পুনৰ বাছত উঠি ডিব্ৰুগড়লৈ আৰু ডিব্ৰুগড়ৰ পৰা নাহৰকটীয়াৰ নিজ ঘৰলৈ ৰাওনা হওঁ।

সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ বিভিন্ন জিলা সমিতি গঠনৰ বাবে সভাপতি ৰহেশ্বৰ সোনোৱাল, সম্পাদক মিলন সোনোৱাল আৰু সাংগঠনিক সম্পাদক হিচাপে মই যাব লগীয়া হৈছিল। সাংগঠনিক কামত তিনিচুকীয়া জিলাৰ ডাঙৰী অঞ্চল, শিৱসাগৰ জিলাৰ বামৰজাবাৰী, বৰহাটৰ চোমডাৰ, যোৰহাট জিলাৰ বৰহোলা, তিতাবৰ, গোলাঘাট জিলাৰ কমাৰগাঁও, লক্ষীমপুৰ জিলাৰ তেলাহী, বগীনদী, ধেমাজি জিলাৰ বাটঘৰীয়া, ধেমাজি আৰু চিলাপথাৰ আদি অঞ্চললৈ সাংগঠনিক কাম- কাজৰ বাবে যাবলগীয়া হৈছিল।

সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবীক লৈ সোনোৱাল কছাৰী জাতীয় সংগঠন যেনে - সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সোনোৱাল কছাৰী জাতীয় পৰিষদ, সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি আদিৰ সৈতে ১৯৯৯ চনৰ ৭ আগষ্ট তাৰিখে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল মহন্ত দেৱৰ লগত প্ৰথম লানি আলোচনা হয়। কিন্তু এই স্বায়ত্ত শাসন দাবীটো বহুদিন স্থবিৰ হৈ ৰয় আৰু এই দাবীক পুনৰ জোৰদাৰ কৰিবৰ বাবে ২০০২ চনত অন্য এক জাতীয় অভিৰৰ্তনৰ যোগেদি সোনাৱাল কছাৰী যুৱ পৰিষদ নামেৰে অন্য এক নতুন

জাতীয় সংগঠনৰ জন্ম হয়। ইয়াৰ উদ্দেশ্য আছিল সোনোৱাল কছাৰী জনগোষ্ঠীৰ যুৱ সমাজক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰা। উক্ত জাতীয় অভিৱৰ্তনত এই পৰিষদৰ সভাপতি হিচাপে মিলন সোনোৱালক মনোনীত কৰে। মিলন সোনোৱাল যুৱ পৰিষদৰ সভাপতি হোৱাৰ পাছত এই অভাজনক সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ সম্পাদকৰ দায়িত্ব ভাৰ প্ৰদান কৰে। ইয়াৰ পাছত এক শক্তিশালী জাতীয় সংগঠন হিচাপে যুৱ পৰিষদৰ উত্থানৰ পাছত ২০০৩ চনৰ ২৯ মাৰ্চ তাৰিখে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবীক লৈ সেই সময়ৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়া আৰু ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী শ্ৰীযুত ভৰত নৰহ ডাঙৰীয়া সোনোৱাল কছাৰী জাতীয় সংগঠন সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সোনোৱাল কছাৰী জাতীয় পৰিষদ, সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি আৰু সোনোৱাল কছাৰী যুৱ পৰিষদ এই চাৰিটা জাতীয় সংগঠনৰ সৈতে আলোচনাত মিলিত হয় আৰু আলোচনাত এই জাতীয় সংগঠনসমূহৰ সভাপতি আৰু সম্পাদকৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰ প্ৰদান কৰি সোনোৱাল কছাৰী জনগোষ্ঠীৰ বাবে স্বায়ত্ত শাসন দাবী কৰা হয়। অসম চৰকাৰৰ লগত আলোচনা পাছত ২০০৩ চনৰ ২২ জুলাই তাৰিখে সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ Draft Modalaties আৰু Village List দাখিল কৰা হয়। অসম চৰকাৰে সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বায়ত্ত শাসনৰ বাবে Cabinet Sub Committee গঠন কৰে আৰু সেই কমিটীৰ লগত ২০০৪ চনৰ ২৪ জানুৱাৰী তাৰিখে এক আলোচনা হয়। এই আলোচনাৰ পাছতে সোনোৱাল কছাৰী সকলৰ স্বায়ত্ত শাসন প্ৰাপ্তিৰ বাট মুকলি হয়। এঘাৰ লানি আলোচনাৰ পাছত ২০০৫ চনৰ ৪ মাৰ্চ তাৰিখে অসম চৰকাৰ আৰু সোনোৱাল কছাৰী জাতীয় সংগঠন সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সোনোৱাল কছাৰী জাতীয় পৰিষদ, সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি আৰু সোনোৱাল কছাৰী যুৱ পৰিষদৰ লগত এখনি বুজা বুজি (Mou) চুক্তি পত্ৰ স্বাক্ষৰ কৰা হয়। উক্ত চুক্তি পত্ৰত এই চাৰিটা জাতীয় সংগঠনৰ সভাপতি, সম্পাদকৰ লগতে দাবী সমিতিৰ তৰফৰ পৰা সভাপতি ৰহেশ্বৰ সোনোৱাল আৰু সম্পাদক হিচাপে মই উৎপল দাসে স্বাক্ষৰ কৰো।

সোনোৱাল কছাৰী স্বায়ত্ত শাসন চুক্তি স্বাক্ষৰ হোৱা ৬ মাহ লৈকে অন্তৰ্বৰ্তীকলীন পৰিষদ গঠন কৰিব পৰা হোৱা নাছিল, কাৰণ পৰিষদৰ সদস্য

নিৰ্বাচনত সেই সময়ৰ সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদকৰ মত পাৰ্থক্যৰ বাবে সদস্য নিৰ্বাচনত ৬ মাহ সময় লাগে। অৱশেষত ছাত্ৰ সন্থাৰ সভাপতি ফৈদৰ ৬ জন ছাত্ৰ সদস্য নিৰ্বাচন আৰু অন্যান্য জাতীয় সংগঠনৰ সদস্যক লৈ চৰকাৰে সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠন কৰি দিয়ে। কিন্তু অতি পৰিতাপৰ কথা যে সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ ফালৰ পৰা এই অভাজনৰ বাদে অন্য কোনো এজনো সদস্য অন্তৰ্বৰ্তীকলীন পৰিষদত অৰ্ন্তভুক্ত কৰা নহ'ল। এই সকলো বিলাকত কিন্তু কিছু কাৰিকৰী আৰু অঞ্চল বিশেষ অসুবিধা আহি পৰিছিল। অৱশেষত দাবী সমিতিৰ সভাপতি ৰহেশ্বৰ সোনোৱালদেৱে অন্তৰ্বৰ্তীকলীন সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনত সহায়ক হোৱাকৈ পৰিষদৰ সদস্য পদত্যাগ কৰি পৰিষদত অন্তৰ্ভুক্তিৰ পৰা বিৰত থাকি জাতিৰ বাবে আদৰ্শ দাঙি ধৰে। ৰহেশ্বৰ সোনোৱাল ককাইদেৱে সোনোৱাল জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ বাবে গ্ৰহণ কৰা বলিষ্ঠ ভূমিকাৰ ভিতৰত সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ বাবে গ্ৰহণ কৰা ভূমিকা জাতিটোৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব। স্বায়ত্ত শাসনৰ বাবে অশেষ ত্যাগ কৰা ৰহেশ্বৰ সোনোৱাল ককাইদেউ সহ এচাম ব্যক্তিৰ নিষ্ঠা, সততা ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত আছিল। সেয়ে ক্ষমতাৰ প্ৰতি লালায়িত নাছিল।

ৰহেশ্বৰ সোনোৱাল ককাইদেউৰ সু-স্বাস্থ্য আৰু শতায়ু কামনা কৰিলোঁ। ককাইদেউ জাতিটোৰ প্ৰগতিৰ বাটত সদায়ে পথ প্ৰদৰ্শক হৈ থাকিব।

লেখক ঃ প্ৰাক্তন কাৰ্যবাহী সদস্য, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ।

❑❑❑

মোৰ স্মৃতিৰ পাপৰিত সোনোৱাল ছাৰ

ধনীৰাম শইকীয়া

শুভ ৰাতিপুৱা যিদৰে আদৰণীয় সেইদৰে আবেলি বেলিও তেনেদৰেই গ্ৰহণীয়। অতীতক এবাৰ ৰোমন্থন কৰিলোঁ। মোৰ বাবে এটা চিৰস্মৰণীয় দিন। ১৯৮৫ চন। দিনটোৰ বাৰ মনত নাই, কিন্তু মনত আছে শীতৰ সেমেকা নিৰিবিলি সন্ধ্যা আছিল সেই দিনটো। মোৰ গাঁৱৰ ওচৰতে ন-খাট নগাঁৱৰ সমাজ কৰ্মী শ্ৰীযুত কমলা বৰুৱাদেৱে মোক লৈ গৈছিল তিনঠেঙ্গীয়া অঞ্চললৈ। দুয়ো চাইকেলেৰে গৈ আছো। লেহেমীয়া গতিৰে গৈ থকা ক্ষণতে বৰুৱা ককাইদেউক সুধিলো মোক কিয়, কি কাৰণে মোক বাৰু তেখেতৰ ঘৰলৈ নিছে। শুনিছো তেওঁ হেনো বৰ নীতি পৰায়ণ, খঙাল, একা-বেঁকা নজনা, সদায় সৰল ৰৈখিক গতিৰে চলা মানুহ। তেখেতে প্ৰশ্ন কৰিলে প্ৰকৃত উত্তৰ দিব নোৱাৰিলে প্ৰথম চিনাকিৰ দিনাই সকলো দিশ ধূলিসাৎ। তেখেতে চমু উত্তৰ দিলে, 'মই আছো'। তোক মই লগত আনিছোঁহে।

বৰুৱাদেৱে তেখেতৰ চোতাল পায়েই ক'লে, ছাৰ মই পালোহি। তেখেতে তেখেতৰ আছুতীয়া কোঠা এটাৰ পৰা মাত লগালে, 'কমলা আহিলি।' বহ। কিছু সময় পিছত তেখেতে নিজৰ আসনত বহিয়েই মোৰ চিনাকি ল'লে। মোৰ ঘৰ, গাঁও, সঁচ-পৰিয়ালৰ নাম। লগতে শিক্ষাগত অৰ্হতা। আহিছা বহুত ভাল পাইছো, তোমালোকৰ দৰে যুৱকক লগ পালে ভাল লাগে, লগত থাকিলে সময়-সাপেক্ষে বিভিন্ন কাম-কাজ কৰিবলৈও সাহস হয়। সেয়াই সোনোৱাল ছাৰৰ লগত মোৰ প্ৰথম চিনাকি।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ, জ্যেষ্ঠসকলৰ লগত বিভিন্ন সময়ত

আলোচনাত বহোতে তেখেতৰ যুৱ জীৱন, শিক্ষকতা কৰি থকা বছৰবোৰৰ কথা, সামাজিক কাম-কাজৰ বিষয়ে জানি এই ছেগতে কিঞ্চিৎ লিপিবদ্ধ কৰিলো। তেখেত লেঙেৰী মৌজাৰ নখাট নগাঁৱত এজন কৰ্মপটু খেতিয়ক পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। শৈশৱৰ পৰাই তেওঁ অতি নিয়মানুৱৰ্তী, কৰ্তব্যপৰায়ণ তথা শিষ্টাচাৰী আছিল। হাইস্কুলীয়া শিক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ লগতে কলেজীয়া শিক্ষাও সু-নাম অৰ্জন কৰি পাছ কৰিছিল, সেই সময়ৰ স্নাতক। হয়তো আমাৰ গ্ৰামাঞ্চলত সেই সময়ত নাজানিছিল বি এ কি? বি কম কি? বি এছ চি কি? সত্যবাদী চহা জনগণই ভাবিছিল পঢ়া ল'ৰা। অমুকৰ পুতেক। গাঁৱৰ সামাজিক অনুষ্ঠানত ছাৰ গৈ পালেই জ্যেষ্ঠ সকলে কয় হেনু “ৰহেশ্বৰ” আহিলে। তেখেতেও সকলোকে পূৰ্ণ আন্তৰিকতাৰে নমস্কাৰ জনাইছিল। এই অভ্যাস তেখেতৰ ল'ৰালি কালৰ পৰাই আৰম্ভণি। এনেকৈয়ে তেখেতে গাঁৱৰ, সমাজৰ বিভিন্ন উন্নয়নৰ কামত দায়িত্ব সম্পৰ্কত উৎসাহ যোগাইছিল। এনেকৈয়ে দিন, মাহ পাৰ হৈ গ'ল। তেখেতৰ লগত মোৰ ঘনিষ্ঠতা গাঢ় হৈ উঠিল। মোৰ জীৱনৰ পথ প্ৰদৰ্শক তেখেত। নিৰ্ভীকভাৱে ছাৰৰ লগত আলোচনা-বিলোচনা কৰিব পৰা হ'লো। তেখেতে অংশগ্ৰহণ কৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতিলৈ মোক লগত লৈ যোৱা হ'ল। তেনেস্থলত সোনোৱাল ছাৰৰ কৰ্ম-দক্ষতা, কৰ্ম নিপুণতা, সৎ মানসিকতাৰ দিনপঞ্জী আওৰাবলৈ মোৰ বাবে দুসাধ্য। কাৰণ ছাৰৰ স্মৰণীয় দলিচাখন প্ৰায়েই পুৰণি হৈছে। তথাপি নিজস্ব মতামত উৰ্দ্ধত ৰাখি ছাৰৰ ‘জীৱন কৰ্ম” ৰাজি বিষয়ে কিঞ্চিৎ কলমৰ আঁক মাৰিছো। এদিন ভৰ দুপৰীয়া তিনঠেঙীয়া অঞ্চলৰ কেইজনমান সমাজ কৰ্মী, গণ্য-মান্য ব্যক্তি তেখেতৰ জন্মভূমি নখাট নগাঁৱলৈ আহিল। অতিথি আপ্যায়নৰ পাছত তেখেতৰ দেউতাকে তেখেতসকল অহাৰ কাৰণটো কি সুধিলে। সেই ব্যক্তি সকলৰ এজনে গহীনভাৱে ক'লে- “আপোনাৰ পুত্ৰ ৰহেশ্বৰক লগ কৰিব আহিলোঁ। যতি নপৰাকৈ কৈ গ'ল- তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল উচ্চ মাধ্যমিক বিদ্যালয়ত (বৰ্তমান উচ্চতৰ মাধ্যমিক) তেওঁ শিক্ষকতা কৰিবৰ বাবে ক'বলৈ। খন্তেক ৰৈ দেউতাকে ক'লে, জানো সিহে জানে, তাৰ ইচ্ছাই ইচ্ছা। সেই সময়ত ছাৰে মৌনব্ৰত সামৰি ক'লে হেনো আপোনালোক ইমান দূৰ বাটকুৰি বাই মোৰ ওচৰলৈ আহিল যেতিয়া ময়ো আপোনালোকৰ আগমনৰ সঁহাৰি জনাইছোঁ। মোৰ সীমিত জ্ঞানেৰে শিক্ষকতা কৰিবলৈ চেষ্টা কৰিম।

তিনঠেঙীয়া অঞ্চলটো তেখেতৰ বাবে অতি মন পৰশা হৈ পৰিল। একান্তচিত্তে শিক্ষকতা কৰিবলৈ আৰম্ভ কৰিলে। প্ৰধান শিক্ষকৰ লগতে সহপাঠী সকলৰ লগত শিক্ষাদান কৰাৰ উপৰি সেই অঞ্চলত সাহিত্য-সংস্কৃতি, কলা-কৌশল, সামাজিক কৰ্মসূচীতো আগৰণুৱা হৈ পৰিল। তেখেত এজন নিষ্ঠাৱান, নিয়াৰিকৈ কৰ্তব্য সম্পাদন কৰা, দূৰদৰ্শী, একাগ্ৰচিত্তে সামাজিক কামত নিজকে আত্মনিয়োগ কৰা ব্যক্তি বুলি একাষাৰে ক'ব লাগিব। গ্ৰামাঞ্চলত অনুষ্ঠানবোৰৰ দায়িত্ব লোৱাৰ লগতে নিয়োগ বিনিময়ত কেন্দ্ৰৰ কৰ্মী, পূবেৰুণ কৃষি পাম নিগমৰ সভাপতি, ভাৰতীয় জাতীয় কংগ্ৰেছ সমিতি ডিব্ৰুগড় জিলাৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি গ'ল। তদুপৰি সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য গুৰি ধৰোতাসকলৰ ভিতৰত এজন। লগতে সোনোৱাল কছাৰী জনগোষ্ঠীটোৰ উন্নয়নৰ হকে বহু কৰ্ম কৰি গ'ল আৰু বৰ্তমানেও পৰামৰ্শদাতা বুলি ক'ব পাৰি। তেখেতে নখাট উচ্চ মাধ্যমিক বিদ্যালয়, মেছলৌ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পদত থাকি বিদ্যালয় কেইখনৰ বহু উন্নতি সাধন কৰিলে আৰু নলনী চমুৱা জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ উন্নতিৰ বাবেও বহু কাম কৰি গ'ল। সোনোৱাল ছাৰৰ সামাজিক কৃতিত্ব যুগমীয়া হওক। সোনোৱাল ছাৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। আমাক ছাৰে যেন পৰামৰ্শ দি থাকক।

নমস্কাৰ সোনোৱাল ছাৰ।

লেখক ঃ প্ৰাক্তন সদস্য, খোৱাং আঞ্চলিক পঞ্চায়ত।

❑❑❑

দীৰ্ঘদিনৰ এছোৱা সময়ৰ সান্নিধ্যত ৰহেশ্বৰ সোনোৱাল ছাৰ

প্ৰমোদ শইকীয়া

লেখাখিনি কেনেকৈ আৰম্ভ কৰোঁ। মনত কোনো এটা কংক্ৰিট ধাৰণা লৈ মই টেবুলত বহিব পৰা নাই। অনেক ভাব-চিন্তা আৰু কিছুমান স্মৃতিয়ে জুমুৰি দি ধৰিছে। সত্তৰোৰ্দ্ধৰ বয়সৰ ডেওনা পাৰ হ'বলৈ ধাৱমান জীৱন পৰিক্ৰমা যেন সৰু হৈ আহিছে।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰে খোৱাং হাইস্কুলত পঢ়িয়ে হাইস্কুলৰ শেষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ কলা শাখাৰ (নাইট শ্বিফ্‌টত) নাম লগায়। তাৰে পৰাই আই এ পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ স্নাতক শ্ৰেণীত পঢ়িবলৈ লয়। দিনৰ ভাগত নিয়োগ বিনিময় কেন্দ্ৰত চাকৰি কৰি পঢ়া-শুনা ভালমতে চলাই নিয়াটো তেখেতৰ বাবে যথেষ্ট কষ্টকৰ আছিল। স্নাতক পৰীক্ষা দিয়াৰ পাছত তেখেতে চাকৰি ইস্তফা দি তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ শিক্ষকতা কৰিবলৈ আহে। সেই সময়ত মই উক্ত বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আছিলো। ছাৰে বৰ্ডিং সাজি থাকি লোৱাৰ পাছত ময়ো তেখেতৰ লগতে থাকি লৈছিলোঁ। তেখেতে স্কুলত ইংৰাজী, অংক, সংস্কৃত আৰু ভূগোল বিষয়ত পাঠদান কৰিছিল। সেই সময়ত তিনঠেঙীয়া অঞ্চলত বি এ পাছ ছাত্ৰ-ছাত্ৰী অতি নগণ্য আছিল। স্বৰ্গীয় ৰজনী হাজৰিকাদেৱৰ পাছতে তিনঠেঙীয়াৰ দ্বিতীয়জন ব্যক্তি হ'ল সোনোৱাল ছাৰ। তেখেতসকলে ধৈৰ্য্য সহকাৰে ৰাইজৰ সহযোগত তিনঠেঙীয়াত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

১৯৭২ /৭৩ চনত মৰাণ সমষ্টিৰ বিধায়ক আছিল ঁতৰুণ চুতীয়াদেৱ।

তেতিয়া ছাৰ আৰু মই বিধায়ক চুতীয়াদেৰক প্ৰায়ে লগ ধৰোঁ। বিধায়ক ঁচুতীয়াদেৰৰ পৰা জানিব পাৰিছিলোঁ যে ঁশৰৎ চন্দ্ৰ সিংহ নেতৃত্বাধীন অসম চৰকাৰে এখন কৃষি পাম স্থাপন কৰিব। তাৰ বাবে গছ-গছনি নথকা স্থান হ'লে ভাল হয় বুলি তেখেতে কৈছিল। বন মন্ত্ৰীৰ লগতে এই বিষয়ে আলোচনা কৰিবৰ বাবে পৰামৰ্শ দিছিল। সেই মতে আমি ৫ /৬ জনীয়া সঁজাতী দল এটাই বন মন্ত্ৰী ঁপৰমানন্দ গগৈদেৰক তেখেতৰ তিনিচুকীয়াৰ বাসগৃহত লগ কৰোঁ। তেখেতে নামদাং বনাঞ্চলতে স্থাপনৰ বাবে জিলা ডি এফ অ'ৰ লগতো আলোচনা কৰিবৰ বাবে পৰামৰ্শ দিছিল।

১৯৭৩ চনত জানুৱাৰী মাহত জিলা যুৱক কংগ্ৰেছৰ তৰফৰ পৰা তিনঠেঙ্গীয়াত জিলা নিবনুৱা যুৱকৰ এখন ছেমিনাৰ পতা হৈছিল। সেই ছেমিনাৰৰ উদ্যোক্তা আছিল বিধায়ক ঁতৰুণ চুতীয়া আৰু শ্ৰীৰহেশ্বৰ সোনোৱালদেৰ। উক্ত ছেমিনাৰলৈ জিলাৰ সকলো বেংকৰ মুৰব্বীসকল আহিছিল আৰু আত্মসংস্থাপনৰ বাবে গ্ৰহণ কৰিব পৰা আঁচনি সম্পৰ্কে বিতংকৈ বুজাই দিছিল। দ্বিতীয় দিনাৰ মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহদেৱে অংশগ্ৰহণ কৰি জনকল্যাণৰ বাবে চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ কথা দাঙি ধৰিছিল।

১৯৭৩ চনৰ ফেব্ৰুৱাৰী মাহত অসম চৰকাৰৰ বন মন্ত্ৰী পৰমানন্দ গগৈদেৱে তিনঠেঙ্গীয়া লৈ আহি নামদাং সংৰক্ষিত বনাঞ্চলত স্থাপন কৰিব লগা কৃষি পাম খনি 'পূবেৰুণ কৃষি পাম নিগম' নামাকৰণেৰে উদ্বোধন কৰি জিলাখনৰ সাতোটা সমষ্টিৰ পৰা বিধায়ক সকলে নিৰ্বাচন কৰি পঠিওৱা ভূমিহীন কৃষকক ২০০১ বিঘা মাটিত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰে। তাৰ বাবে চৰকাৰৰ ফালৰ পৰা এজন কৃষি বিষয়াক দায়িত্ব দি এখন পৰিচালনা সমিতিও গঠন কৰি দিয়ে। উক্ত পৰিচালনা সমিতিৰ সভাপতি ঁডিম্বেশ্বৰ সোনোৱালৰ পাছত শ্ৰীৰহেশ্বৰ সোনোৱালদেৰক পূবেৰুণ কৃষি পাম নিগমৰ সভাপতিৰ দায়িত্ব দিয়া হয়। তেখেতৰ কাৰ্যকালত নিগমবাসী ৰাইজৰ বাবে তিনিটা হৰি মন্দিৰ, তিনিখন বিদ্যালয়, এখন শ্মশান আৰু সাপ্তাহিক বজাৰৰ বাবে মাটি আবণ্টন দিয়া হয়। তেখেতে পৰিচালকৰ সহযোগত পথাৰৰ মাজেদি নভৰালীৰ সীমালৈকে এটা আলিও নিৰ্মাণ কৰি খেতিয়কসকলক পথাৰলৈ যোৱাৰ সুবিধা কৰি দিয়ে। বৰ্তমান এই আলিটোৱে একমাত্ৰ মেছলৌ ভৰালী আৰু ৫২ নং (বি) হৰেঘাট ডিব্ৰুগড় সংযোগী পথ।

১৯৭৫ চনত পূবেৰুণ কৃষি পাম নিগম মধ্য ইংৰাজী বিদ্যালয়খন সোনোৱাল ছাৰ সভাপতি আৰু মই সম্পাদক হিচাপে ৰাইজৰ সহযোগত স্থাপন কৰিছিলো। শ্ৰীৰাম কুমাৰ শইকীয়াক প্ৰধান শিক্ষকৰ দায়িত্ব দিয়া হৈছিল। বয়োজ্যেষ্ঠ লোকসকলক লৈ বিদ্যালয় গৃহ নিৰ্মাণৰ কাম সম্পন্ন কৰিবলৈ সমৰ্থ হৈছিলো। ইয়াৰ উপৰি বিদ্যালয়ৰ শিক্ষকসকলক পাৰিতোষিক দিবৰ বাবে দান-বৰঙণি বিচাৰি নাহৰকটীয়া, জয়পুৰ, তিনিচুকীয়া আদি বিভিন্ন ঠাইলৈ গৈছিলো, সেই অনুক্ৰমে বিভিন্ন জনৰ পৰা অকুণ্ঠ সঁহাৰি পাইছিলোঁ। শিক্ষকসকলক দা-দৰমহা দিয়াটো আমাৰ দুজনৰ বাবে ডাঙৰ বোজা হৈ পৰিছিল। সেয়েহে আৰ্থিকভাৱে কিছু সকাহ পাবলৈ পূবেৰুণ সাপ্তাহিক বজাৰ প্ৰতিষ্ঠা কৰা হয়। বিদ্যালয়ৰ যাৱতীয় সকলো নথিপত্ৰ ঠিক ঠাক কৰি জিলা শিক্ষা বিষয়াঁ গোপাল গোস্বামীদেৱক স্কুল পৰিদৰ্শন কৰিবলৈ আমন্ত্ৰণ জনাইছিলোঁ। পৰিদৰ্শন বিষয়াই স্কুলৰ যাবতীয় নথিপত্ৰ পৰীক্ষা কৰি পৰিদৰ্শনৰ টোকা উৰ্দ্ধতন কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিছিল। জিলা শিক্ষা বিষয়াই সেই একেটা দিনতে নতুন ভৰালী মধ্য ইংৰাজী বিদ্যালয় পৰিদৰ্শন কৰিবলৈ সোনোৱাল ছাৰ আৰু মোক লগত লৈ যায়। তেখেতে দুয়োখন বিদ্যালয়ৰ পৰিদৰ্শন ৰিপ'ৰ্ট প্ৰাথমিক শিক্ষা সঞ্চলকালয়লৈ ভালদৰে দিয়াত দুয়োখন বিদ্যালয় একে সময়তে চৰকাৰী হয়। এইক্ষেত্ৰত সোনোৱাল ছাৰে কেইবাবাৰো গুৱাহাটীলৈ তাঁত বাটি কৰিব লগা হৈছিল।

পূবেৰুণ কৃষি পাম নিগমত ১৭৫ ঘৰ ভূমিহীন লোকক সংস্থাপন দিয়া হ'ল যদিও বাৰিষা মথাউৰিৰ ওপৰত থকা দলঙেদি বুঢ়ী দিহিঙৰ বাঢ়নী পানী সোমাই পূবেৰুণ কৃষি পামৰ উপৰি কেইবাখনো গাঁৱৰ পথাৰ জলমগ্ন কৰি তোলাত খেতি বাতি কৰিব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছিল। কৃষি পামখনৰ প্ৰাক কলনত ডিমৌ নদীলৈকে এটা জান খান্দি পানী উলিওৱাৰ ব্যৱস্থা আছিল যদিও ৰাইজৰ আপত্তিত জানটো খন্দা নহ'ল। সেয়েহে ৰাইজে জিলা উপায়ুক্তক দলঙৰ ঠাইত মথাউৰিটো বন্ধ কৰি দিবলৈ অনুৰোধ কৰাত জিলা কৰ্তৃপক্ষই মথাউৰিটো বন্ধ কৰি দিয়ে। ফলত উজনিৰ পৰা অহা পানী বৰষুণৰ পানী কৃষি পাম খনত জমা হৈ খেতি কৰিব নোৱৰা অৱস্থা হয়। খেতি বাতি কৰিব নোৱাৰি নিগমৰ ভালেমান অংশীদাৰ নিগম এৰি পুনৰ নিজ নিজ ঠাইলৈ ঘূৰি যায়। এইবাৰ ৰাইজে মথাউৰিত এখন শ্লুইচ গেট দিব লাগে বুলি দাবী উত্থাপন কৰে আৰু দাবীটোৰ হকে নেতৃত্ব

দিবলৈ সোনোৱাল ছাৰক দায়িত্ব দিয়ে। তেখেতৰ লগত আমি কেইবাজনে ই এণ্ড ডি ছুপাৰিনটেনডেণ্টক লগ কৰি এখন প্ৰাককলন বনাই ব্ৰহ্মপুত্ৰ বোৰ্ডলৈ পঠিয়াবলৈ খাটনি ধৰিলো। অৱশেষত তেখেতে আঁচনিখন বনাই দিয়াত আমি সোনোৱাল ছাৰৰ সতে কমলা বৰুৱা, বিনন্দ সোনোৱাল, পানীৰাম শেনচোৱা গৈ গুৱাহাটী ব্ৰহ্মপুত্ৰ বোৰ্ডত দাখিল কৰিলোঁ। কেইবা বাৰো অনুনয় বিনয় কৰাৰ পাছত বোৰ্ডে অনুমোদন দিয়ে। অৱশেষত ১৯৭৯ চন মানত জিলা ই এণ্ড ডি বিভাগে শ্লুইচ গেট নিৰ্মাণ কৰি বানপানীৰ কবলৰ পৰা কৃষি পামখন উদ্ধাৰ কৰে।

তিনঠেঙ্গীয়াত এটি স্বাস্থ্য কেন্দ্ৰ লাগে বুলি পদ্ম কুমাৰী গোহাঁই বিধায়িকা হৈ থকা দিনৰ পৰাই তিনঠেঙ্গীয়া অঞ্চলৰ ৰাইজে দাবী জনাই আহিছিল। ৰাইজৰ এই আশা পূৰণ হ'ব বুলি নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত গছত ফলক মাৰি নিৰ্বাচনী ৰণত জয়ী হৈ পিছত পিঠি দিয়া দেখা গৈছিল। স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বিষয়ে আলোচনা কৰিবলৈ সোনোৱাল ছাৰে এখন সভা আহ্বান কৰিছিল আৰু সেই সভাতে গাঁৱৰ মুখিয়াল সকলক লৈ এখন সমিতি গঠন কৰা হৈছিল।

তিনঠেঙ্গীয়াকে ধৰি বৃহত্তৰ নামদাং অঞ্চলৰ সামাজিক উন্নয়নত সোনোৱাল ছাৰৰ বৰঙণি কোনেও কাহানিও পাহৰিব নোৱাৰে। ছাৰৰ সুস্বাস্থ্য কামনা কৰিলোঁ। অভিনন্দন শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ।

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, গড়মৰা বালিজান প্ৰাথমিক বিদ্যালয়।

❑❑❑

অভিনন্দন ঃ শ্ৰদ্ধাস্পদ ৰহেশ্বৰ সোনোৱাল সমীপেষু

গকুল চন্দ্ৰ খাউণ্ড

ডিব্ৰুগড় জিলাৰ বৃহত্তৰ খোৱাং অঞ্চলৰ শিক্ষা, সাহিত্য, ক্ৰীড়া প্ৰমুখ্যে বিভিন্ন দিশৰ উত্তৰণৰ অৰ্থে অহোপুৰুষাৰ্থ কৰা পৰম শ্ৰদ্ধেয়, নমস্য ব্যক্তিসকলৰ অন্যতম শ্ৰদ্ধাস্পদ ৰহেশ্বৰ সোনোৱালৰ জীৱন আৰু কৃতী সম্পৰ্কে আলোকপাত কৰা লেখাৰে সমৃদ্ধ অভিনন্দন গ্ৰন্থ প্ৰণয়ন কৰি তেখেতৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শনৰ প্ৰয়াসেৰে আগবাঢ়ি অহা সুহৃদসকলৰ প্ৰতি আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সুন্দৰ সুঠাম ঋজুদেহী এইজনা শিক্ষাগুৰু, সামাজিক দায়বদ্ধতাৰ অনন্য আদৰ্শ ৰহেশ্বৰ সোনোৱাল ছাৰৰ সান্নিধ্য লাভ কৰি আমি ধন্য, গৌৰৱান্বিত। বৃত্তিগতভাৱে শিক্ষকৰূপে থকা পৰিচয়ৰ উপৰি ছাৰৰ সামাজিক দায়বদ্ধতা, শিক্ষাৰ প্ৰসাৰৰ যোগেদি সমাজ নিৰ্মাণৰ আন্তৰিক হেঁপাহ, কঠোৰ পৰিশ্ৰম, সাংগঠনিক দক্ষতা আদি গুণবোৰে তেখেতক মহীয়ান কৰিছে। সোনোৱাল ছাৰৰ গুৰু গম্ভীৰ কথনভংগী তথা বিৰল ব্যক্তিত্বৰ লগতে সুন্দৰ সুঠাম শাৰীৰিক অৱয়ৱে প্ৰথমবাৰ লগ পাওঁতেই আমাক আকৃষ্ট কৰিছিল। কুৰি শতিকাৰ শেষভাগত তিনঠেঙ্গীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ এই আদৰ্শ শিক্ষাগুৰুজনাৰ লগত আমাৰ পৰিচয় হৈছিল। আমাৰ পৰম মিত্ৰ একালৰ তিনঠেঙ্গীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত প্ৰশান্ত চেতিয়া ডাঙৰীয়াৰ লগত তিনঠেঙ্গীয়া অঞ্চললৈ প্ৰথমবাৰ যাওঁতেই নিলগৰ পৰা সোনোৱাল ছাৰক দেখাৰ সৌভাগ্য হৈছিল। পৰৱৰ্তী সময়ত সেই বিদ্যালয়ত অনুষ্ঠিত এক ৰাজহুৱা অনুষ্ঠানত ভাগ ল'বলৈ গৈ সোনোৱাল ছাৰৰ লগত চিনাকি হৈছিল। গহীন-গম্ভীৰ, অল্পভাষী শিক্ষাগুৰুজনাৰ লগত পৰিচয় হোৱাৰ

দিনৰে পৰা তেখেতৰ শিক্ষকতাৰ দক্ষতা, প্ৰান্তীয় অঞ্চলৰ শিক্ষাৰ প্ৰসাৰৰ আগ্ৰহ দেখি আপ্লুত হৈছিলোঁ।

ৰহেশ্বৰ সোনোৱাল ছাৰ বৃহত্তৰ খোৱাং অঞ্চলৰ এগৰাকী অন্যতম আদৰ্শ শিক্ষাগুৰুৰূপে সমাদৃত হোৱাৰ উপৰি এগৰাকী যথাৰ্থ শিক্ষানুৰাগীৰূপে এক সুকীয়া পৰিচয় তেখেতৰ কৰ্মৰাজিৰ যোগেদি প্ৰকাশিত হয়। নিজৰ কৰ্মস্থলী তিনঠেঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ বাবে অবিৰত সেৱা আগবঢ়োৱাৰ উপৰি বৃহত্তৰ তিনঠেঙীয়া অঞ্চলৰ অন্যান্য শিক্ষানুষ্ঠানসমূহৰ প্ৰতিষ্ঠাৰ পৰা আৰম্ভ কৰি পূৰ্ণাংগ ৰূপ দিয়ালৈকে অক্লান্ত শাৰীৰিক আৰু মানসিক শ্ৰম কৰাৰ সুবাদতে এক বৃহৎ অঞ্চলৰ ৰাইজে আজিও তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা, মৰম অক্ষুণ্ণ ৰাখিছে। নখাট উচ্চ মাধ্যমিক বিদ্যালয় নামৰ শিক্ষানুষ্ঠানটিৰ জন্মলগ্নৰে পৰাই সক্ৰিয় অংশগ্ৰহণ কৰি এখনি পূৰ্ণাংগ বিদ্যালয়ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত আগভাগ লোৱা পুৰোধাসকলৰ অন্যতম ৰহেশ্বৰ সোনোৱাল ছাৰে লেঙেৰী, নখাট, নামদাং, চহৰীকটা, তিনঠেঙীয়াকে আদি কৰি অঞ্চলটোত এক শৈক্ষিক জাগৰণ সৃষ্টি কৰাত আত্মনিয়োগ কৰাৰ বাবেই সেই অঞ্চলৰ শিক্ষানুৰাগী ৰাইজে আজিও তেখেতক অসীম শ্ৰদ্ধা আৰু সমীহ কৰাটো তেখেতৰ একান্ত প্ৰাপ্য বুলিয়েই আমি অনুভৱ কৰোঁ।

শিক্ষকতাক জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰি নিজৰ সমস্ত সামৰ্থ্য উজাৰি দিয়াৰ উপৰি কঠোৰ পৰিশ্ৰমী সোনোৱাল ছাৰ এগৰাকী আদৰ্শ কৃষকৰূপেও এক সুকীয়া পৰিচয়ৰ অধিকাৰী।

বিদ্যায়তনিক দিশত সোনোৱাল ছাৰৰ পাৰদৰ্শিতাৰ লগতে তেখেতৰ সাংগঠনিক দক্ষতাৰ কথাটোও উল্লেখনীয়। বাল্যকালৰ পৰাই কঠোৰ পৰিশ্ৰম কৰি, বহু জটিলতা অতিক্ৰমি শিক্ষা গ্ৰহণ কৰা এইজনা শিক্ষাগুৰুৱে পৰৱৰ্তী সময়ত যাতায়াত প্ৰমুখ্যে বহু সমস্যাৰে আক্ৰান্ত প্ৰান্তীয় গ্ৰামাঞ্চলত শিক্ষাৰ পোহৰ বিলাবলৈ নিঃস্বাৰ্থভাৱে আগবঢ়োৱা সেৱাৰ বাবেই অঞ্চলৰ ৰাইজৰ শ্ৰদ্ধা-সন্মান আদায় কৰিবলৈ সক্ষম হৈছে।

শ্ৰদ্ধাস্পদ সোনোৱাল ছাৰৰ লগত ঘনিষ্ঠতা বৃদ্ধি হোৱাৰ সুযোগ পাওঁ কুৰি শতিকাৰ শেষ দশকত। অসমৰ আটাইতকৈ প্ৰাচীন শিশু কল্যাণকামী সংগঠন 'সদৌ অসম মইনা পাৰিজাত'ৰ ডিব্ৰুগড় জিলা গোটৰ অধীনৰ পশ্চিম অঞ্চলত নকৈ গঢ় লোৱা মইনা পাৰিজাতৰ দহোটা শাখাৰ মইনাৰ সমাৰেশত

তিনঠেঙ্গীয়াত চাৰিদিনীয়া এক শিশু সমাৰোহ আয়োজন কৰা হয়। পশ্চিম ডিব্ৰুগড় অঞ্চলত প্ৰথম এই শাৰদীয় শিশু সমাৰোহখনি সফল কৰি তোলাৰ ক্ষেত্ৰত তিনঠেঙ্গীয়াবাসী শিশুপ্ৰেমী ৰাইজৰ সক্ৰিয় সহযোগিতা আমাৰ বাবে আজীৱন স্মৰণীয়। সেই শিশু সমাৰোহৰ প্ৰস্তুতি সভাৰ পৰা সামৰণিলৈকে অহৰ্নিশে অক্লান্ত সেৱা আগবঢ়োৱা ছাৰৰ কন্যা গীতাঞ্জলি আৰু তেওঁৰ সমনীয়া অঞ্জুমণি দত্ত, চূড়ামণি সোনোৱাল, ক্ষীৰোমণি সোনোৱালৰ তৎপৰতাই আমাক আপ্লুত কৰিছিল। সোনোৱাল ছাৰৰ বাসগৃহ সমাৰোহথলীৰ নিচেই ওচৰতে থকাৰ বাবে সমাৰোহৰ বিভিন্ন কাম-কাজৰ বাবে তেখেতৰ ঘৰলৈ আমাৰ আহ-যাহ বৃদ্ধি হৈছিল আৰু তেতিয়াই শ্ৰদ্ধাস্পদ সোনোৱাল ছাৰৰ লগত আমাৰ ঘনিষ্ঠতা বাঢ়িছিল। সেই ঘনিষ্ঠতাৰ ভিত্তিতেই সোনোৱাল ছাৰৰ চিন্তা, আদৰ্শ আৰু কৰ্মৰাজিৰ বিষয়ে আমি অধিক জনাৰ সুযোগ পাওঁ। অল্পভাষী, গহীন গম্ভীৰ সোনোৱাল ছাৰৰ লগত বেছি সময় কথা বাৰ্তা পাতিবলৈ প্ৰথম অৱস্থাত আমাৰ কিছু ইতস্ততঃ হৈছিল যদিও পাছলৈ তেখেতৰ লগত আমাৰ সম্পৰ্ক জ্যেষ্ঠ ভাতৃ আৰু কনিষ্ঠ ভাতৃৰ দৰে হয়। তিনঠেঙ্গীয়াত অনুষ্ঠিত হোৱা মইনা পাৰিজাতৰ শিশুৰ সমাৰোহৰ বিভিন্ন কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত অঞ্চলটোৰ সকলো স্তৰৰ ৰাইজ উবুৰি খাই পৰিছিল। সোনোৱাল ছাৰো তাৰ ব্যতিক্ৰম নাছিল। সমাৰোহ কাৰ্যসূচী সুসম্পন্ন কৰাৰ ক্ষেত্ৰত সোনোৱাল ছাৰে আগবঢ়োৱা দিহা-পৰামৰ্শই আমাক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিছিল। পৰৱৰ্তীকালত তিনঠেঙ্গীয়া অঞ্চলত অনুষ্ঠিত বিভিন্ন ৰাজহুৱা অনুষ্ঠানত ভাগ ল'বলৈ যাওঁতে সোনোৱাল ছাৰক সঘনে লগ পোৱাৰ সুযোগ পাইছিলোঁ। সেই সময়ত আমাৰ চকুত পৰা উল্লেখনীয় বিষয়টো হৈছে— সমাজৰ সৰ্বাংগীণ উন্নতিৰ হকে চিন্তা আৰু কৰ্মত প্ৰবৃত্ত হোৱা সোনোৱাল ছাৰে কথা কাণ্ডবোৰ নিলগৰ পৰাই সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰি বিভিন্ন সময়ত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছিল বাবেই বহু বাধা-বিঘিনি অতিক্ৰম কৰি তেখেতে সামাজিক, শৈক্ষিক উন্নতিৰ ক্ষেত্ৰত অমূল্য বৰঙণি যোগাই নিজৰ জীৱন ধন্য কৰাৰ লগতে প্ৰজন্মক উন্নতিৰ মাৰ্গদৰ্শন কৰাবলৈ সক্ষম হৈছিল।

মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ খোৱাং কেন্দ্ৰৰ সুপৰিচালনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বিশেষ ব্যক্তিসকলৰ অন্যতম ৰহেশ্বৰ সোনোৱাল ছাৰে পৰীক্ষা কেন্দ্ৰৰ সহকাৰী ভাৰপ্ৰাপ্ত বিষয়াৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ সময়ত তেখেতৰ কৰ্মদক্ষতা, প্ৰশাসনীয় দক্ষতা আদিৰ উমান পাইছিলোঁ। পৰীক্ষা চলি

থকাৰ সময়ত পৰীক্ষা কেন্দ্ৰৰ প্ৰতিটো কোঠাৰ সমুখেদি ধীৰ-গম্ভীৰভাৱে অহা-যোৱা কৰি থাকোঁতেই ক'ৰবাত কিবা অনিয়ম, বিজুতি দেখিলে তাৎক্ষণিকভাৱে সেই অনিয়ম, বিজুতি নিৰাময়ৰ উচিত ব্যৱস্থা গ্ৰহণ কৰি কেন্দ্ৰটোৰ সুনাম বজাই ৰখাৰ ক্ষেত্ৰত সোনোৱাল ছাৰৰ ভূমিকা অনন্য।

এগৰাকী যথাৰ্থ সামাজিক দায়বদ্ধ শিক্ষাব্ৰতীৰূপে অঞ্চলৰ সকলো শ্ৰেণীৰ ৰাইজে শিক্ষাৰ সুযোগ পোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি সোনোৱাল ছাৰে অঞ্চলটোত কেইবাখনো শিক্ষানুষ্ঠান স্থাপন কৰি এক বৌদ্ধিক উত্তৰণৰ যাত্ৰাত নেতৃত্ব দিয়াত সফল হৈছিল। একালৰ সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক, সুদক্ষ খেলুৱৈ, এতোৱা মুণ্ডাই তেখেতৰ দুগৰাকীমান শিক্ষানুৰাগী মিত্ৰক লগত লৈ ডুলিয়াবাম চাহ বাগিচাৰ সীমাত দেৱাচালি গাঁৱৰ শিশুসকলৰ প্ৰাথমিক শিক্ষাৰ সমস্যা সমাধানৰ লক্ষ্য আগত ৰাখি দেৱাচালি গাঁৱত এখনি প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ কাম আৰম্ভ কৰিলে। এতোৱা মুণ্ডাৰ লগত থকা আমাৰ সম্ভাৱৰ সুবাদতে বিদ্যালয়ৰ শুভাৰম্ভ অনুষ্ঠানলৈ আমাক নিমন্ত্ৰণ কৰিলে। যথাসময়ত যথাস্থানত উপস্থিত হৈ বিদ্যালয়ৰ শুভাৰম্ভ অনুষ্ঠানত ভাগ ল'বলৈ গৈ শ্ৰদ্ধাস্পদ ৰহেশ্বৰ সোনোৱাল ছাৰক সভাগৃহৰ এখন আসনত উপৱিষ্ট হৈ থকা দেখি এক সুকীয়া আনন্দ অনুভৱ কৰিলোঁ। পিছত জানিব পাৰিলোঁ যে এতোৱা মুণ্ডা আৰু সেই বিদ্যালয় প্ৰতিষ্ঠাৰ উদ্যোক্তাবৃন্দই সোনোৱাল ছাৰক মাৰ্গদৰ্শকৰূপে ৰাখি এই কাম সফল কৰি তুলিছে। চাহ জনগোষ্ঠীয় আৰ্থিকভাৱে দুৰ্বল ৰাইজে বসতি কৰা সেই অঞ্চলত এখনি বিদ্যালয়ৰ অভাৱ পূৰণৰ বাবে সোনোৱাল ছাৰৰ দিহা-পৰামৰ্শৰে এতোৱা মুণ্ডা প্ৰমুখ্যে উদ্যোক্তাবৃন্দ আগবাঢ়ি আহি সাফল্য লাভ কৰিলে। এতিয়া সেই বিদ্যালয়খনি প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়ৰূপে অঞ্চলস্থ শিশুসকলৰ সেৱাত ব্ৰতী হৈ আছে। এনেকুৱা কিছুমান সমাজহিতকৰ কাম-কাজ নিৰলে প্ৰচাৰবিমুখভাৱে কৰি শান্তি লাভ কৰাটো সোনোৱাল ছাৰৰ এক বিশেষ অনুকৰণীয় গুণ।

আজীৱন শিক্ষাব্ৰতী, সুদক্ষ সমাজ সংগঠক, আদৰ্শ কৃষক আদি বহু অভিধাৰ যোগ্য অধিকাৰী সোনোৱাল ছাৰে পুত্ৰ-কন্যাসকলকো উপযুক্ত নাগৰিকৰূপেই গঢ়ি তুলিছে। ছাৰৰ কন্যা গীতাঞ্জলি সোণোৱাল এগৰাকী সুকবি তথা প্ৰগতিশীল নাৰী সন্থাৰ আগশাৰীৰ ৰণুৱা। তেখেতৰ জ্যেষ্ঠ পুত্ৰ দেৱ

সোনোৱালে বৃহত্তৰ খোৱাং অঞ্চলৰ লগতে ডিব্ৰুগড় জিলালৈ সুনাম কঢ়িয়াই আনি সৰ্বভাৰতীয় পৰীক্ষাত কৃতিত্বৰে সফল হৈ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ আয়কৰ বিভাগৰ এগৰাকী উচ্চ পৰ্য্যায়ৰ বিষয়াৰূপে গুৱাহাটীত কৰ্মৰত। কনিষ্ঠ পুত্ৰ হেমন্ত সোনোৱালে (পাপু) উচ্চ শিক্ষা গ্ৰহণ কৰি বৰ্তমান গুৱাহাটীত এগৰাকী সফল ব্যৱসায়ীৰূপে সুপ্ৰতিষ্ঠিত।

পৰম শ্ৰদ্ধেয় ৰহেশ্বৰ সোনোৱাল ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

লেখক ঃ শিক্ষক, নতুন বনাই উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

তিনঠেঙীয়া কাৰিকৰী মধ্য ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতিৰ আসনত। কাষত সমিতিৰ বিষয়ববীয়া শ্ৰী লীলা হাজৰিকা, শ্ৰী মহেন্দ্ৰ তামুলী, শ্ৰী মহানন্দ সোনোৱাল, শ্ৰী প্ৰশান্ত বড়া, আদি।

মোৰ উপলব্ধিত ৰহেশ্বৰ সোনোৱাল ছাৰ

✍ ৰশ্মিৰেখা সোনোৱাল

তিনঠেঙ্গীয়াৰ বায়ু, পানী আৰু বতাহৰ সৈতে এক নিবিড় সম্পৰ্ক মোৰ জন্মৰ পৰা। কিয়নো সেই তিনঠেঙ্গীয়াতেই মোৰ জন্ম। মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ সুবৰ্ণ সময়ৰ সাক্ষী হৈ ৰ'ল এই তিনঠেঙ্গীয়া। সেয়ে ৰহেশ্বৰ সোনোৱাল ডাঙৰীয়া প্ৰথমে মোৰ 'বৰপাই' তাৰ পিছতহে 'শিক্ষা গুৰু'। মোৰ মা-দেউতাৰ বৰপাই-বৰমাৰ সৈতে আছিল এক মধুৰ সম্পৰ্ক । আৰু আমিও ল'ৰা-ছোৱালীবোৰে ভাতৃত্ববোধৰ আত্মিক সম্পৰ্কেৰে আজিও বান্ধ খাই আছো। এনে বহু স্মৃতি আছে যাক ৰোমন্থন কৰিলে আজি হৃদয় থকা-সৰকা হয়।

আমি ডাঙৰ হোৱাৰে পৰা তিনঠেঙ্গীয়াৰ যি কোনো ৰাজহুৱা সভা অনুষ্ঠিত হ'লে প্ৰথম শ্ৰেণীৰ আসন অলংকৃত কৰা ব্যক্তিসকলৰ মাজৰ এজন হিচাপে সোনোৱাল ডাঙৰীয়াক দেখি আহিছিলো। তেখেত সিদ্ধান্ত দিব পৰা ব্যক্তি। তেখেত এগৰাকী শকত-আৱত, স্বাস্থ্যৱান আৰু গুৰু-গম্ভীৰ প্ৰকৃতিৰ ব্যক্তি। সেয়ে তেখেতক দেখাৰ লগে লগে ভয় আৰু ভক্তি ভাবৰ জাগি উঠিছিল।

শিক্ষা গুৰু হিচাপে তেখেত আছিল অত্যন্ত ছিৰিয়াছ। ছাত্ৰ-ছাত্ৰী সকলে তেখেতক শ্ৰেণী কোঠাত বাঘ দেখাদি দেখিছিল। তেখেতে ইংৰাজী বিষয়ৰ ওপৰত পাঠদান কৰিছিল। বিষয় বস্তুৰ মাজলৈ যেতিয়া তেখেতে সোমাই যায় তেতিয়া ইমানেই গভীৰভাৱে সোমাই যায় যে বহু সময়ত সময়ৰ কথা পাহৰি যায়। সেইবাবে বহু ছাত্ৰই তেখেত ক্লাছলৈ অহা দেখিলেই খিৰিকীৰে পলাই গৈছিল। আমি অৱশ্যে তাৰ ব্যতিক্ৰম আছিলো। ছাৰে উচ্চাৰণ কৰা বহু শব্দ আজিও কাণত বাজি থাকে। ছোৱালীবোৰক কৈছিল- 'তহঁতে ছোৱালীবোৰে

ভালকৈ পঢ়, নহ'লে দুদিনমানৰ পাছত একখনাংমান ফোঁট এটা লৈ আইনাম গাই থাকিব লাগিব।" —এই কথাষাৰে সদায় এটা কথাই সোঁৰৰাই দিছিল যে কেৱল আই নাম গাবৰ বাবে ছোৱালীৰ জনম নহয়, ছোৱালী হৈ জীৱনত বহু কাম কৰিবলগীয়া আছে।

ৰাজনীতিৰ ক্ষেত্ৰতো শুনিছিলোঁ বৰপাই যথেষ্ট দখল আছিল আৰু আছে। ভাৰতীয় জাতীয় কংগ্ৰেছৰ তেখেত এজন সক্ৰিয় নেতা আছিল। এবাৰ জিলা পৰিষদৰ সদস্যও নিৰ্বাচিত হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে ৰাজনৈতিক দলসমূহে জনজাতীয় নেতাসকলক বৰ ওপৰলৈ যোৱাটো নিবিচাৰিছিল। বৰপায়ো তাৰ ব্যতিক্ৰম নহয়।

সামাজিক জীৱনৰ ক্ষেত্ৰতো দেখা যায় যে তিনঠেঙ্গীয়াৰ প্ৰায় প্ৰতিটো অনুষ্ঠানৰ প্ৰতিষ্ঠা কালৰে পৰা তেখেত জড়িত। তাৰ বাবে তেখেতে বহু সন্মান বুটলিবলৈ সক্ষম হৈছে। কিন্তু পৰিতাপৰ বিষয় যে মৃত্যুৰ পিছতো ৰজনী হাজৰিকা আৰু সৰ্বেশ্বৰ সোনোৱাল ডাঙৰীয়াই যিদৰে সন্মান লাভ কৰিবলৈ সক্ষম হৈছে সেই একেখিনি সন্মানৰ গৰাকী হৈও তেখেত যেন বহু সময়ত বঞ্চিত হৈছে। তেখেতৰ কন্যা গীতাঞ্জলি সোনোৱাল ডাঙৰীয়ানীয়ে বহু সময়ত ক্ষোভ প্ৰকাশ কৰা আমাৰ পৰিলক্ষিত হৈছে আৰু সেয়া স্বাভাৱিক। (ৰজনী হাজৰিকা আৰু সৰ্বেশ্বৰ সোনোৱাল ডাঙৰীয়াৰ সৈতে পাৰ্থক্য মাথোঁ এটাই তেখেত সকল তিনঠেঙ্গীয়াত নাই।)

ৰহেশ্বৰ সোনোৱাল এজন ব্যক্তি নহয়, তেখেত নিজেই এটা অনুষ্ঠান। পিতৃ হিচাপেও তেখেত এজন সফল পিতৃ। আনে কি কৰিছে সেই কথা নাভাবি আপোনালোকৰ পৰিয়ালটো সমাজৰ বাবে সদায়েই এক আদৰ্শ হৈ ৰওক সেয়া আমাৰ কাম্য। এটা ভুল সিদ্ধান্তই যিদৰে এখন সমাজ ধ্বংস কৰিব পাৰে ঠিক সেইদৰে এটা শুদ্ধ সিদ্ধান্তই এখন সুন্দৰ সমাজ গঢ় দিব পাৰে।

প্ৰতিষ্ঠা কালৰে পৰা বৰপাইৰ তিনঠেঙ্গীয়াৰ প্ৰতি যি অৱদান, যি ত্যাগ সেই ত্যাগে মূল্য পাওক। তেখেতৰ সু-স্বাস্থ্য আৰু শতায়ু কামনা কৰিলোঁ।

লেখক ঃ সভানেত্ৰী, সোনোৱাল কছাৰী নাৰী সন্থা।

❑❑❑

শিক্ষাগুৰুৰ সান্নিধ্যৰ এটি সুখানুভৱ

ৰুবুল দত্ত

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ ডাঙৰ তথা একমাত্ৰ জীয়ৰী মাজনী বাইদেউৱে এদিন ফোন কৰি মোক ক'লে, 'ৰুবুল, 'পাপা'ৰ এখন অভিনন্দন গ্ৰন্থৰ কাম কৰিবলৈ লৈছো, তুমি লিখা এটা দিবা-পাপাৰ বিষয়ে।" ময়ো লিখিম বুলি ক'লো। তাৰ পিছত বহু কেইমাহ গ'ল এদিন বাইদেউৱে ফেচবুকৰ জৰিয়তে মোক আকৌ সোঁৱৰাই দিলে। এই তেতিয়া এন চি চিৰ Refresher Courseৰ বাবে Officers Training Academy, Kamptee Nagpur লৈ বুলি যাবলৈ লৈছো। সেই সময়ত একো উত্তৰ নিদিলো। কিয়নো এই এমাহ শাৰীৰিক, শৈক্ষিক আৰু মানসিক কঠোৰ প্ৰশিক্ষণ হ'ব। Training শেষ হোৱাৰ এদিন পিছত মোক পুনৰ ছাৰৰ সৰু পুত্ৰ পাপু (হেমন্ত সোনোৱাল)-এ ফোন কৰিলে। মোৰ ট্ৰেইনিঙৰ ভাগৰ যোৱাই নাই। অচিনাকি নম্বৰ দেখি প্ৰথমে ফোন ধৰা নাছিলো। পিছত হেমন্তই মোক মেছেজ কৰি পৰিচয় দিয়াত মই কল বেক কৰিলো। তেতিয়া তেওঁও অভিনন্দন গ্ৰন্থখনৰ কথা ক'লে আৰু জানুৱাৰী মাহৰ ভিতৰতে প্ৰকাশ কৰিম বুলি কোৱাত ইতিমধ্যে মই নাগপুৰৰ পৰা আমাৰ ডাঙৰ ছোৱালী পঢ়ি থকা বেংগালুৰুলৈ গৈ তাত থকাৰ সময়তে ছাৰৰ বিষয়ে লিখিবলৈ ল'লো। কিন্তু ছাৰৰ বিষয়ে মই কি লিখিম? তেখেতক মই শিক্ষাগুৰু হিচাপে যি সান্নিধ্য লাভ কৰাৰ সৌভাগ্য হৈছিল আৰু মাজে-সময়ে ছাৰৰ ঘৰলৈ গৈ যি মৰম-চেনেহ পাইছিলো তাৰ স্মৃতিপটত থিয় হৈ কিছু কথা লেখাৰ চেষ্টা কৰিছো।

তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মই ১৯৮৬ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হওঁ। হাইস্কুলীয়া শিক্ষাৰ্থীৰ সময়ছোৱাত আমাক পঢ়ুৱাইছিল হেড ছাৰ সৰ্বেশ্বৰ সোনোৱাল, পীতাম্বৰ নাথ ছাৰ, প্ৰদীপ বড়া ছাৰ, ৰাজেন বড়া ছাৰ, ৰামজী সিং ছাৰ, মহেন্দ্ৰ তামুলী ছাৰ, প্ৰশান্ত চেতিয়া ছাৰ, কিছু দিনৰ বাবে অংকৰ শিক্ষক শৰ্মা ছাৰ আৰু ৰহেশ্বৰ সোনোৱাল ছাৰে। এই সকল মোৰ নমস্য শিক্ষাগুৰু। সকলোৱে আমাক জীৱন গঢ়াৰ যথোপযুক্ত শিক্ষা দান কৰিলে, আমি জ্ঞানৰ পোহৰ পালো। যাৰ বাবে আজিৰ দিনত ময়ো এজন শিক্ষক হোৱাৰ যোগ্যতা লাভ কৰিলোঁ। আমি ছাত্ৰ-ছাত্ৰীসকলে ওপৰত উল্লেখ কৰা শিক্ষাগুৰু সকলৰ ভিতৰত আটাইতকৈ সমীহ কৰা ছাৰজনেই আছিল ৰহেশ্বৰ সোনোৱাল ছাৰ। তেখেতলৈ যিমান ভয় আছিল তেনেকৈ শ্ৰদ্ধাও সিমানেই আছিল।

ছাৰ এগৰাকী ব্যক্তিত্বসম্পন্ন সমাজ হিতৈষী ব্যক্তি। ওখ- পাখ, প্ৰকাণ্ড চেহেৰাৰ গহীন-গম্ভীৰভাৱে খোজ কঢ়া ছাৰৰ আছে এক সুকীয়া ব্যক্তিত্ব। আজিও ছাৰলৈ মনত পৰে। সদায় পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকা ছাৰে কথাও গম্ভীৰভাৱে কয়। তেখেতক দূৰৰ পৰা আহি থকা দেখাৰ লগে লগে আমাৰ বুকু দুৰু দুৰু কঁপিবলৈ আৰম্ভ কৰে। স্থিতপ্ৰজ্ঞ ছাৰৰ কিবা এটা যেন খং ভাব ভিতৰত লুকাই থাকে তেনেকুৱা অনুভৱ হয়। কিন্তু ছাৰৰ অন্তৰখন বৰ কোমল আৰু মৰমিয়াল। তেখেতে আমাক ক্লাছত গালি পাৰে। কিয়নো আমি পঢ়া-শুনাবোৰ বৰকৈ নকৰো। কেইজনমানক বাদ দি আমাৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰে শিক্ষা লাভৰ প্ৰতি মনোযোগ কম। সেইটো চাগে ছাৰৰ পছন্দ নহয়। সেয়েহে পাঠ আৰম্ভ কৰাৰ আগেয়ে আমি সোপাই ছাৰৰ কঠোৰ বাক্য শুনিব লগা হয়।

ছাৰে আমাক ক্লাছ নাইন আৰু টেনত ইংৰাজী পঢ়াইছিল। আমাক ছাৰে স্পষ্ট আৰু গহীন মাতেৰে পাঠবোৰ পঠন আৰু কথনৰ যোগেদি আগবঢ়াই লৈ গৈছিল। কেতিয়াবা প্ৰতিখন বেঞ্চৰ ছাত্ৰ-ছাত্ৰীসকলক লেছন পাঠ কৰিবলৈ দিছিল। আমাৰ লগৰ মন্দিৰা, বিৰদা, চন্দন, দিগন্তহঁতে বৰ ভালকৈ পাঠ আওৰাব পাৰিছিল। নোৱাৰিছিলো আমিবোৰে- অচ্যুত, তুলাৰাম, ৰত্নেশ্বৰ, আদিত্য, অনুজ, পুনেশ্বৰ, অমূল্য, সোমেশ্বৰ আৰু মই নিজে। কাৰণ আমাৰ সৰহভাগৰে পঢ়াৰ প্ৰতি সিমান ধাউতি নাছিল। খেতি বাতিত সহায় কৰা, গৰু চৰাই, সাঁতুৰি-নাদুৰি,

খেলা-ধূলা কৰিহে ভাল পাওঁ। গধূলি দেউতা-মাৰ হুমকিৰ বাবেহে কিতাপ মেলি লওঁ যদিও টোপনিয়ে হেঁচা মাৰি ধৰে। তাতে ইংৰাজী পঢ়াটো বৰ টান পাওঁ। অৱশ্যে পিছদিনা ছাৰৰ ক্লাছ থাকিলে গালি খোৱাৰ ভয়ত ইংৰাজী অকণমান পঢ়ি যাওঁ। ছাৰৰ ক্লাছত মই আৰু ৰবীন প্ৰায়ে দ্বিতীয় বেঞ্চত বহোঁ, লগত আৰু এজন দুজন থাকে। চন্দন, দিগন্তহঁত প্ৰথম বেঞ্চত, বাকী ছোৱালীবোৰ সিটো লাইনত। প্ৰথম বেঞ্চৰ কেইটাই ভালদৰে পঢ়ি দিয়াৰ বাবে ছেকেণ্ড বেঞ্চত বহি থকা আমাৰ ভাগত প্ৰায়ে নপৰি ছোৱালী বিলাকৰ ভাগত পঢ়া পৰে আৰু এনেকৈ পিছৰ ফালৰ ল'ৰাৰ ভাগৰ পৰা আৰম্ভ হৈ আহি থাকোঁতে আমাৰ ভাগত প্ৰায়ে নপৰেগৈ। চিবন কাইৰ বেলহে (ঘণ্টা) পৰে। আমি দীঘলীয়া হুমুনিয়াহ এটা কাঢ়ো। ক্লাছত প্ৰথমছোৱাত ঠিকে থাকে, পিছৰ সকলে পঢ়িব নোৱৰাৰ কাৰণে এফালৰ পৰা ছাৰৰ বেতৰ কোব পৰে। কেতিয়াবা বেছি নোৱাৰিলে ছাৰে উঠি গৈ পিটে নহ'লে টেবুলৰ ওচৰলৈ মাতি বেটায়। আৰু পঢ়িব নোৱাৰা প্ৰায় আটাইকেইটাই কোব খায়। কিন্তু কেতিয়াবা কেতিয়াবা ছাৰে কোনো খং নকৰি ক্লাছ লয়। এটা কথা মোৰ মনত আছে যে মই ছাৰৰ পৰা কেতিয়াও টান কথা আৰু বেত্ৰাঘাত পোৱা নাছিলো। মই বাচি গৈছিলো।

আবেলিৰ ক্লাছতো ছাৰে আমাক 'Round the World in Eighty days' নামৰ এখন পঢ়াইছিল। সেই ৰেপিড ৰীডাৰখনৰ যে ক্লাছটো বৰ ৰসাল লাগিছিল। তাত দুটা চৰিত্ৰ আছিল- এটা ফিলিয়াছ ফগ আৰু আনটো পাশ্বিপাৰ্টআউট। পাশ্বিপাৰ্টআউটক ছাৰে- 'সাত ঘাটৰ চেঙেলি' বুলি কৈ বৰ হাঁহিছিল। এই কিতাপখন পঢ়াওতে ছাৰে কেতিয়াও আনবোৰ 'লেছন' পঢ়োৱাৰ দৰে গহীন ৰূপত নাথাকিছিল। ছাৰক কেইবাটাও নাম যিবোৰ উৎপতীয়া আৰু বুদ্ধিমান ছাত্ৰই দিছিল এই কিতাপখন পঢ়াবলৈ অহাৰ সময়ত তেখেতক 'ফিলিয়াছ ফগ' আহিছে বুলি ধেমালি কৰিছিল ছাৰে গম নোপোৱাকৈ। ছাৰৰ বিষয়ে ভাল- বেয়া যিকোনো কথা আলোচনা আমাৰ ক্লাছটোত বৰ বেছিকৈ হৈছিল। তাৰ কাৰণটো হ'ল যদিও ছাৰৰ সন্তানসকল আমাৰ স্কুলতে পঢ়িছিল আমাৰ শ্ৰেণীটোত কোনো এজনে পঢ়া নাছিল বাবে সেই সুযোগ আমি পাইছিলো। এটা কথা মনত পৰে আমাৰ স্কুলখন বিশেষকৈ নাইন আৰু টেনৰ ক্লাছ দুটা বৰ জৰাজীৰ্ণ আছিল। এজাক ডাঙৰ বৰষুণ দিলে বা বতাহ আহিলে ক্লাছ কেনচেল কৰিব লগা হয়

আৰু সেইদিনা যদি ছাৰৰ ক্লাছ থাকে আমিবোৰে বৰ স্ফূৰ্তি কৰিছিলো। আচলতে ছাৰৰ কঠোৰতাৰ বাবে আমি ভয়ত তেনে কৰিছিলোঁ। পঢ়া-শুনা কৰিবৰ কাৰণেহে ছাত্ৰ-ছাত্ৰীক তেনে কৰিছিল বুলি পিছতহে উপলব্ধি কৰিছিলোঁ।

ছাৰে পঢ়াই থকাৰ সময়ত ছাৰৰ তালুৰ ওপৰৰ চুলিখিনি কেতিয়াবা কেতিয়াবা থিয় হৈ উঠে আৰু লাহে লাহে নামি আহে। এই কাৰবাৰটো অদ্ভুত লাগে। কেনেকৈ ছাৰে তেনেদৰে কৰিব পাৰে? নে স্বাভাৱিকভাৱে তেনে হৈ থাকে আমাৰ বাবে ৰহস্যময়। সেইটো ষ্টাইল বুলি ভাবি ময়ো ঘৰত অনুকৰণ কৰিব বিচাৰিছিলোঁ কিন্তু নহ'ল।

অভিভাৱক হিচাপে মই ভাবো সোনোৱাল ছাৰ বৰ দূৰদৰ্শী, পাৰ্গত, সঠিক সিদ্ধান্ত লব পৰা ব্যক্তিত্বৰ অধিকাৰী আছিল। তেওঁৰ সন্তানসকলক নিজে শিক্ষকতা কৰা স্কুলখনৰ পৰাই পঢ়াই-শুনাই মানুহ কৰি গঢ়ি তুলিলে। আমি শুনিছিলো পিছলৈ বৰপুত্ৰক দুদুলদাক (ঘৰত মতা নাম) ডিগবৈৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, তাৰ পিছত মাষ্টাৰ ডিগ্ৰী দিল্লীত পঢ়াই এজন আই আৰ এছ বিষয়া হিচাপে গঢ় দিলে। আটাইতকৈ ডাঙৰ মাজনী বাইদেউ আৰু বাকী দুজন সন্তানকো উচিত শিক্ষাৰে শিক্ষিত কৰি গঢ়ি তুলিলে। এজন অভিভাৱক হিচাপে গুৰু দায়িত্ব সফলতাৰে পালন কৰিব পৰা ছাৰৰ কথা ভাবিলে আচৰিও হওঁ যে ইমান ভিতৰুৱা এটা পিছপৰা অঞ্চলত থাকি তেখেতে বাহিৰৰ জগতখনৰ লগত ফেৰ মাৰি চলিব পাৰিছিল। আমাৰ অঞ্চলত মই জনাত দ্বিতীয় এজন আই আৰ এছ বিষয়া এতিয়ালৈকে হোৱা নাই। এইক্ষেত্ৰত ছাৰ আৰু ছাৰৰ পত্নী বাইদেউৰ কঠোৰ পৰিশ্ৰম, সাধনা আৰু দূৰদৰ্শী গুণ অতি শ্ৰদ্ধাৰে স্মৰণ কৰিবলগীয়া।

সোনোৱাল ছাৰ মই ভাবো এজন আজীৱন নিষ্ঠাৱান কংগ্ৰেছী। এই কংগ্ৰেছী চৰিত্ৰটো ছাৰৰ সিৰাই সিৰাই আছে বুলি মই বিশ্বাস কৰোঁ। অতি দৃঢ় সংগ্ৰামী সত্তা এটা তেখেতে অকলেই কঢ়িয়াই লৈ ফুৰিছিল। সেইটো হ'ল নিভাঁজ কংগ্ৰেছীৰ জনসেৱা। নানা লাঞ্ছনা, অপমান, ককৰ্থনা, শাৰীৰিক উৎপীড়ন, মানসিক অত্যাচাৰেও ছাৰৰ স্বভাৱজাত কংগ্ৰেছী জীৱনত আঘাত হানিব নোৱাৰিলে। আশীৰ দশকটো বৰ ভয়ঙ্কৰ আছিল। ছাত্ৰ সন্থাৰ আন্দোলন আৰু দুৰ্ঘোৰ কংগ্ৰেছ বিৰোধী সংঘাতৰ মাজত জনজীৱন দুৰ্বিষহ হৈ পৰিছিল। কংগ্ৰেছী সকলৰ পদত্যাগৰ জোৱাৰ উঠিছিল। নহ'লে বল প্ৰয়োগ কৰি দলত্যাগ কৰোৱা

হৈছিল। তেনে ধামখুমীয়াৰ মাজতো ছাৰে কংগ্ৰেছ ত্যাগ কৰা নাছিল। পিছত আমি শুনিবলৈ পালো ছাৰক তাৰ বাবে বহুত অপমান কৰিলে। আনকি কিছুমান প্ৰাক্তন ছাত্ৰও হেনো তেনে গৰ্হিত কাৰ্যত জড়িত হৈ পৰিছিল। কিন্তু ছাৰে তেতিয়াও বিচলিত হোৱা নাছিল। সেই কঠিন সময়ৰ কঠোৰ প্ৰত্যাহবান গ্ৰহণ কৰিও ছাৰে অতি স্বাভাৱিক জীৱন যাত্ৰা কৰি আছিল। মানুহৰ লগত তেতিয়াও সম্পৰ্ক মধুৰ কৰিব ৰাখিব পাৰিছিল। এটা কথা ভাবি মই আচৰিত হওঁ কিয় ছাৰে যোগ্যজনৰ আসন নাপালে। তেখেত সমষ্টিৰ বিধায়ক হোৱাই নহয়, মন্ত্ৰী হোৱাৰ সম্পূৰ্ণ যোগ্য আছিল। আজিৰ সমাজত এনে ব্যক্তিৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰো। ছাৰক বহুক্ষেত্ৰত শৰৎ বৰকটকীৰ দৰে এজন ব্যক্তি আছিল যেন লাগে। কংগ্ৰেছক ছাৰে বহু দিলে, কিন্তু কংগ্ৰেছে ছাৰক একো নিদিলে বুলি মোৰ অনুভৱ হয়।

আনহাতে গৃহস্থী জীৱনতো ছাৰ এজন সফল ব্যক্তি। মই ছাৰৰ ঘৰলৈ বহুবাৰ গৈছো। স্কুলত ছাৰৰ যি ৰূপ ঘৰুৱা জীৱনত সম্পূৰ্ণ তাৰ বিপৰীত। বৰ মৰমেৰে মাতে। অৱশ্যে ছাৰক ঘৰত কমহে লগ পাওঁ। লগ পাওঁ ছাৰৰ পত্নী বাইদেউ, মাজনী বাইদেউ, সোণ, পাপুহঁতক, কেতিয়াবা দুদুলদাক। বাউদেউৱে কয়- 'তই কোঁচ গাঁৱৰ না?' উমাৰ পুতেক না?' বুলি যিমানবাৰ যাওঁ সিমানবাৰেই সোধে। বৰ্তাহঁতৰ ঘৰুৱা নামবোৰ কৈ (বগা, ভলৌ, সোমেশ্বৰ) নানান কথা সোধে। কিবা নহয় কিবা খুৱাইহে পঠিয়াব। ছাৰৰ এখন বিলাতী গাহৰিৰ ফাৰ্ম আছিল। সেইখন চাবলৈও যাওঁ। তদুপৰি কবি বাৰী, পাণবাৰী, ফলমূল, ফুলনি ছাৰ বাইদেউৱে সযত্নে কৰিছিল। বিলাতী বগৰী আমাক খাবলৈ দিছিল। কেতিয়াবা ছাৰক লগ পালে- 'বাপেৰে কি খেতি কৰিছে।' বুলি সোধে। পঢ়া-শুনাৰ কথা নুলিয়ায়। ঘৰুৱা কথা কয়। ভাল লাগে। সেয়েহে ছাৰৰ ঘৰলৈ যাওঁ। আচলতে ছাৰৰ গোটেই কামবোৰ বিশেষত্বপূৰ্ণ। আনতকৈ কিছু বেলেগ।

সোনোৱাল ছাৰে আবেলি অনবৰতে হয় খোজকাঢ়ি যায়, নহয় চাইকেল চলায়। ভোগালী পথাৰৰ ফালে প্ৰায়ে খোজকাঢ়ি অহা দেখো। আমাৰ কোঁচ গাঁওলৈও আহে। ছাৰ এজন ক্ৰীড়াপ্ৰেমীও হয়। স্কুলৰ খেল ধেমালিত আমাক ভাগ লোৱাইছিল। কেতিয়াবা ফুটবল খেলা পাতিলে ছাৰে ঘৰৰ পৰা চকী লৈ

আহি ঘৰৰ সন্মুখৰ ফালে ফিল্ডৰ কাষত থকা ডাঙৰ বগৰী জোপাৰ ওচৰতে বহি খেল চাইছিল।

ছাৰ শাৰীৰিকভাৱে যেন সবল এজন ব্যক্তি তেনেকৈ মানসিকভাৱে প্ৰবল শক্তিশালী। তেখেতে কেইবা বছৰৰো আগেয়ে অৱসৰ গ্ৰহণ কৰিলে। এজন ছাৰ হিচাপে ছাৰৰ ব্যক্তিত্বক লৈ মই গৌৰৱ অনুভৱ কৰোঁ। মোৰ জীৱনৰ উন্নতিৰ ক্ষেত্ৰত ছাৰৰ বহুতো আশীৰ্বাদ আছে বুলি ভাবো। তেখেতৰ অনুপ্ৰেৰণা সদায় কঢ়িয়াই লৈ আছো। ছাৰৰ সু-স্বাস্থ্য কামনা কৰিলো। বহু দিন জীয়াই থাকক। এতিয়া তেখেতে দেশ-বিদেশ ভ্ৰমণ কৰক। এখন জাপানী মানুহক লৈ লিখা কিতাপ আছে নাম হ'ল- 'ইকিগাই (EKIGAI)'। কিতাপখনৰ লেখক হৈছে হেক্টৰ গাৰ্চিয়া আৰু ফ্ৰান্সেস্ক মিৰালেছ। হয় জাপানীসকলে কেনেকৈ দীৰ্ঘতম আৰু সুখী জীৱন যাপন কৰিছে তাৰে কিছুমান গোপনীয় বাৰ্তা লিখা আছে। কিতাপখন ছাৰে নিশ্চয় পঢ়িব। মই পুনৰ ছাৰলৈ সেৱা জনালোঁ আৰু সু-স্বাস্থ্য তথা দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ অধ্যাপক, ডি ডি আৰ কলেজ, চাবুৱা।

❏❏❏

শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰলৈ একলম

✍ মিৰেণ দত্ত

শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ মনত পৰে। তেখেতক মই লগ পাইছিলো- ১৯৭৭ চনৰ জুলাই মাহৰ কোনো এটা তাৰিখত। তাৰিখটো মোৰ মনত নাই। তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলৰ হিন্দী শিক্ষকৰ পদ এটা খালী হৈ আছে বুলি গম পায় এদিন এই বিদ্যালয়লৈ আহি পদটোৰ বাবে আবেদন কৰিছিলোঁ। প্ৰধান শিক্ষক সৰ্বেশ্বৰ সোনোৱাল ছাৰে মোক ক'লে,'কালিৰ পৰা আপুনি চাকৰিত যোগদান কৰক। আমাৰ বিদ্যালয় কিন্তু 'এধক গ্ৰাণ্টহে'। আপুনি মাহে ২৬০ টকা দৰমহা পাব। তেতিয়া মই পিছদিনাৰ পৰা বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে যোগদান কৰিলোঁ। মোৰ নিতাই পুখুৰীৰ ঘৰৰ পৰা চাইকেল মাৰি তিনঠেঙ্গীয়া হাইস্কুলত কেইদিনমান কৰাৰ পিছত মোক শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰে ক'লে,- আপুনি ইমানদূৰ চাইকেল মাৰিব কিয় লাগে। আমাৰ বিদ্যালয়ৰ 'হোষ্টেলতে' থাকি ল'ব পাৰে দেখোন। ময়ো বিদ্যালয়ৰ ওচৰতে থাকিবলৈ আৰম্ভ কৰিলো। সেই তেতিয়াৰ পৰাই খুব কম দিনৰ কাৰণে মই মাননীয় শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰক খুব ওচৰৰ পৰা লগ পাইছিলোঁ। তেতিয়া পোন প্ৰথমবাৰৰ কাৰণে শিক্ষকতা কৰা বৰ ওখ ডাঙৰ ছাৰজনক লগ পাইছিলোঁ। ইয়াৰ আগলৈকে মই ইমান ওখ-ডাঙৰ শিক্ষক দেখা পোৱা নাছিলো। ছাৰক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে আনেও ভয় কৰিছিল। আচলতে ছাৰৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা-ভক্তি ভাবৰ বাবে এই ভয়। আনকি ময়ো ছাৰৰ চকুত চকু ৰাখি কথা কোৱা নাছিলো। সেই সময়ত ছাৰে নৱম আৰু দশম শ্ৰেণীত 'ইংৰাজী গ্ৰামাৰ'ৰ ক্লাছ লয়। এতিয়াও মোৰ এটা কথা মনত আছে- ছাৰে

শ্ৰেণীলৈ যোৱাৰ আগতেই তিনি-চাৰিজন ছাত্ৰ বিদ্যালয়ৰ খিৰিকীৰে পাৰ হৈ আঁতৰি লুকাই আছিল। ছাৰ শ্ৰেণীৰ পৰা যোৱাৰ পিছতহে সেই কেইজনে শ্ৰেণীলৈ আহিছিল। বিদ্যালয়ৰ অনুশাসনৰ লগত ছাৰৰ পোনপটীয়া সম্বন্ধ আছিল। ছাৰ থকাত বিদ্যালয়ত গম্ভীৰ পৰিৱেশে বিৰাজ কৰিছিল। প্ৰকৃত পক্ষে সোনোৱাল ছাৰ বৰ অমায়িক আছিল। সেই সময়ৰ 'তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল স্কুল'ৰ লগতে তিনঠেঙ্গীয়া অঞ্চলৰ সকলো দিশৰ উন্নতিৰ কাৰণে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰে চৰকাৰৰ লগত যোগাযোগ স্থাপন কৰি অঞ্চলৰ উন্নতিৰ চিন্তা কৰিছিল আৰু আজিও ছাৰে অঞ্চলটোৰ প্ৰতি সেৱা আগবঢ়াই আহিছে। ছাৰৰ জনপ্ৰিয়তা আৰু চেহেৰাৰ বাবে ডিব্ৰুগড় জিলাৰ লগতে আন ঠাইৰ লোকসকলেও ছাৰক চিনি পায়।

মই জনামতে ছাৰ আজিও সুস্থ-সবল আৰু কৰ্মক্ষম হৈ আছে। মই তেখেতৰ দীৰ্ঘায়ু কামনা কৰি পৰম ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ছাৰক তেতিয়াও সন্মান কৰিছিলোঁ আৰু আজিও এই শ্ৰদ্ধা অটুট আছে।

ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ প্ৰাক্তন শিক্ষক, নিতাইপুখুৰী, শিৱসাগৰ।

❑❑❑

প্ৰণাম সোনোৱাল ছাৰ

✍ ৰঞ্জন সোনোৱাল

ওঁ অজ্ঞান তিমিৰান্ধস্য
জ্ঞানন্জন শলাকয়া,
চক্ষুৰুন্মিলিতং য়েন,
তস্মৈ শ্ৰীগুৰুৱে নমঃ।

আজি অনুভৱ কৰিছোঁ জীৱন মানে আনন্দ অন্বেষণৰ যাত্ৰা। পথৰ বহুজনক অনেক ভূমিকাত লগ পাইছোঁ। তাৰ মাজতে কিছুমানৰ উপস্থিতিৰ স্মৃতি সদায় সজীৱ হৈ আছে। ছাত্ৰ জীৱনত গুৰু সোনোৱাল ছাৰৰ সান্নিধ্য কাহানিও পাহৰিব নোৱাৰোঁ। গুৰু সোনোৱাল ছাৰৰ আশীৰ্বাদ লৈ ছাত্ৰ জীৱনৰ সোণালী বীজ সিচিছিলোঁ। ছাৰে দিয়া জ্ঞানৰ বন্তিৰ পোহৰত ছাত্ৰ জীৱনৰ উৎকৰ্ষ সাধন কৰিবলৈ সক্ষম হৈছিলোঁ। অচিন বাটৰ সকলো বাধা অতিক্ৰম কৰিবলৈ প্ৰয়োজনীয় পৰামৰ্শ ছাৰৰ পৰা সদায়ে লাভ কৰিছিলোঁ। ছাৰৰ কৰ্মই বুকুত সাহসৰ জন্ম দিছিল আৰু আগুৱাই যোৱাৰ প্ৰেৰণা দিছিল। আজি সেই দিনবোৰৰ কথা মনত পৰিলে পুলকিত হৈ পৰো। গুৰু সোনোৱাল ছাৰহঁতৰ পৰাই পাঠ্যপুথিৰ উপৰি নিয়মানুবৰ্তিতা, কঠোৰ অধ্যৱসায়, সুশৃংখলতা আদি জীৱনৰ মূল্যৱান শিক্ষা আহৰণ কৰিছিলোঁ। ছাত্ৰ জীৱনৰ আদিপাঠৰ মহত্ত্বতা আজি ভালকৈ উপলব্ধি কৰিব পাৰিছোঁ। তেখেতসকলৰ কঠোৰ অনুশাসনে জীৱনক এক নতুন গতি প্ৰদান কৰিলে।

গুৰু সোনোৱাল ছাৰ কেৱল শিক্ষকেই নহয়, সোনোৱাল কছাৰী জনগোষ্ঠীৰ উন্নতিৰ এগৰাকী পথ প্ৰদৰ্শক। সমাজখনৰ শিক্ষা, সংস্কৃতি, উন্নয়ন সকলো দিশতে তেখেত এগৰাকী অগ্ৰণী পুৰোধা। জাতিটোৰ এগৰাকী সুচিন্তক।

এগৰাকী পথ প্ৰদৰ্শক। গুৰু সোনোৱাল ছাৰ তিনঠেঙ্গীয়া, লেঙেৰী, খোৱাং আদি এক বৃহৎ অঞ্চলৰ এগৰাকী পৰিচিত ব্যক্তিয়েই কেৱল নহয়, এক জনপ্ৰিয় ব্যক্তিত্ব। জনগোষ্ঠীটোৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ছাৰৰ আছে এক নিবিড় সম্পৰ্ক।

হে পৰম শ্ৰদ্ধাৰ গুৰু, আপোনাৰ শ্ৰীচৰণত ভক্তিভৰা প্ৰণাম জনাইছোঁ। আপোনাৰ ভৱিষ্যতৰ দিনবোৰ মহাজীৱনৰ অনুভৱেৰে সফলতাৰ জয়গান হৈ মুখৰিত হওক।

মোৰ এই চমু আলোকপাতৰ শেষত গুৰু সোনোৱাল ছাৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ প্ৰাক্তন ছাত্ৰ, তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ অধিৱেশনত বিশিষ্ট অতিথি।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

ডম্বৰুধৰ সোনোৱাল

সেহি ধন্য লোক শুচিমন্ত সৰ্ব্ব গুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত
ঘঞ্জে তপে সিসিজন অতি শুদ্ধমতি।
সিজন মহাদাতা জ্ঞানী সি সত্যবাদী মহা মানী
পুৰুযোত্তমত আছয় যাৰ ভকতি।

পিতৃ-মাতৃসকলৰ দৰে শিক্ষাগুৰু সকল আমাৰ নমস্য ব্যক্তি। শিক্ষাগুৰু সকলে আমাক জ্ঞানৰ পোহৰেৰে আগবঢ়াই নিয়াৰ উপৰি আমাৰ ভৱিষ্যৎ জীৱন সুন্দৰ কৰি তোলে। গতিকে তেওঁলোকৰ প্ৰতি কিছুমান নিয়ম পালন কৰিব লাগে।

(১) শিক্ষাগুৰুক শ্ৰদ্ধা-ভক্তি কৰা।

(২) শিক্ষাগুৰু সকলৰ প্ৰতি অন্য কাৰো আগত বেয়া মনোভাব প্ৰকাশ নকৰা।

(৩) হাটে- বজাৰে নাইবা নগৰে -চহৰে লগ পালে কেতিয়াও নমতাকৈ নথকা।

(৪) পিতৃ-মাতৃৰ দৰে সকলো শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভাল পায়। কেতিয়াবা নোৰৰাৰ বাবে শাস্তি দিলেও শিক্ষাগুৰুক অৱমাননা নকৰা। পিতৃ-মাতৃয়েও ঘৰত এনে শাস্তি দিলে ল'ৰা-ছোৱালী সকলে বেয়া নাভাবে। কাৰণ তেখেত সকলে মঙ্গলৰ বাবেহে এনে কৰে।

(৫) শিক্ষা গুৰু সকলৰ আগত মিছা মাতিব নালাগে। মিছা মাতিলে অবিশ্বাসৰ পাত্ৰ হয়। কাৰণ মিছা কথা বেছি দিন নিটিকে।

(৬) নিজৰ অজানিতে হোৱা ভুল-ভ্ৰান্তি বাবে ক্ষমা বিচাৰিব লাগে।

শ্ৰদ্ধাভাজনেষু,

পৰম পূজ্যপদ ৰহেশ্বৰ সোনোৱালদেৱ, শিক্ষাগুৰু শ্ৰদ্ধা ভক্তি ভৰা প্ৰণাম জনালো। প্ৰকৃতিৰ সৃষ্টি জীৱ জগতত মনুষ্য জীৱন শিক্ষকতা বৃত্তি স্বৰূপে শিক্ষাগুৰু মহান গুৰু। গুৰুৰ শিক্ষা দান হৈছে মহান দান। গুৰুৰ বাক্য উলংঘা কৰিব নালাগে। শিক্ষাগুৰুক সদায় সন্মান কৰিব লাগে। শিক্ষক হৈছে মানৱ সম্পদ গঢ়োতা এজন খনিকৰ, আপুনি "এজন সিংহ পুৰুষ, স্পষ্টবাদিতা, কষ্টসহিষ্ণু আৰু নৈতিকতাৰ মহান গুণৰ অধিকাৰী।" তিনঠেঙ্গীয়া বিদ্যালয় পৰিচালিত এজোপা বটবৃক্ষৰ দৰে উজলি আছে। সেই অঞ্চলৰে ৰাইজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু অনুসূচিত জনজাতিৰ সম্পৰ্কে সেৱা আগবঢ়োৱাত কৰ্মৰত হৈ থকা দেখা পাইছিলোঁ।

এসময়ত কংগ্ৰেছ চৰকাৰৰ শাসনত অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ অংশগ্ৰহণত তেতিয়া তিনঠেঙ্গীয়াত বৃহৎ সভা অনুষ্ঠিত হৈছিল। তিনঠেঙ্গীয়া অঞ্চলৰ উন্নয়নৰ বাবে এই সভাত আলোচনা হৈছিল। এই সভাখনৰ মূল কাণ্ডাৰী আছিল আপুনি। এই আলোচনাৰ ফলতে তাৰ পাছত ১৯৭৩ চনত নামদাং বনাঞ্চলত চৰকাৰী 'পূবেৰুণ কৃষি পাম নিগম' নামেৰে প্ৰতিষ্ঠিত হয়। ইয়াৰ ফলত বহু দৰিদ্ৰ জনতাই বৰ্তমানলৈকে এই নিগমত উন্নত গৃহ সাজি গঞাবাসী হিচাপে নিগাজিকৈ বসতি কৰি আছে। বিদ্যালয়ত গুৰুদেৱৰ শিক্ষা দানত ব্ৰজৰ দৰে কঠিন আৰু ফুলৰ দৰে কোমল অন্তৰৰ উমাল সান্নিধ্য পাইছিলো আপোনাৰ সৈতে। সকলোৰে পৰিচিত গুৰুদেৱ ৰহেশ্বৰ সোনোৱাল। আপুনি সকলোৰে প্ৰিয়পাত্ৰ আৰু আপুনি সকলোকে মৰম কৰিছিল।

অভিজ্ঞ তথা গুৰুদেৱে কোৱা বচন "উপদেশতকৈ আৰ্হি ভাল" কথাষাৰ ময়ো সদায় সাৰোগত কৰি আহিছোঁ। মহোদয়ক এই প্ৰবাদ বাক্যশাৰী মতে সাক্ষাৎ কৰিলো যেন মোৰ শহুৰ প্ৰয়াত ৰজনীকান্ত হাজৰিকা পৰগামী হ'বৰ কালত আমিবোৰে ঘৰৰখীয়া আছিলো কিন্তু অন্তিম হোৱা আগমুহূৰ্তত আমাৰ আগত প্ৰত্যক্ষভাৱে বহু কথা কৈছিল। আমিবোৰে তেখেতৰ কথাবোৰত থাৱৰ কৰিব নোৱাৰিলো আৰু গমকে নাপালোঁ। পৰগামী যাত্ৰাত কোৱা বাৰ্তাসমূহত অপ্ৰিয় সত্য প্ৰতিফলিত হয়। দিন, বাৰ, তাৰিখ সময়ত আন বহু কথা কৈছিল। সেই মতে বুজিলো তেখেতৰ মৃত্যু ইচ্ছামৃত্যু।

গুৰুৰ গুৰু প্ৰয়াত ৰজনী হাজৰিকাক সুঁৱৰি বৰ্তমানে পাই থকা শিক্ষা গুৰু ৰহেশ্বৰ সোনোৱালদেৱৰো একেই আদৰ্শক শ্ৰদ্ধাৰে সুঁৱৰিছো। দ্ৰব্য ৰাগীয়াল আৰু ধূমপান সেৱন কৰাটো অপকাৰক। এই কথাষাৰ ছাত্ৰ জীৱনত জনাৰ উপৰি সেই মহাশয়ৰ পৰা মোৰ শহুৰ প্ৰয়াত ৰজনীকান্ত হাজৰিকাই দেখুওৱা জ্ঞানৰ পোহৰত পথ পুনৰ অনুকৰণ কৰিলো। গুৰুসেৱা মহান সেৱা। সন্মানিত সোনোৱাল গুৰুদেৱলৈ মোৰ ক্ষুদ্ৰ মস্তিষ্ক তথা সীমিত জ্ঞানেৰে কেইশাৰীমান বাক্য লিখিলোঁ। বন্ধুবৰ মহানন্দ সোনোৱালদেৱৰ প্ৰেৰণা আৰু উৎসাহক ধন্যবাদ জনালোঁ। তেওঁ এনে সমাজ সেৱাত বৰ্তি থাকক তাৰ বাবে বন্ধুত্বৰ যেন আশীৰ্বাদ থাকিল। পৰমেশ্বৰে যেন সু-স্বাস্থ্য আৰু দীৰ্ঘজীৱন সুখ-শান্তিৰে জীৱন যাপন কৰক তাৰে কামনা।

সদৌ শেষত পূজ্যপদৰ মহোদয়ক সবিনয়ে নিবেদিলোঁ। ফুল মৰহিলে সৌৰভ থাকিব, জোনটি ডুবিলে থাকিব তৰা আৰু দিবাকৰ। মানুহৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম নহয়। মানুহ জীৱিত কালত ব্যক্তিৰ যিমান গুণ-গৰিমা জানিব পাৰি মৃত্যুৰ পাছত তাতোকৈ বহু বেছি জানিব পাৰি।

ভূত বা অতীতৰ কৰ্মময় জীৱন কৰ্মৰাজি ছবিবোৰ মনৰ দাপোণত প্ৰতিবিম্বিত হয়। গুৰু ব্যক্তিৰ ব্যক্তিত্ব মহান, অ-পৰিসীম এখন্তেক স্মৰণ কৰিলো। তেখেতৰ পৰা মোৰ দৰে আন বহুতৰে নজনা কথা শিকিব লগা আছে। সকলো শেষত মোৰ লিখা বাক্য কেইশাৰীত ভুলৰ প্ৰতি বিজ্ঞ তথা অভিজ্ঞ জনৰ ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

নাজানোহো আৱাহন নাজানোহো বিসৰ্জন
পূজামন্ত্ৰ নাজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলা চৰণৰ
মোৰ গতি সাধিবে উচিত।।

লেখাৰ শেষত স্বনাম ধন্য গুৰুদেৱ ৰহেশ্বৰ সোনোৱালদেৱৰ-

কৰ তল কমল, কমল দল নয়ন, কৃপাৰে ভৱদৱ দহন, যুগল চৰণত প্ৰণিপাত জনালোঁ। পৰমেশ্বৰে দীৰ্ঘায়ু কৰক তাৰ কামনাৰে সামৰিলোঁ।

লেখক ঃ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ভৰালীবাৰী প্ৰাথমিক বিদ্যালয়।

❒❒❒

শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱাল ছাৰ সমীপেষু

✍ চেনিৰাম সোনোৱাল

তিনঠেঙীয়া অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী সু-সাহিত্যিক তথা লেখক মাননীয় শ্ৰীযুত মহানন্দ সোণোৱালদেৱে আমাৰ ছাৰৰ বিষয়ে (শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল) বিষয়ে আপুনি যি জানে কিছু লিখি দিবচোন বুলি ক'লে। মানে ঘটনাটো ঘটিছিল শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল দেৱৰ মাজুপুত্ৰৰ আকস্মিক মৃত্যু হোৱাৰ আদ্যশ্ৰাদ্ধৰ দিনাখন। হয়, মই ভকতৰ লগত হৰি নাম লৈ আছো। শ্ৰীযুত মহানন্দ সোনোৱালদেৱেও নামত বহি আছে। তেখেতৰ চকুত এক বুজিব নোৱৰাৰ হেঁপাহ ফুটি উঠা দেখা গ'ল। মই ভকতৰ মাজৰ পৰা উঠি আহিলোঁ। তেৰোঁ উঠি আহিল। আসনত বহাৰ পাছত মোক ক'লে আপুনি দহোবন কাটি কৰি হ'লেও ছাৰক ক'ত পাইছিল, কেনেদৰে লগ পাইছিল এই সম্বন্ধত কি হয় ইত্যাদি ইত্যাদি কথাবোৰ লিখি দিবচোন। গ'ল কথা গুচিল। মই কথাটোত সিমান গুৰুত্ব দিয়া নাছিলো। পিছে সোনোৱালদেৱে পুনৰ একেটা কথাকে ক'লে। মই বাৰু বুলি ক'লো। তেখেতে মটৰ চাইকেলত উঠি ঘৰলৈ গুচি গ'ল। সেয়েহে অলপ সময় উলিয়াই লিখিবলৈ ল'লো।

সৰু কালৰ কথা। বৰ্তমান মোৰ বয়স ৭৮ বছৰ। কথাবোৰ ৰিণিকি ৰিণিকি কৈ মনত পেলাবলৈ চেষ্টা কৰিলো। অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীৰহেশ্বৰ সোনোৱাল সম্বন্ধত মোৰ ককাইদেউ। তেখেতৰ মাতৃ মোৰ জেঠাই। এজন কৃষকৰ সন্তান। ঘৰৰ অৱস্থা সিমান ভাল নাছিল। নখাট নগাঁৰৰ বাট-পথ অতি শোচনীয়। হাল কোৰ বাই হ'লেও তেওঁ লেঙেৰী হাইস্কুলত নাম লগাই লয়। লেঙেৰী হাইস্কুল বৰ্তমান লেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়। ময়ো সেইখন বিদ্যালয়ত চতুৰ্থ

শ্ৰেণীত নাম লগাই ল'লো। তেখেত মোতকৈ কেইবছৰ মান ডাঙৰ। এবাৰ তেওঁ আমাক সৰস্বতী পূজাত ঘৰলৈ লৈ গ'ল। তেওঁ খুব ধুনীয়াকৈ মৃদং বজাব জানে। লগতে বীণ বজাবও জানে। এবাৰ নখাট নগাঁৱত খ্ৰীং খ্ৰীং বাইথ' পূজাৰ আয়োজন কৰিছিল। সেইদিনাখন তেওঁ ধুনীয়াকৈ বীণ বজাই দৰ্শকক আনন্দ দিছিল। এই খিনি মোৰ ঘৰুৱা কথা।

মই ১৯৬০ চনত মৰাণ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিলো। বৰ্তমান মৰাণ হাইস্কুল মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়। এখন আগশাৰীৰ শিক্ষানুষ্ঠান। এই মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰাই বহুতো সাহিত্যিক, বহুতো প্ৰশাসনিক বিষয়া, ইঞ্জিনীয়াৰ, ডাক্তৰ, অধ্যাপক, ভাল ব্যৱসায়ী, ভাল ছাত্ৰ আদি ওলাই দেশ সেৱা কৰিলে আৰু কৰি আছে।

শ্ৰীযুত ককাইদেৱে প্ৰথমতে ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰত চাকৰি কৰিছিল। কেৰাণী চাকৰি। পিছলৈ সেই চাকৰি আমনি লগাত তাৰ পৰা গুচি আহিল। তিনঠেঙীয়া কাৰিকৰী বিদ্যালয়ত যোগদান কৰে। শিক্ষকতা কৰিয়েই তেওঁ সমাজৰ কাম কৰিবলৈ লয়। পাছলৈ তাতেই স্থায়ী বাসিন্দা হিচাপে থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

শিক্ষক হৈছে সমাজৰ ধৰণী স্বৰূপ। এডাল মমবাতিৰ লগত তুলনা কৰিব পাৰি। মমবাতিয়ে যেনেকৈ আন্ধাৰ গুচাই নিজে জ্বলি শেষ হৈ যায় ঠিক তেনেকৈ এজন গুণ সম্পন্ন শিক্ষকেই এজনক জীৱন, জীৱিকা মুকলি কৰি দি দেশ তথা ৰাষ্ট্ৰ নিৰ্মাণত সহায় কৰে। অৱশ্যে শিক্ষক জন প্ৰকৃত শিক্ষক হ'ব লাগিব। Teacher ইয়াত ইংৰাজী আখৰৰ প্ৰতিটোৰে বেলেগ শব্দৰ অৰ্থ আছে। বুদ্ধিমান লোকে কথাটো মন কৰি চাব বুলি আশা কৰিলো।

মৰাণ সমষ্টিৰ প্ৰাক্তন বিধায়ক স্বৰ্গীয় তৰুণ চুতীয়াদেৱৰ লগত তেখেত খুব ঘনিষ্ঠ আছিল। শ্ৰীককাইদেৱে হাতীৰ পিঠিত উঠি তিনিঠেঙীয়া বনাঞ্চল ঘূৰি দৰিদ্ৰ, ভূমিহীন তথা বানপীড়িত লোকক মাটি বিতৰণ কৰি “তিনঠেঙীয়া নিগম” নামেৰে নামকৰণ কৰে।

চাকৰিৰ পৰা অৱসৰৰ পাছত ৰাজনীতি কৰি, কংগ্ৰেছ দলৰ হৈ ডিব্ৰুগড় জিলা পৰিষদৰ সদস্য নিৰ্বাচিত হ'ল। তাৰ পাছত ৰাইজৰ কাম। Road is the way of Civilization- ৰাস্তা-পদূলিয়ে উন্নতিৰ মূল কাৰণ। সেয়েহে তেখেতৰ অধীনত পৰা পঞ্চায়তসমূহৰ প্ৰায়বোৰ ৰাস্তা-পদূলি গোবাট আদি নিৰ্মাণ কৰি

বিভাগীয় কৰ্তৃপক্ষৰ পৰা আৰ্থিক সহায় আনি ৰাইজক বিলাই দিছিল নিঃস্বাৰ্থভাৱে।

সদৌ শেষত
মহা-মহাপুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়ি
অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰোঁ খোজ জীৱন বালিত।

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, চহৰীকটা উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

শিক্ষক স্বৰ্গীয় ছন্দেশ্বৰ কছাৰী (বাওঁফালৰ পৰা দ্বিতীয় গৰাকী)ৰ লগত।

স্মৃতিৰ একলম মোৰ শিক্ষাগুৰু ৰহেশ্বৰ সোনোৱাল ছাৰলৈ

✍ অঞ্জুমণি দত্ত

এখন দেশ তথা সমাজক বন্তি জ্বলাই আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰু দায়িত্ব থাকে শিক্ষক সমাজৰ ওপৰত। আন্ধাৰ বিনাশী জ্ঞানৰ পোহৰ বিলাই সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষক সমাজৰে থাকে যৎপৰোনাস্তি চেষ্টা।

আমাৰ তিনঠেঙ্গীয়া অঞ্চলতো ১৯৫৭ চনত মধ্য ইংৰাজী বিদ্যালয় আৰু ১৯৬৩ চন মানতে বহু কেইগৰাকী গুণমুগ্ধ ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়খন গঢ় লৈ উঠিছিল। তিনঠেঙ্গীয়াৰ দৰে অতি পিছপৰা অঞ্চলত জ্ঞানৰ পোহৰ বিলোৱা ব্যক্তি সকলৰ ভিতৰত স্বৰ্গীয় বৰদা দত্তকে প্ৰমুখ্য কৰি স্বৰ্গীয় সৰ্বেশ্বৰ সোনোৱাল, স্বৰ্গীয় গুণ দত্ত, স্বৰ্গীয় পিতাম্বৰ নাথ ছাৰ, ৰহেশ্বৰ সোনোৱাল ছাৰ, মহেন্দ্ৰ তামুলী ছাৰ, স্বৰ্গীয় প্ৰশান্ত চেতিয়া ছাৰ, লীলা হাজৰিকা ছাৰ, ঘন সোনোৱাল ছাৰৰ নাম নল'লে আমাৰ অপৰাধ হ'ব। যাৰ বাবে বৰ্তমানে তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়খনিয়ে অঞ্চলটোৰ ভিতৰত এখন আগবঢ়া শিক্ষানুষ্ঠান হিচাপে চিনাকি দিব পাৰিছে।

যি কি নহওক, আজি মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰহেশ্বৰ সোনোৱাল ছাৰৰ স্কুলীয়া জীৱনত কেনেদৰে পাইছিলো সেই বিষয়ে কিছু কথা লিখোঁ বুলি কলম তুলি লৈছোঁ। আজি বহুদিনৰ পৰাই ছাৰৰ বিষয়ে কিবা লিখো বুলি কলমটো ধৰোঁ, কিন্তু হাত নচলে, কাৰণ ক'ভিডৰ পৰিস্থিতিত ঘৰত থাকি মন-মগজুৰ পৰা সাহিত্য চৰ্চা বা লিখা- মেলাৰ ভাববোৰ শুকাই যোৱাৰ দৰে হৈছে। মনলৈ বহু কথাই আহে, কিন্তু বুলনিৰ এলাহত বহু পলম হ'ল এই লেখাটো সম্পূৰ্ণ কৰাত। তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সোনোৱাল ছাৰ আমাৰ অঞ্চলৰ এজন বৰেণ্য ব্যক্তি। তেখেত এজন শিক্ষকেই নাছিল, তেখেত এগৰাকী সুদক্ষ ৰাজনীতিবিদ আৰু সমাজ সংগঠক।

তেখেতক আমি সৰুৰে পৰা লগ পাইছিলোঁ। সেই সময়ত আমাৰ তিনঠেঙীয়া অঞ্চলত ধানবনা মেচিন খুব কম আছিল। আমাৰ ঘৰত এই ধানবনা মেচিন আছিল বাবে ছাৰে আমাৰ ঘৰলৈ গৈ গাহৰিৰ দানা হিচাপে তুঁহ গুড়ি আনিবলৈ যায়। দেখিলে দূৰতে থাকোঁ, কাৰণ ছাৰ খুব ওখ পাখ আৰু গাম্ভীৰ্যপূৰ্ণ ব্যক্তি।

যেতিয়া মই হাইস্কুলত নামভৰ্তি কৰিছিলো সেই সময়ত অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে পঢ়িব লগা হৈছিল। ছাৰে আমাক বিশেষকৈ নৱম আৰু দশম শ্ৰেণীত ইংৰাজী পঢ়াইছিল। দশম শ্ৰেণীত ছাৰে এখন 'ৰেপিড ৰীডাৰ' পঢ়োৱাৰ কথাবোৰ আজিও মনত আছে যিখনৰ নাম আছিল Round the world in eighty days। ইমান সুন্দৰকৈ বুজাই যায় যে আমিহে যেন পৃথিৱী ভ্ৰমণ কৰিবলৈ গৈ আছোঁ। ক্লাছত ছাৰে পঢ়াই থাকিলে কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে হুলস্থূল কৰিব নোৱাৰে। ছাত্ৰ জীৱনত আমি খুব ভয় আৰু ভক্তি কৰিছিলোঁ ছাৰক। ছাৰে বাহিৰত কঠোৰতা দেখুৱালেও অন্তৰখন খুব সৰল। ছাৰে শিক্ষকতা জীৱনৰ মাজতে ৰাজনীতিৰ পথাৰতো সক্ৰিয়তাৰে কাম কৰিছিল। ছাৰ সেই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল।

তেখেতে শিক্ষকতা জীৱন চলাই নিয়াৰ সময়তে আই টি ডি পি মেম্বাৰ নিৰ্বাচিত হৈছিল। সমগ্ৰ তিনঠেঙীয়া অঞ্চলৰ লগতে কলৌলোৱা, নখাট আদি অঞ্চলতো জনজাতি উন্নয়ন পৰিষদৰ তৰফৰ পৰা আবণ্টিত পুঁজিৰ সঠিক ৰূপায়ণ কৰিছিল, যাৰ বাবে বহু দৰিদ্ৰ পৰিয়ালে সকাহ পাইছিল। তেখেত একাধাৰে এজন আদৰ্শ খেতিয়ক, সমাজ সচেতক আৰু সুদক্ষ ৰাজনীতিবিদ। তেখেতে জিলা পৰিষদৰ সদস্য হিচাপেও নিৰ্বাচিত হৈছিল।

ছাৰক মই ছাত্ৰী হিচাপে পোৱাৰ লগতে ১৯৯২ চনৰ পৰা একেখন বিদ্যালয়ত সহকৰ্মী হিচাপে ১৯৯৮ চনলৈকে কেইবাবছৰো পালোঁ। বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে প্ৰথম দিনা কৰ্মত যোগদান কৰিবলৈ যোৱাৰ দিনা খুব ভয় আৰু শংকা হৈছিল। কিন্তু ছাৰৰ লগতে তামুলী ছাৰ, সিং ছাৰ লগতে বাকী ছাৰ সকলৰ সৌহাৰ্দ্যপূৰ্ণ আলাপ আৰু উৎসাহে মোক সকলো ভয় আৰু শংকা আঁতৰাই এগৰাকী সফল শিক্ষয়িত্ৰী হোৱাত অনুপ্ৰেৰণা আৰু সাহস যোগালে।

বিদ্যালয়ত সহকৰ্মী হিচাপে পোৱাৰ পাছত কেতিয়াবা ছাৰৰ ঘৰলৈ গ'লে ছাত্ৰী আৰু সহকৰ্মী হিচাপে নহয়, এগৰাকী বন্ধুৰ দৰে কথা-বতৰা পাতে। ওচৰতে বহি সকলো কথা বিৰৰি সোধে। মূঠৰ ওপৰত এজন হৃদয়ৱান ব্যক্তিৰ সান্নিধ্যই মোক আজিও গৌৰৱান্বিত কৰে।

ছাৰে অৱসৰ লোৱাৰ পিছত আমি প্ৰায়ে ছাৰক লগ কৰো কিছুমান সামাজিক কামৰ ক্ষেত্ৰত। ১৯৯৪ চনত যেতিয়া আমাৰ অঞ্চলত বজৰং, ৰাইনো সামৰিক অভিযানত মিলিটেৰী বাহিনীয়ে 'আলফা' বিচৰাৰ নামত নিৰীহ লোকৰ ওপৰত অত্যাচাৰ চলাইছিল তেতিয়া আমি বৃহত্তৰ তিনঠেঙ্গীয়া অঞ্চলৰ লগতে কলৌলোৱা, নখাট, চহৰীকটা, মেছলৌ আদি অঞ্চলৰ মহিলা সকলকলৈ প্ৰগতিশীল নাৰী সন্থা গঢ় দিছিলোঁ। নাৰী সমাজক সংগঠিত কৰি নিৰীহ লোকক পুলিচ, মিলিটেৰীৰ কৱলৰ পৰা মুক্ত কৰিছিলোঁ, যাৰ বাবে বহুতো সভা-সমিতি পাতিব লগা হৈছিল তেতিয়া আমি অৰ্থাৎ মহিলাসকলে ছাৰৰ পৰা সুপৰামৰ্শ লৈছিলোঁ আৰু উৎসাহিত হৈছিলোঁ।

ছাৰৰ তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তান। তিনিওজন পুত্ৰ সুপ্ৰতিষ্ঠিত। কন্যা সফল ব্যৱসায়ী। কন্যা অৰ্থাৎ গীতাঞ্জলি মোৰ বান্ধৱী, আমি দুয়ো গৰাকী একেলগে হাইস্কুলত পঢ়িছিলোঁ। দুয়ো গৰাকীয়ে একেলগে নাৰী সংগঠনৰ সক্ৰিয় কৰ্মীও আছিলোঁ।

বৰ্তমান ছাৰৰ অৱসৰ লোৱা বহু বছৰেই হ'ল। বয়স প্ৰায় ৮৪ বছৰেই হ'ল। ছাৰৰ ৮৪ তম জন্ম বাৰ্ষিকী পূৰ্ণ উপলক্ষে এখনি 'অভিনন্দন গ্ৰন্থ' প্ৰকাশ কৰিব বুলি জানি নথৈ আনন্দিত হৈছোঁ। ভাল লাগিছে পৰিয়ালৰ লগতে অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তিৰ লেখা পঢ়িবলৈ পাম। মোৰ স্মৃতিৰ মানস পটৰ পৰা কিছু স্মৃতি ভাহি আহিছে তাকে একলম লিখিলোঁ। ভুল ভ্ৰান্তি হ'লে ক্ষমা মাৰ্জনীয়।

বহু কথাই মনত পৰে কিন্তু কলমত নাহে।

অৱশেষত ছাৰৰ শত আয়ুস ৰাখক ভগৱানে। তেখেতৰ সু-স্বাস্থ্য কামনা কৰিলোঁ। অনাগত জীৱন অধিক জীপাল আৰু মধুৰ হওক তাৰেই কামনা কৰিলোঁ।

লেখক ঃ শিক্ষয়িত্ৰী, তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

বৃহঙ্গম দৃষ্টিৰে ৰহেশ্বৰ সোনোৱাল

পাৰুল সোনোৱাল

অসমৰ সোনোৱাল কছাৰী সমাজত ব্যক্তি আৰু ব্যক্তিত্বৰ এক অপূৰ্ব সমন্বয়ৰ নিদৰ্শন হ'ল ৰহেশ্বৰ সোনোৱাল, এক অখ্যাত অঞ্চলৰ বিখ্যাত নাম। ৰহেশ্বৰ সোনোৱাল কেৱল এক ব্যক্তি নহয়, এক অনুষ্ঠান। সামাজিক ক্ষেত্ৰতেই হওক বা পাৰিবাৰিক ক্ষেত্ৰতেই হওক সমান্তৰালভাৱে তেখেতে জীৱন পৰিক্ৰমা আগবঢ়াই নিছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ৭ বছৰ পূৰ্বে সকলো দিশতে অনুন্নত ডিব্ৰুগড় জিলাৰ লেঙেৰী মৌজাৰ ননগাঁও (নখাট সমীপৰ)ত ১৯৪০ চনত ৰহেশ্বৰ সোনোৱালে জন্ম লাভ কৰিছিল। পিতৃ মুকুট সোনোৱাল আৰু মাতৃ জাধৈ সোনোৱালে হয়তো সেই সময়ত কেতিয়াও ভৱা নাছিল যে তেওঁলোকৰ যুগ্ম জীৱনৰ সাক্ষী এই সন্তানে এদিন নিজৰ পৰিয়ালৰ নাম উজলোৱাৰ লগতে জিলাখনৰ তথা সমগ্ৰ সোনোৱাল কছাৰী লোকসকলৰ মাজত এক উজ্জ্বল নক্ষত্ৰ হৈ পৰিব। অভাৱনীয় এই কথাষাৰেই পৰৱৰ্তী জীৱনত ৰহেশ্বৰ সোনোৱালে নিজৰ অধ্যৱসায়, কষ্টসাহিষ্ণুতা, দূৰদৰ্শিতা, ধৈৰ্য আৰু একাগ্ৰতাৰে প্ৰতিপন্ন কৰি দেখুৱালে। মই গৌৰৱান্বিত যে মই এই পৰিয়ালৰে সদস্য।

জন্ম গ্ৰহণ কৰা গাঁওখনৰ সমীপৱৰ্তী 'নখাট ন-গাঁও প্ৰাথমিক বিদ্যালয়'ত শিক্ষা জীৱনৰ পাতনি মেলা ৰহেশ্বৰ সোনোৱালে 'লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়'ত নৱম শ্ৰেণীলৈকে পঢ়াৰ পাছত বিদ্যালয় সলনি কৰি 'খোৱাং উচ্চ ইংৰাজী বিদ্যালয়'ত দশম শ্ৰেণীত নামভৰ্তি কৰে। সেইখন বিদ্যালয়ৰ পৰাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ 'ডিব্ৰুগড় হনুমানবক্স সূৰযমল

কানৈ মহাবিদ্যালয়'ত নামভৰ্তি কৰে। আৰ্থিক দুৰৱস্থাৰ হেতু ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰত নিম্ন বৰ্গৰ চাকৰিত যোগদান কৰি মহাবিদ্যালয়ৰ নৈশ শাখাত স্নাতক শিক্ষা গ্ৰহণ কৰি ১৯৬৫ চনত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত তথা তিনিবছৰ চাকৰি কৰাৰ অন্তত চাকৰিৰ পৰাই অব্যাহতি লৈ তিনঠেঙ্গীয়া ৰাইজৰ সহযোগত 'তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়'ৰ প্ৰতিষ্ঠাপক সম্পাদক হোৱাৰ লগতে সহকাৰী শিক্ষক হিচাপেও যোগদান কৰে। ১৯৮৪ চনত প্ৰাদেশীকৰণ বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰা এইখন বিদ্যালয়ৰ পৰাই ১৯৯৮ চনত ৰহেশ্বৰ সোনোৱালে অৱসৰ গ্ৰহণ কৰে।

সমাজমুখী ৰহেশ্বৰ সোনোৱালৰ সামাজিক জীৱন বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ভৰপূৰ। শৈক্ষিক জাগৰণ আৰু প্ৰসাৰণক জীৱনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰা স্বনামধন্য ৰহেশ্বৰ সোনোৱালে শিক্ষা জগতৰ পৰা ৰাজনীতিলৈ, গোষ্ঠীগত চেতনাৰ পৰা জাতীয়তাবাদলৈকে সমাজ জীৱনৰ প্ৰায়বোৰ দিশৰ সৈতে সম্পৃক্ত আছিল।

'তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়'ৰ লগতে 'নিগম মধ্য ইংৰাজী বিদ্যালয়', 'বৃন্দাবন প্ৰাথমিক বিদ্যালয়'ৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে কাম কৰাৰ লগতে 'ন-খাট উচ্চ মাধ্যমিক বিদ্যালয়'ৰ সভাপতি 'বনফুল প্ৰাথমিক বিদ্যালয়'ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে ডিব্ৰুগড় জিলাৰ গ্ৰামাঞ্চলৰ এক বৃহৎ এলেকাত শৈক্ষিক জাগৰণৰ হকে অহোপুৰুষাৰ্থ কৰিছিল।

সোনোৱাল কছাৰী জনগোষ্ঠীটোৰ লগতে অঞ্চলটোৰ উন্নয়নৰ হকে জীৱনৰ প্ৰতিপল সময় অতিবাহিত কৰা এইগৰাকী বৰেণ্য ব্যক্তিৰ কৰ্মস্পৃহা, দূৰদৰ্শিতা অতুলনীয়। তেখেতৰ দৰে ব্যক্তিক জীৱিত কালতেই সন্মান যাচিবলৈ লোৱা পদক্ষেপ যথোপযুক্ত। এনে পদক্ষেপ গ্ৰহণ কৰা উদ্যমী প্ৰতিগৰাকী ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ আৰু ৰহেশ্বৰ সোনোৱাল সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰাৰ্থনা কৰিছোঁ।

লেখক ঃ বিশিষ্ট লেখিকা, নতুন নগৰ, মৰাণ।

❑❑❑

সোনোৱাল ছাৰলৈ একলম

✍ হাস্না সোনোৱাল

অসমৰ উত্তৰ-পূবত অৱস্থিত ডিব্ৰুগড় জিলাৰ বৃহৎ তিনঠেঙ্গীয়া অঞ্চলৰ হৈ মানুহৰ জীৱনৰ সাৱলীল গতিৰ বাবে নানা ধৰণৰ চিন্তা-চৰ্চা কৰি অহা সেই মহান ব্যক্তি জনেই হ'ল আমাৰ পৰম পূজনীয় ছাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল।

মই সৰুৰে পৰা তেওঁক প্ৰতিবেশীৰ ৰূপত পাইছিলো। গতিকে তেওঁ মোৰ বাবে অতিকে আপোন বৰপাই (বৰদেউতা)/ মোৰ মা-দেউতাই তেখেতক বহুত শ্ৰদ্ধা কৰিছিল। ৭০ বছৰীয়া মায়ে এতিয়াও ওৰণিখন টানি সন্মান জনায়। মই যেতিয়াৰ পৰা অলপ অনুভৱ কৰিব জানিলোঁ তেতিয়াৰ পৰাই দেখিছো যে তেওঁ এগৰাকী পৰিশ্ৰমী লোক। অবাবত সময় নষ্ট নকৰে। তেওঁক জীৱ-জন্তু, পশু-পক্ষী সকলেও বুজি পায় বাবে আজি গোহালিত গৰু-গাই নধৰা হৈছে। হাঁহ-কুকুৰা চোতাল ভৰি আছে। প্ৰতি বছৰে বাৰীত শাক-পাচলি ভৰি থাকে। সেই শাক-পাচলি বজাৰত বিক্ৰী কৰিব পৰা হয়। বৰপায়ে ডাঙৰ ডাঙৰ অষ্ট্ৰেলিয়ান গাহৰিও পুহিছিল, দঁতাল গাহৰি দেখিলে ভয় লগা আছিল। সেইবোৰ সকলো তেওঁ নিজে চম্ভালিছিল। কচু কাটি আনি ডাঙৰ ডাঙৰ কেৰাহীত বনাই গাহৰিক খুৱাইছিল। এজন শিক্ষক হৈ এটা সাধাৰণ মানুহে কৰা কামবোৰ তেওঁ অনায়াসে কৰিছিল। তিনঠেঙ্গীয়াৰ পৰা প্ৰায় তিনি-চাৰি কিলোমিটাৰ দূৰ নিগম পথাৰত তেওঁ খেতিও কৰে। প্ৰতি বছৰে ধান নহয়, পানীয়ে মাৰে। যি বছৰ ধান হয় দুবছৰ মানলৈ হৈ যায়। তেওঁ খেতি কৰোতে হালোৱা, ৰোৱনী, দাৱনী আদিৰ অভাৱ নাছিল কিয়নো তেওঁৰ উদাৰ মনোভাবৰ বাবেই চাগে সকলোৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। এনেদৰে শিক্ষকতাৰ মাজেৰে বিভিন্ন কৃষি

কৰ্মত জড়িত হৈ এজন আদৰ্শৱান কৃষক হিচাপে পৰিচিত মহান ব্যক্তিক মই শতবাৰ প্ৰণামো।

মই অষ্টম শ্ৰেণীৰ পৰা তেওঁক শিক্ষক হিচাপে পাইছোঁ। তেওঁ খুব গহীন-গম্ভীৰ আছিল। বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ছাৰক ভয় কৰিছিল। 'বৰপাই' বুলি ক'লে আপোনভাবৰ অনুভৱ হয় বাবেই চাগে মোৰ ইমান ভয় নালাগিছিল। আমাৰ আগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মুখত শুনিছিলো সোনোৱাল ছাৰে বেত দিয়ে। মই কিন্তু বেত খাই নাপালো। ছাৰ শ্ৰেণী কোঠাত সোমালে আমি সকলোৱে নীৰৱ নিস্তব্ধ হৈ কাণ পাতি শুনিছিলোঁ। ছাৰৰ ইংৰাজী শব্দৰ স্পষ্ট উচ্চাৰণৰ লগতে অৰ্থবোৰ ভাঙি-পাতি বুজাইছিল। Jules verne ৰ উপন্যাস "Around the World In 80 days" ৰ Phileas Fogg ৰ বিষয়ে পঢ়াওঁতে খুব আনন্দ মনৰে পাঠদান কৰিছিল। আমি মনোযোগেৰে শুনিছিলোঁ। টান শব্দবোৰৰ অৰ্থ আমি বহীত লিখি লৈছিলোঁ। তেওঁ এজন সুদক্ষ শিক্ষক।

সমাজ কৰ্মী হিচাপে তেওঁৰ অৱদান যথেষ্ট আছে। সকলো প্ৰকাশ কৰাটো সম্ভৱ নহয়। জীৱনৰ বেছি ভাগ সময় তেওঁ তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত অবৈতনিকভাৱে শিক্ষা দান কৰি আছিল। অৱসৰ লোৱাৰ প্ৰায় বাৰ তেৰ বছৰ মানৰ আগতে বিদ্যালয়খন চৰকাৰীকৰণ হয়। তেওঁৰ প্ৰচেষ্টাত কেইবাখনো বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। যেনে-তিনঠেঙীয়া বৃন্দাবন প্ৰাথমিক বিদ্যালয়, পূবেৰুণ কৃষি পাম নিগম এম ই স্কুল, নলনি চমুৱা জনজাতি এম ই স্কুল, নখাট হাইস্কুল, মেছলৌ উচ্চ মাধ্যমিক বিদ্যালয় আদি। ইয়াৰ উপৰি পূবেৰুণ কৃষি পাম নিগমৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আছিল। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পাছত বহুতো অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক কি পঢ়ালে ভাল হ'ব এই বিষয়ে তেওঁৰ পৰা পৰামৰ্শ লয়। তেওঁ সকলোকে ভাল পৰামৰ্শ দি মানসিকভাৱে সহায় কৰিছিল।

ৰাজনীতিৰ ক্ষেত্ৰতো তেওঁৰ যথেষ্ট অৱদান আছে। তেওঁ এটা ৰাষ্ট্ৰীয় দলৰ সক্ৰিয় নেতা আছিল। তেওঁ ডিব্ৰুগড় জিলাৰ জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত সাহায্য আগবঢ়াইছিল। দৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালসমূহক বিভিন্ন আঁচনিৰ অনুদানসমূহ দি সহায় কৰিছিল। তেওঁ সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিৰ প্ৰথমজন দাবীদাৰ আছিল। তেওঁৰ নেতৃত্বতেই সোণোৱাল কছাৰী জাতিটোৱে স্বায়ত্ত শাসন

পাবলৈ সক্ষম হ'ল।

সাংস্কৃতিক ক্ষেত্ৰতো তেওঁৰ যথেষ্ট অৱদান আছে। তেওঁ ঢোল, মৃদং আদি বাদ্য যন্ত্ৰ সুন্দৰভাৱে পৰিৱেশন কৰিছিল। গাঁৱৰ দহা সবাহত যদি গায়ন বায়নৰ কাম থাকে, তেতিয়া তেওঁ পোনছাটে গৈ কান্ধত মৃদংটো তুলি লয়। জনজাতিৰ কৃষ্টি সংস্কৃতিৰ প্ৰতিও তেওঁৰ বহুত আগ্ৰহ থকা দেখা পাই আহিছোঁ।

খেলৰ প্ৰতিও তেওঁৰ যথেষ্ট ৰাপ আছে বুলি জানিব পাৰিছো। তেওঁ মাতৃৰ সোঁৱৰণত তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত ১৯৭৬ চনত এখন ডাঙৰ আৰু উন্নত মানৰ ফুটবল টুৰ্ণামেণ্টৰ আয়োজন কৰিছিল। খেলত অংশগ্ৰহণ কৰিবলৈ বহুত দূৰ-দূৰণিৰ পৰা খেলুৱৈ সকল আহিছিল। বৰ্তমানলৈকে তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দ্বিতীয় এখন তেনেধৰণৰ খেলৰ আয়োজন হোৱা দেখা নাই। তেওঁ এজন সুন্দৰ খেল পৰিচালকো আছিল।

শ্ৰদ্ধাৰ সোনোৱাল ছাৰেই মোক তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ত পঢ়ুৱাইছিল। তেৰেঁই মোক শিক্ষয়িত্ৰীৰ প্ৰথম খোজ আগবঢ়াবলৈ সুবিধা দিছিল। ১৯৯১-১৯৯২ চনত তেওঁ নখাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। তেতিয়া বিদ্যালয়ত হিন্দী শিক্ষক নাছিল। গতিকে এই অভাগিনীক অবৈতনিকভাৱে ছাত্ৰ-ছাত্ৰীক হিন্দী বিষয়ৰ পাঠদান কৰিবলৈ সুযোগ দিছিল। তাৰ পিছত তেওঁৰ আশীৰ্বাদত নিজে পঢ়ি যোৱা বিদ্যালয়তেই হিন্দী শিক্ষকৰ পদত নিযুক্তি পালোঁ। মানৱতা গুণৰ অধিকাৰী শ্ৰদ্ধাৰ শিক্ষাগুৰু জনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ এই ভাষাহীন লেখা সামৰিলোঁ

লেখক ঃ শিক্ষয়িত্ৰী, তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

শৈশৱৰ কিছু উপলব্ধি

✍ তৰুলতা হাজৰিকা

'তিনঠেঙ্গীয়া' য'ত মোৰ দেউতাই বিদ্যালয় প্ৰতিষ্ঠা কৰি অৱসৰ লৈছিল। সেই ঠাইতেই ৩ ঘৰ মানুহ স্থায়ী বাসিন্দা হৈ আছিলো। আশ্ৰম সদৃশ পৰিৱেশ। বাঘ, শিয়াল, হেপা, শহাপহু, জিলিৰ মাত তাৰ মাজতেই পূবত স্বৰ্গীয় সৰ্বেশ্বৰ সোনোৱাল, পশ্চিমত শ্ৰীযুত লীলা হাজৰিকা আৰু দক্ষিণত শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ ঘৰ। তিনঠেঙ্গীয়াৰ তিনিটা খুঁটি। মই জনা হোৱাৰ পৰা সোনোৱাল ছাৰ নকৈ 'দদাইদেউ' বুলিয়েই কওঁ। তেখেতৰ বিষয়ে লিখিবলৈ হ'লে তেখেতৰ ঘৰখনৰ বিষয়েহে লিখিব লাগিব। কাৰণ সৰুতে আমাৰ সেই ঘৰখনৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। সৰুতে আমি দদাইদেউক বহুত ভয় আৰু সন্মান কৰিছিলোঁ। আৰু তেখেতে বিভিন্ন সামাজিক কামত ক'ৰবালৈ ওলাই যায় বাবে লগ পোৱা নহয়। সেই বয়সত কথাবোৰ বুজি পোৱা নাছিলোঁ। মাজনী, দুদুল, সোণ ভাইটিহঁতে কয় 'আমাৰ পাপা বাইথ'পূজালৈ গৈছে, গুৱাহাটীলৈ গৈছে'। এতিয়াহে বুজিব পাৰিছোঁ তেখেতে সোনোৱাল জাতিটোৰ বাবে এটা মহান কাম কৰিলে। পাপু সৰু হৈ আছিল। তিনিটা পৰিয়ালৰ ল'ৰা-ছোৱালী বিলাকৰ ভিতৰত মই ডাঙৰ। 'মাজনী' মোৰ ২ নম্বৰ ভণ্টী 'সৰু'ৰ লগৰ আৰু পিছৰ ভাইটিহঁত আমাৰ ভাইটি-ভণ্টীহঁতৰ প্ৰায় সমান সমনীয়া। সিহঁতে একেলগে খেলা-ধূলা কৰে, মই ডাঙৰ বাবে সিহঁতৰ লগত নেখেলো। নলাবোৰত বৰশী বাই মাছ ধৰে, বৰষুণ হ'লে খাল-ডোংবোৰত সাঁতুৰে-তেনেদৰে শৈশৱ কাল পাৰ কৰিলোঁ। সেই সময়ত দদাইদেউ, দেউতাহঁতে স্কুলৰ দৰমহা নেপাইছিল। গৰু-ছাগলী, হাঁহ-কুকুৰা পালন কৰি গাখীৰ, কণী, মাংস

যোগাৰ কৰি লৈছিল। শাক-পাচলি ঘৰতেই কৰি লৈছিল। দদাইদেৰে গাহৰি পালন কৰিছিল। তাৰ আগেয়ে আমি গাহৰি ভালদৰে দেখা নাছিলোঁ। গাহৰি আমাৰ বাৰীত সোমালে আমাৰ চন্দন, উৎপলহঁতে খেদে। দুদুল, সোণহঁতে 'আমাৰ গাহৰি কেলেই খেদিছ' বুলি কাজিয়া কৰে। সৰু কালৰ সেই দিনবোৰ কেতিয়াও পাহৰিব নোৱাৰি। এতিয়া ডাঙৰ হৈ সকলোৰে নিজে নিজৰ কামত ব্যস্ত হৈ পৰিলেও তিনঠেঙ্গীয়াৰ স্মৃতিবোৰ পাহৰিব নোৱাৰি। এতিয়া তিনঠেঙ্গীয়া বহুত পৰিৱৰ্তন হ'ল। তথাপি মোৰ হৃদয়ত অতীতৰ সেই হাবিৰ তলৰ তিনঠেঙ্গীয়াখন নমৰালৈকে সজীৱ হৈ থাকিব।

লেখক ঃ সমাজসেৱিকা, ২ নং চৰাইহাবি।

❒❒❒

ব্ৰহ্মপুত্ৰ আৰু জোঁৱাইৰ লগত।

তাৰৈলৈ অভিনন্দন আৰু তেখেতৰ পৰিয়ালৰ সৈতে থকা মধুৰ স্মৃতিবোৰ

✍ সান্ত্বনা শইকীয়া

মই শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ ছাৰ তথা তাৰৈলৈ মোৰ শতকোটি প্ৰণাম আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। তেখেতৰ বিষয়ে দুআষাৰ লিখিবলৈ পাই মই যথেষ্ট আনন্দিত হৈছো। ভক্তিভৰা শ্ৰদ্ধাৰে তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

মোৰ জন্মলগ্নৰে পৰাই তেখেতৰ ঘৰখনৰ লগত আমাৰ আত্মিক সম্পৰ্ক আছে। তেখেতক মই তাৰৈ বুলি সম্বোধন কৰো, কিয়নো তেখেত আমাৰ দেউতাৰ বন্ধু। আমি তাৰৈ হিচাপেই তেখেতক সৰুৰে পৰা পাইছোঁ। বহু পিছতহে তাৰৈক মোৰ হাইস্কুলৰ শিক্ষাগুৰু হিচাপে পাইছোঁ।

গহীন, ওখ-শকতকৈ চেহেৰা আৰু গুৰু গম্ভীৰ মাত-কথাৰ তাৰৈক দেখিলেই সৰুৰে পৰা এক ভয় আৰু শ্ৰদ্ধা ওপজে। সৰুতে শুনিছিলো তেখেতে বোলে পঢ়িব নোৱাৰিলে বেয়াকৈ পিটে। স্বাভাৱিকতেই এটা ভয়ে মোক আগুৰি ধৰিছিল যে হাইস্কুল বাৰু মই কেনেকৈ পঢ়িম। যদি তাৰৈয়ে মোক বেয়াকৈ পিটে। সৰুতে কেৱল বানানত ভুল কৰাৰ বাদে অন্য কোনো বিষয়তে শিক্ষকৰ পৰা মাৰ খোৱা নাছিলো। গতিকে মোৰ ভয়টো অলপ বেছি আছিল। কিন্তু যেতিয়া হাইস্কুল পালোগৈ তাৰৈক ছাৰ হিচাপে পালো তেতিয়া দেখোন মই ভবাটোৰ ওলোটোহে হ'ল। তেখেতে যথেষ্ট মৰমেৰে আমাক ইংৰাজী বিষয়টো বুজাইছিল। ইংৰাজীৰ প্ৰত্যেকটো শব্দৰ অৰ্থ আৰু পাঠৰ বিষয়বস্তু সৰল ভাষাৰে বুজাই দিছিল। তেখেতে ইংৰাজীৰ শব্দৰ বানান যাতে ভুল নকৰো তাত বিশেষ গুৰুত্ব দিছিল। আমাক প্ৰায়েই ইংৰাজীৰ শ্ৰুতলিপি লিখিবলৈ দিছিল। মাজে

মাজে আমাক ধেমেলীয়া কথা কৈ হঁহুৱাইছিলো। ইংৰাজী কবিতাবোৰ সুৰ লগাই সুন্দৰকৈ পঢ়োৱাটো আজিও যেন মোৰ কাণত বাজি আছে "Tiger, Tiger burning bright in the forest of the night".

আমাৰ ৰৈমাৰী গাঁওখন যিহেতু ৰাস্তাৰ কাষতেই তাৰৈ টাউনলৈ গ'লে ঘূৰি আহোঁতে প্ৰায়েই আমাৰ ঘৰত সোমাই আহিছিল। আমাৰ সকলোৰে ভাল-বেয়া খবৰ লৈছিল। আমি ভালদৰে পঢ়া-শুনা কৰিছোনে নাই তাৰ খবৰ সুধিছিল। আমাৰ ঘৰুৱা অনুষ্ঠান, বিহু, সবাহ আৰু অন্যান্য সকলো সুখ-দুখৰ সময়ত তাৰৈ আমাৰ ঘৰত উপস্থিত থাকে। আমাৰ দেউতাও তাৰ ব্যতিক্ৰম নাছিল কিন্তু বয়সৰ লগে লগে আমাৰ দেউতাক ব্যাধিয়ে কোঙা কৰাত সম্পৰ্কীয় মানুহৰ ঘৰলৈ যাবলৈ অসুবিধাৰ সৃষ্টি কৰিছে। আশা কৰোঁ তেওঁলোকৰ বন্ধুত্বৰ এনাজৰীডাল সদায় এনেদৰেই কটকটীয়াকৈ বান্ধ খাই থাকক তাকেই অন্তৰেৰে কামনা কৰোঁ।

সৰুৰে পৰাই তাৰৈ তথা তেওঁলোকৰ পৰিয়ালটোৰ প্ৰতি মোৰ এটা টান আছিল। মাৰ লগত প্ৰায়েই মই তিনঠেঙ্গীয়ালৈ মানে তাৰৈহঁতৰ ঘৰলৈ গৈছিলো। খৰালি দিনত আমাৰ ঘৰৰ পাছফালৰ মটক পথাৰেদি আমি তেওঁলোকৰ ঘৰলৈ গৈছিলো। কাৰণ পথাৰেদি গ'লে যথেষ্ট বাট চমু হয়। ঘৰলৈ ঘূৰি আহোঁতে পথাৰৰ মাজতে পোৰা পকা পকা ঔটেঙাবোৰ বুটলি আনিছিলোঁ। পিছদিনা লগৰ ছোৱালীবোৰক মাতি আমি ঘৰৰ বাৰীত ৰ'দত বহি মাটিত ধান খেৰ পাৰি তাৰ ওপৰত ঔটেঙা থৈ দা এখনেৰে ঔটেঙা কাটি নিমখ-জলকীয়া লগাই টেঙা মিঠা সোৱাদৰ ঔটেঙাবোৰ কিমান যে তৃপ্তিৰে খাইছিলো হাঁহি স্ফূৰ্তি কৰি।

সৰুতে আমৈৰ কথাবিলাকে মোক যথেষ্ট প্ৰভাৱিত কৰিছিল। পঢ়াৰ ক্ষেত্ৰত প্ৰতিযোগী মনোভাবেৰে পঢ়িবলৈ উৎসাহ যোগাইছিল। সদায় সকলোতকৈ যাতে আগত থাকিবলৈ চেষ্টা কৰো তাৰ বাবে প্ৰেৰণা যোগাইছিল। কিতাপ পত্ৰ পঢ়িলে জ্ঞানৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগতে কেনেকৈ বহল মনৰ অধিকাৰী হ'ব পাৰি এই কথা বুজাইছিল।

মাজনী বাইদেউৰ কথা (গীতাঞ্জলি বা) নিলিখিলে মোৰ লেখা আধৰুৱা হৈয়ে ৰ'ব। বাইদেউ যদিও মোতকৈ ডাঙৰ তথাপি বাইদেউৰ সৈতে মোৰ এটা বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। আমি বাহিৰা কিতাপবোৰ আদান প্ৰদান কৰি পঢ়িছিলোঁ। জীৱনৰ এটা মচিব নোৱাৰা স্মৃতি হ'ল যে ডাকঘৰৰ যোগেদি মোলৈ

প্ৰথম চিঠিখন আহিছিল মাজনী বাইদেউৰ পৰা। বাইদেউ তেতিয়া তিনিচুকীয়াৰ Women Collage ত পঢ়ি আছিল। মই তেতিয়া এম ই স্কুলৰ ছাত্ৰী। চিঠিখন আমৈয়েই আনি মোক দিছিল। চিঠিৰ কথাবোৰ এতিয়াও মোৰ স্পষ্টকৈ মনত আছে।। এটা কথা লিখিছিল--'পূজা পালেহিয়েই নহয়, পূজাৰ পিছতেই বিহু। কেনেকৈ যে সময়বোৰ অতিবাহিত হৈ গৈছে গমেই পোৱা নাযায়। ইয়াৰ মাজতেই আমি পঢ়া শুনাবোৰ কৰি যাব লাগিব। কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে পঢ়িলে একো ফল পোৱা নাযায় জান। আজি মানুহ হিচাপে ভালদৰে জীৱন-যাপন কৰিবলৈ শিকিবৰ বাবে বা জানিবৰ বাবেহে পঢ়িব লাগে।'

এবাৰ মোৰ বাঁও ভৰিত এডোখৰ ঘা লাগিছিল। প্ৰথমে সৰুকৈ হোৱা ঘাডোখৰেই পিছত বহল হৈ গৈছিল। মাজনী বাইদেউ আৰু আমৈ আমাৰ ঘৰলৈ আহোতে মোৰ ভৰিৰ ঘাডোখৰ দেখি মোক জোৰ কৰি দৰব দিম বুলি কৈ তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। ৰাতি আমৈয়ে পাণ দুখনমান খুন্দি বাইদেউক কাঁচি এখন গৰম কৰিবলৈ কৈছে। বাইদেৱে কাঁচিখন জুইত ৰঙাকৈ গৰম কৰি আমৈয়ে খুন্দি দিয়া পাণ মোৰ ভৰিৰ ঘাডোখৰত লগাই তাৰ ওপৰত গৰম কাঁচিখন হেঁচি দিছে। মই সহ্য কৰি আছোঁ কোনোমতে। সঁচাকৈ দুদিনমান পাছতেই মোৰ ঘাডোখৰ শুকাই গ'ল। ঘাৰ দাগটো এতিয়াও কিছু পৰিমাণে আছে। এইবোৰ হয়তো সৰু সৰু কথা কিন্তু মোৰ বাবে এইবোৰ জীৱনৰ মচিব নোৱাৰা একোটা মধুৰ স্মৃতি। কাৰণ ইয়াৰ মাজতেই সোমাই আছে তেওঁলোকৰ মোৰ প্ৰতি থকা মৰম আৰু দায়িত্ববোধ। মোৰো তেওঁলোকৰ প্ৰতি সৰুৰে পৰাই আছে অকৃত্ৰিম শ্ৰদ্ধা আৰু ভালপোৱা। সেইবাবেই তেওঁলোকৰ ঘৰত থাকিবলৈ ক'লেই থাকি আহিছিলোঁ আৰু লগ ধৰিলেই গুচি গৈছিলোঁ আমৈ বা বাইদেউৰ লগত। এবাৰ তেনেদৰে ৰাতি থাকোতে ৰাতিয়েই ধুমুহা আহিছিল। তেতিয়াৰ ঘৰটো খেৰীঘৰ আছিল। ধুমুহাত ঘৰটো ভাঙিব বুলি তেওঁলোকে বাহিৰলৈ ওলাই গ'ল। মোক বোলে গা জোকাৰি কেইবাবাৰো মাতিও উঠাব নোৱাৰিলে। মই ঘোৰ টোপনিত তেনেকৈয়ে শুই থাকিলোঁ একো গমেই নাপালো। ৰাতিপুৱা ঘৰটো গছৰ পাত আৰু ধূলিমাটিৰে ভৰি থকা দেখিহে গম পাওঁ যে ধুমুহা আহিছিল।

তাৰৈ তথা মাজনী বাইদেউহঁতৰ পৰিয়ালৰ সকলো সদস্যৰ লগতেই মোৰ ভাল সম্পৰ্ক আছে। সকলোবোৰ লিখিবলৈ গ'লে বহুত দীঘলীয়া হ'ব।

তেওঁলোকৰ মৰমক নেওচা দিব নোৱাৰিয়েই গুৱাহাটীত অনুষ্ঠিত কৰা বাইদেউৰ বিবাহ অনুষ্ঠানলৈও মই গৈছিলোঁ। দুদুল দাদা (দেৱ কুমাৰ সোনোৱাল) বৰ্তমানে যদিও এজন চৰকাৰী উচ্চপদস্থ বিষয়া তথাপিও ছুটীত ঘৰলৈ আহিলে আমাৰ ঘৰলৈ আহি মা -দেউতাৰ খবৰ লয়। তেখেতৰ সৰল মনটোৱে মোৰ আপ্লুত কৰে। এতিয়া সকলোৰে একোখন ব্যস্ত সংসাৰ। মন গ'লেও তাৰৈ-আমৈৰ ওচৰলৈ সততে যাব নোৱাৰোঁ। তথাপি তেওঁলোকৰ প্ৰতি মোৰ অপৰিসীম শ্ৰদ্ধা-ভক্তি অটুট আছে। তেওঁলোকৰ পৰিয়ালৰ প্ৰতিজন সদস্য-সদস্যালৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিভৰা মৰম যাছিলোঁ। শেষত পুনৰ তাৰৈ-আমৈৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ লেখা সামৰিছোঁ।

লেখক ঃ সমাজ সেৱিকা, মাকুম।

❐❐❐

গুৱাহাটীৰ উগ্ৰতাৰা দেৱালয় দৰ্শন।

Dear Papa

✍ **Shreyashree Sonowal (Sumi)**

Dear Papa,

Thank you for being more than just a father-in-law — you've been a second father, a mentor, and a friend. Your unwavering love, wisdom, and support have enriched my life in ways words can scarcely capture.

From the moment I became part of your family, you welcomed me with open arms and treated me as one of your own. Your kindness and warmth have made me feel cherished and accepted, and for that, I am profoundly grateful.

You have set a remarkable example of devotion, strength, and integrity. Your guidance has been a beacon, helping me navigate life's challenges with confidence and grace. The lessons you've imparted — in patience, humor, and resilience — continue to inspire me every day.

Our family is blessed to have you, and I am especially thankful for the love and wisdom you share with our children. They are fortunate to have you as a grandfather, learning from your example of compassion and strength.

Thank you, Papa, for everything you do. Your legacy of love and kindness will forever be etched in our hearts.

With deepest gratitude and love.

লেখক ঃ ডাঙৰ বোৱাৰী তথা সমাজ সেৱিকা, কলকতা।

❑❑❑

শহুৰ দেউতা সমীপেষু

চিত্ৰলেখা সোনোৱাল (তৰালি)

সেইদিনা কি বাৰ আছিল পাহৰিলো। ঘৰৰ কামত ব্যস্ত হৈ থাকোঁতে হঠাৎ ফোনটো বাজি উঠিল। বাইদেউ গীতাঞ্জলি সোনোৱালৰ ফোন, ৰিচিভ কৰাৰ লগে লগে ভাল-বেয়াৰ বাতৰি লৈ বাইদেৱে ক'লে যে দেউতা মানে মোৰ শহুৰ দেউতাৰ জীৱনৰ কৰ্মৰাজিক লৈ এখনি অভিনন্দন গ্ৰন্থ উলিয়াব লৈছো সেয়ে তয়ো কিবা এটা লিখি দিবি, বাইদেউক হ'ব বুলি কৈ ফোনটো কাটিলো। সেইদিনা সকলোবোৰ কামৰ পৰা আজৰি হৈ হাতত কাগজ-কলম তুলি ল'লো। এতিয়াহে বিপাঙত পৰিলো। ক'ৰ পৰা কেনেকৈ কি দৰে আৰম্ভ কৰো একোকে ভাবি পোৱা নাই। তাতে দেউতাৰ বিষয়ে। কাৰণ মোৰ শহুৰ দেউতাৰ বিষয়ে ক'বলৈ গ'লে হয়তো কিতাপৰ দুটামান পৃষ্ঠাতে লিখি শেষ কৰিব নোৱাৰি। তথাপি বাইদেউ আৰু ভিনদেউ পংকজ কুমাৰ দাসৰ কথা ৰাখি মোৰ শহুৰ দেউতা শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ বিষয়ে দুআষাৰ লিখিবলৈ আগবাঢ়িলো।

মই ঘৰখনৰ মাজু বোৱাৰী যদিও ঘৰখনৰ প্ৰথম বোৱাৰী হিচাপে ময়েই প্ৰথম মা-দেউতাক শাহু-শহুৰ হিচাপে লগ পাইছো। বোৱাৰী হিচাপে তেওঁলোকৰ বাবে মই কিমান কি কৰিব পাৰিছোঁ নাজানো তথাপি তেওঁলোকক সদায় সুখী কৰিবলৈ চেষ্টা কৰি আহিছো। আমাৰ দেউতা এজন শিক্ষক হোৱাৰ লগতে তেওঁ এজন সমাজ কৰ্মী আৰু ৰাজনীতিবিদ আছিল। তেওঁ ৰাইজৰ হকে বহুতো কাম কৰিছিল, বহু কেইখন স্কুলৰ তেওঁ প্ৰতিষ্ঠাপক সম্পাদক আছিল বুলি জানো। তেওঁ বহুতো সমাজৰ কাম কৰাৰ লগে লগে ঘৰখনো নিয়াৰিকৈ চলাই নিছিল। তেওঁ আমাৰ সোনোৱাল কছাৰী জাতিটোৰ স্বায়ত্ত শাসন দাবী সমিতি সভাপতি

আছিল। যাৰ বাবে সোনোৱাল জাতিটোৱে স্বায়ত্ত শাসিত পৰিষদ লাভ কৰিবলৈ সক্ষম হয়।

মই বোৱাৰী হৈ অহাৰ দিন ধৰি ঘৰখনলৈ দেউতাৰ ওচৰলৈ কিমান যে মানুহৰ আগমন দেখি আহিছো তাৰ হিচাপ নাই। বহুতেই বহুতো সমস্যা লৈ তেওঁৰ সৈতে আলোচনা কৰে। তেওঁ যেনেকৈ পাৰে সকলোৰে সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিছিল। দেউতাক লগ কৰিবলৈ অহা কত মানুহে যে বাটে-পথে লগ পালে তেওঁৰ বোৱাৰী হিচাপে মাতযাৰ দিয়ে তাৰো হিচাপ নাই। বহুতো মানুহক মই পাহৰিয়েই যাওঁ যদিও আমাৰ ঘৰলৈ অহাৰ কথা ক'লে মনটো ভাল লাগি যায়। নিজকে লৈ গৌৰৱ অনুভৱ কৰো যে মই তেখেতৰ মাজু বোৱাৰী।

আগতে তিনঠেঙ্গীয়া অঞ্চলৰ উপৰি ওচৰৰ বিভিন্ন ঠাইৰ সভা-সমিতিলৈ আমন্ত্ৰণ পাইছিল। এতিয়া বয়স হৈ আহিছে বাবে বহু ঠাইলৈ নিমন্ত্ৰণ পায়ো যোৱাটো কমিছে।

এজন সমাজ কৰ্মীৰ উপৰি আমাৰ শহুৰ দেউতা কৃষি কৰ্মতো পাৰ্গত। মই বিয়া হৈ আহি দেখিছো তেওঁ নিগমৰ দ পথাৰত গৰুৰ হাল বাই খেতি কৰিছিল। ৰাতিপুৱাতেই উঠি হাল বায় ঘৰৰ ওচৰতে কঠীয়া পাৰিছিল। তদুপৰি ঘৰৰ বাৰীত শাক-পাচলি, মাটি মাহ, আলুৰ খেতি কৰিছিল। এতিয়াও আমাৰ বাৰীত শাক-পাচলি থাকেই গৰু, ছাগলী, কুকুৰ, মেকুৰী বৰ মৰম কৰে। ঘৰৰ পোহনীয়া হাঁহ-কুকুৰা তেওঁ কেতিয়াও নাখায়। এতিয়াও গৰু সময়ত নাহিলে যিমান ৰাতি হ'লেও বিচাৰি যায়। আমি যিমান ক'লেও আমাৰ কথা নামানি বিচাৰি যায়।

তেওঁ নিজৰ স্বাস্থ্যক লৈও সদায় সচেতন। সদায় সময়ত খোৱা-বোৱা কৰে আৰু সকলো পাচলি খায়। দিনত ভাত এবাৰেই খায়, বিয়া-সবাহে গ'লেও নাখায়। তেওঁ বাহিৰে যিমান খঙাল হ'লেও ভিতৰি বহু মৰমিয়াল। তেওঁ সকলোকে সমান চকুৰে চায়। তেওঁৰ ইমান বছৰ হ'ল যদিও সৰু- সুৱা জ্বৰ-কাঁহে তেওঁক পেলাব নোৱাৰে। কিন্তু এইবাৰ অলপ দিনৰ আগত তেখেতৰ ইমানেই জ্বৰ-কাঁহ হৈছিল যে ডাক্তৰৰ ওচৰলৈ লগ ধৰাত তেওঁ নাযায়। উপায় নাপাই মোৰ পুত্ৰ ধনে জোৰ কৰি মৰাণৰ নাৰ্চিং হোমত নি ভৰ্তি কৰিলে। তাৰ চাৰি দিনমান চিকিৎসা কৰি আৰোগ্য হ'ল।

মোৰ স্বামী স্বৰ্গীয় মানবেন্দ্ৰ সোনোৱালৰ আগতে প্ৰায়েই প্ৰতি বছৰতে বেমাৰ হৈ থাকে। ৰাতি মই যদি বহি বহি ৰাতিপুৱাওঁ তেওঁ আহি মোক শুবলৈ দি

নিজে বহি থাকে। মোৰ স্বামীয়ে মোক প্ৰায়েই কৈছিল মোৰ জীৱনটোত ফুৰা-চকা কৰি খাই বৈ আমনি লাগিছে আৰু ডাক্তৰৰ ওচৰত গৈও আমনি লাগিল তহঁতক মা-পাপাৰ লগতে এৰি থৈ যাম। মোৰ আৰু একো চিন্তা নাই। সঁচাকৈয়ে মোক আৰু সন্তান দুটিক (ধন আৰু দিশা) মা-পাপাৰ সৈতে এৰি ২০২১ চনৰ ৩ অক্টোবৰ তাৰিখে এই সংসাৰ ত্যাগ কৰিলে। তেওঁ যোৱাৰ পিছৰ পৰাই মা-পাপাই আমাৰ সাহস হৈ আমাক আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাই আহিছে।

এনে এজন গুণী, জনপ্ৰিয় সমাজ হিতৈষী ব্যক্তিক মোৰ শহুৰ দেউতা হিচাপে পাই মই নিজকে ধন্য মানিছো। পাপাৰ সুস্বাস্থ্য আৰু শতায়ু কামনা কৰিলো। সদায় আপোনাৰ আশীৰ্বাদ লৈ আগবাঢ়ি যাব পাৰিম বুলি সাহসেৰে আজি ক'ব পাৰো।

লেখক ঃ ৰহেশ্বৰ সোনোৱালৰ মাজু বোৱাৰী আৰু তিনঠেঙ্গীয়া জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী।

❑❑❑



গুৱাহাটীৰ গীতা মন্দিৰ দৰ্শন।

শ্ৰীযুত ৰহেশ্বৰ সোণোৱাল ছাৰৰ আদৰ্শ নতুন প্ৰজন্মই গ্ৰহণ কৰক

✍ বিদিশা সোনোৱাল

সৰ্বপ্ৰথমে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰলৈ অভিনন্দন জনাইছোঁ। তিনঠেঙীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক স্বনামধন্য শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰৰ বিষয়ে খুব কম লেখাৰ জৰিয়তে সকলোখিনি কথা বৰ্ণনা কৰাটো সম্ভৱ নহয়। তথাপি তেখেতৰ কেইটামান বিশিষ্ট কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰিবলৈ আগবাঢ়িছোঁ।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ লেঙেৰী মৌজাৰ নখাট নগাঁৱৰ এগৰাকী শিক্ষিত ব্যক্তি। ভাৰতীয় অসামৰিক বিমান পৰিবহণ (Civil Service Aviation Deptt.)ৰ উচ্চপদস্থ বিষয়া হিচাপে চাকৰি পায়ো সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ বাবে তিনঠেঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক হিচাপে যোগদান কৰে। যিহেতু বিদ্যালয়খন প্ৰাদেশিকীকৰণ হওঁতে বহু বছৰ পলম হৈছিল সেয়েহে তেখেতে অবৈতনিক শিক্ষক হিচাপেই ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠা আৰু সততাৰে পাঠদান কৰি গৈছিল। অৱশ্যে পিছত বিদ্যালয়খন প্ৰাদেশিকীকৰণ হোৱাত উক্ত বিদ্যালয়ৰ স্থায়ী শিক্ষকৰূপে নিযুক্তি লাভ কৰে।

যদিওবা মই ছাৰৰ পাঠদানৰ সান্নিধ্যতাত নাছিলো তথাপিতো আমি জনাত তেখেতে অষ্টম, নৱম আৰু দশম শ্ৰেণীত সদায় ইংৰাজী সাহিত্য বিষয়ত পাঠদান কৰিছিল। ইয়াৰ উপৰি তেখেতে পাঠদান কৰা আন বিষয় আছিল গণিত। ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰদ্ধা আৰু আন্তৰিকতাৰে প্ৰতিটো বিষয়ৰ পাঠদান দিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলো তেখেতৰ পৰা যথেষ্টখিনি উপকৃত হৈছিল।

শিক্ষকতা কৰি থকা অৱস্থাত তেখেতে তিনঠেঙীয়া অঞ্চলৰ বিভিন্ন

উন্নয়নমূলক কাম-কাজ তথা খেলা-ধূলাতো নিজকে নিয়োগ কৰি ৰাখিছিল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত তেওঁ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ছাৰে সোনোৱাল কছাৰী সমাজৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল।

আমি জনাত সোনোৱাল ছাৰ এগৰাকী স্পষ্টবাদী, সৎ, নিৰ্ভীক আৰু সাহসী ব্যক্তি। আশা কৰো শ্ৰদ্ধেয় ৰহেশ্বৰ সোনোৱাল ছাৰৰ আদৰ্শৰে আমাৰ উঠি অহা প্ৰজন্মই অনুপ্ৰাণিত হৈ সমাজখন আগুৱাই নিয়াৰ প্ৰয়াস কৰিব।

শেষত সোনোৱাল ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

লেখক ঃ ছাত্ৰী, তেজপুৰ বিশ্ববিদ্যালয়।

❑❑❑

খুলশালী স্বৰ্গীয় প্ৰজ্বলিতা, ডাঙৰ বাই স্বৰ্গীয় সুবন,
পৰিয়ালৰ সদস্য আৰু আত্মীয়ৰ সৈতে।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ নতুন প্ৰজন্মৰ আদৰ্শ

✍ চয়নিকা কোঁৱৰ

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল ছাৰ সমাজৰ এজন কৃতিত্বসম্পন্ন প্ৰতিভাৱান ব্যক্তি। তেখেত তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা। লগতে বৰ্তমান এজন অৱসৰপ্ৰাপ্ত শিক্ষক। তেওঁৰ দ্বাৰা পাঠদান গ্ৰহণৰ সৌভাগ্য আমাৰ নহ'ল যদিও তেওঁ শিক্ষাদান কৰা আমাৰ অগ্ৰজসকলৰ মুখত আমি শুনিবলৈ পাওঁ, তেওঁ কিমান সৎ, নিষ্ঠাৱান আৰু কৰ্তব্যপৰায়ণ ব্যক্তি। তেওঁ শিক্ষাদান কৰা ছাত্ৰ আজি দেশৰ একো একোজন সুনাগৰিক। কেৱল এগৰাকী শিক্ষক হিচাপেই নহয়, সমাজৰ আন বহু উন্নয়নমূলক কাম-কাজত গুৰু দায়িত্ব পালন কৰি এগৰাকী বিশিষ্ট সমাজ সেৱক হিচাপে সাধাৰণ ৰাইজৰ মাজত পৰিচিত আৰু জনপ্ৰিয়।

তেওঁ সঁচাকৈয়ে আমাৰ সকলোৰে বাবে আদৰ্শ তথা গৌৰৱ। তেওঁৰ এই আদৰ্শ, তেওঁৰ ব্যক্তিত্বক আমি কেতিয়াও নুই কৰিব নোৱাৰোঁ। শেষত ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

লেখক ঃ ছাত্ৰী, শিৱসাগৰ মহাবিদ্যালয়।

❑❑❑

ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

গগন বড়া

মোৰ ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল এগৰাকী সমাজ হিতৈষী ব্যক্তিত্বসম্পন্ন ব্যক্তি। ডিব্ৰুগড় জিলাৰ নখাট-নগাঁৱত জন্মগ্ৰহণ কৰা ভিনদেৱে মই জনাত খোৱাং হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ কানৈ কলেজৰ পৰা বি এ পাছ কৰে। তেখেতে নিজে প্ৰতিষ্ঠা কৰা তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলত শিক্ষকতা কৰে। কিন্তু স্কুলখন চৰকাৰী নহয়। বহু বছৰ পিছত চৰকাৰীকৰণ কৰা হয়। বহু কষ্টেৰে তেখেত আৰু আন শিক্ষকসকলে পাঠদান কৰিব লগীয়া হৈছিল। দৰমহা বুলি নামমাত্ৰ কিবা এটাহে পাইছিল। তাৰে পৰিয়াল পোহপাল দিয়াটো অতি কঠিন হৈছিল। তথাপি সমাজৰ প্ৰতি দায়বদ্ধতাক আগত ৰাখি, অঞ্চলটোৰ ল'ৰা-ছোৱালীক চকুত শিক্ষাৰ জ্যোতি বিয়পাবলৈ তেখেতে যৎপৰোনাস্তি চেষ্টা চলাইছিল। আজিৰ দিনতো শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল এজন আদৰ্শ শিক্ষক হিচাপে পৰিচিত হৈ আছে। তেখেতৰ ভাৰ্যা হৈছে শ্ৰীগুণদা বড়া সোণোৱাল। মোৰ বাইদেউ। বাইদেউ-ভিনদেউৰ পৰিয়ালত এগৰাকী কন্যা, তিনি গৰাকী পুত্ৰ সন্তান। শিক্ষকতা কৰি থকাৰ সময়তে কংগ্ৰেছ দলৰ এগৰাকী সমাজ সচেতন কৰ্মী হিচাপে অঞ্চলটোৰ সামাজিক কাম-কাজত আগভাগ লয় আৰু অঞ্চলটোৰ উন্নয়নৰ বাবে দেহে-কেহে লাগিছিল। তিনঠেঙীয়া অঞ্চলৰ সামগ্ৰিক উন্নয়নত তেখেতৰ যথেষ্ট বৰঙণি আছে।

এগৰাকী ব্যক্তি হিচাপে ভিনদেউ এজন নিৰ্ভীক আৰু স্পষ্টবাদী ব্যক্তি। সেয়ে সকলো শ্ৰেণীৰ লোকৰ মাজত তেখেতে সমাদৰ অৰ্জন কৰিবলৈ সক্ষম

হৈছে। তেখেতৰ অৱদান কেৱল তিনঠেঙ্গীয়াতে বুলি ক'লে ভুল হ'ব, তেখেতৰ অৱদান লেঙেৰী মৌজাৰ লগতে টিংখং সমষ্টিলৈ ব্যাপ্ত হৈ আছে। তেখেতে বহু নিবনুৱা যুৱক-যুৱতীক চৰকাৰী কামত মকৰল কৰে, শিক্ষক, পুলিচ বেটেলিয়ন আৰু চৰকাৰী বহু বিভাগত তেখেতে সংস্থাপন দিছিল।

আনহাতে সোনোৱাল জনগোষ্ঠীৰ মূল ধৰ্মীয় উৎসৱ বাইথ' পূজাতো তেখেতে আগভাগ লৈ আহিছিল আৰু বাইথ' মন্দিৰ নিৰ্মাণতো তেখেত আছিল এগৰাকী অন্যতম উদ্যোক্তা। ডেকা কালত তেখেতে ফুটবল খেলি বৰ ভাল পাইছিল। মাজে-সময়ে ঢোল, মৃদং বজাই ভাল পায়।

শিক্ষক হিচাপেও তেখেত আছিল এগৰাকী সুশৃংখল, দায়িত্বশীল শিক্ষক। বিদ্যালয়ৰ প্ৰায় ভাগ ছাত্ৰ-ছাত্ৰীয়ে তেখেতক বহুত ভয় আৰু শ্ৰদ্ধা কৰিছিল আৰু নিজৰ শিক্ষা কৰ্ম নিয়াৰিকৈ ৰাখিব লগাত পৰিছিল। তেখেত হ'ব পাৰে বি এ, কিন্তু গণিত, বিজ্ঞান, ইংৰাজী, সংস্কৃত আদি সকলো পাঠৰে পাঠদান কৰিছিল। এক কথাত তেখেত নিজৰ বিষয়ৰ উপৰি আন বিষয়সমূহতো এগৰাকী দক্ষ মেধা শিক্ষক।

আনহাতে বৰ্তমান তেখেতে ৮৪ বছৰ বয়স গৰকি যোৱাৰ পিছতো বয়সৰ ওচৰত নিজক হাৰ মানিবলৈ দিয়া নাই। গৰু, ছাগলী, হাঁহ-কুকুৰা লালন-পালন কৰিব এৰা নাই। গধূলি হোৱাৰ লগে লগে গৰুবোৰ বিচাৰি আনি গোহালিত বন্ধাৰ ব্যৱস্থা কৰে।

আজিও মোৰ ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল সমাজৰ প্ৰতিটো কামৰ সৈতে জড়িত হৈ আছে। সমগ্ৰ টিংখং অঞ্চলতে শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱৰ এখন সুকীয়া আসন আছে। মানুহক ভালপোৱা, সমাজক ভালপোৱা তেখেতৰ নিভাঁজ মনটোৰ বাবে আজিও তেখেত সমাজৰ এগৰাকী জনপ্ৰিয় ব্যক্তি হিচাপে পৰিচিত হৈ আছে। ভিনদেউৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱলৈ অভিনন্দন জনাইছোঁ।

লেখক ঃ প্ৰাক্তন পশু চিকিৎসা কৰ্মী তথা কৃতী খেলুৱৈ, ডিব্ৰুগড়।

❑❑❑

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল আৰু সহধৰ্মিনী গুণদা সোনোৱাল

৪৪ বছৰ বয়সত
শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল

শ্বিলং ভ্ৰমণৰ সময়ত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

তিনিঠেঙ্গীয়া ৰঙালী বিহু উৎসৱৰ পতাকা উত্তোলন

তিনিঠেঙ্গীয়া ৰঙালী বিহু উৎসৱৰ উদ্বোধক

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

তিনিঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ
সোণালী জয়ন্তী সমাৰোহত

সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰী বিমল বড়াৰ পৰা সম্বৰ্থনা পত্ৰ গ্ৰহণ কৰাৰ মুহূৰ্ত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

বিশিষ্ট সাহিত্যিক গগণ সোনোৱাল, বিশিষ্ট নাগৰিক স্বৰ্গীয় লীলা চুতীয়া আৰু পৰিয়ালৰ সদস্যৰ সৈতে

কন্যা গীতাঞ্জলি (মাজনী)ৰ প্ৰথম কবিতা সংকলন উন্মোচনৰ মুহূৰ্তত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

অসম চৰকাৰৰ লগত সোনোৱাল কছাৰী স্বায়ত্ত শাসনৰ চুক্তি স্বাক্ষৰ সভাত
দাবী সমিতিৰ সভাপতি হিচাপে অংশগ্ৰহণ

সোনোৱাল কছাৰী স্বায়ত্ত শাসন চুক্তি স্বাক্ষৰৰ পিছত ৰাইজৰ আদৰণি

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

সহধৰ্মিণীৰ সৈতে গোদাৱৰী নদীৰ পাৰত

সহধৰ্মিণী আৰু বৰপুত্ৰ (দুদুল)ৰ সৈতে
বিশাখাপট্টনমত

সহধৰ্মিণী আৰু ডাঙৰ বোৱাৰী (চুমি)ৰ
সৈতে কলকতাত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

গোৱাৰ সাগৰৰ পাৰত

পুৰীৰ বঙ্গোপ সাগৰত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

পুৰণি বাসভৱনত আত্মীয় কুটুম্বৰ সৈতে

তেজপুৰৰ বিয়েনীৰ সৈতে

পাপাৰ সান্নিধ্যৰ একলম

✍ পংকজ কুমাৰ দাস

জীৱনত এনে কিছু ব্যক্তিৰ সান্নিধ্যলৈ অহা যায় যি সকলৰ সান্নিধ্যই মানুহৰ সামাজিক দায়বদ্ধতা, ব্যক্তিত্ব সম্পৰ্কত নতুন উপলব্ধিৰ সঞ্চাৰ কৰে। তেনে এগৰাকী ব্যক্তি হৈছে মোৰ শহুৰ খোৱাং ব্লকৰ অন্তৰ্গত তিনঠেঙীয়া অঞ্চলৰ ৰহেশ্বৰ সোনোৱাল। বৈবাহিক সূত্ৰে পৰিয়ালটোৰ সৈতে মোৰ সম্পৰ্ক স্থাপিত হয়। ২০০০ চনৰ ১৯ জানুৱাৰীৰ আগলৈকে ব্যক্তি গৰাকীৰ সৈতে মোৰ সান্নিধ্যটো দূৰৰ কথা, চিনা-পৰিচয়ে নাছিল। ১৯ জানুৱাৰীৰ দিনা মোৰ বিবাহ অনুষ্ঠানত তেখেতৰ সৈতে মোৰ প্ৰথম সাক্ষাৎ হয় যদিও মোৰ সৈতে তেনেকৈ কোনো কথা-বতৰা হোৱা নাছিল। প্ৰথম সাক্ষাততে ওখ-পাখ, গহীন, কম কথা কোৱা মানুহজনৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধাৰ সূচনা হয় । ইয়াৰ পিছত গুৱাহাটীত সপ্তাহ ধৰি তেখেতৰ সৈতে মোৰ ঘনিষ্ঠভাৱে কথা-বতৰা হয়। তেতিয়া তেখেতৰ বয়স সম্ভৱ ৬০ বছৰ। ডেকা মানুহ। সুদৰ্শন চেহেৰাৰে এক বিশেষ ব্যক্তিত্বৰ অধিকাৰী। লাহে লাহে আমাৰ জোঁৱাই-শহুৰ সম্পৰ্ক এক কথাত ক'বলৈ গ'লে বন্ধুৰ সম্পৰ্কলৈ ৰূপান্তৰিত হয়। সমকালীন দেশৰ ৰাজনীতিৰ পৰা বিভিন্ন সামাজিক, অৰ্থনৈতিক বিষয়লৈ আমাৰ মাজত লগ পালেই সঘন আলোচনা। পাৰিবাৰিক কথা-বতৰা নহয় বুলিলেও বেছি কোৱা নহ'ব। মই তেখেতৰ কন্যাই সম্বোধন কৰাৰ দৰে পাপা বুলিয়েই সম্বোধন কৰি আহিছোঁ।

পিছত জানিব পাৰিলোঁ এই গৰাকী ব্যক্তিয়ে কেৱল ৰাজনৈতিক ক্ষেত্ৰখনতে নহয়, সামাজিক ক্ষেত্ৰতো অঞ্চলটোত প্ৰচুৰ অৱদান আগবঢ়াই আহিছে। ভূমিহীন কৃষকক নিগমত মাটি ভাঙি সংস্থাপিত কৰা, বজাৰ স্থাপন

কৰি গঞা কৃষক সকলক উৎপাদিত সামগ্ৰী বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়াৰ ব্যৱস্থা কৰাৰ পৰা তিনিঠেঙ্গীয়া অঞ্চলটোত দৰিদ্ৰ পৰিয়ালৰ সন্তানক শিক্ষাৰ পোহৰ বিলাবলৈ বিদ্যালয় স্থাপন কৰালৈকে তেখেতে অনন্য ভূমিকা লৈ আহিছে। কংগ্ৰেছ দলৰ পৰা জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈ অঞ্চলটোৰ উন্নয়নত প্ৰচুৰ অবদান আগবঢ়াইছে। সাধাৰণতে আজিৰ দিনত নিৰ্বাচিত প্ৰতিনিধি সকল ৰাইজৰ উন্নয়নৰ পুঁজি আত্মসাৎ কৰাৰ অভিযোগত প্ৰায়ে অভিযুক্ত হোৱা দেখা যায়। কিন্তু পাপা এইক্ষেত্ৰত সকলোৰে ঊৰ্ধ্বত বুলি ক'বই লাগিব।

আনহাতে অসমৰ ৰাজধানী যেতিয়া শ্বিলঙত আছিল তেতিয়া অতি ভিতৰুৱা অঞ্চল তিনঠেঙ্গীয়াৰ পৰা পাপাই বাটকুৰি বাই শ্বিলঙলৈ গৈছিল। সেই সময়ত যাতায়াত আজিৰ দৰে সুচল ব্যৱস্থা নাছিল। মাহেকে-পষেকে শ্বিলঙলৈ যোৱাৰ উদ্দেশ্য হৈছে অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰী আঁচনি আদায় কৰা আৰু অঞ্চলটোৰ যুৱক-যুৱতীসকলক চাকৰি আদিত সংস্থাপিত কৰা। সেই অনুসৰি বহুতকে চাকৰি দিয়াৰ ব্যৱস্থাও কৰিছিল।

মোৰ শ্ৰদ্ধাৰ ৰহেশ্বৰ সোনোৱালৰ অধ্যয়নপিপাসু মনটো মই ওচৰৰ পৰা লক্ষ্য কৰি আহিছো। পাপাৰ এই গুণটোৱে মোক আটাইতকৈ বেছি আকৰ্ষিত কৰে। ঘৰুৱা কাম-বনত অনবৰতে ব্যস্ত থকা পাপাই আজৰি সময় এনেয়ে নকটায়। সদায়ে মই দেখি আহিছো হাতত এখন কিতাপ অথবা ইংৰাজী মেগাজিন। ইংৰাজী ভাষাতো চহকী পাপাই বহু গুৰুত্বপূৰ্ণ ইংৰাজী গ্ৰন্থ ইতিমধ্যে পঢ়িছে। স্বামী বিবেকানন্দৰ পৰা বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰলৈকে, গান্ধীৰ পৰা জৱাহৰলাল নেহৰুলৈকে, অসমৰ ইতিহাসৰ পৰা বিভিন্ন জাতি-জনজাতি সমাজৰ আঁতিগুৰিৰে সমৃদ্ধ গ্ৰন্থ পাপাই পঢ়া মই দেখিছো। তদুপৰি অসমৰ বিখ্যাত সাহিত্যিক সকলৰ ৰচনাৰাজিও পাপাৰ অধ্যয়নৰ তালিকাভুক্ত। কেতিয়াবা মই আগবঢ়াই দিয়া গ্ৰন্থও মনযোগেৰে পঢ়িছে। সমান্তৰালভাৱে দেশৰ খা-খবৰ সম্পৰ্কত তেখেত সদায় অৱগত হৈ থাকে।

মই এটা বাঁওপন্থী ৰাজনৈতিক দলৰ কৰ্মী আনহাতে পাপাই কংগ্ৰেছ দলৰ কৰ্মী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছিল। জনা মতে ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সম্পাদকৰ পদতো এসময়ত কাৰ্যনিৰ্বাহ কৰিছিল। দলীয়ভাৱে চাবলৈ গ'লে মোৰ আৰু পাপাৰ আদৰ্শৰ মাজত পাৰ্থক্য আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায়

পাপা সাধাৰণ দুখীয়া মানুহৰ জীৱন- জীৱিকা লৈ চিন্তিত আৰু সেই অনুসৰি পাৰ্যমানে এই অংশৰ মানুহৰ উন্নয়নৰ বাবে কাম কৰি আহিছে। এটা বহল মনৰ অধিকাৰী হোৱা বাবেই মোৰ দৰে অভাজনক জোঁৱাই হিচাপে আদৰি ল'বলৈ কুণ্ঠাবোধ কৰা নাই। যি কি নহওক আমি যেতিয়া ৰাজনৈতিক বিষয়লৈ আলোচনাত বহো তেতিয়া মোৰ কেতিয়াও অনুভৱ হোৱা নাই যে মই এগৰাকী কংগ্ৰেছীৰ লগতহে আলোচনা কৰি আছো। নিজৰ দলৰ প্ৰতিও পাপাৰ কোনো অন্ধ ভক্তি নাছিল (বৰ্তমান পাপা কোনো দলীয় ৰাজনীতিৰ সৈতে সক্ৰিয়ভাৱে জড়িত নহয়)। সদায় ইতিবাচক সমালোচনাত্মক দৃষ্টিভংগী লৈ আহিছে। কিন্তু পৰ চৰ্চা সমূলি পছন্দ নকৰে। কংগ্ৰেছৰ দলৰ ভুল খিনিও মোৰ লগত আলোচনা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই কোনো দিন অথবা মোৰ আদৰ্শৰ প্ৰতি কোনো দিন অসন্মান কৰা নাই, আমাৰ দুৰ্বলতাবোৰো নিঃসংকোচে দেখুৱাই দিয়ে। কংগ্ৰেছ দলৰ আৰ্থিক নীতিয়ে সদায় ক'ৰ্পৰেটক সেৱা কৰি আহিছে। কিন্তু পাপাই কংগ্ৰেছ দলৰ কৰ্মী হৈ এখন উন্নত সমাজ, সাধাৰণ ৰাইজৰ মাজত আৰ্থিক সমতা, যুৱক-যুৱতীৰ সংস্থাপন ইত্যাদিৰে সমৃদ্ধ এখন সুন্দৰ সমাজৰ সপোন দেখি আহিছিল। এয়া তেখেতৰ অদম্য আকাংক্ষা। যি আকাংক্ষাক তেখেতে আজিও অন্তৰত পুহি ৰাখিছে। কথাই -বতৰাই তেখেতৰ মুখত এতিয়াও শুনা পাওঁ সমাজত চলি থকা দুৰ্নীতি, অন্যায়-অবিচাৰৰ বিৰুদ্ধে প্ৰচণ্ড ক্ষোভ। মোক প্ৰায়ে কয় যে আগৰ মানুহে ৰাজনীতিক সেৱা হিচাপে লৈছিল আৰু এতিয়াবোৰে ৰাজনীতিক লুটপাত কৰি ধন সংগ্ৰহৰ মাধ্যম হিচাপে লৈছে। গোপীনাথ বৰদলৈ, নবীন চন্দ্ৰ বৰদলৈ, বিষ্ণু ৰাম মেধি, বিমলা প্ৰসাদ চলিহা, শৰৎ সিংহ আদিৰ কথা কৈ তেখেতে কয় এই সকল জনপ্ৰতিনিধি আছিল ব্যক্তিত্বৰ অধিকাৰী আৰু সমাজৰ প্ৰতি উৎসৰ্গিত। এই সকলৰ বিৰুদ্ধে কোনেও দুৰ্নীতি বা অপকৰ্মৰ আঙুলি টোঁৱাব নোৱাৰে। কিন্তু আজি ৰাজনৈতিক নেতা, মন্ত্ৰীসকল ইয়াৰ সম্পূৰ্ণ বিপৰীত। প্ৰায় সকলৰ নাই জননেতা হিচাপে থাকিব লগা ব্যক্তিত্ব। সাম্প্ৰতিক দেশৰ পৰিস্থিতি দেখি শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল উদ্বিগ্ন। দেশখনৰ কি হ'ব? সাধাৰণ মানুহবোৰৰ কি হ'ব? ল'ৰা-ছোৱালীবোৰৰ ভৱিষ্যৎ কি হ'ব? এই প্ৰশ্ন এতিয়া তেখেতৰ মুখত শুনা যায়।

পাপাৰ আটাইতকৈ ভাল লগা আন এটা দিশ হৈছে জনাৰ প্ৰতি আগ্ৰহ। যি কোনো বিষয় এটা আঁতিগুৰি মাৰি জানিব বিচাৰে। দীৰ্ঘকাল শিক্ষকতা কৰি

অৱসৰ লোৱাৰ পিছতো আজিও জ্ঞান অৰ্জনৰ বাবে আছে প্ৰচুৰ হেঁপাহ। সাধাৰণতে অৱসৰৰ পাছত বহু শিক্ষকৰে নাথাকে এই আকাংক্ষা। কিন্তু পাপা তাৰ ব্যতিক্ৰম। আন এটা কথা হৈছে পাপাৰ ধৈৰ্য্য শক্তি। দেখাত গহীন-গম্ভীৰ হ'লেও মানুহজনৰ খং উঠে। কিন্তু ধৈৰ্য ধৰি তাক বাৰণো কৰিব পাৰে। যেতিয়া খং উঠে খঙে চুলিৰ আগ পায়গৈ। সাধাৰণতে অতি ধৈৰ্য্যশীল মানুহজনৰ খং খুব কমেই উঠা দেখিছো। যুক্তিহীন কথা তেখেতে সহ্য কৰিব নোৱাৰে।

বৰ্তমান আমাৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ব্যৱস্থাত সৰু সৰু জনগোষ্ঠী সমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ বিষয়টো অতি জৰুৰী বিষয় হিচাপে আছে। পিছপৰা জনজাতিসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে স্বায়ত্ত শাসন ব্যৱস্থা এক ন্যায়সংগত দাবী। অসম আন্দোলনৰ পৰৱৰ্তী সময়ত জনজাতি ৰাইজৰ মাজত স্বায়ত্ত শাসনৰ দাবী জোৰদাৰ ভাৱে উত্থাপিত হয় আৰু শক্তিশালী আন্দোলন গঢ়ি উঠে। বিশেষকৈ কাৰ্বি, বড়ো, মিচিং জনগোষ্ঠীৰ মাজত। এই পৰিস্থিতিত সোনোৱাল জনগোষ্ঠীয়েও স্বায়ত্ত শাসনৰ দাবীত মুখৰ হৈ পৰে। আন্দোলন গঢ়ি উঠে। সোনোৱাল কছাৰী স্বায়ত্ত শাসন আন্দোলনক সমুখ পৰা নেতৃত্ব দিয়া সকলৰ ভিতৰত শ্ৰীৰহেশ্বৰ সোনোৱাল আছিল অন্যতম। সোনোৱাল কছাৰী জাতীয় স্বায়ত্ত শাসিত দাবী সমিতিৰ তেখেত সভাপতি আছিল। কিন্তু আচৰিত কথা সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ চুক্তি স্বাক্ষৰ হ'ল, দাবী সমিতি আৰু আন্দোলনৰ লগত জড়িত নথকা বহুতে পৰিষদৰ ক্ষমতাৰ ভাগ ল'লে। কোনোবা চেয়াৰমেন হ'ল, মুখ্য কাৰ্যবাহী সদস্য (চি ই এম) হ'ল, কাৰ্যবাহী সদস্য (ই এম) হ'ল, কিন্তু ৰহেশ্বৰ সোনোৱালে এই ক্ষমতাৰ বাহিৰত থাকি গ'ল। তাৰ বাবে তেখেতৰ কোনো আক্ষেপ নাই। ক্ষমতাৰ প্ৰতি তেখেত কোনো দিনে লালায়িত নহয়। স্বায়ত্ত শাসিত আন্দোলনৰ জৰিয়তে তেখেতে অতি পিছপৰা সোনোৱাল জনগোষ্ঠীৰ উন্নয়নৰ সপোন দেখিছিল। ক্ষমতাৰ জখলাত উঠাৰ ন্যূনতম হাবিয়াসো তেখেতৰ নাছিল। বৰঞ্চ পৰিষদখনক বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি সহায় কৰি গৈছে। সাধাৰণতে অসমৰ জনজাতি সকলৰ যিমান বোৰ স্বায়ত্ত শাসিত আন্দোলন হৈছে সকলোবোৰ আন্দোলনৰ সকলো নেতাই ক্ষমতাৰ ভাগীদাৰ হৈছে। এইক্ষেত্ৰত সোনোৱাল কছাৰী জাতীয় স্বায়ত্ত শাসিত দাবী সমিতিৰ সভাপতি হিচাপে ৰহেশ্বৰ সোনোৱাল ব্যতিক্ৰম।

জীৱ-জন্তুৰ প্ৰতি আছে পাপাৰ সাংঘাতিক ধৰণে মৰম। ঘৰত হাঁহ, কুকুৰাৰ উপৰি আছে এপালমান মেকুৰী, নিজৰ খোৱাৰ সময়ত এই মেকুৰী কেইটাও

তেখেতৰ লগৰীয়া হিচাপে সদায়ে উপস্থিত থাকে। তদুপৰি প্ৰায় বাৰ / তেৰ টা বলধ, গাই গৰু। খেতি পথাৰত এই বলধ গৰুৰ এতিয়া কাম নাই, গাই গৰুৰ কোনোবা জনীহে অলপ-অচৰপ গাখীৰ দিয়ে। কিন্তু আজি তেখেতৰ যথেষ্ট বয়স হোৱা সত্বেও গৰুবোৰৰ প্ৰতি থকা মৰম ওচৰৰ পৰা নেদেখিলে কোনেও বিশ্বাস কৰিব নোৱাৰিব। সন্ধ্যা হোৱাৰ আগে আগে সদায়ে গৰু বিচাৰি ফুৰে, জোকে খাই ভৰি তেজেৰে লুতুৰি-পুতুৰি হয় তথাপি গৰুবোৰ বিচাৰি আনি গোহালিত বান্ধিবই। কোনোবাই এই কামত বাধা দিলে খং উঠি আহে। জীৱ-জন্তুৰ প্ৰতি থকা অগাধ মৰমৰ পৰাও এটা কথা স্পষ্ট হয় যে পাপাৰ অন্তৰখন কিমান মৰমিয়াল হ'ব পাৰে। তদুপৰি এই বয়সতো ঘৰৰ বজাৰ- সমাৰ সকলো কৰি আহিছে।

যি কি নহওক, মই এটা কথা জানিব পাৰিছোঁ যে ৰাস্তা-ঘাট, স্কুল-কলেজ সকলো ফালৰ পৰা পিছপৰা নামদাং অৰণ্যৰে আবৃত নখাট নগাঁও-তিনঠেঙ্গীয়া অঞ্চলৰ পৰা পাপাই শৈশৱৰ পৰাই আৰ্থিক অনাটনৰ কঠিন সময় অতিক্ৰম কৰি উচ্চ শিক্ষা গ্ৰহণ কৰিছিল আৰু এসময়ত চৰকাৰী চাকৰি বাদ দি আহি তিনঠেঙ্গীয়া অঞ্চলত বিদ্যালয় স্থাপন কৰি ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰ বিলোৱাৰ মহান দায়িত্ব পালন কৰিছিল আৰু নিজেও সেই বিদ্যালয়ৰ শিক্ষক হিচাপে ৰাইজে দিয়া দান-বৰঙণিৰ পৰা কেইটামান টকা দৰমহা হিচাপে লাভ কৰিছিল। এই জটিল পৰিস্থিতিত তেখেতে নিজৰ সন্তানকো উচ্চ শিক্ষাৰে শিক্ষিত কৰে। তেখেতৰ জ্যেষ্ঠ সন্তান দেৱ কুমাৰ সোনোৱাল আজি ভাৰতীয় ৰাজহ বিভাগৰ উচ্চপদস্থ বিষয়া। নিজৰ আদৰ্শ, চিন্তাৰ গভীৰতা, কৰ্তব্য নিষ্ঠা, সততা, অধ্যৱসায় আৰু লক্ষ্য ঠিক থাকিলে মানুহে সকলো বাধা অতিক্ৰম কৰি প্ৰাপ্তি অৰ্জন কৰিব পাৰে যে সেই অমূল্য শিক্ষা ৰহেশ্বৰ সোনোৱালদেৱৰ পৰা আজিৰ প্ৰজন্মই শিকিব লগা বহু আছে।

শেষত পাপা (ৰহেশ্বৰ সোনোৱাল)ৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। শ্ৰীযুত ৰহেশ্বৰ সোনোৱালদেৱ লৈ অভিনন্দন।

লেখক ঃ বিশিষ্ট বাওঁপন্থী কৰ্মী আৰু লেখক, গুৱাহাটী।

❑❑❑

ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাললৈ অভিনন্দন

✍ ৰঞ্জুমণি বড়া সোনোৱাল

মই সৰুতে দেখা মানুহ জনেই পিছত সম্বন্ধত আমাৰ ভিনদেউ হৈ পৰিল। মই যেতিয়া প্ৰাইমেৰী স্কুলৰ ডেওনা পাৰ হৈ তিনঠেঙ্গীয়া হাইস্কুললৈ আহো তেতিয়া তেখেতক মই শিক্ষাগুৰু হিচাপে পাওঁ। তেখেত শ্ৰেণী কোঠাত সোমালে বৰ ভয় লাগিছিল। মই আগশাৰীৰ ছাত্ৰী নাছিলো। নজনা পাঠৰ বিষয়ে শিকিবলৈ সাহস হোৱা নাছিল। ডাঙৰ হোৱাৰ পিছতো এই ভয় ভাব আঁতৰি নগ'ল। ভিনদেউ যিদিনা ঘৰত নাথাকে সেই দিনাহে ঘৰত আহি থাকিবলৈ ভাল লাগিছিল। কাৰণ আছিল ভয়। এই ভয়ৰ আঁৰত আছিল তেখেতৰ প্ৰতি অসীম শ্ৰদ্ধা। ব্যক্তিত্বসম্পন্ন ব্যক্তিজন দেখিলেই শ্ৰদ্ধা ওপজে। সময়ৰ সোঁতৰ উটি ভাহি ময়ো আহি ছিনিয়ৰ চিটিজেন হ'লোহি। এতিয়াও তেখেতৰ প্ৰতি ভয় আৰু ভক্তি একেদৰে আছে। আমাৰ ঘৰৰ সকলোৰে জ্যেষ্ঠ হিচাপে ভিনদেউক নোসোধাকৈ একো কামেই নকৰোঁ। আজিও আমি পৰিয়ালৰ মূল অভিভাবক হিচাপে আগস্থান দি আহিছোঁ।

মই সৰুৰে পৰা যি দেখি আহিছো ভিনদেউ সদায় সমাজৰ কামলৈ ব্যস্ত থাকে। তেনেকৈ দিনবোৰ অতিবাহিত কৰি আহিছে। নিঃস্বাৰ্থভাৱে সমাজক ভালপোৱা, সমাজৰ উন্নয়নৰ বাবে নিজৰ সেৱা আগবঢ়োৱা মানুহ আজিকালি বৰ বিৰল। ইয়াৰ বিপৰীতে মোৰ ভিনদেউ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল এগৰাকী

নিঃস্বাৰ্থ সমাজ হিতৈষী ব্যক্তি হিচাপে বৃহত্তৰ তিনচুকীয়া তথা টিংখং অঞ্চলত জনপ্ৰিয়।

সদৌ শেষত তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো অহাদিনবোৰ যাতে ভিনদেউৱে আনন্দৰে আগবঢ়াই নিব পাৰে।

লেখক ঃ সমাজ সেৱিকা, ডিব্ৰুগড়।

❒❒❒



লেখকৰ সৈতে (লেখক সোঁফালৰ পৰা প্ৰথম গৰাকী)।

পেহাদেউলৈ অভিনন্দন

ৰিজুমণি বড়া

তিনঠেঙীয়া অঞ্চলৰ এজন কৃতী শিক্ষক, সমাজ সেৱক, ৰাজনীতিবিদ, আদৰ্শৱান ব্যক্তি মোৰ পিতৃস্বৰূপ ব্যক্তিজনেই হৈছে শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। তেখেত মোৰ পেহাদেউ। মোৰ বাবে তেখেতৰ প্ৰথম পৰিচয় পেহাদেউ হোৱাৰ পিছত তেখেত মোৰ হৈ পৰিছিল শিক্ষাগুৰু। অষ্টম শ্ৰেণীলৈকে মোক শিক্ষাদান কৰিছিল। পেহাদেউৰ জনপ্ৰিয় ব্যক্তিত্ব মই ওচৰৰ পৰা উপলব্ধি কৰাৰ সুযোগ পাইছিলো। পেহাদেউ আৰু পেহীদেউৰ ঘৰত মই প্ৰায় তিনি বছৰ কাল কটাইছিলো। সেই সময়ত পেহাদেউ আছিল শিক্ষক আৰু ট্ৰাইবেল সংঘৰ সভাপতি। সমগ্ৰ অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়নৰ বাবে পেহাদেউৱে নিজক নিয়োজিত কৰা মই ওচৰৰ পৰা দেখিছো। এজন নিঃস্বাৰ্থ সমাজ সেৱক হিচাপে পেহাদেউ অঞ্চলটোত সকলোৰে জনপ্ৰিয়। তেওঁৰ ঘৰত মানুহৰ সোঁত অনবৰতে আছিল। মানুহৰ লগত পেহাদেউৰ যি আত্মীয়তা তাৰ পৰা আমি বহুতো শিকিব পাৰিছিলোঁ। ৰাজনীতিৰ ক্ষেত্ৰতো তেখেতে সক্ৰিয়ভাৱে ভূমিকা লৈছিল। তেখেতৰ ৰাজনীতিৰ উদ্দেশ্য আছিল সমাজখনৰ তথা ৰাইজৰ উন্নয়ন সাধন। ৰাইজৰ সেৱা কৰাৰ যি দৃষ্টান্ত দাঙি ধৰিছে তাৰ পৰা আজিৰ প্ৰজন্মই প্ৰেৰণা পোৱা উচিত। তেখেতৰ ৰাজনৈতিক আদৰ্শৰ বাটেৰে ময়ো বাট বুলিবলৈ প্ৰেৰণা পাইছিলোঁ আৰু তেনেকৈ ময়ো ৰাজনীতিৰ সৈতে জড়িত হৈ পৰো। মোৰ বাবে আটাইতকৈ ডাঙৰ কথা হৈছে তেওঁ মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল আৰু আজিও সকলো

সময়তে মোৰ খবৰ ৰাখে। মোৰ বাবে তেওঁ মোৰ গুৰু আৰু দেউতাতকৈ দেউতা স্বৰূপ। এনে এজন পিতৃৰ প্ৰেৰণাৰে মই যেন সদায়ে আগুৱাই যাব পাৰো তাকে কামনা কৰোঁ।

শেষত পেহাদেউৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা ভক্তি যাচিছোঁ আৰু সুস্বাস্থ্য কামনা কৰিছোঁ। মোৰ শিক্ষাগুৰু তথা পেহাদেউলৈ জনাইছোঁ অভিনন্দন।

লেখক ঃ সমাজ সেৱিকা, ধলা শদিয়া।

❒❒❒

লেখকৰ সৈতে (লেখক সোঁফালৰ পৰা প্ৰথম গৰাকী)।

পূজনীয় দাং কাইলৈ
(ডাঙৰ ককাইলৈ)

✍ হৰিপ্ৰিয়া সোনোৱাল

আজি পুৱাতে মাজনী (গীতাঞ্জলি)-এ মোক ফোন কৰি ক'লে, 'পেহী পাপাৰ বাবে এখন 'অভিনন্দন গ্ৰন্থ' ৰাইজে উলিয়াবলৈ লৈছে। আপুনিও কিবা অলপ লিখক। তেতিয়া মই ক'লো বোলো মই লিখা-মেলা কৰিব নেজানো, কেনেকৈ লিখিম। তেতিয়া তাই ক'লে বোলে ' আপুনি পাপাৰ বিষয়ে একোকে নেজানে নেকি?' পাপাক আপুনি কেনেভাৱে পাইছে তাকে লিখক।

তেতিয়া মই ভাবিলো- "কিয় মই দাংকাইৰ বিষয়ে মানে ডাঙৰ ককাইৰ বিষয়ে একো নেজানিম? যি জন মানুহে ভনী নহয় নিজৰ জীৰ দৰে দায়িত্ব লৈ খোৱা-বোৱা, পিন্ধা-উৰা তথা পঢ়া-শুনাৰ সকলোবোৰেই লৈ নিজৰ পিতাইৰ দায়িত্ব গাত পাতি লৈ ডাঙৰ দীঘল কৰিলে সেই নমস্য ব্যক্তি দাংকাইক মই কেনেভাৱে জানো তাক কিতাপত লিখি ব্যক্ত কৰিব বিচৰাটো মোৰ বাবে সাধ্যাতীত। তথাপি মনৰ নিভৃত কোণত বৈ যোৱা কিছুমান মচিব নোৱাৰা স্মৃতি এই লেখাৰ জৰিয়তে প্ৰকাশ কৰিবলৈ অলপ প্ৰয়াস কৰিলো।

মোৰ মনত পৰে- দাংকাইয়ে যেতিয়া ডিব্ৰুগড়ত চাকৰি কৰি আছিল মোৰ বয়স প্ৰায় ৮/৯ বছৰ মান। ঘৰলৈ আহিলে মোৰ চুলিবোৰ চুটি চুটিকৈ কাটি দিবলৈ বিচাৰে। সেয়ে মই আৰু মোৰ বাইদেউ কোম দুয়োজনীয়ে ভয়তে পলাই ফুৰো। এবাৰ ককায়ে ঘৰলৈ আহোতে মাছৰ বাকলিৰ দৰে এবিধ চাৰ্ফৰ পেকেট লৈ আহিছিল। আমি দুই জনীয়ে সেইবোৰ খোৱা বস্তু বুলি মুখত দিওঁতেহে গম পাইছো যে সেইবোৰ খোৱা বস্তু নহয়, চাৰ্ফৰ পেকেটহে। পিছত ককায়ে যেতিয়া ডিব্ৰুগড়ৰ পৰা অনা 'হাতীগুড় মিঠাই' মানে চ'ন পাপৰি বোৰ দিলে সেইবোৰ পাই খুব তৃপ্তিৰে সকলোৰে ভগাই খাইছিলোঁ।

কিছুদিনৰ পিছত এদিন জুইশালৰ কাষত বহি আই আৰু পিতায়ে কথা কটা কটি কৰি আছে। দাং কাইৰ বোলে বম্বেত চাকৰি হৈছে পইচা বনোৱা জেগাতে। আয়ে কৈছে নেলাগে যাব বিদেশত চাকৰি কৰিবলৈ। ইমান দূৰত চাকৰি কৰিবলৈ যাব নেলাগে। পিছে চাকৰি হৈছিল নে নাই নেজানিছিলোঁ। দাং কাইয়ে কিন্তু ডিব্ৰুগড়তে চাকৰি কৰি থাকিল।

তাৰ পিছত এদিন শুনিলো দাং কাইক তিনঠেঙ্গীয়াত এখন স্কুল পাতিবলৈ মাতি অনা হ'ল। ককায়ো গুচি আহিল ডিব্ৰুগড়ৰ সেই নিয়োগ বিনিময় কেন্দ্ৰৰ চাকৰিটো এৰি ৰাইজৰ সেৱা তথা অঞ্চলটোৰ সেৱা কৰিবলৈ। বহুত কষ্ট কৰি লগৰ ষ্টাফ আৰু ছাত্ৰ কিছুমানক লগত লৈ গাঁৱে গাঁৱে হুচৰি গাই, বিহু গাই টকা-পইচা তুলি স্কুলখন পাতিবলৈ চেষ্টা কৰিলে। সেই দলটো লৈ আমাৰ গাঁৱতো হুঁচৰি গাই পইচা পাতি উঠোৱা দিনবোৰ মোৰ আজিও বাৰুকৈয়ে মনত আছে। কাৰণ সেই বিহু হুঁচৰি গাই থকা মাজতে কোঁচ গাঁৱৰ এজন ছাত্ৰ (তেখেতৰ নামটো মনত পৰা নাই) হঠাতে মূৰ্চ্ছা গৈ মাটিত ঢলি পৰাত মৃগী হৈছে বুলি কোৱা শুনিছিলোঁ। এটা ভাল চাকৰি এৰি এটা অঞ্চলৰ উন্নতিৰ হকে ককায়ে যে কি ত্যাগ কৰিলে সেয়া সৌ সিদিনা তিনঠেঙ্গীয়া হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱত এজন বক্তাই ডাঙৰ ডাঙৰ ভাষণ দি বহুত বিশিষ্ট ব্যক্তিৰ অৱদান ব্যক্ত কৰিলে কিন্তু ককাইৰ অৱদানো যে কিঞ্চিৎ মানো কম নহয় সেই কথাৰ এটা শব্দও ব্যক্ত নকৰাত মোৰ কিন্তু তেখেতৰ ওচৰত বহুত আক্ষেপ থাকি গ'ল।

১৯৬৭ চনত মই তৃতীয় শ্ৰেণীলৈ উত্তীৰ্ণ হৈছোঁ। কিন্তু দাংকাইয়ে মোক তৃতীয় শ্ৰেণীত পঢ়িবলৈ নিদি তিনঠেঙ্গীয়া এম ই স্কুলৰ ক্লাছ চতুৰ্থ শ্ৰেণীত নাম লগাই দি লগত ৰখাকৈ লৈ আহিল। আৰু সেই তেতিয়াৰ পৰাই দাং কাইৰ লগত থাকিবলৈ ল'লো কোম বাই আৰু মই দুয়োজনীয়ে। কোম বাই মোতকৈ এবছৰৰ আগতে আহিল। কেতিয়াবা দাংকাইয়ে গৰুৰ ঘাঁহ কাটিবলৈ লৈ গ'লে দেৱাল দাঙি পাৰ কৰি দিয়া, ৰাতি কেতিয়াবা ঘৰলৈ মনত পৰি কান্দিলে লগত শুৱাই লৈ ককাইৰে পিতাইৰ দায়িত্ব পালন কৰিছিল, দাংকাই, ব'হাগৰ বিহুত যে এবাৰ ডিব্ৰুগড়ৰ পৰা কিনি অনা ক'লা বগা ফুটফুটীয়া 'কেন কেনী' ফ্ৰকটো মোৰ আজিও বহুত মনত পৰি সেই শৈশৱৰ কাললৈ ঘূৰি যাবলৈ মন যায় জানে। ইমান ধুনীয়া আৰু একেবাৰে জোখৰ আছিল। পূজা সময়ত অনা হৰিণ ৰঙৰ দীঘল ফ্ৰকটোও মোৰ বহুত ভাল লাগিছিল।

সঁচাই দাংকাই এজন সকলো ফালৰ পৰাই দায়িত্বশীল ব্যক্তি। অকল মোৰ বাবে বা ঘৰখনৰ বাবেই নহয় গাঁওখনৰ, অঞ্চলটোৰ তথা সমাজখনৰ হকে নিঃস্বাৰ্থভাৱে ককাইয়ে কাম কৰি গৈছে। সেই যেতিয়া নেকি নামদাং ৰিজাৰ্ভ ভাঙি ভূমিহীনক ভূমি দিবলৈ চৰকাৰৰ সৈতে আলোচনা হয় তেতিয়া ককাইয়ে কিমান দিন যে গুৱাহাটীলৈ তাঁত বাটি কাঢ়িবলগীয়া হৈছিল এতিয়া এই ভূমিৰ অধিকাৰী পৰিয়ালসমূহে হয়তো একোৱেই নাজানে। সমাজ সেৱাৰ লগতে তেওঁ ৰাজনীতিও সমানে কৰি গৈছে। আৰু সেইটোৰ ছেগতে ময়ো ৰাজনৈতিক মানুহৰ লগত তথা চৰকাৰী বিষয়াৰ লগত দুই-এটা কথাৰ প্ৰশ্ন উত্তৰ দিবলৈ সাহস গোটাব পাৰিছিলোঁ।

আমাৰ ককাই বহুত বিশ্বাসী ব্যক্তি। কোনো দিন কাকো বিশ্বাসঘাতক কৰা নাই। সকলো লোককে তেওঁ বিশ্বাস কৰে। সেই বিশ্বাস ৰাখিয়ে আমাৰ ভাই-ভনী দুয়ো জনীকে সেই ইন্দে, ভক্তি, নব তথা মুক্তি বাইহঁতক গতাই দি (বৌ অনা আগত) চাৰি পাঁচ দিনৰ বাবে সমাজৰ কামত গুৱাহাটীলৈ গুচি যায়। এনেদৰে সেই ল'ৰালি কালৰে পৰা ককাইৰ তত্বাৱধানতে মুকলি মুৰীয়া জীৱন কটাই আহিছোঁ। ছাত্ৰ-ছাত্ৰী, মিটিৰ কুটুম্ব তথা সমাজৰ সকলো স্তৰৰ লোককে নিজৰ বুলি ককাইয়ে জ্ঞান কৰে। কিন্তু সমাজৰ কিছুমান চকু চৰহা লোকে কেতিয়াবা কেতিয়াবা কূটনীতি কৰা মোৰ পৰিলক্ষিত হয়। সেই তেতিয়া স্বাধীন অসম বিচৰা কিছুলোকে আমাৰ ককাইৰ ওপৰত কংগ্ৰেছী বুলি সেই সময়ত বেছি একো নকৰিলেও ভালভাৱেও অলপ চোৰা নাছিল। কিন্তু ভালে ভালকহে পাব বিচাৰে। সেয়ে আজিও আমাৰ ককাই ভগৱানৰ আশিস লৈ ভালভাৱেই সমাজত প্ৰতিষ্ঠিত হৈ আছে। আৰু এয়া আমাৰো তথা মোৰো কাম্য যাতে আহিবলগীয়া দিনবোৰো এনেদৰেই পাৰ কৰি যাব পাৰে।

এজন চৰকাৰী কৰ্মচাৰী হ'লেও আমাৰ ককাইয়ে খেতি কৰা, মাছ ধৰা, সমাজৰ মেল- মিটিঙত কাজিয়া পেছালৰ মোকাবিলা কৰা আদি সকলো কামতে জড়িত। মনত আছে যে ককাই স্কুল ছুটী কৰি আহি পালেংবাৰীৰ মাজত এডৰা পানী পৰা আমি বহুত মাছ ধৰি আনিছিলোঁ। সেই দিনটো মোৰ কিন্তু বহুত মনত পৰে। কাৰণ আমি পানীত নামি দিয়াৰ লগে লগেই মাছবোৰ যে পাৰলৈ জাঁপ মাৰি উঠি অহাত বিনা জাকৈ-জুলুকি নমৰাকৈয়ে বামতে বহুত মাছ ধৰিছিলোঁ।

আকৌ খেতিৰ দিনত ৰৌমাৰি পথাৰত যেতিয়া খেতি কৰিবলৈ যাওঁ ঘড়ীটো চাইহে ১৫/২০ মিনিটৰ আগত নিজেও হালখন খুলিব আৰু আমাকো আহিবলৈ ক'ব। গতিকে এইক্ষেত্ৰত দেখা যায় ককাই খুব সময়ৰ সৎ ব্যৱহাৰ কৰা লোক। অবাবত কেতিয়াও সময় নষ্ট নকৰা ককাইৰ আদৰ্শৰে ময়ো আজি অলপ সময়ো শুই- বহি থাকিব নোৱাৰো। এই শিক্ষা মই ককাইৰ পৰাই পাইছো। ককাইৰ লগত সেই কুঁহিয়াৰবাৰীত কুঁহিয়াৰ নিকুৰা, ঘৰৰ ওচৰতে তিতা কেৰেলা, ভেণ্ডিবাৰী আৰু কচু লগোৱা আদি কামবোৰ শিকিছিলোঁ। গতিকে ককাই আগৰে পৰাই বহুত কৰ্মী আৰু বৰ্তমানলৈকে সেই ধাৰা ধৰি ৰাখি এতিয়া চাহ বাগান পাতি কৰ্ম জীৱন আগুৱাই লৈ শ্ৰম কৰি গৈছে। ধন্য হওক ককাই আপোনাৰ জীৱন। আপোনাৰ কৰ্মই আদৰ্শ হওক উঠি অহা প্ৰজন্মৰ বাবে।

সেই ল'ৰালি দিনৰ পৰা আজিলৈকে ককাইয়ে মোক কোনো দিন ধেৎ বুলি এটা শব্দও উচ্চাৰণ কৰা নাই। কোনো দিন গালি নপৰা ককাইক মই কিন্তু দুদিন নমতাকৈ আছিলো। কিয় জানে? ক্লাছ নাইনত এলজেব্ৰা এটা সকলো ছাত্ৰ-ছাত্ৰীৰ লগতে মোকো বোৰ্ডত কৰি দেখুৱাবলৈ দিয়াত কোনেও নোৱৰা লগতে ময়ো নোৱৰা বাবে সকলোকে দুই বেত দুই বেত কোবাই মোকো দুই বেত মৰাত মই বৰ দুখ পাইছিলোঁ। কিন্তু সেয়া মই বেয়া কাম কৰা বাবে নহয় পঢ়াত মন নিদিয়া বাবেহে কোবাইছিল। ককাইৰ কথা- তই ভালকৈ পঢ় আই এছ অফিচাৰ বনাম। কিন্তু মই জানো ককাইৰ সেই আশা পূৰণ কৰিব পাৰিলোঁ? নোৱাৰিলোঁ। কিন্তু এই আশা ককাইৰ ডাঙৰ ল'ৰা দুদুলে (দেৱ কুমাৰ সোনোৱাল) পূৰণ কৰিলে। এই ছেগতে দুদুলক মই আকৌ কোটিবাৰ ধন্যবাদ জনালোঁ।

মই মেট্ৰিক পাছ কৰা দুদিনমানৰ পাছতে আই ঢুকাল। সেয়ে মই কলেজ নপঢ়ো বুলিয়ে ভাবিছিলোঁ। কিন্তু মোক কলেজত নাম লগাই ককাইয়ে সকলো কাপোৰ কানি কিতাপ বহী যা যোগাৰ কৰি থকা মেলাৰ সুবিধা কৰি এদিন ডিব্ৰুগড়ত থৈ আহিল। তাৰ পিছত আকৌ তেনেদৰেই এদিন সকলো খৰচ পাতি বহন কৰি নাৰ্চিং ট্ৰেইনিঙৰ প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণৰ বাবে ভৰ্তি কৰাই আহিল অসম মেডিকেল কলেজৰ নাৰ্চিং প্ৰশিক্ষণ কেন্দ্ৰত। এই সকলো সুবিধা আৰু সুযোগ দি আজি এগৰাকী সফল ধাত্ৰীৰূপে মানৰ সেৱাত ব্ৰতী হৈ কৰ্ম জীৱন সামৰিলোঁ। ককাইৰ অবিহনে সফল হ'ব নোৱাৰিলোহেঁতেন। ককাই আপোনাক সঁচাই বহুত বহুত ধন্যবাদ যে এগৰাকী পিতৃৰ দৰে দায়িত্ব লৈ

সকলো ভাই- ভনী, ভতিজা, বোৱাৰী আদি সকলোকে সমানভাৱে চাব পাৰিছে। দীৰ্ঘায়ু হওক আপোনাৰ জীৱন। ভগৱানে আপোনাক নিস্বাৰ্থভাৱে সকলো আপোনজনৰ বাবে, সমাজৰ বাবে কৰ্ম কৰি এটা সুস্থ শৰীৰ আৰু মন দিছে আপুনি আগুৱাই যাওক ৰাজনীতি, সমাজনীতি আদি সকলো বিষয়ত। ভগৱান আপোনাৰ লগত সদায় আছে।

লেখক ঃ ৰহেশ্বৰ সোনোৱালৰ ভগ্নী আৰু অৱসৰপ্ৰাপ্ত চিকিৎসা কৰ্মী, মৰিগাঁও অসামৰিক চিকিৎসালয়।

❐❐❐

বাইথ' পূজাৰ সময়ত আত্মীয়ৰ লগত।

পেহা

✍ নাৰুমণি বড়া (পাৰু)

জীৱনত কিছুমান মানুহ সান্নিধ্যলৈ আহে, যি গৰাকী কেতিয়াও অন্তৰৰ পৰা আঁতৰি নাযায়। তেনেকুৱা এগৰাকী ব্যক্তি হৈছে মোৰ ডাঙৰ পেহা। সমাজ হিতৈষী, শিক্ষাবিদ শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। তেওঁ এগৰাকী এনে অনন্য ব্যক্তি যাৰ বিষয়ে লিখিবলৈ মোৰ টোমত শব্দৰ অভাৱ আৰু অনুভৱৰ বানত হেৰাই যায় কণ্ঠ। অৰ্থাৎ যাৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰো। তেওঁ নিজেই এখন বিশাল গ্ৰন্থ। তথাপি স্মৃতিৰ পাতবোৰ লুটিয়াই চাওঁ যেতিয়া মই নিজকে ঢাকি ৰাখিব নোৱাৰো। লিখিব লগা হয়, ক'ব লগা হয়, কাৰণ তেওঁ (পেহা) আছিল মোৰ জীৱনৰ অন্যতম অনুপ্ৰেৰণা।

পেহা মোৰ বাবে কেৱল এজন আত্মীয়ই নহয়, তেওঁ আছিল অভিভাৱক, পথ প্ৰদৰ্শক। ঘৰৰ যি কোনো বিপদ-আপদ বা সামাজিক অনুষ্ঠান, পৰম্পৰা সকলো ক্ষেত্ৰতে তেওঁ আগভাগ লৈ সহায় কৰিছিল। তেওঁ যেন এটি মুদ্ৰাৰ ইপিঠি সিপিঠিৰ দৰে- এফালে পৰিয়ালৰ ভিতৰত মৰম আৰু আদৰৰ আধাৰ, আনফালে সমাজৰ এগৰাকী সজ্জন আৰু সুস্থ চিন্তা ধাৰাৰ প্ৰতিনিধি।

শিক্ষকৰ ৰূপত পেহাৰ আছিল অপূৰ্ব ব্যক্তিত্ব। শ্ৰেণীত প্ৰৱেশ কৰা মাত্ৰেই ছাত্ৰ-ছাত্ৰী সকলে যেন মুহূৰ্ততে গম্ভীৰতা অৱলম্বন কৰিছিল। তেওঁ আছিল শৃংখলাৰ প্ৰতীক, কঠোৰ নহয় কিন্তু মৰম আৰু নীতিৰে গঢ়ি তোলা এগৰাকী শিক্ষাগুৰু। তেওঁৰ বক্তৃতা, শিক্ষাদানৰ ধৰণ আৰু ধৈৰ্য্যৰে সকলোৰে মাজত তেওঁ স্থান বিচাৰি ল'বলৈ সক্ষম হৈছিল। আমাৰ জীৱনত এনে শিক্ষক খুব কমেই দেখা পোৱা যায়।

মই চতুৰ্থ শ্ৰেণীত থাকোতেই এটা বিশেষ অভিজ্ঞতাৰ সোঁৱৰণী মোৰ মনত গাঁঠি পৰি আছে। গুৱাহাটী মহানগৰলৈ যাত্ৰা। মই, ৰুনিপি, প্ৰজ্বলি, মাজনীবা আৰু পাপুৰ সৈতে গুৱাহাটী যোৱাৰ সৌভাগ্য ঘটিছিল কেৱল পেহাৰ কাৰণেই। জয় দুৰ্গা হোটেলৰ আৱাস স্থানত আপ্লুত হোৱা পাপুৰ সেই থপা লাইটে আজিও মোক নষ্টালজিক কৰি তোলে।

পেহাই স্কুললৈ যাবৰ আগত সজাই থোৱা এসাঁজ ভাত সেই সৰল অথচ অতুলনীয় সুস্বাদু ভোজনটো আজিও মোৰ মানসপটত স্পষ্টকৈ ভাহি থাকে। জহা চাউলৰ ভাত, যি পেহীয়ে নিজৰ হাতেৰে আটোমটোকাৰিকৈ ধুই, মৰমেৰে ৰন্ধা তাৰ গোন্ধতেই যেন পেটৰ লালসা জাগি উঠিছিল। সেই ভাতকেইটা আছিল এক অদ্ভুত মাধুৰ্য্য, মাটিৰ গোন্ধ আৰু পেহীৰ মৰমৰ উষ্ণতাৰ লগতে যত্নৰ কোমল স্পৰ্শ মিশ্ৰিত আছিল। সেই ভোজনত আছিল লফা আৰু ঔটেঙাৰ তিক্ত মিঠা জোল, যি পেহীয়ে বনোৱা অলেখ ৰন্ধন শৈলীৰ এক জ্বলন্ত নিদৰ্শন। তাৰ লগতে আছিল বন্ধা কবি আৰু সৰু আলুগুটিৰ ভাজি, যিটো পেটত পৰাৰ আগতে নাইবা গোন্ধতে জিভালৈ পানী অহা অম্লান সত্য। বইল ভেণ্ডী, যি সৰলতাৰ মাজতো সৃষ্টিৰ আধাৰ হিচাপে পেহীয়ে ৰান্ধিছিল। আৰু সকলোৰে শিৰোমণি, সেই ভাপত দিয়া নেফাফুৰ আগ আৰু লাইৰ থৰম- একেবাৰে পুৰণি সময়ৰ সৌন্দৰ্য, যি আজিও চকুত চকু লাগি থাকে। এইবোৰ সোঁৱৰণী কেৱল খাদ্যৰ সৈতে জড়িত নহয়, ই হৈছে পেহীৰ মৰম, যত্ন আৰু অধ্যৱসায়ৰ এক স্পষ্ট চিহ্ন। সেই সোৱাদবোৰ ব্যাখ্যা কৰিব নোৱাৰি অনুভৱহে কৰিব পাৰি। তাতে আছিল হৃদয়ৰ সৈতে বন্ধা জীৱন শৈলী।

ৰুম্না আৰু মই পেহাৰ ঘৰত কিছুদিন অতিবাহিত কৰিছিলোঁ। তেওঁৰ তত্ত্বাৱধানত, শিক্ষা অনুশীলনৰ গভীৰ সাঁতোৰত মনোবল গঢ়িবলৈ। পেহাৰ জীৱন আছিল এক অবিৰত জ্ঞান যাত্ৰা। তেওঁৰ কেতিয়াও আজৰি নাছিল- সমাজৰ কাম-কাজ, মিটিং, সকাম, স্কুলৰ পাঠদান, ঘৰৰ চৰ্চা, নিজৰ কাম সকলো একেলগে সামৰি আগবাঢ়িছিল। তথাপি আমাৰ বাবে অকণমান সময় উলিয়াই শিক্ষাৰ দীপ্তি বিলাবলৈ তেওঁ সদায় আগ্ৰহী আছিল। পেহাৰ সৈতে মোৰ সান্নিধ্যৰ স্মৃতি সদায় হৃদয়ত উজ্জ্বল হৈ থাকিব। তেওঁ মোৰ জীৱনৰ এক অপূৰ্ব অধ্যায়- যাৰ অৱদান, মৰম আৰু অনুপ্ৰেৰণা কেতিয়াও মচি যাব নোৱাৰে আৰু মচি যাবলৈ নিদিওঁ।

সদৌ শেষত মোৰ অন্তৰৰ গভীৰ নিভৃত কোণৰ পৰা পেহালৈ থাকিল মোৰ আন্তৰিক শুভ কামনা-- পেহা কুশলে থাকক, সুখত থাকক, সুস্বাস্থ্যৰে থাকক আৰু দীৰ্ঘজীৰী হওক।

লেখক ঃ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ স্বাস্থ্য কৰ্মী।

❑❑❑

লেখকৰ সৈতে (লেখক বাওঁফালৰ পৰা প্ৰথম গৰাকী)।

অনুভৱৰ দলিচাত স্নেহবন্ধন

✍ **দেৱযানী সোনোৱাল (দেবি)**

আচলতে ককা এটি শব্দ নহয়, ই হৃদয়ৰ এক ধ্বনি-য'ত লুকাই থাকে অজস্র মৰম-চেনেহৰ এনাজৰী, আচলতে ককা শব্দটো অকল ককা-নাতিনীৰ মাজতে সীমাবদ্ধ নহয়, ককা আমাৰ পৰিয়ালৰ সকলোৰে বাবে এক গৌৰৱ আৰু জ্যেষ্ঠ হিচাপে সন্মানীয়। ককা আমাৰ সকলোৰে বাবে সদায় মৰমৰ, এক বুজাব নোৱৰা অনুভৱ। অকল সেয়াই নহয়, আমাৰ আৰ্থিক অভাৱ-অনাটনত বা পৰিয়ালৰ কিবা দহা, সকাম, কাম-কাজত ককা সদায় আগবাঢ়ি আহে সহায়-সহযোগ কৰিবলৈ, ককাৰ মৰম, এই আকুলতাবোৰ আমাৰ বাবে সদায় বিশেষ। তদুপৰি ককাই গাঁও সমাজক সহায়-সহযোগ কৰাৰ ক্ষেত্ৰত সদায় আগৰণুৱা। ককাৰ নাম ক'লে যেন সকলোৱে চিনি পায়।

মোৰ বাবে ককা শব্দটো এটি শব্দ নহয়, ককা মোৰ বাবে সদায় মৰম, চেনেহ, ভালপোৱা, আদৰ্শৰ নিদৰ্শন। ঠিক সেইদৰে হয়তো নাতি বা নাতিনী এটি শব্দ নহয় ককাৰ বাবে। এই ককা, নাতি-নাতিনী শব্দটো অৰ্থাৎ মধুৰ সম্পৰ্কটোৰ মাজতে মৰম, চেনেহ, শ্ৰদ্ধা, ভালপোৱা এই সকলোবোৰ আন্তৰিকতাৰে সংমিশ্ৰণ হৈ আছে। ককাৰ আমাৰ সকলোৰে প্ৰতি আন্তৰিকতা সদায় আছে। ককাক একো নক'লেও যেন বুজি পায় আমাৰ কৰ্ম সৃষ্টি, মনৰ ভাব, অন্তৰবোৰ, য'ত সকলো জীৱনৰ সাৰ্থকতাবোৰ নিহিত আছে। মা-দেউতাৰ পিছতে যেন ককাই শিকাই মানুহ হ'বলৈ, মানুহ হিচাপে নিজক চিনি পাবলৈ, নিজক প্ৰতিষ্ঠা কৰিবলৈ, আগবাঢ়ি যাবলৈ। ককাৰ বিষয়ে, ককাৰ নাতি-নাতিনীৰ লগত থকা সম্পৰ্কৰ বিষয়ে, ককাৰ প্ৰতি থকা পৰিয়ালৰ মানুহবোৰ মৰম, শ্ৰদ্ধাৰ কথা ভাষাৰে বুজাব নোৱাৰো। ককা শব্দটো বা আমাৰ সকলোৰে প্ৰতি থকা

আন্তৰিকতাবোৰৰ তাৎপৰ্য ব্যাখ্যা কৰিব নোৱাৰি।

যেতিয়া আমাৰ কিবা হয়, অসুবিধাত পৰো তেতিয়াই ককা দৌৰি আহি সহায় কৰে, সকাহ দিয়ে। যেতিয়া আমাৰ সুখত ককাই সন্তোষ পায়, আমাৰ কৰ্মত সুখ পায় আৰু নাতিনী হিচাপে পঢ়া-শুনাত যেতিয়া সুখ পায়, সকাহ পায়, আনন্দ পায়, মতামত দিয়ে তেতিয়া যেন ককাৰ মুখত হাঁহি, স্ফূৰ্তি বিৰিঙি উঠে। আমাক লৈ গৌৰৱ কৰে- এই সকলোবোৰ দেখি জীৱনটো সাৰ্থক হোৱা যেন লাগে। কোনো মানুহকে ককাই অভাৱ-অনাটনত, দুখত পৰিবলৈ নিদিয়ে। ককাক লৈ আমি যিমান গৌৰৱান্বিত হওঁ, তাতোকৈ বেছি ককাই আমাক, আমাৰ পৰিয়ালৰ মানুহবোৰক লৈ গৌৰৱ কৰে সদায়। ককাই মোৰ পঢ়া-শুনাৰ খবৰ সদায় লয়, মই ক'ত কি কৰিছো এই আটাইবোৰৰ বিষয়ে। তেতিয়া যেন মই আটাইতকৈ বেছি সুখী হওঁ। লগতে মই কবিতা, গল্প লিখিছো নে নাই তাৰো খবৰ সদায় ৰাখে। ইয়াতকৈ ককা আৰু নাতি-নাতিনীৰ মাজৰ সম্পৰ্কত আৰু কি লাগে? কিন্তু ককাৰ বাবে আমি কিমান কি কৰিব পাৰিছো, নোৱাৰিছো নাজানো, কিন্তু ককাই আমাক লৈ দেখা সপোনবোৰ, পৰিয়ালক লৈ দেখা সপোন, আশাবোৰ সদায় পূৰণ কৰিবলৈ চেষ্টা কৰিম। এয়া আমাৰ ককাৰ ওচৰত প্ৰতিশ্ৰুতি।

ক'ৰবাত যেতিয়া যাওঁ কোনো মানুহে যেতিয়া সোধে- কাৰ ছোৱালী, ঘৰ ক'ত এই সকলোবোৰৰ উত্তৰ পোনপটীয়াভাৱে ৰহেশ্বৰ সোনোৱালৰ নাতিনী বুলি দিওঁ। তেতিয়া প্ৰায় মানুহৰে মুখত শুনিবলৈ পাওঁ ককাৰ প্ৰশংসা- ককাক পেছাত এজন শিক্ষকৰ লগতে ক'ত কিমান কাম কি কৰিলে সমাজৰ হকে, মানুহৰ হকে, জাতিৰ হকে আটাইবোৰ মানুহে আমাৰ ওচৰত ব্যক্ত কৰে আৰু ককাৰ প্ৰতি থকা ৰাইজৰ আন্তৰিকতা দেখি আমি অভিভূত হওঁ। ককাৰ নাতিনী হিচাপে পৰিচয় দি নিজকে গৌৰৱবোধ কৰোঁ। আমাৰ প্ৰতি থকা ককাৰ আন্তৰিকতাবোৰ শব্দৰে লিখি কেতিয়াও শেষ কৰিব নোৱাৰোঁ। তেওঁৰ প্ৰতি থকা শ্ৰদ্ধা, অপৰিসীম ভালপোৱা সদায় আছে আৰু চিৰদিন থাকিব।

সামৰণিত ককাৰ নাতিনী হিচাপে এটাই কওঁ ককা, আপুনি সদায় সুস্বাস্থ্যৰ গৰাকী হৈ থাকক, দীৰ্ঘায়ু হৈ আকাশৰ উজ্জ্বল তৰাৰ দৰে আমাৰ সকলোৰে মাজত জিলিকি থাকক। ভালে ৰাখক ভগৱানে।

লেখক ঃ নাতি তথা ছাত্ৰী, নখাট নগাঁও।

❑❑❑

MY GRANDFATHER

✍ **Abhinav Kashyap (Ayon)**

Since the inception of memory in my consciousness, my grandfather has been observed seated with a book in his hands during my visits to my mother's village, its pages murmuring akin to leaves caught in a breeze, his eyes moving with that quiet, unshakable patience that he carried into the fields. He possessed a considerable stature, his presence suffusing a room without the necessity of verbal communication, his posture remaining erect despite the cumulative burden of years weighing upon him. His hair, though rendered silver by the passage of time, retained its density, remaining impervious to the fragility that often befalls men of his advanced age. The farm called to him every morning, the soil clinging to his bare feet as stubbornly as words clung to his thoughts, and even as the years settled into his bones, he moved through both earth and ink with the same deliberate grace.

He had never exhibited a sense of urgency, neither with the land nor with the narratives of books that he allowed to unfold within his cognition. He read the way he plowed, with slow, measured care, trusting that meaning, like crops, would reveal itself only to those willing to wait. In the evenings, as the sky metamorphosed into embers and the fields were enveloped in elongated shadows, he would return to his chair, a book positioned upon his lap, his hands still marked by the day's toil. He approached reading as though the words constituted yet another field to be cultivated, another harvest poised for emergence, knowing that everything, stories, crops, even time itself had to be

read, had to be tilled, had to be given its slow, aching chance to grow. During the tranquil intervals, when neither literature nor agriculture summoned his hands, he would repose by the window, observing the wind undulate through the tall grass, his expression inscrutable and half-lit under the fleeting lamplight, as if deciphering some secret script written in the sway of the earth. If he ever found the meaning he sought, he never said, he remained reticent, merely turning another page, merely stepping into another dawn, as if both narratives and seasons were infinite, and he possessed an abundance of time at his disposal.

লেখক ঃ নাতি আৰু নৰ্থ ইষ্ট হিল ইউনিভাৰছিটিৰ ইংৰাজী বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ।

❏❏❏

শ্বিলঙত লেখকৰ সৈতে।

মোৰ চেনেহৰ ককাৰ সান্নিধ্য

✍ অন্তৰা ৰাগিনী (পাহি)

"A grandfather is someone with silver in his hair and gold in his heart"

"ককা"- যিজন ব্যক্তিক মই সৰুৰে পৰা একেই দেখি আহিছো আৰু অফুৰন্ত মৰমৰ বোকাচাত ককা-নাতিৰ সুন্দৰ সম্পৰ্ক গঢ় দিয়াৰ মাজেৰে ডাঙৰ হৈছোঁ। মই জনাত ককা যদিও বাহিৰ জগতখনত এগৰাকী অক্লান্ত সমাজ কৰ্মী বুলি পৰিচিত, মই কিন্তু ইয়াৰ উপৰি ককাক এগৰাকী শৃংখলাবদ্ধ, কৰ্তব্যপৰায়ণ আৰু নিষ্ঠাৰে কোনো এটা কাম নিয়াৰিকৈ সম্পূৰ্ণ কৰা এগৰাকী ব্যক্তি হিচাপেও দেখি আহিছো। বিহু বা স্কুল বন্ধৰ দিনত মই যেতিয়াই ডিব্ৰুগড়ৰ তিনঠেঙীয়ালৈ যাওঁ তেতিয়াই ককাৰ লগত ভালদৰে সময়বোৰ কটাব পাৰো। ককাই ৰাতিপুৱাই আইতাৰ লগত নহ'লে নিজে গৰুখিনিক গোহালিৰ পৰা উলিয়াই দিয়ে আৰু আবেলি ভাগ গৰুকেইটাক বিচাৰিবলৈ যায় আৰু মই এইখিনি সময়ত ককাৰ জীৱ -জন্তুৰ প্ৰতি অগাধ মৰম দেখি অভিভূত হওঁ। উদাহৰণ হিচাপে মামাহঁতৰ তাত এজাক মেকুৰী আছে। সৰুতে মই মেকুৰী ভয় কৰিলেও সিহঁতৰ মাজত থাকি থাকি মেকুৰী ভালপোৱা হ'লো আৰু যিদৰে ককাই মেকুৰী কেইটাক মৰম কৰে, সিহঁতৰ বাবে চিন্তা কৰে তাক মই ঘৰৰ সদস্য হিচাপে ককাৰ আন দৈনন্দিন জীৱনৰ আন এক দিশ হিচাপে প্ৰত্যক্ষ কৰি আহিছো। ককাৰ মাতটো ডাঙৰ তথাপি সৰুৰে পৰা মই যেনেদৰে মৰম পাই আহিছো যাৰ বাবে মই ককাক কেতিয়াও ভয় কৰিবলগীয়া হোৱা নাই, কিন্তু ককাই মোৰ সন্মানৰ উচ্চ আসনখনত অধিষ্ঠিত হৈ আছে আৰু সদায় থাকিব। ককাই ভ্ৰমণ কৰি ভাল পায় আৰু তেখেতৰ উৎসাহ, মনোবল সঁচাই উল্লেখনীয়। ককাক মই কেতিয়াও দিনটো এনেই থকা দেখা নাই, হয়তো ক'ৰবাত যাব নহ'লে কিবা এটা কৰি থাকিব। মই

ককা আৰু আইতাক সদায় একেলগে থকা দেখি আহিছোঁ- আইতা যদি গুৱাহাটীলৈ চেক আপৰ বাবে আহে ককাও আহিব আৰু ককা যদি চকু দেখাবলৈ আহে তেতিয়াও আইতা লগত আহিব। তেওঁলোক দুজনৰ মাজত মৰমৰ সম্পৰ্কই মোক আপ্লুত কৰে। এনেদৰে মই তেওঁলোকৰ মাজৰ মৰম, বুজাবুজি কথা-বাৰ্তা সকলোতে অনুভৱ কৰি আহিছো। আন এটা কথা- ককা ক'ৰবালৈ গ'লে কান্ধত সদায় এটা বেগ লোৱা প্ৰায়ে দেখো। এদিন মনৰ কৌতূহলত বেগটো খুলি চাই দেখিলোঁ বেগটোৰ ভিতৰত চছ্‌মাযোৰ, ম'বাইল ফোনটো আৰু কিতাপ আছে। জ্ঞান পিপাসু ককাই য'তেই যায় লগত কিতাপ এখন হ'লেও নিবই। ককাৰ কিতাপলৈ ইমান ধাউতি হয়তো মই আন কাৰোৰে ক্ষেত্ৰত দেখা নাই। ককাই দেশ-বিদেশৰ খবৰ ৰাখে। দেশৰ বৰ্তমান ৰাজনৈতিক পৰিস্থিতিলৈ সচেতন আৰু চিন্তিত। ঘৰত যেতিয়া কাৰেণ্ট যায় তেতিয়া তেওঁ ৰেডিঅ'ত বাতৰি শুনাৰ লগতে গান শুনাও মই দেখি আহিছো। ককাৰ এই গুণটোৰ পৰাই চাগে মই ৰেডিঅ'ৰ প্ৰতি আকৰ্ষিত হ'লো। ককাই মোৰ জীৱনত বহু ধৰণেৰে অনুপ্ৰেৰণা যোগাই আহিছে। ককাৰ ধেমেলীয়া স্বভাৱ আৰু মানুহৰ প্ৰতি থকা সন্মানে তেওঁক সদায়ে সমাজৰ মাজত শ্ৰদ্ধাৰ পাত্ৰ কৰি ৰাখিব। মই ককাৰ সমাজলৈ দিয়া বৰঙণি বিষয়ে ইমান বেছিকৈ নাজানিম, কিন্তু তেখেতৰ সমাজৰ মানুহে যি শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে তাৰ পৰা মইটো এইটো নিশ্চিত যে তেখেতে ডেকা কালত বা মাহঁত সৰুকৈ থকা অৱস্থাত সমাজৰ বাবে বহুখিনি কৰিছে। মই নাতি হিচাপেতো ককাক মৰম আৰু শ্ৰদ্ধা কৰো, কিন্তু মা, মামাহঁতৰ লগত ককাৰ যি এক সম্পৰ্ক সেইটা অতি বিশেষ উল্লেখযোগ্য। ককাৰ কথা সকলোৱে অতি সন্মানেৰে পালন কৰা দেখিছো লগতে সেই কথাবোৰত মৰমো লুকাই থাকে। ককা এজন নিঃস্বাৰ্থপৰ ব্যক্তি। ক'ৰবাত কোনোবাই কিবা অসুবিধা পাইছে নেকি, কিবা বিচাৰিছে নেকি, সেইবোৰ খবৰ ককাই ৰাখে। কোনো কামত ব্যস্ত হৈ থাকিলেও বেলেগৰ অসুবিধাবোৰৰ কথাত ককাই চকু দিয়ে। বহুতো কথা আছে ককাৰ বিষয়ে লিখিবলৈ যিবোৰ কেইটামান পৃষ্ঠাত লিখি শেষ কৰিব নোৱাৰি। ককাক সকলোৱে নিজ নিজ ভাৱধাৰাৰে ভাবে কিন্তু সকলোৰে কথাত এয়ে মিল যে ককা এজন আদৰ্শৱান ব্যক্তি। আশা কৰোঁ ককাই যেন সদায়ে এনেদৰে হাঁহি-ধেমালি কৰি থাকে আৰু ঘৰ তথা সমাজখনো জিলিকাই ৰাখে।

লেখক ঃ নাতি আৰু ছাত্ৰী, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী।

❑❑❑

মৰমৰ ককালৈ অভিনন্দন

✍ হৈম্যৱতী সোনোৱাল (দিশা)

গোটেই কেইটা নাতি-নাতিনীয়েকৰ ভিতৰত সৰুৰ পৰা ধন দাদা আৰু মই ককা-আইতাৰ লগতে আছো। সকলো কথাতে ককা আৰু আইতাৰ লগতে আমাৰ নিবিড় সম্পৰ্ক। সৰু পৰা দেখি আহিছো ককাক সমাজ সেৱাৰ কামত জড়িত থকাৰ লগতে বিভিন্ন ৰাজহুৱা কামত সদায় আগভাগ লৈ অহা। বৃত্তিত ককা এজন শিক্ষক আছিল বুলি মোৰ পাপাৰ পৰা গম পাইছিলো যে ককাই অংক আৰু ইংৰাজী খুব সুন্দৰকৈ পঢ়ুৱাইছিল। সৰুতে মোক যেতিয়া স্কুলত অংক আৰু ইংৰাজীৰ হোমৱৰ্ক দিয়ে মই আনি ককাক শিকাই দিব কওঁ। ককায়ো মোক স্কুলৰ দিনত ইংৰাজী বিষয়টো চাই দিছিলে। মই কিবা বিষয়ত টান পালেই ককাক বুজাই দিব কওঁ। বৰ্তমানেও মই নজনা যিকোনো বিষয় ককাক সুধি বুজি লওঁ।

যেতিয়া মে’-জুন মাহত আমাৰ ঘৰৰ পিছ ফালৰ মাটিখিনিত খেতি কৰে অৰ্থাৎ হাল বাই আৰু তাৰ পিছত ককাই মৈ টানিবলৈ মোক আৰু দাদাক পিছফালে বহুৱাই লয়। আৰু মই মৈত বহিব পাম বুলি স্ফূৰ্তিত ৰৈ থাকো। ককাই স্কুটাৰ চলাই নিগমৰ বাৰীৰ ফালে অহা-যোৱা কৰিছিল কেতিয়াবা ময়ো ককাৰ পিছফালে বহি লওঁ।

সৰুৰে পৰা যিহেতু ককাহঁতৰ লগতে আছো গতিকে দেখি আহিছো সকলো মানুহক ককাই সহায় কৰা। ঘৰৰ ওচৰৰ পৰা আৰম্ভ কৰি বহুতো লোকক ককাই সহায় কৰি থৈছে। মানুহৰ প্ৰতি ভালপোৱা, সহায়-সহানুভূতিৰ আদৰ্শ মই ককাৰ পৰা শিকিছোঁ। চাকৰিৰ ক্ষেত্ৰকে ধৰি বহুতো উন্নতিৰ ক্ষেত্ৰত মানুহক

ককাই সহায় কৰাটো ককাৰ যেন ধৰ্ম মোৰ তেনে লাগে।

যেতিয়া মই ক'ৰবাত বিয়া, সকাম-সবাহ আদিত যাওঁ ৰহেশ্বৰ সোনোৱালৰ নাতিনীয়েক বুলি গম পোৱাৰ পিছত মানুহবোৰে ককাৰ খবৰ ল'বলৈ নাপাহৰে আৰু নিজকে তেওঁৰ নাতিনীয়েক বুলি কৈ গৌৰৱ অনুভৱ কৰো।

ককাৰ লগত সৰু দিনৰ স্মৃতি বুলি ক'লে যেতিয়া সৰুতে মোৰ বেমাৰ হয় ককা টাউনলৈ গ'লে হৰলিক্স আৰু কচৰী- এই দুটা বস্তু আনিবলৈ কওঁ আৰু আহি নোপোৱালৈকে বৈ থাকো। এতিয়াও ককাক টাউনলৈ খোৱা বস্তু আনিবলৈ ক'বলৈ নাপাহৰো।

ককাই আমাক সকলোকে বহুত মৰম কৰে যদিও কথা নুশুনিলে বা ভুল কাম কৰিলে খং কৰে। কেতিয়াবা খুঁত-খাটকে ককা আৰু মোৰ মাজত কাজিয়াও হয়। কাজিয়া কৰিও এক আমোদ পাওঁ। আগতে আমাৰ মাজত কাজিয়া হয় এটা কাৰণতেই টিভিৰ ৰিমোর্টটো কোনে ল'ব এই লৈ। ককাৰ বিষয়ে মই লিখি শেষ কৰিব নোৱাৰিম। তেওঁ মোক সদায় ফোন কৰি কয় 'ভালকে পঢ় মাষ্টাৰছ কৰি প্ৰফেছাৰ হ'ব লাগিব।' ফোন কৰিলেই খবৰ লোৱাৰ লগতে 'ভালকে পঢ়িবি' বুলি ক'বলৈ কেতিয়াও নাপাহৰে। ককাৰ নিচিনা অধ্যয়নশীল ব্যক্তি মই কমহে দেখিছোঁ। কিতাপ বুলিলে আৰু একো নালাগে।

তেওঁ জীৱনত বহু কষ্ট কৰি মোৰ বৰদেউতা, পাপাহঁতক পঢ়াই-শুনাই ডাঙৰ কৰিছিল। তেওঁৰ নিজৰ জীৱনটো বহু দুখ-কষ্টৰ মাজেৰে উচ্চ শিক্ষা লাভ কৰিছিল। ককাৰ আদৰ্শক মই যেন সদায় আগবঢ়াই লৈ যাব পাৰো। এই কামনা মনত সদায় ৰাখিছো।

মোৰ মৰমৰ ককালৈ অভিনন্দন। তুমি সুস্বাস্থ্যৰে সমাজৰ বাবে সদায় উজ্জ্বল ভোটাতৰা হৈ থাকা।

লেখক ঃ নাতি আৰু ছাত্ৰী, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী।

❑❑❑

মোৰ সাহস আৰু প্ৰেৰণাৰ মানুহজন

✍ গীতাঞ্জলি সোনোৱাল (মাজনী)

এখন অৰণ্য। নামদাং। অৰণ্যৰ কাষৰ ইকৰা-খাগৰি ডৰাবোৰ উভালি এখন স্কুল হৈছে। স্কুলৰ দূৰৈত এটা দুকঠীয়া বাঁহৰ ঘৰ। এটা পকা নাদ। নাদলৈ পানী খাবলৈ স্কুলৰ ল'ৰা-ছোৱালীবোৰ আহে। ইয়াত এজন মাষ্টৰ থাকে। মাষ্টৰ মানে অঞ্চলটো চোৱা-চিতা কৰা জন আৰু স্কুলখনৰো শিক্ষক। গ্ৰেজুৱেট হোৱাৰ পাছত ভাল ভাল চাকৰি পায়ো এৰি থৈ আহি অঞ্চলটোৰ উন্নয়নৰ বাবেই তিনঠেঙীয়াৰ এই ঠাইকণতে (১৯৬৫-২০২৫) থিতাপি লৈ বৰ্তমানলৈকে বসবাস কৰি আছে। সেই মানুহজনেই মোৰ দেউতা (পাপা)। সৰুৰে পৰা পাপা বুলি ক'বলৈ আমাক শিকালে। সেয়েহে আমাৰ বাবে 'পাপা' শব্দটো প্ৰিয় হৈ পৰিল। য'ত ভয়-শংকাৰ সৈতে আনন্দ আৰু আৱেগ জড়িত হৈ ৰ'ল। সৰুতে কিতাপ পঢ়ি নাথাকিলে নিশা যেতিয়া নঙলা খোলাৰ শব্দ শুনো বা মায়ে যেতিয়া আগজাননী দিয়েহি ঃ "পাপা আহিছে" তেতিয়া আমি সাৱধান হৈ পঢ়া-শুনা কৰি থাকোঁ, যাতে গালি দিবলৈ সুবিধা নাপায়। সৰুতে মই আৰু দুদুলে ভোগালী পথাৰ প্ৰাথমিক বিদ্যালয়লৈ গৈছিলো প্ৰায় ডেৰ কিলোমিটাৰ বাট সৰু সৰু ভৰি দুখনেৰে খোজকাঢ়ি, চৰাই -চিৰিকটি চাই চাই প্ৰায় এঘণ্টা লাগিছিল। তেতিয়া চাইকেলেৰে স্কুলত যোৱাৰ ব্যৱস্থা নাছিল। পাপাৰ সময়ো নাছিল। তাত মই দুবছৰহে পঢ়িলো। পিছত আমাৰ ঘৰতে আৰম্ভ কৰিলে বৃন্দাবন বালিকা বিদ্যালয়।

তাৰ পাছত বিদ্যালয়খন কেইবা ঠাইলৈকো সলনি কৰা হ'ল। গাঁও পঞ্চায়তৰ ঘৰৰ পৰাই আমি পাছ কৰিলোঁ। মই প্ৰথম ছাত্ৰী আছিলোঁ। মেট্ৰিক

পাছ কৰোঁতেও সেই স্কুলৰ গৌৰৱ বুলি ধৰিছিল। স্বৰ্গীয় চন্দেশ্বৰ ছাৰ আমাৰ বাবে প্ৰকৃত শিক্ষা গুৰু আছিল। মাতষাৰ ডাঙৰ বাবে ভয় লাগিছিল।

সৰুতে পাপাৰ আশে-পাশে দেখা মানুহবোৰ আছিল স্বৰ্গীয় মুখেশ্বৰ বৰপাই, স্বৰ্গীয় হল' দাই, স্বৰ্গীয় দুলাল দাই, স্বৰ্গীয় সত্য নাথ বৰা, সোমেশ্বৰ দত্ত, প্ৰমোদ শইকীয়া, স্বৰ্গীয় ভদ্ৰেশ্বৰ দাই, স্বৰ্গীয় নিত্যা বৰা, স্বৰ্গীয় মুহিৰাম হাজৰিকা, স্বৰ্গীয় দেৱেশ্বৰ নেওগ ইত্যাদি। তেতিয়া অবিভক্ত মৰাণ সমষ্টি আছিল। সেই সময়ৰ এম এল এ স্বৰ্গীয় তৰুণ চুতীয়াদেৱে অঞ্চলটোৰ কাম-কাজ চাবলৈ পাপাক দায়িত্ব দিয়াৰ দৰে হৈছিল। পাপাই কেইবাখনো স্কুল স্থাপন, আলিবাটৰ উন্নয়ন, বিভিন্ন ধৰণৰ আৰ্থিক অনুদানসমূহৰ উপৰি বহুলোকক চাকৰিৰ ব্যৱস্থা কৰি দিছিল। এটা অঞ্চল উন্নয়ন কৰিবলৈ যিমান সময় আৰু কৰ্ম কৰিব লাগে সেই সকলোখিনিয়ে পাপাই কৰা দেখিছিলো। বানপানী-গৰাখহনীয়াত দুৰ্গত লোকৰ সংস্থাপনেৰে পূবেৰুণ কৃষি পাম নিগম স্থাপন হৈছিল যদিও ইয়াৰ বাবে গোটেই প্ৰক্ৰিয়াটোত্ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। গুৱাহাটী সচিবালয়ৰ কেইবাটাও বিভাগত বাটকুৰি বাই বাই অনুমোদন ল'ব লগা হৈছিল। তেতিয়া ডিব্ৰুগড়-গুৱাহাটীৰ মাজত বাছৰ চলাচল ইমান সুচল নাছিল।

নামদাঙৰ ডাঙৰ গছবোৰ হাতীৰে টানি আনি আমাৰ ঘৰৰ সন্মুখত ৰাখিছিল বন বিভাগে। সেইবোৰৰ আঁৰত আমি তেতিয়া লুকা-ভাকু খেলিছিলোঁ। সেই সময়তে অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহও তিনঠেঙীয়া উচ্চ ইংৰাজী বিদ্যালয়ৰ খেল পথাৰত পদাৰ্পণ কৰিছিল। পাপাৰ নেতৃত্বত আয়োজন কৰা ডিব্ৰুগড় জিলা যুৱ কংগ্ৰেছৰ নিবনুৱা সকলৰ স্ব-নিয়োজন কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ এই পদাৰ্পণ। কাৰ্যসূচীত ইমানেই মানুহ হৈছিল যে কাৰোবাৰ কোঁচত উঠিহে অলপ দেখিছিলোঁ (সৰু আছিলোঁ)।

১৯৭৫ চনত ৰাষ্ট্ৰসংঘৰ ঘোষণা মৰ্মে সমগ্ৰ ভাৰততে ৮ মাৰ্চ তাৰিখে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস পালন কৰিছিল। অসমতো ডাঙৰকৈ আয়োজন কৰা হৈছিল। গুৱাহাটীত এই দিৱস উপলক্ষে মহিলা সকলৰ বাবে প্ৰদৰ্শনীৰ আয়োজন হৈছিল। তিনঠেঙীয়া অঞ্চলৰ পৰা মহিলা সকলে কৰা বোৱা কটা কাপোৰ, এৰী চাদৰ, খনীয়া কাপোৰ, একঠীয়া চেলেং চাদৰ, বৰ কাপোৰ, মিহি সূতাৰ চাদৰ, ফুল বছা গামোচা ইত্যাদিৰে প্ৰদৰ্শনীত যোগদান কৰিবলৈ পাপাই লৈ গৈছিল ভোগালী পথাৰৰ স্বৰ্গীয় মনোৰমা সোনোৱাল, কোঁচ গাঁৱৰ ভাগ্য তামুলী, মীৰা দত্ত, বুঢ়ী খোৱাঙৰ কেশ বড়া আদিক। তেতিয়া নাৰী দিৱস মানে মহিলা

সকলে কৰা কামৰ প্ৰতি সন্মান জনোৱা বুলিয়েই ভাবিছিল। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ সংগ্ৰামী ইতিহাসৰ সৈতে জড়িত হৈ আছে ঘণ্টা ঘণ্টা ধৰি কাম কৰা মহিলাৰ শ্ৰমৰ সময়সূচী নিৰ্দ্ধাৰণ কৰাৰ অধিকাৰ সাব্যস্তকৰণ, মহিলাৰ ভোটাধিকাৰ অৰ্জন, সম্ৰাটৰ প্ৰতি বিৰোধ পোষণ ইত্যাদি। গণ আন্দোলনৰ জৰিয়তে প্ৰাপ্ত এই দিৱস অতি গুৰুত্বপূৰ্ণ। এই দিৱসৰ মাজেদি মহিলাৰ মৰ্যাদা-অধিকাৰৰ বিষয়ে সকলোকে অৱগত কৰোৱাৰ লগতে চৰকাৰৰ পৰা ন্যায্য প্ৰাপ্তিৰ দাবীৰে দফাসমূহ তুলি ধৰাৰ প্ৰয়াস কৰা দেখা যায়। এনেবোৰ কাম-কাজৰ মাজেৰে পাপাৰ মনৰ ভিতৰত থকা সমাজ পৰিৱৰ্তনৰ আকাংক্ষাক প্ৰত্যক্ষ কৰিছিলোঁ। এই পৰিৱৰ্তনৰ অৰ্থ হৈছে- পুৰুষ-মহিলাৰ উভয়ৰে উন্নয়নৰ জৰিয়তেহে এখন সমাজৰ উন্নতিৰ পথ মুকলি হ'ব পাৰে। মহিলাসকলক উৎসাহ আৰু সাহস যোগাই আগবঢ়াই নিয়াটোও সমাজৰে এক দায়িত্ব। সৰুতে মই অকলশৰে স্কুললৈ যোৱাৰ পৰা গুৱাহাটীত অকলশৰে ইণ্টাৰভিউ দিবলৈ অহালৈকে পাপাই সাহসেৰে আগবঢ়াই দিছিল। ৰাতিৰ ট্ৰেইনত কেৱল সৰু ছোৱালী বৰ্ণক লৈ গুৱাহাটীলৈ অহাটো জটিল আছিল। সেই সময়ত গুৱাহাটীখন ভালদৰে জনাই নাছিলো, তথাপি 'পাৰিবি যা' বুলি ক'লে সকলো সম্ভৱ হৈ উঠিছিল।

মই বি এ পাছ কৰাৰ সময়ত অসমৰ গাঁৱে গাঁৱে গাঁও পঞ্চায়তত বহুমুখী মহিলা সমিতিসমূহ গঠন কৰা হৈছিল। প্ৰত্যেকখন পঞ্চায়তত মহিলাসকলক লৈ একোখন সমিতি গঠন কৰি বিভিন্ন ধৰণৰ উৎপাদনমুখী আঁচনি হাতত ল'বলৈ কৈছিল। তিনঠেঙ্গীয়া গাঁও পঞ্চায়তত এই সমিতিৰ মোক সভানেত্ৰীৰ দায়িত্ব দিছিল আৰু গাঁৱে গাঁৱে গৈ মহিলাসকলক সচেতন কৰি তুলি নিজৰ অধিকাৰৰ লগতে অৰ্থনৈতিক দিশটোৰ প্ৰতিও চেতনা জগাই তুলিবলৈ প্ৰয়াস কৰিছিলো। প্ৰায় ১৬/১৭খন গাঁৱৰ মহিলাক এই সমিতিত জড়িত কৰা হৈছিল। প্ৰত্যেকটো ৱাৰ্ডৰ পৰা একো গৰাকী সদস্যা লোৱা হৈছিল। মিটিঙত কথা ক'বলৈ ভয় লগা স্বভাৱটো এৰিবলৈ বৰ কষ্ট হৈছিল। এই সকলোবোৰ পাপাৰ বাবেই কৰিব লগা হৈছিল। সৰুৰে পৰা পাপাই সমাজৰ কাৰণে কাম কৰা দেখি দেখি সকলো ক্ষেত্ৰতে ময়ো অন্তৰ্ভুক্ত হৈ পৰিছিলো। পাপা যেতিয়া আই টি ডি পিৰ সদস্য আছিল তেতিয়া আমাৰ ঘৰলৈ অনুদান বিচাৰি বহু মানুহৰ আগমন ঘটিছিল। নিৰক্ষৰ মানুহবোৰৰ আবেদন লিখি দিব লগা হয়। সৰুৰে পৰা তেনেকৈয়ে আবেদন লিখিবলৈও শিকিছিলো। তেতিয়া মই ষষ্ঠ-সপ্তম শ্ৰেণীত।

পাপাই ঘৰখন চলাবলৈ অর্থনৈতিকভাৱেও বহু কষ্ট কৰিব লগা হৈছিল। ভেঞ্চাৰ স্কুল, মাননি বুলিবলৈ কেইটামান টকাৰে জোৰা মাৰিব পৰা নাছিল। মায়ে হাঁহ-কুকুৰা পোহে। কণীবোৰ ভাগ কৰি খাওঁ। আমাৰ লগত পেহীহঁতো আছিল। পাপাই খেতি কৰিছিল কাষৰ চৰকাৰী মাটিত, পাছলৈ চিকিৎসালয় স্থাপন কৰে সেই মাটিত। পালেং বাৰীত মানে ভোগালী পথাৰৰ পিছফালে নামদাং ৰিজার্ভত ৪ বিঘা মান ঠাই মুকলি আছিল। চাৰিও ফালে হাবি, তাত পাপাই ধান খেতি কৰা মনত আছে। পেহীহঁতে ৰুবলৈ আৰু ধান কাটিবলৈ যায়। বাঘ-শিয়ালৰ দপদপনিৰ মাজতো কিন্তু সাহসী আছিল বাবেই হাবিৰ লুংলুঙীয়া বাটেদি এটা বাট মুকলি কৰি অহা-যোৱা কৰিছিল। পাপাই যে কেৱল নিজৰ বাই-ভনীৰ পৰিয়ালটোকেই চোৱা-চিতা কৰিছিল তেনে নহয়, মাজে মাজে ক'ৰবাৰ অচিনাকী পৰিয়ালেও আহি আশ্রয় লৈছিলহি। তেনে লোকক ঢেকীশালতে ৰুম এটা বনাই দি বহু দিন আমাৰ ঘৰতে ৰখাৰ কথা মনত পৰে। আমি সৰু হৈ থাকোতে 'সুনীল' বুলি মানুহ এজন মাজে মাজে আমাৰ ঘৰলৈ আহিছিল। বেংগলী সম্প্রদায়ৰ লোকজনে পাপাক খুউব শ্রদ্ধা কৰিছিল। পাপাই যি কৰিবলৈ দিয়ে তাকে কৰিছিল। মই জন্ম হওঁতে মোক দুটকা দিহে চুইছিল। মোক 'খুকুন' বুলি মাতিছিল বুলি মায়ে কয়। কেতিয়াবা নগাঁৰৰ পৰা বুঢ়ীমাইৰে পাপালৈ চাউল-ৰহী দি পঠিয়ালে চিধা আহি জমা দিয়েহি। সকলো ঠিকেই আছিল কিন্তু মানুহজনে নিজৰ লগত কথা পাতি পাতি হাঁহি থাকে। আনে কথা কোৱা সময়খিনিত শুনি লয় আৰু পুনৰ অন্য মনস্ক হৈ ভুনভুনাই কথা পাতি থাকে। এমাহমান থাকি ক'ৰবাত গুচি যায়, আকৌ পুনৰ আহে। এনেকৈ তেওঁৰ জীৱন অতিবাহিত হৈছিল। এদিন আমাৰ ঘৰলৈ বুলি আহি থাকোতে ৰাস্তাতে ক'ৰবাত ঢুকাই থাকিল। সেইবোৰ কথা আজিও মনত পৰে। পাপাৰ লগত ক'ৰ ক'ৰ মানুহৰ যে সংযোগ আছিল ভাবিলে আজি আচৰিত লাগে।

পাপাই নিজৰ পৰিয়ালটো চোৱা-চিতা কৰাৰ উপৰি পাপাৰ বৰদেউতাকৰ পৰিয়ালবোৰকো পার্যমানে সহায় কৰিছিল। পেহীহঁতৰ পঢ়া-শুনাতো গুৰুত্ব দিছিল। কেতিয়াবা আমি শুভক সিঙৰ দোকানৰ ঘৰৰ বস্তু-বাহানি ধাৰে আনিছিলো। পাপাই সমাজৰ কামত ডিব্রুগড়-গুৱাহাটীলৈ অহা যোৱা কৰিবলৈও যথেষ্ট টকা- পইচাৰ প্রয়োজন হৈছিল।

পিছলৈ বিলাতী গাহৰিৰ ফার্ম এখন খুলি যথেষ্ট উপকৃত হৈছিল। তেতিয়া দানা বনাবলৈ কচু- ভুচি সিজাই দিছিলো। ইমানবোৰ জীৱ-জন্তু মায়ে অকলে

চম্ভালিব লগা হৈছিল। আমিও তেতিয়া ইমান জনা হোৱা নাছিলো। তথাপি ঢেঁকীত ধান বানি চাউল উলিয়াবলৈ শিকিছিলোঁ। মোৰ পাছত তিনিটা ভাইটি। সিহঁতক স্কুললৈ লৈ যোৱা, কোঁচত লোৱা সকলোবোৰ মোৰ দায়িত্ব আছিল। কেতিয়াবা ঘৰত সৰু সৰু ল'ৰা কেইটাক লৈ থাকিব লগা হৈছিল তেতিয়া স্কুলৰ চকীদাৰ দাই স্বৰ্গীয় কুলাৰাম শইকীয়াক মাতি লৈছিলো।

আমি ডাঙৰ হৈ আহিলো। পাপাৰো দায়িত্ব বাঢ়ি আহিল। পাপাৰ ওপৰত ডিব্ৰুগড় জিলা কংগ্ৰেছ কমিটীৰ সম্পাদকৰ দায়িত্ব। মৰাণ সমষ্টিও বিভক্ত হ'ল। নতুনকৈ টিংখং সমষ্টিৰ সৃষ্টি হ'ল। আমি টিংখং সমষ্টিত পৰিলো যদিও পাপাই সম্পাদক হিচাপে বহু ঠাইত যাব লগা হৈছিল। সেই সময়ছোৱাত অসমত বিদেশী নাগৰিক বহিষ্কাৰৰ আন্দোলন চলি আছিল। কংগ্ৰেছৰ সকলো মানুহকে ছাত্ৰ সন্থাৰ উগ্ৰ কৰ্মীবোৰে অত্যাচাৰ কৰা আৰম্ভ কৰিছিল। সদায় সমাজ, দেশৰ উন্নয়নৰ কথা চিন্তা কৰা, জাতীয় স্বাৰ্থৰ প্ৰতি সদায় সজাগ থকা পাপাও এই নিৰ্যাতনৰ বলি হৈছিল।

সময় যোৱাৰ লগে লগে আমি পঢ়ি-শুনি ডাঙৰ হ'লো। মই প্ৰথমে ডিব্ৰুগডৰ উচ্চতৰ মাধ্যমিক বহুমুখী ছোৱালী বিদ্যালয়ত আৰু পিছত তিনিচুকীয়া মহিলা মহাবিদ্যালয়ত পঢ়িছিলোঁ। দুদুল ডিগবৈ বিবেকানন্দত পঢ়িছিল। আমাক লগ কৰিবলৈ পাপা-মা মাজে মাজে গৈছিল। তেতিয়া চিঠিৰ বাহিৰে যোগাযোগৰ অন্য কোনো ব্যৱস্থা নাছিল। আমাৰ ঘৰত ভৰালীবাৰীৰ দোলেন দাইৰ বাছখন ৰাখিছিল- 'বনমালা'। 'বনমালা' তিনিচুকীয়ালৈ চলিছিল। হোষ্টেলৰ কাঢ়া শাসনৰ বাবে কাকো লগ কৰিব পৰা নাছিলোঁ। এদিন পাঁচ মিনিট দেৰি হোৱা বাবে পাপাকো লগ কৰিব দিয়া নাছিল।

দুদুলে উচ্চতৰ মাধ্যমিক পৰীক্ষা দি উঠিয়ে দিল্লীত ফুৰিবলৈ প্ৰণৱহঁতৰ লগত গৈছিল। লগত সকলো কাগজ-পত্ৰ লৈ গৈছিল। দিল্লী পোৱাৰ পাছত সি তাতে পঢ়িবলৈ মন মেলিলে। প্ৰণৱহঁত গুচি আহিল, কিন্তু সি নাহিল। পাপাৰ বহুত চিন্তা। তথাপি তাক সাহস দি ক'লে পঢ়। মই যেতিয়া মেট্ৰিক পাছ কৰিছো তেতিয়াহে হাইস্কুলখন চৰকাৰী হৈছিল। সেই হিচাপত দৰমহা সিমান পোৱা নাছিল। মই বি এ পাছ কৰাৰ পাছত টিউচন আৰম্ভ কৰিলোঁ। সমাজৰ কাম, মইনা পাৰিজাত, মহিলা সমিতি আদি আছেই। কবিতা লিখা, প্ৰবন্ধ লিখাও চলি থাকিল। গুৱাহাটীত লেখিকা সমাৰোহে পতা কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান পালো। গুৱাহাটীলৈ পুৰস্কাৰ আনিবলৈ পাপাই লৈ আহিছিল। মনত বহুত

স্ফূৰ্তি। পাপায়ো সুখ অনুভৱ কৰিছিল। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে কাকত, আলোচনীত লিখি আছো। পাপাক দিওঁ চাবলৈ, লেখাবোৰ ভাল পায়। প্ৰথম কবিতা পুথি খন উন্মোচন খোৱাঙত কৰিছিলোঁ। পাপাৰ উপস্থিতিত স্বৰ্গীয় মুকুট সিংহ ফুকন, ডিম্বেশ্বৰ চেতিয়া আৰু খোৱাং কবি চক্ৰৰ বহুলোক আছিল এই অনুষ্ঠানত আৰু আছিল পেইম থি গোহাঁই, বিনোদ বড়া, ৰীতা কোঁৱৰ, হৰেন, নৰজিৎ, বেবী আদি।

কেতিয়াবা দিল্লীত থকা দুদুলৰ চিঠি নাহিলে পাপা চিন্তিত হৈ পৰে। এৰী চাদৰখন মেৰিয়াই বাৰাণ্ডাত আমন-জিমনকৈ ৰাস্তালৈ চাই বহি থাকে। তেতিয়া মা আৰু মই পৰিৱেশ সলনি কৰিবলৈ চেষ্টা কৰো। সোণ আৰু পাপুৰ অতপালিবোৰ থাকেই। স্কুললৈ যাব লগা বাবে পাপাই দুদুললৈ টকা পঠিওৱা কামটো মোকেই কৰিবলৈ দিয়ে। ৰাস্তা বেয়া হ'লে বাছ নচলে। ৪/৫ কিলোমিটাৰ খোজকাঢ়ি বাছত গৈ বেংকত ড্ৰাফ্‌ট বনাই পুনৰ স্পীড পোষ্ট কৰিবলৈ ডাকঘৰলৈ আহি লাইনত থিয় হওঁ। পিছত পুনৰ এছোৱা বাছেৰে আহি আকৌ খোজ কাঢ়ো। সেই দিনবোৰ অতি কষ্টকৰ আছিল। সপোনবোৰৰ পাছে পাছে ঘূৰি ঘূৰি মনৰ আনন্দই বেলেগ আছিল। মই এম এ পাছ কৰাৰ পাছত দুদুলে আই আই এম কলিকতাত পঢ়িবলৈ ল'লে। ইফালে সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাও দি থাকিল। আৰ্থিক দিশত বহুত টনাটনি হৈছিল। মাজতে মই এজন শিক্ষকে মেডিকেল লীভ লোৱাত সেই পদটোত তিনঠেঙীয়া হাইস্কুলত শিক্ষকতা কৰিলো ছমাহ। ঘৰখনে অলপ হ'লেও সকাহ পালে। এইবোৰৰ মাজতে মই ৰাজনীতি বিষয়ত এম এ পৰীক্ষাত উত্তীৰ্ণ হ'লো।

ভূতৰ ওপৰত দানহ পৰাদি অসমত মিলিটেৰী অপাৰেচন চলিবলৈ ধৰিলে। আলফা ধৰাৰ নামত মাছমৰীয়া মহিলাক উলংগ কৰা (কলৌলোৱাত), নিৰীহ লোকৰ ঘৰত সোমাই ঘৰ তহিলং কৰা, শাৰীৰিক-মানসিক অত্যাচাৰ চলিল। ৰাতি ৰাতি লাইন লাইনকৈ মিলিটেৰী গাড়ীবোৰে যুদ্ধ সদৃশ পৰিৱেশ সৃষ্টি কৰিছিল। এদিন বন্দুকটো মাৰ বুকুত থৈ সুধিছিল, "বেটা কাহা হাই?" ল'ৰা বিলাকৰ জীয়াই থকাৰ অধিকাৰ খৰ্ব কৰি অসমীয়া সমাজখন টিকি থাকিব লগা হৈছিল। অকাৰণতে ঘুণীয়া হৈছিল বহু যুৱক, নিৰীহ লোক। ৰাতি ৰাতি পাপাকো মিলিটেৰীয়ে আহি উঠাই লৈ যায়, মাৰপিট কৰিছিল। এই সম্পৰ্কে সাপ্তাহিক সাদিন কাকতত সাংবাদিক ধৈৰ্য্য হাজৰিকাৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল। বিনা কাৰণত সাধাৰণ মানুহৰ চলা অত্যাচাৰৰ মই তেতিয়াও প্ৰতিবাদ কৰিছিলোঁ

আৰু আজিও কৰি আছোঁ। এটা সময়ত গাড়ীৰ শব্দবোৰ ত্ৰাস সৃষ্টিকাৰী চাইৰেণলৈ পৰ্যৱসিত হৈছিল।

এনেদৰে সমাজৰ চিন্তা কৰি সহজ জীৱন অতিবাহিত কৰিলেও মাজে মাজে ধুমুহাৰ দৰে অহা প্ৰত্যাহবান নেওচি মূৰ দাঙি থিয় হৈ পাপাই নিজৰ কৰ্তব্য কৰি গৈছিল। আমিও পাৰ্যমানে ভাল কাম কৰিবলৈ চেষ্টা কৰিছিলোঁ। পাপাৰ আদৰ্শকে সাৰোগত কৰি এতিয়াও সমাজৰ উন্নয়নৰ কথাকে ভাবি আহিছোঁ বা মহিলাৰ সমাজৰ অধিকাৰ, মৰ্যাদা, নিৰাপত্তাৰ পক্ষত থিয় দি আহিছোঁ। সেইবোৰ ধাৰণা মই বহন কৰি ভাল পাওঁ, পাপাক প্ৰতিনিধিত্ব কৰা যেন অনুভৱ. এটাই সদায়ে মনৰ মাজত দোলা দি আহিছে।

দিনবোৰ পূৰ্ণ গতিত আগবাঢ়িল। সোণে বিয়া কৰালে। দুদুলে চাকৰি পালে। মোৰো বিয়া হ'ল। সকলোৰে এখনকৈ সংসাৰ হ'ল। তথাপি জন্ম হোৱাৰ ঘৰৰ স্বত্ব অনন্য।

ক'ৰোনা কালৰ সময়ত মাৰ জ্বৰ হ'ল। খবৰ পায়ে মই গুৱাহাটীৰ পৰা অকলে গ'লো। প্ৰায় চাৰিদিনৰ পাছত মা সুস্থ হ'ল। কিন্তু পাপা বহুত দুৰ্বল হৈ পৰিল। ছেলাইন দি প্ৰতি মুহূৰ্ত খোৱা-যোগাসন আদি কৰাই কৰাই সুস্থ কৰি তুলিলোঁ। পাপাহঁতৰ ৰুমত সোণে জুমি জুমি চায়। দুদুল আৰু মই পাপাহঁতক গুৱাহাটীলৈ লৈ আহিলোঁ। পুনৰ ক'ৰোনা টেষ্ট কৰালোঁ। আইচ'লেচন ৰুমত ঘৰতে ৰখা হ'ল। খোৱা-বোৱাৰ যত্ন লোৱাৰ ফলত মা-পাপা সুস্থ হৈ উঠিল। সেই সময়ত মোৰ বহুত ভয় লাগিছিল। ক'ৰোনাৰ কাল ধুমুহাই কিমানৰ যে জীৱন কাঢ়ি নিছিল। উপযুক্ত চিকিৎসা আৰু শুশ্ৰূষা নোপোৱাৰ বাবেও অকালতে বহুতে জীৱন সামৰিলে।

মা-পাপাহঁত গুৱাহাটী আহিলেই উগ্ৰতৰা মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, বালাজী মন্দিৰ, কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, গীতা মন্দিৰ, চানডুবি আদি ঠাইলৈ ফুৰাবলৈ লৈ যাওঁ। আগতে পাপাই গুৱাহাটীলৈ আমাক লৈ আনিছিল চিৰিয়াখানা, মিউজিয়াম আদি দেখুৱাবলৈ। পাপাৰ লগত মই দিল্লী, শ্বিলং আদি ঠাইলৈ গৈছিলোঁ। পাছত ওড়িশা, ভুৱনেশ্বৰ, মুম্বাই, মালছেজ ঘাট আদিলৈ গৈছিলোঁ। দুদুলেও চেন্নাই, গোৱা, বিশাখাপট্টনম আদি ঠাইত ফুৰাইছে। গোদাবৰীৰ পাৰত বহি, সাগৰৰ তীৰত বহি বঙ্গোপসাগৰ, আৰব সাগৰৰ বহল বুকুৰেদি পৃথিৱীৰ সৌন্দৰ্য উপভোগ কৰিছে। পাপাই ফুৰি ভাল পায়। নজনা কথা জানিবলৈ হেঁপাহ কৰে। আমি সৰু থাকোঁতে চণ্ডীগড়, পঞ্জাব, দিল্লীলৈ

গৈছিল। অমৃতসৰৰ স্বৰ্ণ মন্দিৰত তোলা ফটোবোৰ চাইছিলোঁ। সোণৰ মন্দিৰ বুলি ভাবি আচৰিত হৈছিলোঁ। পাপাই কিতাপ পঢ়ি ভাল পায়। কিতাপৰ লগত গভীৰ সম্পৰ্ক। য'তে যায় লগত এখন কিতাপ নিবই। আমি সৰুতেও দেখিছোঁ হাৰিকেন লেম্পটো জ্বলাই বিচনাত শুই শুই কিতাপ পঢ়ে। গুৱাহাটীত গ্ৰন্থমেলা হ'লে বস্তা ভৰাই কিতাপ কিনি লৈ যায়। Ilustrated Weekly, India Today, সঁফুৰা, মৌচাক, বিস্ময়, গৰীয়সী আমাৰ ঘৰত নিয়মীয়াকৈ আহিল। এই প্ৰেৰণাতে ঘৰতে আলোচনী হাতে লিখি প্ৰস্তুত কৰিছিলোঁ। তেতিয়াৰ পৰাই আলোচনীৰ সম্পাদক হোৱাৰ সপোন দেখিছিলোঁ। পাছলৈ 'জোনাকী বাট', 'জাহ্নৱী যিদৰে বয়' আৰু কেইবাখনো আলোচনীৰ সম্পাদনা কৰিলোঁ। ঘৰত থকা কিতাপৰ আলমাৰী দুটা কিতাপেৰে ভৰি আছিল আৰু এতিয়াও আছে। লেখকৰ প্ৰতি শ্ৰদ্ধা কৰিবলৈ পাপাৰ আদৰ্শৰ পৰাই শিকিছিলোঁ।

পাপাই ৰেডিঅ'ৰ জৰিয়তে দেশ-বিদেশৰ বাতৰি লয়। বিবিচি শুনিয়েই নিশা টোপনি যায়। ইংৰাজী গানবোৰ শুনে। আমিও তেতিয়া ৰেডিঅ'ৰ পৰাই গান, নাটক শুনি কল্পনা শক্তি প্ৰসাৰ কৰিছিলোঁ। বাহিৰৰ পৃথিৱীখনৰ লগত সম্পৰ্ক ৰাখিবলৈ চেষ্টা কৰিছিলোঁ। পাছলৈ টিভি হ'ল। মহাভাৰত, ৰামায়ণ চাবলৈ আমাৰ ঘৰলৈ মানুহবোৰ আহে। বেটাৰীত টিভি চলে। চাৰ্জ দিবলৈ বেলেগত নিব লাগে। এণ্টেনা জোকাৰিবলৈও কেইটামান সাজু হৈ থাকে। সোণে এইবোৰত আগভাগ লয়। আমাৰ ঘৰত তেতিয়া পঢ়িবলৈ প্ৰণমা, জয়ন্তহঁত আহি থাকি লৈছিল।

মোৰ বাবে আৰু এটা কথা আচৰিত লাগে। সেইটো হ'ল- পাপাৰ চেণ্ডেল যোৰ। পাপাৰ ভৰিৰ জোখত চেণ্ডেল পোৱা নাযায়। কলেজৰ দিনৰ পৰা কানৈ কলেজৰ কাষৰ গলিটোত চেণ্ডেল বনোৱা এজন মানুহ আছে। তেৱেঁই পাপাৰ চেণ্ডেল ভৰিৰ জোখত বনাই দিয়ে। এতিয়াও তেওঁৰ দ্বাৰাই বনোৱা চেণ্ডেল পিন্ধে।

জীৱনৰ পৰিক্ৰমা ইমানেই বিচিত্ৰ যে সহজতে সকলো কথা সামৰি লিখা সম্ভৱ নহয়। তথাপি পাপাৰ প্ৰতিটো গুৰুত্বপূৰ্ণ মুহূৰ্তত মই ছাঁৰ দৰে আছোঁ। আৰু মোৰ প্ৰতিটো মুহূৰ্তত পাপা সাহস হৈ আছে। পাপাই বহল মনৰ বহল সমাজখন যেনেকৈ গঠন কৰিব বিচাৰিছিল তেনেকৈয়ে বিচিত্ৰতাৰে সকলোকে সামৰি আগবাঢ়িছিল। বিভিন্ন জাতি-জনগোষ্ঠী- নেপালী, বঙালী, মিচিং আদি সকলোৰে লগত মিলি গৈছিল। জিলা পৰিষদৰ সদস্য হৈ থাকোঁতে সৰ্বাংগীণ উন্নতিৰ কথা ভাবিবলৈ সুযোগ আৰু সাহস পাইছিল।

মুঠৰ ওপৰত সকলোৰে উন্নতি হ'লে আনন্দিত পাপাই এতিয়াও ৮৫ বছৰ বয়সতো সকাম-নিকাম, বিবাহ, ৰাজহুৱা সভা-সমিতিত পূর্ণোদ্যমে অংশগ্রহণ কৰি আহিছে। এটা কথা লক্ষ্য কৰিছোঁ পাপাই নিজৰ জন্মস্থানলৈ বাৰে বাৰে যাব বিচাৰে- নিজৰ মাক-দেউতাকৰ স্মৃতিবোৰে আজিও পাপাক আৱৰি আছে। ঘৰ-দুৱাৰবোৰ সলনি হ'লেও চতিয়না গছ, বাঁহ গছ, পথাৰবোৰ একেই আছে। সকলো মানুহৰে জন্মস্থান অতি প্রিয়।

দর্শন শাস্ত্রৰ ছাত্র হিচাপে পাপাৰ চিন্তা-চর্চাতো প্রভাৱ পৰিছিল। সমাজৰ হকে উচিত চিন্তা কৰা লোকক সন্মান প্রদর্শন কৰিব জানে। বেলেগ আদর্শ হ'লেও শ্বহীদ অনিল কুমাৰ বৰুৱা এনিশা আমাৰ ঘৰত থাকোঁতে পাপাই মত বিনিয়ম কৰি আপ্লুত হোৱা মই প্রত্যক্ষ কৰিছিলোঁ। দুদিনৰ পিছত তেখেতক আলফাই হত্যা কৰিলে- ইয়াৰ প্রতিবাদত পাপাই এটা কবিতা লিখিলে। সৃষ্টিশীল চেতনাত পাপা পাকৈত আছিল, কিন্তু চর্চা কৰিবলৈ সময় নাছিল। ভালকৈ লিখা-মেলা কৰাৰ সুযোগ পোৱাহেঁতেন এজন সাহিত্যিকতকৈ কম নহ'লহেঁতেন। বাংলা সাহিত্যতো পাপাৰ অধ্যয়ন প্রখৰ। লিও টলষ্টয়ৰ কিতাপৰ সংকলন আলমাৰীত ভর্তি হৈ আছে। আনকি মোৰ ল'ৰা অয়নৰ শ্রেণীৰ ফিল'ছফীৰ কিতাপ দেখিলেও পঢ়িবলৈ লয়। জ্ঞান পিপাসু পাপাই চাইকেল চলায়ে ক্ষান্ত নাথাকিল। ৭০ বছৰ বয়সতো স্কুটী শিকি চলাইছিল। নিগম, নগাঁও, মৰাণলৈও স্কুটী চলাই গৈছিল। এতিয়া অলপ গাটো গধুৰ অনুভৱ কৰা বাবে এৰি দিছে।

জীৱনৰ এৰি অহা ৰঙীণ দিনবোৰলৈ উভতি চালে বহু কথাই মনত দোলা দিয়ে। সকলোবোৰ ৰঙীণ হৈ উভতি আহে। মোৰ শৈশৱ, যৌৱনৰ পৰা আজিলৈকে আটাইতকৈ শক্তিশালী, মোৰ সাহস আৰু প্রেৰণাৰ মানুহজনেই হৈছে মোৰ পাপা। স্কুলত তেওঁৰ শাসনৰ প্রকোপত খিৰিকীয়েদি যিবোৰ ছাত্রই এসময়ত পলাইছিল সেই সকলৰ বাবেও পাপা আটাইতকৈ শ্রদ্ধেয় ব্যক্তি। ৰাতি বাৰ বজাত হাবিৰ মাজেৰে বাঘ-ম'হৰ মুখামুখি হৈ অহাজনেই আমাৰ পাপা। সাহসী আৰু দৃঢ় এজন মানুহ। তেওঁৰ সাহস আৰু প্রেৰণাই আন সকলকো উদ্বুদ্ধ কৰক। পাপা সুস্বাস্থ্যৰ গৰাকী হৈ থাকক।

লেখক ঃ ৰহেশ্বৰ সোনোৱাল একমাত্র কন্যা, কবি, মহিলা নেত্রী।

❑❑❑

মানুহজনক মই যেনেকৈ পাইছো

✍ গুনদা সোনোৱাল

মই যেতিয়া বিয়া হৈছিলো তেতিয়া মই বয়সত সৰু হৈ আছিলো। যিয়ে যি কয় তাকে শুনিছিলো। স্কুলৰ কাষৰ মুকলি ঠাইখিনিত কেইবাটাও বৰ্ডিং ঘৰ আছিল। কিছুমান বৰ্ডিঙত ল'ৰাবোৰ আছিল। মোৰ লগত ননন্দহঁত আছিল। সিহঁতে পঢ়া-শুনা কৰাৰ লগতে খেতি-বাতিও কৰিছিল। ইকৰা বেৰৰ ঘৰ, খেৰৰ চালি। দুটা ঘৰ আছিল। মাটিৰে লেপি চূণ দি লৈছিলোঁ। তেতিয়া চূণ দিয়া ঘৰ মানে বহুত উন্নত ঘৰ। চূণ আনি আমি নিজেই দিছিলোঁ। সমাজৰ কামত থাকোঁতে ঘৰৰ ফালে মন-কাণ দিবলৈ সময় পোৱা নাছিল। আনকি আমাৰ প্ৰথম ছোৱালী মাজনীৰ জন্ম হোৱাৰ দিনাও তেখেত শ্বিলঙলৈ গৈছিল। বাছ নোপোৱা বাবে ঘূৰি আহিছিল আৰু শিৱৰাত্ৰিৰ দিনাই মাজনীৰ জন্ম হৈছিল ঘৰতে। এনেকৈ এদিন-দুদিনকৈ আমাৰ সংসাৰ ডাঙৰ হৈ আহিল।

এদিন মাজনীৰ সাত মাহ মান হৈছিল। সকলো স্কুললৈ গৈছিল। তাইক খাতখনতে শুৱাই মই কাপোৰ ধুই আছিলো নাদত। নাদটো ঘৰৰ পৰা অলপ দূৰৈত আছিল। সাপ এটা আহি বেৰখনত বগাই চাই আছিল। হৰিপ্ৰিয়া (প্ৰিয়ই) স্কুলৰ পৰা আহি দেখা পালে আৰু চিঞৰি দিলে। তাইক লৈ বাহিৰলৈ ওলাই আহিল আৰু মই দৌৰি গৈ দেখো সাপটো খিৰিকীৰে ওলাই গৈছে। তেতিয়াৰ পৰা অকলে এৰা নাই।

কেতিয়াবা ল'ৰা-ছোৱালী কেইটাক লৈ অকলে থাকো। প্ৰায়ে বাঘে ওচৰতে কান্দেহি। ভয়তে কেতিয়াবা গুড় ভৰোৱা টিং কোবাই বাঘ খেদিব লগা হয়। শিয়ালে কুকুৰা নিবলৈ জুপি থাকে। ছাগলীও পুহিছিলো। গৰু-ছাগলী

বিচাৰিয়েই বাঘবোৰ আহে।

আগৰ দিনত বতাহ-ধুমুহাৰ প্ৰকোপ অধিক আছিল। যেতিয়া ধুমুহা, বৰষুণ আহে বৰ ভয় লাগে। সিহঁতক লৈ কলৈ যাওঁ কি কৰো লাগে। এদিন মেৰেক মেৰেককৈ ঘৰটোৰ শব্দ হৈছে। সোণ তেতিয়া কেঁচুৱা। তাক বোকোচাত লৈ দুফালে দুটা (মাজনী আৰু দুদুল)ক ধৰি ওচৰৰ মুকলি ঠাইত থকা টিউবৱেলটোতে আশ্ৰয় লৈছিলো। মোৰ অভিজ্ঞতা হ'বলৈ বয়স বেছি নাছিল (২৫/২৬ বছৰ) বতাহ শাম কটাৰ পাছত তিতি-বুৰি ঘৰত সোমাওঁ।

এনেকৈয়ে দিনবোৰ বাগৰিল। তিনঠেঙ্গীয়াৰো পৰিৱৰ্তন আহিল। ঘৰৰ মানুহজন অনবৰতে সমাজৰ কামত ওলাই যায়। ময়ে সকলো চম্ভালিব লাগে। ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ লগে লগে সিহঁতেও মোক সহায় কৰি দিয়ে। বিশেষকৈ পাপু (সৰু ল'ৰা) জন্মৰ পাছত তাক চোৱা-চিতা মাজনীয়ে কৰিব পৰা হৈছিল। কোঁচত লোৱা, বাচন ধোৱা আদি কামবোৰত সকাহ পাইছিলো।

এদিন দুদুল আৰু মাজনীক ঘৰত থৈ মই পাপু আৰু সোণক লৈ ভোগালী পথাৰলৈ গৈছিলো। কেতিয়াবা খোজনীয়া ৰূপত নগা পাহাৰৰ পৰা লেংটি পিন্ধি, হাতত দাখন লৈ নগাবোৰ আহে। আলু-কচু আনে আৰু ধান-চাউল বা পইচা-পাতি বিচাৰে। সেইদিনাও তেওঁলোক আহিছিল। মই নোহোৱাত দুৱাৰ বন্ধ কৰি সোমাই থাকিল ঘৰত। ঘৰলৈ আহি দেখিছো অত্যন্ত ভয়ত দুয়োটাই কান্দি আছে। ভিতৰত দেখিছো প্ৰাৰ্থনা থাপনাটো তিতি আছে। দাখনেৰে মূৰটো কাটি নিব বুলি ভাবিছিল। সৰু ল'ৰা-ছোৱালীৰ মনত ভুলকৈ শিকালে বিৰূপ প্ৰভাৱ পৰে। প্ৰাৰ্থনা থাপনাৰ ওপৰৰ সৰু খিৰিকী খনেৰে জুমি জুমি চাই ভয়তে সৰু পানী চুলে। সিহঁতে যি শিকাওঁ তাকে শিকি লয়।

পিছত পঢ়া-শুনা কৰিবলৈ সকলোৱে বাহিৰত থাকিবলৈ লয়। ইফালে নিগমত খেতি কৰিবলৈও যাব লাগে। সেই সময়ত আৰ্মী অপাৰেচন চলি আছিল। আমাৰ ঘৰত সৰু ল'ৰা এটা ৰাখিছিলো। সি স্কুললৈ যায়। মোৰ লগত আৰু দুজনী স্কুলত পঢ়া ছোৱালী আছিল। চাইকেলত বাচন-বৰ্তন কঢ়িয়াই আমি চাৰিটাই এম ই স্কুলৰ ফালে ঘৰলৈ আহি আছো। ঘৰত দেখিছো পোহৰ হৈ আছে। মানুহ নথকা ঘৰত ক'ৰ পৰা পোহৰ পৰিল বুলি ভাবিলো। আৰ্মী বিলাকে টৰ্চ মাৰি ঘৰ ঘেৰাও কৰে। সেয়া পোহৰ পৰিছে বুলি ভাবি তাতে চাইকেল পেলাই দৌৰিলো অচ্যুতৰ দোকানৰ ফালে। অচ্যুতে ক'লে, "বাইদেউ আজি মাজনী ডিব্ৰুগড়ৰ

পৰা আহিল। দুৱাৰ খুলি ভিতৰত সোমাই আছে।"- তাৰ পাছতহে জীউটো লৈ ঘৰলৈ আহিলো। এনে বহু ঘটনাৰ মাজেৰে আমাৰ জীৱনটো চলিছিল। হাবিতলীয়া ঘৰ যিকোনো পৰিস্থিতিৰ বাবে সাজু থাকিব লাগে। তাকো সময়ৰ লগে লগে সকলো সলনি হৈ যায়।

ঘৰলৈ বোৱাৰী আহিল। সোণৰ পুত্ৰ সন্তান জন্ম হ'ল। আমি ব্যস্ত হৈ পৰিলো। ধন আমাৰ লগত শুই ডাঙৰ হ'ল। ইফালে পুৰণা ঘৰ এৰি পকা ঘৰলৈ আহিলো। তেওঁ (পাপাক) জিলা পৰিষদৰ সদস্য হ'ল। আকৌ মানুহৰ সমাগম হ'বলৈ ধৰিলে। গাঁও বিলাকত উন্নয়নৰ কাম হ'ল। ডিব্ৰুগড়লৈ যোৱা ৰাস্তাটো পকী হ'ল। অঞ্চলটোলৈ গাড়ী চলাচল সুচল হ'ল। ঘৰতো গাড়ী এখন হ'ল। কামবোৰ বাঢ়ি আহিলে। সোনকালে সময়বোৰ যোৱা যেন লাগিল।

প্ৰথমতে ভয় লগা পৰিৱেশবোৰ পাছলৈ সাহসলৈ সলনি হ'ল। জীৱনত উত্থান-পতন থাকেই। তাৰ মাজতে আগবাঢ়ি গৈ থকাটোৱে জীৱন। সদায় ভালটো ভাবি কাম কৰিলে সফল হয়। জীৱনত কিছুমান কথা ভালকৈয়ে শিকিলো মানুহৰ পৰা। সকলো দিশ চালি-জাৰি চাইহে কাম কৰিব লাগে। কিন্তু জীৱনত মই এটা কথাত সদায় বিশ্বাস কৰি আহিছো যে 'সত্যৰ সদায় জয়'।

মোৰ জীৱনত সাহস দি সকলো কথা সোঁৱৰাই ঘৰৰ কাম বন, ল'ৰা-ছোৱালী চম্ভালি আগবঢ়াই দিয়া বাবেই ইমানখিনি সমাজৰ কাম কৰিব পাৰিলে চাগে, পানী এগিলাচো লৈ নোখোৱা মানুহজনক কাপোৰ- কানিৰে সজাই পৰাই সময়মতে ভাত-পানী খুৱাই উলিয়াই পঠিওৱাটো মোৰ বাবে সহজ হৈ পৰিল। সদায় সমাজৰ কথা ভবা মানুহজনক সময় মতে উলিয়াই পঠিওৱাটো মোৰ দায়িত্বৰ ভিতৰৰ বিষয় হৈ পৰিছিল। আজি কালি বয়সে হেঁচা দিছে বাবে ভাগৰ লাগে। তথাপি নকৰি নোৱাৰো। দায়িত্বই এতিয়াও লগ এৰা নাই। এটা কথা স্বীকাৰ কৰিবই লাগিব যে মানুহজনৰ খংটো অলপ বেছি। তথাপি এই সকলোবোৰ চম্ভালি লৈছিলো। ইয়াৰ মাজতে চিলাইৰ কামো কৰিছিলো।

এই সকলো সংসাৰৰ নিয়ম বুলিয়েই মানি চলিলো। এতিয়া সকলোৰে সংসাৰ হৈছে। সকলোৰে মংগল হোৱাটো কামনা কৰো। ভগৱানে সকলোকে কুশলে ৰাখক। তেখেতৰ কৰ্মোদ্যম অটুট থাকক।

লেখক ঃ ৰহেশ্বৰ সোনোৱালৰ পৰিবাৰ।

❑❑❑

আত্মকথাঃ

সোণালী সোঁৱৰণীৰ দলিচা ঃ উভতি চাওঁ

"বৰ্ষা হয়ে এল শেষ
দিন হয়ে এল সমাপন
গাহিতে চাহিছে হিয়া
পুৰাতন হৃদয়েৰ সৰ্বশেষ গান।"

কবিগুৰুৰ উক্ত পংক্তিৰে আৰম্ভ কৰিছো স্মৃতিৰ ফাঁকে ফাঁকে ধৰা দিয়া জীৱনৰ কিছু কথা।

পটভূমি ঃ

অবিভক্ত লক্ষীমপুৰ জিলাৰ ডিব্ৰুগড় মহকুমাৰ পূব প্ৰান্তত অৱস্থিত লেঙেৰী মৌজা। কোনোবা এক লেঙুৰী বুঢ়ীয়ে শলগুৰি আলিয়েদি লেঙেৰাই লেঙেৰাই আহোম ৰাজত্বৰ স্মৃতি বিজড়িত আঘোণী ভেটি নাইবা মেছলৌ কুঁৱৰীৰ মৈদামলৈ আহি থকা দেখিয়েই হয়তো নাম দিয়া হ'ল লেঙেৰী মৌজা। মৌজাটোৰ দক্ষিণ সীমাত শলগুৰি আলি আৰু উত্তৰ সীমান্তত আৱহমান কালৰে পৰা বৈ থকা বুঢ়ী দিহিং নদী। পশ্চিম সীমান্তত অৱস্থিত খোৱাং-যাক আহোম ভাষাত স্বৰ্গৰ দুৱাৰ বুলি কৈছে। মৌজাটোৰ মাজেৰে বুঢ়ী দিহিঙৰ প্লাৱিত পানীৰে সৃষ্ট দুখন জান তিলৈ আৰু নামদাং জান। বাৰিষা কালত বুঢ়ী দিহিঙৰ বাঢ়নী পানীয়ে নদীৰ দুয়োপাৰে বাগৰি পশ্চিমলৈ বৈ গৈছিল। ১৯৫০ চনৰ আগলৈকে নদীৰ দুয়োপাৰে আজিৰ দৰে মথাউৰি নাছিল। সেয়েহে বুঢ়ী দিহিঙৰ বিধৌত অঞ্চলটি অতি সাৰুৱা কৃষিভূমি, কিম্বা বনভূমিত পৰিণত কৰি প্ৰকৃতিয়ে ৰচিছিল এক বিনন্দীয়া কানন। উৰ্বৰা কৃষি ভূমি শস্যৰে নদনবদন। জান, জুৰি, বিল-পুখুৰী, পিটনি আদি ঠাইত নানাধৰণৰ মাছ, কাছ আৰু সৰীসৃপ আদিয়ে ভৰি আছিল।

জান, জুৰি বিলাকৰ মাজে মাজে থকা বিভিন্ন গছ-গছনি- ঔ, আজাৰ, ৰঘু, জৰী, মশাল, ডিমৰু, জামু, ইকৰা, পাটিদৈ, নল-খাগৰি, বেত, আদি বনজ সম্পদেৰে উভৈনদী হৈ আছিল। নামদাং হাবি মৌজাটোৰ মাজ ভাগত অৱস্থিত ঘন বনাঞ্চলত, নাহৰ, জুটুলী, চপা, আজাৰ, হলং আদি ওখ ওখ গছে এটা পাহাৰৰ দৰে উন্নত শিৰে থিয় হৈ আছিল। এই আগাধ্য বনাঞ্চলটো ১৯৩৪ চন মানত বৃটিছ চৰকাৰে নামদাং সংৰক্ষিত বনাঞ্চল ঘোষণা কৰি ৰক্ষণাক্ষেণ দিছিল। একালত এই নামদাং বনাঞ্চলতে আছিল নানা ধৰণৰ বাঘ, নাহৰফুটুকী, ঢেঁকীয়াপতীয়া, লতা মাকৰি, ঘোং, ভালুক আৰু নানা ধৰণৰ পহু, সুগৰি, হৰিণা, শৰ, গাহৰি, কেঁটেলাৰ উপৰি এসময়ত হাতী, গঁড় আদি থকা প্ৰমাণ এই বনাঞ্চলত থকা, হাতীঘুলি, গৰমৰা, গৰমৰা হাতীগড় , পিলখানা আদি ঠাইৰ নামকৰণেৰে প্ৰমাণিত কৰে।

এই নামদাং বনাঞ্চলৰে অন্তৰ্গত হাকৈবিল, দৈয়াংবিল, মেৰবিল আদিত মাছ, ৰৌ, বৰালি, শ'ল, কুড়ি, মাগুৰ, শিঙি ইত্যাদি মাছৰ উপৰি কাছ আদি উপলব্ধ হৈছিল। আমাৰ পূৰ্বজ সকলে মহা আনন্দেৰে দুবেলা দুমুঠি তৃপ্তিৰে খাইছিল। কৈশোৰ কালত আমিও বয়সস্থ সকলৰ লগত মাছ ধৰিবলৈ গৈছিলোঁ।

আমাৰ দেউতাহঁতে, পিতাইহঁতে, ককাইহঁতে এই নামদাং বননিতে চিকাৰ কৰিছিল, হৰ, হৰিণা, সুগৰি, গাহৰি, কেঁটেলা আদি পহুৰ মাংস আনি খাইছিল। গাঁওখনত এনলীয়া বন্দুক এটা আৰু দুই নলীয়া খজা বন্দুক দুটা আছিল। পাকৈত চিকাৰীও আছিল তিনি-চাৰিজন।

সৰু কালত আমাৰ পিতাই চিকাৰীৰ লগত চিকাৰলৈ গ'লে আমি দিনত ভাত নাখাইছিলো। কিয়নো আমি জানো যে চিকাৰলৈ গ'লে কেতিয়াও শুদা হাতে ঘূৰি নাহে, হয় পহু মাংস নহয় মাছ নাইবা তাকো নেপালে কেতিয়াবা মৌ পাৰি নাইবা বেত গাজ কাটি লৈ ঘৰলৈ আহিছিল আৰু তাৰ পাছতহে আমি পিতাইৰ লগত একেলগে ভাত খাইছিলোঁ।

নামদাং বননিৰ মাজত থকা দলনি চেচনি, গৰমৰা দলনি পানীখোৱা আদিত আমাৰ পিতাইহঁতে ম'হ চৰাইছিল আৰু খুঁটি পাতিছিল। ম'হ খুঁটিত বাহৰ পাতি থাকোতেই পাতিদৈৰ ঢাৰি বনুৱা আৰু কাঠী কামিৰ কাম ডাঙৰৰ পৰা শিকি লৈছিল। বিন বজোৱা, পেপা বজোৱা বনগীত গোৱা কামো দলনীত ম'হ চৰাওঁতে হৈছিল।

বানপানী আহিলে গৰু ম'হৰ বাবে নলনি দলনি, সৰু দলনি, গড়মৰা দলনি, গেৰেকনিৰ পৰা নাৰেৰে, দলঘাঁহ উইদল, এৰালি আদি ঘাঁহ কাটি আনিছিল।

আহিন, কাতি মহীয়া ককাইহঁতে সৰু দলনিৰ ভেৰ গছৰ তলত গাঁত লোৱা, পখৰা চেঙা, লুটোঙা চেঙা মাগুৰ মাছ আদি টুনা ভৰাই ঘৰলৈ আনিছিল। ভাদ, আহিন মহীয়া আমাৰ নিজৰ বলিয়াঘৰ পথাৰত তোহা, ডিলাংতোহা আদি পাতি ৰাতিপুৱা ডাঙৰ খালৈৰে এখালৈ মাগুৰ মাছ, গৰৈ মাছ, শ'ল মাছ, কাৱৈ মাছ আনিছিল। আমি সৰুবোৰে দুটাকৈ পকা মাগুৰ ৰেপদি জুইত শালি দি খাইছিলো। আমি সৰুতে ইমানেই মাছ খাবলৈ পাইছিলো খাওঁতে খাওঁতে পেলুৱে পেটত নধৰা হৈছিল। জ্বৰ হৈছিল, আৰু চিৰতা পানী খাই পেলুজ্বৰ ভাল হৈছিল। পুহ মাঘ মহীয়া মায়ে লগৰ মাছ মৰীয়াৰ সৈতে জাকৈ জুলুকি লৈ নামদাং বিলত প্ৰায়ে মাছ মাৰিবলৈ গৈছিল আৰু খালৈ ভৰাই ডাঙৰ ডাঙৰ খলিহনা, পুঠি, শিঙৰা, শিঙি, গৰৈ আদি মাছ লৈ আহিছিল।

এই অনন্য সুন্দৰ প্ৰাকৃতিক সম্পদৰে ভৰা অঞ্চলটোলৈ আমাৰ পূৰ্ব পুৰুষসকলে আহি ১০৭ নং এফ এছ গ্ৰান্টৰ মাজ ভাগত নখাট নগাঁও নাম দি ১৫ /২০টা পৰিয়ালৰ লোকে বসবাস কৰি এটা নামঘৰ সাজি গাঁও পাতি শান্তি সম্প্ৰীতিৰে দিন কটাইছিল। গাঁওখনলৈ টেঙাখাত, জামিৰা, নাওজান আদি ঠাইৰ পৰা গাঁৰখাৰি গেবাৰি, সৰুমাঝি, কচৰী, তুহৰি, মুদৰী, বৰগিয়াৰী, বৰঘিয়াৰী, পকাৰি আদি পৰিয়াল (সঁচ)ৰ লোকে হোলা পথাৰ, মধুপথাৰ, মৌখুটি , নলনি, লোমদাং, কচুপথাৰ, বলিয়াঘৰ পথাৰ আদিত শালিখেতি কৰি স্বচ্ছন্দে জীৱন নিৰ্বাহ কৰি আছিল আৰু আছে।

বংশ পৰিচয় ঃ আমাৰ ককাদেউতা ঁভবং সোনোৱাল গাঁওখন স্থাপনৰ সময়তে টেঙাখাত অঞ্চলৰ পৰা আহি নখাট-নগাঁৱত বসতি কৰে। তেওঁৰ একমাত্ৰ পুত্ৰ ঁলক্ষীয়ে নখাট পুৰণি গাঁও ঁদম্ভিধৰ দাস(হাজৰিকা)ৰ বায়েক ঁকলীয়াক বিয়া কৰি তিনিটা সন্তান আৰু তিনিজনী জীয়ৰীৰ সৈতে গৃহ সংসাৰ চলাইছিল। বৰপুত্ৰ ঁফণীধৰৰ দুই পুত্ৰ ঁভাৰত আৰু ঁতিলক সোনোৱাল। মাজুপুত্ৰ ঁৰম্ভীৰামৰ দুগৰাকী ছোৱালী ঁগালং আৰু সুখেশ্বৰী আৰু সৰু পুত্ৰ ঁমুকুট (মুকুন্দ)ৰ তিনি পুত্ৰ শ্ৰীৰহেশ্বৰ, ঁৰুদ্ৰেশ্বৰ, শ্ৰীচন্দ্ৰকান্ত (বাবু) আৰু ছয় গৰাকী জীয়ৰী যথাক্ৰমে ঁসোবন, সুখেশ্বৰী, ডাউকী, কুমলা আৰু হৰিপ্ৰিয়া আৰু অসীমা। দেউতা লক্ষীনাথ জীয়াই

থকাৰ বহু পিছলৈকে আমি এটা যৌথ পৰিয়ালৰূপে একেটা ঘৰতে বাস কৰিছিলোঁ।

১৯৩৭ চন মানত পিতাই গ্ৰাণ্ট শলগুৰি গাঁৱৰ পৰা কলাখোৱাৰী পৰিয়ালৰ আইক ঁজাধৈ সোনোৱালক বিয়া কৰাইছিল, ১৯৩৮ চনত মোৰ বাই সোবনৰ জন্ম হৈছিল। মোৰ জন্ম ১৯৪০ চনৰ জুলাই মাহৰ ১ তাৰিখে। জন্মৰ দহ দিনমান পাছত বাজলৈ আনি চেৰাচুলি খুৰাই চেৰাচুলিখিনি গোবৰ মিহলাই এটা তামৰ পইচা দি বাহিৰৰ বেৰত লেপি থৈছিল আৰু এখন সৰু ধনুকাড় সাজি ওপৰত আঁৰি দিছিল। দুজনমান জ্ঞাতি মাতি সুধী সবাহ পাতি জাতত উঠাইছিল। কেইদিনমান পিছত ঁডিম্বেশ্বৰ শইকীয়াৰ দ্বাৰা পঞ্জিকা চোৱাই নাম দিছিল ৰূপন, ৰঙেশ্বৰ ওৰফে ৰহেশ্বৰ।

ঘৰখনত প্ৰথম সন্তান হ'লে সকলো পিতৃ-মাতৃয়ে আনন্দ লাভ কৰাৰ দৰে আমাৰ পিতৃ-মাতৃয়েও প্ৰথম ল'ৰা সন্তান হিচাপে আদৰ-সাদৰে তুলি তালি ভৱিষ্যতৰ ৰঙীণ কল্পনা কৰিছিল।

আঘোণ মাহত ম'হখুঁটি পথাৰত মায়ে ধানদাবলৈ গ'লে বোকোচাত বান্ধি লৈ গৈছিল আৰু এখন ধৰাত ওপৰলৈ মুখ কৰি শুৱাই ধান কাটিছিল। মই অপলকভাৱে নীলিম আকাশলৈ চাই চাই আৰু ধাননিৰ কাষতে থকা শহ গছৰ ৰঙা গুটিবোৰলৈ চাই কলমলাইছিলো আৰু টোপনি গৈছিলো। মায়ে মাজে মাজে আহি পিয়াহ দি গৈছিল। এনেকৈয়ে ঘৰখনৰ বাই-ভনী আদি সকলোৰে আদৰ যত্নত ডাঙৰ হৈ উঠিছিলো আৰু গৰু চৰাব পৰা বয়স হৈছিল। দ্বিতীয় মহাযুদ্ধৰ শেষৰ ফালেলৈ আমাৰ বয়স চাৰি-পাঁচ বছৰ হ'ব। আকাশত যুদ্ধ বিমান জাক পাতি উত্তৰ ফাললৈ উৰি যোৱা দেখিছিলো। খন্তেক পিছতে চো-মাৰি তললৈ নামি নাদুৱা ফিল্ডত বোমা দিয়াৰ গুৰুম গুৰুম শব্দ আৰু বৰতোপৰ শব্দ শুনিবলৈ পোৱা গৈছিল। মাজে-সময়ে যুদ্ধ বিমানবোৰে খেদা-খেদি কৰাৰ দৃশ্যও দেখিছিলোঁ।

লেঙেৰীত আমেৰিকান সেনাই এটা তেলৰ ভাণ্ডাৰ পাতিছিল। তেওঁলোকে লৰীৰে কমলা টেঙা নিবলৈ আমাৰ গাঁৱলৈ আহিছিল। সেই সময়ত আমাৰ গাঁৱৰ প্ৰতি ঘৰ মানুহৰে সৰু-ডাঙৰ কমলাবাৰী আছিল। ক'লা ক'লা নিগ্ৰো সেনাবোৰ দেখি আমি পলাইছিলোঁ।

মোৰ বয়স ৬ বছৰ মান হওঁতে মোৰ বৰপায়ে (বৰ পিতা) ঁৰন্তীৰাম সোনোৱাল আৰু ঁলম্বোদৰ বৰুৱাই স্থাপন কৰা নখাট-নগাঁও প্ৰাথমিক বিদ্যালয়ত

নাম লগাই দিছিল। গাঁৱৰ ৰাস্তাটো এটা বহল গোবাটহে আছিল। বাৰিষা ল'ৰাবোৰে ঠায়ে ঠায়ে একাঠু পানীৰ মাজেৰে যাব লগা হোৱাত পেণ্ট খুলি কান্ধত লৈ পাৰ হৈছিলো। সেই কালত ছোৱালী বিলাকক স্কুললৈ পঠিওৱা নাছিল। তিনি-চাৰিজনী মান ছাত্ৰীয়েহে স্কুলত পঢ়িবলৈ গৈছিল। স্কুলত ডেস্ক বেঞ্চৰ ব্যৱস্থা নাছিল। মাটিত ধৰা, কঠ পাৰি বহিছিলো। পিছলৈ ২য় -৩য় শ্ৰেণীৰ ছাত্ৰৰ বাবে বেঞ্চ, ডেস্কৰ ব্যৱস্থা কৰিছিল। আমি ২য় শ্ৰেণী পাওঁতে টেপৰগুৰি গাঁৱৰ ঁভুগেশ্বৰ শইকীয়াই শিক্ষকতা কৰিবলৈ আমাৰ স্কুলত যোগ দিলেহি। প্ৰধান শিক্ষক হিচাপে তেখেতে কাঢ়া শাসন চলাইছিল। হাতৰ আখৰ ভালকৈ লিখাত আৰু বানান শুদ্ধ হোৱাত অধিক গুৰুত্ব দিছিল। পঢ়া নোৱাৰিলে তেখেতৰ পৰা হাত পাতি বেত খাব লগা হৈছিল। তেখেত কিন্তু ছাত্ৰ সকলৰ প্ৰতি মৰমিয়াল আছিল। সেইকালত ব'হাগ বিহুৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে ব'হাগৰ প্ৰথম দিনা গুৰুসেৱা কৰিবলৈ পাণ-তামোল, গাখীৰ, কণী, দক্ষিণা ইত্যাদি লৈ পুৱাই গুৰুৰ ঘৰত উপস্থিত হৈছিলো। শিক্ষকক সেৱা কৰাৰ পাছত আমাক পিঠাপনা, জা-জলপান আদি খুৱাই পঠাইছিল। সেই দিনটো আমাৰ বাবে অতি আনন্দৰ দিন আছিল তাতে ব'হাগ বিহুৰ আৰম্ভণি।

মোৰ শৈশৱৰ লগৰীয়া সকল আছিল ঁকুলামন বৰুৱা, ঁযদু বৰুৱা, ঁতৰুণ সোনোৱাল, শ্ৰীজোনাৰাম বৰুৱা, ঁলোগেশ্বৰ বৰুৱা, ঁকলেঙা বড়া আদি। মই এইসকলৰ লগতে গৰু চৰোৱা, ম'হ চৰুৱা, খেলাধূলা কৰা, দলনিৰ পৰা ম'হ আনিবলৈ যোৱাৰ উপৰি বিহুগীত, বনগীত গোৱা, বল খেলা, পেঁপা বাঁহী আদি বজাবলৈ শিকাৰ আখৰা চলিছিল। মাঘ বিহু আহিলে মতা ম'হ লগাই হাবিৰ পৰা চ'হ গছ, মদাৰ কাঠৰ ডাঙৰ কুন্দা টনাই আনি মেজি খৰি ফলা, মেজিঘৰ সাজি ৰাতি ঢোলে ডগৰে মেজি ৰখা কামত সকলোৱে আনন্দ মনে কৰি গৈছিলোঁ। বিহুৰ দহ বাৰ দিন আগৰে পৰা আমাৰ গাঁৱৰ চাৰিওফালে থকা গাঁওবোৰ গধূলি আৰু ৰাতিলৈ ঢোল-পেঁপাৰ মাতে ৰজনজনাই গৈছিল। উৰুকাৰ দিনা গধূলি গাঁৱৰ বুঢ়া-ডেকা সকলোৱে মিলি মেজি ভোজ খাইছিল। বিহুৰ বাবে বনাবলৈ দিয়া মদ বাঁহৰ চুঙা কাটি পৰিৱেশন কৰা হৈছিল। সেই সময়লৈকে এলুমিনিয়ামৰ পাত্ৰ আমি দেখা নাছিলোঁ।

আমাৰ সৰু কালত গাঁৱৰ সকলো মানুহেই মাটিত খেৰ ঢাৰি পাৰিয়েই শুইছিল। বাঁহৰ বা কাঠৰ বিচনা পাটী তেতিয়া নাছিল। আঁঠুৱাৰ ব্যৱহাৰো জনা নাছিল। জাৰৰ দিনত এৰিয়া বৰ কাপোৰ দুজাপ তিনি জাপকৈ জাপি শুইছিলো।

একোখন বৰ কাপোৰ বিশ-পঁচিশ হাত দীঘল আছিল। লেপ তুলি তেতিয়া নাছিল। আমাৰ ঘৰখন দৌতা লক্ষীনাথকে প্ৰমুখ্য কৰি, আবৈ বৰপাই, বৰমা, ডাঙৰকাই, সৰুকাই, ডাঙৰ বৌ, সৰুবৌ, পিতাই-আই, ডাঙৰ বাই, সৰুবাই আদিৰে এটা ডাঙৰ যৌথ পৰিয়াল। আজাৰ, নাহৰৰ ডাঙৰ ডাঙৰ খুঁটাৰে সজা বৰঘৰ, মেৰাঘৰ, শোৱাঘৰ আৰু ভঁৰালঘৰ। গোহালিত দহ-বাৰটা গৰু আৰু খুঁটিত চাৰি-পাঁচটা ম'হ প্ৰায়ে আছিল। গৰু গাখীৰ, ম'হ গাখীৰ ঘৰতে পাইছিলো।

সেয়েহে খেতিবাতি কৰিবলৈ হালৰ বা মানুহৰ অভাৱ নাছিল। অত্যধিক বানপানী নহ'লে খেতি প্ৰায়ে ভালেই হৈছিল। শালি খেতিৰ উপৰি ঘৰৰ বাৰীবোৰেত শাক পাচলিৰ খেতি, সৰিয়হ আৰু কুঁহিয়াৰ পেৰা, থালিত গুড়ৰ পাগ চোৱাৰ কথা আজিও মনত পৰে।

১৯৪৮ চনত দক্ষিণ দিশৰ পৰা তিনিফুট ওখ হৈ নখাট পথাৰেদি বলিয়া বানপানী আহিছিল। প্ৰথমতে আমি দূৰৰ পৰা পথাৰখন বগা হৈ কি আহিছিল ধৰিবই পৰা নাছিলো। চাওঁতে চাওঁতে পানী আহি আমাৰ বাৰী-ঘৰ সকলো বুৰাই পেলাইছিল। গৰু, ম'হ বিলাকৰ থাকিবলৈ ওখ ঠাই নাছিল। বানপানী কমিলত গৰু, ম'হ বিলাকৰ তেজ হাগনি বেমাৰ আৰম্ভ হ'ল আৰু সেই বেমাৰতে আমাৰ ডাঙৰ গৰু হালৰ এটা মৰিল। এদিন গোবাটৰ কাষতে থকা যোগেন বৰুৱাৰ ঘৰ আমাৰ ঘৰে পানীখোৱা নাদটোৰ কাষতেমই ৰ'দলৈ বহি আছিলো। ওচৰতে বৰুৱাৰ ঘৰৰ মতা মহক ঘাঁহ দি বান্ধি থৈছিল। এনেতে নখাটৰ পৰা নাও লৈ এজন মানুহ আহি আমাৰ ওচৰতে নাও ৰাখি খন্তেক ৰ'ল। ঘাঁহ খাই থকা ম'হটোৰ ওচৰতে মই বহি আছিলো। মই গা-ধুই ঘৰত যেতিয়া সোমাওঁ, পেটতো চিকুট মাৰি ধৰাত ধৰফৰাবলৈ ধৰিলো। বৰপায়ে উপায়হীন হৈ দৌতাৰ ধঁপাতখোৱা চিলিমৰ পানী এঘোটা খুৱাই দিয়াৰ লগে লগে ভাল পালো যদিও ম'হটোৰে আওক কৰি চিঞৰ মাৰি মৰি থাকিল। মানুহজনৰ লগতেই ভূত কিম্বা আলক্ষণী লাগি আহিছিল বুলি মানুহে কোৱা-কুই কৰিলে। মই নিশ্চিত মৃত্যুৰ পৰা হাত সাৰিলো। বেচেৰা ম'হটো ৰক্ষা নেপালে।

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা স্কুলত শিক্ষকে আমাক সমৱেত কৰি পতাকা উত্তোলন কৰি "অ মোৰ আপোনাৰ দেশ" গাবলৈ দি ক'লে যে ভাৰত আজি স্বাধীন হ'ল আৰু ঘৰে ঘৰে কথাটো জনাবলৈ ক'লে। তেতিয়াৰ দিনত আমাৰ অঞ্চলত কোনো বাতৰি কাকত নাছিল।

১৯৪৮ চনৰ ৩০ আগষ্টৰ দিনা স্কুল আৰম্ভ হোৱাৰ আগতে আমাক স্কুলৰ

বাহিৰত সমৱেত কৰি প্ৰধান শিক্ষক মহোদয়ে কান্দোনমুৱা মাতেৰে মহাত্মা গান্ধীক আততায়ীয়ে গুলীয়াই হত্যা কৰাৰ কথা জনাই স্কুল ছুটী দিলে। আমি ল'ৰাবোৰে যি কাৰণতে নহওক স্কুল ছুটী দিলেই আনন্দ পাইছিলোঁ আৰু ঘৰলৈ গৈ ফলি পুথি পেলাই খেলিবলৈ ঢাপলি মেলিছিলোঁ।

আমাৰ দৌতা ঁলক্ষীয়ে কানি খাইছিল আৰু কানি আনিবলৈ শলগুৰি গাঁৱলৈ মোক প্ৰায়ে লগত লৈ গৈছিল। মথাউৰিৰ কাষে কাষে থকা গেৰেগুৱাবোৰ দেখি মোক গাই শুনাইছিল-

'কাংকৌ বাৰীতে গেৰেগুৱা

ঘৈণীয়েকৰ কঁকালটো খৰেখোৱা।

দৌতাই উক্ত ঘৰতে কানি পান কৰি এমহা, আধাতোলা কানি কিনি ৰংমনে ঘৰলৈ বুলি ৰাওনা হৈছিল আৰু মই গাইৰ পিছে পিছে যোৱা দামুৰিটোৰ দৰে পিছে পিছে অনুসৰণ কৰিছিলো।

দৌতাই ক'ত কিমান পঢ়িছিল নেজানো। কিন্তু তেওঁক সৰুকৰতি, বৰকৰতি পুথি লৈ আমাৰ ঘৰলৈ জৰা- ফুকা কৰিবলৈ অহা মুনিহ-তিৰোতাক হাতত বিহলঙনী লৈ আমুকাক বান্ধো, তামুকাক বান্ধো, হৰ বিষ হৰ, আমুকাৰ বিষ পানী কৃত হৈ পৰ' বুলি সুললিত স্বৰে বেজালি কৰা দেখিছিলো। গাঁৱত কোনোবা ঘৰে নাম কীৰ্তন কৰিলে ভাগৱতী হিচাপে কীৰ্তন পাঠ আৰু নাম দিবলৈ নিমন্ত্ৰণ কৰি নিছিল। কেতিয়াবা অন্য গাঁৱলৈকো ভাগৱতী হিচাপে নিমন্ত্ৰণ কৰি নিছিল। দৌতা আমাৰ যৌথ পৰিয়ালটো থকালৈকে জীয়াই আছিল। ১৯৫০ চনৰ আগষ্ট মাহৰ ১৫ তাৰিখ। ঘৰৰ আটাইবোৰে সন্ধিয়া ৬ বজাত ভাত-পানী খাই আজৰি হৈ মেৰাঘৰত বহি আছিলো। আমাৰ তিনিটা ডাঙৰ ঘৰ আছিল- বৰঘৰ, মেৰাঘৰ আৰু শোৱাঘৰ। বৰঘৰত মজিয়াহালৰ এফালেদি দৌতা-আবৈৰ শোৱা কোঠা আৰু বৰপাই-বৰমাৰ শোৱা কোঠা আছিল। ঘৰৰ খুঁটাবোৰ ডাঙৰ ডাঙৰ নাহৰ, জামু আৰু আজাৰ কাঠৰ আছিল। চালবোৰ আছিল হৰণখেৰে ডাঠকৈ চুওৱা। মেৰাঘৰৰ জুহালৰ আশে-পাশে সকলোৰে বহি আছিলোঁ, লগতে এজন সমন্ধীয়া দদাইদেউ (বৰগলা) বহি আছিল। হঠাৎ এটা গুমগুমনি শব্দ হ'ল আৰু পিছ মুহূৰ্ততে ঘিট্ ঘিট্কৈ পৃথিৱী কঁপিবলৈ ধৰিলে। ভূমিকম্প, ভূমিকম্প বুলি ইফালে-সিফালে দৌৰা দৌৰি হ'ল। জোকাৰণি ইমান বেছি আছিল যে থিয় হৈ থাকিব নোৱাৰি য'ত ত'ত ধৰি লৈছিলো। সমন্ধীয়া দদাইজনে মেৰাঘৰৰ নাহৰ খুঁটা এটাত যি সাবটি ধৰিলে ৭ মিনিটৰ পাছত জোকাৰণি যোৱাৰ পাছতো খুঁটাকো

সাবটিয়ে আছিল। ওখ তামোল গছবোৰ ঘৰৰ মুধচত পৰাত ঘৰটো মেৰেক মাৰাক কৰি কঁপিছিল, আটাইবোৰে ৰাম ৰাম ৰাম বুলি চিঞৰিছিলো। লগে লগে উত্তৰে বুঢ়ী দিহিঙৰ ফালে ধুম, ধাম কৰি ডাঙৰ শব্দ শুনা গৈছিল। আমিবোৰে ক'ত কি হৈছে ধৰিব পৰা নাছিলো। পিছত জানিলো সেইবোৰ নদীৰ তলৰ পৰা, বিলৰ তলৰ পৰা ওঁহ ফাটি প্ৰচণ্ড শব্দ হৈছিল। প্ৰত্যেক চাৰি পাঁচ মিনিটৰ পাছে পাছে ভূমিকম্পৰ জোকাৰণি হৈছিল। পুৱাৰ ভাগলৈ জোকাৰণি কম হৈ আহিল। নদীত প্ৰবল বান আহিল, নৈপৰীয়া মানুহে নদীয়েদি গৰু -ম'হ, মানুহ, ঘৰ দুৱাৰ, গছ-গছনি আদি উটি যোৱা দেখিলে। প্ৰচণ্ড বানপানীয়ে নদীৰ গতি সলনি কৰি ওখ ঠাই দ আৰু বাম ঠাই বিলাক দ কৰি পেলালে।

ভূমিকম্পৰ জোকাৰণি ছেগাচোৰোকাকৈ প্ৰায় ১৫ /২০ দিন মান আছিল। পিছলৈ পথাৰত হালবাই থাকোতে জোকাৰণি আহিলে স্ফূৰ্তিহে লাগিছিল আৰু ই সি সি বুলি চিঞৰিছিলোঁ।

১৯৫১ চনত মই তৃতীয় শ্ৰেণীত উত্তীৰ্ণ হৈ খোৱাং বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত বৃত্তি পৰীক্ষা দিছিলো। পিছে বৃত্তি নেপালো। প্ৰাথমিক বিদ্যালয়ৰ চাৰ্টিফিকেট লৈ ঘৰৰ পৰা প্ৰায় ৭ মাইল আঁতৰত অৱস্থিত লেঙেৰী হাইস্কুলৰ চতুৰ্থ শ্ৰেণীত নাম লগালো। ৰাস্তা-পদূলি নথকা নগাঁও নখাটৰ গোবাটেদি হৈ ভগা ছিগা লেঙেৰী-চহৰীকটা আলিয়েদি নিতৌ স্কুললৈ অহা-যোৱা কৰিছিলোঁ। সঙ্গী আছিল একেখন গাঁৱৰে তৰুণ সোনোৱাল, যদু বৰুৱা, লোগেশ্বৰ বৰুৱা, যোগেন বৰুৱা আদি।

উক্ত স্কুলত পঢ়া নখাট, চাংমাই, চাওদাং আদি গাঁৱৰ সকলো ছাত্ৰই খালি ভৰিৰে বোকাপানী গচকি স্কুললৈ অহা যোৱা কৰিছিলোঁ। বাৰিষা কালত ভগা ছিগা লেঙেৰী-চহৰীকটা আলিয়েদি অহা যোৱা কৰা আমিবোৰ ছাত্ৰই স্কুলৰ পৰা ছুটী লৈ ওচৰৰ গাঁৱৰ পৰা বাঁহ খুজি আনি আলিটোৰ ভগা ভগা অংশ বাঁহেৰে সাঁকো বান্ধি অহা যোৱাৰ সুবিধা কৰি লৈছিলোঁ। এনেদৰেই বাৰিষা কালত অতি কষ্টৰে অহা-যোৱা কৰিছিলোঁ। খৰালি কালত পথাৰ উদং হ'লে চাউদাঙৰ পৰা নখাট পথাৰেদি পোনপটীয়া ৰাস্তাৰে অহা-যোৱা কৰিছিলোঁ।

লেঙেৰী আৰু নাচনী অঞ্চলৰ মাজত লেঙেৰীতে এখন এম ভি স্কুল, এখন এম ই তথা হাইস্কুল আছিল, সেয়েহে দূৰ দূৰণিৰ পৰা আহি যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰিছিল। হাইস্কুলৰ আমাৰ শিক্ষক সকলো এই অঞ্চলৰে গাঁৱৰ পৰা অহা লোক আছিল। তেখেতসকল নখাট পুৰণি গাঁৱৰ শ্ৰদ্ধাৰ্ কৃষ্ণ

শইকীয়া, লেঙেৰী মৰাণ গাঁৱৰ শ্ৰদ্ধাৰ ঁজিলাৰাম চাংমাই, কেন্দুগুৰিৰ শ্ৰদ্ধাৰ ঁতীৰ্থ সন্দিকৈ, আযোণীবাৰীৰ শ্ৰদ্ধাৰ ঁসুৰেন গোঁহাই, ডিব্ৰুৱাল গাঁৱৰ শ্ৰদ্ধাৰ ঁজ্যোতি গগৈ, চাউদাং গাঁৱৰ শ্ৰদ্ধাৰ ঁভৰত চাংমাই, প্ৰধান শিক্ষক শ্ৰদ্ধাৰ ঁচিকন চন্দ্ৰ গগৈ আৰু সংস্কৃত শিক্ষক শ্ৰদ্ধাৰ ঁশৰ্মাদেৱ শিৱসাগৰৰ পৰা আহি বৰ্ডিঙত থাকি শিক্ষাদান কৰিছিল। গণিতৰ শিক্ষক ঁকৃষ্ণ শইকীয়া অতি কাঢ়া আছিল আৰু হোমৱৰ্ক কৰি নিনিলে হাত পাতি বেত খাব লগা হৈছিল। তেখেতৰ যাদৱ গণিতখন সম্পূৰ্ণ মুখস্থ আছিল আৰু কোনো এটা অংক কোন উদাহৰণৰ কেই নম্বৰ অংক আৰু তাৰ উত্তৰ কি তৎক্ষণাৎ কৈ দিব পাৰিছিল। এবাৰ তেখেতে হোমৱৰ্ক কৰি নিনিয়াৰ বাবে প্ৰতিজন ছাত্ৰকে বৰ বেয়াকৈ কোবাইছিল। মই অংকবোৰ কৰি নিছিলোঁ বাবে বেতৰ পৰা হাত সাৰিলোঁ। পিছত মোৰ বেয়া লাগিছিল। আহিন- কাতি মহীয়া নামঘৰত গায়ন শিকাৰ মাত নিজ গাঁৱৰ উপৰি নখাট, চাউদাং, ডিব্ৰুৱাল, থুকানহতীয়া আদি গাঁৱৰ পৰা ভাঁহি আহিছিল। আমাৰ গাঁৱতো গায়ন আছিল। গাঁওখনৰ এমূৰে থকা নামঘৰত গধূলি গায়ন শিকিলে পঢ়া এৰি গায়নৰ ছেওবোৰ কাণপাতি শুনিছিলোঁ। পিছলৈ আমি গায়ন শিকিবলৈ গৈছিলোঁ। গাঁৱৰ গায়নযোৰাৰ বায়ন আছিল ঁকেশৰাম বৰুৱা। তেওঁ অতি সুললিত মাতেৰে গায়নৰ ৰাগ, নাম গাইছিল। মই প্ৰথমতে তাল আৰু পিছলৈ মৃদং বজাইছিলোঁ। মোৰ ককাই ঁতিলক সোনোৱাল আৰু ঁদম্বোৰাম বৰুৱা মৃদঙত পাকৈত আছিল। আমি সাত আঠ যোৰা গায়নৰ লগতো গাইছিলোঁ।

আমাৰ পিতায়ে ডেকা কালত গায়ন গাইছিল। কেতিয়াবা গধূলি ঘৰত গায়নৰ ৰাগ সুন্দৰ মাতেৰে আমাক শুনাইছিল-

কলচিত পানী নাই ৰে
কলচিত পানী নাই ৰে
যমুনা কিমানৰ দূৰ' —আদি পানীতোলা নাম আৰু মৃদঙৰ ছেও সুন্দৰকৈ গাই শুনাইছিল।

চলে বসুদেও
চলে বসুদেউ
চল ধীৰে ধীৰে আদি ৰাগ ললিতৰ কামুদৰ, জয়শ্ৰী, বৰাৰি আদি ৰাগৰ মৃদঙৰ ছেওবোৰ মুখেৰে গাই শুনাইছিল। সেয়েহে চেঙেলীয়া কালৰ পৰাই আমি গায়নৰ প্ৰতি আকৃষ্ট আছিলোঁ। পিতায়ে বীণ বজাবলৈও শিকাইছিল। ছাত্ৰ হিচাপে মই ক্লাছত মধ্যমীয়া আছিলোঁ। প্ৰতি বছৰে শ্ৰেণীত প্ৰথম, দ্বিতীয় বা তৃতীয়

স্থান লাভ কৰিছিলোঁ। সেয়েহে শিক্ষকসকলৰ পৰা মৰম-স্নেহ পাইছিলোঁ। শিক্ষাগুৰু সকলেও বৰ নিষ্ঠাৰে আমাক শিক্ষা দান কৰিছিল।

মধ্য বিদ্যালয়ৰ ৬ষ্ঠ শ্ৰেণীত আমি বাধ্যতামূলক মধ্য বিদ্যালয়ৰ পৰীক্ষা দিব লগা হৈছিল। খোৱাং হাইস্কুলত এই পৰীক্ষা অনুষ্ঠিত হৈছিল। উক্ত কেন্দ্ৰলৈ উত্তৰ পাৰৰ ধেমাজিৰ পৰাও মিচিং ছাত্ৰসকলে চুটি চুটি ধুতী চুৰিয়া পিন্ধি পৰীক্ষা দিছিল। মই উক্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিলোঁ আৰু স্কুলৰ সপ্তম শ্ৰেণীলৈ প্ৰমোচন পাইছিলোঁ। সেই সময়তে লেঙেৰী স্কুলখন বেতনীৰ পৰা বৰ্তমানে থকা নতুন ঠাইলৈ স্থানান্তৰিত কৰা হৈছিল। আমি নতুন ঘৰৰ বেৰ দিবৰ বাবে টকৌৰনী, নহলা, ডিব্ৰুৱাল আদি গাঁৱৰ পৰা বাঁহ কঢ়িয়াই আনিছিলোঁ। ঁইন্দ্ৰকান্ত গগৈদেৱ আছিল হাইস্কুলৰ পৰিচালনা সমিতিৰ সম্পাদক, তেতিয়ালৈকে স্কুলখন চৰকাৰী হোৱা নাছিল। হাইস্কুলত পঢ়ি থাকোতে মোৰ অন্তৰঙ্গ বন্ধু আছিল ঁহিতেশ্বৰ শেনচোৱা, শিৱনাথ চাংমাই, ঁডম্বৰু গগৈ, ঁদণ্ডী গগৈ, ঁকীৰ্তি হাজৰিকা, ঁভবেন গগৈ, বিনন্দ গগৈকে ধৰি আৰু কেইবাজনো। সপ্তম শ্ৰেণীৰ পৰা বাসন্তী গগৈকে ধৰি চাৰি গৰাকীমান সহপাঠী ছাত্ৰীও লগ পাইছিলোঁ। নৱম শ্ৰেণীত ঁকমলা গগৈ, টুপধৰ হাজৰিকা, ঁপূৰ্ণ সোনোৱাল অন্য স্কুলৰ পৰা আহি নাম লগাইছিল আৰু মোৰ বন্ধু হৈ পৰিছিল।

জেঠ মহীয়া নলনি পথাৰৰ কাষে কাষে থকা হাবি পুখুৰী বিলাকত মাছ মাৰিবলৈ প'ল'-জুলুকি লৈ আমিও গৈছিলোঁ। মুকলি পথাৰৰ পানী শুকাই যোৱাত মাছবোৰ হাবি পুখুৰীত গোট খাইছিল, বিধে বিধে মাছ, মৰথি পুঠি , চেনি, বৰালি শ'ল হাল, লালুৱা, শিঙৰা, কাৱৈ খলিহনা, চেঙেলী চেঙা, পুথি, গেদ গেদী, ককিলা, ডঁৰিকনা আদি। মাছ মাৰোতে পানীবোৰ ঘোলা হ'লে মাছৰ কমনি উঠিছিল। ককিলা মাছ, গেদ গেদী মাছ আৰু চেঙেলী মাছ মানুহে নাখাইছিল বাবে এৰি দিছিলো। খালৈ ভৰাই মাছ আনিছিলোঁ।

তেতিয়াৰ দিনত জাকৈ, প'ল', জুলুকি আদিৰেহে মাছ ধৰা হৈছিল, জালৰ ব্যৱহাৰ বহু পাছতহে আহিছিল। পৰৱৰ্তী সময়ত জালে মাছ ধৰা বাবে মাছৰ সংখ্যা দিনক দিনে কমি গৈছিল।

আমাৰ চেঙেলীয়া বয়সত আমাৰ পিতায়ে গাঁৱৰে ঁমহেন্দ্ৰ চিকাৰীৰ লগত নামদাং বননিত চিকাৰলৈ গৈ এজনী ঢেঁকীয়াপতীয়া বাঘ মাৰিছিল। বাঘজনী এটা হোলাইদি চিকাৰীৰ ফাললৈ আহি আছিল। প্ৰায় বিশ বাইশ গজমান দূৰত বাঘ দেখি চিকাৰীয়ে পিতাইক বহিবলৈ সংকেত দি বন্দুকটো টোঁৱাই গুলী কৰিলে,

গুলীটোৱে বাঘৰ মাজ কপালৰ মাজেদি সৰকি যোৱাত বাঘজনী ঠাইতে ঢলি পৰিল আৰু অলপো লৰচৰ নকৰাকৈ মৰি থাকিল। গুলী কৰিয়েই চিকাৰীয়ে 'পলা পলা' বুলি দৌৰি আঁতৰি আহিল। আধা ঘণ্টামান পাছত যি ঠাইৰ পৰা গুলী কৰিছিল সেই ঠাইৰ পৰা পাতৰ মাজেদি কৰা গুলীৰ গতি চাই নিশ্চিত হৈছিল যে গুলী মাজ কপালত লাগিছে আৰু কেই গজমান গৈয়ে এজনী চেউৰী ঢেঁকীয়াপতীয়া বাঘিনী মৰি থকা পালে। দুয়ো গাঁৱলৈ আহি খবৰ দিয়াত ৰাইজে বাঘিনীজনী লৈ আহি গাঁৱৰ গোবাটত সকলোৱে চাব পৰাকৈ লাং পাতি থিয় থিয়কৈ ৰাখিলে। ল'ৰা-ছোৱালী বিলাকক সাহস বঢ়াবলৈ বাঘজনীৰ পেটৰ তলেদি সৰকিবলৈ দিলে। বাঘজনী প্ৰায় চাৰি ফুট ওখ আৰু দহ হাতমান দীঘল আছিল। মৰা বাঘজনীও আমি বহুতে তলেদি সৰকিবলৈ সাহস কৰা নাছিলোঁ। ওচৰৰ গাঁৱৰ ভালেমান লোক বাঘ চাবলৈ আহিছিল।

মই ৬ষ্ঠ শ্ৰেণীত থাকোতে আন এদিন মহেন্দ্ৰ চিকাৰীৰ লগত পিতায়ে চিকাৰলৈ গৈছিল। অনেক পৰ হাবিৰ মাজত ঘূৰি ফুৰোতে চিকাৰীয়ে হঠাৎ এটা সুগৰী পহু দেখা পাই ভালকৈ বন্দুক টোঁৱাই গুলী কৰিলে। হঠাৎ বন্দুকৰ শব্দ শুনি উচাপ খাই আন এটা পহু আহি চিকাৰীৰ সন্মুখতে খোং খোং কৰি চিঞৰাত পুনৰ বন্দুক তুলি পহুটোলৈ গুলী কৰিলে। পিছত পহু বিচাৰোতে দুয়ো ফালে দুটা পহু দেখা পালে। অলপ দূৰত পহুজনীয়ে দিয়া পোৱালিটো মাকৰ গাখীৰ খাবলৈ ঢলং-পলংকৈ উঠা দেখা পাই দুয়োজনে মূৰে-কপালে হাত দি কৃতকৰ্মৰ অনুশোচনা কৰিলে। পহুজনীয়ে পোৱালি দি থিয় হৈছিলহে। এনেতে চিকাৰীৰ হাতত মৰা পৰিল। বাৰীত থকা মানুহে দুজাঁইকৈ বন্দুকৰ শব্দ শুনি বেছি উদগ্ৰীৱ হৈ পৰিছিল জানোচা বাঘলৈ গুলী কৰিলে। দুয়োজনে দুটা পহু সাঙি ভাৰ কৰি ল'লে আৰু পিতায়ে গাত লোৱা এৰী চাদৰখনেৰে পহু পোৱালিটো বোকোচাত লৈ বাৰীলৈ অহাত ৰৈ থকা মানুহ বিলাকে পাই পহু কেইটা ভাৰ বৈ আনিলে।

পিতায়ে বিষাদ মনেৰে পহু পোৱালিটো লৈ ঘৰলৈ আনি এটা দুধদানীত গৰুৰ গাখীৰ ভৰাই পহু পোৱালিটোক খুবাবলৈ ল'লে। পোৱালিটোৱে এচোহা দুচোহা মাৰি খাবলৈ ধৰাত আমাৰো মনত ভাল লাগিল। প্ৰতিদিনে পুৱাই পহু পোৱালিটোক দুধদানীৰে গাখীৰ খুওৱা হৈছিল আৰু দিনটোত তিনিবাৰকৈ খাবলৈ দিয়া হৈছিল। এমাহ মানৰ পাছত দুই এডাল দুবৰি খাবলৈ দিয়া হৈছিল। পুৱাই গাখীৰ খাবলৈ পে পে কৈ মাত দিছিল। পহু পোৱালিটোৱে লাহে লাহে ঘাঁহ খাবলৈ শিকাত ডিঙিত এটা টিলিঙা পিন্ধাই ঘৰৰ তামোলবাৰী খনত মেলি

দিয়া হৈছিল আৰু গধূলি হ'লে ভঁৰালৰ তলত সাজি দিয়া গৰালত সুমুৱাই ৰখা হৈছিল। মই তাক মোৰ নামৰ লগত ৰজিতা খোৱাই 'ৰঙেশ্বৰ' নাম থৈছিলোঁ। পোৱালিটো ক্ৰমান্বয়ে হৃষ্টপুষ্ট হৈ আহিল আৰু পোহ মানিলে। মই স্কুলৰ পৰা আহিয়েই সদায় তাৰ লগত খেলিছিলোঁ। পহুটো নেদেখিলে থাকিব নোৱাৰিছিলোঁ। তাৰ নাম ধৰিয়েই তাক মাতিছিলোঁ। সি ডাঙৰ দীঘল হৈ দেখিবলৈ ধুনীয়া হৈ আহিল।

এদিন সি সন্ধিয়া চিক্‌মিক্ পৰত সন্মুখৰ পথাৰখনৰ মাজেৰে দৌৰি সিফালৰ হাবিত সোমালগৈ। আমি তাৰ নাম ধৰি আহ আহ বুলি চিঞৰাৰ পিছতো সি ঘূৰি নাহিল। ভাবিলোঁ সি কোনো দিনে ঘূৰি নাহিব, হয়তো নাহৰফুটুকী বাঘে তাক ধৰি খাব। পহুটো সময়ত গৰালত নোসোমোৱাৰ বাবে পিতায়ে ঘৰৰ সকলোৰে ওপৰত খং কৰি গালি দিছিল। আমি তলমুৱাকৈ গালি সহ্য কৰি গৈছিলো। পিছদিনা দোকমোকালি পৰত গৰালৰ ওচৰলৈ আহি পহুটোৱে পে পে কৈ মাত দি গাখীৰ খাবলৈ বিচাৰিলে, তেতিয়াহে আমাৰ সকলোৰে মন ফৰকাল হ'ল।

সাত মাহমান পাছত এদিন স্কুলৰ পৰা আহি পহুটো দেখা নেপাই ঘৰৰ সকলোকে কান্দোনমুৱা মাতে পহুটো কি হ'ল বুলি সুধিছিলোঁ। সকলোৰে ক'বলৈ সাহস কৰা নাছিল। অৱশেষত পিতায়ে ক'লে যে বালিজান গাঁৱৰ সমন্ধীয়া ভাই এজনে পহুটো জোৰ জবৰদস্তি কৰি কিনি লৈ গ'ল। মই হোৱাওৱাৰে কান্দিবলৈ ল'লো। পিছত জানিলো যে তেওঁ চেঁচা বাগানত কৰি থকা অস্থায়ী মহৰীৰ কামটো স্থায়ী কৰিবলৈ বুলি বাগানৰ মেনেজাৰক ঘোচ দিবলৈ পহুটো কিনি লৈ গৈছিল। বিনিময়ত তেওঁ টকা ৬০ টা আৰু এখন পুৰণা কোৰ পিতাইক দি গ'ল। পিতায়েও আত্মীয় ভাই বুলি টানি নধৰিলে। পৰৱৰ্তী সময়ত বাগানৰ মেনেজাৰে কলিকতালৈ বদলি হৈ যাওঁতে পহুটোও লগত লৈ গ'ল বুলি শুনিছিলোঁ।

স্কুল বন্ধ থাকিলে মই প্ৰায়ে ম'হ চৰাবলৈ যাবলগীয়া হৈছিল। এদিন কাতিমহীয়া ঘৰৰ মতা ম'হটো লৈ ম'হ খুঁটি পথাৰৰ কুৰুকা আনি দৰাত ম'হটোৰ পিঠিত উঠি এৰিয়া চাদৰ লৈ চৰাই আছিলোঁ। কাতিমহীয়া ফেৰফেৰীয়া বতাহ জাকত এৰিয়া চাদৰ মেৰাই লোৱাত ম'হৰ পিঠিতে টোপনি গৈ ম'হৰ গলধনেদি বাগৰি ম'হটোৰ দুই শিঙৰ মাজত সোমাই পৰিলোঁ। ম'হটোৱে অলপো লৰচৰ নকৰাকৈ মোক শিঙৰ মাজত লৈ তলমূৰ কৰি থাকিল, অলপ লৰচৰ কৰিলেই

শিঙটো মোৰ পেটত সোমালহেঁতেন। ওচৰত কোনো মানুহে নাছিল। মই কোনোমতে নিজকে শিংটোৰ পৰা এৰাই থিয় হ'লো। ম'হটো ইমানেই শান্ত আছিল, নহ'লে সেইদিনা মোৰ এটা ডাঙৰ ঘটনা ঘটিলহেঁতেন। আমাৰ গাঁওতেই এজনে ছোৱালী চোৰ কৰি দৌৰি পলাওঁতে শুই থকা মতা ম'হৰ শিঙৰ মাজত পৰি মৃত্যু হোৱা ঘটনাও ঘটিছিল।

দৌতাই মোক প্ৰায়ে বাৰীলৈ লৈ গৈছিল আৰু তাৰ টঙি ঘৰতে দুপৰীয়া ভাত ৰান্ধি খাইছিলো। কানি পান কৰি ভাত পানী খাই দুপৰীয়া খন্তেক জিৰণি লওঁতে কীৰ্তন পুথিৰ পদবোৰ সুন্দৰকৈ গাই শুনাইছিল।

এদিন জেঠ মাহৰ আবেলি পৰত গাঁৱৰে চিকাৰী ঁডিম্বেশ্বৰ শইকীয়াই কান্ধত একনলীয়া খজা বন্দুকটো লৈ টঙি ঘৰৰ কাষেদি যোৱা দেখা পাই দৌতাই চিকাৰীক মোকো তেওঁৰ লগতে চিকাৰলৈ লৈ যাবলৈ অনুৰোধ কৰিছিল আৰু তেখেতে মান্তি হোৱাত এখন দা লৈ চিকাৰীৰ লগত গৈছিলোঁ। জংঘলত সোমোৱাৰ আগতে চিকাৰীয়ে কেইটামান সংকেত শিকাই দিছিল। হাবিৰ মাজত থকা নলা-নৰ্দমাবোৰত এগাঁঠি, একাঁঠু পানী হৈছিল। বহুপৰ হাবিৰ মাজত দুয়ো নিঃশব্দে ঘূৰি ফুৰোতে বেলি পৰিবৰ হ'ল। তেনেতে হোলা এটাৰ কুৰুকানীৰ মাজত কিবা দেখা পাই চিকাৰীয়ে মোক বহিবলৈ ইংগিত দি বন্দুকটো টোঁৱাই গুলী কৰিলে। বন্দুকৰ ঠেলাত চিকাৰীৰ হাতৰ পৰা বন্দুকটো একাঁঠু পানীত পৰি গ'ল। লগে লগে জন্তুটোৱে ঘৰ ঘৰ শব্দ কৰি আমাৰ ফাললৈ খেদি আহিল। চিকাৰী আৰু মই দৌৰি গৈ ওখ হাফলু এটাত উঠিলোগৈ। খন্তেক পাছত শব্দ মাৰ যোৱাত চিকাৰীয়ে মোক এটা ডাঙৰ গাহৰি মাৰিছিলো বুলি ক'লে। তাৰ পাছত আমি দুয়ো হাফলুটোৰ পৰা নামি আহি বন্দুকটো বিচাৰিবলৈ ল'লো। একাঠু পানীত দা-খন ফুৰাওঁতে খিতিং কৈ বন্দুকটোত লগাত বন্দুকটো বিচাৰি পালো। ইয়াৰ পিছত অতি সাৱধানে হাতত সাৱে ভৰিত সাৱে চিকাৰটো বিচাৰোতে গাহৰিটো লতা এডালত উজুটি খাই কুৰুকা এটাৰ ওচৰত পৰি থকা দেখা পালোঁ। এটা ডাঙৰ গাহৰি।

হাবিৰ মাজত ইতিমধ্যে আন্ধাৰ হ'বলৈ ধৰিছে। গাহৰিটো আমি দুজনে কোনোপধ্যে ভাৰ কৰি আনিব নোৱাৰি কাণখনৰ এডোখৰ কাটি লৈ গাহৰিটো কটা গছ পাতেৰে ঢাকি হাবিৰ পৰা ওলাই ঘৰমুৱা হ'লো। গাঁৱৰ মানুহে আবেলি পৰত বন্দুকৰ শব্দ শুনি আমি অহা বাটৰ গোবাটত জুম পাতি উৎকণ্ঠাৰে ৰৈ আছিল। আমাক লগ পোৱাত সকলোৱে বেৰি লৈ কি মাৰিলি বুলি সোধাত মই

কাটি অনা কাণডোখৰ দেখুৱাই এটা ডাঙৰ গাহৰি মাৰিলো বুলি ক'লো। সেইবাৰেই মই প্ৰথম চিকাৰলৈ গৈছিলো আৰু চিকাৰত সফল হোৱাৰ বাবে মনত বৰ স্ফূৰ্তি লাগিছিল। ঘৰলৈ আহি হাত-ভৰি ধোৱাৰ পাছত গাটো জ্বৰ জ্বৰ লগা হ'ল। কোনোমতে এগাল ভাত খাই ককাইহঁতক ৰাতিপুৱা গাহৰিটো আনিবলৈ যাবলৈ কৈ বিচনাত শুই পৰিলো। জ্বৰ যি হ'ল ছয়-সাত দিনলৈকে নেৰা হ'ল। ঘৰৰ মানুহবোৰ চিন্তিত হৈ পৰিল। অৱশেষত ঘৰৰ মানুহে মঙল চোৱাই ডাঙৰীয়াৰ দোষ বুলি জানি এহাল ৰঙা ৰাঙলী কুকুৰা হাবিত মেলি আয়ুসতোলা কাম কৰি দিয়াতহে দহদিন মানৰ পাছত নৰিয়া পাটীৰ পৰা উঠিলোঁ।

জ্বৰ ভাল হ'লে খাব বুলি থোৱা গাহৰিৰ মাংস শুকুৱাই থওঁতে থওঁতে টান হৈ কাঠ যেন হোৱাত চোবাব নোৱাৰা হ'ল। গাহৰি আৰু খোৱা নহ'ল।

নৰিয়া ভাল হোৱাত বাৰ দিন মানৰ পিছৰ পৰা স্কুললৈ যাব ধৰিলো। মোক ক্ষীণাই যোৱা দেখি লগৰ ছাত্ৰবোৰে আৰু দুই- এক শিক্ষকে কি হৈছিল বুলি সুধিলে।

ইয়াৰ পিছতো উক্ত চিকাৰীৰ সৈতে চিকাৰলৈ কেতিয়াবা গৈছিলোঁ যদিও সফল হোৱা নাছিলোঁ।

১৯৫০ চনৰ ভূমিকম্পত বুঢ়ী দিহিঙৰ বানবিধ্বস্ত চেঁচা, দিহিংমুখ, তেঁতেলীগুৰি, পানধোৱা আদি ঠাইৰ বানবিধ্বস্ত লোকক সংস্থাপন দিবলৈ চৰকাৰে ১৯৫২ চনত নামদাং সংৰক্ষিত বনাঞ্চলৰ আধা অংশ মুকলি কৰি দিলে। পৰিণামত নামদাং বনাঞ্চলৰ এটা অটব্য অৰণ্য অঞ্চলৰ গছ গছনি কাটি এশ ঘৰ লোকে পানধোৱা, মাজবাম, কোঁচগাঁও আৰু ভোগালী পথাৰ নাম দি গাঁও পাতি বহিল। এইদৰেই গছ গছনি আৰু বন্য প্ৰাণীৰে সমৃদ্ধ নামদাং বনাঞ্চল ক্ৰমান্বয়ে নিঃশেষ হৈ আহিল।

লেঙেৰী হাইস্কুলৰ নৱম শ্ৰেণীত পঢ়ি থাকোতে তিলৈজানৰ পৰা শ্ৰীটুপীধৰ হাজৰিকা, বামুণবাৰীৰ পৰা শ্ৰীপূৰ্ণ সোনোৱাল আৰু কেন্দুগুৰিৰ পৰা শ্ৰীকমলা গগৈ আহি আমাৰ শ্ৰেণীত নাম লগাইছিল। তেওঁলোকৰ লগত মোৰ বন্ধুত্ব গাঢ় হৈ উঠিছিল। দশম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পাছত শ্ৰীটুপীধৰ হাজৰিকাই মৰাণ হাইস্কুললৈ শ্ৰীপূৰ্ণ সোনোৱাল, শ্ৰীকমলা গগৈ আৰু মই ট্ৰেন্সফাৰ চাৰ্টিফিকেট লৈ খোৱাং হাইস্কুলত দশম শ্ৰেণীত পঢ়িবলৈ ল'লো। খোৱাং হাইস্কুলত এটা বৰ্ডিং ভাৰা লৈ ঘৰৰ পৰা চাউলপাত আনি, নিজে ৰান্ধি বাঢ়ি পঢ়িবলৈ ল'লো। সেই বছৰতে আমাৰ যৌথ পৰিয়ালটো ভাগ হ'ল। পিতাইৰে

সৈতে আমি এটা পৰিয়াল আৰু বৰপাইৰ সৈতে দুজন ককাই আৰু বৌহঁত। বানপানীৰ হেতু সেই কেই বছৰত খেতি বাতি ভাল হোৱা নাছিল, ফলত বছৰৰ ভাত জোৰাই খাব পৰা নহৈছিল। বৰ্ডিঙলৈ সপ্তাহটোৰ বাবে চাউল কেইটা আৰু টকা দহ পোন্ধৰটা লৈ নামদাং ফৰেষ্ট ভিলেজ ৰৌমাৰী আৰু দুলীয়া বাগানহে খোজেৰে দহ মাইল অতিক্ৰম কৰি বৰ্ডিং পাইছিলোঁ। ৰাস্তা- পদূলি মুঠেই ভাল নাছিল। সপ্তাহটোৰ পিছত বৰ্ডিঙৰ পৰা ঘৰলৈ গ'লেই আই পিতায়ে চাউলপাত আৰু টকা পইচাৰ বাবে চিন্তিত হৈ পৰিছিল। সেইখিনি সময়ত বন্ধুবৰ পূৰ্ণ সোনোৱালৰ ককায়েক বামুণবাৰী চাহ বাগিচাৰ বৰ কেৰাণী কাম কৰি থকা শ্ৰদ্ধেয় ৰিখেশ্বৰ ককাইদেৱে উৎসাহ উদগনি দিহা-পৰামৰ্শ দিয়াৰ উপৰি কেতিয়াবা টকা-পইচা দি সহায় কৰিছিল। তেখেতৰ এই বদান্যতাক আজিও অকপটে স্বীকাৰ কৰো।

খোৱাং হাইস্কুলৰ দশম শ্ৰেণীত ভালেমান বন্ধু-বান্ধৱ নতুনকৈ পালো। সেই সকলৰ ভিতৰত শ্ৰীবিনন্দ গগৈ (পৰৱৰ্তী সময়ত আই এফ এছ অফিচাৰ) শ্ৰীডিম্বেশ্বৰ খনিকৰ, শ্ৰীমতী ভাৰতী গোহাঁই, স্বঁৰ্গীয় বড়া, স্বঁৰ্গীয় পুস্প ফুকন, স্বঁৰ্গীয় চেনেহ সোনোৱাল, শ্ৰীমতী তৰুলতা তামুলী, শ্ৰীমতী হেমপ্ৰভা গগৈ, শ্ৰীযতীন গগৈ আদি। তদুপৰি ডুলীয়াবাম বাগানৰ মালিক স্বঁৰ্গীয় কুম্ভ শইকীয়াৰ পত্নী স্বঁৰ্গীয় হিৰণ্য বাইদেৱে অঙ্ক শিকিবৰ বাবে মোক প্ৰায়ে ঘৰলৈ মাতি নিছিল। উল্লেখনীয় যে ১৯৫৭ চনৰ মেট্ৰিক পৰীক্ষাত এই স্কুলৰ পৰাই স্বঁৰ্গীয় দেৱানন্দ শইকীয়াই অসমৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল।

খোৱাং হাইস্কুলৰ অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ শ্ৰদ্ধাৰ শিক্ষকসকলে নিষ্ঠাৰে পাঠদান কৰিছিল। আজিও প্ৰধান শিক্ষক স্বঁৰ্গীয় চিচিৰ শৰ্মা, স্বঁৰ্গীয় মদন বৰুৱা, স্বঁৰ্গীয় শৈলেন দাস, স্বঁৰ্গীয় গগৈ চাৰ, স্বঁৰ্গীয় টঙ্কেশ্বৰ বড়া, শ্ৰীযুত পূৰ্ণানন্দ শইকীয়া আদি ছাৰ সকলক মনত পৰিলে অন্তৰাত্মা শ্ৰদ্ধাত আপ্লুত হৈ পৰে। মই নতুনকৈ গ'লেও পঢ়া-শুনাত মধ্যমীয়া আছিলো বাবে শিক্ষকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিলো। আমাৰ প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত হৈছিল ডিব্ৰুগড় হনুমান বক্স সূৰযমল কানৈ কলেজৰ নতুন বিল্ডিঙত। ডিব্ৰুগড়ত চিনাজনা কোনো আত্মীয় নথকাত মই, কমলা গগৈ, সতীশ গগৈসহ হোটেলত থাকিয়েই পৰীক্ষা দিছিলো। তিনি মাহ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৫৮ চনৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। মই দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'লো।

পৰীক্ষা পাছ কৰাৰ পাছতেই নানা ভাৱ চিন্তাত মন উগুল-থুগুল হ'ল।

কি পঢ়িম, ক'ত পঢ়িম একো থিৰাং কৰিব নোৱাৰা অৱস্থা- ঘৰৰ আৰ্থিক অৱস্থা আছিল শোচনীয়। মোক দিহা-পৰামৰ্শ দিওঁতাও নাছিল। কোনোবাই ক'লে বিজ্ঞান পঢ়িলে ভাল হ'ব, কোনোবাই মণিপুৰত থকা আদিম জাতি টেকনিকেল ইনষ্টিটিউটত overseer পঢ়িলে সোনকালে চাকৰি হ'ব। তাত জনজাতীয় ছাত্ৰৰ বাবে খৰচ-পাতি বেছি নহ'ব, কেন্দ্ৰীয় চৰকাৰে পতা অনুষ্ঠান।

'হাতত নাই বিত, মনে কৰে পিত্ পিত্' অৱশেষত ডিব্ৰুগড় কানৈ কলেজতে নাইট শ্বিফট্তে পঢ়িবলৈ নাম লগালো আৰু চাকৰিৰ আশাৰে নিয়োগ বিনিময় কেন্দ্ৰত নাম ৰেজিষ্টাৰ কৰিলোঁ। দিনৰ দিনটো ভাৰা ঘৰতে থাকি গধূলি পাঁচ বজাত কলেজলৈ যাওঁ। দিনৰ বেলাত কলেজ কৰা ল'ৰা-ছোৱালী বিলাক দেখিলে নিজকে বৰ দুৰ্ভগীয়া বুলি অনুভৱ হৈছিল। যাহওক, মোৰ সহপাঠী হিচাপে লীলা কছাৰীক পাই ভালেই লাগিছিল। তেওঁ দিনত এছ পি অফিচত কাম কৰিছিল আৰু সন্ধিয়া একেলগে ক্লাছ কৰিছিলো। লীলা মোৰ আত্মীয়ও আছিল আৰু মোক ভতিজা বুলি সম্বোধন কৰিছিল। জাৰৰ দিনত আমি দুয়ো একেখন এৰী চাদৰকে লৈ ক্লাছ কৰিছিলো। কছাৰী মানুহজন বৰ স্ফূৰ্তিবাজ আছিল। হিৰণ্য বাইদেৱো আমাৰ লগতে ক্লাছ কৰিছিল আৰু কলেজলৈ যাওঁতে লগ পালে মোকো গাড়ীত উঠাই লৈ গৈছিল। ডিব্ৰুগড়ত তেতিয়া গাড়ী-মটৰ খুব কমেই আছিল।

পিতায়ে ঘৰৰ পৰা খোজকাঢ়ি গৈয়ে মাজে মাজে চাউলপাত দি আহিছিল। সেই সময়ত ডিব্ৰুগড় বজাৰলৈ উত্তৰ পাৰৰ পৰাই অধিক সংখ্যক মাছ-কাছ আহিছিল।

প্ৰায় তিনিমাহ কাল যোৱাৰ পাছত নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা পৰীক্ষা দিবলৈ চিঠি পালো। পৰীক্ষাত তিনিজন প্ৰাৰ্থী আছিলো। আমাক এখন ৰচনা লিখিবলৈ দিছিল । উক্ত পৰীক্ষাতময়ে প্ৰথম হ'লো আৰু পাঁচ দিন মানৰ পাছত ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰত কেৰাণীৰ চাকৰিত ১১-৩-১৯৫৯ তাৰিখে নিযুক্তি লভিলোঁ। চাকৰিৰ বেছিক পে আছিল যাঠি টকা আৰু বানচ লগাই মুঠতে মাহেকত পাইছিলোঁ সাতান্নবৈ টকা আঠ অনা। মোৰ কাম আছিল চাকৰি প্ৰাৰ্থীসকলৰ নাম পঞ্জীয়ন কৰা, সেয়েহে বহুতো ধৰণৰ চাকৰি প্ৰাৰ্থী দৈনিক পঞ্জীয়ন কৰিছিলো, ১৯৬০ চনত অসমলৈ যেতিয়া অ' এন জি চি আহিল সেই সময়ত ৰেজিষ্ট্ৰেচনৰ বাবে বহুত ভিৰ হৈছিল। মই নিয়োগ বিনিময় কেন্দ্ৰত থকা কালতে মোৰ বহুতো বন্ধুৱে ৰেলত, অ এন জি চি, নামৰূপ সাৰ কাৰখানা,

মোহনবাৰীৰ মেটেৰলজিকেল বিভাগ আদিত চাকৰি পালে। এবাৰ মালিগাঁও হেড কোৱাৰ্টাৰৰ পৰা চীফ পাৰ্ছনেল অফিচাৰে জনজাতীয় প্ৰাৰ্থীৰ বাবে খালী হৈ থকা ৰেলৰে চাকৰি পূৰণৰ বাবে ডিব্ৰুগড় নিয়োগ বিনিময় কেন্দ্ৰৰ যোগে বাছনি কৰা হ'ব বুলি খবৰ দিয়াত মই কলেজত পঢ়ি থকা জনজাতীয় ছাত্ৰসকলক বৰ্ডিঙে বৰ্ডিঙে গৈ খবৰ দিলো আৰু পিছদিনা নিয়োগ বিনিময় কেন্দ্ৰত বাছনি সমিতিত উপস্থিত থাকিবলৈ ক'লো। সেই মতে ভালেমান চাকৰি প্ৰাৰ্থী জনজাতীয় ছাত্ৰই chief personal officer সাক্ষাৎকাৰ দি ৰেলৱেত চাকৰি লাভ কৰিলে।

ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশত মই তিনিচুকীয়াত গৈ নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰিছিলোঁ।

চাহ বাগিচাই বাগিচাই ঘূৰি Surplus Tea labour ৰ তথ্য সংগ্ৰহ কৰি চাহ বাগিচাৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰি Repatriation ৰ ব্যৱস্থা কৰিছিলোঁ।

কলেজৰ তৰ্ক শাস্ত্ৰৰ অধ্যাপক শ্ৰদ্ধাৰ সুশীল দত্ত ছাৰে তৰ্ক শাস্ত্ৰ লোৱা আমাৰ চাৰিজন মান ছাত্ৰক পুৱাৰ বেলাত ঘৰলৈ মাতি পঢ়ুৱাই দিছিল। টিউচন লোৱাৰ ব্যৱস্থা কলেজ শিক্ষক সকলৰ নাছিল। দত্ত ছাৰে আমাৰ পৰা আই এ পৰীক্ষাত ভাল ফল আশা কৰিছিল যদিও আমি ভাল ফল দেখুৱাবলৈ সমৰ্থ নহ'লো। ১৯৬০ চনৰ আই এ পৰীক্ষা দিলো আৰু উক্ত পৰীক্ষাত মই দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হ'লো। কানৈ কলেজতে অন্যান্য বিষয়ৰ লগতে 'দৰ্শন' বিষয় লৈ ডিগ্ৰী পঢ়িবলৈ ল'লো। দৰ্শন বিভাগৰ অধ্যাপিকা শ্ৰদ্ধেয়া দত্ত বাইদেৱে শ্ৰেণীত আমাক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। দৰ্শনৰ জটিল কথাবোৰে আমাৰ মন মগজুত শিহৰণ তুলিছিল।

দিনৰ ভাগত চাকৰি কৰি আৰু গধূলি ৯ বজালৈকে ক্লাছ কৰি পঢ়া-শুনাত একান্তমনে লাগিব পৰা নাছিলোঁ। সেয়েহে চাকৰিটো বাদ দি আগন্তুক ফাইনেল পৰীক্ষাৰ বাবে ভালকৈ পঢ়া-শুনা কৰিবলৈ মন মেলিলোঁ। তদুপৰি এই একঘেয়ামী কেৰাণী চাকৰিটোৰ প্ৰতি মোৰ মোহ ভংগ হৈছিল। বি এ পাছ কৰাৰ পাছত আইন কলেজ বা স্নাতকোত্তৰৰ বাবে পঢ়িবলৈ ডিব্ৰুগড়ত তেতিয়া সুবিধা নাছিল। এইবোৰকে চিন্তা কৰি মই নিয়োগ বিনিময় কেন্দ্ৰৰ চাকৰিটো ৯ অক্টোবৰ, ১৯৬১ তাৰিখে ইস্তফা দিলো আৰু বি এ ফাইনেল পৰীক্ষা দিবলৈ সাজু হ'লো। প্ৰস্তুতি সিমান ভাল হোৱা নাছিল বিশেষকৈ দৰ্শন শাস্ত্ৰৰ বিষয়টোৰ ওপৰত। যাহওক, গুৱাহাটী ইউনিভাৰ্ছিটীয়ে অনুষ্ঠিত কৰা স্নাতক পৰীক্ষাত অৱতীৰ্ণ হ'লো।

আমাৰ বৰপাই (বৰ পিতা) ঁৰন্তীৰাম সোনোৱাল মই পঢ়া নখাট-নগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক আছিল। বৰপাই হ'লেও তেখেত আমাৰ শিক্ষক বাবে আমি ঘৰত সমীহ কৰি চলিছিলো। একেটা ঘৰত থাকিলেও তেখেতৰ প্ৰতি মোৰ ভয় আৰু শ্ৰদ্ধা বেলেগে অনুভৱ কৰিছিলোঁ। পঢ়া নোৱাৰিলে স্কুলত বৰপায়ে কাণত ধৰিব বুলি ভয় কৰি পঢ়া-শুনা ভাল কৰিবলৈ চেষ্টা কৰিছিলোঁ। এইদৰে সৰুৰে পৰা শিক্ষকসকলৰ প্ৰতি থকা শ্ৰদ্ধা ভক্তি হেতু আৰু স্কুলীয়া আৰু কলেজীয়া কালত সংস্পৰ্শলৈ অহা শিক্ষকসকলৰ মৰম-স্নেহ আৰু আদৰ্শই মোৰ মনৰ নিভৃত কোণত অজানিতে প্ৰভাৱ পেলাইছিল। সেয়েহে শিক্ষকতা কৰিবলৈ প্ৰৱল আগ্ৰহ এটি অনুভৱ কৰিছিলোঁ।

তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলৰ শিক্ষকৰ প্ৰয়োজন বুলি জানিব পাৰি ১৯৬২ চনৰ ১৮ আগষ্টত ডিব্ৰুগড় এৰি পোনে পোনে এই বিদ্যালয়ত যোগ দিলোহি। পৰিচালনা সমিতিয়ে ঘাটি মঞ্জুৰী প্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয়ৰ পদ খালী থকাত সেই পদতে নিযুক্তি দিয়ে। এবছৰ আগতে ১৯৬১ চনত হাইস্কুলৰ শ্ৰেণী কেইটা খোলা হৈছিল। ৰাইজে দান-বৰঙণি তুলি বাঁহ খেৰেৰে স্কুল ঘৰ সাজি উলিয়াইছিল। সময়ত মেৰামতি কৰিব নোৱাৰাত বাৰিষা শ্ৰেণী কোঠাত বৰষুণৰ পানী পৰিলে স্কুল ছুটী দিব লগাও হৈছিল।

এই লেখকে তিনঠেঙ্গীয়ালৈ অহাৰ সময়ত তিনঠেঙ্গীয়া অঞ্চলৰ গাঁওবোৰত আলি-পদূলি নাছিল, গাঁৰৰ পথবোৰ গোবাট আছিল। বাৰিষা হ'লে ঠায়ে ঠায়ে একাঁঠু পানীৰ মাজেৰে যাব লগা হৈছিল। তিনঠেঙ্গীয়াৰ পৰা ২ নং চৰাইহাবিলৈ গ'লে আৰু গড়মৰা বালিজানলৈ গ'লে সাঁকোৰে পাৰ হ'ব লগা হৈছিল। ডুলীয়াবামৰ পৰা তিনঠেঙ্গীয়ালৈ অহা ৰাস্তাটো বন বিভাগে হাবি বন কাটি সামান্য মাটি দি মেৰামতি কৰি উলিয়াইছিল। ৰাস্তাৰ দুয়োকাযে গছ-গছনিয়ে বেৰি আছিল। তিনঠেঙ্গীয়া স্কুলৰ চৌহদ আৰু খেল পথাৰখনৰ বাহিৰে, বাকী ঠাই জাৰ্মান বন আৰু মেতমেতি বনে ভৰি আছিল। বৰ্ডিঙত থাকোতে মই পুৱাই শুই উঠি মেতমেতি বনৰ মুকলি ঠাইত সুগৰী পহু চৰি থকা দেখা পাইছিলোঁ। কেতিয়াবা নাহৰফুটুকী বাঘো ছাগলী ধৰিবলৈ জোপ লৈ থকা দেখা পাইছিলোঁ। এতিয়াও ইয়াত নাহৰফুটুকী বাঘে গৰু-ছাগলী ধৰে।

বুঢ়ী দিহিঙৰ বাঢ়নী পানী হাকৈ বিলৰ খোলা পথেদি সোমাই বাৰিষা বছৰি অঞ্চলটোত বানপানী হৈছিল। সেয়েহে ৰাইজৰ খেতি-বাতি সিমান ভাল

নহৈছিল। গাঁওবোৰৰ দুই-চাৰি ঘৰৰ বাদে বাকী সকলৰ আৰ্থিক অৱস্থা টনকিয়াল নাছিল।

তিনঠেঙ্গীয়াৰ আশে-পাশে থকা গাঁওবোৰত শিক্ষিতৰ হাৰ বহু নিম্ন আছিল। গাঁওবোৰত প্ৰৱেশিকা পৰীক্ষা পাছ কৰা লোকৰ সংখ্যা তেনেই নগণ্য আছিল। অঞ্চলটোত স্বাস্থ্য সেৱাৰ সুবিধা সমুলি নাছিল। কিবা অসুখ-বিসুখ হ'লে খোৱাং নাইবা ডিব্ৰুগড়লৈ নি চিকিৎসা কৰিব লগা হৈছিল। তাতে যাতায়াতৰ ব্যৱস্থা সমুলি ভাল নোহোৱাত প্ৰসূতি আৰু ৰোগীক সাঙী ভাৰ কৰি ঘাই পথলৈ নিব লগা হৈছিল। ডাক্তৰে লিখি দিয়া সামান্য পেনিচিলিন বেজি এটা দিবলৈও এই গাঁওবোৰত কোনো লোক নাছিল। জনা-শুনা মানুহৰ অভাৱত ডিব্ৰুগড় মেডিকেল কলেজ চিকিৎসাললৈও ৰোগীৰ লগত গৈ দিব লগা হৈছিল। টি বি ৰোগীক আৰু অন্যৰোগীক ডাক্তৰে ল'বলৈ দিয়া বেজি দিবলৈ মানুহ নোহোৱাত ময়ে বেজি দিছিলো আৰু তিনঠেঙ্গীয়ালৈ চিকিৎসা সেৱা অহাৰ আগলৈকে বেজি দিয়া কামটো চলি আছিল। অৱশ্যে তাৰ বাবদ আমি কোনো মাচুল লোৱা নাছিলোঁ।

তিনঠেঙ্গীয়া অঞ্চলৰ ৰাইজে শিক্ষকসকলক বৰ শ্ৰদ্ধা কৰিছিল। অভিভাৱক সকলৰ ঘৰত ন-খোৱা পাতিলে বা অন্য সকাম-নিকাম হ'লে নিমন্ত্ৰণ কৰি আপ্যায়িত কৰিছিল। মই তিনঠেঙ্গীয়ালৈ অহাৰ পিছত শিক্ষক পদৰ বাবে স্থানীয় উপযুক্ত প্ৰাৰ্থী নথকাত উত্তৰ পাৰৰ পৰা কেইবাজনো লোকে শিক্ষকতা কৰিছিলহি যদিও তেওঁলোকে অন্য ঠাইত ভাল চাকৰি পাই গুচি গৈছিল।

মই ছয়-সাত মাহ মান নিজাঘৰ নখাট-নগাঁৰৰ পৰা বোকা-পানীৰ মাজেৰে আহি ক্লাছ কৰিছিলোঁ। পিছত স্কুলৰ ওচৰতে বৰ্ডিং সাজি কেইজনমান ছাত্ৰৰে সৈতে থাকিবলৈ ল'লো। স্কুলত উপযুক্ত শিক্ষকৰ অভাৱত দৈনিক পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অংকৰ পাঠদান কৰিব লগা হৈছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যস্ত থাকি ভালেই লাগিছিল যদিও স্কুল ছুটীৰ পিছত বৰ অকলশৰীয়া লাগিছিল। জোনাক নিশা নামদাং বিলৰ পৰা অহা বৰ চৰাই আৰু কুৰুৱাৰ কলৰৱ শুনি শুনিয়েই টোপনি গৈছিলোঁ।

দৰমহা-পাতি নিয়মীয়া নাছিল। ঘৰৰ পৰাই চাউলপাত আনি খাইছিলোঁ। এনে দিনো গৈছিল, ৰাস্তাত হেৰাই পোৱা আঠ অনা পইচাৰে শ্ৰীৰামসোভক সিং দোকানৰ পৰা কেৰাচিন তেল কিনি আনি চাকি বাতি জ্বলাইছিলোঁ। কোনোবা দিন ভোগালী পথাৰ গাঁৰৰ মোৰ একে পৰিয়াল দৌতা ঁলক্ষেশ্বৰ শইকীয়াৰ

ঘৰলৈ গৈ তেখেতৰ লগত ঘণ্টাৰ পাছত ঘণ্টা সামাজিক, ৰাজনৈতিক আদি বিষয়ৰ আলোচনা কৰি সময় পাৰ কৰিছিলোঁ। ঁলক্ষেশ্বৰ শইকীয়াদেৱ নিষ্ঠাৱান কংগ্ৰেছ কৰ্মী আছিল। তেখেতেই আগভাগ লৈ ভোগালী পথাৰ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। তেখেতে স্থানীয় বিধায়িকা ঁপদ্ম কুমাৰী গোহাঁই ডাঙৰীয়ানীক খাটনি কৰি কেইবাজন লোকক প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ পদত নিযুক্তি দিয়াইছিল। তেখেত নামদাং বনগাৱঁৰ গাঁওবুঢ়াও আছিল। তেখেত বৰ অমায়িক আৰু হাঁহিমুখীয়া আছিল। তেখেতৰ ঘৰৰ আগেৰে কোনো চিনাকি মানুহ গ'লে ঘৰলৈ মাতি আনি তামোল এখন খুৱাই হ'লেও বিদায় দিছিল। মেট্ৰিক পৰীক্ষা দিব লগা ল'ৰা-ছোৱালীক পুৱাৰ বেলা ঘৰতে শিকাই দিছিলোঁ, কিন্তু আজিৰ শিক্ষকৰ দৰে মাচুল আদি লোৱা নাছিলোঁ। আজিকালি বহু শিক্ষকে টিউচন কৰি ধন সম্পত্তি ঘটিছে আৰু টিউচন কৰাটো পেছা হিচাপে গ্ৰহণ কৰিছে। ইয়ে কিন্তু শিক্ষকসকলৰ ভাবমূৰ্তিত বিৰূপ প্ৰভাৱ পেলোৱা দেখা গৈছে।

১৯৬৩ চনত কলিকতা বিমান বন্দৰত থকা ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহন (Civil Avaition Deptt) বিভাগৰ কাৰ্যালয়ত Aerodrome operator Grade I ৰ পৰীক্ষা দিলো। এমাহৰ পিছত Operator Training ল'বলৈ এলাহাবাদলৈ মাতিলে। আৰ্থিক অনাটন, ঘৰৰ ডাঙৰ ল'ৰা হিচাপে আই পিতাইক এৰি দূৰণিত চাকৰি কৰা আৰু স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধা-ভক্তি, মৰম-স্নেহ আৰু মোৰ ওপৰত ৰখা আস্থা-এই সকলোবোৰ নেওচি সুদূৰ এলাহাবাদত প্ৰশিক্ষণত যাবলৈ ইচ্ছা নহ'ল। মই এলাহাবাদত প্ৰশিক্ষণত যোগ নকৰা দেখি তিনিমাহ পিছত কলিকতা বিমান বন্দৰত প্ৰশিক্ষণত যোগ দিবলৈ পুনৰ চিঠি আহিল।

বহু চিন্তাৰ দোমোজাত পৰি কলিকতালৈ যোৱাটো বাদ দি জংঘলেই মঙ্গল বুলি ভাবি নামদাং বিলৰ মাছ, ঢেঁকীয়া, ঔটেঙা, কচুশাকৰ জুতি ল'বলৈ তিনঠেঙ্গীয়াতে শিপাগুঁজি ৰ'লো। সৌভাগ্য যে দুৰ্ভাগ্য বিধাতাই জানিব, আমি মাত্ৰ পৰিস্থিতিৰ দাস।

১৯৬২ চনত মই বি এ পৰীক্ষা দিছিলোঁ যদিও পৰীক্ষা পাছ কৰিব নোৱাৰিলোঁ। ১৯৬৩ চনত তিনঠেঙ্গীয়ালৈ আহি নানা খেলিমেলিৰ মাজত পৰি পৰীক্ষা দিয়া নহ'ল। ১৯৬৪ চনত পুনৰ পৰীক্ষাত বহিছিলো যদিও সেইবাৰো উত্তীৰ্ণ হ'ব নোৱাৰিলোঁ। অৱশেষত ১৯৬৫ চনত পুনৰ বি এ পৰীক্ষা দি সেইবাৰ উত্তীৰ্ণ হ'লো। হাইস্কুলৰ প্ৰধান শিক্ষকও সম্পাদক ঁৰমেশ হাজৰিকাই নামৰূপ

সাৰ কাৰখানাত চাকৰি পাই স্কুল এৰি যোৱাত পৰিচালনা সমিতিয়ে মোৰ ওপৰত সম্পাদকৰ দায়িত্ব অৰ্পণ কৰিছিল। স্কুলৰ পুঁজি সংগ্ৰহৰ বাবে, ধনা কটা, হুঁচৰি গোৱা আদি উপায় অৱলম্বন কৰি স্কুল চলাই নিছিলো। পৰৱৰ্তী সময়ত মাধ্যমিক শিক্ষা সঞ্চালকৰ হিন্দী আৰু কাৰিকৰী বিভাগৰ পৰা তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলৰ হিন্দী আৰু কাৰিকৰী শিক্ষকৰ পদ কেইটা অনুমোদন কৰাই আনিছিলোঁ।

স্কুলখন ব'ৰ্ডৰ স্বীকৃতি পাবলৈ পৰিদৰ্শন কৰাই ইয়াৰ পৰিদৰ্শন ৰিপ'ৰ্ট লৈ গুৱাহাটীলৈ গৈ শিক্ষাধী কৰ্তা ঁদণ্ডেশ্বৰ গগৈক লগ কৰি ব'ৰ্ডৰ স্বীকৃতিৰ বাবে আৰ্জি পেচ কৰিছিলো। সেই সময়ত হাইস্কুলৰ প্ৰধান শিক্ষক ঁসৰ্বেশ্বৰ সোনোৱাল আছিল যদিও তেখেতে গুৱাহাটীলৈ যাবলৈ অমান্তি হোৱাত তেখেতে মোক আৰু সহ শিক্ষক ঁপিতাম্বৰ নাথক দায়িত্ব দিছিল। এবছৰৰ ভিতৰতে স্কুলখন স্বীকৃতি পাই ঘাটি মঞ্জুৰী পাবলৈ সক্ষম হ'ল।

বিবাহ ঃ ১৯৬৭ চনৰ ১৪ মে' (মঙলবাৰ) তাৰিখে ভোগালী পথাৰ গাঁৱৰ তুহৰী পৰিয়ালৰ ঁজোনাৰাম বড়া, ঁমেমচী বড়াৰ জেষ্ঠ্য কন্যা শ্ৰীমতী গুণদা বড়াৰ লগত গান্ধৰ্ব প্ৰথাৰে মোৰ বিবাহ সম্পন্ন হয়। নিঃকিন হিচাপেই গৃহ সংসাৰ আৰম্ভ কৰিলো। তেওঁৰ উপস্থিত বুদ্ধি, সাহস আৰু তীক্ষ্ণ স্মৃতি শক্তিয়ে পাৰিবাৰিক জীৱনতো চলাই নিয়াত সাহস আৰু সমৰ্থন লাভ কৰি আহি এই বিয়লি বেলাত উপনীত হৈছো। তেওঁ (গুণদা) সঁচা অৰ্থতে মোৰ অৰ্দ্ধাঙ্গিনী।

১৯৭৪ চনত মই আৰু মোৰ বন্ধু চহৰী কটা হাইস্কুলৰ প্ৰধান শিক্ষক ঁযোগেন সোনোৱালে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে মহকুমা পৰিষদ আৰু গাঁও পঞ্চায়তৰ সভাপতি পদত নিৰ্বাচনত অংশগ্ৰহণ কৰিছিলোঁ। উক্ত নিৰ্বাচনত ঁযোগেন সোনোৱালদেৱ জয়ী হৈছিল আৰু মই নিৰ্বাচনত হাৰিছিলোঁ। মোৰ প্ৰতিদ্বন্দ্বী ঁক্ষমা হাজৰিকা জয়ী হৈছিল। ইয়াৰ পিছতেই মই ১৯৭৪ চনত মধ্য বিদ্যালয়ৰ পৰা আহি তিনঠেঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক পদত যোগদান কৰিলোঁ। ১৯৮৪ চনত স্কুলখন চৰকাৰী হ'ল আৰু চৈধ্য বছৰ চাকৰি কৰাৰ পিছত ১৯৯৮ চনৰ ৩০ জুন তাৰিখে অৱসৰ ল'লো। হাইস্কুলত শিক্ষকতা কৰি থকা গোটেই সময়ছোৱাতেই মই স্কুলৰ পৰিচালনা সমিতিত শিক্ষক প্ৰতিনিধি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি স্কুলখনৰ সৰ্বাংগীণ উন্নতিৰ বাবে অৰিহণা আগবঢ়াইছিলোঁ। অৱসৰৰ পিছতো স্কুলৰ সভাপতি হিচাপে দুটা কাৰ্য্যকাল সেৱা আগবঢ়াইছিলোঁ। কেৱল সেয়ে নহয়, মই নখাট হাইস্কুল, মেছলৌ হাইস্কুল আৰু

জৰগুৰি হাইস্কুলৰো পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্য্যনিবাহ কৰি স্কুল কেইখনৰ উন্নয়ন সাধিবলৈ চেষ্টা কৰিছিলোঁ।

নিৰ্বাচন আহিলেই ৰাজনৈতিক দলৰ লোক আহি তেখেতসকলৰ প্ৰাৰ্থীৰ বাবে অঞ্চলটোত গাই-বাই দিবলৈ মোক খাটনি ধৰে। বিশেষকৈ কংগ্ৰেছ দলৰ প্ৰতি মোৰ কিছু দুৰ্বলতা থকা হেতু কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰো চলাইছিলোঁ। ইয়াৰ পিছত ১৯৬৪ চন মানত কংগ্ৰেছ দলৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ কংগ্ৰেছ দলৰ সক্ৰিয় সদস্য হৈ দলৰ সাংগঠনিক কাম- কাজত অংশ ল'লো।

খেতি কৰি কিছু উপাৰ্জন কৰিবলৈ ভোগালী পথাৰ গাঁৱৰ আৰু আত্মীয় দুঘৰ মান লোকে খেতি নকৰি এনেয়ে জাৰণি হৈ পৰি থকা তিনি বিঘা মান মাটিত কুঁহিয়াৰ খেতি কৰিবলৈ ল'লো। কুঁহিয়াৰ পেৰিবৰ সময়ত মোৰ নিজ গাঁৱৰ ভিনি ঁগোলোক বৰুৱাদেৰে আহি লাগি ভাগি দিছিল। ইতিমধ্যে বন বিভাগে গছ পুলি ৰুবলৈ নামদাং বনৰ নলনিৰ ওচৰত মুকলি কৰা প্ৰায় ৫ বিঘা মাটি বেৰা দি কুঁহিয়াৰ লগালো আৰু বন বিভাগে ৰোৱা গছ পুলিবোৰ ৰক্ষণাৱেক্ষণ দিলো। কুঁহিয়াৰ খেতি ভালেই হৈছিল, কিন্তু গুড়ৰ দাম তেতিয়া বৰ কম আছিল। এক টেকেলি গুড়ত (প্ৰায় আঢ়ৈ কেজি) দুটকা আঢ়ৈ টকাহে পোৱা হৈছিল। ভালেমান গুড় বেচিব নোৱৰাত ঘৰতে নষ্ট হৈছিল। প্ৰায় পাঁচ বছৰ কাল কুঁহিয়াৰ খেতিত লাগি থকাৰ পিছত বাৰী এৰি দিলো। দুজনীমান গাই আনি গৰু পোহপাল কৰিবলৈ ল'লো। তেতিয়াৰ পৰা আজিলৈকে গৰু পোহপাল কৰি আছো।

১৯৬৯ চনত ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ সাধাৰণ অধিৱেশন কলৌলোৱা দেউৰী গাঁৱত অনুষ্ঠিত হৈছিল। সেই অধিৱেশনৰ প্ৰতিনিধি সভাই ঁৰজনী কান্ত হাজৰিকাক সংঘৰ সভাপতি আৰু মোক সম্পাদক হিচাপে নিৰ্বাচন কৰি ডিব্ৰুগড় জিলাৰ ট্ৰাইবেল সংঘৰ দায়িত্ব অৰ্পণ কৰে। আমি দুয়োজনে লগ লাগি সংঘৰ কাম-কাজ চলাই গৈছিলোঁ। জিলা সংঘৰ সম্পাদক হিচাপে সদৌ অসম ট্ৰাইবেল সংঘত অনুষ্ঠিত কৰা কাৰ্য্যনিবাহক সভাত যোগ দিবলৈ প্ৰায়ে গুৱাহাটীলৈ যাব লগা হৈছিল। জেংৰাই মুখত অনুষ্ঠিত সাধাৰণ অধিৱেশনত ঁৰমেশ কুলী ডাঙৰীয়াক সভাপতি হিচাপে নিৰ্বাচন কৰাত আমাৰ বলিষ্ঠ কৃতিত্ব আছিল।

আমাৰ কাৰ্যকালতেই ভাৰত চৰকাৰে গঠন কৰা জনজাতীয় আয়োগ অসমৰ জনজাতীয় সকলৰ সমস্যা সম্পৰ্কে অধ্যয়ন কৰিবলৈ অসমলৈ

পঠিয়াইছিল। গুৱাহাটীত এই আয়োগৰ আগত মাজুলীৰ বিধায়ক ঁমালচন্দ্ৰ পেগুদেৱে সোনোৱাল সকলক জনজাতীয় তালিকাৰ পৰা কৰ্তন কৰিবলৈ স্মাৰক পত্ৰ দি যুক্তি দৰ্শাইছিল যে সোনোৱালে জনজাতীয় চৰিত্ৰ হেৰুৱাইছে আৰু তেওঁলোকৰ নিজস্ব কোনো ভাষা নাই, সেয়েহে তেওঁলোকক জনজাতীয় তালিকাৰ পৰা কৰ্তন কৰিব লাগে। আমি বিশ্বস্ত সূত্ৰে এই কথা জানিব পাৰি ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ পৰা সভাপতিকে ধৰি এটা সঁজাতী দল যোৰহাট চাৰ্কিট হাউছত বাহৰ পাতি থকা জনজাতীয় আয়োগৰ ওচৰত ঁমাল চন্দ্ৰ পেগুৱে দিয়া যুক্তিৰ প্ৰতিবাদ কৰি স্মাৰক পত্ৰ প্ৰদান কৰিছিলোঁ আৰু আলোচনাত মহামান্য আয়োগক ভাৰত চৰকাৰলৈ সোনোৱাল সকলক কৰ্তন নকৰাৰ পৰামৰ্শ আগবঢ়াবলৈ সজোৰে দাবী উত্থাপন কৰিছিলোঁ। আয়োগে আমাৰ দাবীৰ প্ৰতি ইতিবাচক সঁহাৰি দিছিল।

১৯৭৪ চনত সদৌ অসম ট্ৰাইবেল সংঘৰ বৰমা অধিৱেশনত সভাপতি নিৰ্বাচনক লৈ সংঘৰ প্ৰতিনিধি সভাত সভাপতি পদৰ বাবে কংগ্ৰেছ বিধায়ক ঁবৈকুণ্ঠ দাস ডাঙৰীয়াক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাত ইয়াৰ মধ্যস্থতা কৰি ঁৰমেশ কুলি ডাঙৰীয়াকেই পুনৰ সভাপতি পদত বাহাল ৰাখিবলৈ সমৰ্থ হৈছিলোঁ। এইক্ষেত্ৰত বিধায়ক ঁৰণেন বসুমতাৰী ডাঙৰীয়াই মোক যথেষ্ট সহায় কৰিছিল।

মই ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ কাৰ্য্যনিবাহক সমিতিত থাকোতেই ১৯৯৪ চনত সদৌ অসম ট্ৰাইবেল সংঘৰ অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল। সেই মতে অভ্যৰ্থনা সমিতি গঠন কৰি সভাপতিৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হ'ল। জিলা সমিতিৰ কোনো পুঁজি নথকাত সংঘৰ প্ৰাথমিক সমিতিসমূহৰ ওপৰতে বহুলাংশে নিৰ্ভৰ কৰিব লগা হৈছিল যদিও বাঁহ, খেৰ আদি নি চৌকিডিঙি পথাৰত পেণ্ডেল সাজি অধিৱেশনৰ প্ৰস্তুতি চলালো। অধিৱেশনত অসমৰ সকলো জিলা সংঘ বিলাকে যোগদান কৰাত সুচাৰুৰূপে অধিৱেশনৰ সফল সমাপ্তি ঘটে। প্ৰতিনিধি সভাত একাংশ সদস্যই মোৰ নামটো সংঘৰ উপ-সভাপতি পদৰ বাবে প্ৰস্তাৱ কৰিছিল যদিও এটা ভোটত মই হাৰিছিলোঁ। তাৰ বাবে মোৰ কোনো আক্ষেপ নাছিল।

দৰমহাৰ টকাৰে ঘৰখন চলাবলৈ টান হৈ পৰাত ৰিজাৰ্ভৰ মুকলি ঠাই আৰু বন্ধক, আধিয়া লৈ ধান খেতিও কৰি বছৰটো জোৰাই খাব পৰা হৈছিল। পিছলৈ ১৯৭৫ চনত জিলা পশুপালন বিভাগে গাহৰি পালনৰ বাবে এটা গ্ৰাণ্ট উপযাচি দিয়াত অষ্ট্ৰেলিয়ান চেডেলবেক গাহৰি পুহিবলৈ ল'লো। গাহৰি পোৱালি

বিক্ৰী কৰি লাভৱান হৈছিলোঁ যদিও কষ্টও যথেষ্ট হৈছিল। নিশা গাহৰি গৰালৰ পৰা ওলাই গ'লে আমি দুয়ো (মোৰ সহধৰ্মিণী) টৰ্চ লৈ হাবিৰ মাজে মাজে গাহৰি বিচাৰি ঘৰলৈ ওভতাই আনিছিলোঁ। তাকে নকৰিলে আঘোণ-পুহ মাহত আনৰ ধান খোৱাৰ বাবে গালি সহ্য কৰিব লগা হ'লহেঁতেন। এবাৰ মোৰ গৰুৱে গৈ পথাৰত ধান খোৱাৰ বাবে গিৰীহঁতে পুৱাই আহি টিউচন কৰি থকা আৱাসতে ককৰ্থনা কৰাত মোৰ আত্মসন্মানত আঘাত পাই খঙে মূৰৰ চুলিৰ আগ পাইছিল। ছাত্ৰ-ছাত্ৰীৰ মুখলৈ চাই কোনোমতে ধৈৰ্য্য ধৰি থাকিলো। ভয়তে পেপুৱা লাগি লোক জন আঁতৰি গ'ল।

স্কুল ছুটীৰ পিছত আবেলি পৰত মই ঁমুখেশ্বৰ কাই, ঁহল হাজৰিকা আৰু ঁদুলাল হাজৰিকা লগ হৈ ৰিজাৰ্ভৰ মাজেদি অৱসৰ বিনোদনৰ বাবে প্ৰায়ে হাতীঘুলি নেপালী গাঁৱত এক ডেৰ ঘণ্টা সময় পাৰ কৰিছিলোঁ। নেপালী লোক সকলো একে মংগোলীয় জাতি বুলি আমাৰ আত্মীয় হৈ পৰিছিল। পৰৱৰ্তী সময়ত সেইখন গাঁৱৰ পৰাই এজনী ছোৱালী ঁমুখেশ্বৰ কাইৰ বোৱাৰী হৈ আহিছিল।

তিনঠেঙ্গীয়াৰ দৰে ভিতৰুৱা অঞ্চলৰ ৰাইজে বহু দিনৰ পৰাই এখন চিকিৎসালয়ৰ অভাৱ অনুভৱ কৰি আহিছিল। সেয়েহে নিৰ্বাচন আহিলে প্ৰাৰ্থী সকলৰ দৃষ্টিগোচৰ কৰিবলৈ তিনঠেঙ্গীয়াৰ ৰাস্তাৰ কাষৰ এজোপা গছত 'তিনঠেঙ্গীয়া স্বাস্থ্য কেন্দ্ৰ' বুলি এখন ফলক গছত আঁৰি দিয়া হৈছিল। সেই সময়ত নিৰ্বাচনী প্ৰচাৰলৈ আহোতে স্থানীয় বিধায়িকা ঁপদ্ম কুমাৰী গোহাঁই ডাঙৰীয়ানীক স্থানীয় কংগ্ৰেছ কৰ্মীসকলে আবেদন নিবেদন কৰিছিল, কিন্তু নিৰ্বাচনত জিকি যোৱাৰ পিছত ৰাইজৰ এই দাবীৰ প্ৰতি সমূলি পিঠি দিছিল। মই এই বিষয়ে আলোচনা কৰিবলৈ তিনঠেঙ্গীয়া বুধবৰীয়া বজাৰ প্ৰাঙ্গনত ওচৰৰ গাঁওবোৰৰ বয়োজ্যেষ্ঠ লোকসকলৰ এখন সভা আহ্বান কৰিছিলো। উক্ত সভাতেই 'তিনঠেঙ্গীয়া চিকিৎসালয় প্ৰতিষ্ঠা সমিতি' গঠন কৰি সম্পাদকৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰিছিল আৰু সমিতিয়ে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰতিখন গাঁৱৰ পৰা দান-বৰঙণি দিবলৈ আহ্বান জনাইছিল।

ৰাইজৰ আবেদন-নিবেদন লৈ মই দিছপুৰলৈ গৈ অসম চৰকাৰৰ জনজাতি পৰিক্ৰমা বিভাগত আবেদন দাখিল কৰিছিলোঁ। সেই সময়ত উক্ত বিভাগত আমাৰ খোৱাঙৰে ভাতৃপ্ৰতিম ঁশুভ বৰুৱা উচ্চ বৰ্গ সহায়ক হিচাপে কৰ্মৰত আছিল। তেওঁৰ তৎপৰতাতে জনজাতি পৰিক্ৰমা বিভাগে ডিব্ৰুগড় জিলা চিকিৎসা বিষয়াক তিনঠেঙ্গীয়া চিকিৎসালয় নিৰ্মাণৰ বাবে জিলা গড়কাপ্টানি বিভাগৰ দ্বাৰা

প্ৰাক্কলন (Plan and Estimate) প্ৰস্তুত কৰাই জনজাতীয় বিভাগলৈ প্ৰেৰণ কৰিবলৈ চিঠি দিছিল।

মই এই চিঠিৰ অনুসৰণ কৰি জিলা চিকিৎসা কাৰ্য্যালয়, জিলা গড়কাপ্তানি বিভাগৰ কাৰ্য্যালয়লৈ তাঁত বাটি কৰিব লগা হৈছিল। জিলা গড়কাপ্তানি বিভাগে বিভাগীয় নিয়মত গুৱাহাটীত থকা মুখ্য অভিযন্তাৰ কাৰ্য্যালয়লৈ তিনঠেঙ্গীয়া চিকিৎসালয়ৰ প্ৰাক্কলন পঠিওৱাৰ পিছত গুৱাহাটীলৈ গৈ ফাইলটো অনুসৰণ কৰিছিলোঁ আৰু বিষয়াৰ টেবুলে টেবুলে ঘূৰি অৱশেষত ফাইলটো জনজাতীয় পৰিক্ৰমা বিভাগ পোৱাইছিলোগৈ। ফাইলটো সিমানতে ৰৈ গৈছিল।

ইয়াৰ পিছত জনজাতীয় দপ্তৰৰ মন্ত্ৰী শ্ৰদ্ধাৰ শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ডাঙৰীয়াক তিনঠেঙ্গীয়ালৈ আমন্ত্ৰণ কৰি ৰাজহুৱা সভাত এখন এৰী চাদৰ আৰু গামোচাৰে সম্বৰ্ধনা জনাই চিকিৎসালয় স্থাপনৰ বাবে ৰখা ঠাই পৰিদৰ্শন কৰাইছিলো। মন্ত্ৰী মহোদয়ে চিকিৎসালয় খন নিৰ্মাণৰ বাবে যাৱতীয় ধনৰাশি অনুমোদন জনোৱাৰ পিছত চিকিৎসালয় নিৰ্মাণৰ কাম আৰম্ভ হৈ ১৯৭৯-৮০ চনত তিনঠেঙ্গীয়া ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ৰ আৰম্ভ হৈ অঞ্চলটোৰ এটা প্ৰধান সমস্যাৰ সমাধান হ'ল।

এইক্ষেত্ৰত মোৰ সৈতে যি সকল ব্যক্তিয়ে সহায়-সহযোগ আগবঢ়াইছিল তেখেত সকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পূবেৰুণ কৃষি পাম নিগম

১৯৭২ চনত অসম চৰকাৰৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই জনসাধাৰণৰ কল্যাণৰ বাবে কেইবাটাও বৈপ্লৱিক আঁচনি গ্ৰহণ কৰিছিল। আঁচনিবোৰৰ এটা আছিল ভূমিহীন কৃষকক কৃষি পাম নিগম প্ৰতিষ্ঠা কৰি সংস্থাপনৰ ব্যৱস্থা কৰা। এই আঁচনিৰ দ্বাৰা প্ৰতিখন জিলাতে একোখন কৃষি পাম নিগম স্থাপন কৰিবলৈ ব্যৱস্থা লোৱা হৈছিল।

দ্বিতীয় জনমুখী আঁচনি আছিল ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ সমবায় সমিতি গঠন কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰী যেনে চাউল, চেনি, কেৰাচিন তেল আদি সুলভ মূল্যত জনসাধাৰণৰ মাজত উপলব্ধ কৰোৱা।

উক্ত আঁচনি ৰূপায়ণ কৰিবলৈ লেঙেৰী মৌজাৰ কংগ্ৰেছ কৰ্মী সকলে ৰাইজৰ মাজত সমবায় সমিতিৰ শ্বেয়াৰ বিক্ৰী অভিযানত নামি পৰিছিল। এই

শ্বেয়াৰ সংগ্ৰহত শলগুৰি অঞ্চলত ঁযোগেন সোনোৱাল, ঁসদা সোনোৱাল, ঁটুপীধৰ সোনোৱাল, শ্ৰীখগেন শেনচোৱা বৰুৱা, নখাট অঞ্চলৰ শ্ৰীকমলা বৰুৱা, ঁডিচেশ্বৰ সোনোৱাল, ঁপুষ্প হাজৰিকা আৰু তিনঠেঙ্গীয়া অঞ্চলৰ শ্ৰীআনন্দ দত্ত, ঁদেৱেশ্বৰ নেওগ আৰু মই। কলৌলোৱা অঞ্চলত ঁঅজয় দেউৰী, ঁকিৰণ দেউৰী আৰু ঁৰজনী হাজৰিকা আদিয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিলোঁ। যাৰ ফলত নখাট সমবায় সমিতি মৌজা ভিত্তিত গঠন হৈছিল।

১৯৭৩ চনত ডিব্ৰুগড় যুৱক কংগ্ৰেছৰ অধিৱেশন স্থানীয় বিধায়ক ঁতৰুণ চন্দ্ৰ চুতীয়া আৰু অভাজনে আগভাগ লৈ তিনঠেঙ্গীয়াত অনুষ্ঠিত কৰিছিলোঁ। অধিৱেশনৰ লগতে জিলা নিবনুৱা সকলৰ এখন ছেমিনাৰ আয়োজন কৰিছিলোঁ। উক্ত ছেমিনাৰলৈ সদ্য ৰাষ্ট্ৰীয়কৃত বেংক সমূহে নিবনুৱা যুৱক সকলে আত্মসংস্থাপনৰ বাবে গ্ৰহণ কৰিব পৰা বেংকৰ আঁচনি সমূহ দাঙি ধৰিবলৈ আৰু বিভিন্ন চৰকাৰী বিভাগে নিবনুৱাৰ বাবে লোৱা আঁচনি সমূহ আলোচনা কৰিবলৈ জিলাৰ সকলো বেংকৰ মুৰব্বী বিষয়া আৰু চৰকাৰী বিভাগৰ কৰ্তৃত্বশীল বিষয়াক ছেমিনাৰত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। সেই অনুসৰি বিষয়াসকলে ছেমিনাৰত অংশগ্ৰহণ কৰি নিবনুৱা সকলক বেংক আৰু বিভাগ সমূহে আঁচনি সমূহ অৱগত কৰিছিল। শেষৰ দিনা অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া ৰাজহুৱা সভাত উপস্থিত থাকি তেওঁৰ চৰকাৰে লোৱা জনমুখী আঁচনি সমূহ বিস্তৃতভাৱে উল্লেখ কৰিছিল। ৰাজহুৱা সভালৈ অঞ্চলটোৰ ৰাইজ হিলদল ভাঙি অহাৰ উপৰি দূৰ দূৰণিৰ পৰা গাড়ী-মটৰেৰে আহি যোগদান কৰিছিল। সেই বাবেই তিনঠেঙ্গীয়ালৈ প্ৰথম বাৰ মুখ্যমন্ত্ৰীৰ পদাৰ্পণ হৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ভাষণত চৰকাৰে জনকল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনি সম্পৰ্কত অৱগত কৰাই, বিশেষকৈ দৰিদ্ৰ ভূমিহীন কৃষকসকলক 'কৃষি পাম নিগম' স্থাপন কৰি সংস্থাপনৰ দিহা কৰা হ'ব বুলি ভাষণত উল্লেখ কৰিছিল।

১৯৬২ চনত নামদাং সংৰক্ষিত বনৰ সৰু দলনি, গড়মৰা, পিলখানা আদি ঠাইত নল-খাগৰি, ইকৰা, বেত, পাটিগৈ আদি বনজ সম্পদে ঠাহ খাই থকা অঞ্চলটো তিনিমাহ ধৰি বন জুইৰ প্ৰকোপত পৰি প্ৰায় উদং হৈ পৰিছিল। স্থানীয় বিধায়কৰ লগত আলোচনা কৰি উক্ত ঠাইতে কৃষি পাম নিগম স্থাপন কৰিবলৈ এটা সঁজাতী দল লৈ বিধায়ক ঁতৰুণ চন্দ্ৰ চুতীয়াদেৱৰ নেতৃত্বত শ্বিলঙত বন আৰু ৰাজহ মন্ত্ৰী ঁপৰমা নন্দ গগৈ দেৱক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰিছিলোঁ। বন মন্ত্ৰী ডাঙৰীয়াই ডিব্ৰুগড় জিলাত উপযুক্ত মাটি পালে এখন কৃষি পাম নিগম

স্থাপন কৰা হ'ব বুলি আশ্বাস দিছিল। আমি নামদাং সংৰক্ষিত বনৰ উক্ত মুকলি এলেকাতে পামখন স্থাপন কৰিব লাগে বুলি সজোৰে প্ৰতিপন্ন কৰিছিলোঁ। তেখেতে কৃষি বিভাগৰ লগত যোগাযোগ কৰি পামখনৰ বাবে প্ৰকল্প তৈয়াৰ কৰিবলৈ কৃষি বিভাগৰ অভিযন্তা, মাটিৰ গুণাগুণ পৰীক্ষা কৰিবলৈ কৃষি বিশ্ববিদ্যালয়ৰ গৱেষকসকলক নামদাং সংৰক্ষিত বনলৈ পঠিওৱাৰ ব্যৱস্থা কৰিলে। বিষয়া সকল আহি পোনে পোনে আমাৰ লগত যোগাযোগ কৰাত তেখেতসকলে থকা-খোৱাৰ ব্যৱস্থা, আৰু প্ৰস্তাৱিত ঠাইলৈ যাবৰ বাবে হাতী-নাও আদিৰ যোগাৰ কৰিছিলোঁ।

ইয়াৰ পিছত এটি সঁজাতী দল লৈ বনমন্ত্ৰীৰ তিনিচুকীয়া বাসগৃহত তেখেতক লগ ধৰিছিলোঁ। তেখেতে সেই দিনাই কৃষি পামখনৰ বাবে দুহেজাৰ এক বিঘা মাটি নামদাং সংৰক্ষিত বনৰ পৰা ডি-ৰিজাৰ্ভ কৰি ফাইলত চহী কৰি দিব বুলি আমাক জনালে।

জিলা বন সংৰক্ষক বিষয়াই প্ৰস্তাৱিত পামখনৰ ভিতৰত থকা গছ-গছনি বিলাক 'কুপ' কৰি নিলামত দিয়াৰ ব্যৱস্থা কৰি ঠাইখন মুকলি কৰাৰ ব্যৱস্থা ল'লে।

অৱশেষত ১৯৭৩ চনৰ ফেব্ৰুৱাৰী মাহৰ মাজভাগত তিনঠেঙ্গীয়াত আয়োজন কৰা ৰাজহুৱা সভাত উপস্থিত হৈ ৰাজহ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী ঁপৰমানন্দ গগৈদেৱে কৃষি পামখনি 'পূবেৰুণ কৃষি পাম নিগম' নামকৰণ কৰি উদ্বোধন কৰে।

যিহেতু ডিব্ৰুগড় জিলাত এখনেই কৃষি পাম নিগম স্থাপন কৰা হৈছিল, সেয়েহে জিলাখনৰ সাতটা সমষ্টিৰ পৰা ভূমিহীন কৃষক নিৰ্বাচন কৰি বিধায়কসকলক উক্ত পামখনত সংস্থাপন দিবলৈ পৰামৰ্শ দিয়া হৈছিল যদিও ২/৩ জন বিধায়কহে এই সুযোগ গ্ৰহণ কৰা দেখা গ'ল। প্ৰথম অৱস্থাত ১৬৫ ঘৰ মানুহক পামখনৰ অংশীদাৰ কৰি বসতি কৰিবলৈ দিয়া হৈছিল। খেতিয়ক সকলক বাসস্থান সাজি ল'বলৈ এহেজাৰকৈ টকা বেংকৰ যোগে ঋণ হিচাপে দিয়া হৈছিল। প্ৰতিজন অংশীদাৰক ১ বিঘা ঘৰ ভেটি আৰু আঠ বিঘা খেতিৰ মাটি আবণ্টন দিয়াৰ পিছত বাকী থকা মাটি সমূহীয়া খেতিৰ বাবে সংৰক্ষণ কৰা হৈছিল। পামখন পৰিচালনাৰ বাবে এজন কৃষি বিষয়াক পৰিচালক নিযুক্তি দি ঁডিচেশ্বৰ সোনোৱালক ব'ৰ্ডৰ চেয়াৰমেন কৰি এখন পৰিচালনা সমিতি গঠন

কৰি দিয়া হৈছিল। ইউকো বেংকৰ খোৱাং শাখাই খেতিয়ক সকলক ঋণ আদি দিয়াৰ দায়িত্বত আছিল।

পামখনৰ আঁচনিমতে মথাউৰিৰ খোলা পথেদি বাৰিষা পামখনত জমা হোৱা পানী ওলাই যাবলৈ ডিমৌ নদীলৈকে এটা খাল কটাৰ প্ৰকল্প আঁচনিত সন্নিৱিষ্ট আছিল। কিন্তু পথাৰৰ মাজেদি উক্ত খাল কটাটোত ৰাইজে বাধা আৰোপ কৰাত শালি খেতিৰ বতৰত পামখন জলমগ্ন হৈ পৰি খেতি বাতি কৰিব নোৱৰা হৈছিল। সেয়েহে পৰৱৰ্তী সময়ত ভালেমান অংশীদাৰে পাম এৰি নিজ নিজ ঠাইলৈ ঘূৰি গৈছিল।

বাৰিষা বুঢ়ী দিহিঙৰ বাঢ়নী পানী নামদাং জানৰ মথাউৰিৰ খোলা পথেদি সোমাই অকল কৃষি পামতেই নহয়, দাঁতি কাষৰীয়া গাঁৱৰ পথাৰতো বানপানীৰ সৃষ্টি কৰিছিল। সেয়েহে ৰাইজে মথাউৰিৰ খোলা অংশটো বন্ধ কৰি দিবলৈ জিলা কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰাত কৰ্তৃপক্ষই জানটো বন্ধ কৰি দিয়ে। পৰিস্থিতিৰ উপশম নঘটিল, বৰঞ্চ নতুন সমস্যাৰ সৃষ্টি হ'ল। বাৰিষা উজনিৰ পৰা ধাৰাষাৰে বৈ অহা বৰষুণৰ পানী পূবেৰুণ কৃষি পাম খনত জমা হৈ সৰোৱৰ সদৃশ হৈ পৰে আৰু দাঁতি কাষৰীয়া নলনি, ভৰালীবাৰী, ৰমণী আদি গাঁৱৰ ৰাইজে শালিখেতি কৰিব নোৱৰাৰ অৱস্থা সৃষ্টি হ'ল। সেয়েহে আমি কৃষি পামবাসী ৰাইজকে ধৰি উপৰি উক্ত গাঁৱৰ এখন ৰাজহুৱা সভা পাতি মথাউৰিৰ বন্ধ কৰা ঠাইত এখন শ্লুইচ গেট (পানী জপনা) দিবলৈ জিলা মথাউৰি বিভাগৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিলোঁ। জিলা মথাউৰি বিভাগে বিষয়টো ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ বিচাৰাধীন বুলি কোৱাত সঁজাতী দললৈ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ মুখ্য অভিযন্তাৰ কাৰ্য্যালয়ত স্মাৰক পত্ৰ আদি দাখিল কৰিলোঁ। কেইবাবাৰো ব'ৰ্ডৰ বিষয়া বৰ্গক সাক্ষাৎ কৰাৰ অন্তত ব'ৰ্ডৰ কাৰ্য্যালয়ৰ পৰা ডিব্ৰুগড় জিলা মথাউৰি বিভাগলৈ শ্লুইচ গেটৰ বাবে খচৰা আঁচনি প্ৰস্তুত কৰি পঠিয়াবলৈ নিৰ্দেশ দিয়ে। আমি সঁজাতী দল লৈ (সঁজাতী দলত নলনি গাঁৱৰ ँপানীৰাম শেনচোৱা, ভৰালী গাঁৱৰ ँবিনন্দ শইকীয়া, ँজোঙাল বৰুৱা, নখাট নগাঁৱৰ কমলা বৰুৱা, বালিজানৰ শ্ৰীপ্ৰমোদ শইকীয়া, কৃষি পামৰ ँগজেন শইকীয়া, ँমীনা গগৈ আদি) জিলা সংশ্লিষ্ট বিষয়াক লগ কৰি প্ৰাক্কলন তৈয়াৰ কৰিবলৈ খাটনি ধৰাত দুমাহৰ পিছত প্ৰাক্কলন তৈয়াৰ কৰি ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ গুৱাহাটী কাৰ্য্যালয়লৈ প্ৰেৰণ কৰে। পুনৰ সঁজাতী দললৈ ব'ৰ্ডৰ মুখ্য অভিযন্তাক সাক্ষাৎ কৰাত তেখেতে ব'ৰ্ডৰ মিটিঙত প্ৰকল্পটো দাখিল কৰি সিদ্ধান্ত লোৱাৰ আশ্বাস দিয়ে।

অৱশেষত ১৯৮১/৮২ চনত শ্লুইচ গেট নিৰ্মাণৰ কাম সম্পন্ন হয় আৰু তাৰ পিছৰে পৰা পূবেৰুণ কৃষি পামৰ খেতিয়কসকলে শালি খেতি কৰি দুবেলা দুমুঠি খাবলৈ সম্ভৱপৰ হৈ উঠিল।

পূবেৰুণ কৃষি পামবাসীৰ উঠি অহা ল'ৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ বাবে ১৯৭৫ চনতে ৰাইজে এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰে আৰু এই বিদ্যালয়খনে ১৯৮৩ চনত চৰকাৰী স্বীকৃতি পাবলৈ সক্ষম হয়। যাতায়াতৰ অসুবিধা হেতু নদীৰ কিনাৰত বসবাস কৰা নিগমবাসী ৰাইজৰ ল'ৰা-ছোৱালী বিলাকে প্ৰাথমিক শিক্ষা ল'ব পৰাকৈ ১৯৮৫ চনত আৰু এখন প্ৰাথমিক বিদ্যালয় আমি স্থাপন কৰিলো। এই দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে মজলীয়া শিক্ষা গ্ৰহণৰ সুবিধাৰ্থে ১৯৮৫ চনত শ্ৰীপ্ৰমোদ শইকীয়াক সম্পাদক, শ্ৰীৰাম প্ৰসাদ শইকীয়াক প্ৰধান শিক্ষক পদৰ দায়িত্ব দি নিজে সভাপতিৰ দায়িত্ব লৈ কৃষি পামবাসী ৰাইজৰ সহযোগত 'পূবেৰুণ কৃষি পাম নিগম মধ্য ইংৰাজী বিদ্যালয়' স্থাপন কৰিলো। ৰাইজৰ কায়িক পৰিশ্ৰমেৰে স্কুল ঘৰ নিৰ্মাণকে ধৰি দান-বৰঙণি সংগ্ৰহ কৰি শিক্ষক সকলক মাননি (সামান্য) দিয়াৰ ব্যৱস্থা কৰিছিলো। কোনো বছৰত ভ্ৰাম্যমাণ নাট্য দলৰ দ্বাৰা নাট প্ৰদৰ্শনী কৰিও কিছু পুঁজি সংগ্ৰহ কৰিছিলো। স্কুলৰ পুঁজিৰ বাবে এটা নিয়মীয়া আহৰণ যাতে পোৱা যায়, সেই মানসেৰে এখন বজাৰ স্থাপন কৰিবলৈ মনস্থ কৰিলো। এটা শুকুৰবাৰত বজাৰৰ প্ৰথম দিনা নিজে চাৰি কিলো বেঙেনা আৰু দুজন নাপিতক মাতি আনি শ্ৰীৰাম কুমাৰৰ সহযোগত বজাৰ প্ৰতিষ্ঠা কৰিলো। বজাৰত সপ্তাহে সপ্তাহে ক্ৰেতা-বিক্ৰেতাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। বৰ্তমানে অঞ্চলটোৰ ভিতৰতে এখন ডাঙৰ বজাৰলৈ পৰিণত হ'ল। স্কুলখন চৰকাৰী হোৱাৰ পিছত বজাৰখন নিগমবাসী ৰাইজক গতাই দিয়া হ'ল। বৰ্তমান উক্ত বজাৰৰ কৰ কাটলেৰে পূবেৰুণ যুৱক সংঘই প্ৰেক্ষাগৃহ আদি নিৰ্মাণ কৰি ল'বলৈ সমৰ্থ হৈছে।

বিদ্যালয় প্ৰাদেশিকীকৰণ

যাতায়াতৰ ব্যৱস্থা সুচল নোহোৱাত ছাত্ৰ-ছাত্ৰী সকলক মজলীয়া শিক্ষা ল'ব পৰাকৈ বুঢ়ী খোৱাংবাসী ৰাইজে বুঢ়ী খোৱাঙত, নলনি চমুৱা গাঁৱৰ ৰাইজে নলনি গাঁৱত, নতুন ভৰালী ৰাইজে নতুন ভৰালীত একোখনকৈ মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰিছিল। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য আৰু শিক্ষক

সকলে (তেওঁলোক মোৰে ছাত্ৰ আছিল) প্ৰাদেশিকীকৰণৰ বাবে শিক্ষা সঞ্চালকালয়ৰ কাৰ্যালয়লৈ গৈ লাগি- ভাগি দিবৰ বাবে অনুৰোধ কৰাত তেখেতসকলৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিলো আৰু কাহিলিপাৰাৰ সংশ্লিষ্ট সঞ্চালকালয়লৈ গৈ স্কুলৰ সকলো যাৱতীয় নথি-পত্ৰ দাখিল কৰিছিলোঁ। ইয়াৰ বাবে কেইবাবাৰো গুৱাহাটীলৈ অহা-যোৱা কৰিব লগা হৈছিল। অৱশেষত পূবেৰুণ মধ্য ইংৰাজী বিদ্যালয়, বুঢ়ী খোৱাং মধ্য ইংৰাজী বিদ্যালয়, নতুন ভৰালী মধ্য ইংৰাজী বিদ্যালয় আৰু নলনি চমুৱা মধ্য ইংৰাজী বিদ্যালয় প্ৰাদেশিকীকৰণৰ তালিকাত অন্তৰ্ভুক্ত কৰি চৰকাৰীকৰণ কৰিবলৈ সক্ষম হৈছিলো। ইয়াৰ উপৰি অঞ্চলটোৰ কেইবাজনো লোকক সকাহমূলক নিযুক্তি (Compaossionate Appointment) দিয়াই পৰিয়ালকেইটাক আৰ্থিক সংস্থাপন দিবলৈ সক্ষম হৈছিলো।

নখাট পশু চিকিৎসালয়, টেঙাপানী পশু চিকিৎসা কেন্দ্ৰ

জিলা জনজাতি উন্নয়ন সমিতিৰ সদস্য হিচাপে কাৰ্য্যনিবাহ কৰি থকা অৱস্থাত ১৯৭৬ চনত জিলা পশুপালন বিষয়াই মোক জনালে যে জনজাতীয় উপ-আঁচনিৰ শিতানত জনজাতীয় উপ-আঁচনিৰ অন্তৰ্গত এলেকাত (Tribal Sub-plan Area) এখন পশু চিকিৎসালয় (Vety hospital) আৰু এটা পশু চিকিৎসা কেন্দ্ৰ (Vety sub-centre) স্থাপন কৰাৰ বাবে চৰকাৰৰ পৰা পুঁজি আবণ্টন পোৱা হৈছে, কিন্তু পশু চিকিৎসালয়ৰ বাবে উপযুক্ত স্থান বিচাৰি উলিয়াব পৰা নাই। তেখেতৰ কথা শুনি চিকিৎসালয়খন স্থাপনৰ বাবে (১০৭ নং এফ এছ গ্ৰাণ্ট নখাটত) মাটি পোৱা হ'ব নে নহয় এই বিষয়ে মই শ্ৰীকমলা বৰুৱাকে ধৰি কেইজনমান স্থানীয় লোকৰ লগত আলোচনা কৰি চিকিৎসালয় স্থাপন কৰিব পৰা মাটি চালোহি। মাটি নখাট এম ভি স্কুলৰ গাতে লাগি থকা প্ৰায় ৫ বিঘা মাটি উপযুক্ত হ'ব বুলি জানি জিলা পশুপালন বিষয়াক জানিবলৈ দিলো। বিষয়া জনে আহি মাটি চাই যোৱাৰ পিছত মাটি চমজাই দিবলৈ মোক জনোৱাত নখাট নগাঁৱৰ ৰাইজ আৰু লাট মণ্ডলৰ উপস্থিতিত জিলা পশুপালন বিষয়াক মাটি চমজাই দিয়া হ'ল। ইয়াৰ পিছত পশুপালন বিষয়াই চিকিৎসালয়ৰ গৃহ নিৰ্মাণৰ বাবে নিবিদা আদি যাৱতীয় প্ৰক্ৰিয়া হাতত লৈ গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰিলে।

পশু চিকিৎসা কেন্দ্ৰ স্থাপনৰ বাবে টেঙাপানী আৰু গড়পথাৰ গাঁৱৰ ৰাইজৰ লগত আলোচনা কৰি টেঙাপানীতেই প্ৰায় দুই বিঘা মাটি পোৱা গ'ল। জিলা পশুপালন বিষয়াক লৈ মই মাটিখিনি দেখুৱালোঁ। ৰাইজক মাটিখিনিৰ হস্তান্তৰৰ ব্যৱস্থা ল'বলৈ কোৱাত ৰাইজে ব্যৱস্থা গ্ৰহণ কৰি পশু পালন বিভাগক চমজাই দিয়াত পশুপালন কেন্দ্ৰটো স্থাপন হৈ উঠিল।

এই দুয়োখন পশু চিকিৎসালয়ৰ পৰা অঞ্চলটোৰ ৰাইজে পশু চিকিৎসা সেৱা লাভ কৰি পশুপালন, গাহৰি পালন, হাঁহ-কুকুৰা পালন কৰি আৰ্থিক উপাৰ্জন বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

ৰৌমাৰী আই থান ঘৰ নিৰ্মাণ

এদিন হাতীঘুলিৰ কাষেদি নামদাং ৰিজাৰ্ভ পাৰ হৈ যাওঁতে ঁমুখেশ্বৰ কাইয়ে ৰৌমাৰী গাঁৱৰ ৰাইজে পূজা কৰা এজোপা জোপোহা চিৰ সেউজীয়া গছলৈ দেখুৱাই এই খনেই 'আই থান' বুলি কৈছিল। গছ জোপাৰ তলত এখন টিনপাত দিয়া আছিল। ৰৌমাৰী গাঁৱৰ ৰাইজে বসতি স্থাপন কৰিবলৈ আহি নানা বিপৰ্যয়ৰ সন্মুখীন হৈ এই থানখন আৱিষ্কাৰ কৰিছিল হেনো। ৰৌমাৰী, ভোগালী পথাৰ আদি গাঁৱৰ ৰাইজে এইখন ঠাইতে বছৰি পূজা সেৱা আগবঢ়ায়। মই আৰু ঁমুখেশ্বৰ কায়ে থান ঘৰ এটা নিৰ্মাণৰ বাবে ৰৌমাৰী গাঁৱৰ ঁবাবু সোনোৱাল, ঁদুলেশ্বৰ শইকীয়া, ঁফুলেশ্বৰ সোনোৱাল, শ্ৰীবিপিন শইকীয়া, ঁডম্বৰু শইকীয়া, ঁহেম সোনোৱাল আৰু ঁলুকুট সোনোৱালৰ লগত আলোচনা কৰি গাঁওখনত এখন ৰাজহুৱা সভা দিলো। সভাত সকলোৰে থান ঘৰ নিৰ্মাণৰ সপক্ষে মতামত দিয়াৰ পিছত ভোগালী পথাৰ গাঁৱত শ্ৰী নৰ শইকীয়া, শ্ৰীখগেশ্বৰ শইকীয়া আৰু শ্ৰীঅনিল বড়াক লগত লৈ থান ঘৰ নিৰ্মাণৰ বাবে গাঁৱৰ ৰাইজৰ লগত আলোচনা হোৱাত ৰাইজে সেয়ে যি পাৰে দান-বৰঙণি দিবলৈ মান্তি হ'ল। দান-বৰঙণি বিচাৰি তিনিচুকীয়ালৈ গৈ মোৰ আত্মীয় আবকাৰী বিভাগৰ পৰিদৰ্শক ঁইন্দ্ৰেশ্বৰ হাজৰিকাদেৱক লগ কৰাত তেখেতে এক বাণ্ডিল টিন দিবলৈ গাত ল'লে। সেই অনুক্ৰমে ভোগালী পথাৰ আৰু ৰৌমাৰী গাঁৱৰ ৰাইজৰ দান-বৰঙণিৰে থান ঘৰটো চাৰিওফালে আধা পকা বেৰ দি নিৰ্মাণ কৰি উলিওৱা হ'ল। বৰ্তমানে সেই পকা ঘৰটোতে সকলো পূজা সেৱা, নামগুণ গোৱা হয়।

এই থান খন এখন জাগ্ৰত থান, ইয়াৰ প্ৰমাণ বহুজনে বহু সময়ত নিজে উপলব্ধি কৰিছে। এবাৰ বজৰং অপাৰেচনৰ সময়ত চি আৰ পি জোৱানৰ এখন গাড়ী থান ঘৰটোৰ ওচৰত আলিবাটৰ পৰা বাগৰি খাৰৈত পৰি গৈছিল। বহু সময় চেষ্টা কৰিও জোৱান সকলে গাড়ীখন উঠাব পৰা নাছিল। তাকে দেখি ৰৌমাৰী গাঁৰৰ এজন লোকে ক'লে যে ওচৰতে এখন আই থান আছে, তাত টোপোলা দি সেৱা কৰিলে ভাল হ'ব। তাকে শুনি জোৱানসকলে তামোল-পাণৰ টোপোলা লৈ, জোতা মোজা খুলি থান ঘৰ ফাললৈ সেৱা জনালে। অলপ সময় পিছতে গাড়ী খন ষ্টাৰ্ট দিয়াৰ পিছত গাড়ী খাৰৈৰ পৰা তুলি আনিবলৈ সক্ষম হ'ল। এনে বহু ঘটনাই থান খনৰ মহিমা আজিও প্ৰকাশি আহিছে।

পূৰ্বতে লেঙেৰী মৌজাৰ এই অঞ্চলটো মটক ৰাজ্যৰ অধীনত আছিল। মটকসকলে এই নামদাং বননিতে হাতী ধৰিছিল। ইয়াৰ প্ৰমাণ হিচাপে এই বননিৰ হাতীঘুলি, গড়মৰা, পিলখানা গড়মৰা হাতীগড় আদি নামৰ ঠাইবোৰে ইয়াৰ স্বাক্ষৰ বহন কৰিছে।

উক্ত আই মাতৃ থানখন হয়তো মটক ৰাজ্যৰ সময়তেই স্থাপন বা আৱিষ্কাৰ হৈছিল।

ডিব্ৰুগড়ৰ বগীবিলত থকা আই থান খন ক'লী আই থান নামেৰে জনাজাত। এই মুলুকত থকা এই জাগ্ৰত থান খন আন এটা দিশেৰেও নামাঙ্কিত কৰিব পৰা যায়। ৰৌমাৰী আই থানৰ নাতি দূৰত হালমাৰি চাহ বাগিচা অৱস্থিত। উক্ত বাগানখন পূৰ্বতে অমৰাৱতী বাগান হিচাপে পৰিচিত আছিল। কি কাৰণে সেই বাগানখন অমৰাৱতী নাম দিয়া হৈছিল, সেই তথ্য যদি উদ্ধাৰ কৰিব পৰা যায়, তেতিয়া হ'লে এই থানখনৰো প্ৰকৃত নাম পোৱা হ'ব যেন লাগে। ক'লী আই আৰু অমৰাৱতী একে বাই ভনী আছিল নেকি?

বিষয়টো চালি-জাৰি চাবলৈ ইমানতে বুৰঞ্জীবিদ আৰু প্ৰত্নতাত্ত্বিক সকললৈ এৰিলো।

নখাট বৰ নামঘৰ (পিছলৈ শাখা সত্ৰ)

এদিন নখাট খেলপথাৰত নখাট পুৰণি গাঁও আৰু নখাট নগাঁৰৰ ফুটবল দল দুটাৰ মাজত এখন খেল হৈছিল। সেই খেলতে দল দুটাৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। কাজিয়াই চৰম পৰ্যায় ৰূপ লৈ মাৰপিটৰ ঘটনাও সংঘটিত হয়। এই ঘটনাক লৈ দুয়োখন গাঁৰৰ যুৱক সকলৰ মাজত মনোমালিন্যই চৰম সীমা

পায়গৈ। সেই মনোমালিন্যৰ অৱসান ঘটাবলৈ নখাট নামঘৰত এখন ৰাইজ মেল বহে। সভাত কেইবাখনো গাঁৱৰ লোক উপস্থিত থাকে। উপস্থিত লোকসকলৰ ভিতৰত গণ্য-মান্য ব্যক্তি টেপৰগুৰি গাঁৱৰ ঁগিৰীশ সোনোৱাল, নামদাং গাঁৱৰ গাঁওবুঢ়া ঁনীলমণি, দাফলাৰি নখাট গাঁৱৰ গাওঁবুঢ়া ঁডিম্বেশ্বৰ সোনোৱাল, ঁপুষ্প হাজৰিকা, উজনি নামদাঙৰ ঁজিতেন সোনোৱাল, নখাট নগাঁৱৰ শ্ৰীকমলা বৰুৱা আৰু মোক ধৰি ভালে সংখ্যক লোক উক্ত নামঘৰত হোৱা সভাত উপস্থিত আছিল। সেই বিচাৰ সভালৈ নগাঁৱৰ যুৱক সকল যোৱা নাছিল, তাৰ আগতে নগাঁও নামঘৰত হোৱা সভালৈও নখাটৰ যুৱক সকল অহা নাছিল। ৰাইজে আলোচনা-বিলোচনা কৰি থাকোতে হঠাৎ মোৰ এটা ভাব মনলৈ আহিল। দুখন গাঁৱৰ ভিতৰত হোৱা কাজিয়াৰ ভাল মীমাংসা কৰিবলৈ এটা উমৈহতীয়া নামঘৰৰ প্ৰয়োজন য'ত বিচাৰৰ উপৰি অঞ্চলটোৰ গাঁও বিলাকৰ ৰাইজে পূজা সেৱাকে ধৰি ধাৰ্মিক সাংস্কৃতিক বিষয়ৰ চৰ্চা কৰি সকলো সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি গঢ়ি তুলিব পাৰে। মই প্ৰস্তাৱটো উত্থাপন কৰি এটা ৰাজহুৱা বৰ নামঘৰ স্থাপনৰ বাবে মাটি পোৱা হ'ব নেকি অনুসন্ধান কৰিবলৈ ঁডিম্বেশ্বৰ সোনোৱাল, ঁগিৰীশ সোনোৱাল, ঁজিতেন সোনোৱাল, ঁপুষ্প হাজৰিকাকে ধৰি কেইবাজনো লোকক দায়িত্ব দিয়াত তেখেত সকলে উজনি নামদাং গাঁৱৰ ঁভাৰত সোনোৱালৰ পৰা প্ৰায় তিনি বিঘা মান মাটি বিচাৰি উলিয়ালে। ঁভাৰত সোনোৱালৰ নামত তেখেতৰ সুযোগ্য পুত্ৰ সকলে বৰ নামঘৰ স্থাপনৰ বাবে মাটি দান কৰিবলৈ আগবাঢ়ি যি অক্ষয় কীৰ্তি সাধন কৰি গ'ল তাৰ বাবে যুগ যুগ ধৰি তেখেতসকল নমস্য ব্যক্তি হিচাপে চিহ্নিত হৈ ৰ'ব।

আমি ভবা মতে বৰ নামঘৰত সকলো ধৰ্মৰ সকলো সম্প্ৰদায়ৰ ধৰ্মগুৰু সকলে বৰ নামঘৰত বাহৰ পাতি তেখেত সকলৰ শিষ্য সকলক ধৰ্ম দীক্ষা দিব আৰু ওচৰ-পাঁজৰৰ সকলো ৰাইজৰ সাংস্কৃতিক চৰ্চা কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব।

বহুতো ৰাইজৰ সক্ৰিয় সহযোগিতা আৰু দান-বৰঙণিৰে বৰ নামঘৰটো নিৰ্মাণ হৈ উঠিল আৰু সোনোৱালসকলৰ ধৰ্মগুৰু শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰে ইয়াতে বাহৰ পাৰি থাকি শৰণ, ভজন আৰু ধৰ্ম শিক্ষা দিয়াৰ উপযুক্ত স্থানত পৰিণত হ'ল। পৰৱৰ্তী সময়ত সোনোৱাল কছাৰীৰ কিছু লোকে এই বৰ নামঘৰটো সোনোৱাল সকলৰ একচেটিয়া সম্পদ বুলি গণ্য কৰা হ'ল আৰু নামঘৰটো আউনীআটীয় সত্ৰৰ শাখা সত্ৰৰ মৰ্যাদা দি অঞ্চলটোৰ বিভিন্ন ধৰ্মপন্থাৰ লোকসকলক বঞ্চিত কৰা হ'ল।

টেপৰগুৰিৰ ক্ষত্ৰিয় শাল

এদিন মোৰ বন্ধু চহৰিকটা মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ঁযোগেন্দ্ৰ নাথ সোনোৱাল আৰু মই ডিব্ৰুগড়ৰ পৰা আহি পোৱাত সেই দিনা তেখেতক মোৰ ঘৰতে আলহী ৰাখিলো। নিশা না না কথাৰ আলোচনাৰ মাজতে তেখেতে টেপৰগুৰি ক্ষেত্ৰীয় শালৰ কথা উলিয়াই ক'লে যে ক্ষত্ৰিয়শালখন পৰিচালনাৰ বেমেজালিত যোৱা চাৰিটা বছৰ কাল পূজা সেৱা বন্ধ হৈ আছে। সোনোৱাল সংস্কৃতিৰ বাহক এই শালখন বন্ধ হৈ যোৱাত মই আচৰিত হ'লোঁ। মই তেখেতক ক'লো যে শালখন আমি পুনৰ প্ৰচলন কৰিব লাগিব নহ'লে সোনোৱাল কছাৰীৰ ঐতিহ্য হেৰাই যাব। দুই-তিনি দিনৰ ভিতৰতে টেপৰগুৰি ক্ষত্ৰিয় শালখনৰ লগত জড়িত কিছু ব্যক্তিৰ লগত আলোচনা কৰিবলৈ এখন সভা আহ্বান কৰিবলৈ তেখেতক দায়িত্ব দিলো। তেখেতে সভা আহবান কৰি মোক জানিবলৈ দিয়াত মই সভাত উপস্থিত হ'লো। সভাত শলগুৰিৰ ঁবিহুৰাম সোনোৱাল, চহৰীকটাৰ শ্ৰীঅনন্ত সোনোৱাল, শালৰ পূজাৰী ঁচেনিৰাম সোনোৱাল, ঁবীণা বৰপূজাৰীকে ধৰি ভালেমান লোক উপস্থিত হ'ল। আলোচনা বিলোচনাৰ পিছত সকলোৱে সিদ্ধান্ত ল'লে যে শালখন পুনৰ প্ৰচলন কৰি সোনোৱাল সকলৰ আবহমান কালৰ পৰা চলি অহা এটা পৰম্পৰা ৰক্ষা কৰি সাংস্কৃতিক বৈশিষ্ট্য ৰক্ষা কৰিব লাগিব। সভাত সকলোৱে সহমতত সেই বছৰৰ পৰা তেপৰগুৰি ক্ষত্ৰিয় শালৰ পূজা আৰম্ভ হ'ল। আজিকালি আগতকৈ অধিক জাকজমক, উৎসাহ- উদ্দীপনাৰে ক্ষত্ৰিয় শালত পূজা অনুষ্ঠিত হোৱা দেখা গৈছে। বৰ্তমান এই ক্ষত্ৰিয় শালক আশ্ৰয়লৈ সাংস্কৃতিক কৰ্মী শ্ৰীভক্তি প্ৰসাদ সোনোৱালে সোনোৱাল কছাৰীৰ নিজস্ব কলা-কৃষ্টিৰ প্ৰসাৰৰ বাবে এটি সাংস্কৃতিক অনুষ্ঠান গঢ়ি তুলিছে বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

সোনোৱাল কছাৰীৰ স্বায়ত্ত শাসনৰ সংগ্ৰাম আৰু প্ৰাপ্তি

১৯৮৬ চনত সোনোৱাল কছাৰী ছাত্ৰ সকলৰ ছাত্ৰ প্ৰতিনিধিৰ উদ্যোগত তিনঠেঙীয়াতেই 'সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা'ৰ জন্ম হৈছিল। আমি উক্ত ছাত্ৰ সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে সভাখন সুচাৰুৰূপে সম্পন্ন

হোৱাত অৰিহণা যোগাইছিলো। তেতিয়াৰ পৰা সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ লগত পৰোক্ষভাৱে হ'লেও সংযোগ ঘটি আহিছিল। ১৯৯৩ চনত ডিব্ৰুগড় জিলাৰ বৰবৰুৱাত অনুষ্ঠিত 'সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা'ৰ ত্ৰয়োদশ বাৰ্ষিক ৰূপালী জয়ন্তী অধিৱেশনত সোনোৱাল কছাৰী সকলৰ আত্মনিয়ন্ত্ৰণৰ বাবে স্বায়ত্ত শাসন দাবী কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ১৯৯৬ চনত ডাঙৰীৰ মেগেলাত অনুষ্ঠিত ছাত্ৰ সন্থাৰ চৰ্তুদশ বাৰ্ষিক অধিবেশনত ৩১ দফীয়া দাবী চনদ গ্ৰহণ কৰি সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান কৰিবৰ বাবে দাবী জনায়। ইতিমধ্যে ১৯৯৪ চনত সোনোৱাল কছাৰী জাতীয় অভিৱৰ্তন অনুষ্ঠিত কৰি 'সোনোৱাল কছাৰী জাতীয় অভিৱৰ্তন অনুষ্ঠিত কৰা হয় আৰু তাতেই 'সোনোৱাল কছাৰী জাতীয় পৰিষদ' গঠন কৰি কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰক স্মাৰক পত্ৰৰ যোগেদি সোনোৱাল কছাৰী সকলৰ বাবে এখন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দাবী জনোৱা হয়। স্বায়ত্ত শাসনৰ দাবীটো জনসাধাৰণৰ মাজতে অধিক সক্ৰিয় কৰি তুলিবলৈ আৰু সংগ্ৰাম ৰাজনৈতিকভাৱে আগবঢ়াই নিবলৈ সোনোৱাল কছাৰী ছাত্ৰ সংস্থা আৰু জাতীয় পৰিষদৰ উদ্যোগতে ১৯৯৭ চনৰ ৩ মাৰ্চত জাতীয় অভিৱৰ্তন অনুষ্ঠিত কৰি 'সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতি' গঠন কৰা হয়। উক্ত দাবী সমিতিৰ সভাপতি ৰূপে এই লেখকক আৰু সম্পাদক পদত শ্ৰীমিলন সোনোৱালক নিৰ্বাচন কৰা হয়।

১৯৯৬ চনত শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অসম গণ পৰিষদ দল ক্ষমতালৈ আহে। ১৯৯৯ চনৰ ১ আগষ্টত মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তই সোনোৱাল কছাৰীৰ আটাই কেইটা সংগঠনক স্বায়ত্ত শাসন প্ৰদানৰ বাবে দিছপুৰত অনুষ্ঠিত কৰা আলোচনালৈ নিমন্ত্ৰণ কৰে যদিও প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন চৰকাৰে অসমৰ সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান কৰাৰ পৰা বিৰত থাকে।

এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্বায়ত্ত শাসনৰ দাবীৰ আন্দোলনটো তীব্ৰতৰ কৰি তুলিবলৈ সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিয়ে অসমৰ সোনোৱাল কছাৰী অধ্যুষিত অঞ্চল ডাঙৰী, টেঙাখাত, নাহৰকটীয়া, বৰবৰুৱা, ৰজাবাৰী, বাঘতলী, গোলাঘাট জিলাৰ বৰহলা, তিতাবৰ, লক্ষীমপুৰৰ বগীনদী

আদি ঠাইত সোনোৱাল কছাৰী ৰাইজৰ সভা আহ্বান কৰি আন্দোলন জোৰদাৰ কৰি তুলিবলৈ উদ্যোগ লোৱা হয়।

২০০৩ চনত সোনোৱাল কছাৰী স্বায়ত্ত শাসন আন্দোলনক ঐক্যবদ্ধ আৰু শক্তিশালী ৰূপ প্ৰদান কৰি এক নতুন মাত্ৰা সংযোজনৰ বাবে গঠন কৰা হয় 'সোনোৱাল কছাৰী যুৱ পৰিষদ'। উক্ত যুৱ অভিৱৰ্তনৰ মুকলি সভাত সভাপতিত্ব কৰি যুৱ পৰিষদ গঠন কৰাৰ সৌভাগ্য লাভ কৰিছিলোঁ।

২০০৩ চনৰ ২৯ মাৰ্চ তাৰিখে সোনোৱাল কছাৰী যুৱ পৰিষদ, সোনোৱাল কছাৰী জাতীয় পৰিষদ আৰু সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু ভৈয়াম জনজাতি কল্যাণ মন্ত্ৰী ভৰত নৰহদেৱক অসমৰ সোনোৱাল কছাৰী সকলক স্বায়ত্ত শাসন প্ৰদান আৰু ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰ দাবী জনাই স্মাৰক পত্ৰ প্ৰদান কৰা হয়।

অসম চৰকাৰে সোনোৱাল কছাৰী সকলৰ স্বায়ত্ত শাসনৰ দাবী সম্পৰ্কে আলোচনাৰ বাবে ২০০৩ চনৰ ২২ জুলাই তাৰিখে সোনোৱাল কছাৰী যুৱ পৰিষদ, সোনোৱাল কছাৰী স্বায়ত্ত শাসন দাবী সমিতিক নিমন্ত্ৰণ জনায়। আলোচনা কালত উপৰি উক্ত সংগঠনসমূহৰ তৰফৰ পৰা সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ এক 'খচৰা আৰ্হি' আৰু ৮৭১খন সোনোৱাল কছাৰী অধ্যুষিত গাঁৱৰ তালিকা অসম চৰকাৰক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে অসম চৰকাৰে এই তালিকাৰ ওপৰত ভিত্তি কৰিয়েই অসমৰ ৭খন সোনোৱাল কছাৰী অধ্যুষিত জিলাৰ উপায়ুক্ত সকললৈ (১৯ জুলাই ২০০৩ তাৰিখে) তালিকাত থকা গাঁওসমূহ জৰীপ কৰিবলৈ আৰু জনসংখ্যা পিয়লৰ বাবে এক নিৰ্দেশ জাৰি কৰে।

অসম চৰকাৰে সোনোৱাল কছাৰী সংগঠনসমূহৰ দাবী আৰু যুক্তিযুক্ততাক স্বীকাৰ কৰি ১৮ জানুৱাৰী ২০০৪ তাৰিখে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনক অধ্যক্ষ আৰু ভৈয়াম জনজাতি কল্যাণ মন্ত্ৰী শ্ৰীযুত ভৰত নৰহক আহ্বায়ক হিচাপে লৈ এখন কেবিনেট উপ-সমিতি গঠন কৰে। ১৮ জানুৱাৰী ২০০৪ তাৰিখে দিশপুৰৰ জনতা ভৱনত এই কেবিনেট সমিতিৰ আমন্ত্ৰণ ক্ৰমে সোনোৱাল কছাৰী জাতীয় সংগঠন কেইটাই আলোচনাত মিলিত হৈ কেবিনেট উপ- সমিতিক পুনৰ সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ খচৰা

আৰ্হি আৰু গাঁওসমূহৰ তালিকা প্ৰদান কৰা হয়। ইয়াৰ পিছত অসম চৰকাৰে সোনোৱাল কছাৰী সংগঠনসমূহক আমন্ত্ৰণ কৰি ২০০৫ চনৰ ৪ মাৰ্চ তাৰিখে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰি সোনোৱাল কছাৰী স্বায়ত্ত শাসন প্ৰৱৰ্তনৰ পথ মুকলি কৰে।

অসম চৰকাৰে গঠন কৰা কেবিনেট উপ-সমিতিয়ে প্ৰতিবেদন দাখিল কৰাৰ পিছত অক্টোবৰ মাহৰ ভিতৰত কেবিনেট মেম'ৰেণ্ডাম প্ৰস্তুত কৰে আৰু লগে লগেই অসম চৰকাৰে বিধান সভাত সোনোৱাল কছাৰী স্বায়ত্ত শাসন বিল উত্থাপন কৰি বিলখন ১১-৫-২০০৫ তাৰিখে সদনত পাছ কৰোৱাৰ ব্যৱস্থা কৰে।

পৰৱৰ্তী সময়ত সোনোৱাল কছাৰী সংগঠনসমূহে অন্তৰ্ৱৰ্তীকালীন কাউন্সিল গঠন কৰিবলৈ চৰকাৰৰ ওচৰত দাখিল কৰা তালিকাৰ ভিত্তিত ২০০৫ চনৰ ১৯ ছেপ্টেম্বৰৰ দিনা সোনোৱাল কছাৰী স্বায়ত্ত শাসন কাউন্সিল গঠন কৰি স্বায়ত্ত শাসনৰ ব্যৱস্থা প্ৰৱৰ্তন কৰে।

উক্ত সময়ছোৱাত মই ২০০১ চনৰ পৰাই ডিব্ৰুগড় জিলা পৰিষদৰ সদস্য হিচাপে কাৰ্য্যনিবাহ কৰি আছিলো। সেই সময়ত কংগ্ৰেছ দলৰ নীতি আছিল 'এক ব্যক্তি, এক পদ' সেয়েহে অন্তৰ্ৱৰ্তীকালীন পৰিষদখনত মই ভাগ নল'লো।

পঞ্চায়ত নিৰ্বাচন

২০০১ চনত মুখ্যমন্ত্ৰী ঁতৰুণ গগৈদেৱে চৰকাৰ গঠন কৰাৰ পিছতেই ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি গণতান্ত্ৰিক শাসন ব্যৱস্থা তৃণমূল পৰ্যায়ত প্ৰতিষ্ঠা কৰে। নতুন পঞ্চায়ত বিধি মতে তিনি তৰপীয়া পঞ্চায়ত গঠনৰ বাবে মহকুমা পৰ্যায়ত জিলা পৰিষদ, উন্নয়ন খণ্ড (ব্লক) পৰ্যায়ত আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত গঠন কৰিবলৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্যোগ লৈছিল আৰু ২০০২ চনত অনুষ্ঠিত নিৰ্বাচনত ডিব্ৰুগড় জিলা পৰিষদৰ অন্তৰ্গত খোৱাং জিলা পৰিষদ সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হৈছিলোঁ। খোৱাং জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত নখাট গাঁও পঞ্চায়ত, লেঙেৰী গাঁও পঞ্চায়ত, নাচনী গাঁও পঞ্চায়ত, তিনঠেঙীয়া গাঁও পঞ্চায়ত, খোৱাং-কলৌলোৱা গাঁও পঞ্চায়তত সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা সকলো কংগ্ৰেছ প্ৰাৰ্থীয়েই নিৰ্বাচনত জয়যুক্ত হৈছিল। সেই অনুক্ৰমে নখাট গাঁও

পঞ্চায়তৰ সভানেত্ৰী শ্ৰীমতী ৰত্নেশ্বৰী বড়া, লেঙেৰী গাঁও পঞ্চায়ত সভানেত্ৰী শ্ৰীমতী ৰেণু সোনোৱাল, নাচনী গাঁও পঞ্চায়তৰ সভাপতি শ্ৰীলোড়ন গড়, তিনঠেঙীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী শ্ৰীমতী ৰুণুমা শইকীয়া, খোৱা-কলৌলোৱা গাঁও পঞ্চায়তৰ সভাপতি ঁমুহিধৰ চেলেং নিৰ্বাচনত জয়ী হৈ কাৰ্য্যনিবাহ কৰিছিল।

সেইদৰে খোৱা আঞ্চলিক পঞ্চায়তৰ সদস্য পদত কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি নখাট গাঁও পঞ্চায়তৰ পৰা শ্ৰীধনীৰাম শইকীয়া, লেঙেৰী গাঁও পঞ্চায়তৰ পৰা ঁউমেশ গগৈ, নাচনী গাঁও পঞ্চায়তৰ পৰা শ্ৰীমতী ৰূপজ্যোতি গগৈ, তিনঠেঙীয়া গাঁও পঞ্চায়তৰ পৰা শ্ৰীদেবী শইকীয়া, খোৱা-কলৌলোৱা গাঁও পঞ্চায়তৰ পৰা ঁমুণ্ডিফ দেউৰী, খোৱাং আঞ্চলিক পৰিষদৰ সদস্য হিচাপে নিৰ্বাচনত জয়ী হৈ আহে।

গাঁও পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য সকল একেটা দলৰে সদস্য হোৱাৰ বাবে সকলোবোৰ উন্নয়নৰ কাম-কাজ আলোচনা-বিলোচনাৰ মাজেৰে সম্পাদন কৰাত জিলা পৰিষদ সমষ্টিটোত চকুত লগাকৈ কিছু উন্নয়ন সাধিবলৈ সক্ষম হৈছিলোঁ। আমাৰ কাৰ্য্যকালতেই লেঙেৰী মৌজাৰ আলি-পদূলি নথকা গাঁও বিলাকৰ আলি নিৰ্মাণ আৰু ভগ্নপ্ৰায় নিশ্চিহ্ন আলি নিৰ্মাণ কৰি গাঁওবিলাকলৈ যাতায়াতৰ সুচল ব্যৱস্থা কৰিবলৈ সক্ষম হৈছিলোঁ। জিলা পৰিকল্পনা সমিতিৰ সদস্য হিচাপে লেঙেৰী মৌজাৰ ভিতৰত গ্ৰহণ কৰিব লগা দীৰ্ঘম্যাদী আঁচনিসমূহ প্ৰস্তুত কৰিছিলোঁ আৰু বৰ্তমানে সেই আঁচনি সমূহৰ ৰূপায়ণ বাস্তৱায়িত হোৱাত মৌজাটোৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত এটা যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হোৱা দেখিবলৈ পোৱা গৈছে।

মই জিলা কংগ্ৰেছৰ সদস্য হৈ অৱস্থাত ১৯৭৫ চনৰ পিছত জিলা প্ৰশাসনৰ কেইবাখনো সমিতিৰ সদস্য /সভাপতি ৰূপে কাৰ্য্যনিবাহ কৰিছিলোঁ। সেইবোৰৰ ভিতৰত (১) জিলা কুৰিদফীয়া আঁচনি ৰূপায়ণ সমিতি (২) জিলা ভূমি উপদেষ্টা সমিতি (৩) নিয়োগ উপদেষ্টা সমিতি (৪) মহকুমা জনজাতীয় উন্নয়ন সমিতিৰ সভাপতি হিচাপে কাৰ্য্যনিবাহ কৰিছিলোঁ। এইখিনি কথা মোৰ শুভাকংক্ষী শ্ৰদ্ধেয় লেখক সকলে তেখেতসকলৰ লেখাত প্ৰকাশ কৰিছে। সমিতিৰ সদস্য বা সভাপতি ৰূপে সমাজলৈ যি খিনি সেৱা আগবঢ়াব পাৰিলোঁ, সেইখিনি তেনেই নগণ্য বুলিয়ে ভাবো। যি সকলে কিঞ্চিৎ মান হ'লেও উপকৃত হৈছে, সেই সকলৰ

আশীৰ্বাদতেই জীয়াই থকাৰ প্ৰেৰণা লাভ কৰিছোঁ। ভগৱানে তেখেতসকলক মঙ্গলে ৰাখক, এয়ে প্ৰাৰ্থনা।

পৰিশেষত কবিগুৰুৰ এফাঁকি পংক্তিৰে সামৰিছোঁ—

"মৰিতে চাহিনা আমি সুন্দৰ ভুৱনে
মানবেৰ মাজে আমি বাচিবাৰে চাই।"

❒❒❒

স্কেচ অংকনঃ হৰেশ্বৰ শইকীয়া।

সম্বৰ্ধনা পত্ৰৰ একাংশ ...



সোনোৱাল কছাৰী যুৱ পৰিষদ

কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস
স্থানঃ জিলা পুথিভঁৰাল, লক্ষীমপুৰ
তাৰিখঃ ১২ ফেব্ৰুৱাৰী ২০১০

বিশিষ্ট শিক্ষাবিদ **শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল** ডাঙৰীয়ালৈ

আন্তৰিক সম্বৰ্দ্ধনা

শ্ৰদ্ধাভাজনেষু,

জয়জয়তে আজিৰ এইপৱিত্ৰ ক্ষণত সোনোৱাল কছাৰী যুৱ পৰিষদৰ হৈ আমি আপোনাক শ্ৰদ্ধা, সম্ভাষণ জনাইছোঁ। জন্ম হওঁতেই মানুহ বিখ্যাত হৈনাহে। বিখ্যাত হ'বলৈ লাগে কছুতো গুণ। মনুষ্যৰ এই গুণৰাজি যিসকলে কৰ্ষণ কৰিবলৈ পাৰিছে সেইসকলেইসঁচা অৰ্থত বিখ্যাত বা সৰ্বজন সমাদৃত হ'বলৈ সক্ষম হৈছে।

এজন শিক্ষক হিচাপে, শিক্ষানুৰাগী ব্যক্তি হিচাপে সৰ্বোপৰি সমাজৰ প্ৰতি, দেশৰ প্ৰতি কিবা এটা কৰাৰ আপোনাৰ দুৰন্ত কামনাই যিখিনি ফলাফল আনি দিলে সেয়া সদায়েই স্বীকৃত হৈ থাকিব।

হে সুধীজন,

তিনিচৈঁগ্ৰীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলত শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি আপুনি ১৯৬৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সক্ৰিয় সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰি ডিব্ৰুগড় জিলা ট্ৰাইবেল সংঘৰ সভাপতি, শৰৎ চন্দ্ৰ সিংহৰ মুখ্যমন্ত্ৰীত্বৰ কালত জিলা এলিমেণ্টেৰী এডুকেছন ব'ৰ্ডৰ সদস্য হিচাপে আপুনি সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। স্বজনগোষ্ঠীৰ উন্নয়নৰ প্ৰতিও আপুনি সমানেই সচেতন। সোনোৱাল কছাৰী স্বায়ত্তশাসন দাবী সমিতিৰ সভাপতি হিচাপে সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি আপুনি জনগোষ্ঠীটোৰ স্বায়ত্তশাসন চুক্তিটো চৰকাৰৰ লগত স্বাক্ষৰ কৰিছিল। ডিব্ৰুগড় জিলা পৰিষদৰ ১৮ নম্বৰ খোৱাং জিলা পৰিষদ সমষ্টিৰ পৰাও নিৰ্বাচিত হৈ আহি আপুনি অঞ্চলটোৰ ৰাইজৰ বাবে যিখিনি কৰিলে সেয়া সকলোৰে মানসপটত সদায়েই জিলিকি থাকিব।

হে কৰ্মযোগী,

আজিৰ এইপৱিত্ৰ ক্ষণত আমি আপোনাৰ কৰ্মৰাজিক স্মৰণ কৰি আপোনালৈ জ্ঞাপন কৰিছোঁ আমাৰ আন্তৰিক সম্বৰ্দ্ধনা। আমাৰ সম্বৰ্দ্ধনা গ্ৰহণ কৰি কৃতাৰ্থ কৰক। আমাৰ অফুৰন্ত শুভকামনা হওঁক আপোনাৰ অনাগত জীৱনৰ যাত্ৰা পথৰ বৈজয়ন্তী। নৱপ্ৰজন্মৰ বাবে আপুনি যেন হৈৰয় এক প্ৰেৰণাৰ প্ৰতীক। পৰম মংগলময়ে আপোনাক দান কৰক সুস্বাস্থ্য আৰু দীৰ্ঘজীৱন।

এইকামনাৰে —

সোনোৱাল কছাৰী যুৱ পৰিষদৰ হৈ

শ্ৰী মিলন সোনোৱাল
সভাপতি

শ্ৰী বিপুল সোনোৱাল
সম্পাদক

১২ ফেব্ৰুৱাৰী, ২০১০ ❖ জিলা পুথিভঁৰাল, লক্ষীমপুৰ



সদৌ অসম সোনোৱাল কছাৰী ৰাজনৈতিক সচেতন মঞ্চ

সম্বৰ্ধনা পত্ৰ

প্ৰতি,
শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল
প্ৰাক্তন সদস্য,
ডিব্ৰুগড় জিলা পৰিষদ।

শ্ৰদ্ধাস্পদেষু,

জয়জয়তে আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জনালো। আজি ইং ০৪/০৪/২০১০,দেওবাৰে ডিব্ৰুগড় জিলা পৰিষদৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সোনোৱাল কছাৰী জাতীয় চেতনাবোধৰ সভাত আমাৰ ক্ষুদ্ৰ চিন্তাধাৰাৰে আপোনাক সম্বৰ্ধনা জনাবলৈ পাই আমি অতিশয় আনন্দিত আৰু গৌৰববোধ কৰিছো।

শৈক্ষিক বিকাশৰ অবিহনে সমাজৰ অন্য দিশৰ বিকাশৰ কথা ভাবিবকে নোৱাৰি। শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি আপুনি জ্ঞানৰ বন্তি জ্বলাই আপোনাৰ মহানতাকে প্ৰতীয়মান কৰিছে। শিক্ষাৰ বিকাশ, জ্ঞানৰ পোহৰ বিলাই আপুনি নিজে এগছি বন্তি হৈ সোনোৱাল কছাৰীসকলৰ জাতীয় জীৱনক উজ্জীৱিত কৰি তুলিছে। স্থানীয় এলেকাত শিক্ষাৰ প্ৰসাৰ আৰু বিকাশেই নহয়, সোনোৱাল কছাৰী সকলৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত আপুনি অহোপুৰুষাৰ্থ কৰি আহিছে। জিলা পৰিষদৰ সন্মানিত সদস্য হিচাপে আপুনি সমাজলৈ যি বৰঙণি আগবঢ়ালে সেয়া তৰুণসকলৰ বাবে নিশ্চিতভাৱেই প্ৰেৰণাদায়ক।

সোনোৱাল কছাৰীসকলৰ জাতীয় জীৱনত আপোনাৰ অনবদ্য বৰঙণিয়ে সমৃদ্ধ কৰাৰ বাবে আজিৰ এই পবিত্ৰ ক্ষণত আপোনাক আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰিলো। ভগৱানে আপোনাক সুস্বাস্থ্য ও দীৰ্ঘ জীৱন আৰু অফুৰন্ত কৰ্মপ্ৰেৰণা প্ৰদান কৰক। আমি তাকে কামনা কৰো——

(ৰুদ্ৰেশ্বৰ সোনোৱাল)
(অৱসৰপ্ৰাপ্ত সঞ্চালক
উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰ)
সভাপতি

(ৰাজু সোনোৱাল)
কাৰ্যকৰী সভাপতি

(দিগন্ত হাজৰীকা সোনোৱাল)
মুখ্য সম্পাদক


অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত
ডিব্ৰুগড় জিলা প্ৰশাসন, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ
বৃহত্তৰ ডিব্ৰুগড় বাইথ' সাংস্কৃতিক ক্ষেত্ৰ সমিতি আৰু সোনোৱাল কছাৰী জাতীয় সংগঠনসমূহৰ সহযোগত

শ্ৰীং শ্ৰীং বাইথ' পূজা

বৃহত্তৰ ডিব্ৰুগড় নগৰ শ্ৰীং শ্ৰীং বাইথ' মন্দিৰ, নিজ মানকটা গাঁও, ডিব্ৰুগড়
২৬ আৰু ২৭ ফেব্ৰুৱাৰী, ২০২৩ চন (দেওবাৰ আৰু সোমবাৰ)

সম্বৰ্ধনা পত্ৰ

প্ৰতি,
শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল (সমাজ সেৱক, শিক্ষানুৰাগী, সংগঠক) তিনিচুকীয়া, ডিব্ৰুগড়

শ্ৰদ্ধাভাজনেষু,

জয়জয়তে আপোনালৈ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। বৃহত্তৰ তিনিচুকীয়া অঞ্চলৰ এগৰাকী নিৰ্ভীক, নিষ্ঠাবান, কৰ্তব্যপৰায়ণ আৰু সমাজহিতৈষী ব্যক্তিৰূপে আপোনাৰ পৰিচয় সৰ্বজনবিদিত। অঞ্চলটোৰ জনসাধাৰণক বিদ্যা শিক্ষাৰ আলোকেৰে উজ্জীৱিত কৰি আগুৱাই নিবলৈ ১৯৫১ খ্ৰীষ্টাব্দতে তিনিচুকীয়া অঞ্চলত এখন কৰিকৰী মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰা, নলনীমুৰা মধ্য ইংৰাজী বিদ্যালয়, পুবেৰুণ কৃষিপাম মধ্য ইংৰাজী বিদ্যালয়, তিনিচুকীয়া প্ৰাথমিক বালিকা বিদ্যালয়, বুঢ়ীখোৱাং মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰাত যি ত্যাগ, ধৈৰ্য আৰু সক্ৰিয় ভূমিকা পালন ক ৰি সমাজখনলৈ অমূল্য অৱদান আগবঢ়াই আদৰ্শ দেখুৱাই আহিলে তাৰ প্ৰতি ৰাইজ অতিকে কৃতজ্ঞ। তদুপৰি সোনোৱাল কছাৰী স্বায়ত্তশাসিত দাবী সমিতিৰ এগৰাকী সভাপতি ৰূপে যি দায়িত্ব আৰু কৰ্তব্য সম্পাদন কৰি জাতিটোক আত্মনিয়ন্ত্ৰণৰ মৰ্যাদা পোৱাত অংশীদাৰ হ'ল ইয়ে আপোনাক চিৰদিন মহীয়ান কৰি ৰাখিব। সোনোৱাল কছাৰীৰ লগতে বৃহত্তৰ অসমীয়া সমাজলৈ আপোনাৰ এনে মহানতা আৰু অতুলনীয় অৱদানৰ প্ৰতি আমি চিৰকৃতজ্ঞ আৰু গৌৰৱান্বিত হৈ এই প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আপোনাৰ কৰ্মময় জীৱনৰ সুখ্যাতি, সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

ভৱদীয়

(টংকেশ্বৰ সোনোৱাল)
মুখ্য কাৰ্যবাহী সদস্য
সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ
ডিব্ৰুগড়

(বিমল বড়া)
মন্ত্ৰী
সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ
অসম চৰকাৰ

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত
সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, ডিব্ৰুগড় জিলা প্ৰশাসন,
শ্ৰীং শ্ৰীং বাইথ' পূজা উদযাপন সমিতিৰ সহযোগত আৰু বৃহত্তৰ খোৱাংবাসীৰ আতিথ্যত

শ্ৰীং শ্ৰীং বাইথ' পূজা - ২০২৫

শ্ৰীং শ্ৰীং বাইথ' মন্দিৰ প্ৰাংগণ, আঠাবাৰী, খোৱাং, ৯, ১০ আৰু ১১ মাৰ্চ, ২০২৫ (দেও, সোম আৰু মঙলবাৰ), ২৪, ২৫ আৰু ২৬ ফাগুন, ১৪৩১ ভাস্কৰাব্দ

।। সম্বৰ্ধনা পত্ৰ ।।

প্ৰতি,
শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল
তিনিচুকীয়া

শ্ৰদ্ধাভাজনেষু,

অভিনন্দন গ্ৰহণ কৰিব। বিভিন্ন ভাষা, ধৰ্ম, জাতি, জনগোষ্ঠীৰ সংমিশ্ৰণেৰে গঢ় লৈ উঠা অসমীয়া জাতিৰ ঐতিহ্য ৰক্ষা কৰি আৰু সাম্প্ৰতিক সময়ৰ কলা-সংস্কৃতি-সাহিত্য-শৈক্ষিক-সামাজিক-বৌদ্ধিক উত্তৰণৰ যাত্ৰা পথত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আপুনি জীৱনৰ মহত্তম অৱদান আগবঢ়াই আহিছে। নিৰলস প্ৰচেষ্টা আৰু একাগ্ৰতাৰে সোনোৱাল কছাৰী লোক-কৃষ্টিক নিজ কৰ্ম আৰু সেৱাৰ দ্বাৰা মহিমামণ্ডিত কৰাৰ লগতে জাতি-জনগোষ্ঠীসমূহৰ মাজত প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ বান্ধোন সবল কৰাৰ ক্ষেত্ৰত আপুনি যোগাই অহা অৰিহণা প্ৰশংসনীয়। ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, সাহিত্য-সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ আৰু সময় সচেতনতাৰে আপুনি নিজ কৰ্মক্ষেত্ৰত নিৰন্তৰে নিয়োজিত থাকি তৰুণ প্ৰজন্মৰ সন্মুখত এক সুন্দৰ আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে।

এই অৱদানৰ বাবে আপোনাক গভীৰ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনাৰ সু-স্বাস্থ্য আৰু কৰ্মময় জীৱনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

বিক্ৰম কৈৰী (আই.এ.এছ)
জিলা আয়ুক্ত
ডিব্ৰুগড়, অসম

বিপুল কুমাৰ দাস (এ.চি.এছ)
প্ৰধান সচিব
সোনোৱাল কছাৰী স্বায়ত্তশাষিত পৰিষদ
ডিব্ৰুগড়

দণ্ডীধৰ শইকীয়া
সভাপতি
শ্ৰীং শ্ৰীং বাইথ' পূজা উদযাপন সমিতি
খোৱাং, আঠাবাৰী

ৰাহুল চন্দ্ৰ দাস (এ.চি.এছ)
সঞ্চালক
সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম

শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ পৰিয়াল

শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল- জন্ম ঃ ১ জুলাই, ১৯৪০ চন

পিতা ঃ	ঁমুকুট (মুকুন্দ) সোনোৱাল।
মাতৃ ঃ	ঁজাধৈ সোনোৱাল (পৰিয়ালৰ নাম কছৰী)
পত্নী ঃ	শ্ৰীমতী গুণদা সোনোৱাল (বড়া)
জন্ম ঃ	১৩ মে', ১৯৪৭ চন
পিতৃ ঃ	ঁজুনাৰাম বড়া
মাতৃঃ	ঁজেতুকী বড়া
	গাঁও- ভোগালী পথাৰ, তিনঠেঙীয়া
	পৰিয়াল - তুঁহৰী।

ডাঙৰ কন্যা ঃ	শ্ৰীমতী গীতাঞ্জলি সোনোৱাল (মাজনী)
জন্মৰ তাৰিখ ঃ	জন্ম ঃ ২৬ ফেব্ৰুৱাৰী, ১৯৬৮ চন
প্ৰাথমিক শিক্ষা ঃ	বৃন্দাবন প্ৰাথমিক বিদ্যালয়, তিনঠেঙীয়া
প্ৰবেশিকা ঃ	তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল
উচ্চতৰ মাধ্যমিক ঃ	ডিব্ৰুগড় বহুমুখী বালিকা বিদ্যালয়
স্নাতক ঃ	তিনিচুকীয়া মহিলা কলেজ
স্নাতকোত্তৰ ঃ	ডিব্ৰুগড় বিশ্ববিদ্যালয়।

বৰ পুত্ৰ ঃ	শ্ৰীদেৱ কুমাৰ (দুদুল) সোনোৱাল
জন্ম ঃ	২ ডিচেম্বৰ, ১৯৬৯ চন
প্ৰাথমিক শিক্ষা ঃ	বৃন্দাবন প্ৰাথমিক বিদ্যালয়
মাধ্যমিক শিক্ষা ঃ	তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল
উচ্চ মাধ্যমিক ঃ	বিবেকানন্দ বিদ্যালয়, ডিগবৈ

কলেজীয়া শিক্ষা ঃ ৰামজাজ কলেজ, দিল্লী
হিন্দু কলেজ, দিল্লী
স্নাতকোত্তৰ ঃ দিল্লী স্কুল অব্ ইকনমিক্স
ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট, কলিকতা

ভাৰতীয় লোক সেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ (১৯৯৫ চন)
বৰ্তমান ভাৰতীয় ৰাজহ সেৱাত (I. R. S) কৰ্মৰত

বৰ্তমান আয়কৰ বিভাগৰ মুখ্য আয়ুক্তৰ পদত কৰ্মৰত।

মাজু পুত্ৰ ঃ মানবেন্দ্ৰ সোনোৱাল
জন্ম ঃ ৪ জানুৱাৰী, ১৯৭২ চন
প্ৰাথমিক শিক্ষা ঃ বৃন্দাবন প্ৰাথমিক বিদ্যালয়
মাধ্যমিক ঃ তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল
উচ্চ মাধ্যমিক ঃ কানৈ কমাৰ্চ কলেজ, ডিব্ৰুগড়
উচ্চ শিক্ষা ঃ গুৱাহাটী কমাৰ্চ কলেজ (প্ৰথম বাৰ্ষিকলৈকে)
মৃত্যু ঃ ৩ অক্টোবৰ, ২০২২ চন।

সৰু পুত্ৰ ঃ শ্ৰীহেমন্ত কুমাৰ সোনোৱাল (পাপু)
জন্ম ঃ ৬ নৱেম্বৰ, ১৯৭৪ চন।
প্ৰাথমিক শিক্ষা ঃ বৃন্দাবন প্ৰাথমিক বিদ্যালয়, তিনঠেঙীয়া
মাধ্যমিক শিক্ষা ঃ তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল
উচ্চ মাধ্যমিক ঃ বিবেকানন্দ বিদ্যালয়, ডিগবৈ
কলেজীয়া শিক্ষা ঃ ইউনিয়ন খ্ৰীষ্টীয়ান কলেজ, বৰাপানী, মেঘালয়
বৃত্তি ঃ ব্যৱসায়।

❑❑❑

নখাট-নগাঁও কছ্‌ৰী পৰিয়ালৰ অনুক্ৰমণিকা

মোৰ আজো ককাৰ মাতৃ তুঁহৰী পৰিয়াল হোৱাত চেঙেলীয়া কালতে পিতৃ-মাতৃ হেৰুৱাত উক্ত পৰিয়ালৰ লগতে আজো ককাই টেঙাখাত অঞ্চলৰ পৰা আহি নখাট-নগাঁৱত বসতি স্থাপন কৰিছিল। আজো ককাৰ নাম আছিল ঁভবং। তেখেতক তুঁহৰি পৰিয়ালৰ লোকে ডাঙৰ-দীঘল কৰি বিয়া বাৰু পাতি দিয়াৰ উপৰি মাটি বাৰীও দি সংস্থাপিত কৰিছিল বুলি জানিব পাৰিছিলোঁ। কিন্তু তেখেতে ক'ৰ পৰা কাক বিয়া পাতিছিল জনা নাযায়। আজো ককা ভবঙৰ এজনেই পুত্ৰ সন্তান- নাম ঁলক্ষীৰাম সোনোৱাল আৰু পৰিয়ালটোৰ নাম 'কছ্‌ৰী পৰিয়াল (সঁচ)'। কছ্‌ৰী পৰিয়ালৰ টোটেম হ'ল "কছ্‌ মাছ"।

এই পৰিয়ালত কছ্‌ মাছ খোৱা নিষেধ।

ঁলক্ষীৰাম সোনোৱাল নখাট পুৰণি গাঁৱৰ দেমাৰী (দৈমাৰী) পৰিয়ালৰ ঁদন্তীধৰ দাস (১৯১৮ চনতে দুৰ্জ ইনষ্টিটিউচন, ডিব্ৰুগড়ৰ পৰা এনট্ৰেন্স পাছ কৰি লেঙেৰী মজলীয়া বিদ্যালয় স্থাপন কৰিছিল আৰু লেঙেৰী পোষ্ট অফিচো স্থাপন কৰিছিল)। বায়েক 'কলিয়া'ক বিয়া কৰাইছিল।

ঁলক্ষীৰাম সোনোৱালৰ চাৰিজন পুত্ৰ আৰু তিনি গৰাকী জীয়ৰী হৈছিল। পুত্ৰ সকল যথাক্ৰমে ঁফণীধৰ, ৰম্ভীৰাম (এজন ডেকা কালতে ঢুকাইছিল নাম জনা নাযায়) আৰু ঁমুকুট (মুকুন্দ) সোনোৱাল। তিনি গৰাকী জীয়ৰীৰ ডাঙৰ গৰাকীক ঔফুলীয়া গাঁৱৰ তেপাৰী পৰিয়ালৰ ঁবসন্ত বড়ালৈ বিয়া দিছিল। তেখেতসকলৰ পুত্ৰ সকল যথাক্ৰমে ঁতেতেৰা, ঁকামেশ্বৰ, ঁনীৰেন আৰু জীয়ৰী কেইগৰাকী হ'ল ঁবহাগী আৰু শ্ৰীমতী গুণমা।

দ্বিতীয় গৰাকী জীয়ৰীক ২ নং চৰাইহাবি গাঁৱৰ ঘৰাৰী পৰিয়ালৰ ঁজাৰ্মান সোনোৱাললৈ বিয়া দিয়া হয় আৰু তেখেতসকলৰ সন্তান যথাক্ৰমে ঁৰাঙলী, শ্ৰীগোপী সোনোৱাল আৰু শ্ৰীমতী ৰীমা সোনোৱাল।

তৃতীয় গৰাকীক বিয়া দিয়া হয় পুৰণি শলগুৰি গাঁৱৰ খাৰঘিয়াৰী

পৰিয়াললৈ আৰু তেওঁলোকৰ পুত্ৰ ঁমতিকে ধৰি আন তিনিজন, এজন উত্তৰ পাৰলৈ উঠি যায়।

ঁলক্ষীৰামৰ বৰ পুত্ৰ ঁফণীধৰে ডিব্ৰুগড়ৰ মানকটাৰ পৰা বিয়া কৰাইছিল যদিও দুটি সন্তান ঁভাৰত আৰু ঁতিলক জন্ম হোৱাৰ পিছতে ফণীধৰৰ মৃত্যু হোৱাত তেওঁৰ পৰিবাৰে দুটি এমা ডিমা ল'ৰাক এৰি মাকৰ ঘৰলৈ গুচি গৈছিল।

ঁভাৰতৰ তিনিজন পুত্ৰ ঁশদে, ঁভূপেন আৰু শ্ৰীপিলেশ্বৰ (বৰ্তমান অৱসৰপ্ৰাপ্ত শিক্ষক) আৰু দুগৰাকী কন্যা ঁজয়েন (জয়ন্তী) আৰু ঁভাকন। ঁজয়ন্তীক ১ নং চৰাইহাবি গাঁৱৰ ঁবলীন সোনোৱাললৈ আৰু ঁভাকনক নিজ গাঁৱৰে ঁললিত বৰুৱালৈ বিয়া দিয়া হয়।

ঁতিলকৰ তিনি জন পুত্ৰ শ্ৰীঅলেশ্বৰ, ঁবুধেশ্বৰ আৰু শ্ৰীসুভাস আৰু কন্যা শ্ৰীমতী কুন্তী, ঁলাৱণ্য, শ্ৰীমতী ক্ষিৰমা, হিৰমা আৰু শ্ৰীমতী নিৰু, তেওঁলোক সকলোৱে গৃহ বাস কৰি কৃষি কৰ্মত জীৱন নিৰ্বাহ কৰি আছে।

ঁলক্ষীৰাম সোনোৱালৰ দ্বিতীয় পুত্ৰ ঁৰন্তীৰাম সোনোৱালে গড়মৰা বালিজান গাঁৱৰ মুকুদমি পৰিয়ালৰ পৰা বিয়া কৰাইছিল। তেওঁলোকৰ দুগৰাকী কন্যা, ঁগালং আৰু ঁসুখেশ্বৰী।

ঁগালঙক নিজ গাঁৱৰে গাৰখাৰী পৰিয়ালৰ ঁহৰিৰাম বৰুৱালৈ বিয়া দিয়া হৈছিল যদিও পৰৱৰ্তী সময়ত ডিৰাকলৈ উঠি গৈছিল। তেওঁলোকৰ পুত্ৰ কন্যা সকল ঁগগন, ঁথানেশ্বৰ, বোধেশ্বৰ আৰু কন্যা শ্ৰীমতী প্ৰভাতী, শ্ৰীমতী সুৱলা।

ঁসুখেশ্বৰীক পূবেৰুণ কৃষি পাম নিগমৰ সৰু মাঝি পৰিয়ালৰ ঁলৰ শইকীয়ালৈ বিয়া দিয়া হয়। তেওঁলোকৰ সতি সন্ততি যথাক্ৰমে শ্ৰীমতী ভানু আৰু শ্ৰীমতী ইলা।

উল্লেখযোগ্য যে ঁৰন্তিৰাম সোনোৱালে ১৯৪৫ চনতে ঁলম্বোদৰ বৰুৱাৰ সহযোগত নখাট-নগাঁও প্ৰাথমিক বিদ্যালয় স্থাপন কৰে। তেওঁ ভাগৰতীৰ কামো কৰিছিল।

লক্ষীৰ তৃতীয় পুত্ৰ ঁমুকুট (মুকুন্দ) সোনোৱালে গ্ৰাণ্ট শলগুৰি গাঁৱৰ কলাখোৱাৰী পৰিয়ালৰ ঁজাধৈ সোনোৱালক বিয়া কৰাইছিল। তেখেত সকলৰ তিনিজন পুত্ৰ আৰু পাঁচ গৰাকী কন্যা। পুত্ৰ সকল হৈছে শ্ৰীৰহেশ্বৰ সোনোৱাল (লেখক), ঁৰুদ্ৰেশ্বৰ, শ্ৰীচন্দ্ৰকান্ত সোনোৱাল। কন্যা সকল হৈছে ঁসোৰন, শ্ৰীসোমেশ্বৰী, শ্ৰীমতী ডাউকী, শ্ৰীমতী কমলা, শ্ৰীমতী হৰিপ্ৰিয়া আৰু শ্ৰীমতী অসীমা (মাই)।

ঁসোৱনক নিজ গাঁৱৰে গাৱখাৰী পৰিয়ালৰ ঁগোলোক বৰুৱালৈ বিয়া দিয়া হৈছিল। তেওঁলোকৰ পুত্ৰ সকল শ্ৰীহেৰম্ব বৰুৱা, শ্ৰীঘন বৰুৱা, শ্ৰী সত্য বৰুৱা আৰু কন্যা সকল শ্ৰীমতী জীৱেশ্বৰী, কুঞ্জলতা, কণমাই আৰু প্ৰণমা বৰুৱা।

শ্ৰীমতী সোমেশ্বৰীক (সোমে) নভৰালী গাঁৱৰ দাফলাৰী পৰিয়ালৰ শ্ৰীযোগেশ্বৰ বৰুৱালৈ বিয়া দিয়া হয়। পৰৱৰ্তী সময়ত পৰিয়ালটো তিনিচুকীয়া জিলাৰ ডিৰাক চুমনিলৈ উঠি যায় আৰু কৃষি কৰ্মৰে সংস্থাপিত হৈ আছে।

শ্ৰীমতী ডাউকীক নহাজাৰ নাহৰণি গাঁৱৰ তেপাৰী পৰিয়ালৰ শ্ৰীকমল বড়ালৈ বিয়া দিয়া হয়। তেওঁলোকৰ দুটি পুত্ৰ সন্তান আৰু দুগৰাকী কন্যা। পুত্ৰ সকল হৈছে শ্ৰীৰমেশ আৰু সোণ। কন্যা দুগৰাকী শ্ৰীমতী মামণি আৰু সোণতৰা।

শ্ৰীমতী কুমলাক পুৰণি শলগুৰি গাঁৱৰ বালিখিতাৰী পৰিয়ালৰ শ্ৰীথানেশ্বৰ সোনোৱাললৈ বিয়া দিয়া হয়। তেওঁলোকৰ দুজন পুত্ৰ আৰু এজনী কন্যা সন্তান। পুত্ৰ সকল শ্ৰীপৱিত্ৰ আৰু শ্ৰীমৃদুল আৰু কন্যা শ্ৰীমতী মামণি।

শ্ৰীথানেশ্বৰ সোনোৱালে অইল ইণ্ডিয়াৰ পৰা অৱসৰ লৈ বৰ্তমান মৰাণ বটামাৰীৰ স্থায়ী বাসিন্দা।

শ্ৰীমতী হৰিপ্ৰিয়া মৰিগাঁও অসামৰিক চিকিৎসালয়ত চাকৰি কৰি অৱসৰ লৈ মৰিগাঁও চহৰৰ স্থায়ী বাসিন্দা। তেওঁৰ স্বামী চামচুদ্দিন আহমেদ বোকাখাতৰ অসমীয়া মুছলমান সম্প্ৰদায়ৰ লোক। তেওঁলোকৰ এজন পুত্ৰ আৰু এগৰাকী কন্যা। পুত্ৰ ৰিজু ডনবস্ক' ইউনিভাৰছিটীৰ ইঞ্জিনীয়াৰং বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। কন্যা মৌচুমী আহমেদ (চুমি) এগৰাকী শিক্ষয়িত্ৰী। গুৱাহাটীৰ বাসিন্দা।

শ্ৰীমতী অসীমা (মাই)ক মণিপুৰৰ ইম্ফল চহৰৰ মণিপুৰী শ্ৰীকুমাৰ সিংহৰ লগত বিয়া দিয়া হয়। তেওঁলোকৰ চাৰি গৰাকী ছোৱালী আৰু এজন পুত্ৰ। কন্যা কেইগৰাকী হ'ল- তুফান, জুৰী, বিজুলী, ঝৰণা আৰু পুত্ৰ গৰাকীৰ নাম বুঙ'।

শ্ৰীৰহেশ্বৰ সোনোৱাল আৰু শ্ৰীমতী গুণদা সোনোৱাল (বড়া)ৰ এগৰাকী কন্যা শ্ৰীমতী গীতাঞ্জলি (মাজনী) সোনোৱাল আৰু তিনিজন পুত্ৰ যথাক্ৰমে শ্ৰীদেৱ কুমাৰ (দুদুল), ঁমানবেন্দ্ৰ (সোণ) আৰু শ্ৰীহেমন্ত (পাপু) সোনোৱাল।

শ্ৰীমতী গীতাঞ্জলি সোনোৱালক তেজপুৰৰ শ্ৰীপংকজ কুমাৰ দাসলৈ বিয়া দিয়া হয়। বৰ্তমান তেওঁলোক গুৱাহাটীৰ বাসিন্দা।

গীতাঞ্জলি সোনোৱালৰ শিক্ষা - প্ৰৱেশিকা- তিনঠেঙ্গীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল।

হায়াৰ ছেকেণ্ডৰী- ডিব্ৰুগড় উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়।

স্নাতক - তিনিচুকীয়া মহিলা মহাবিদ্যালয়।

স্নাতকোত্তৰ- ডিব্ৰুগড় বিশ্ববিদ্যালয়।

বৰ্তমানে গুৱাহাটীত সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত। পূব গুৱাহাটী লেখিকা সংস্থাৰ বৰ্তমান সভাপতি আৰু সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ ৰাজ্যিক সমিতিৰ সদস্য। তেওঁলোকৰ পুত্ৰ শ্ৰীমান অভিনৱ (অয়ন) কাশ্যপ বৰ্তমান উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ (NEHU) স্নাতকোত্তৰ শ্ৰেণীৰ ইংৰাজী বিভাগত অধ্যয়নৰত আৰু কন্যা শ্ৰীঅন্তৰা (পাহি) ৰাগিনী কটন বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী।

শ্ৰীদেৱ কুমাৰ (দুদুল) সোনোৱালৰ আনুষ্ঠানিক শিক্ষা ঃ

প্ৰবেশিকা - তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল।

হায়াৰ ছেকেণ্ডাৰী- বিবেকানন্দ বিদ্যালয়, ডিগবৈ।

স্নাতক- হিন্দু কলেজ, দিল্লী।

স্নাতকোত্তৰ- দিল্লী বিশ্ববিদ্যালয়

(Delhi School of Economics and Sociology)।

পৰৱৰ্তী এবছৰ IIM Calcutta ত অধ্যয়ন কৰিছিল।

তেওঁ ১৯৯৭ চনত ভাৰতীয় অসামৰিক সেৱাৰ (Indian Civil Service) পৰীক্ষাত উত্তীৰ্ণ হৈ ভাৰতীয় ৰাজহ সেৱাত (Indian Revenue Service) যোগদান কৰে আৰু বৰ্তমানে আয়কৰ বিভাগৰ Principal Commissioner হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁ গোলাঘাটৰ যতীন্দ্ৰ শইকীয়াৰ জ্যেষ্ঠ কন্যা শ্ৰীমতী শ্ৰেয়সী (চুমি)ৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। তেওঁৰ একমাত্ৰ পুত্ৰ শ্ৰীমান মৈত্ৰেয় (মন)য়ে কলকাতাৰ চেণ্ট জেভিয়াৰ কলেজৰ স্নাতক ডিগ্ৰীৰ কলা শাখাত অধ্যয়ন কৰি আছে।

মানবেন্দ্ৰ (সোণ) সোনোৱালৰ আনুষ্ঠানিক শিক্ষা- প্ৰবেশিকা- তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল।

হায়াৰ ছেকেণ্ডাৰী- ডিব্ৰুগড় কানৈ কমাৰ্চ কলেজ।

গুৱাহাটী কমাৰ্চ কলেজত স্নাতক শ্ৰেণীত পঢ়িছিল যদিও আধাতে পঢ়া এৰি দিয়ে।

পৰৱৰ্তী সময়ত ২০০১ চনত তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুলত সহকাৰী শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০২১ চনত ইহলীলা সম্বৰণ কৰে। তেওঁ

শিৱসাগৰ জিলাৰ ভাতগাজৰ শ্ৰীভবেন শইকীয়াৰ জ্যেষ্ঠ চিত্ৰলেখা (তৰালী)ৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। তেওঁৰ পুত্ৰ শ্ৰীমান ধৃতিমান (ধন) গুৱাহাটীৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ আৰু কন্যা শ্ৰীমতী হৈমৱতী (দিশা) সোনোৱাল গুৱাহাটীৰ বি বৰুৱা কলেজৰ স্নাতক শ্ৰেণীৰ ছাত্ৰী।

শ্ৰীহেমন্ত (পাপু) সোনোৱালৰ আনুষ্ঠানিক শিক্ষা- প্ৰৱেশিকা- তিনঠেঙীয়া ইণ্ডাষ্ট্ৰিয়েল হাইস্কুল উচ্চ মাধ্যমিক (Higher Secondary) -বিবেকানন্দ বিদ্যালয় ডিগবৈ।

স্নাতক- ইউনিয়ন খ্ৰীষ্টান কলেজ, শ্বিলং।

তেওঁ গুৱাহাটীৰ ঁভগীৰথ ৰয়ৰ মাজু কন্যা স্বপ্না ৰয়ৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। তেওঁ বি বৰুৱা কেন্সাৰ চিকিৎসালৰ চিকিৎসা কৰ্মী। শ্ৰীহেমন্ত বৰ্তমান গুৱাহাটীত ব্যৱসায় বাণিজ্য কৰাৰ উপৰি সামাজিক কাম-কাজত জড়িত হৈ আছে।

তেওঁৰ একমাত্ৰ কন্যা সন্তান শ্ৰীমতী লিমালক্ষী উচ্চ প্ৰাথমিকৰ ছাত্ৰী।

স্বৰ্গীয় ৰুদ্ৰেশ্বৰ সোনোৱালৰ তিনিজন পুত্ৰ আৰু দুগৰাকী কন্যা। পুত্ৰ ত্ৰয় হৈছে শ্ৰীযতীন, শ্ৰীবুবুল আৰু শ্ৰীপোনাকন, দুগৰাকী জীয়ৰীৰ শ্ৰীমতী প্ৰীতিক ভৰালী গাঁৱলৈ আৰু শ্ৰীমতী মাইনুক মৰিগাঁও জিলাৰ ভকত গাঁৱলৈ বিয়া দিয়া হয়। তেওঁলোক সকলোৰে কৃষি কৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰি আছে।

ঁমুকুট (মুকুন্দ) সোনোৱালৰ তৃতীয় পুত্ৰ শ্ৰীচন্দ্ৰ (বাবু) সোনোৱালৰ পুত্ৰসকল শ্ৰীথানেশ্বৰ (কঁকৈই),শ্ৰীযোগান, শ্ৰীতুলতুল আৰু শ্ৰীৰাজু সোনোৱাল, জীয়ৰী শ্ৰীমতী হীৰামণিক নলনী চমুৱালৈ আৰু শ্ৰীমতী মামুক নতুন বলাই গাঁৱলৈ বিয়া দিয়া হয়। পুত্ৰ শ্ৰীথানেশ্বৰে মৰিগাঁও জিলাত চিকিৎসা বিভাগত কৰ্মৰত আৰু বাকী আটায়ে ব্যৱসায়- বাণিজ্য আৰু খেতি বাতি কৰি স্বাৱলম্বিতাৰে জীৱন যাপন কৰি আছে।

আমাৰ কছ্ৰী পৰিয়ালটো কোন বংশ আৰু কোন খেলৰ অন্তৰ্গত এই বিষয়ে সৰ্ববংশাৱলী সৰ্বাঙ্গে নিশ্চিতভাৱে ঠাৱৰ কৰি দিব পৰা নাই। বহুতে ক'ব খোজে যে এই পৰিয়ালটো কাছাৰৰ পৰা আহিছিল, সেয়েহে কছ্ৰী পৰিয়াল নাম পালে। ইয়াৰো কোনো ঐতিহাসিক সত্যতা নিৰূপণ কৰা হোৱা নাই। সেয়েহে কছ্ৰী পৰিয়ালৰ কেকুৰী অধিৱেশনত কছাৰী পৰিয়াল কোনো বংশ আৰু খেলৰ অন্তৰ্ভুক্ত নহৈ একক পৰিয়াল হিচাপে চিহ্নিত হৈ থাকিবলৈ সিদ্ধান্ত লোৱা হয়।

❒❒❒

কবিতা ঃ

গুৰু বন্দনা

✍ **সতীশ চুতীয়া**

পিতাইৰ সৈতে
এটকা চাৰি অনাসহ
গুৱা-পাণৰ এখনি শৰাই নিবেদি
গুৰুৰ সন্মুখত সেৱালৈ
আৰম্ভ কৰিছিলোঁ শৈক্ষিক যাত্ৰা

ক্ৰমশঃ
আন্ধাৰৰ পৰা পোহৰলৈ
অজ্ঞানতাৰ পৰা জ্ঞানলৈ
আৰম্ভ হৈছিল জীৱনৰ দৌৰ ....

মুকলি হৈছিল মন-মগজুৰ বন্ধ দুৱাৰ
খুলি দিছিল চেতনাৰ সূক্ষ্ম খিৰিকী
শ্ৰেণী কোঠাৰ পৰা সমাজ জীৱনলৈ
ব্যক্তি সত্তাৰ পৰা সামূহিক সত্তালৈ
গুৰু বৃন্দৰ অমল পৰশ লাগি
সলনি হৈ পৰিছিল জীৱন শৈলী

অন্ধ বিশ্বাসৰ পৰা বৈজ্ঞানিক মানসিকতালৈ
আত্ম বিশ্বাসৰ পৰা তথ্য প্ৰমাণ সহিতে যুক্তিবাদলৈ
সলনি হৈছিল কথন শৈলী

শিক্ষাৰ কঠীয়াতলী চহাই- মৈয়াই
জীৱনৰ অলেখ স্বপ্ন বুকুত লৈ
মানুহ হোৱাৰ ঠিকনাৰ সন্ধানত
মাথোঁ অনিৰুদ্ধ যাত্ৰা আমাৰ

বৰ্ণময় জীৱনৰ অন্বেষণত শিক্ষাই সাৰথি
আৱেগ আৰু বিবেকৰ সমন্বয়েৰে
জীৱন্ত খনিকৰৰ হাতত ধৰি
আৰম্ভ কৰিছিলো গতিশীল জীৱন।

হে গুৰু,
আপোনাৰ অন্তৰাত্মাৰ আহ্বান
আমি শুনিছোঁ
শ্ৰদ্ধা, আনুগত্য আৰু সৌজন্য
আপোনাৰ পৰাই শিকিছোঁ।

সৎ জীৱন আৰু সততা
আপোনাৰ পৰাই ধাৰ কৰা
তেজস্বী মন এটা গঢ় দিয়াত
আপোনাৰেই অৱদান বেছি

আপুনি চিন্তাৰ, বুদ্ধিৰ
মননশীলতাৰ আকৰ
মনুষ্যত্বৰ গুণবোৰ
নিহিত হৈ আছে
আপোনাৰ মন আৰু হৃদয়ত

আপুনি গুৰু, আপুনি দিক দৰ্শক

আপুনি বুজি পায়
শিক্ষাৰ্থীৰ অন্তৰৰো অন্তৰৰ কথা
উপলব্ধি কৰে শিক্ষাৰ্থীৰ মানসিকতা

আপুনি আমাক জীৱনৰ অৰ্থ শিকালে
জীৱনবোধক কৰি তুলিলে অধিক গভীৰ
দৃষ্টিভংগীক কৰি তুলিলে অধিক স্বচ্ছ
জীৱন-জিজ্ঞাসাক কৰি তুলিলে তীব্ৰ

আপুনি গুৰু মহীয়ান
শিক্ষা এক অন্তহীন তৃষ্ণা
জীৱন জুৰি শিক্ষাৰ সাধনাই
আপোনাক কৰি তুলিলে উজ্জ্বল

সেই পোহৰতে আমি জিলিকি আছো
পাইছো অনেক অনুপ্ৰেৰণা
যন্ত্ৰণাৰ মাজতে জীৱনক শান্তিময়
সুৰময় কৰি তোলাৰ আঁচনি
আপুনিয়েই দিলে-
জীৱন চয়ন-বয়নত আপোনাৰ দৰে
শিক্ষা গুৰুৰ আশীৰ্বাদ আৰু সান্নিধ্যই
সমুদ্ৰ মন্থনেৰে বুটলি আনিলো
জীৱন গঢ়াৰ অলপহে মুকুতা
সেয়াই জীৱনৰ সম্পদ হ'ল-

এনেকৈয়ে গুৰুৰ মন্ত্ৰেৰে দীক্ষিত হৈ
গুৰুৱে দিয়া চোলাটো পিন্ধি
বুকুত আঁৰি ল'লো বেলি

পোহৰ বিলাবলে' ...
নৱ প্ৰজন্মক সুন্দৰ ঠিকনা দিবলে' ..

হে, নমস্য গুৰু
শতকোটি প্ৰণাম জনাইছোঁ।
আপোনাৰ পিছে পিছে
আপোনাক অনুকৰণ কৰিছোঁ
অনুবাদ কৰি লৈছোঁ আপোনাক

হে শ্ৰদ্ধাস্পদেষু,
সৃষ্টিশীলতাৰ উৎস আপুনি
বৌদ্ধিক চিন্তাৰ অমল উৎস আপুনি
সংস্কৃত মনৰ আধাৰ আপুনি
আমাৰ জীৱন যাত্ৰাৰ ইন্ধন আপুনি
ইতিবাচক চিন্তাৰ ভঁৰাল আপুনি

আপুনি কৃষ্ণ, আদৰ্শ শিক্ষাগুৰু
আপোনাৰ চৰণ চুই জনালোঁ প্ৰণিপাত
জ্বলালোঁ এগছি মাটিৰ প্ৰদীপ
দীৰ্ঘায়ু আৰু সুস্বাস্থ্যৰ শুভ কামনাৰে ...

লেখক ঃ অৱসৰপ্ৰাপ্ত শিক্ষক, বামুণবাৰী উচ্চ মাধ্যমিক বিদ্যালয়।

❑❑❑

আজি দেউতাৰ দিৱস
(সমীপেষু শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল)

✍ ৰীতা কোঁৱৰ

দেউতাহঁত নিয়মীয়াকৈ
পথাৰলৈ গৈ আছিল বাবেই
আমি খাই আছিলোঁ
নিজৰ খেতিৰ ভাত।
দেউতাহঁতে নিয়মীয়াকৈ
কাঠী-কামি কৰি আছিল বাবেই
আমাৰ ঘৰবোৰ ভৰি আছিল
বাঁহৰ সামগ্ৰীৰে।
বাৰীবোৰ চাফা আছিল,
নাছিল প্লাষ্টিকৰ পয়োভৰ।
দেউতাহঁত নিষ্ঠাৰে
সমাজখন ধৰি আছিল বাবেই
আমি ভোগা নাছিলোঁ একাকীত্বত।
দেউতাহঁত সুখত আছিল
কাৰণ, অলপতে সুখী হোৱাৰ কিটিপ
তেওঁলোকে জানিছিল।
দেউতাহঁতে বিচাৰিছিল-
পুৰণি সকলোবোৰ একে থাকক।

একে থাকক সুখ, দুখ আৰু
মানুহৰ প্ৰতি মানুহৰ ভালপোৱা।
নতুনৰ প্ৰতি ভয়ভাব থাকিলেও
তেওঁলোকে খুলি ৰাখিছিল
মনৰ দুৱাৰ.....
সেই দুৱাৰেৰে আমি
ওলাই গৈ থাকিলোঁ, গৈ থাকিলোঁ,
গৈয়েই থাকিলোঁ.....
গৈ গৈ যিখিনি পালোঁগৈ
তাত দেখোন
ভঁৰালৰ ভাত নাই,
চেনেহৰ মাত নাই,
নাই সম্পৰ্কত আত্মীয়তা।
জগত সভাৰ অমৃত বিচাৰি
আমি যে এতিয়া
শ্ৰান্ত-ক্লান্ত বাটৰুৱা।

লেখক ঃ লেখিকা, ডিব্ৰুগড়।

❑❑❑

কৰ্মবীৰ, প্ৰণাম তোমাক
(সমাজ হিতৈষী শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল সমীপেষু)

✍ **ৰীতা বৰদলৈ**

হে কৰ্মবীৰ,
প্ৰণাম তোমাক
জীৱনৰ দীঘ আৰু বাণিৰে সমৃদ্ধ কৰিলা সুৱীয়া সময়,
দৰিদ্ৰতাৰ অমানিশা অতিক্ৰমি আগুৱাই গ'লা তুমি
পোহৰ অহাৰ বাটেৰে,
শিক্ষান্বেষী হে
তুমি সমাজলৈ আনিলা নতুন জোৱাৰ।
শিকাৰু হোৱাৰ অদম্য স্পৃহা
তোমাৰ প্ৰাণত,
জীৱনৰ যত বাধা নেওচি ধাৱমান হ'লা
তুমি জ্ঞানৰ বাটত
শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হেতু
কৰিলা জীৱন পণ।
সমাজৰ প্ৰগতি, উন্নয়নৰ হেতু মাৰ বান্ধি ল'লা পণ
'দেশ বুলিলে যে
নেলাগে আদেশ'
তোমাৰো প্ৰাণত আছে জাতীয়তাবোধ।
হে কৰ্মবীৰ,

জীৱনৰ ৰং, ৰূপৰ সমাহাৰ তোমাৰ দিনলিপি
সদায়েই
কৰ্মৰে হ'লা মহীয়ান।
হে কৰ্মবীৰ,
সমাজ হিতৈষীজন,
জনাইছো সশ্ৰদ্ধ অভিনন্দন।
নিজৰ স্বাৰ্থ জলাঞ্জলি দি সমাজসেৱাতে হ'লা
মগন,
কৰ্মই ধৰ্ম,
সততা আৰু সৰলতাৰে জীৱন জিনি
অজ্ঞানতাৰ
তমসা বিনাশি জ্যোতিকণাৰে উজলালা
আপোন সৰগ।
ভগৱান হওক
তোমাৰ সহায়।
তোমাৰ কৰ্মোদ্যমী পুৰুষ,
তিনঠেঙ্গীয়াৰ
সদ্য গৌৰৱ তুমি,
তোমাৰ
সু-স্বাস্থ্য কামনাৰে জনালো প্ৰণাম।
কালজয়ী হওক
তোমাৰ নিষ্ঠা আৰু কৰ্মেৰে উজ্জ্বল জীৱন।

লেখক ঃ কবি, গুৱাহাটী।

❑❑❑

অৱসৰী

(কৃতী শিক্ষক, সমাজ হিতৈষী পৰম শ্ৰদ্ধাৰ শ্ৰীযুত ৰহেশ্বৰ সোনোৱালৰ কৰকমলত)

✍ ড° প্ৰণীতা শৰ্মা বৰদলৈ

স্বব্যক্তিত্বৰে উদ্ভাসিত
স্বকৰ্মেৰে মহিমামণ্ডিত
সন্মানীয় ব্যক্তি শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল,
ন-প্ৰজন্মৰ পথ প্ৰদৰ্শকৰূপে
কৃতী শিক্ষকৰ আৰ্হিৰে
উজলিছে চিৰকাল।

সুন্দৰ-সুঠাম দেহ বিশিষ্ট
নম্ৰতাৰে কৰে সকলোকে আকৃষ্ট,
'ডিব্ৰুগড় জিলা পৰিষদ'ৰ প্ৰাক্তন সদস্য,
গহীন-গম্ভীৰ-অমায়িক স্বভাৱ সমৃদ্ধ
সমাজ হিতৈষী ৰূপত সদা অভ্যস্ত।

ভিন্নধৰ্মী সামাজিক কৰ্ম,
অথবা সোনোৱাল কছাৰীৰ ইতিবাচক কৰ্ম,
সৰ্বদিশতে তেওঁৰ অদ্বিতীয় নেতৃত্ব।
"কৰ্মই তেওঁৰ প্ৰকৃত ধৰ্ম"

শিক্ষা-সমাজ সৰ্বত্ৰে অগ্ৰগামী
পিন্ধি লয় যেন সাহসৰ বৰ্ম।।

জয়তু শ্ৰদ্ধাৰ সোনোৱাল ডাঙৰীয়া
পিতৃতুল্য আপুনি, চিৰ নমস্য,
তিনঠেঙ্গীয়াৰ যেন উজ্জ্বল নক্ষত্ৰ
জিলিকি ৰ'ব আপোনাৰ মহান বাক্য।

হে মহান স্বদেশপ্ৰেমী,
সু-স্বাস্থ্য-দীৰ্ঘজীৱন অন্তৰেৰে কামনা কৰি,
জনালোঁ আমাৰ শ্ৰদ্ধা সম্ভাষণ
সৰ্বদিশতে নিনাদিত হওক, আপোনাৰ জয়ধ্বনি।।

লেখক ঃ ***বিশিষ্ট কবি তথা অৱসৰী শিক্ষয়িত্ৰী, কামৰূপ একাডেমী, গুৱাহাটী।***

❑❑❑

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

গৰখীয়া সবাহত নাতিহঁতৰ লগত

সহধৰ্মিনীৰ সৈতে নিগমৰ বাৰীত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

নিজৰ প্ৰিয় গৰুৰ আপদালৰ মুহূৰ্তত

কৃষি কাৰ্যৰ সময়ত

মানবেন্দ্ৰ (সোন) আৰু হেমন্ত (পাপু)ৰ লগত পাকঘৰত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

পুত্ৰ, কন্যা, বোৱাৰী, নাতি আদিৰ সৈতে

গুৱাহাটীৰ ঘৰত জী-জোঁৱাই, বিয়েনী, সৰু পুত্ৰ (পাপু),
সৰু বোৱাৰী (স্বপ্না)সহ পৰিয়ালৰ সদস্যৰ লগত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

নিজ বাসভৱনত বিয়নী
আৰু দুই নাতি ধন আৰু মনৰ লগত

আসাম ভেলী স্কুলত বৰপুত্ৰ দেৱ (দুদুল)
আৰু মৈত্ৰেয় (মন)ৰ লগত

পৰিয়ালৰ সদস্য আৰু আত্মীয়ৰ লগত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

সহধৰ্মিণী, মাজু পুত্ৰ (সোণ), মাজু বোৱাৰী (তৰালি)
আৰু অভিনেত্ৰী মাধুৰীমা চৌধুৰীৰ লগত

দুই নাতি যথাক্ৰমে পাহি (অন্তৰা) আৰু অয়ন (অভিনৱ)ৰ লগত

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

নিজ বাসভৱনত দুদুল আৰু সোনৰ সৈতে

নিজ বাসভৱনত গণশিল্পী লোকনাথ গোস্বামীৰ সৈতে

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

নিজ বাসভৱনত ভকতসকলৰ লগত

বাথৈ পূজাত সহধর্মিনীৰ সৈতে

তেজপুৰত বিষ্ণু ৰাভাৰ পুত্ৰ হেমৰাজৰ সৈতে

মাটিৰ মানুহ ৰহেশ্বৰ সোনোৱালৰ এলবামৰ পৰা ...

গোলাঘাটৰ বিয়ৈ আৰু বিয়নীৰ সৈতে



সখী বিপিন শইকীয়াৰ সৈতে

ৰাতিপুৱাৰ এটি বিশেষ মুহূৰ্ত

A Man of Conviction, Culture, and Community - A Legacy Etched in Earth and Ink

Jesif Ahmed

(Nephew)

Assam Don Bosco University

In the heart of Assam, in the small, unassuming village of Tinthengia, there lives a man whose quiet resolve has carved a lasting legacy: Shri Roheswar Sonowal. A retired teacher, a social worker, and a tireless advocate for his community, Mr. Sonowal's life is a testament to the power of a deep-seated connection to one's roots. His story is not one of grand political victories or international acclaim, but of the profound impact a man can have on his local community—the 'man of the soil' to whom a felicitation volume, "**Matir Manuh**" (মাটিৰ মানুহ), has been dedicated.

Born and raised in the rural expanse of Dibrugarh, Mr. Sonowal's early life presented a crossroads familiar to many in developing nations: the allure of a prestigious job far from home versus the bonds of family and community. In 1963, he passed the examination for the position of Aerodrome Operator Grade-I with the Civil Aviation Department in Calcutta. He was called for training, first to Allahabad and then to Calcutta, but on both occasions, he chose to stay. Faced with financial hardship, the responsibility of being the eldest son, and a deep affection for his students, Mr. Sonowal made a poignant choice. As he reflected, "Jangalei mangal" (the jungle is a blessing), finding contentment in the simple pleasures of village life. His decision speaks to a unique brand of patriotism—not for one's country in the abstract, but for the very earth beneath one's feet.

The decades that followed saw Sonowal channel this profound commitment into tangible action. He became a distinguished teacher at Tinthengia Technical Higher Secondary School, shaping the minds of countless students. But his influence extended far beyond the classroom. He was a dedicated social worker, tirelessly striving to improve the lives of the less fortunate. He helped establish a public market, a vital step in creating a sustainable local economy, and founded an agricultural farm corporation to support the livelihoods of poor farmers. His efforts were a direct, hands-on approach to rural development, a blueprint for how a single individual can instigate real change at a grassroots level.

Perhaps his most enduring contribution was his leadership in the fight for community self-governance. As the founding president of the Sonowal Kachari Autonomous Council Demand Committee, Sonowal led the movement that culminated in the establishment of the Sonowal Kachari Autonomous Council. This body was created to safeguard the social, economic, educational, and cultural rights of the Sonowal Kachari people. His role in this movement was not just as a leader but as a guide, providing a steady hand to his community's aspirations for autonomy and recognition.

Even as he entered his eighties, Mr. Sonowal's commitment to social causes remained unwavering. His legacy is celebrated not only for his achievements but for his ethos—a life lived with integrity and a deep sense of responsibility to his people. He is a man who, by choosing to remain in his village, ultimately served a far greater purpose, proving that true prosperity is not measured in professional titles or city lights, but in the well-being of the community you call home.

In a world increasingly defined by fleeting trends, the life and contributions of Shri Roheswar Sonowal stand as a testament to enduring values, deep-seated conviction, and a profound commitment to both community and family. As we anticipate the release of "MATIR MANUH ROHESWAR SONOWAL," a felicitation volume published by the Samaj Hitoishi Roheswar Sonowal Abhinandan Anusthan Ujjapan Samity in Dibrugarh, Assam, it is clear that we are celebrating an individual whose legacy transcends the ordinary. This collection of essays aims to honour a man rightly titled 'Man of the Soil,' a figure whose multifaceted life has left an indelible mark.

This volume itself is a collaborative effort, echoing the broad reach of Shri Sonowal's influence. It features endorsements and contact details for significant regional organisations such as the All Assam Tribal Sangaha, registered in 2021-22 and headed by President I/C Sukumar Basumatary and Secretary General Aditya Khakhlari. Furthermore, the All Assam Sonowal Kachari Students Union, with two distinct entries – one established in 1968 and registered in 1982-83, led by President Debananda Chelleng and General Secretary Parikhit Sonowal, and another registered in 2017-18 with Mohan Sonowal as President and Mridul Sonowal as Chief Secretary – underscores his deep-rooted connections within his ethnic community. These affiliations collectively paint a portrait of a leader deeply engaged with the welfare and development of tribal groups across Assam.

At the heart of "MATIR MANUH ROHESWAR SONOWAL" are profoundly personal tributes that illuminate the man behind the public figure. His daughter-in-law, Shreyashree Sonowal (Sumi), pens a moving piece titled "Dear Papa". She

describes him not merely as a father-in-law, but as a "second father, a mentor, and a friend". Her words convey a deep gratitude for his "unwavering love, wisdom, and support", acknowledging how he welcomed her "with open arms" and treated her "as one of [his] own". His guidance, she asserts, has been a "beacon," instilling lessons in "patience, humor, and resilience". Most poignantly, she highlights his role as a loving grandfather, a source of "compassion and strength" for his grandchildren.

Complementing this, his grandson, Abhinav Kashyap (Ayon), contributes "MY GRANDFATHER," an evocative piece painting a vivid picture of a man deeply connected to both the intellectual and the natural world. Kashyap describes a grandfather of "considerable stature", often found with a book in hand, "its pages murmuring akin to leaves caught in a breeze". Yet, this avid reader was equally a man of the earth, with "the soil clinging to his bare feet", moving through "earth and ink with the same deliberate grace". His defining characteristic was "quiet, unshakable patience", evident in his measured approach to both tilling the land and absorbing the narratives of books. His "silver" hair, a mark of his advanced age, retained its density, symbolising his enduring strength. He was a man of profound introspection, observing the wind as if "deciphering some secret script", yet remaining "reticent" about the meanings he found, as if "both narratives and seasons were infinite". This powerful sentiment is beautifully encapsulated by the symbolic quote: "A grandfather is someone with silver in his hair and gold in his heart".

Mr. Roheswar Sonowal’s career appears to have been as rich and varied as his personal life. Beyond his professional achievements, Sonowal’s life was guided by profound philosophical and action-oriented principles. The volume draws inspiration from Swami Vivekananda, noting that "Enternal happiness and misery are a child's dream," and that the true goal is to "be master of that out of which these are manufactured". This emphasis on self-mastery resonates with a definition of achievement that prioritises "depth of one's convictions and the courage to live by them" over wealth or status. His pragmatic nature is underscored by principles such as "Do more talk less" and "motivate". Educational philosophy too was important, with the adage that a "Good teacher knows how to bring out the best in student", alongside the belief that "Road is the way of Civilization-", highlighting his vision for progress.

In conclusion, Shri Roheswar Sonowal emerges as a highly respected, multifaceted individual. His life, as presented through these rich excerpts, is a blend of quiet intellectualism and active public service, grounded in unwavering family devotion and deep community ties. He embodies the essence of "Man of the Soil" (মাটিৰ মানুহ) a leader who inspired through conviction, compassion, and

a tireless commitment to the betterment of those around him. His enduring legacy is one of wisdom, integrity, and a profound connection to the cultural, social, and administrative fabric of Assam.

To my dearest Uncle … my mom's steadfast elder brother, Shri Roheswar Sonowal,

You have always been my quiet compass. Rooted like the soil you so lovingly tended, you taught me that courage is patient and goodness is practised, not proclaimed. As a child I watched you prefer deeds to speeches: small, steady acts that taught me more about honour than any sermon ever could. For me, you were always the very essence of 'Matir Manuh'—a true man of the soil whose feet were as rooted in the rich earth as your mind was endlessly cultivated by the world of books. I remember the quiet strength, the 'silver in your hair and gold in your heart', a wisdom that seemed to echo Swami Vivekananda's counsel to be 'masters of the situation at its very root'. You taught us, not through grand pronouncements, but through your unwavering patience with both fields and narratives, that true achievement rests not on status, but on the 'depth of one's convictions and the courage to live by them'.

You are, truly, a matir manuh — humble, unshowy and enduring — and the values you live by have become a private inheritance I carry with pride and gratitude. Your legacy, steeped in both ink and soil, continues to inspire …



বংশ পৰিচয় ঃ আমাৰ ককাদেউতা ঁভবং সোনোৱাল গাঁওখন স্থাপনৰ সময়তে টেঙাখাত অঞ্চলৰ পৰা আহি নখাট-নগাঁৱত বসতি কৰে। তেওঁৰ একমাত্ৰ পুত্ৰ ঁলক্ষীয়ে নখাট পুৰণি গাঁৱৰ ঁদন্তীধৰ দাসৰ বায়েক ঁকলীয়াক বিয়া কৰি তিনিটা সন্তান আৰু তিনিজনী জীয়ৰীৰ সৈতে গৃহ সংসাৰ চলাইছিল। বৰপুত্ৰ ঁফণীধৰৰ দুই পুত্ৰ ঁভাৰত আৰু ঁতিলক সোনোৱাল। মাজুপুত্ৰ ঁৰন্তীৰামৰ দুগৰাকী ছোৱালী ঁগালং আৰু সুখেশ্বৰী আৰু সৰু পুত্ৰ ঁমুকুট (মুকুন্দ)ৰ তিনি পুত্ৰ শ্ৰীৰহেশ্বৰ, ঁৰুদ্ৰেশ্বৰ, শ্ৰীচন্দ্ৰকান্ত (বাবু) আৰু ছয় গৰাকী জীয়ৰী যথাক্ৰমে ঁসোবন, সুখেশ্বৰী, ডাউকী, কুমলা, হৰিপ্ৰিয়া, অসীমা। দৌতা লক্ষীনাথ জীয়াই থকাৰ বহু পিছলৈকে আমি এটা যৌথ পৰিয়ালৰূপে একেটা ঘৰতে বাস কৰিছিলোঁ।

— ৰহেশ্বৰ সোনোৱাল

অবিভক্ত লক্ষীমপুৰ জিলাৰ ডিব্ৰুগড় মহকুমাৰ পূব প্ৰান্তত অৱস্থিত লেঙেৰী মৌজাৰ ১০৭ নং এফ এছ গ্ৰাণ্টৰ নখাট-নগাঁৱত এটা দুখীয়া কৃষক পৰিয়ালত ১৯৪০ চনৰ ১ জুলাইত এটি সন্তানে জন্ম লাভ কৰিছিল। মাতৃ আছিল স্বৰ্গীয় জাধৈ সোনোৱাল আৰু পিতৃ আছিল স্বৰ্গীয় মুকুট (মুকুন্দ)সোনোৱাল। সেই সুযোগ্য সন্তানটিয়ে হৈছে আজিৰ সোনোৱাল কছাৰী জনগোষ্ঠীৰ বিবেক, বৃহত্তৰ তিনঠেঙ্গীয়া-লেঙেৰী অঞ্চলৰ শৈক্ষিক বিকাশৰ পথ প্ৰদৰ্শক, ৰাস্তা-ঘাট, চিকিৎসা সেৱা, দুখীয়া কৃষকৰ ভূমিৰ অধিকাৰ আৰু কৃষি উন্নয়নৰ বাবে নিজকে উৎসৰ্গ কৰা গহীন স্বভাৱসুলভ ব্যক্তিত্বৰ অধিকাৰী, জ্ঞান পিপাসু, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল। ১৯৯৮ চনত তিনঠেঙ্গীয়া কাৰিকৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা ৰহেশ্বৰ সোনোৱাল সঁচাকৈ এগৰাকী মাটিৰ মানুহ। সাধাৰণ মানুহৰ দুখ-সুখৰ সৈতে জীৱনজোৰা সান্নিধ্যৰে চহকী তেওঁ। ৰহেশ্বৰ সোনোৱালে আৰ্থিক সংকটৰ মাজেৰে ১৯৬৫ চনত ডিব্ৰুগড় চহৰৰ হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে আৰু নিয়োগ বিনিময় কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ বিষয়াৰ চাকৰি ত্যাগ কৰি আহি বৃহত্তৰ তিনঠেঙ্গীয়া-লেঙেৰী অঞ্চলত শিক্ষানুষ্ঠান গঢ়ি তোলা, দুখীয়া কৃষকৰ বাবে কৃষি পাম নিগম স্থাপন কৰা, কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰ নিৰ্মাণ আদিত আত্মনিয়োগ কৰাৰ উপৰি পিছপৰা সোনোৱাল কছাৰী জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আন্দোলনৰ এজন অক্লান্ত ৰণুৱা হিচাপে সেনাপতিৰ দায়িত্ব বহন কৰিছিল আৰু এই আন্দোলনৰ জৰিয়তে সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বায়ত্ত শাসনৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। এখন সুন্দৰ সমাজৰ সপোন দেখা শ্ৰীযুত ৰহেশ্বৰ সোনোৱাল নামদাং অৰণ্যৰে আবৃত পিছপৰা বৃহত্তৰ অঞ্চলটোৰ সৰ্বাংগীণ উন্নয়ন আৰু সোনোৱাল কছাৰী জনগোষ্ঠীৰ স্বাধিকাৰ অৰ্জনৰ ইতিহাসত এটি উজ্জ্বল নক্ষত্ৰ হৈ সদায় জিলিকি থাকিব।

প্ৰকাশক : সমাজ হিতৈষী ৰহেশ্বৰ সোনোৱাল
অভিনন্দন অনুষ্ঠান উদ্‌যাপন সমিতি, তিনঠেঙ্গীয়া, ডিব্ৰুগড়

প্ৰচ্ছদ সজ্জা ঃ মনজিৎ ৰাজখোৱা